सत्यमेव जयते

# আদৰ্শ আচৰণ বিধিৰ হাতপুথি

(ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ কাৰণে নিৰ্দেশনা আৰু আন সম্পৰ্কীয় নিয়মাৱলী)

মাৰ্চ, ২০১৯

নথি-২১-সংস্কৰণ-১

ভাৰতৰ নিৰ্বাচন আয়োগ

নিৰ্বাচন সদন, অশোক ৰোড, নতুন দিল্লী-১১০০১

নথি-২১- সংস্কৰণ-১

# আদৰ্শ
# আচৰণ বিধিৰ
# হাতপুথি

(ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ বাবে
নিৰ্দেশনা আৰু আন সম্পৰ্কীয় নিয়মাৱলী)

মাৰ্চ, ২০১৯

ভাৰতৰ নিৰ্বাচন আয়োগ
নিৰ্বাচন সদন, অশোক ৰোড, নতুন দিল্লী-১১০০১

सुनील अरोड़ा
भारत के मुख्य निर्वाचन आयुक्त
**SUNIL ARORA**
Chief Election Commissioner of India

सत्यमेव जयते

भारत निर्वाचन आयोग
Election Commission of India



## শুভেচ্ছাবাণী

নিৰ্বাচন আয়োগে বিগত সাতদশক ধৰি মুক্ত, নিকা, নিৰপেক্ষ আৰু শক্তিশালী ৰূপত নিৰ্বাচন অনুষ্ঠিত কৰি আহিছে। এই নিৰ্বাচনসমূহৰ পৰিমাণ আৰু ক্ৰিয়াকলাপ বিশাল । আয়োগৰ অধীনত প্ৰায় ৯০০ নিযুত ভোটাৰ, কেইবাসহস্ৰাধিক প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী আৰু ৰাজনৈতিক দল, দহ নিযুত কৰ্মচাৰীক নিৰীক্ষণ, নিৰ্দেশনা আৰু নিয়ন্ত্ৰণেৰে সঠিকভাৱে নিৰ্বাচনী কাৰ্যকলাপ সমাপন কৰি থকা হৈছে। অসংখ্য উদ্ভাৱনী পদক্ষ পৰ দ্বাৰা অৰ্থৱহ নিৰ্বাচনী অংশগ্ৰহণৰ সফল হৈ থকাৰ স্বীকৃতি ভাৰতীয় নিৰ্বাচনে পাইছে। আদৰ্শ আচৰণ বিধি (এমচিচি) হৈছে ভাৰতীয় নিৰ্বাচনৰ এক গুৰুত্বপূৰ্ণ আৰু সফল অৱদান।

১৯৬৮ চনৰে পৰা আদৰ্শ আচৰণবিধি (এমচিচি)সকলো ৰাজনৈতিক দলৰ মাজত হোৱা ঐক্যমতত এক বাধ্যতামূলক নৈতিক বিধিৰ ৰূপত উজ্জীৱিত হৈছে। যিটো নিৰ্বাচনৰ সময়ত দলসমূহে এক পৰ্যায়ত প্ৰতিদ্বন্দ্বি ক্ষেত্ৰখনত সুযোগ আৰু নৈতিক ব্যৱহাৰৰ ৰূপত পালন কৰে। নিৰ্বাচন আয়োগে কাৰ্যবাহী ক্ষমতাৰ অধীনত এমচিচি জাৰি কৰিছে। আনকি সন্মানীয় উচ্চতম ন্যায়ালয়েও বিভিন্ন ৰায় যোগে নিৰ্বাচন আয়োগক এই আদৰ্শ আচৰণ বিধিৰ দ্বাৰা মুক্ত আৰু স্বচ্ছ নিৰ্বাচন অনুষ্ঠিত কৰাৰ নিশ্চিতিক স্বীকৃতি দিছে। আমাৰ সফল নিৰ্বাচনী অভিযানৰ নৈতিক বান্ধোন এই বিধি।

মই আদৰ্শ আচৰণ বিধিৰ হাতপুথি সকলো অংশীদাৰৰ সৈতে বিনিময় কৰিব পাৰি সুখী হৈছো। বিশেষকৈ ৰাজনৈতিক দল, প্ৰাৰ্থী, সংবাদ মাধ্যম, নাগৰিক সমাজ আৰু অতি গুৰুত্বপূৰ্ণ আমাৰ ভোটাৰসকল যি ১৭ সংখ্যক সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ যাওতে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব। নিৰ্বাচন আয়োগৰ দ্বাৰা সময়ে সময়ে সকলো ব্যৱস্থা নিৰ্দেশনা আৰু স্পষ্টীকৰণেৰে হাতপুথি প্ৰকাশ কৰি আহিছে। এই পুথিখনৰ শেষত সকলো প্ৰশ্নৰ উত্তৰসহ ফ্ৰিকুয়েণ্টলী আক্‌ছড কুয়েশ্বনছ (এফএকিউ) তালিকা সন্নিবিষ্ট কৰা হৈছে।

মই ড° সঞ্জীৱ ছাক্সেনা ডি ই চি, শ্ৰী নৰেন্দ্ৰ এন বুতলীয়া আচৰণবিধি বিভাগৰ দায়িত্ব থকা প্ৰধান সচিব আৰু তেওঁৰ দলক এই গুৰুত্বপূৰ্ণ নথি (ডকুমেণ্ট) প্ৰস্তুত কৰাৰ বাবে কৃতজ্ঞতা জনাইছো।

মই নিশ্চিত যে এই হাতপুথিয়ে সকলো অংশীদাৰিত্বকে ধৰি সাধাৰণ পটুৱৈয়ে আৰু আমাৰ নিৰ্বাচনী ব্যৱস্থাৰ সকলোকে সঠিক পথ প্ৰদৰ্শন কৰিব।

(সুনীল আৰোৰা)

निर्वाचन सदन, अशोक रोड, नई दिल्ली- 110 001
Nirvachan Sadan, Ashoka Road, New Delhi 110 001 दूरभाष / Tel: 011-23052323, 23052324 फैक्स / Fax: 011-23052365
ई-मेल / E-mail: s.arora@eci.gov.in, वेबसाइट / Website: www.eci.nic.in

अशोक लवासा
भारत के निर्वाचन आयुक्त
ASHOK LAVASA
Election Commissioner of India

भारत निर्वाचन आयोग
Election Commission of India



## শুভেচ্ছাবাণী

নিৰ্বাচনৰ সময়ত আদৰ্শ আচৰণ বিধিয়ে সকলো ক্ষেত্ৰত এক সক্ৰিয় হিচাবে উজ্জ্বীৱিত হৈছে। কাৰণ সকলো ব্যপনশীল উদ্যমৰ বাধ্যবাধকতাক প্ৰতিফলিত কৰিছে। যদিও বা এই বিধিৰ আধাৰ হৈছে নিৰ্বাচন আয়োগ আৰু ৰাজনৈতিক দলসমূহৰ মাজত পাৰস্পৰিক বুজাবুজিৰ ফল। নিৰ্বাচন আয়োগে ক্ৰমাগতভাৱে আৰু সুস্থিৰভৱে এক সংহত আৰু শক্তিশালী ব্যৱস্থা ইতিবাচক হস্তক্ষেপৰ জৰিয়তে গঢ়িবলৈ সক্ষম হৈছে নিৰ্বাচনৰ প্ৰয়োজনীয়তাৰ ওপৰত।

মই সুখী যে সময়ে সময়ে নিৰ্বাচন আয়োগৰ দ্বাৰা জাৰি কৰা আচৰণ বিধিৰ সকলো নিৰ্দেশনাক এক গাঁথনিগত সংগ্ৰহ দ্বাৰা এখন হাতপুথি সজাই তোলা হৈছে। যি সকলো নিৰ্বাচনী কৰ্তৃপক্ষ আৰু ৰাজনৈতিক কৰ্মীক সেৱাৰ বাবে পৰিপক্ক পুথি হিচাপে পৰিগণিত হৈছে। যাৰ দ্বাৰা নিৰ্বাচনী অপৰাধ আৰু অবৈধ কাৰ্যকলাপৰ সৰ্ন্দভত উঠা সকলো সংঘাত নিৰ্মূল কৰিব পৰা যাব। আদৰ্শ আচৰণবিধিৰ সকলো আকাংক্ষা হাতপুথিত অন্তৰ্ভুক্ত কৰা হৈছে।

মই গভীৰভাৱে আশা কৰো যে এই হাতপুথিয়ে সকলো নিৰ্বাচন কাৰ্যকলাপৰ সহায়ক হ'ব আৰু সকলো অংশীদাৰিত্বৰ আত্মসংযমীভাবক সেৱা আগবঢ়াব আৰু যিকোনো সভ্য সমাজৰ হলমাৰ্ক হ'ব এই স্বেচ্ছামূলক বিধি। যিসকলে এই প্ৰকল্পত জনতাক প্ৰতিনিধিত্ব কৰবলৈ আকাংক্ষা কৰে সেইসকলে এই হাতপুথিক গুৰুত্বসহকাৰে ল'ব লাগে। তেওঁলোকেৰ প্ৰমূল্যবোধ আদৰ্শ আচৰণবিধিৰ এক উদাহৰণ হ'ব লাগে।

Lavasa
(অশোক লাভাছা)

निर्वाचन सदन, अशोक रोड, नई दिल्ली- 110 001
Nirvachan Sadan, Ashoka Road, New Delhi 110 001 दूरभाष/Tel: 011-23052132, 23052134 फैक्स/Fax: 011-23052249
ई–मेल/E-mail: alavasa@eci.gov.in, वेबसाइट/ Website: www.eci.gov.in

सुशील चन्द्रा
भारत के निर्वाचन आयुक्त
**Sushil Chandra**
Election Commissioner of India

भारत निर्वाचन आयोग
**Election Commission of India**



**<u>শুভেচ্ছাবাণী</u>**

মই সুখী যে নিৰ্বাচন আয়োগে আদৰ্শ আচৰণ বিধিৰ হাতপুথি প্ৰকাশ কৰিছে। ই কেৱল নিৰ্বাচন বিষয়া, ৰাজনৈতিক দল আৰু প্ৰতিদ্বন্দ্বিতাকাৰী প্ৰাৰ্থীৰ কাৰণে সেৱাৰ প্ৰসংগ পুথি নহয়। সাধাৰণভাৱে ই নিৰ্বাচনৰ আচৰণবিধি হিচাপেও কাম কৰি আছে।

ভাৰতৰ নিৰ্বাচন প্ৰক্ৰিয়াৰ এজন সচেতন নিৰীক্ষকে জানে যে নিৰ্বাচন আয়োগৰ আদৰ্শ আচৰণ বিধি এক সক্ৰিয়া সজুলী, যিয়ে সকলো পৰ্যায়ত সকলো ক্ষেত্ৰত সম্ভৱ কৰি তোলে। ইয়ে ভোটাৰক এক তথ্য সমৃদ্ধ আৰু গ্ৰহণযোগ্য প্ৰাৰ্থীক পছন্দ কৰাত সুবিধা প্ৰদান কৰে। সকলো ৰাজনৈতিক দল সি লাগিলে শাসকীয় দল অথবা বিৰোধী দলবোৰেই হওক আদৰ্শ আচৰণবিধিৰ উদ্যমক প্ৰশংসা কৰে, নিৰ্বাচনৰ সময়ত ইয়াৰ সম্পদক সঠিকভাৱে ব্যৱহাৰ কৰাত অনুমতি দিয়ে।

নিৰ্বাচনী ব্যৱস্থাপনাক লৈ সদায়ে এক উদ্বিগ্নতা থাকে। দেশত নিৰ্বাচনী ব্যৱস্থাক স্বচ্ছভাৱে পৰিচালনা কৰাৰ দিশত নিৰ্বাচন আয়োগে অহৰহভাৱে সঠিক দিশেৰে আগবাঢ়ি গৈ আছে। নিৰ্বাচনৰ আচৰণৰ বিধি সম্পৰ্কীয় বিষয়সমূহক বুজাৰ বাবে নিৰ্বাচন আয়োগৰ এক পদক্ষেপ হৈছে আদৰ্শ আচৰণবিধি।

মোৰ কোনো সন্দেহ নাই যে সকলো অংশীদাৰিত্বৰ দ্বাৰা সংঘটিত কৰিব খোজা নিৰ্বাচনৰ অবৈধ কাৰ্যকলাপ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত এই হাতপুথি অতি ব্যৱহাৰিক হ'ব।

(সুশীল চন্দ্ৰা)

निर्वाचन सदन, अशोक रोड, नई दिल्ली- 110 001
Nirvachan Sadan, Ashoka Road, New Delhi 110 001
दूरभाष / Tel: 011 -23052137, 011-23052138, फैक्स / Fax: 011-23052139, वेबसाइट / Website: www.eci.gov.in

डॉ. संदीप सक्सेना
उप निर्वाचन आयुक्त
DR. SANDEEP SAXENA
Deputy Election Commissioner

सत्यमेव जयते

भारत निर्वाचन आयोग
Election Commission of India



## আগকথা

মুক্ত আৰু নিকা বাতাবৰণ সৃষ্টিৰ দ্বাৰা দেশৰ গণতান্ত্ৰিক প্ৰতিষ্ঠানৰ প্ৰতি জনতাৰ দৃঢ় বিশ্বাসক নিশ্চিতি বৰ্তাই ৰখাৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগে অহৰহ সংগ্ৰাম কৰি আছে। সাংবিধানপ্ৰদত্ত অধিকাৰৰ ভিতৰত নিৰ্বাচন আয়োগে নিৰ্বাচনী প্ৰক্ৰিয়াত সকলো অংশীদাৰিত্বক নৈতিক অংশ গ্ৰহণৰ কাৰণে পৰ্যাপ্ত পদক্ষেপ লৈ আছে।

সকলো ৰাজনৈতিক দলৰ অংশ গ্ৰহণ কৰা নিৰ্বাচনী যুঁজ ব্যৱস্থাপনাৰ কাৰণে আয়োগে আচৰণবিধি বিৱৰ্তন কৰিছে আৰু এই স্থিতিক যাতে আইনী ব্যৱস্থাৰ দ্বাৰা সকলো ধৰণৰ অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ কৰিব পাৰে তাৰ ব্যৱস্থা কৰা হৈছে।

নিৰ্বাচন আয়োগৰ বিভিন্ন বিষয়ক মুখ্য নিয়মাৱলীৰ ওপৰত প্ৰস্তুত কৰা আদৰ্শ আচৰণ বিধিৰ হাতপুথি এই প্ৰকাশন।

মই আচৰণ বিধি বিভাগৰ দায়িত্ব থকা মুখ্য সচিব শ্ৰী নৰেন্দ্ৰ এন বুতলীয়াৰ অধীনত অতি স্পষ্টতাৰে নিৰ্ধাৰিত তথ্য সমৃদ্ধ আৰ্দশ আচৰণ বিধি প্ৰস্তুত কৰা পদক্ষেপক প্ৰশংসা জনাব বিচাৰো। আশা কৰো নিৰ্বাচনী বিষয়া, ৰাজনৈতিক দল আৰু তেওঁলোকৰ কৰ্মকৰ্তাই এই প্ৰতিবেদনৰ দ্বাৰা লাভান্বিত হ'ব আৰু তেওঁলোকৰ আৱশ্যকতাক পূৰণ কৰিব।

Sandeep

(সন্দীপ ছাক্সেনা)

निर्वाचन सदन, अशोक रोड़, नई दिल्ली- 110 001
Nirvachan Sadan, Ashoka Road, New Delhi 110 001 दूरभाष / Tel: 011-23052023, 011-23052024 फैक्स / Fax: 011-23052025
ई–मेल / E-mail: decss@eci.gov.in वेबसाइट / Website: www.eci.nic.in

नरेन्द्र ना. बुटोलिया
प्रधान सचिव
NARENDRA N. BUTOLIA
Principal Secretary

सत्यमेव जयते

भारत निर्वाचन आयोग
Election Commission of India



## পাতনি

আদৰ্শ আচৰণ বিধিৰ সন্দৰ্ভত জ্ঞান আৰু তথ্য অৱগত কৰোৱাৰ পদক্ষেপ হাতপুথি আৰু জৰুৰী ব্যৱস্থা, নিৰ্দেশনা, কাৰ্যকলাপ আৰু নিৰ্বাচিত আদালতৰ বিষয়সমূহক এই হাতপুথিত সন্নিৱিষ্ট কৰা হৈছে।

এই বিষয়টো সকলো ৰাজনৈতিক দল আৰু সকলো অংশীদাৰিত্বৰ কাৰণে গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰখনত প্ৰতিদ্বন্দ্বিতা কৰা সকলে এনে এক পৰিৱেশ সৃষ্টি কৰিব, য'ত কোনো ভয় বা শংকা নোহোৱাকৈ ভোটাৰে নিজৰ অধিকাৰ সাব্যস্ত কৰিব পাৰে। নিৰ্বাচন আয়োগে আদৰ্শ আচৰণ বিধিত প্ৰতিটো অধ্যায়ৰ বিশাল বিষয়ৰ ওপৰত ব্যাখ্যা আগবঢ়াই জাৰি কৰা সকলো নিৰ্দেশনা হাতপুথিত সন্নিৱিষ্ট আছে। পঢ়ুৱৈৰ সুবিধাৰ কাৰণে প্ৰতিটো অধ্যায়ত গুৰুত্বপূৰ্ণ অংশসমূহক ৰং সন্নিৱিষ্ট অংকীত বক্সৰ দ্বাৰা প্ৰতিফলিত কৰা হৈছে। কিছুসংখ্যক গুৰুত্বপূৰ্ণ নিৰ্দেশনা উপৰঞ্চি তালিকাত সন্নিৱিষ্ট কৰা হৈছে আৰু হাতপুথিৰ শেষত উত্তৰসহ ফ্ৰিকুৱেণ্টলী আক্‌ছ কুৱেশ্বন (এফ এক কিউ সমূহৰ) তালিকাও সন্নিৱিষ্ট কৰা হৈছে।

মই আশা কৰো যে এই হাতপুথি নিৰ্বাচন বিষয়া, ৰাজনৈতিক দল, অংশীদাৰিত্ব আৰু এই বিষয়টোক লৈ জনতাৰ মাজৰ যিসকল লোক আগ্ৰহী তেনে লোক লাভজনক, সহায়ক আৰু বোধগম্য হ'ব।

মই ধন্যবাদ জনাইছো আচৰণ বিধি বিভাগৰ সমগ্ৰ দল বিশেষকৈ শ্ৰী অশ্বিনী মোহাল অৱৰ সচিব, শ্ৰীমতী অনুৰাধা সিং, শাখা বিষয়া, শ্ৰী সৌৰভ ৰানা, সহকাৰী শাখা বিষয়া আৰু মোৰ ব্যক্তিগত সহায়ক শ্ৰী শুভম দুহানক, যিসকলে এই প্ৰকাশন সংগ্ৰহ, বিকাশ আৰু ছপাৰ বাবে সহায় কৰিলে।

মই কৃতজ্ঞতা জনাইছো নিৰ্বাচন পৰিকল্পনা বিভাগ, সংবাদ মাধ্যম বিভাগ আৰু আয়োগৰ এছ ডি আৰ বিভাগক যিসকলে এই বিষয় সম্পৰ্কীয় সকেলা তথ্য যোগান ধৰিছে।

(নৰেন্দ্ৰ এন বুতলীয়া)

निर्वाचन सदन, अशोक रोड़, नई दिल्ली-110 001
Nirvachan Sadan, Ashoka Road, New Delhi-110001 दूरभाष/Tel.: 011-23052016, 23071739 Ext.-308 फैक्स/Fax: 011-23052050
ई-मेल/E-mail: narendranb@eci.gov.in वेबसाइट/Website: www.eci.nic.in

## সংশোধনী আৰু শুধৰণিসমূহ

### সংশোধন

| ক্ৰমিক নং | তাৰিখ | বিষয় |
|---|---|---|
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |

### শুধৰণি

| ক্ৰমিক নং | তাৰিখ | বিষয় |
|---|---|---|
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |

# সূচী তালিকা

পৃষ্ঠা নং

ব্যৱহৃত শব্দাৰ্থ তালিকা ১

অধ্যায়-১. ঐতিহাসিক পৃষ্ঠভূমি ৭

অধ্যায়-২. আদৰ্শ বিধিৰ মৰ্যাদা আৰু সুযোগ ১২

২.১ পাতনি ১২

২.২ আদৰ্শ বিধিৰ মৰ্যাদা ১২

২.৩ আইন প্ৰয়োগৰ ব্যৱস্থা ১৩

২.৪ পৰিপূৰক নিৰ্দেশনাৰ সুযোগ ১৫

অধ্যায়-৩. আদৰ্শ বিধিৰ বলৱৎ ১৭

৩.১ পাতনি ১৭

৩.২ বলৱৎৰ তাৰিখ ১৭

৩.৩ বলৱৎৰ সময়সীমা ১৮

৩.৪ বলৱৎৰ ক্ষেত্ৰ ১৮

৩.৫ আদৰ্শ বিধিৰ অধীনত কোন সংপৃক্ত ১৮

৩.৬ নিৰ্বাচন ঘোষণাৰ পূৰ্বে আদৰ্শ বিধিৰ অধীনত নিৰ্বাচন আয়োগে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে নে ১৯

৩.৭ নতুন নিৰ্বাচনৰ পাচত নতুন চৰকাৰ গঠন নোহোৱালৈকে কাৰ্যবাহী চৰকাৰখনৰ স্থিতিৰ দ্বাৰা বিধানসভা ভংগৰ গোচৰবোৰ আদৰ্শবিধিত প্ৰয়োগ যোগ্য নে ১৯

৩.৮ আদৰ্শ বিধিৰ অধীনত সংপৃক্ত ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ বাহিৰে ব্যক্তিৰ দ্বাৰা নিৰ্বাচন সম্পৰ্কীয় অভিযান কাৰ্যকলাপ অধীন নে (পৰিশিষ্ট-III) ২০

অধ্যায়-৪. আদৰ্শ বিধি বলৱৎক লৈ নিৰ্বাচন আয়োগৰ দ্বাৰা বিশেষ পদক্ষেপ গ্ৰহণ ২২

৪.১ পাতনি ২২

৪.২ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ পৰা প্ৰাপ্ত মানদণ্ডজনক আদৰ্শ বিধি প্ৰক্ৰিয়াকৰণৰ প্ৰসংগ ২২

- নিৰ্বাচন সৈতে জড়িত চৰকাৰী বিষয়াৰ বদলি/ নিযুক্তি ২২
- নিৰ্বাচন ঘোষণাৰ লগে লগে আদৰ্শ বিধি বলৱৎকৰণ ২২
- কেন্দ্ৰীয় চৰকাৰলৈ নিৰ্দেশনা ২৩
- ৰাজ্য চৰকাৰলৈ নিৰ্দেশনা ২৪

| | | |
|---|---|---|
| ৪.৩. | ৰাজনৈতিক দল আৰু প্ৰাৰ্থীলৈ পৰামৰ্শ | ২৪ |
| ৪.৪ | ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসমূহে নিৰ্বাচনী প্ৰক্ৰিয়াত অনুকৰণ কৰিবলগীয়া আৰু নকৰিবলগীয়া | ২৬ |
| **অধ্যয়-৫ নতুন আঁচনি ঘোষণা-বিত্তীয় প্ৰশাসনিক বিষয়ত প্ৰতিবন্ধকতা** | | **৩১** |
| ৫.১ | পাতনি | ৩১ |
| ৫.২ | একত্ৰিত নিয়মাৱলী | ৩২ |
| ৫.৩ | বাৰ্ষিক বাজেট দাখিল | ৩৬ |
| ৫.৪. | বিত্তীয় অনুদান/ক্ষতিপূৰণ/সাহায্য/ৰাজসাহায্য ঘোষণা | ৩৮ |
| ৫.৫ | এমপি/এমএলএ এলএডি আৰু বিধিবদ্ধ পুঁজি বাহিৰৰ অনুদান | ৪০ |
| ৫.৬ | বিধিবদ্ধ প্ৰয়োজনীয়তাৰ নিয়মীয়া বিত্তীয় বিষয়ত অনুমতি | ৪১ |
| ৫.৭ | ৰাজ্য চৰকাৰৰ বিত্তীয় প্ৰতিষ্ঠানৰ দ্বাৰা বেয়া ঋণ আৰু আদায় দিবলগীয়া ৰাখি ৰেহাই প্ৰদান | ৪১ |
| ৫.৮ | তদৰ্থ নিযুক্তিত প্ৰতিবন্ধকতা | ৪১ |
| ৫.৯ | অন্যান্য প্ৰশাসনিক সিদ্ধান্তত প্ৰতিবন্ধকতাৰ উদাহৰণ | ৪২ |
| **অধ্যয়-৬. ৰাজকোষৰ ধনেৰে বিজ্ঞাপন প্ৰকাশ** | | **৪৪** |
| ৬.১ | পাতনি | ৪৪ |
| ৬.২ | উচ্চতম ন্যায়ালয়ৰ নিয়মাৱলী | ৪৫ |
| ৬.৩ | সংকলিত নিয়মাৱলী | ৪৭ |
| ৬.৪ | ৰাজকোষৰ ধনেৰে বিজ্ঞাপন আৰু হৰ্ডিঙৰ প্ৰচাৰ | ৪৮ |
| ৬.৫ | নিৰ্বাচন অনুষ্ঠিত নোহোৱা ৰাজ্যত বিজ্ঞাপন প্ৰকাশ | ৪৯ |
| ৬.৬ | বিশেষ উদ্‌যাপন/দিনত বিজ্ঞাপনৰ প্ৰকাশ | ৫০ |
| ৬.৭ | বিভিন্ন ৰাজ্যত আধাৰ সম্পৰ্কীয় প্ৰচাৰৰ ধাৰাবাহিকতা | ৫০ |
| **অধ্যায়-৭. মন্ত্ৰীসকল/অন্য গণ্যমান্য ব্যক্তিসকলৰ ভ্ৰমণ/পৰিদৰ্শন** | | **৫১** |
| ৭.১ | পাতনি | ৫১ |
| ৭.২ | সংযুক্ত নিৰ্দেশনা | ৫২ |
| • | চৰকাৰী ভ্ৰমণক ৰাজনৈতিক/ব্যক্তিগত ভ্ৰমণৰ সৈতে একাকাৰ নকৰিব | ৫৩ |
| • | চৰকাৰী বাহনৰ ব্যৱহাৰৰ ওপৰত নিষেধাজ্ঞা | ৫৪ |
| • | চৰকাৰী বিষয়া প্ৰট'কলৰ কামত নিয়োজিত নহ'ব | ৫৫ |
| • | চৰকাৰী বিষয়াৰ সৈতে বৈঠক | ৫৫ |
| • | চৰকাৰী বিষয়াৰ সৈতে ভিডিঅ' কনফাৰেন্সিং | ৫৫ |
| • | ভ্ৰমণৰসময়ত মন্ত্ৰীৰ সৈতে যোৱা ব্যক্তিগত ষ্টাফ | ৫৬ |
| • | চৰকাৰী অতিথি গৃহত থকাৰ ব্যৱস্থা | ৫৬ |

| | | |
|---|---|---|
| ৭.৩ | আৰক্ষী বিষয়াৰ দ্বাৰা মুখ্যমন্ত্ৰী/গৃহমন্ত্ৰীক তথ্য বিৰৰণ দিয়া | ৫৭ |
| অধ্যায় ৮. | ভোটগ্ৰহণ সমাপ্ত হোৱাৰ ৪৮ ঘণ্টাৰ আগেয়ে নিৰ্বাচনী প্ৰচাৰত বাধা আৰোপ | ৫৮ |
| ৮.১ | পাতনি | ৫৮ |
| ৮.২ | অন্তিম ৪৮ ঘণ্টাৰ ম্যাদত সমষ্টিত ৰাজনৈতিক কৰ্মকৰ্তাৰ উপস্থিতিত প্ৰতিবন্ধকতা | ৫৯ |
| | • নিৰীক্ষণৰ ব্যৱস্থা | ৫৯ |
| | • প্ৰতিবন্ধকতাৰ পৰা ৰেহাই | ৫৯ |
| | অন্তিম ৪৮ ঘণ্টাৰ ম্যাদত নিৰ্বাচন সম্বন্ধীয় তথ্যৰ সম্প্ৰচাৰ | ৬০ |
| | অন্তিম ৪৮ঘণ্টাত নিৰ্বাচন সম্পৰ্কীয় তথ্য ৰেডিঅ'যোগে সম্প্ৰচাৰ কৰিব পাৰি নেকি ? | ৬১ |
| | ছপা মাধ্যমত বিজ্ঞাপন | ৬১ |
| | প্ৰতিদ্বন্দ্বিতা কৰা অভিনেতাৰ ছবিৰ সম্প্ৰচাৰ (বাণিজ্যিক বিজ্ঞাপনৰ বাহিৰে) | ৬২ |
| অধ্যায় ৯. | চৰকাৰী ৱেবছাইট/ভৱন/বিজ্ঞাপনত ফটো/বাৰ্তা প্ৰদৰ্শন | ৬৩ |
| ৯.১ | পাতনি | ৬৩ |
| ৯.২ | চৰকাৰী ৱেবছাইটত ফটো/বাৰ্তা প্ৰদৰ্শন | ৬৩ |
| ৯.৩ | চৰকাৰী ভৱনত ফটো/বাৰ্তা প্ৰদৰ্শন | ৬৪ |
| ৯.৪ | চৰকাৰী বিজ্ঞাপন/হৰ্ডিঙৰ ওপৰত ফটো/বাৰ্তা প্ৰদৰ্শন | ৬৪ |
| ৯.৫ | এমপি/এমএলএ এলএডি পুঁজিপ্ৰাপ্ত ভ্ৰাম্যমান সামগ্ৰীত নাম/ফটো প্ৰদৰ্শন কৰিব পাৰি নে নাই | ৬৪ |
| ৯.৬ | হিতাধিকাৰীৰ কাৰ্ড/বৈদ্যুতিক বিল/নিৰ্মাণৰ স্থানত ফটো প্ৰদৰ্শন— | ৬৫ |
| ৯.৭ | প্ৰাক্তন ৰাষ্ট্ৰীয় নেতা/কবি/বিশিষ্ট ব্যক্তিৰ ছবি প্ৰদৰ্শন কৰিব পাৰি নে নাই | ৬৫ |
| ৯.৮ | প্ৰতিৰক্ষা কৰ্মীসকলৰ ফটোৰ ব্যৱহাৰৰ ওপৰত নিষেধাজ্ঞা | ৬৬ |
| অধ্যায় ১০. | বাহনৰ ব্যৱহাৰ/ৰিকুইজিচন | ৬৭ |
| ১০.১ | পাতনি | ৬৭ |
| ১০.২ | বাহনৰ ৰিকুইজিচনৰ সন্দৰ্ভত আইনী ব্যৱস্থা | ৬৭ |
| ১০.৩ | বাহনৰঅধিগ্ৰহণত ৰেহাই | ৬৭ |
| ১০.৪ | ৰিকুইজিটেড বাহনৰ বাবে ক্ষতিপূৰণ | ৬৮ |
| ১০.৫ | সংকুলিত নিৰ্দেশনা | ৬৮ |
| | • চৰকাৰী বাহন ব্যৱহাৰত নিষেধাজ্ঞা | ৬৮ |
| | • বাহনৰ কনভয়ৰ সীমাবদ্ধতা | ৭০ |
| | • মনোনয়ন দাখিলৰ সময়ত বাহনৰ ব্যৱহাৰ | ৭০ |
| | • নিৰ্বাচনী উদ্দেশ্যে বাহনৰ ব্যৱহাৰ | ৭১ |
| | • নিৰ্বাচনৰ দিনা বাহনৰ ব্যৱহাৰ | ৭৪ |

• ভিডিঅ’ ভানসমূহ ৭৬
• প্ৰচাৰ কাৰ্যত মটৰ চাইকেল ব্যৱহাৰ ৭৮
• নিৰ্বাচনৰ সময়ত ৰোড শ্ব’ত সীমাবদ্ধতা ৭৯
• তাৰকা প্ৰচাৰকসকলৰ দ্বাৰা পথ পৰিবহনৰ ব্যৱহাৰ ৮০
১০.৬ অধ্যক্ষ/উপাধ্যক্ষ বা বিভিন্ন ব’ৰ্ড/আয়োগ/পিএছইউৰ কৰ্মকৰ্তাসকলৰ দ্বাৰা চৰকাৰী বাহনৰ ব্যৱহাৰ ৮০
১০.৭ সুৰক্ষাৰ কাৰণত বুলেট প্ৰুফ বাহন প্ৰদান ৮১

অধ্যায় ১১. হেলিকপ্টাৰ আৰু বিমানসমূহৰ ব্যৱহাৰ/ৰিকুইজিচন ৮৪

১১.১ পাতনি ৮৪
১১.২ ভাড়া কৰা বিমান আৰু হেলিকপ্টাৰসমূহ ৮৪
১১.৩ অ-সূচীত বিমানসমূহৰ পঞ্জী ব্যৱস্থাপনা ৮৪
১১.৪ জিলা প্ৰশাসনৰ দ্বাৰা নিৰ্দিষ্ট তথ্যপুঞ্জীৰ ব্যৱস্থাপনা ৮৫
১১.৫ ভোটদান/ ভোট গণনাত ব্যক্তিগত ফিক্সড-উইং বিমান আৰু হেলিকপ্টাৰসমূহৰ ব্যৱহাৰ সন্দৰ্ভত স্পষ্টীকৰণ ৮৫

অধ্যায় ১২. বিদ্যালয়ৰ খেলপথাৰ/ৰাজহুৱা সম্পত্তিৰ ব্যৱহাৰ ৮৭

১২.১ পাতনি ৮৭
১২.২ বিদ্যালয়/মহাবিদ্যালয়ৰ চৌহদ/ খেলপথাৰৰ ব্যৱহাৰ ৮৭
১২.৩ ৰাজনৈতিক বিজ্ঞাপনত ৰাজহুৱা সম্পত্তিৰ ব্যৱহাৰত প্ৰতিবন্ধকতা ৮৮
১২.৪ ৰাজ্যিক পৰিবহণ কৰ্তৃপক্ষৰ অধীনত চলা বাছত ৰাজনৈতিক বিজ্ঞাপনত প্ৰতিবন্ধকতা ৮৯

অধ্যায় ১৩. জাতীয় পতাকা/দলীয় পতাকা/দলীয় বেনাৰৰ ব্যৱহাৰ ৯০

১৩.১ জাতীয় পতাকাৰ ব্যৱহাৰ ৯০
১৩.২ দলীয় কৰ্মীৰ বাসগৃহত দলীয় পতাকা/ বেনাৰৰ ব্যৱহাৰ ৯১
• প্ৰদৰ্শন কৰিবলগীয়া দলীয় পতাকাৰ সংখ্যা ৯১
১৩.৩ বাহনত প্ৰদৰ্শিত কৰা বেনাৰ/পতাকাৰ আকাৰ আৰু সংখ্যা ৯১
১৩.৪ প্ৰচাৰ অভিযান সম্পৰ্কীয় সামগ্ৰী ৯৩

অধ্যায় ১৪. লাউডস্পীকাৰৰ ব্যৱহাৰ ৯৪

১৪.১ পাতনি ৯৪
১৪.২ সংকুলিত নিৰ্দেশনা ৯৫
• নিৰ্বাচনত লাউডস্পীকাৰ ব্যৱহাৰৰ ম্যাদ ৯৫
• লাউডস্পীকাৰৰ ব্যৱহাৰত অনুমতি বাঞ্চনীয় ৯৫

• অন্তিম ৪৮ ঘণ্টাত লাউডস্পীকাৰ ব্যৱহাৰত প্ৰতিবন্ধকতা ৯৬
• অনুমোদিত সীমাৰ ভিতৰত ধ্বনি থাকিব লাগিব ৯৬

অধ্যায় ১৫. পত্ৰিকা/পোষ্টাৰৰ মুদ্ৰণ ৯৭

১৫.১ পাতনি ৯৭
১৫.২ ভাড়াতীয়া বিজ্ঞাপন ৯৮
১৫.৩ ভাড়াতীয়া বিজ্ঞাপন ধাৰাবাহিকতা ৯৮
১৫.৪ সন্ধানযোগ্য উৎসসহ বিজ্ঞাপনক লৈ ব্যৱস্থা ৯৮
১৫.৫ পোষ্টাৰ হিচাপে হৰ্ডিং/ফ্লেক্স ব'ৰ্ড ৯৯

অধ্যায় ১৬. ৰাজহুৱা/ব্যক্তিগত সম্পত্তিৰ অৱক্ষয় ১০০

১৬.১ পাতনি ১০০
১৬.২ সংকুলিত নিৰ্দেশনা ১০১
• ৰাজহুৱা স্থানৰ অৱক্ষয় ১০১
• ব্যক্তিগত স্থানৰ অৱক্ষয় ১০২
• হল, প্ৰেক্ষাগৃহ আৰু চৰকাৰী মালিকানাধীন অন্যান্য সম্পত্তিৰ অৱক্ষয় ১০৪
• বাহনৰ অৱক্ষয় ১০৫
১৬.৩ অকৰ্তৃত্বশীল অৱক্ষয় আঁতৰোৱাৰ ম্যাদ ১০৬

অধ্যায় ১৭. সুৰা বিক্ৰীত প্ৰতিবন্ধকতা ১০৭

১৭.১ পাতনি ১০৭
১৭.২ বিধিবদ্ধ প্ৰতিবন্ধকতা ১০৭
১৭.৩ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা ১০৮
• ভোটদান/পুনৰ ভোটৰ দিনা আৰু ইয়াৰ ৪৮ ঘণ্টাৰ আগত প্ৰতিবন্ধকতা ১০৮
• ভোট গণনাৰ দিনাৰ প্ৰতিবন্ধকতা ১০৮
১৭.৪ ভোট ক্ৰয় কৰিবলৈ সুৰাৰ ব্যৱহাৰৰ ক্ষেত্ৰত অতিৰিক্ত সাৱধানতা ১০৮

অধ্যায় ১৮. নিৰ্বাচনী ইস্তাহাৰ ১১০

১৮.১ পাতনি ১১০
১৮.২ নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা ১১০
১৮.৩ নিৰ্বাচনী ইস্তাহাৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগৰ নিৰ্দেশনা ১১১
১৮.৪ নিৰ্বাচনী ইস্তাহাৰ আইনমতে বলৱৎ যোগ্য নহয় ১১৩

অধ্যায় ১৯. আদৰ্শ আচৰণ আৰু চৰকাৰী বিষয়া ১১৫

১৯.১ পাতনি ১১৫
১৯.২ বদলি/নিয়োগৰ নীতি ১১৫

• বদলিৰ চৰ্তসমূহ ১১৬
• নীতিৰ প্ৰযোজ্যতা ১১৭
• শিথিলতা/ ৰেহাই ১১৮
• মুখ্য নিৰ্বাচনী বিষয়াৰ সৈতে আলোচনা ১২০
• ভোটাৰ তালিকা প্ৰস্তুত কৰা বিষয়াসকলৰ বদলি/নিয়োগ ১২০
১৯.৩ আৰক্ষী উপ-পৰিদৰ্শকৰ বদলিৰ স্পষ্টীকৰণ ১২০
১৯.৪ নিৰ্বাচনৰ সৈতে জড়িত বিষয়াৰ বদলিত প্ৰতিবন্ধকতা ১২০
১৯.৫ মুখ্যমন্ত্ৰী/গৃহমন্ত্ৰীক আৰক্ষীৰ তথ্য বিৱৰণ ১২১
১৯.৬ মন্ত্ৰী আৰু চৰকাৰী বিষয়াৰ মাজত ভিডিঅ’ কনফাৰেন্স ১২২
১৯.৭ বিষয়াৰ ভ্ৰমণ/ছুটীৰ ক্ষেত্ৰত প্ৰতিবন্ধকতা, যিসকলৰ আত্মীয় ৰাজনৈতিক ক্ষেত্ৰত সক্ৰিয় ১২৩

অধ্যায় ২০. উপ-নিৰ্বাচনৰ সময়ত আদৰ্শ আচৰণ বিধি ১২৪

২০.১ পাতনি ১২৪
২০.২ আদৰ্শ আচৰণ বিধিৰ প্ৰযোজ্যতা ১২৪
২০.৩ মন্ত্ৰীসকলৰ ভ্ৰমণ ১২৫
২০.৪ নতুন আঁচনি/প্ৰকল্পসমূহৰ ঘোষণা ১২৬
২০.৫ মৰগীয়া বানচ ঘোষণা ১২৬
২০.৬ বিজ্ঞাপন প্ৰকাশ ১২৭
২০.৭ চৰকাৰী ৱেবছাইটৰ পৰা মন্ত্ৰীসকলৰ প্ৰসংগ আঁতৰোৱা ১২৭
২০.৮ ধৰ্মীয়/সম্প্ৰদায় সম্পৰ্কে মন্তব্য/প্ৰতিশ্ৰুতি প্ৰদানত প্ৰতিবন্ধকতা ১২৮
২০.৯ চৰকাৰী বিষয়াৰ বদলি/নিয়োগ ১২৮
• বিধানসভাৰ উপ-নিৰ্বাচন ১২৮
• লোকসভাৰ উপ-নিৰ্বাচন ১২৯

অধ্যায় ২১. দ্বি-বাৰ্ষিক নিৰ্বাচনৰ সময়ত আদৰ্শ আচৰণ বিধি ১৩২

২১.১ পাতনি ১৩২
২১.২ সংকুলিত নিৰ্দেশনা ১৩৩
• মন্ত্ৰীসকলৰ ভ্ৰমণ আৰু নতুন আঁচনি ঘোষণাত সীমাবদ্ধতা ১৩৩
• বাহন ব্যৱহাৰত সীমাবদ্ধতা ১৩৩
• মন্ত্ৰীৰ ভ্ৰমণৰ ৰেকৰ্ডিং ১৩৪
• চৰকাৰী বিষয়াৰ সৈতে বৈঠক ১৩৪
• চৰকাৰী বিষয়াসকলৰ বদলিত নিষেধাজ্ঞা ১৩৫
• ময়দান/ হেলিপেডৰ ব্যৱহাৰ ১৩৫

- চৰকাৰী ডাক বাংলোৰ সুবিধা ১৩৫
- ৪৮ ঘণ্টাৰ সময়সীমাত সমষ্টিত ৰাজনৈতিক কৰ্মকৰ্তাৰ উপস্থিতিত প্ৰতিবন্ধকতা ১৩৫
- সুৰা বিক্ৰীত প্ৰতিবন্ধকতা ১৩৫
- এমচিএমচিৰ নিযুক্তি ১৩৬
- নিৰ্বাচনী প্ৰচাৰৰ সময়ত বাল্ক এছএমএছ আৰু ভইচ মেছেজ ১৩৬

অধ্যায় ২২. অন্যান্য ১৩৭

২২.১ অতিথিশালাৰ ব্যৱহাৰ ১৩৭
২২.২ গুৰুত্বপূৰ্ণ দিন উদ্‌যাপনত ৰাজনৈতিক কৰ্মকৰ্তাৰ অংশগ্ৰহণ ১৩৮
২২.৩ নিৰ্বাচনৰ সময়ত ধৰ্মীয় অনুষ্ঠানৰ ভোজ/ভোজন ১৩৯
২২.৪ অস্থায়ী প্ৰচাৰ কাৰ্যালয় ১৩৯
২২.৫ নিৰ্বাচনী কাৰ্যত জন্তুৰ ব্যৱহাৰ ১৪০
২২.৬ গুৰুত্বপূৰ্ণ নিবিদা আৰু নিলাম — সুৰাৰ বিপণী/পাণ আদিৰ সন্দৰ্ভত ১৪০
২২.৭ প্ৰতিৰক্ষা বিষয়ত আদৰ্শ আচৰণ বিধিৰ প্ৰযোজ্যতা ১৪০
২২.৮ নিৰ্বাচন সম্বন্ধীয় কাম-কাজত শিশু শ্ৰমিকক নিয়োগ ১৪১
২২.৯ প্ৰচাৰ কাৰ্যত প্লাষ্টিক সামগ্ৰী ব্যৱহাৰত প্ৰতিবন্ধকতা ১৪১

অধ্যয়-২৩. আদৰ্শ বিধিৰ ওপৰত ঐতিহাসিক ৰায় ১৪২

পৰিশিষ্ট (১-২১) ১৫৫
পৰিশিষ্ট-I ১৫৭
পৰিশিষ্ট-II ১৬৪
পৰিশিষ্ট-III ১৬৫
পৰিশিষ্ট-IV ১৬৭
পৰিশিষ্ট -V ১৬৮
পৰিশিষ্ট - VI ১৭৬
পৰিশিষ্ট - VII ১৭৯
পৰিশিষ্ট - VIII ১৮০
পৰিশিষ্ট - IX ১৮১
পৰিশিষ্ট - X ১৮২

| | |
|---|---|
| পৰিশিষ্ট - XI | ১৯৫ |
| পৰিশিষ্ট - XII | ২০০ |
| পৰিশিষ্ট - XIII | ২০২ |
| পৰিশিষ্ট - XIV | ২০৯ |
| পৰিশিষ্ট - XV | ২১২ |
| পৰিশিষ্ট - XVI | ২১৫ |
| পৰিশিষ্ট-XVII | ২৪০ |
| পৰিশিষ্ট-XVIII | ২৪১ |
| পৰিশিষ্ট-XIX | ২৪৪ |
| পৰিশিষ্ট-XX | ২৪৫ |
| পৰিশিষ্ট-XXI | ২৫০ |
| সঘনাই সোধা প্ৰশ্নসমূহ | ২৫৩ |

# ব্যৱহৃত শব্দাৰ্থ তালিকা

১। **সহকাৰী নিৰ্বাচনী পঞ্জীয়ন বিষয়া ঃ** নিৰ্বাচন আয়োগে এজন বা ততোধিক সহকাৰী নিৰ্বাচনী পঞ্জীয়ন বিষয়া নিযুক্তি দিব পাৰে নিৰ্বাচনী পঞ্জীয়ন বিষয়াৰ সহায়ক হিচাপে। নিৰ্বাচনী পঞ্জীয়ন বিষয়াৰ দায়িত্ব থকা সমষ্টিৰ নিৰ্বাচনী প্ৰক্ৰিয়া প্ৰস্তুত কৰাৰ বাবে। প্ৰতিজন সহকাৰী নিৰ্বাচনী পঞ্জীয়ন বিষয়াই নিৰ্বাচন পঞ্জীয়ন বিষয়াৰ নিয়ন্ত্ৰণত থাকিব আৰু নিৰ্বাচন পঞ্জীয়ন বিষয়াৰ সকলো কাৰ্য সমাপনৰ বাবে যোগ্য হ'ব।

২। **সহকাৰী ৰিৰ্টাৰ্নিং বিষয়া ঃ** নিৰ্বাচন আয়োগে সমষ্টিৰ দায়িত্বত থকা ৰিৰ্টাণিং বিষয়াৰ সহায়ক হিচাপে এজন বা ততোধিক ব্যক্তিক সহাকাৰী ৰিৰ্টাণিং বিষয়া হিচাপে নিযুক্তি দিব পাৰে। সমষ্টিটোত নিৰ্বাচনী প্ৰক্ৰিয়া পৰিচালনা কৰা ৰিৰ্টাণিং বিষয়াৰ অধীনত থাকিব সহকাৰী ৰিৰ্টাণিং বিষয়া আৰু সহকাৰী ৰিৰ্টাণিং বিষয়াজনে ৰিৰ্টাণিং বিষয়াৰ সকলো কাম সুচাৰুৰূপে কৰাত যোগ্য হ'ব।

৩। **ভোট কেন্দ্ৰ বলপূৰ্বক দখল (বুথ কেপচাৰিং) ঃ** প্ৰকৃত ভোটাৰৰ বিপৰীতে আন একাংশ ব্যক্তিৰ দ্বাৰা অকৃত্বশীলভাৱে ভোট প্ৰদান কৰাটোৰ অৰ্থ ভোটকেন্দ্ৰ বলপূৰ্বক দখল (বুথ কেপচাৰিং)। পলিং বিষয়াক ভয়-ভাবুকিৰ দ্বাৰা বেলট পেপাৰ কাঢ়ি লোৱা অথবা ভোট কেন্দ্ৰলৈ গৈ ভোটাৰক ভোট দিবলৈ বাধা প্ৰদান কৰাটো বুথ কেপচাৰিং।

৪। **বুথ পৰ্যায়ৰ বিষয়া ঃ** বুথ পৰ্যায়ৰ বিষয়া হৈছে এজন স্থানীয় চৰকাৰী/ অৰ্ধচৰকাৰী বিষয়া যিজন স্থানীয় ভোটাৰৰ চিনাকি আৰু একে নিৰ্বাচনী অঞ্চলৰ এজন ভোটাৰ। যিয়ে স্থানীয় জ্ঞান ব্যৱহাৰ কৰি ভোটাৰ তালিকা উন্নীতকৰণত সহায় কৰে। নিৰ্বাচনী পঞ্জীয়ন বিষয়াৰ নিৰীক্ষণত থকা বুথ পৰ্যায়ৰ বিষয়াজন ক্ষেত্ৰ অধ্যয়ন, তথ্য সংগ্ৰহ/ভোটাৰ সম্পৰ্কীয় তথ্য সংগ্ৰহৰ কাৰণে আৰু তেওঁৰ বাবে নিৰ্ধাৰিত অঞ্চলটোত সমগ্ৰ ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ বাবে দায়বদ্ধ।

৫। **উৎকোচ ঃ** এজন লোকৰ প্ৰলোভনকে উৎকোচ আখ্যা দিয়া হয়। ভুল পথেৰে কৰা কিম্বা কিবা এটা বস্তু নকৰা যিটো তেওঁ নকৰিলেও নহয়। নিৰ্বাচনৰ ধাৰণাত উৎকোচ হৈছে অতি সাধাৰণ আৰু চৰ্চিত দুৰ্নীতিমূলক কাৰ্যকলাপ। এগৰাকী প্ৰাৰ্থী অথবা তেওঁৰ এজেণ্ট অথবা আন কোনো লোক যিজন প্ৰাৰ্থী তথা নিৰ্বাচন এজেণ্টৰ দ্বাৰা মনোনীত ব্যক্তিয়ে যিকোনো উপহাৰ, প্ৰস্তাৱ অথবা প্ৰতিশ্ৰুতি, সেই উৎকোচ যাৰ জৰিয়তে এগৰাকী প্ৰাৰ্থীক নিৰ্বাচনত

প্ৰতিদ্বন্দ্বিতা কৰা বা নকৰা অথবা প্ৰত্যাহাৰ কৰা বা নকৰা, উচতনি দিয়াৰ লগতে ভোটাৰক নিৰ্বাচনত ভোট প্ৰদান কৰা কিম্বা ভোট প্ৰদানৰ পৰা বিৰত ৰখাৰ চেষ্টা কৰা হয়।

৬। **মুখ্য নিৰ্বাচনী বিষয়া ঃ** মুখ্য নিৰ্বাচন বিষয়া হৈছে ৰাজ্য চৰকাৰৰ এজন বিষয়া। যিয়ে ৰাজ্যখনৰ বিধানসভা আৰু সংসদৰ সকলো ভোটাৰ তালিকা আৰু নিৰ্বাচন প্ৰক্ৰিয়াৰ প্ৰস্তুতি সম্পৰ্কীয় কাম-কাজ নিৰীক্ষণ কৰে। নিৰ্বাচন আয়োগৰ অধীনত সমগ্ৰ বিষয়টো তদাৰকতা কৰাৰ লতে নিৰ্দেশনা দিয়ে।

৭। **সমষ্টি ঃ** সময়ে সময়ে সংশোধনীৰ দ্বাৰা সীমা নিৰ্ধাৰিত নিৰ্দেশৰ জৰিয়তে প্ৰতিটো বিধানসভা আৰু সংসদীয় সমষ্টি নিৰ্ধাৰণ কৰা হয়। সংসদীয় সমষ্টিত কেইবাটাও বিধানসভা সমষ্টি থকে। সকলো বিধানসভা আৰু সংসদীয় সমষ্টি ক্ষেত্ৰ ভৌগোলিক ক্ষেত্ৰত ভিত্তিক অৰ্থাৎ ইয়াৰ ভৌগোলিক সীমা থাকে। ছিক্কিমৰ সংঘ বিধানসভা সমষ্টি এই ক্ষেত্ৰত ব্যতিক্ৰম। কিয়নো সমগ্ৰ ছিক্কিম ৰাজ্যৰ স্বীকৃতপ্ৰাপ্ত মঠত বসবাস কৰা ভিক্ষুসকলক এই সমষ্টিত অন্তৰ্ভুক্ত কৰা হৈছে।

৮। **অবৈধ কাৰ্যকলাপ ঃ** এগৰাকী প্ৰাৰ্থী অথবা তেওঁৰ উৎসাহিত লোকৰ দ্বাৰা সংঘটিত অবৈধ কাৰ্যকলাপ। সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়াটোকে ই বিশৃংখল কৰে আৰু উক্ত নিৰ্বাচনৰ ফলাফল অবৈধ ঘোষণাত প্ৰভাৱ পেলাব পাৰে। জনপ্ৰতিনিধিত্ব আইন ১৯৫১ৰ ১২৩ ধাৰাত নিৰ্বাচনৰ অবৈধ কাৰ্যকলাপ নিৰ্ধাৰিত আছে।

৯। **জিলা নিৰ্বাচন বিষয়া ঃ** নিৰ্বাচন আয়োগে জিলা প্ৰশাসনৰ মুৰব্বী বিশেষকৈ কালেক্টৰ, জিলা উপায়ুক্ত অথবা জিলা দণ্ডাধীশক জিলা নিৰ্বাচন বিষয়া হিচাপে নিযুক্তি দিয়ে। জিলাখনৰ ভিতৰত থকা সংসদীয়, বিধানসভা আৰু পৰিষদীয় সমষ্টিত হ'বলগীয়া নিৰ্বাচন পৰিচালনাৰ লগতে নিৰ্বাচনী প্ৰক্ৰিয়া প্ৰস্তুতি পুনৰীক্ষণ কাৰ্যকলাপ সম্পৰ্কীয় বিষয়বোৰ মুখ্য নিৰ্বাচনী বিষয়াৰ তদাৰকতা, নিৰ্দেশনাত সমাপন কৰে জিলা নিৰ্বাচন বিষয়ায়। জিলা নিৰ্বাচনী বিষয়াই তেওঁৰ জিলাৰ ভিতৰত থকা পুলিং ষ্টেচন, পুলিং ষ্টেচনৰ প্ৰকাশনৰ তালিকা আৰু পুলিং ষ্টেচনৰ কৰ্মচাৰী যোগান ধৰাৰ বাবে দায়বদ্ধ।

১০। **নিৰ্বাচনী ইস্তাহাৰ ঃ** নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ৰাজনৈতিক দলসমূহে নিজৰ আদৰ্শ, লক্ষ্য মত, নীতি আৰু কাৰ্যসূচীক সন্নিৱিষ্ট কৰি প্ৰকাশ কৰা এক নথি নিৰ্বাচনী ইস্তাহাৰ। এই নিৰ্বাচনী ইস্তাহাৰ নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত প্ৰকাশ আৰু প্ৰচাৰ কৰে।

১১। **নিৰ্বাচনী অপৰাধ ঃ** ভাৰতীয় দণ্ডবিধিৰ অধীনত নিৰ্বাচন সম্পৰ্কীয় নিৰ্ধাৰিত অপৰাধেই নিৰ্বাচনী অপৰাধ। নিৰ্বাচনী অপৰাধৰ আয়োগে এনেধৰণৰ বিষয়বস্তুত দায়বদ্ধ হৈ যথাশীঘ্ৰে

এনে অপৰাধমূলক কাৰ্যকলাপক অনুসন্ধান কৰে।

১২। **নিৰ্বাচনী পঞ্জীয়ন বিষয়া ঃ** সমষ্টি এটাৰভোটাৰ তালিকা প্ৰস্তুতি আৰু পুনৰীক্ষণৰ লক্ষ্যৰে নিৰ্বাচন আয়োগে ৰাজ্য চৰকাৰৰ সৈতে আলোচনা কৰি ৰাজ্য চৰকাৰৰ বিষয়া এজনক নিৰ্বাচনী পঞ্জীয়ন বিষয়া হিচাপে নিযুক্তি অথবা মনোনীত কৰে। নিৰ্বাচনী পঞ্জীয়ন বিষয়াজনে তেওঁৰ দায়িত্বিত থকা সমষ্টিটোত ভোটাৰ তালিকাৰে প্ৰস্তুতি কৰে।

১৩। **ভোটাৰ তালিকা ঃ** সাধাৰণভাৱে ভোটাৰ তালিকা বুলি জনা যায়, সমষ্টিটোত বাস কৰা পঞ্জীয়নভুক্ত ভোটাৰৰ তালিকা। সঠিক ব্যৱস্থাপনাৰ কাৰণে সমষ্টিটোৰ ভোটাৰ তালিকা কেইবাটাও ভাগত বিভক্ত কৰা হয়। প্ৰতিটো ভাগত নিৰ্ধাৰিত ভোটকেন্দ্ৰৰ ভোটাৰৰ নাম সন্নিবিষ্ট হৈ থাকে।

১৪। **ই পি চি আই ঃ** নিৰ্বাচন পঞ্জীয়ন বিষয়াই তেওঁৰ অধীনত থকা বিধানসভা সমষ্টিৰ ভোটাৰ তালিকাত পঞ্জীয়নভুক্ত সকলো ভোটাৰলৈ ই পি চি আই (ভোটাৰ ফটো পৰিচয় পত্ৰ অৰ্থাৎ ইলেক্টৰ্ছ ফটো আইডেণ্টিটি কাৰ্ড) প্ৰদান কৰে। এইই পি চি আইৰ জৰিয়তে নিৰ্বাচনৰ সময়ত সংশ্লিষ্ট ভোটাৰক চিনাক্ত কৰা হয়।

১৫। **ভুৱা বিবৃতি ঃ** এজন প্ৰাৰ্থী অথবা তেওঁৰ এজেণ্ট অথবা প্ৰাৰ্থীৰ মনোনীত কোনো ব্যক্তি অথবা তেওঁৰ নিৰ্বাচনী এজেণ্টে ভুৱা অথবা অসত্য তথ্য প্ৰচাৰ কৰাটোৱে ভুৱা বিবৃতি।

১৬। **বিনামূলীয়া ঃ** বিনামূল্য হৈছে মাচুল অবিহনে প্ৰদান কৰা কিবা সামগ্ৰী। সাধাৰণ দৃষ্টিত বিনামূল্যে নিশ্চিত কিছু সামগ্ৰী বিশেষকৈ চাইকেল, লেপ্‌টপ, টিভি অথবা বিদ্যুৎ সংযোগ, পানী সংযোগ অথবা খাদ্য শস্য সাধাৰণ মূল্যত অথবা কোনো ধৰণৰ মূল্য নোহোৱাকৈ ভোটাৰক যেনে— দৰিদ্ৰ সীমাৰেখা তলৰ লোক, মহিলা, শিক্ষাৰ্থী, দিবাংগ আদিক প্ৰদান কৰা সামগ্ৰী।

১৭। **তৃপ্তি ঃ** তৃপ্তিৰ অৰ্থ হৈছে কিছু মূল্য বিশেষকৈ সকলো লাভজনক কাৰ্য, বিনোদন আৰু সংস্থাপন, যিয়ে এগৰাকী লোকক সন্তুষ্টিৰ লক্ষ্য উদ্দেশ্য অথবা আকাংক্ষা হিচাপে গণ্য কৰা হয়। ই কোনোবাক দিয়া উপহাৰ হিচাপে গণ্য কৰা হয়, যিয়েই গ্ৰহণ কৰাজনক সামগ্ৰীগত সুবিধা দিয়ে।

১৮। **ছদ্মবেশ ঃ** যদি এজন ব্যক্তিয়ে আন ব্যক্তিৰ নামত ভোট প্ৰদান কৰে যিজন জীৱিত অথবা মৃত অথবা কাল্পনিক নাম অথবা এবাৰ ভোট প্ৰদান কৰি পুন নিজৰ নামত ভোট প্ৰদান কৰে তেনে লোকে নিৰ্বাচনত ছদ্মবেশৰ অপৰাধ সংঘটিত কৰে। ছদ্মবেশ নিৰ্বাচনী অপৰাধ।

১৯। **প্ৰলোভন ঃ** এজন ভোটাৰক ভোট দিবলৈ অথবা ভোটৰ পৰা আঁতৰি থাকিবলৈ প্ৰত্যক্ষ বা

পৰোক্ষভাৱে এজন তৃতীয় ব্যক্তিৰ জৰিয়তে উৎসাহ, প্ৰতিশ্ৰুতি আৰু তৃপ্তিৰ প্ৰস্তাৱেই প্ৰলোভন। তৃতীয় ব্যক্তি আৰু প্ৰাৰ্থী/তেওঁৰ নিৰ্বাচনী এজেণ্টৰ মাজত বুজাবুজিৰ বাবে ভোটাৰ প্ৰত্যক্ষ পাৰ্টি হ'ব নোৱাৰে। কিন্তু পৰোক্ষভাৱে এনে আগ্ৰহ কোনোবাই দেখুৱায়।

২০। **আদৰ্শ আচৰণ বিধি ঃ** ৰাজনৈতিক দলসমূহৰ ঐক্যমতৰ সৈতে বিৰৰ্তীত, নিৰ্বাচনৰ সময়ত ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ বাবে নিৰ্দেশনাৰ নিয়মাৱলী আদৰ্শ আচৰণ বিধি। নিৰ্বাচন আয়োগে ইয়াৰ দ্বাৰা ৰাজনৈতিক দলসমূহ বিশেষকৈ শাসকীয় দলৰ লগতে আন প্ৰাৰ্থীসহ কোনোৱে যাতে নিৰ্বাচনী প্ৰক্ৰিয়াসমূহত নিৰ্বাচনী ক্ষেত্ৰখনত হাৰাশাস্তি কৰিব নোৱাৰে তাৰ নিশ্চিতি প্ৰদান কৰে।

২১। **ক্ষমতাত থকা দল ঃ** কেন্দ্ৰ অথবা ৰাজ্যত শাসনত থকা ৰাজনৈতিক দলটো হৈছে ক্ষমতাত থকা দল। আদৰ্শ আচৰণ বিধিয়ে এইটোও নিশ্চিত কৰে যে শাসনত থকা দলে নিৰ্বাচনৰ ঘোষণা কৰা দিনৰ ওচৰে -পাজৰে তেওঁলোকৰ লাভৰ বাবে কোনো কাম কিম্বা নিৰ্বাচনৰ সময়ত নিজৰ ক্ষমতাৰ সুযোগ ল'ব নোৱাৰে।

২২। **ভোটাৰৰ ফটো সন্নিৱিষ্ট শ্লিপ (ফটো ভোটাৰ শ্লিপ) ঃ** নিৰ্বাচনত ভোটাৰৰ সুবিধাৰ অৰ্থে জিলা প্ৰশাসনৰ দ্বাৰা ভোটাৰ তালিকাত সন্নিৱিষ্ট সকলো ভোটাৰক পূৰ্বে ছপা চৰকাৰী ভোটাৰ শ্লিপ প্ৰদান কৰা হয়। এই শ্লিপত ভোটাৰৰ ফটোৰ লগতে সমষ্টিৰ নাম, নম্বৰ, অংশ নম্বৰ, নাম, লিংগ, ইপিচিআই নম্বৰ, আত্মীয়ৰ নাম, ক্ৰমিক নম্বৰ, ভোটগ্ৰহণ কেন্দ্ৰৰ নম্বৰ, নাম আৰু তাৰিখ, ভোট গ্ৰহণৰ দিন আৰু সময় সন্নিবিষ্ট হৈ থকে। নিৰ্বাচনী পঞ্জীয়ন বিষয়াৰ দ্বাৰা ফটো ভোটাৰ শ্লিপ পৰীক্ষা কৰা হয় আৰু বুথ লেবেল পৰ্যায় বিষয়াৰ দ্বাৰা বিতৰণ কৰা হয়। ৰিটাৰ্ণিং বিষয়াই এই বিতৰণৰ কাৰ্যসূচী নিৰ্ধাৰণ কৰে। বিতৰণ নোহোৱা ফটো ভোটাৰ শ্লিপ বুথ পৰ্যায় বিষয়াৰ হাতত জমা ৰখা হয়। ফটো ভোটাৰ শ্লিপৰ ফটো কপি বিতৰণত অনুমতি দিয়া নহয়। ফটো ভোটাৰ শ্লিপৰ যিকোনো অকৰ্তৃত্বশীল বিতৰণ/সংগ্ৰহ কৰি ৰখা কাৰ্যক ভাৰতীয় দণ্ডবিধি আৰু জনপ্ৰতিনিধ আইন ১৯৫১ৰ ব্যৱস্থাক উলংঘন কৰা বুলি বিবেচনা কৰা হয়।

২৩। **ভোট গ্ৰহণ কেন্দ্ৰ ঃ** নিৰ্বাচনৰ দিনা সংশ্লিষ্ট অঞ্চলৰ ভোটাৰে ভোট সাব্যস্ত কৰা নিৰ্ধাৰিত কোঠা/প্ৰেক্ষাগৃহই হ'ল ভোট গ্ৰহণ কেন্দ্ৰ। ইয়াক পুলিং বুথ হিচাপেও কোৱা হয়।

২৪। **ৰিটাৰ্ণিং বিষয়া ঃ** নিৰ্বাচন আয়োগে ৰাজ্য চৰকাৰৰ সৈতে পৰামৰ্শৰ আধাৰত ৰাজ্য চৰকাৰৰ এজন বিষয়াক ৰিটাৰ্ণিং বিষয়া হিচাপে নিযুক্তি/মনোনীত কৰে। সংসদীয় অথবা বিধানসভা সমষ্টি এটাৰ নিৰ্বাচনৰ কাৰণে ৰিটাৰ্ণিং বিষয়াক নিযুক্তি দিয়া হয়।

২৫। **ষ্ক্ৰিনিং কমিটী ঃ** আদৰ্শ আচৰণ বিধি প্ৰসংগ পৰীক্ষণৰ বাবে নিৰ্বাচনৰ সময়ত ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ বিষয়াক লৈ এখন ষ্ক্ৰিনিং কমিটী গঠন কৰা হয়। মুখ্য সচিবৰ নেতৃত্বত গঠিত ষ্ক্ৰিনিং কমিটীত আন দুজন সদস্য থাকে। ষ্ক্ৰিনিং কমিটীয়ে অনুমতি দিয়াৰ পাছত আচৰণ বিধি প্ৰসংগসমূহ ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ জৰিয়তে নিৰ্বাচন আয়োগলৈ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হয়।

২৬। **এছ ভি ই ই পি ঃ** সমাজৰ প্ৰান্তীয় শাখাৰ লোক আৰু যুৱ মহিলা জনজাতীয় লোকৰ ভোট প্ৰদান বৃদ্ধি আৰু ভোটাৰ সজাগতাৰ কাৰণে নিৰ্বাচন আয়োগে ২০১১ চনত আৰম্ভ কৰা এক কাৰ্যসূচী এছ ভি ই পি (চিষ্টেমেটিক ভোটাৰ্ছ ইডুকেশ্বন এণ্ড ইলেক্টৰেল পাৰ্টিচিপেশ্বন অৰ্থাৎ পদ্ধতিগত ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ)।

২৭। **ঐশ্বৰিক অসন্তুষ্টি /আধ্যাত্মিক নিন্দাৰ ভাবুকি ঃ** কোনো বিশেষ প্ৰাৰ্থীৰ সপক্ষত ভোট প্ৰদান কৰা বা ভোট প্ৰদানত বাধা প্ৰদান কৰিলে যদি কোনো ভোটাৰ ঐশ্বৰিক অস্ষ্টি বা আধ্যাত্মিক নিন্দাৰ বলি হ'ব বুলি বিশ্বাস কৰিবলৈ উচটনি প্ৰদান কৰা হয় বা উচটনি প্ৰদানৰ চেষ্টা কৰা হয়।

২৮। **আঘাতৰ ভাবুকি ঃ** কোনো ভোটাৰক বিশেষ প্ৰাৰ্থীক ভোট প্ৰদান কৰিবলৈ অথবা ভোট নকৰিবলৈ বাধ্য কৰোৱা, অথবা নিৰ্বাচনত ভোট প্ৰদান নকৰিবলৈ বলপ্ৰয়োগ কৰা আৰু এনে নকৰিলে শাৰীৰিক আঘাতৰ ভাবুকি প্ৰদান কৰা। এনেধৰণৰ শাৰীৰিক আঘাতৰ ভাবুকি কেৱল ভোটাৰতে সীমাবদ্ধ নাথাকে, এনেধৰণৰ ঘটনাই ভোটাৰৰ পৰিয়ালক অথবা আত্মীয় কিম্বা বন্ধুকো লক্ষ্য কৰি ল'ব পাৰে।

২৯। **অবাঞ্চিত প্ৰভাৱ ঃ** অবাঞ্চিত প্ৰভাৱ এটা প্ৰধান অবৈধ কাৰ্যকলাপ। নিৰ্বাচনী অধিকাৰ মুক্তভাৱে সাব্যস্ত কৰাৰ ক্ষেত্ৰত প্ৰাৰ্থীৰ কোনো হস্তক্ষেপ অথবা প্ৰাৰ্থীৰ এজেণ্টৰ দ্বাৰা প্ৰত্যক্ষ বা পৰোক্ষভাৱে কৰা যিকোনো হস্তক্ষেপ হ'ল অবাঞ্চিত প্ৰভাৱ। ই যিকোনো প্ৰাৰ্থী অথবা ভোটাৰ অথবা যিকোনো ব্যক্তিক তেওঁ ভালপোৱা প্ৰাৰ্থী বা ভোটাৰক সমাজচ্যুত, এঘৰীয়াকৰণ বা জাতি বা সম্প্ৰদায়ৰ পৰা বহিষ্কাৰণকে ধৰি আঘাতৰ ভাবুকি প্ৰদান কৰাও হ'ব পাৰে।

৩০। **যান-বাহন ঃ** পথ পৰিবহণৰ বাবে ব্যৱহৃত বা ব্যৱহাৰৰ উপযোগী যন্ত্ৰ চালিত বা আন যিকোনো প্ৰকাৰেৰে চলিত বাহনক বুজায়। (১) কেন্দ্ৰীয় চৰকাৰ (২) ৰাজ্য চৰকাৰ/কেন্দ্ৰীয়শাসিত অঞ্চল প্ৰশাসন, (৩) কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ অধীনৰ ৰাজহুৱা খণ্ড, (৪) কেন্দ্ৰ আৰু ৰজ্য চৰকাৰৰ অধীনস্থ যৌথ খণ্ড, (৫) স্থানীয় প্ৰশাসন, (৬) পৌৰ

নিগম, (৭) পৌৰসভা, (৮) মাৰ্কেটিং ব'ৰ্ড (যি নামেৰে জনাজাত), (৯) ক'পাৰেটিভ ছ'চাইটি, (১০) স্বায়ত্ব জিলা পৰিষদ অথবা যিমানেই ক্ষুদ্ৰ পৰিমাণৰ নহওক কিয়, ৰাজহুৱা পুঁজি বিনিয়োগ হৈ থকা আন যিকোনো নিকায় আৰু প্ৰতিৰক্ষা মন্ত্ৰালয় আৰু গৃহ মন্ত্ৰালয় বা ৰাজ্য চৰকাৰৰ অধীনৰ কেন্দ্ৰীয় ৰাজহুৱা সংস্থা/নিকায় আদিৰ বাহনসমূহো চৰকাৰী বাহনত অন্তৰ্ভুক্ত হৈ থাকে।

*******

## অধ্যায়-১

# ঐতিহাসিক পৃষ্ঠভূমি

১.১। আমাৰ সংবিধান প্ৰণেতাসকলে ভাৰতৰ বাবে গ্ৰহণ কৰা গণতান্ত্ৰিক চৰকাৰৰ সংসদীয় ব্যৱস্থাত, ৰাজনৈতিক দলসমূহৰ এক গুৰুত্বপূৰ্ণ স্থান আছে। আনকি দেশে স্বাধীনতা লাভ কৰাৰ পূৰ্বেও ৰাজনৈতিক দলসমূহে স্বাধীনতা সংগ্ৰামত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল আৰু সেই সময়ত উপলব্ধ নিৰ্বাচন ব্যৱস্থাত অংশ গ্ৰহণ কৰিছিল। অৱশ্যে ১৯৮৫ চনলৈকে ৰাজনৈতিক দলসমূহৰ অস্তিত্ব সন্দৰ্ভত আমাৰ সংবিধান নিৰৱ আছিল। প্ৰথমবাৰৰ কাৰণে ৰাজনৈতিক দলসমূহক সংবিধানৰ দ্বাৰা স্বীকৃতি প্ৰদান কৰা হৈছিল, যেতিয়া সংবিধানত দশম অনুসূচী অন্তৰ্ভুক্ত কৰা হৈছিল সংবিধান (৫২সংখ্যক সংশোধন) আইন ১৯৮৫ চনৰ জৰিয়তে। এই সংবিধান সংশোধনীৰ জৰিয়তে ৰাজ্যৰ বিধান সভা আৰু সংসদৰ সদস্যৰ পদ বৰ্খাস্ত কৰাৰ আইন প্ৰস্তুত হৈছিল যদিহে কোনো ৰাজনৈতিক দলৰ সদস্যই দলীয় সংবিধান অৱমাননা কৰে। অৱশ্যে ৰাজনৈতিক দলসমূহ আৰু প্ৰাৰ্থীৰ নিৰ্দেশনাৰ কাৰণে আদৰ্শ আচৰণ বিধিত এই ধৰণৰ কোনো স্থান নাছিল।

১.২। ঐতিহাসিকভাৱে ৰাজনৈতিক দলৰ কাৰণে আদৰ্শ বিধিৰ ধাৰণাটোৰ বাবে কৃতিত্ব দিব লাগিব কেৰালা ৰাজ্যক, যিখন ৰাজ্যই প্ৰথমবাৰৰ বাবে ১৯৬০চনৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত ৰাজ্যৰ বিধানসভা সাধাৰণৰ নিৰ্বাচনৰ সময়ত ৰাজনৈতিক দলসমূহক নিৰীক্ষণৰ বাবে আচৰণবিধি গ্ৰহণ কৰিছিল। ৰাজ্য চৰকাৰৰ দ্বাৰা বিশেষভাৱে আমন্ত্ৰিত এক বৈঠকত নেতৃস্থানীয় ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ দ্বাৰা স্বেচ্ছামূলকভাৱে বিধিৰ খচৰাত অনুমোদন জনোৱা হৈছিল। এই বিধিত নিৰ্বাচনী প্ৰক্ৰিয়াৰ গুৰুত্বপূৰ্ণ বিষয়সমূহক বিতংভাৱে সাঙুৰি লোৱা হৈছিল বিশেষকৈ সভা আৰু সমদল, বক্তৃতা আৰু শ্ল'গান, পোষ্টাৰ আৰু প্লেকাৰ্ড আদি।

১.৩। লোকসভাৰ সাধাৰণ নিৰ্বাচনৰ সময়ত আৰু সমান্তৰালভাৱে ১৯৬২চনত হোৱা বিভিন্ন ৰাজ্যৰ নিৰ্বাচনত নিৰ্বাচন আয়োগে সকলো স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতি দললৈ বিধি বিতৰণ কৰিছিল আৰু নিৰ্বাচনী অভিযান শান্তিপূৰ্ণ আৰু দেশত এক সুস্থ বাতাবৰণ সৃষ্টি কৰাত ই ফলপ্ৰসূ প্ৰমাণিত হৈছিল। ৰাজনৈতিক দলসমূহে বিস্তাৰিতভাৱে এই বিধিক অনুকৰণ কৰিছিল।

১.৪। ১৯৬৭ চনত পৰৱৰ্তী সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল। ১৯৬৬ চনৰ ডিচেম্বৰত কেৰালাই সকলো ৰাজনৈতিক দলৰ অভিৱৰ্তন উল্লিখিত বিধিসমূহ পুনৰবাৰ গ্ৰহণ কৰিছিল। এই বাৰ

দেশৰ আৰু কিছুসংখ্যক ৰাজ্য আগবাঢ়ি আহিছিল আৰু এই বিধি অনুকৰণ কৰিছিল। ১৯৬৬ চনৰ আগষ্টত মাদ্ৰাজ আৰক্ষী আয়ুক্তৰ দ্বাৰা ৰাজনৈতিক দলসমূহৰ এখন অভিৰৰ্তন আয়োজন কৰা হৈছিল আৰু সাধাৰণ নিৰ্বাচনৰ সময়ত আচৰণবিধি নিৰীক্ষণ সন্দৰ্ভত সকলোৱে নীতিগতভাৱে সন্মতি প্ৰদান কৰিছিল। তামিলনাডুৰ সেই সময়ৰ মুখমন্ত্ৰীৰ দ্বাৰা ১৯৬৬ চনৰ ডিচেম্বৰত ৰাজনৈতিক দলসমূহৰ এখন ৰাজ্যিক পৰ্যায়ৰ অভিৰৰ্তন আয়োজন কৰা হৈছিল। ইয়াতেই ৰাজনৈতিক দলসমূহৰ মাৰ্কদৰ্শকৰ ৰূপত দহ দফীয়া বিধি প্ৰস্তাৱিত হৈছিল। বিধি ভংগৰ সন্দৰ্ভত অভিযোগ নিৰীক্ষণ কৰাৰ বাবে পৃথক পৃথক ৰাজনৈতিক দলৰ প্ৰতিনিধিৰে সাতজনীয়া ষ্টেণ্ডিং কমিটী গঠন কৰা হৈছিল। ১৯৬৭ চনৰ জানুৱাৰীত পশ্চিমবংগৰ তেতিয়াৰ মুখমন্ত্ৰীৰ দ্বাৰা সকলো ৰাজনৈতিক দলৰ বৈঠকৰ জৰিয়তে একেই খচৰা বিধি প্ৰস্তুত কৰা হৈছিল আৰু বিতংভাৱে আলোচনা কৰিছিল। যদিও দলসমূহ ঐক্যমতত উপনীত হোৱা নাছিল তথাপি সৰ্বসন্মতিভৱে নিৰ্বাচনী প্ৰচাৰ অভিযান শান্তিপূৰ্ণভাৱে সমাপন কৰাৰ নিশ্চিতি দিয়া হৈছিল আৰু কৰ্তৃপক্ষক নিৰ্বাচনী বিধি সুস্থিৰভাৱে পালনৰ কৰাৰ লগতে মুক্ত আৰু নিকা নিৰ্বাচনৰ নিশ্চিতি দিছিল। ১৯৬৭ চনৰ প্ৰথমভাগত অন্ধ্ৰ প্ৰদেশৰ ৰাজনৈতিক দলসমূহেও মাদ্ৰাজ বিধিৰ দৰেই ব্যৱহাৰিক ক্ষেত্ৰত খচৰা বিধি গ্ৰহণ কৰিছিল।

১.৫। ১৯৬৮ আৰু ১৯৬৯ চনত কেইবাখনো ৰাজ্যত মধ্যকালীন সাধাৰণ নিৰ্বাচনৰ সময়ত নিৰ্বাচন আয়োগে বিধি আৰু আচৰণৰ নূন্যতম মানক লৈ নথি প্ৰস্তুত কৰিছিল। নিৰ্বাচন আয়োগে প্ৰস্তুত কৰা *'নিৰ্বাচনৰ সময়ত ৰাজনৈতিক দলসমূহৰ ভূমিকা আৰু দায়বদ্ধতা। নিৰ্বাচন প্ৰপ'গাণ্ডা আৰু প্ৰচাৰ অভিযানৰ সময়ত নূন্যতম আচৰণ বিধি নিৰীক্ষণৰ কাৰণে ৰাজনৈতিক দলসমূহক এক আহ্বান'* শীৰ্ষক নথিক প্ৰতিখন ৰাজ্যত ৰাজনৈতিক দলসমূহৰ সৈতে অনুষ্ঠিত বৈঠকত উত্থাপন কৰা হৈছিল।

১.৬। পৰৱৰ্তী পৰ্যায়ৰ লোকসভাৰ সাধাৰণ নিৰ্বাচন আৰু ১৯৭১-৭২ৰ নিশ্চিত ৰাজ্যৰ বিধানসভা নিৰ্বাচনসমূহত একেই আহ্বান জনাইছিল ৰাজনৈতিক দলসমূহক নিৰ্বাচন আয়োগে।

১.৭। ১৯৭৪ চনৰ ১ জানুৱাৰীত নিৰ্বাচন আয়োগে সংশোধিত আদৰ্শ আচৰণবিধি জাৰি কৰিছিল। নিৰ্বাচন আয়োগে নিৰ্দেশনাযোগে মুখ্য নিৰ্বাচনী বিষয়াক জিলা পৰ্যায় ষ্টেণ্ডিং কমিটী গঠন কৰিবলৈ দিছিল। জিলা উপায়ুক্তৰ অধ্যক্ষতাত সকলো স্বীকৃতিপ্ৰাপ্ত প্ৰতিনিধি আৰু পঞ্জীয়নভুক্ত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰে গঠিত ষ্টেণ্ডিং কমিটীসমূহে বিধি উলংঘনৰ গোচৰসমূহ নিৰীক্ষণ কৰিব।

১.৮। ১৯৭৭ চনৰ সাধাৰণ নিৰ্বাচনৰ সময়ত পুনৰ আচৰণ বিধি জাৰি কৰা হৈছিল।

১.৯। ১৯৭৯ চনৰ ১২ ছেপ্টেম্বৰত নিৰ্বাচন আয়োগে অধিক সংহত আদৰ্শ আচৰণ বিধি সন্দৰ্ভত আলোচনা কৰিবলৈ সকলো ৰাজনৈতিক দলৰ মাজত অভিৰৰ্তন আয়োজন কৰিছিল। এই সংহত আদৰ্শ আচৰণ বিধিত শাসকীয় দলসমূহৰ ভূমিকাক অন্তৰ্ভুক্ত কৰিব, যাতে সেই দলসমূহে নিজৰ শাসনত থকাৰ ক্ষমতাৰ সুবিধ গ্ৰহণ কৰিব নোৱাৰে। ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিয়ে উক্ত অভিৰৰ্তনত অংশ গ্ৰহণ কৰিছিল আৰু শাসকীয় দলে নিজৰ সুযেগ গ্ৰহণ কৰিব নোৱাৰে সেই ধাৰণাসমৃদ্ধ সংহত আদৰ্শ বিধিক ৰাজনৈতিক দলসমূহে সমৰ্থন জনাইছিল। ১৯৭৯ চনৰ অক্টোবৰত লোকসভাৰ সাধাৰণ নিৰ্বাচনৰ প্ৰাকক্ষণত নিৰ্বাচন আয়োগে সংশোধিত আদৰ্শ আচৰণ বিধি জাৰি কৰিছিল আৰু এই জাৰি কৰা সংশোধিত আদৰ্শ বিধি অধিক সংহত আৰু সাতটা অংশত বিভিক্ত আছিল। এটা পূৰ্ণাংগ অংশ (সপ্তম অংশ) কেন্দ্ৰ আৰু ৰাজ্যত শাসনত কৰা ৰাজনৈতিক দলক লৈ আছিল।

১.১০। যদিওবা বিভিন্ন সময়ত আদৰ্শ বিধি বিভিন্ন আৰ্হিত বৰ্তী আছিল আৰু দুটা দশকতকৈ অধিক কাল এই আদৰ্শ আচৰণ বিধি চলিছিল। এতিয়াও ইয়াক লৈ অধিক অভিযোগ অথবা কম মৃদু অভিযোগ চলি আছে। কিন্তু এই আদৰ্শ বিধিৰ নিৰীক্ষণ আছিল প্ৰধানত ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ ভালৰ কাৰণেহে। বিধি উলংঘন নিৰীক্ষণ কৰা হয় যদিও কোনো কৰ্তৃপক্ষৰ দ্বাৰা কেতিয়াবাহে কোনো গুৰুতৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। ১৯৮০ চনত নিৰ্বাচন আয়োগত এক মত উজ্জীৱিত হৈছিল যে আদৰ্শ বিধিৰ ব্যৱস্থা বিশেষকৈ অংশ সপ্তম শাসকীয় দলৰ সৈতে মোকাবিলা কৰাৰ লগতে এখন গ্ৰন্থত সতৰ্ক নিষেধাজ্ঞা অনা থকা উচিত। সেই মৰ্মে নিৰ্বাচন আয়োগে ইয়াক বলৱৎ কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক এক প্ৰস্তাৱ জনাইছিল। অৱশ্যে এই সন্দৰ্ভত ইতিবাচক আলোচনা হৈছিল যদিও সংসদত কোনো আইন গৃহীত হোৱা নাছিল।

১.১১। ১৯৯১ৰ সাধাৰণ নিৰ্বাচন আদৰ্শ বিধি বিৱৰ্তনৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ঘটনা। সেই বৰ্ষত আদৰ্শ বিধি পুনৰ জাৰি কৰা হৈছিল। ১৯৭৯ নথিৰ আৰ্হিতেই সেয়া অব্যাহত আছিল। যদিওবা ইয়াৰ তথ্য বিশেষকৈ সপ্তম অংশৰ কেইটামান গুৰুত্বপূৰ্ণ সাল-সলনি কৰা হয়। সেই নিৰ্বাচনৰ পৰাই নিৰ্বাচন আয়োগে আদৰ্শ বিধি নিৰীক্ষণৰ ক্ষেত্ৰত অতি সক্ৰিয় হৈ পৰে। নিৰ্বাচন আয়োগে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ দিনাৰ পৰাই আদৰ্শবিধি বলৱৎ হোৱাটোত নিজৰ স্থিতি অটল কৰিছিল। কিন্তু এই ক্ষেত্ৰত নিৰ্বাচন আয়োগ আৰু কেন্দ্ৰীয় চৰকাৰ আৰু কিছুসংখ্যক ৰাজ্য চৰকাৰৰ মাজত অসন্মতি হৈছিল। কেন্দ্ৰীয় চৰকাৰে মত প্ৰকাশ কৰিছিল যে আদৰ্শবিধি বলৱৎ হ'ব কেৱল নিৰ্বাচনৰ আনুষ্ঠানিক অধিসূচনা জাৰি কৰাৰ পিছতহে।

১.১২। ১৯৯৪ চনত অন্ধ্ৰ প্ৰদেশে ৰাজ্যখনত হ'বলগীয়া বিধানসভা নিৰ্বাচন আৰু কুৰনুল সংসদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ সময়ত প্ৰথমবাৰৰ বাবে নিৰ্বাচন আয়োগে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ দিনাই আদৰ্শবিধি বলৱৎৰ আয়োগৰ সিদ্ধান্তৰ স্থিতিক লৈ প্ৰত্যাহ্বান জনাই। বিষয়টো পাচলৈ উচ্চতম ন্যায়ালয়লৈ গৈছিল আৰু কোনো ধৰণৰ চূড়ান্ত সিদ্ধান্ত দিয়া নাছিল।

১.১৩। *হৰবংশ সিং জালাল বনাম কেন্দ্ৰীয় চৰকাৰ আৰু অন্যান্য* গোচৰত পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ পৰা এই বিষয়টোক লৈ এটা নিশ্চিত মত প্ৰকাশ পাইছিল। ১৯৯৬ চনৰ ডিচেম্বৰত পঞ্জাব বিধানসভা নিৰ্বাচন আৰু সাধাৰণ নিৰ্বাচনৰ কাৰণে নিৰ্বাচন আয়োগে দিন ঘোষণা কৰাৰ দিনাই আদৰ্শ বিধি বলৱৎ কৰাৰ নিৰ্দেশনাৰ বিৰুদ্ধে লেখ আবেদন জনোৱা হৈছিল। নিৰ্বাচন আয়োগৰ নিৰ্দেশনাক স্থগিত ৰাখি উচ্চ ন্যায়ালয়ে ১৯৯৭ চনৰ ২৭ মে'ত এক নিৰ্দেশনাযোগে নিৰ্বাচন আয়োগক মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছিল। অৰ্থাৎ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পৰাই আচৰণ বিধিৰ বলৱৎৰ নিৰ্দেশ দিছিল। এই বিষয়টোক লৈ কেন্দ্ৰীয় চৰকাৰো এটা পক্ষ আছিল। কেন্দ্ৰীয় চৰকাৰে পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আবেদন জনাইছিল। উচ্চতম ন্যায়ালয়ৰ দ্বাৰা এই সন্দৰ্ভত কোনো বিশেষ মত পুনৰবাৰ দিয়া নাছিল।

১.১৪। নিৰ্বাচন আয়োগ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত এই বিষয়টো মীমাংসা কৰিবলৈ কেইবালানিও বৈঠকৰ অন্তত শেষত ২০০১ চনৰ ১৬ এপ্ৰিলত এক চুক্তিত উপনীত হৈছিল যে যিকোনো নিৰ্বাচনৰ দিন নিৰ্বাচন আয়োগে ঘোষণা কৰাৰ দিনাৰ পৰাই আচৰণ বিধি বলৱৎ হ'ব। অৱশ্যে, এই চুক্তিতো উপনীতি হৈছিল যে নিৰ্বাচনী অধিসূচনা জাৰি কৰাৰ তিনি সপ্তাহতকৈ অধিক আগতে এই আদৰ্শ বিধি বলৱৎ কৰিব নোৱাৰিব। এই সিদ্ধান্ততো উপনীত হৈছিল যে যিকোনো সম্পূৰ্ণ হৈ থকা প্ৰকল্প উদ্বোধন অথবা কিছুসংখ্যক নতুন প্ৰকল্পৰ আধাৰশিলা কোনো মন্ত্ৰী/ৰাজনৈতিক কৰ্মীয়ে মুকলি কৰাৰ বিপৰীতে চৰকাৰী বিষয়াৰ দ্বাৰাহে কৰিব পৰা যাব। এনে কৰিলে আচৰণ বিধি উলংঘন কৰা নহ'ব লগতে জনতাৰ স্বাৰ্থও সুৰক্ষিত হৈ থাকিব। ('কেন্দ্ৰীয় চৰকাৰ বনাম হৰবংশ সিং জালাল'ৰ গোচৰ নম্বৰ-২ প্ৰসংগ অধ্যায়-২৩, আদৰ্শ বিধিক লৈ ঐতিহাসিক ৰায়) পৰ্যায়নুযায়ী নিৰ্বাচন আয়োগে আদৰ্শ বিধিক সুন্দৰভাৱে উন্নত কৰি উল্লিখিত দুয়োটা প্ৰভাৱৰ ব্যৱস্থা 'সপ্তম অংশ ক্ষমতাত দল' অন্তৰ্ভুক্ত কৰে।

১১.৫। ২০১৪ চনৰ ফেব্ৰুৱাৰীত ৰাজনৈতিক দলসমূহৰ দ্বাৰা প্ৰকাশিত নিৰ্বাচনী ইস্তাহাৰৰ বিষয়টো নিয়ন্ত্ৰিত কৰিবলৈ আদৰ্শ বিধিত অতিৰিক্তকৈ অষ্টম অংশ সন্নিৱিষ্ট কৰিছিল। এই অংশটি সন্নিৱিষ্ট কৰিছিল উচ্চতম ন্যায়ালয়ে *এছ সুব্ৰমণিয়ম বালাজী বনাম তামিলনাডু চৰকাৰ*

*আৰু অন্যান্যৰ* গোচৰক লৈ ২০১৩ চনৰ ৫ জুলাইত দিয়া ৰায়ৰ আধাৰত।

১১.৬। উপৰোক্ত বৰ্ণনাৰ পৰা এইটো দেখা যায় যে ১৯৬০ চনৰ পৰা আৰম্ভ হৈ দীঘলীয়া পৰ্যায়ত আদৰ্শবিধি হৈছে। এক নথিৰ পৰা পিছলৈ সক্ৰিয় আৰু শক্তিশালী সঁজুলিত পৰিণত হৈ নিৰ্বাচন আয়োগৰ হাতত আছে। এতিয়া আদৰ্শ বিধিৰ সীমাত কেৱল ৰাজনৈতিক দল আৰু প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীয়েই নহয় চৰকাৰী বিষয়াসকলো সোমাই পৰিছে। নিৰ্বাচন আয়োগে আচৰণ বিধি নিৰীক্ষণৰ ক্ষেত্ৰত অধিক সক্ৰিয়তা অৱলম্বন কৰি প্ৰকৃত অৰ্থত সকলো অংশীদাৰিত্বক উদ্যম বঢ়াইছে। আনকি ন্যায়িক ব্যৱস্থাও নিৰ্বাচন আয়োগৰ দ্বাৰা বলৱৎ কৰা আদৰ্শ বিধিৰ ব্যৱস্থাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰি মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাত নিশ্চিত হোৱাটো স্বীকৃতি প্ৰদান কৰিছে। নিৰ্বাচনৰ সময়ত প্ৰকৃত গণতান্ত্ৰিক উদ্যম জনতাৰ মাজত যাতে উচ্চমানত বৰ্তি থাকে তাৰ বাবে অহৰহভাৱে পদক্ষেপ আৰু ব্যৱস্থা গ্ৰহণ কৰি আছে নিৰ্বাচন আয়োগে।

*******

## অধ্যায়-২

# আদৰ্শ বিধিৰ মৰ্যাদা আৰু সুযোগ

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ**

- আদৰ্শ বিধিৰ মৰ্যাদা
- আইন প্ৰয়োগৰ ব্যৱস্থা
- পৰিপূৰক নিৰ্দেশনাৰ সুযোগ

## ২.১ পাতনি

ৰাজনৈতিক দলসমূহৰ মাৰ্গদৰ্শনৰ কাৰণে আদৰ্শ আচৰণ বিধি ক্ষুদ্ৰ কিন্তু ব্যতিক্ৰম নথি (পৰিশিষ্ট-I) ইয়াত আঠটা অংশ তলত উল্লেখ কৰা আছে।

i) আদৰ্শ বিধিৰ অংশ- ১ ত ৰাজনৈতিক দলসমূহ, প্ৰাৰ্থী আৰু তেওঁলোকৰ কৰ্মী আৰু সমৰ্থকে নিৰ্বাচনী প্ৰচাৰৰ সময়ত ন্যূনতম ভাল ব্যৱহাৰ আৰু আচৰণ নিশ্চিত কৰাত হেঁচা থাকে।

ii) অংশ-২ আৰু ৩ ত ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ দ্বাৰা আয়োজিত ৰাজহুৱা সভা আৰু সমদলৰ বিষয়ৰ সৈতে জড়িত।

iii) অংশ-৪ আৰু ৫ত নিৰ্বাচনৰ দিনা আৰু পুলিং বুথত ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসমূহে কেনে আচৰণ কৰা উচিত সেই সন্দৰ্ভত বৰ্ণনা আছে।

iv) অংশ-৬ত ৰাজনৈতিক দল আৰু প্ৰাৰ্থীয়ে নিৰ্বাচন আয়োগৰ দ্বাৰা নিযুক্ত নিৰীক্ষকক অভিযোগ দি শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ সন্দৰ্ভত বৰ্ণনা আছে।

v) অংশ ৭ত ক্ষমতাত থকা দলৰ সৈতে জড়িত বিষয়সমূহৰ সন্নিৱিষ্ট আছে। এই অংশটি আদৰ্শ বিধিৰ কাৰণে অতি গুৰুত্বপূৰ্ণ। যাৰ দ্বাৰা চৰকাৰ আৰু ইয়াৰ মন্ত্ৰীসকলৰ বিভিন্ন বিষয়ক বিশেষকৈ মন্ত্ৰী ভ্ৰমণ, চৰকাৰী বাহন ব্যৱহাৰ আৰু চৰকাৰী সা-সুবিধা, বিভিন্ন আঁচনি-প্ৰকল্প ঘোষণা আদি বিষয় চোৱাচিতা কৰা হয়।

vi) নতুনকৈ সংযোগ কৰা অংশ-৮ত এই কথা বৰ্ণনা কৰা হৈছে যে নিৰ্বাচনী ইস্তাহাৰত ঘোষিত কোনো প্ৰতিশ্ৰুতিয়ে যাতে সংবিধানৰ মৰ্যাদা হানি নকৰে। আদৰ্শ বিধৰ আন ব্যৱস্থাৰ উদ্যমতো প্ৰতিবন্ধকতাৰ সৃষ্টি নকৰে।

## ২.২ আদৰ্শ বিধিৰ মৰ্যাদা

২.২.১। আদৰ্শ বিধি এক সকিয়নী নথি নহয়। এই ব্যৱস্থাৰ অনেক উলংঘনত কোনো

কঠোৰ ব্যৱস্থা গ্ৰহণৰ ব্যৱস্থা নাই। এয়া সেই কাৰণে, নিৰ্বাচন আয়োগে ইতিমধ্যে আদৰ্শ বিধিৰ ব্যৱস্থাৰ সন্দৰ্ভত মত প্ৰকাশ কৰিছে। বিশেষকৈ সপ্তম অংশ শাসকীয় দলে আইনৰ অংশ কৰি লোৱা উচিত আছিল। ১৯৮০ চনত নিৰ্বাচন আয়োগে কেন্দ্ৰীয় চৰকাৰলৈ এক প্ৰস্তাৱ প্ৰেৰণ কৰিছিল। নিৰ্বাচনী সংস্কাৰৰ বিবেচনাৰ কাৰণে গঠিত গোস্বামী কমিটীলৈও একেই প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছিল আৰু গোস্বামী কমিটীৰ অনুমোদন মৰ্মে কেন্দ্ৰীয় চৰকাৰে জনপ্ৰতিনিধিত্ব আইন ১৯৫১ সংশোধনৰ প্ৰস্তাৱ আগবঢ়াইছিল। এই আইনত দুটা নতুন ধাৰা ১২৪ আৰু ১২৬ (ক) অন্তৰ্ভুক্ত কৰি আদৰ্শ বিধিৰ কিছু ব্যৱস্থা যেনে— অবৈধ কাৰ্যকলাপৰ বাবে দুবছৰৰ বাবে শাস্তি হিচাপে কাৰাবাস আৰু জৰিমনা অথবা দুয়োটা বিহাটো নিশ্চিত কৰিছিল। এই প্ৰস্তাৱিত সংশোধনত আচৰণবিধি বলৱৎ হোৱাৰ দিনাৰ পৰাহে কাৰ্যকৰী হোৱাটো বিচাৰিছিল। নিৰ্বাচনী অধিসূচনা জাৰি কৰাৰ দিনা কিম্বা নিৰ্বাচন ঘোষণা কৰাৰ দিনা নহয়। কিন্তু এই বিধেয়ক সংসদত উত্থাপন হ'লেও গৃহীত হোৱা নাছিল।

২.২.২ পৰিস্থিতি সলনি হ'ল। বিভিন্ন পৰিস্থিতিত নিৰ্বাচন পৰিচালনাৰ অভিজ্ঞতাৰ আধাৰত নিৰ্বাচন আয়োগে এতিয়া ব্যৱস্থা কৰিছে যে আচৰণ বিধিৰ ওপৰত আইন গ্ৰন্থ প্ৰকাশ কৰাটোৱে হ'ব আত্মপৰাজয়ৰ ব্যৱস্থা। কিয়নো নিৰ্বাচনৰ সময়ত যিকোনো আচৰণ বিধি ভংগই শীঘ্ৰে সিদ্ধান্ত আৰু ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। যিটো আদালতত গ'লে সম্ভৱপৰ নহয়। কিয়নো নিয়মীয়া ন্যায়িক ব্যৱস্থাত এই বিষয়টো পৰীক্ষণ কৰিবলগীয়া হয়। এইটো অনুভৱ কৰা যায় যে যিকোনো ন্যায়িক ব্যৱস্থাৰ ৰায় ইতিমধ্যে নিৰ্বাচন শেষ হৈ যোৱাৰ পিছতহে আহে। যিটোৰ প্ৰাসংগিকতা নাথাকে। এই বাবেই নিৰ্বাচন আয়োগে আদৰ্শ বিধিক আইন ৰূপ দিয়াৰ প্ৰস্তাৱ প্ৰত্যাহাৰ কৰিছে। নিৰ্বাচন আয়োগে বাৰম্বাৰ এই মত প্ৰকাশ কৰি আহিছে যে আদৰ্শ বিধিৰ সমগ্ৰ ফলপ্ৰসুতা হেৰাই যাব যদিহে ইয়াৰ সকলো ব্যৱস্থাক নিৰ্বাচনী অপৰাধ অথবা অবৈধ কাৰ্যকলাপলৈ পৰ্যবেশিত কৰা হয়।

## ২.৩ আইন প্ৰয়োগৰ ব্যৱস্থা

২.৩.১। যদিও আদৰ্শবিধি আইনগত নহয় তথাপিতো ইয়াৰ কিছু ব্যৱস্থাই ভাৰতীয় দণ্ডবিধি আৰু জনপ্ৰতিনিধিত্ব আইন ১৯৫১ প্ৰয়োগৰ ব্যৱস্থা আছে। বে-আইনী কাৰ্যকলাপক আচৰণ বিধিত নিম্নলিখিত অবৈধ কাৰ্যকলাপ আৰু নিৰ্বাচনী অপৰাধ হিচাপে ভাৰতীয় দণ্ডবিধি আৰু জনপ্ৰতিনিধিত্ব আইন ১৯৫১ত অন্তৰ্ভুক্ত কৰা হৈছে—

i) বিভিন্ন জাতি আৰু সম্প্ৰদায়, ধৰ্মীয় আৰু ভাষিক সংখ্যালঘুৰ মাজত ঘৃণাৰ পৰিৱেশ আৰু উত্তেজনাৰ সৃষ্টি কৰা উচটনিমূলক যিকোনো কাৰ্যক জনপ্ৰতিনিধিত্ব আইন ১৯৫১ৰ ধাৰা ১২৩ (৩ ক)ৰ অধীনত বেআইনী কাৰ্যকলাপ হিচাপে গণ্য কৰা হয়।

ii) জাতি আৰু সম্প্ৰদায়িক ভাষণেৰে ভোট ভিক্ষা কৰা আৰু নিৰ্বাচনৰ বাবে মছজিদ, গীৰ্জা, মন্দিৰ আৰু আন প্ৰাৰ্থনা গৃহ ব্যৱহাৰ কৰাটোক জনপ্ৰতিনিধিত্ব আইনৰ ১৯৫১ৰ ধাৰা ১২৩ (৩) আৰু ধাৰা ১২৫ৰ অধীনত অবৈধ কাৰ্যকলাপ আৰু নিৰ্বাচনী অপৰাধ হিচপে গণ্য কৰা হয়।

iii) ভোটাৰক উৎকোচ দিয়াটো বে-আইনী কাৰ্যকলাপ আৰু নিৰ্বাচনী অপৰাধ হিচাপে জনপ্ৰতিনিধিত্ব আইন ১৯৫১ৰ ধাৰা ১২৩ (১) আৰু ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১৭১(খ)ৰ অধীনত বে-আইনী কাৰ্যকলাপ আৰু নিৰ্বাচনী অপৰাধ হিচাপে গণ্য কৰা হয়।

iv) ভোটাৰক উচটনি দিয়াটো জনপ্ৰতিনিধিত্ব আইন ১৯৫১ৰ ধাৰা ১৩৫ (ক)ৰ অধীনত নিৰ্বাচনী অপৰাধ।

v) ছদ্মবেশী ভোটাৰ নিৰ্বাচনী অপৰাধ জনপ্ৰতিনিধিত্ব আইন ১৯৫১ৰ ধাৰা ১৭১(ঘ)ৰ অধীনত

vi) পুলিং ষ্টেচনৰ এশ মিটাৰৰ অধীনত প্ৰচাৰ চলোৱা জনপ্ৰতিনিধিত্ব আইন১৯৫১ৰ ধাৰা ১৩০ অধীনত নিৰ্বাচনী অপৰাধ।

vii) ভোট গ্ৰহণ শেষ হোৱাৰ ৪৮ ঘণ্টাৰ পূৰ্বৰ সময়ছোৱাত ৰাজহুৱা সভা অনুষ্ঠিত কৰাটো জনপ্ৰতিনিধিত্ব আইন১৯৫১ৰ ধাৰা ১২৬ (১)ৰ অধীনত নিৰ্বাচনী অপৰাধ।

viii) পুলিং ষ্টেচনলৈ ভোটাৰক অনা-নিয়াৰ বাবে পৰিবহণ আৰু সুবিধা প্ৰদান কৰাটো জনপ্ৰতিনিধিত্ব আইন১৯৫১ৰ ধাৰা ১২৩ (৫) আৰু ১৩৩ৰ অধীনত বে-আইনী কাৰ্যকলাপ আৰু নিৰ্বাচনী অপৰাধ।

ix) এটা ৰাজনৈতিক দলৰ সভা-সমদলত বাধা তথা ভংগ কৰি দিয়া কিম্বা আন এটা ৰাজনৈতিক দলৰ ৰাজহুৱা সভাত আন এটা দলৰ কৰ্মী তথা সমৰ্থকে হাৰাশস্তি কৰা কিম্বা আন দলক আন এটা দলে মৌখিকভাৱে প্ৰশ্ন উত্থাপিত কৰা কিম্বা প্ৰচাৰ পত্ৰিকা বিতৰণ কৰা অথবা আন এটা দলৰ সমদল কৰা স্থান আন এটা দলে দখল কৰা এটা দলৰ পোষ্টাৰৰ

ওপৰত আন এটা পোষ্টাৰ লগোৱা পাব্লিক আইন১৯৫১ৰ ধাৰা ১২৭ৰ অধীনত নিৰ্বাচনী অপৰাধ।

x) নিৰ্বাচনৰ দিনা আৰু পূৰ্ববৰ্তী ৪৮ ঘণ্টাত চলি সুৰা সেৱন কৰা আৰু বিতৰণ কৰাটো জনপ্ৰতিনিধিত্ব আইন ১৯৫১ৰ ধাৰা ১৩৫ (গ)ৰ অধীনত নিৰ্বাচনী অপৰাধ।

২.৩.২ যিকোনো ব্যক্তি/ৰাজনৈতিক দলৰ উল্লিখিত অবৈধ কাৰ্যকলাপৰ সন্দৰ্ভত অভিযোগ থাকিলে নিৰ্ধাৰিত আইনৰ অধীনত আইনী ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। ইতিমধ্যে এই ব্যৱস্থাসমূহ বাহাল আছে, সেয়ে আদৰ্শ বিধিক আইনী ৰূপ দিলেও কোনো উদ্দেশ্য পূৰণ নহ'ব।

## ২.৪ পৰিপূৰক নিৰ্দেশনাৰ সুযোগ

২.৪.১ কাৰ্যবাহী ক্ষমতাৰ অধীনত নিৰ্বাচন আয়োগৰ দ্বাৰা আদৰ্শ বিধি জাৰি কৰা হৈছে আৰু ইয়াত সন্নিৱিষ্ট অধিকাংশ নীতিয়ে আইন প্ৰয়োগৰ বাবে উপযুক্ত নহয়। কিন্তু ৰাজনৈতিক দলসকলে নিজে ইয়াক মানি লোৱাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। দলবোৰে ইয়াক সন্মান আৰু নিৰীক্ষণ কৰটো বাধ্যতামূলক। দ্বিতীয়তে, জনতাৰ মতৰ সমৰ্থনৰ সৈতে নিৰ্বাচন আয়োগে আচৰণ বিধি নিৰীক্ষণ নিশ্চিতৰ নৈতিক প্ৰতিবন্ধকতা লাভ কৰিছে।

২.৪.২ সংবিধানৰ অনুচ্ছেদ-৩২৪ৰ অধীনত নিৰ্বাচন আয়োগক বিশাল দায়ত্বদ্ধতা আৰু ক্ষমতা দিয়া আছে। নিৰ্বাচন পৰিচালনা কৰি থকাৰ সময়ত যিকোনো অদৃশ ঘটনাৱলীৰ সৈতে মোকাবিলা কৰাৰ বাবে বলৱৎ হৈ থকা আইন নিৰৱে থাকে অথবা মোকাবিলা কৰাৰ বাবে পৰ্যাপ্ত ব্যৱস্থা নাথাকে তেতিয়াহ'লে নিৰ্বাচন আয়োগে অনুচ্ছেদ ৩২৪ৰ অধীনত ক্ষমতা প্ৰয়োগ কৰি নিৰ্বাচন মুক্ত আৰু নিকা ৰূপত অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত নিৰ্দেশনা জাৰি কৰিব পাৰে। উচ্চতম ন্যায়ালয়ে এছ সুব্ৰমণিয়ম বালাজীৰ নিৰীক্ষণত এইটো প্ৰত্যক্ষ কৰিছে যে, নিৰ্বাচন আয়োগে প্ৰতিদ্বন্দ্বিতা কৰা দল আৰু প্ৰাৰ্থীৰ মাজত এটা পৰ্যায়ত স্থিতি সুস্থিৰ ৰাখিবলৈ নিৰ্দেশ দিব পাৰে, নিৰ্বাচনী প্ৰক্ৰিয়াৰ বিশুদ্ধতা যাতে অথলে নাযায় তাৰ প্ৰতি লক্ষ্য ৰাখি আদৰ্শ আচৰণ বিধিৰ অধীনত আয়োগে নিৰ্দেশনা জাৰি কৰিব পাৰে। সংবিধানৰ অনুচ্ছেদ-৩২৪ৰ অধীনত নিৰ্বাচন আয়োগে মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে ক্ষমতা প্ৰয়োগ কৰিব পাৰে। (প্ৰসংগ গোচৰ নং-৪ অধ্যায় ২৩ আদৰ্শ বিধিক লৈ ঐতিহাসিক ৰায়)

২.৪.৩ এই নিৰ্দেশনাবোৰ উলংঘন কৰা ৰাজনৈতিক দল কিম্বা ব্যক্তিৰ বিৰুদ্ধে যেতিয়াই প্ৰয়োজন হয়, নিৰ্বাচন আয়োগে অনেক নিৰ্দেশনা জাৰি কৰাৰ লগতে ব্যৱস্থা গ্ৰহণ কৰে। আদালতেও সময়ে সময়ে নিৰ্বাচন আয়োগৰ এনে নিৰ্দেশনা/ ব্যৱস্থাক বাহাল ৰাখে। উদাহৰণ হিচাপে ১৯৯৩ চনৰ জুনত নিৰ্বাচন আয়োগে হাৰিয়ানাৰ কালকা বিধানসভা সমষ্টিৰ উপনিৰ্বাচন বাতিল কৰিছিল আদৰ্শ বিধি উলংঘনৰ বাবে। এই সন্দৰ্ভত ৰাজ্য চৰকাৰে নিৰ্বাচন আয়োগৰ নিৰ্দেশ বাতিল কৰাৰ বাবে পঞ্জাব আৰু হাৰিয়ানাৰ উচ্চ ন্যায়ালয়ৰ প্ৰত্যাহ্বান জনাইছিল। উচ্চ ন্যায়ালয়ে নিৰ্বাচন আয়োগক এই নিৰ্দেশ অন্তৰৰ্তীকালীন স্থগিত ৰাখিবলৈ নিৰ্দেশ দিয়াৰ পিছত নিৰ্বাচন আয়োগে উচ্চতম ন্যায়ালয়ৰ এছ এল পিত আবেদন জনাই আৰু সৰ্বোচ্চ ন্যায়ালয়ে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশক স্থগিত ৰাখে। একেদৰে ২০১৫চনৰ তামিলনাডু বিধানসভাৰ উপ-নিৰ্বাচনত নিৰ্বাচন আয়োগে এখন মিনি বাছত অংকিত দলৰ প্ৰতীক চিহ্নৰ পেইণ্টিং ঢাকি ৰাখিবলৈ দিয়া নিৰ্দেশৰ বিৰুদ্ধে দলটোৱে মাদ্ৰাছ উচ্চ ন্যায়ালয়ত প্ৰত্যাহ্বন জনাইছিল। ন্যায়ালয়ে দলটোৰ প্ৰত্যাহ্বানক নাকচ কৰি নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুচ্ছেদ ৩২৪ৰ অধীনৰ ভিতৰত পৰে বুলি নিৰ্দেশ দিয়ে।

********

## অধ্যায়-৩

# আদৰ্শ বিধিৰ বলৱৎ

**<u>অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ</u>**

- বলৱৎৰ তাৰিখ
- আবেদনৰ সময়সীমা
- আবেদনৰ ক্ষেত্ৰ
- আদৰ্শ বিধিৰ অধীনত কোন সংপৃক্ত
- নিৰ্বাচন ঘোষণাৰ পূৰ্বে আদৰ্শ বিধিৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিবনে
- নতুন নিৰ্বাচনৰ পিছত নতুন চৰকাৰ গঠন নোহোৱালৈকে কাৰ্যবাহী চৰকাৰখনৰ স্থিতিৰ দ্বাৰা বিধানসভা ভংগৰ গোচৰবোৰ আদৰ্শ বিধিত প্ৰয়োগ যোগ্য নে
- আদৰ্শ বিধিৰ অধীনত সংপৃক্ত ৰাজনৈতিক দলৰ বাহিৰে ব্যক্তিৰ দ্বাৰা নিৰ্বাচন সম্পৰ্কীয় অভিযান কাৰ্যকলাপ অধীন নে

### ৩.১ পাতনি

ভাৰতৰ গণতন্ত্ৰৰ কাৰণে ৰাজনৈতিক দলসমূহৰ একক অৱদান আদৰ্শ আচৰণ বিধি। নিৰ্বাচনৰ ক্ষেত্ৰখনত ই‌য়ে পৰ্যায় নিৰ্বাচন ক্ষেত্ৰক নিশ্চিত কৰে। য'ত ক্ষমতাত থকা দলে নিৰ্বাচন ঘোষণা কৰাৰ পিছত কোনো ধৰণৰ ব্যৱস্থা ল'ব নোৱাৰে। উচ্চত ন্যায়ালয়ৰ দ্বাৰা কেইবাটাও গোচৰ বৰ্তাই ৰখা, আদৰ্শ বিধিৰ উদ্দেশ্য এয়ে যে ক্ষমতাত থকা দলৰ দ্বাৰা নিজৰ শক্তি ভালদৰে প্ৰয়োগ কৰি নিৰ্বাচনৰ প্ৰাকক্ষণত কোনো লাভ উঠাব নোৱাৰে।

### ৩.২ বলৱৎৰ তাৰিখ

নিৰ্বাচন আয়োগৰ দ্বাৰাৰ নিৰ্বাচনৰ তাৰিখ আৰু ঘোষণা কৰাৰ পৰাই আদৰ্শ আচৰণ বিধি বলৱৎ হয়। নিৰ্বাচন আয়োগ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত ২০০১ চনৰ ১৬ এপ্ৰিলত সম্পন্ন হোৱা চুক্তি অনুসৰিয়ে আদৰ্শ আচৰণ বিধি বলৱৎ হয়। (প্ৰসংগ অ' এম সংযুক্ত গোচৰ নং-২ 'কেন্দ্ৰীয় চৰকাৰ বনাম হৰবংশ সিং জালাল অধ্যায়-২৩ আদৰ্শ বিধিৰ ওপৰত ঐতিহাসিক ৰায়') আদৰ্শ বিধিৰ অংশ সপ্তম দফা (৬)ৰ পৰা এইটো নিশ্চিত যে নিৰ্বাচন আয়োগে নিৰ্বাচনৰ সময় ঘোষণা কৰাৰ পৰাই মন্ত্ৰীসকল আৰু আন কৰ্তৃপক্ষই উল্লিখিত নিশ্চিত কামবোৰ কৰিব নোৱাৰে। উচ্চতম ন্যায়ালয়ে পিছলৈ *এছ সুব্ৰমণিয়ম বালাজী বনাম তামিলনাডু চৰকাৰ আৰু অন্যান্য*ৰ গোচৰৰ ৰায় ২০১৩ চনৰ ৫ জুলাইত প্ৰদান কৰি নিৰ্বাচনৰ

দিন ঘোষণা কৰাৰ পাছতেই আদৰ্শবিধি বলবৎ হোৱাটো নিশ্চিত কৰে। (প্ৰসংগ গোচৰ নং-৪ অধ্যায়-২৩ আদৰ্শ বিধিৰ ওপৰত ঐতিহাসিক ৰায়)। ঠিক তেনেদৰে ইস্তাহাৰৰ সৈতে জড়িত আদৰ্শ বিধিৰ অংশ অষ্টম নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পূৰ্বৰ পৰাই বলৱৎ হয়। যদিহে যিকোনো ৰাজনৈতিক দলে নিৰ্বাচন ঘোষণাৰ পূৰ্বে সেয়া জাৰি কৰে।

## ৩.৩ বলৱৎৰ সময়সীমা

নিৰ্বাচনী অধিসূচনা অনুসৰি লোকসভাৰ সাধাৰণ নিৰ্বাচন অথবা এখন ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনত বলৱৎ হোৱা আদৰ্শ বিধিৰ নিৰ্বাচনী প্ৰক্ৰিয়া সমাপ্ত নোহোৱালৈকে বাহাল থাকে। উপ-নিৰ্বাচনৰ ক্ষেত্ৰত ৰিৰ্টাণিং বিষয়া উপ-নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পিছতেই আদৰ্শ বিধি বলৱৎৰ সময়সীমা সমাপ্ত হয়।

## ৩.৪ বলৱৎৰ ক্ষেত্ৰ

৩.৪.১ লোকসভা আৰু ৰাজ্যৰ বিধানসভাৰ সকলো নিৰ্বাচনতে আদৰ্শ বিধি প্ৰয়োগ কৰা হয়। ই স্থানীয় নিৰ্বাচনৰ পৰা বিধান পৰিষদৰ নিৰ্বাচনলৈকে বলৱৎ হয়।

৩.৪.২ লোকসভাৰ সাধাৰণ নিৰ্বাচনৰ সময়ত অথবা ৰাজ্যৰ বিধানসভা নিৰ্বাচনত আদৰ্শ বিধি সমগ্ৰ ভাৰতত অথবা সংশ্লিষ্ট ৰাজ্যখনত বলৱৎ হয়। আনপিনে, উপ-নিৰ্বাচনৰ ক্ষেত্ৰত অনুষ্ঠিত হ'বলগীয়া বিধানসভা/সংসদীয় সমষ্টিৰ অন্তৰ্ভুক্ত জিলা বা জিলাসমূহত আদৰ্শ বিধি বলৱৎ হয়। উপ-নিৰ্বাচনৰ অনুষ্ঠিত হবলগীয়া ৰাজ্য চৰকাৰে নিৰ্বাচন আয়োগক অনুৰোধ কৰে যে নিৰ্বাচনী প্ৰক্ৰিয়াৰ অধীনত পৰা অঞ্চলটোৰ বাদে যাতে আন ঠাইত আদৰ্শ বিধি বলৱৎ কৰা নহয়। কিয়নো এনে কৰিলে সমগ্ৰ অঞ্চল কিম্বা জিলাখনত উন্নয়নৰ কাম-কাজত ব্যাঘাত জন্মে। নিৰ্বাচন আয়োগে এই বিষয়টোক বিবেচনা কৰে আৰু উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া সমষ্টি ভিত্তিক আংশিক নিৰ্দেশনা জাৰি কৰে। ৰাজ্যৰ ৰাজধানী/মেট্ৰ'পলিটেন চহৰ/পৌৰ নিগমত সাঙুৰি অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ ক্ষেত্ৰত জাৰি কৰা আদৰ্শ বিধি কেৱল আংশিক ক্ষেত্ৰত বলৱৎ হয়, সমগ্ৰ জিলাখনত নহয়। আনহাতে উপ-নিৰ্বাচনত অনষ্ঠিত হ'বলগীয়া সমষ্টি অন্তৰ্ভুক্ত সমগ্ৰ জিলাতেই আদৰ্শ বিধি বলৱৎ হ'ব।

## ৩.৫ আদৰ্শ বিধিৰ অধীনত কোন সংপৃক্ত

আদৰ্শ বিধিৰ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰ অথবা ৰাজ্য চৰকাৰৰ সম্পূৰ্ণ অথবা অংশীদাৰিত্বৰ সকলো সংগঠন/কমিটী/নিগম/আয়োগ আদিত প্ৰয়োগ হয়। যেনে কমনৱেল্‌থ গেম্‌ছ আয়োজক কমিটী, ডিডিএ, বিদ্যুৎ নিয়ন্ত্ৰক আয়োগ, জলব'ৰ্ড, পৰিবহণ নিগম, যিকোনো

আন উন্নয়ন কৰ্তৃপক্ষ আদি। আদৰ্শ বিধিৰ ব্যৱস্থাই এনে অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ কিতৃত্ব অথবা নতুন ৰাজসাহায্য, নিৰিখ অথবা আঁচনি ঘোষণা কৰা বিজ্ঞাপনৰ প্ৰকাশনক সাঙুৰি লয় আৰু ই আদৰ্শ বিধি উলংঘন। (পৰিশিষ্ট-III)

## ৩.৬ নিৰ্বাচন ঘোষণাৰ পূৰ্বে আদৰ্শ বিধিৰ অধীনত নিৰ্বাচন আয়োগে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে নে

স্বাভাৱিকভাৱে নিৰ্বাচন ঘোষণাৰ পূৰ্বে আচৰণ বিধি উলংঘনৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ অধিকাৰ নাথাকে নিৰ্বাচন আয়োগৰ। এই সন্দৰ্ভত ২০১০ চনত নিৰ্বাচন আয়োগলৈ এটা বিষয় উত্থাপন হৈছিল যে চৰকাৰী পুঁজিৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় বহুজন সমাজ পাৰ্টীয়ে দলটোৰ সংৰক্ষিত প্ৰতীক হাতীৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰি আচৰণ বিধি উলংঘন কৰিছিল। নিৰ্বাচন আয়োগে এই ক্ষেত্ৰত চৰকাৰী ক্ষমতা আৰু ব্যৱস্থাক অপব্যৱহাৰ কৰি যিকোনো দলে নিৰ্বাচন অনুষ্ঠিত নোহোৱাৰ সময়ত এনে কৰিলে ব্যৱস্থা গ্ৰহণৰ অধিকাৰ নাই বুলি স্পষ্ট কৰি দিছিল। নিৰ্বাচন আয়োগৰ এই স্থিতিকলৈ দিল্লী উচ্চ ন্যায়ালয়ত কমন ক'জ বনাম বহুজন সমাজ পাৰ্টী গোচৰত প্ৰশ্ন উত্থাপন হৈছিল। প্ৰতীক চিহ্নৰ নিৰ্দেশৰ ব্যৱস্থাক পৰীক্ষণ কৰি উচ্চ ন্যায়ালয়ে এই সিদ্ধান্ত উপনীত হৈছিল যে আবেদনকাৰীৰ প্ৰাৰ্থনাৰ ভিত্তিত দলৰ নিৰ্বাচনী প্ৰতীক চিহ্ন জব্দ কৰিব নোৱাৰি, কিয়নো নিৰ্বাচন আয়োগত এই সন্দৰ্ভত ব্যৱস্থা আছে। অৱশ্যে, উচ্চ ন্যায়ালয়ে নিৰীক্ষণ কৰি কয় যে নিৰ্বাচনৰ সময় নহ'লেও শাসকীয় দলে জনতাৰ পুঁজি ব্যৱহাৰ কৰা উচিত নহয়, দলটোৰ প্ৰতীক চিহ্ন নেতাসকলে প্ৰচাৰৰ কাৰণে। কিন্তু উচ্চ ন্যায়ালয়ে নিৰ্বাচন আয়োগক এই ধৰণৰ আপত্তিজনক বিষয়ত লৈ নিৰ্দেশনা প্ৰস্তুত কৰিবলৈ আহ্বান জনায়।

## ৩.৭ নতুন নিৰ্বাচনৰ পাচত নতুন চৰকাৰ গঠন নোহোৱালৈকে কাৰ্যবাহী চৰকাৰখনৰ স্থিতিৰ দ্বাৰা বিধানসভা ভংগৰ গোচৰবোৰ আদৰ্শবিধিত প্ৰয়োগ যোগ্য নে

বিধানসভা সম্পূৰ্ণ নোহোৱাকৈ ভংগ হোৱা গোচৰ সন্দৰ্ভত আচৰণ বিধি প্ৰয়োগৰ বিষয়টো নিৰ্বাচন আয়োগে বিবেচনা কৰিছে। য'ত এখন ভাৰপ্ৰাপ্ত চৰকাৰক ৰাজ্য/কেন্দ্ৰীয়শাসিত অঞ্চল চলোৱাৰ বাবে নিৰ্দেশ দিয়ে। যাতে মুক্ত, নিকা, স্বচ্ছ আৰু শক্তিশালী নিৰ্বাচনী প্ৰক্ৰিয়া সমাপন কৰিব পাৰে। এই বিষয়ক লৈ সচেতন বিবেচনাৰ ক্ষেত্ৰত সন্মানীয় উচ্চতম ন্যায়ালয়ৰ নিৰীক্ষণ এছ আৰ বোম্মাই আৰু অন্যান্য বনাম ভাৰত চৰকাৰ বনাম অন্যান্য (১৯৯৪) যে ভাৰপ্ৰাপ্ত চৰকাৰে প্ৰতিদিনেই চৰকাৰখন চলাই চাব পাৰে আৰু কোনো প্ৰধান নীতিৰ মত প্ৰকাশ কৰিব নোৱাৰে। নিৰ্বাচন আয়োগে নিম্নলিখিত নিৰ্দেশনা দিছে।

(i) ওপৰত বৰ্ণনা কৰাৰ ধৰণে আৰ্দশ বিধি অংশ সপ্তম (শাসকীয় দল)ৰ ব্যৱস্থা অনুসৰি নিৰ্বাচন সমাপ্ত হৈ নতুন বিধানসভা গঠন নকৰালৈকে সংশ্লিষ্ট চৰকাৰখনে

শীঘ্ৰে কাৰ্যকৰী হোৱাকৈ চৰকাৰ চলাব।

(ii) আৰ্দশ বিধি অংশ সপ্তমৰ ব্যৱস্থা অনুসৰি ভাৰপ্ৰাপ্ত ৰাজ্য চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ ক্ষেত্ৰতো বিধি প্ৰয়োগ হয়।

(iii) তেনেদৰে ভাৰপ্ৰাপ্ত ৰাজ্য চৰকাৰ অথবা কেন্দ্ৰীয় চৰকাৰে নুতন আঁচনি, প্ৰকল্প আদি ঘোষণা কৰিব নোৱাৰিব। আদৰ্শ বিধি অংশ সপ্তমৰ অধীনত এনে কাৰ্যকলাপত প্ৰতিবন্ধকতা থকাৰ বাবে।

(iv) অংশ অষ্টমৰ অধীনত আন সকলো প্ৰতিবন্ধকতা যেনে কোনো বেচৰকাৰী কামৰ বাবে চৰকাৰী সম্পদ ব্যৱহাৰ, নিৰ্বাচনীন কামত চৰকাৰী ভ্ৰমণ আদিত। ভাৰপ্ৰাপ্ত চৰকাৰৰ সকলো মন্ত্ৰী আৰু আন কৰ্তৃপক্ষৰ ক্ষেত্ৰতো এই বিধি প্ৰয়োগ হ'ব। কেন্দ্ৰীয় চৰকাৰৰ ক্ষেত্ৰতো একেই হ'ব।

## ৩.৮ আদৰ্শ বিধিৰ অধীনত সংপৃক্ত ৰাজনৈতিক দলৰ বাহিৰে ব্যক্তিৰ দ্বাৰা নিৰ্বাচন সম্পৰ্কীয় অভিযান কাৰ্যকলাপ অধীন নে

৩.৮.১ নিৰ্বাচনৰ সময়ত নিৰ্বাচন আয়োগে বিভিন্ন পক্ষৰ পৰা লাভ কৰা অভিযোগসমূহ গ্ৰহণ কৰে। একাংশ সামাজিক, সাংস্কৃতিক অধবা ধৰ্মীয় সংগঠন, সংস্থা, প্ৰতিষ্ঠান আদিৰ বিৰুদ্ধে উঠা অভিযোগসমূহ। কোনো নিশ্চিত দল অথবা প্ৰাৰ্থীৰ বিৰুদ্ধে বা সমৰ্থনত ধৰ্মীয় সভা, যোগ কাৰ্যসূচী, অনুষ্ঠান, সভা, সমদল আদি অনুষ্ঠিত কৰাৰ লগতে তেনে অনুষ্ঠানৰ জৰিয়তে ভোট প্ৰদান কৰা কিম্বা ভোট প্ৰদান নকৰাৰ সন্দৰ্ভত আহ্বান কৰিব নোৱাৰিব।

৩.৮.২ আদৰ্শ বিধি বলৱৎ হৈ থকাৰ সময়ছোৱাত ৰাজনৈতিক দল/প্ৰাৰ্থীৰ বাহিৰেও কোনো সংগঠন বা ব্যক্তিয়ে যাতে, উল্লিখিত ধৰণৰ প্ৰচাৰ অভিযান চলাব নোৱাৰে তাৰ নিৰীক্ষণৰ বাবে নিৰ্বাচন আয়োগে নিৰ্দেশনা জাৰি কৰা আছে। (পৰিশিষ্ট-III)

(i) প্ৰচাৰৰ সময়ত কোনো ব্যক্তিয়ে ধৰ্মীয় অথবা ধৰ্মৰ ভিত্তিক লৈ কোনো ধৰণৰ উচটনিমূলক মন্তব্য কিম্বা কাৰ্যকলাপেৰে বিভিন্ন শ্ৰেণী বা সমাজৰ বিভিন্ন গোটৰ মাজত সংহতি বিনষ্টকাৰী পৰিস্থিতি সৃষ্টি কৰিব নোৱাৰিব। এনে কাৰ্যকলাপ/বক্তব্যত প্ৰতিবন্ধকতা আৰোপ কৰা হৈছে বিভিন্ন আইনৰ বৱস্থাৰ অধীনত। যেনে— পাব্লিক আইন ১৯৫১ৰ ধাৰা ১২৫, ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১৫৩(ক), ১৫৩(খ), ১৭(গ), ২৯৫(ক) আৰু ৫০৫(২) আৰু ধৰ্মীয় প্ৰতিষ্ঠান (অপব্যৱহাৰৰ প্ৰতিৰোধ) আইন ১৯৮৮ৰ।

(ii) কোনো ব্যক্তিয়ে আনৰ ব্যক্তিগত জীৱনকলৈ আক্ৰমণ তথা মন্তব্য প্ৰকাশ কৰাৰ দৰে কাৰ্যকলাপ সংঘটিত কৰিব নোৱাৰিব। ইয়ে এজন ব্যক্তিৰ নৈতিকতাকে ধৰি বিভিন্ন ক্ষেত্ৰত আঘাত কৰিব পাৰে।

(iii) কোনো ব্যক্তি আৰু সংগঠনে ৰাজহুৱা কাৰ্যসূচী অনুমতি বিচাৰিলে তেওঁলোকে উল্লিখত নিৰ্দেশনা মানি চলিম বুলি ঘোষণা কৰিব লাগিব।

(iv) এনে লোক আৰু সংগঠনৰ কাৰ্যসূচীসমূহ ভিডিঅ'গ্ৰাফীৰ জৰিয়তে সূক্ষ্ম নিৰীক্ষণ কৰা হ'ব। যদি কোনোবাই উল্লিখত নিৰ্দেশনামসূহক উলংঘন কৰি উচটনি দিয়ে তেতিয়া এনে সকলো ঘটনাক লৈ সংশ্লিষ্ট ৰাজ্য আৰু জিলা কৰ্তৃপক্ষই সঠিক আইন আৰু নিৰ্দেশক বৰ্তাই ৰাখি পৰ্যাপ্ত ব্যৱস্থা গ্ৰহণ কৰিব। পিছলৈ জিলা প্ৰশাসনে এনে ব্যক্তি, যিসকলে নিৰ্দেশনা উলংঘন কৰিছে তেনে লোকক পৰৱৰ্তী সময়ত নিৰ্বাচনক লৈ তেনেধৰণৰ কাৰ্যসূচী আয়োজন কৰাৰ অনুমতি নিদিব।

(v) যদি কাৰ্যসূচীবোৰ কোনো বিশেষ প্ৰাৰ্থীৰ বাবে নিৰ্বাচনী প্ৰচাৰক লৈ আয়োজন কৰা হৈছে তেনে কাৰ্যসূচীৰ ব্যয় আৰু পৰিমাণ সন্দৰ্ভত সংশ্লিষ্ট প্ৰাৰ্থীয়ে লিখিতভাৱে জিলা নিৰ্বাচন বিষয়াৰ হাতত ৪৮ ঘণ্টাৰ ভিতৰত প্ৰদান কৰিব লাগিব। ভাৰতীয় দণ্ডবিধি ধাৰা ৭ৰ অধীনত এই প্ৰয়োজন আছে। যিকোনো উলংঘনক অপৰাধ হিচাপে লৈ সংশ্লিষ্ট ব্যক্তিৰ বিৰুদ্ধে গ্ৰহণ কৰিব।

*******

## অধ্যায়-৪

# আদৰ্শ বিধি বলৱৎক লৈ নিৰ্বাচন আয়োগৰ দ্বাৰা বিশেষ পদক্ষেপ গ্ৰহণ

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ**

- কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ পৰা প্ৰাপ্ত মানদণ্ডজনক আদৰ্শ বিধি প্ৰক্ৰিয়াকৰণৰ প্ৰসংগ
  - √ বদলি/নিৰ্বাচন সম্পৰ্কীয় চৰকাৰী বিষয়াৰ নিযুক্তি
  - √ নিৰ্বাচন ঘোষণাৰ সৈতে আদৰ্শ বিধি বলৱৎকৰণ
  - √ কেন্দ্ৰীয় চৰকাৰলৈ নিৰ্দেশনা
  - √ ৰাজ্য চৰকাৰলৈ নিৰ্দেশনা
- ৰাজনৈতিক দল আৰু প্ৰাৰ্থীলৈ পৰামৰ্শ
- ৰাজনৈতিক দল আৰু প্ৰাৰ্থীয়ে নিৰ্বাচনত অনুকৰণ কৰিবলগীয়া আৰু নকৰিবলগীয়া

### ৪.১ পাতনি

প্ৰতিটো সাধাৰণ নিৰ্বাচনৰ সময়তে নিৰ্বাচন আয়োগে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰলৈ যিকোনো মুখ্য বিত্তীয় অভিযান অথবা যিকোনো উন্নয়নমূলক আঁচনি/প্ৰকল্প ঘোষণা কৰাৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰে নিৰ্দেশনা জাৰি কৰে। যাতে ৰাজনৈতিক দলৰ কাৰণে নিৰ্বাচনী ক্ষেত্ৰখনত অৱতীৰ্ণ হোৱাৰ ক্ষেত্ৰত পৰিৱেশ বিনষ্ট নহয়।

### ৪.২ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ পৰা প্ৰাপ্ত মানদণ্ডজনক আদৰ্শ বিধি প্ৰক্ৰিয়াকৰণৰ প্ৰসংগ

**৪.২.১ বদলি/নিৰ্বাচন সম্পৰ্কীয় চৰকাৰী বিষয়াৰ নিযুক্তি ঃ** এখন ৰাজ্যত সাধাৰণ নিৰ্বাচনৰ কাৰণে প্ৰক্ৰিয়া আৰম্ভক প্ৰাধান্য দি নিৰ্বাচন আয়োগে বদলি/চৰকাৰী বিষয়াক নিযুক্তিৰ ক্ষেত্ৰত বিতং নিৰ্দেশনা জাৰি কৰে। এই নিৰ্দেশনা অনুসৰি ৰাজ্য চৰকাৰক চৰকাৰী বিষয়াসমূহক বিশেষকৈ আৰক্ষী বিষয়া যিসকলে নিজৰ গৃহ জিলা অথবা একেটা অঞ্চলতে ৩ বছৰ কাৰ্যকাল সম্পূৰ্ণ কৰিছে/সম্পূৰ্ণ কৰি কাৰ্যনিৰ্বাহ কৰি আছে সেই বিষয়াসকলক বদলি কৰিব। এখন জিলাত ৪ বছৰ ধৰি কাৰ্যনিৰ্বাহ কৰা বিষয়াসকলকো বদলি কৰাৰ নিৰ্দেশনা থাকে। (বিতং নিৰ্দেশনাৰ কাৰণে প্ৰসংগ অধ্যায়-১৯ আদৰ্শ বিধি আৰু চৰকাৰী বিষয়া)

**৪.২.২ নিৰ্বাচন ঘোষণাৰ সৈতে আদৰ্শ বিধি বলৱৎকৰণ ঃ** আদৰ্শ বিধিৰ বিষয়টোক

লৈ নিৰ্বাচন আয়োগে কেন্দ্ৰীয় চৰকাৰ/ ৰাজ্য চৰকাৰ আৰু নিৰ্বাচন আয়োগৰ মাজত এটা স্পষ্ট প্ৰ'টকল গঠন কৰে। নিৰ্বাচন আয়োগৰ দ্বাৰা নিৰ্বাচন কাৰ্যসূচীৰ প্ৰেছ বিজ্ঞপ্তি এটা লগে লগে নিৰ্দেশনাসহ কেবিনেট সচিব, ভাৰত চৰকাৰ আৰু সংশ্লিষ্ট ৰাজ্যসমূহৰ মুখ্য সচিবলৈ প্ৰেৰণ কৰে। যাতে এই নিৰ্দেশনাৱলী সন্দৰ্ভত আদৰ্শবিধি শীঘ্ৰেই বলৱৎকৰণৰ ব্যৱস্থা গ্ৰহণ কৰে।

৪.২.৩ নিৰ্বাচন আয়োগে স্পষ্ট কৰিছে যে—

(i) নিৰ্বাচন আয়োগৰ দ্বাৰাহে আদৰ্শ বিধি সম্পৰ্কীয় নিৰ্দেশনাসমূহ জাৰি কৰিব।

(ii) মুদ্ৰানীতি বিষয়ৰ ওপৰত আৰ বি আইয়ে সিদ্ধান্ত অব্যাহত ৰাখিব।

(iii) নীতি ঘোষণা, বিত্তীয় পৰিস্থিতি, কৰ সম্পৰ্কীয় বিষয় আৰু আন বিত্তীয় সাহায্য সন্দৰ্ভত কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয় আৰু আন মন্ত্ৰালয়ে ঘোষণা কৰাৰ পূৰ্বে নিৰ্বাচন আয়োগৰ সঠিক অনুমতি লোৱাৰ আৱশ্যক হ'ব।

৪.২.৪ **কেন্দ্ৰীয় চৰকাৰলৈ নিৰ্দেশনা ঃ** সুসমন্বয়ৰ কাৰণে নিৰ্বাচন আয়োগে কেবিনেট সচিবক নিৰ্দেশনা দিয়ে যে—

(i) কেন্দ্ৰীয় চৰকাৰৰ প্ৰসংগৰ যিকোনো প্ৰস্তাৱ এটি কেবিনেট অথবা কোনো কেবিনেট কমিটীত উত্থাপন কৰাৰ পূৰ্বে এই বিষয়টো কেবিনেট ছেক্ৰেটেৰিয়টৰ জৰিয়তে যোৱা উচিত। ইয়াৰ উৰ্থ এয়ে যে মন্ত্ৰালয়ৰ দ্বাৰা নিৰ্বাচন আয়োগক এই বিষয়ক লৈ কোনো নিৰ্দেশনা দিয়া নহ'ব।

(ii) বিভাগসমূহ, ছাব-অৰ্ডিনেট কাৰ্যালয়, চৰকাৰৰ অধীনস্থ ৰাজহুৱা খণ্ড, মন্ত্ৰালয়/বিভাগৰ স্বতন্ত্ৰ সংস্থাৰ প্ৰসংগসমূহ সংশ্লিষ্ট মন্ত্ৰালয়ৰ জৰিয়তে নিৰ্বাচন আয়োগলৈ যাব। এই প্ৰসংগসমূহৰ প্ৰক্ৰিয়াক লৈ অতি কমেও ৪৮ ঘণ্টাৰ সময়ৰ প্ৰয়োজন হ'ব নিৰ্বাচন আয়োগক। গতিকে মন্ত্ৰালয়/ বিভাগসমূহে সঠিক সময়ত প্ৰসংগসমূহ অনুমোদনৰ বাবে প্ৰেৰণ কৰিব লগিব।

(iii) কেবিনেট ছেক্ৰেটেৰিয়েতে এগৰাকী মাণ্ডলিক বিষয়া মনোনীত কৰিব, যিয়ে নিৰ্বাচন আয়োগৰ সৈতে উক্ত প্ৰসংগক লৈ যোগাযোগ কৰিব।

৪.২.৫ ২০১৭চনত অনুষ্ঠিত উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচনৰ সময়, নিৰ্বাচন আয়োগে উত্থাপন কৰিছিল যে মন্ত্ৰালয়/বিভাগসমূহ বিশেষকৈ নীটি আয়োগ, প্ৰতিৰক্ষা মন্ত্ৰালয় আৰু বিত্ত মন্ত্ৰালয়ে সিদ্ধান্ত লৈছিল, যাৰ জৰিয়তে নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসমূহত নিৰ্বাচনী ক্ষেত্ৰখনত অৰাজক প্ৰভাৱ এটা পৰিছিল আৰু

এই বিষয়টো নিৰ্বাচন আয়োগক অৱগত নকৰাকৈ কৰা হৈছিল। নিৰ্বাচন আয়োগে এই বিষয়টোক লৈ উদ্বিগ্নতা প্ৰকাশ কৰিছিল আৰু কেবিনেট সচিবলৈ নিৰ্বাচন আয়োগে নিৰ্দেশনা দি এই নিৰ্দেশনাসমূহ ভাৰত চৰকাৰৰ মন্ত্ৰালয়/বিভাগলৈ জাৰি কৰি আয়োগৰ নিৰ্দেশনা কঠোৰভাৱে পালন কৰিবলৈ জনাইছিল আৰু যেতিয়াই প্ৰয়োজন হয় তেতিয়াই সঠিক সময়ত ইয়াৰ ব্যৱস্থা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিছিল।

৪.২.৬ **ৰাজ্য চৰকাৰসমূহলৈ নিৰ্দেশনা ঃ** একেদৰে নিৰ্বাচন ঘোষণাৰ পাছতেই নিৰ্বাচন আয়োগে ৰাজ্যচৰকাৰসমূহক নিৰ্দেশনা জাৰি কৰি মুখ্য সচিবৰ নেতৃত্বত সচিব/সমন্বয় বিভাগৰ প্ৰধান সচিব। সাধৰণ প্ৰশাসন বিভাগ আৰু বিভিন্ন বিভাগৰ সচিব আৰু প্ৰধান সচিবক লৈ ষ্ক্ৰিনিং কমিটী গঠন কৰি সেই প্ৰস্তাৱ নিৰ্বাচন আয়োগলৈ অনুমোদনৰ বাবে প্ৰেৰণৰ নিৰ্দেশ দিয়ে। নিৰ্বাচন আয়োগৰ দ্বাৰা বিশেষ মন্তব্যসহ ষ্ক্ৰিনিং কমিটী প্ৰস্তাৱটিক লৈ সংশ্লিষ্ট নিৰ্বাচনী বিষয়া দায়বদ্ধ। সংশ্লিষ্ট বিভাগে প্ৰকৃত ফাইল মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়লৈ পঠিয়াব নোৱাৰে, ষ্ক্ৰিনিং কমিটীৰ জৰিয়তেহে তেনে প্ৰাসংগিক বিষয়সমূহ পঠিয়াব। মুখ্য নিৰ্বাচনী বিষয়াই নিৰ্বাচন আয়োগলৈ কোনো প্ৰসংগ পঠিয়াব নোৱাৰে। যি বিষয়সমূহত স্পষ্টকৈ নিৰ্দেশনা দিয়া আছে।

## ৪.৩. ৰাজনৈতিক দল আৰু প্ৰাৰ্থীলৈ পৰামৰ্শ

৪.৩.১ ৰাজনৈতিক দল আৰু প্ৰাৰ্থীয়ে সকলো ধৰণৰ ব্যক্তিগত জীৱনৰ ঘটনাক সমালোচনা পৰা আঁতৰি থাকিবৰ কাৰণে আদৰ্শ বিধিত উল্লেখ কৰা আছে। আন দলৰ নেতা তথা কৰ্মীৰ ৰাজহুৱা কাৰ্যকলাপৰ সৈতে সম্পৰ্ক নথকা কোনো ধৰণৰ ব্যক্তিগত জীৱনৰ কথাৰ পৰা আঁতৰি থাকিব লাগিব। বিভিন্ন জাতি, সম্প্ৰদায়, ধাৰ্মিক অথবা ভাষীক সম্প্ৰদায়ৰ মাজত ঘৃণা বা উত্তেজনামূলক পৰিস্থিতিৰ সৃষ্টি কৰিব পৰা যিকোনো আগ্ৰাসী মন্তব্য বা কাৰ্যকলাপ দল বা প্ৰাৰ্থীয়ে কৰাৰ পৰা বিৰত থাকিব লাগিব। ভোট ভিক্ষাৰ সময়ত জাতি অথবা সম্প্ৰদায়িক মনোভাৱসম্পন্ন আহ্বান কৰিব নোৱাৰিব।

৪.৩.২ নিৰ্বাচনী প্ৰচাৰৰ সময়ত উচ্চমান বৰ্তাই ৰাখিবলৈ ৰাজনৈতিক দলসমূহলৈ সময়ে সময়ে নিৰ্বাচন আয়োগে সাধাৰণ পৰমৰ্শমূলক জাননী জাৰি কৰি থকে। নিৰ্বাচন আয়োগে কোনো উলংঘনৰ ঘটনা প্ৰত্যক্ষ কৰাৰ পাছতেই গভীৰভাৱে এই উলংঘনৰ ওপৰত মত প্ৰকাশ কৰি উলংঘনৰ ঘটনাত জড়িত ৰাজনৈতিক কৰ্মকৰ্তাৰ বিৰুদ্ধে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

(i) ২০০৪ সাধাৰণ নিৰ্বাচনৰ সময়ত উত্তৰ প্ৰদেশৰ এগৰাকী বিজেপি নেতাই শাড়ী বিতৰণৰ অভিযোগৰ কাৰণে নিৰ্বাচন আয়োগে গভীৰ অসন্তুষ্টি প্ৰকাশ কৰিছিল আৰু ৰাজ্য প্ৰশাসনক ভাৰতীয় দণ্ডবিধি ধাৰা ১৭১(খ)ৰ আধাৰত উল্লিখিত নেতাগৰাকীৰ বিৰুদ্ধে অপৰাধী প্ৰক্ৰিয়া গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছিল। একেদৰে ২০০৫ চনৰ বিহাৰ বিধানসভা নিৰ্বাচনত কেন্দ্ৰীয় ৰে'ল মন্ত্ৰীৰ বিৰুদ্ধেও ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। যিগৰাকী মন্ত্ৰীয়ে একাংশ ভোটাৰক টকা বিতৰণৰ আলোকচিত্ৰ ছপা আৰু বৈদ্যুতিন মাধ্যমত প্ৰচাৰ হৈছিল।

(ii) ৰাজস্থান, মধ্য প্ৰদেশ আৰু ছত্তিশগড়ৰ ২০১৩চনৰ সাধাৰণ নিৰ্বাচনৰ সময়ত নিৰ্বাচন আয়োগে গভীৰ ক্ষোভ প্ৰকাশ কৰিছিল। ৰাজ্যকেইখনত সংঘটিত ৰাজনৈতিক অৰাজকতাৰ বাবে ক্ষোভ প্ৰকাশ কৰি নিৰ্বাচন আয়োগে আদৰ্শবিধি বাৰম্বাৰ উলংঘন কৰাৰ বাবে ৰাজনৈতিক দলসমূহক জাননী জাৰি কৰিছিল। তেনেদৰে ২০১৩ চনত কৰ্ণাটকৰ বিধানসবা নিৰ্বাচনৰ সময়ত বেলগ্ৰামত বক্তিগত কাৰ্যসূচীত অংশ লৈ আপত্তিজনক মন্তব্য কৰাৰ বাবে মহাৰাষ্ট্ৰ চৰকাৰৰ গৃহমন্ত্ৰী নিৰ্বাচন আয়োগৰ অসন্তুষ্টিৰ সন্মুখীন হৈছিল।

(iii) ২০১৪ চনৰ সধাৰণ নিৰ্বাচনৰ সময়ত নিৰ্বাচন আয়েগে তেতিয়াৰ ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি আৰু উত্তৰ প্ৰদেশৰ সমাজবাদী পাৰ্টী চৰকাৰৰ এজন কেবিনেট মন্ত্ৰীয়ে উত্তেজনামূলক মন্তব্যৰে উচটনি দিয়া বিষয়টি সূক্ষ্মভাৱে নিৰীক্ষণ কৰিছিল। ধৰ্মীয় ভিত্তিত পৃথক ধাৰ্মিক সম্প্ৰদায়ৰ মাজত উল্লিখিত বক্তি দুজনৰ মাজত হোৱা বাক-বিতণ্ডাই সমাজত ঘৃণা আৰু শংকাময় পৰিৱেশৰ সৃষ্টি কৰিছিল। উক্ত বিষয়টোক গভীৰভাৱে লৈ নিৰ্বাচন আয়োগে ৰাজ্য চৰকাৰক উক্ত ব্যক্তিকেইজনৰ বিৰুদ্ধে পদক্ষেপ গ্ৰহণ কৰি এফ আই আৰ দাখিল কৰিবলৈ নিৰ্দেশ দিছিল আৰু তেওঁলোকক কোনো ৰাজহুৱা সভা, ৰাজহুৱা সমদল, ৰাজহুৱা সমাগম, ৰোড শ্ব' আদিত অংশ গ্ৰহণ কৰাত অনুমতি নিদিবলৈ নিৰ্দেশ দিছিল। আদৰ্শবিধি উলংঘনৰ সীমা চেৰাই যোৱা দুয়োগৰাকীৰ বিৰুদ্ধে নিৰ্বাচন আয়োগে নিষেধজ্ঞা জাৰি কৰিছিল। বিজেপিৰ সভাপতিগৰাকীয়ে পৰৱৰ্তী সময়ত চৰ্তবিহীন ক্ষমা প্ৰাৰ্থনা প্ৰেৰণ কৰিছিল। গতিকে তাৰ বাবেই নিৰ্বাচন আয়োগে তেওঁক দ্বিতীয়টো

সুযোগ দিছিল আৰু ৰাজ্য চৰকাৰ প্ৰশাসনে ৰাজহুৱা সভা আদি অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত অনুমতি দিছিল। আনপিনে উল্লেখিত ৰাজ্যিক মন্ত্ৰীজনে ক্ষমা আবেদন প্ৰেৰণ নকৰাৰ পৰিপ্ৰেক্ষিতত ৰাজহুৱা সভা নিষিদ্ধ কৰি ৰাখিছিল সমগ্ৰ নিৰ্বাচনৰ সময়ছোৱাত।

(iv) একেই সাধাৰণ নিৰ্বাচনত ঝাৰখণ্ডৰ বিকাশ মৰ্চাৰ এজন নেতা তথা প্ৰাৰ্থীক নিৰ্বাচন আয়োগে আদৰ্শবিধি উলংঘনৰ কৰণে সকীয়নি জাননী জাৰি কৰিছিল। ঝাৰখণ্ডৰ ডুমকাৰ সকলো গীৰ্জালৈ নিৰ্বাচনত সমৰ্থন বিচাৰি তেওঁ লিখিত আবেদন বিচাৰিছিল।

(v) তেনেদৰে ২০১৫ চনত বিহাৰ বিধনসভা নিৰ্বাচনৰ লগতে সাধাৰণ নিৰ্বাচনৰ সময়ছোৱাত তেতিয়াৰ জনতা দল ইউনাইটেডৰ সভাপতি আৰু বিজেপিৰ তাৰকা প্ৰচাৰকক নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত আদৰ্শবিধি ব্যৱস্থাক উলংঘন কৰাৰ বাবে সকীয়নি দিয়া হৈছিল।

(vi) ২০১৭ চনত উত্তৰ প্ৰদেশ বিধানসভা সাধাৰণ নিৰ্বাচনৰ সময়ত এগৰাকী বিজেপিৰ সাংসদে কৰা মন্তব্যৰ বাবে পৃথক শ্ৰেণী সমাজৰ ধৰ্মীয় ভেটিত ব্যঘাত জন্মোৱাৰ বাবেই নিৰ্বাচন আয়োগে তেওঁক নিষিদ্ধ কৰিছিল।

৪.৩.৩ ২০১৭ চনত নিৰ্বাচন আয়োগে সকলো স্বাকৃতিপ্ৰাপ্ত ৰাজনৈতিক দললৈ পত্ৰ বিতৰণ কৰি কৈছিল যে তেওঁলোক নিৰৱ দৰ্শক হৈ নাথাকে আৰু যিকোনো উলংঘনৰ বাবে তেওঁলোকৰ অধীনত থকা ক্ষমতাৰ জৰিয়তে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব (পৰিশিষ্ট-IV)। ৰাজনৈতিক/নিৰ্বাচনী প্ৰক্ৰিয়াৰ ৰাজনৈতিক দলসমূহে আয়োজন কৰা বৈঠকসমূহ ভিডিঅ'গ্ৰাফীৰ জৰিয়তে নিৰীক্ষণ কৰিবলৈ নিৰ্বাচন আয়োগে সকলো ৰাজ্য চৰকাৰক নিৰ্দেশনা জাৰি কৰিছিল। পাব্লিক আইন-১৯৫১ৰ ধাৰা ৭৭(১) ব্যৱস্থা অনুসৰি ৰাজনৈতিক দলসমূহৰ তাৰকা প্ৰচাৰকৰ প্ৰচাৰসমূহ নিৰীক্ষণ কৰিবলৈ নিৰ্বাচন আয়োগে জাননী জাৰি কৰিছিল।

## ৪.৪ ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসমূহে নিৰ্বাচনী প্ৰক্ৰিয়াত অনুকৰণ কৰিবলগীয়া আৰু নকৰিবলগীয়া

৪.৪.১ নিৰ্বাচনী প্ৰক্ৰিয়া ঘোষণা কৰাৰ পৰা সমাপন নোহোৱালৈকে ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসমূহে অনুকৰণ কৰিবলগীয়া নকৰিবলগীয়া তালিকা এখন নিৰ্বাচন আয়োগে প্ৰচাৰ কৰিছে। নিৰ্বাচন আয়োগে এই তালিকাখন ৰাজ্য চৰকাৰৰ চৰকাৰী ভাষাত বহলৰূপত প্ৰচাৰ কৰা আৰু এই বিষয়টো প্ৰাৰ্থী আৰু ৰাজনৈতিক দলসমূহক দৃষ্টিগোচৰ কৰাত গুৰুত্ব দিয়ে (পৰিশিষ্ট-V)।

৪.৪.২ এইটো নিশ্চিতকৈ স্পষ্ট কৰি দিয়া হৈছে ৰাজনৈতিক দলসমূহে কৰিবলগীয়া আৰু নকৰিবলগীয়াৰ তালিকাখন তেওঁলোকে কেৱল অংকন কৰিব। ইয়াক কোনোধৰণে নিজে সজাই-পৰাই ল'ব নোৱাৰিব। এই তালিকাখন কঠোৰভাৱে নিৰীক্ষণ কৰাৰ লগতে অনুকৰণ কৰিব লাগিব।

(এ) **কৰিবলগীয়া**

(i) নিৰ্বাচনী ক্ষেত্ৰ, ৰাজহুৱা স্থান যেনে ময়দান আৰু হেলিপেড সকলো দল/প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীলৈ পক্ষপাতহীনভাৱে উপলবধ হৈ থকাটো নিশ্চিত হ'ব।

(ii) নিৰ্বাচনৰ সময়ত আন ৰাজনৈতিক দল অথবা প্ৰাৰ্থীক সমালোচনাৰ ক্ষেত্ৰত প্ৰতিবন্ধকতা থাকিব। অৱশ্যে তেওঁলোকৰ নীতি কাৰ্যসূচী অতীত কৰ্মাৱলী আৰু কাৰ্যক সমালোচনা কৰিব পাৰিব।

(iii) প্ৰত্যেক ব্যক্তিৰ কাৰণে শান্তিপূৰ্ণ আৰু হাৰাশান্তি নোহোৱাকৈ ঘৰুৱা জীৱন শান্তিপূৰ্ণকৈ সুৰক্ষিত ৰখাৰ অধিকাৰ থাকিব।

(iv) প্ৰস্তাৱিত সভাৰ স্থান, সময়কলৈ স্থানীয় আৰক্ষী প্ৰশাসন সম্পূৰ্ণকৈ জ্ঞাত থাকিব লাগিব। সঠিক সময়ত দলসমূহে প্ৰয়োজনীয় অনুমতি ল'ব লাগিব।

(v) প্ৰতিবন্ধকতা অথবা নিষেধাজ্ঞা নিৰ্দেশ বলৱৎ থাকিব, যদি কোনো প্ৰস্তাৱিত সভাৰ স্থানত এনে নিৰ্দেশনা থাকে তেন্তে ইয়াক সম্পূৰ্ণকৈ সন্মান আৰু ৰেহাই দিয়া, যদি আৱশ্যক হয় তেতিয়াহ'লে সঠিক সময়ত আবেদন কৰি তাত সভা অনুষ্ঠিত কৰিব লাগিব।

(vi) প্ৰস্তাৱিত সভাৰ বাবে লাউডস্পীকাৰ অথবা তেনে সুবিধাৰ ব্যৱহাৰৰ বাবে অনুমতি ল'বই লাগিব।

(vii) সভাত বাধা প্ৰদান কৰা অথবা অশান্তিৰ সৃষ্টি কৰোঁতা যিকোনো ব্যক্তিৰ সৈতে মোকাবিলা কৰিবলৈ আৰক্ষীৰ উপস্থিতি লাগিব।

(viii) কোনো সমদল উলিওৱা স্থান আৰু সময় আৰু কোন পথেদি এই সমদলৰ আৰম্ভণি হৈ সমাপ্ত হ'ব আগতীয়াকৈ চূড়ান্ত কৰিব লাগিব আৰু আৰক্ষী কৰ্তৃপক্ষৰ পৰা সঠিক অনুমতি ল'ব লাগিব।

(ix) সমদল উলিওৱা পথৰ স্থানীয় যান-বাহন নিয়ম আৰু প্ৰতিবন্ধকতাৰ নিৰ্দেশ সম্পূৰ্ণভাৱে মানিব লাগিব।

(x) যান-বাহনৰ বিঘ্নিত নোহোৱাকৈ সমদল আগবাঢ়িব লাগিব।

(xi) সকলো নিৰ্বাচনী বিষয়াই শান্তিপূৰ্ণ আৰু নিৰ্দেশিত নিৰ্বাচন নিশ্চিত কৰাৰ ক্ষেত্ৰত সমন্বয় ৰক্ষা কৰিব লাগিব।

(xii) নিৰ্বাচনী প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰা সকলো ৰাজনৈতিক দলৰ কৰ্মীয়ে পৰিচয় পত্ৰ অথবা বেজ প্ৰদৰ্শন কৰিব লাগিব।

(xiii) বগা কাগজত বেচৰকাৰী আইডেণ্টিটি শ্লিপ ভোটাৰক ইচ্ছু কৰা হ'ব। এই শ্লিপত কোনো চিহ্ন-দলৰ নাম আৰু প্ৰাৰ্থীৰ নাম নাথাকিব।

(xiv) নিৰ্বাচনী প্ৰচাৰৰ সময়ত যান-বাহন চলাচলৰ ওপৰত প্ৰতিবন্ধকতা আৰু ভোট গ্ৰহণৰ দিনা সম্পূৰ্ণকৈ মানিব লাগিব।

(xv) নিৰ্বাচন পৰিচালনাৰ প্ৰসংগক লৈ যিকোনো অভিযোগ অথবা সমস্যা নিৰ্বাচন আয়োগৰ নিৰীক্ষক/ৰিৰ্টাণিং বিষয়া (মাণ্ডলিক/ ছেক্টৰ দণ্ডাধীশ/ মুখ্য নিৰ্বাচনী বিষয়া/ভাৰতৰ নিৰ্বাচন আয়োগক জনাব পাৰিব।

(xvi) নিৰ্বাচন আয়োগ/ৰিৰ্টাণিং বিষয়া/জিলা নিৰ্বাচন বিষয়াৰ নিৰ্দেশনা/ আদেশকে ধৰি নিৰ্বাচনৰ সকলো বিষয় কঠোৰভাৱে সংযুক্ত হৈ থাকিব।

(xvii) যদি কোনো ব্যক্তি এজন ভোটাৰ অথবা এজন প্ৰাৰ্থী অথবা প্ৰাৰ্থীৰ নিৰ্বাচন এজেণ্ট হয়, তেতিয়াহ'লে সমষ্টিৰ পৰা প্ৰচাৰৰ সময়সীমা অতিক্ৰম কৰাৰ পিছত সমষ্টিটো এৰিব পাৰিব।

(xviii) ৰাজনৈতিক দলসমূহে এদিনত কোনো ব্যক্তি/ কোম্পানী আদিক নগদ ১০,০০০ টকা আদায় নকৰাটো নিশ্চিত কৰিব লাগিব।

(ক) বেংকৰ দ্বাৰা সেৱা আগবঢ়াব নোৱাৰিলে এখন গাঁও বা চহৰত এই আদায় দিব পাৰিব।

(খ) এই আদায় কোনো কৰ্মচাৰী অথবা দলৰ কৰ্মকৰ্তাক দৰমহা, পেঞ্চন অথবা ব্যয় বৃদ্ধিৰ ক্ষেত্ৰত কৰিব পাৰিব।

(গ) কোনো পৰিস্থিতিৰ অধীনত নগদ আদায় প্ৰয়োজন।

**(বি) নকৰিবলগীয়া**

(i) প্ৰচাৰ/নিৰ্বাচনী প্ৰক্ৰিয়াত কোনো চৰকাৰী কাম সংমিশ্ৰণ নকৰিব। ভোটাৰক প্ৰলোভন, বিত্তীয় অথবা আন প্ৰস্তাৱ আগনবঢ়াব।

(ii) ভোটাৰক জাতি/সাম্প্ৰদায়িক মনোভাৱসম্পন্ন আহ্বান নজনাব।

(iii) পৃথক জাতি/সম্প্ৰদায়/ধৰ্মীয়/ভাষিক গোটৰ মাজত ঘৃণা সৃষ্টি কৰা অথবা উত্তেজনাৰ কাৰণ হোৱা আগ্ৰাসী মনোভাৱসম্পন্ন কাৰ্যকলাপ নকৰিব।

(iv) আন দলৰ নেতা বা কৰ্মীৰ বিৰুদ্ধে ব্যক্তিগত জীৱনক লৈ সমালোচনা নকৰিব, যিটো মন্তব্যৰ লগত ৰাজহুৱা কাৰ্যকলাপৰ সম্পৰ্ক নাই।

(v) প্ৰমাণবিহীন অভিযোগ আৰু বিভ্ৰাত আধাৰত আন দল অথবা দলৰ কৰ্মীক সমালোচনা নকৰিব।

(vi) নিৰ্বাচনী প্ৰচাৰৰ বাবে মন্দিৰ/মছজিদ/গীৰ্জা/গুৰুদ্বাৰ অথবা কোনো ধৰ্মীয় স্থান ব্যৱহাৰ নকৰিব। এই প্ৰতিষ্ঠানসমূহত কোনো মন্তব্য, পোষ্টাৰ, সংগীত আদি অথবা নিৰ্বাচনী প্ৰক্ৰিয়াক সাঙুৰি নল'ব।

(vii) কাৰ্যকলাপ বিশেষকৈ যিবোৰ অবৈধ কাৰ্যকলাপ অথবা নিৰ্বাচনী অপৰাধ হিচাপে গণ্য কৰা হৈছে উৎকোচ, অবাঞ্চিত প্ৰভাৱ, ভোটাৰৰ ছদ্মবেশ, পুলিং ষ্টেচনৰ এশ মিটাৰৰ ভিতৰত প্ৰচাৰ, নিৰ্বাচনী প্ৰচাৰ শেষ হোৱাৰ পাচত ৪৮ ঘণ্টাৰ সময়ছোৱাত ৰাজহুৱা সভা পতা আদিত নিষেধাজ্ঞা।

(vii) কোনো ব্যক্তিয়ে কৰা কাৰ্যকলাপ অথবা মতৰ বিৰুদ্ধে সেই ব্যক্তিগৰাকীৰ বাসগৃহত প্ৰতিবাদ অথবা ধৰ্ণা বাৰণ কৰা হৈছে।

(viii) নিৰ্বাচনৰ বিশুদ্ধতা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত স্বচ্ছতা বৰ্তাই ৰাখিবলৈ ৰাজনৈতিক দলসমূহক নগদ ধনৰ লেনদেন এৰাই চলাৰ পৰামৰ্শ আৰু দলৰ কাৰ্যাধ্যক্ষ, বিষয়া, এজেণ্ট আৰু প্ৰাৰ্থীক নিৰ্বাচনৰ সময়ত বৃহৎ পৰিমাণৰ ধন লগত নাৰাখিবলৈ নিৰ্দেশ দিয়া আছে।

(ix) আন দলৰ অথবা প্ৰাৰ্থীৰ দ্বাৰা আয়োজিতৰাজহুৱা সভা অথবা সমদলত কোনো বাধাৰ সৃষ্টি নকৰিব।

(x) আন দলৰ ৰাজহুৱা সভা থকা স্থানত সমদল উলিয়াব নোৱাৰিব।

xi) ক্ষেপণাস্ত্ৰ অথবা অস্ত্ৰৰ ৰূপত অপব্যৱহাৰ কৰিবলৈ সক্ষম হোৱা কোনো সামগ্ৰী সমদলত কঢ়িয়াব নোৱাৰি।

(xii) আন দল আৰু প্ৰাৰ্থীৰ দ্বাৰা লগোৱা পোষ্টাৰ আঁতৰ কৰা অথবা নষ্ট কৰিব নোৱাৰিব।

(xiii) নিৰ্বাচনৰ দিনা আইডেণ্টিটি শ্লিপ বিতৰণৰ সময়ত অথবা পুলিং বুথৰ সমীপৰ স্থানত পোষ্টাৰ, পতাকা, প্ৰতীক চিহ্ন তথা কোনো প্ৰচাৰ কৰিব পৰা সামগ্ৰী প্ৰদৰ্শন কৰিব নোৱাৰিব।

(xiv) নিশা ১০ বজাৰ পৰা পুৱা ৬ বজালৈকে লাউডস্পীকাৰ, আনকি চলন্ত বাহনতো উচ্চস্বৰত সংগীত বজাব নোৱাৰিব।

(xv) সংশ্লিষ্ট কৰ্তৃপক্ষৰ সঠিক লিখিত অনুমতি অহিবহনে ৰাজহুৱা সভা আৰু

সমদলত লাউডস্পীকাৰ ব্যৱহাৰ কৰিব নোৱাৰিব। নিশাৰ ১০ বজাৰ পাছত স্বাভাৱিকভাৱে এনে ৰাজহুৱা সভা আৰু সমদলত অনুমতি দিয়া নহ'ব। আৰু স্থানীয় আইন, অঞ্চলটোৰ নিৰাপত্তা ব্যৱস্থা আৰু বতৰৰ পৰিস্থিতি, উৎসৱৰ সময়, পৰীক্ষাৰ সময় আদিৰ প্ৰতি লক্ষ্য ৰাখি লাউড স্পীকাৰত নিষেধাজ্ঞা।

(xvi) নিৰ্বাচনৰ সময়ত কোনো সুৰা বিতৰণ কৰিব নোৱাৰিব।

********

## অধ্যায়-৫

# নতুন আঁচনি ঘোষণা- বিত্তীয় প্ৰশাসনিক বিষয়ত প্ৰতিবন্ধকতা

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ**

- একত্ৰিত নিয়মাৱলী
- বাৰ্ষিক বাজেট দাখিল
- বিত্তীয় অনুদান/ ক্ষতিপূৰণ/ সাহায্য/ ৰাজসাহায্য ঘোষণা
- এমপি/এমএলএ এলএডিএছৰ বিধিবদ্ধ পুঁজি বাহিৰৰ অনুদান
- বিধিবদ্ধ প্ৰয়োজনীয়তাৰ নিয়মীয়া বিত্তীয় বিষয়ত অনুমতি
- ৰাজ্য চৰকাৰৰ বিত্তীয় প্ৰতিষ্ঠানৰ দ্বাৰা বেয়া ঋণ আৰু পুনৰ উদ্ধাৰ বন্ধ
- তদৰ্থ নিযুক্তিত প্ৰতিবন্ধকতা
- অনান্য প্ৰশাসনিক সিদ্ধান্তৰ ওপৰত তাৎক্ষণিক প্ৰতিবন্ধকতা

### ৫.১ ভূমিকা

৫.১.১ নিৰ্বাচনৰ ঘোষণাৰ পাচত আদৰ্শবিধিয়ে নতুন আঁচনি/প্ৰকল্প আৰু নতুন সাহায্য অনুদানত প্ৰতিবন্ধকতা দিয়ে। নিৰ্বাচন আয়োগে মন্ত্ৰীসকল আৰু অন্যান্য কৰ্তৃপক্ষক নিম্নল্লিখিত কাৰ্যবোৰ নকৰিবলৈ নিৰ্দেশ দিয়ে—

√ যিকোনো আৰ্হিত কোনো বিত্তীয় অনুদান ঘোষণা অথবা

√ প্ৰতিশ্ৰুতি দিয়া অথবা

√ প্ৰকল্প অথবা আঁচনিকে ধৰি যিকোনো কামৰ আধাৰশিলা স্থাপন অথবা পথ নিৰ্মাণ, খোৱা পানীৰ সুবিধা প্ৰদানৰ কোনো প্ৰতিশ্ৰুতি আদি

যিবোৰে ক্ষমতাত থকা দলৰ সমৰ্থনত গৈ ভোটাৰক অনুপ্ৰাণিত কৰাৰ প্ৰভাৱ থাকে।

৫.১.২ ১৯৯৩ চনত তদানীন্তন মুখ্যমন্ত্ৰীৰ দ্বাৰা নতুন উন্নয়নমূলক আঁচনি ঘোষণা কৰি আদৰ্শ বিধি উলংঘনৰ বাবে হাৰিয়ানা বিধানসভা সমষ্টিৰ সকলো উপ-নিৰ্বাচন নিৰ্বাচন আয়োগে বাতিল কৰিছিল। প্ৰায় সমান্তৰালকৈ নিৰ্বাচন আয়োগে ৰাজ্যখনৰ তদানীন্তন মুখ্যমন্ত্ৰীৰ দ্বাৰা আদৰ্শ বিধি উলংঘন কৰি নতুন আঁচনি ঘোষণা কৰাৰ বাবে তামিলনাডুৰ ৰাণীপুৰ বিধান সভা সমষ্টিৰো উপ-নিৰ্বাচন বাতিল কৰিছিল।

৫.১.৩ নিৰ্বাচন ঘোষণা কৰাৰ ৭২ ঘণ্টাৰ ভিতৰতে নিৰ্বাচন আয়োগে ৰাজ্যসমূহৰ মুখ্য

নির্বাচনী বিষয়াক ইতিমধ্যে আৰম্ভ হোৱা কাম আৰু নতুনকৈ আৰম্ভ হ'বলগীয়া কাম সন্দৰ্ভত এখন তালিকা প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়ে যাতে এই কামবোৰৰ দ্বাৰা আদৰ্শ বিধি উলংঘনৰ কোনো আপত্তি নাহে।

৫.১.৪ এইবোৰ আদৰ্শ বিধি নতুন আঁচনিবোৰৰ লগতে চলিত আঁচনিবোৰত সমান্তৰালভাৱে বলৱৎ হয়। কিন্তু আচৰণ বিধি বলৱতে ৰাজহুৱা ব্যৱহাৰযোগ্য আঁচনি যিবোৰে সম্পূৰ্ণ হোৱাৰ পথত আছে সেইবোৰক বাহাল ৰখাৰ ক্ষেত্ৰতো ৰেহাই নিদিয়ে। এই ধৰণৰ আঁচনিবোৰ আৰম্ভ কৰিব পাৰিব অসামৰিক কৰ্তৃপক্ষৰ দ্বাৰা কোনো ধৰণৰ অনুষ্ঠান কিম্বা ৰাজহুৱা কাৰ্যসূচী অনুষ্ঠিত নকৰাকৈ ইয়াত কোনো ধৰণৰ ৰাজনৈতিক কাৰ্যকৰ্তা জড়িত থাকিব নোৱাৰিব। অৱশ্যে সাধাৰণ অংশ গ্ৰহণকাৰী হিচাপে ৰাজনৈতিক কাৰ্যকৰ্তা উপস্থিত থাকিব পাৰিব। কেৰালত ১৯৯৪ চনৰ মাৰ্চ-এপ্ৰিলত অনষ্ঠিত উপ-নিবাচনত নিৰ্বাচন আয়োগৰ নিৰ্দেশনাত কেৰালাৰ ত্ৰিছুৰ আৰু গুৰুৱায়ুৰ মাজত নতুন ৰে'লপথ প্ৰধানমন্ত্ৰীৰ দ্বাৰা শুভাৰম্ভ কৰাৰ কথা আছিল যদিও পাছলৈ ৰে'লৰে বিভাগৰ বিষয়া আৰু ৰাজ্যচৰকাৰৰ দ্বাৰা সেই ৰে'লপথটি শুভাৰাম্ভ কৰা হৈছিল। একেদৰে ২০১৮চনত কৰ্ণাটকৰ বিধানসভা নিৰ্বাচনৰ সময়ত কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ প্ৰতিৰক্ষা মন্ত্ৰীয়ে বাঙ্গালুৰ প্ৰকল্পত মুখ্য অতিথি হিচাপে প্ৰস্তাৱিত কাৰ্যসূচীত অংশ গ্ৰহণ কৰাৰ কথা আছিল আৰু বাঙ্গালুৰুত স্থাপিত প্ৰথম মেট্ৰ' ৰে'ল কলকাতা মেট্ৰ' ৰে'ল নিগমৰ অধ্যক্ষৰ হাতত অৰ্পণ কৰাৰ কথা আছিল। নিৰ্বাচন আয়োগে মন্ত্ৰালয়ক এগৰাকী আমোলা বিষয়াক কাৰ্যসূচীত নিমন্ত্ৰণ কৰিবলৈ নিৰ্দেশ দিছিল।

৫.১.৫ সম্পূৰ্ণ হোৱা কামৰ কাৰণে ধন আদায়ৰ আৰশ্যকৰ ক্ষেত্ৰত পুঁজি মুকলিৰ ক্ষেত্ৰত কোনো আপত্তি নাই। তাৎক্ষণিকভাৱে ২০১৩চনত কৰ্ণাটক বিধানসভাৰ সাধাৰণ নিৰ্বাচনত প্ৰধানমন্ত্ৰী নিশ্চিত নিয়োগ কাৰ্যসূচীৰ অধীনত আঁচনিৰ নিয়মাৱলী অনুসৰি কেন্দ্ৰীয় ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ বিভাগে কৰ্ণাটক চৰকাৰলৈ ২৬ কোটি টকা ৰাজসাহায্য মুকলি কৰিবলৈ অনুমতি দিছিল। অৱশ্যে এই পুঁজি মুকলি কৰাৰ ক্ষেত্ৰত কোনো ৰাজহুৱা প্ৰচাৰ কৰাটো বাৰণ আছিল। তেনেদৰে কেন্দ্ৰীয় চৰকাৰক ৰাজ্যখনলৈ ১৫ কোটি টকা অনুদান 'বাৰ্ষিক পৰিকল্পনা ২০১২-১৩ৰ কাৰণে এবাৰৰ বাবে অতিৰিক্ত কেন্দ্ৰীয় সাহায্য' অধীনত ৰাজহুৱা প্ৰচাৰ অবিহনে মুকলি কৰাত অনুমতি দিছিল।

## ৫.২ একত্ৰিত নিয়মাৱলী

৫.২.১ ২০০৯ চনত লোকসভাৰ সাধাৰণ নিৰ্বাচন আৰু কেইবাখন ৰাজ্যৰ বিধানসভা

নিৰ্বাচনৰ সময়ত কেইখনমান ৰাজ্য চৰকাৰে মানৱীয়তাৰ খাতিৰত নিৰ্দেশনা শিথিল কৰাৰ বাবে নিৰ্বাচন আয়োগক জনোৱা আহ্বানৰ পৰিপ্ৰেক্ষিতত আয়োগে বাহাল কৰা নিৰ্দেশনা পুনৰীক্ষণ কৰি কিছু সাল-সলনিৰে একত্ৰিত নিয়মাৱলী জাৰি কৰিছিল। ২০০৯ চনৰ ৫ মাৰ্চত (পৰিশিষ্ট-VI)। এইবোৰ নিৰ্দেশাৱলী তলত বিতং আলোচনা কৰা হৈছে।

**বিত্তীয় বিষয়**

(i) আদৰ্শ বিধি সম্পৰ্কৃত নিৰ্দেশনা কেৱল নিৰ্বাচন আয়োগে জাৰি কৰিব।

(ii) কেবিনেট ছেক্ৰেটেৰিয়েট অথবা আন কোনো চৰকাৰী সংস্থাই নিৰ্বাচন আয়োগৰ নিৰ্দেশনাসমূহ পালন কৰিব লাগিব।

(iii) কেবিনেট ছেক্ৰেটেৰিয়েটৰ জৰিয়তে ভাৰত চৰকাৰৰ পৰা সকলো প্ৰসংগ নিৰ্বাচন আয়োগলৈ যাব ।

(iv) সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ প্ৰসংগসমূহো একেদৰে ৰাজ চৰকাৰখনৰ মুখ্য নিৰ্বাচন বিষয়াৰ জৰিয়তে নিৰ্বাচন আয়োগলৈ যাব। এই ক্ষেত্ৰত স্ক্ৰিনিং কমিটীৰ পৰা অনুমোদন হৈ আহিব লাগিব।

(v) মুদ্ৰানীতিৰ বিষয়ক লৈ নিৰ্বিঘ্নে আৰ বি আইয়ে সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিব।

(vi) কোনো নীতি ঘোষণা, বিত্তীয় পৰিস্থিতি, কৰ সম্পৰ্কীয় বিষয় আৰু আন কোনো বিত্তীয় সাহায্য ঘোষণাৰ পূৰ্বে বিত্ত মন্ত্ৰালয়ে নিৰ্বাচন আয়োগৰ পৰা সঠিক অনুমোদন ল'ব লাগিব। একেদৰে অন্যান্য মন্ত্ৰালয় আৰু বিভাগসমূহেও কোনো সাহায্য অথবা লাভ ঘোষণাৰ পূৰ্বে নিৰ্বাচন আয়োগৰ পৰা অনুমতি ল'ব লাগিব।

(vii) নিৰ্বাচন আয়োগৰ প্ৰসংগ অবিহনে নিম্নল্লিখিত বাহাল থকা কাম চৰকাৰৰ সংস্থাসমূহে অব্যাহত ৰাখিব পাৰিব।

(ক) সকলো প্ৰয়োজনীয় অনুমোদনৰ পাছত আৰম্ভ হোৱা কাম-প্ৰকল্পসমূহ

(খ) আদৰ্শবিধি বলৱৎ হোৱাৰ পূৰ্বে বিশেষ হিতাধিকাৰীৰ নাম চিনাক্ত হোৱা হিতাধিকাৰী-প্ৰকল্পসমূহ।

(গ) এমএনৰেগাৰ পঞ্জীভুক্ত হিতাধিকাৰীক চলিত প্ৰকল্পৰ অধীনত সাঙুৰি লোৱা হ'ব। এমএনৰেগাৰ অধীনত নতুন প্ৰকল্পসমূহত আইনৰ অধীনত ইতিমধ্যে পঞ্জীভুক্ত হিতাধিকাৰী আৰু

ইতিমধ্যে সকলো নীতি-নিয়ম মানি অনুমোদন হৈ থকা প্ৰকল্পসমূহ বাহাল থাকিব।

(ঘ) বিত্ত বিভাগৰ দ্বাৰা পদ্ধতিগতভাৱে অনুমোদিত যিকোনো কামৰ সম্পূৰ্ণ অংশৰ বাবে পুঁজি মুকলিৰ ক্ষেত্ৰত কোনো বাধা নাথাকিব।

(ঙ) নিৰ্বাচন আয়োগৰ প্ৰসংগ অবিহনে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি/ প্ৰধানমন্ত্ৰী সাহায্য পুঁজিৰ পৰা চিকিৎসালয়লৈ প্ৰত্যক্ষ আদায়, ৰোগী (হিতাধিকাৰী)ক নগদ ধন আদায় দিয়াটো অনুমতিৰ যোগ।

(viii) নিম্নলিখিত ধৰণৰ নতুন কাম (যিবোৰে হিতাধিকাৰী অথবা কৰ্মভিত্তিক)। আদৰ্শ বিধি বলৱৎ হোৱাৰ পূৰ্বে যদি সকলো চৰ্ত সম্পূৰ্ণ হৈছে তেতিয়াহ'লে নিৰ্বাচন আয়োগৰ অধীনত থাকিব। (যদি কিবা কাৰণত কোনো চৰ্ত সম্পূৰ্ণ হোৱা নাই, নিৰ্বাচন আয়োগৰ পৰা সঠিক অনুমতি ল'ব লাগিব।

(ক) পূৰ্ণাংগ পুঁজি সংযুক্ত কৰা হ'ব।

(খ) প্ৰশাসনিক, কাৰিকৰী আৰু বিত্তীয় অনুমোদন পাব।

(গ) নিবিদা চলিব, মূল্যায়ণকৃত আৰু প্ৰদান কৰিব।

(ঘ) নিৰ্ধাৰিত সময়ৰ ভিতৰত যদি ঠিকাভিত্তিক কামবোৰ আৰম্ভ আৰু সমাপ্ত হৈছে। এই ক্ষেত্ৰত ঠিকাদাৰৰ ওপৰত কোনো জৰিমণা ব্যৱস্থা নাথাকে।

(ঙ) নিৰ্বাচন আয়োগৰ ছত্ৰছায়াত দুৰ্যোগৰ সময়ত ক্ষতিগ্ৰস্ত ব্যক্তিসকলৰ ক্ষেত্ৰত জৰুৰীকালীন সাহায্যক কৰ্ম আৰু ব্যৱস্থা গ্ৰহণ কৰিব।

ix) নিম্নলিখিত ধৰণৰ কাৰ্যকলাপৰ বাবে নিৰ্বাচন আয়োগৰ পৰ্যাপ্ত অনুমতি লাগিব।

(ক) যিকোনো ধৰণৰ বিধিবদ্ধ পুঁজিৰ পৰা নতুন কাম আৰু প্ৰকল্প ল'ব নোৱাৰিব (বিধিবদ্ধ পুঁজি ধাৰণাটো হৈছে বাজেটত সধাৰণভাৱে প্ৰদান কৰা আৰু আদৰ্শবিধি বলৱৎ হোৱাৰ পূৰ্বে চিনাক্ত বা অনুমোদন নোহোৱা প্ৰকল্পৰ ক্ষেত্ৰত এই পুঁজি ব্যৱহাৰ কৰিব নোৱাৰিব)।

(খ) বিৰ্পযষ্ট ৰাজহুৱা খণ্ডৰ অধীনস্থ, চৰকাৰী উদ্যোগ পুনৰ নিৰ্মাণ (যিকোনো নীতিৰ সিদ্ধান্ত)ৰ কাৰণে প্ৰস্তাৱ।

(গ) যদি আদৰ্শ বিধিৰ বলৱৎৰ সময়ত বাৰ্ষিক নিবিদাৰ সময়ো হয় তথাপিও নতুনকৈ সুৰাৰ দোকানৰ নিবিদা আদি অনুষ্ঠিত কৰিবন নোৱাৰিব। য'ত প্ৰয়োজন চৰকাৰে আইনৰ অধীনত অন্তৰৰ্তীকালীন ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

(ঘ) কোনো চলিত প্ৰকল্প অথবা আঁচনি অথবা কাৰ্যসূচীৰ সীমা প্ৰসাৰণ কৰিব নোৱাৰিব।

(ঙ) চৰকাৰে কোনো প্ৰতিষ্ঠান ব্যক্তিগতই হওক অথবা উদ্যোগে হওক কাকোৰে ভূমি আৱণ্টন দিব নোৱাৰিব।

(চ) বুজাবুৰি চুক্তি (এম অ' ইউ) অথবা কোনো চুক্তি স্বাক্ষৰ কৰিব নোৱাৰিব। এনে কৰিব লাগিলে চৰকাৰী পক্ষই নিৰ্বাচন আয়োগৰ পৰা পৰ্যাপ্ত অনুমতি ল'বন লাগিব।

(ছ) নিবিদা, আন্তৰ্জাতিক নিবিদা যিবোৰ ইতিমধ্যে প্ৰক্ৰিয়াত আছে কিন্তু চূড়ান্ত হোৱা নাই। যিবোৰ প্ৰক্ৰিয়াত নাই, প্ৰক্ৰিয়াত নাযাব নিৰ্বাচন আয়োগৰ অনুমতি অবিহনে।

(জ) নিৰ্বাচন আয়োগৰ পৰ্যাপ্ত অনুমতি লোৱাৰ পাছত আন্তৰ্জাতিক পৰ্যায়ৰ দ্বাৰা চলি থকা কাম কিম্বা কাৰ্যসূচী সম্পূৰ্ণ কৰিব পাৰিব।

(ঝ) নিৰ্বাচন আয়োগৰ জ্ঞাতসাৰে দুৰ্যোগত ক্ষতিগ্ৰস্ত হোৱা লোকসকললৈ চলিত হাৰত কিম্বা পৰিমাণত একালীন সাহায্য আৰু ক্ষতিপূৰণ সাহায্য বলৱৎ থাকিব। এই সাহায্য আদায়ক ক্ষেত্ৰত কোনো পৰিমাণ বৃদ্ধি কৰিব নোৱাৰিব আৰু নিৰ্ধাৰিত পৰিমাণতেই যোগান ধৰিব। অৱশ্যে নিৰ্বাচন আয়োগৰ পৰ্যাপ্ত অনুমতি নোহোৱাকৈ চলিত হাৰ আৰু পৰিমাণত প্ৰদান কৰিব পাৰিব।

(ঞ) নিৰ্বাচন আয়োগৰ অনুমতি সাপেক্ষে প্ৰাকৃতিক দুৰ্যোগৰ প্ৰভাৱ বিশেষকৈ মথাউৰি মেৰামতি, ৰাটাৰ চেনেল আদিৰ কাম নতুন হ'লেও প্ৰয়োজনীয় হোৱাত প্ৰতিৰোধমূলক পদক্ষেপ হিচাপে এই কাম কৰিব পাৰিব।

(ট) নিৰ্বাচন আয়োগৰ পৰ্যাপ্ত অনুমতি অবিহনে কোনো এটা অঞ্চলক খৰাং অথবা বান বিধ্বস্ত অথবা কোনো দুৰ্যোগ বিধ্বস্ত অঞ্চল হিচাপে ঘোষণা কৰিব নোৱাৰিব। আনপিনে ইতিমধ্যে ঘোষিত দুৰ্যোগ বিধ্বস্ত অঞ্চলৰ সীমাও নিৰ্বাচন আয়োগৰ পৰ্যাপ্ত অনুমোদনৰ অবিহনে প্ৰসাৰণ কৰিব নোৱাৰিব।

(ঠ) একেদৰে মুখমন্ত্ৰী সাহায্য পুঁজি/প্ৰধানমন্ত্ৰী সাহায্য পুঁজিৰ কোনো নিৰ্বাচিত সাহায্য কোনো গোট বা ব্যক্তিলৈ দিবলৈ হ'লে নিৰ্বাচন আয়োগৰ পৰ্যাপ্ত অনুমাদৰ প্ৰয়োজন হ'ব।

x) ইতিমধ্যে প্ৰক্ৰিয়াত থকা আন্তৰ্জাতিক নিবিদাৰ মূল্যায়ংকন কৰাৰ লগতে চূড়ান্ত কৰিব পাৰিব। কোনো বিশেষ কাৰণৰ কাৰণে যিকোনো সময়সীমা নিৰ্ধাৰণ কৰিব পাৰিব। আন্তৰ্জাতিক নিবিদাৰ বাবে বাকী নিবিদাত যিবোৰ প্ৰক্ৰিয়া সম্পৰ্ণ হৈছে সেইবোৰ মূল্যায়ংকৰ কৰিব পাৰিব, কিন্তু নিৰ্বাচন আয়োগৰ পৰ্যাপ্ত অনুমোদন অবিহনে চূড়ান্ত কৰিব নোৱাৰিব। যদি সেইবোৰ প্ৰক্ৰিয়াত নাই তেতিয়াহ'লে সেইবোৰ নিৰ্বাচন আয়োগৰ পৰ্যাপ্ত অনুমোদন অবিহনে প্ৰক্ৰিয়ালৈ আনিব নোৱাৰিব।

xi) কোনো কাম (কোনো সাহায্য কাম) অথবা উন্নয়নমূলক কাৰ্যকলাপ আৰম্ভ কৰিব পাৰিব কিন্তু কোনো আনুষ্ঠানিকতা থাকিব নালাগিব, ৰাজনৈতিক কাৰ্যকৰ্তা জড়িত থাকিব নালাগিব। ভাল কাম, স্বাভাৱিক কাম আৰু ৰাজহুৱা প্ৰচাৰ নকৰাকৈ অতি কমসংখ্যক চৰকাৰী কৰ্মচাৰীৰ উপস্থিতিত এই কাম আৰম্ভ কৰিব পাৰিব।

xii) ইউ পি এছ চি, ৰাজ্যিক অসামৰিক সেৱা আয়োগ অথবা ষ্টাফ ছেলেক্সন কমিছন অথবা আন কোনো বিধিবদ্ধ কৰ্তৃপক্ষই নিয়মীয়া নিযুক্তি অথবা সংস্থাপন অথবা পদোন্নতি অব্যাহত ৰাখিব পাৰিব। অনা বিধিবদ্ধ সংস্থাৰ জৰিয়তে নিযুক্তিৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগৰ পৰ্যাপ্ত সন্মতি ল'ব লাগিব।

৫.২.২ সাধাৰণ নিৰ্বাচনৰ ক্ষেত্ৰতো এই নিৰ্দেশনাবোৰ আৰশ্যক সংযোগ আৰু স্পষ্টতাৰে জাৰি কৰা হৈছে।

## ৫.৩ বাৰ্ষিক বাজেট দাখিল

৫.৩.১ প্ৰতিষ্ঠিত পৰম্পৰা অনুসৰি দেশত এটা বিত্তীয় বৰ্ষৰ কাৰণে ফেব্ৰুৱাৰী মাহত সংসদত কেন্দ্ৰীয় বাজেট দাখিল কৰা হয়। নিৰ্বাচন আয়োগ, ৰাজ্যৰ বিধানসভাতকৈ পৃথক, বাৰ্ষিক বাজেট দাখিলৰ কাৰণে এইক্ষেত্ৰত আয়োগৰ লগত নিৰ্ধাৰিত

ব্যৱস্থা জড়িত হৈ নাথাকে। অৱশ্যে ২০০৯ চনৰ সাধাৰণ নিৰ্বাচনৰ সময়ত নিৰ্বাচন আয়োগে সকলো ৰাজ্যলৈ পৰামৰ্শমূলক জাননী জাৰি কৰিছিল। (পৰিশিষ্ট-VII)

৫.৩.২ এই বিষয়ত স্পষ্ট আৰু বিশেষ নিয়মাৱলীৰ অনুপস্থিতিৰ বাবে পৃথক পৃথক নিৰ্বাচনৰ সময়ত পৃথক পৃথক মত গ্ৰহণ কৰা হয়। অতীতত বিভিন্ন সময়ত বাৰ্ষিক বাজেট দাখিলত বিলম্ব হৈছিল। ২০০০ চনৰ জানুৱাৰীত নিৰ্বাচন আয়োগে বিহাৰ আৰু ওড়িশাৰ বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰিছিল। বিহাৰ বিধানসভাৰ অধিবেশন নিৰ্বাচন ঘোষণাৰ পৰ্বে আহ্বান জনোৱা হৈছিল আৰু সেই অধিৱেশন ২০০০চনৰ ১০ জানুৱাৰীত নিৰ্ধাৰিত কৰা হৈছিল। এই অধিৱেশনৰ সময়তে ৰাজ্যৰ বাজেট দাখিল কৰিবলগীয়া আছিল। অৱশ্যে নিশাটোৰ ভিতৰতেই ৰাজ্য চৰকাৰে বাজেট দাখিলৰ সিদ্ধান্ত বাতিল কৰি অধিৱেশনত লেখানুদান বিচাৰিছিল। আনকি ৰাজ্যখনৰ ৰাজ্যপালে অধিৱেশনৰ উদ্বোধনীৰ দিনা পৰম্পৰাগত ভাষণো বন্ধ ৰাখিছিল, এই কাৰণেই যে ৰাজ্য চৰকাৰৰ বিগত বৰ্ষৰ কৃতিত্ব অথবা পৰৱৰ্তী বৰ্ষত গ্ৰহণ কৰিবলগীয়া নতুন আঁচনি কিম্বা কল্যাণমূলক পদক্ষেপৰ ঘোষণাৰ পৰা যাতে বিৰত থাকিব পাৰে।

৫.৩.৩ কিছু ঘটনাত ৰাজ্য চৰকাৰসমূহ আনকি সংসদেও পূৰ্ণাংগ বাজেট দাখিলৰ পৰৱৰ্তে কেৱল ৩-৪ মাহৰ লেখানুদান বিচাৰিছিল।

৫.৩.৪ ২০১৭চনৰ জানুৱাৰী-মাৰ্চ মাহৰ উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, পঞ্জাব, মণিপুৰ আৰু গোৱাৰ বিধানসভা নিৰ্বাচনৰ সময়ত নিৰ্বাচন আয়োগে কেন্দ্ৰীয় চৰকাৰক বাজেট দাখিল কৰিবলৈ অনুমতি দিছিল। এই ক্ষেত্ৰত নিৰ্বাচন আয়োগে নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসমূহলৈ বিশেষ আঁচনি কেন্দ্ৰীয় বাজেটত ঘোষণা নকৰিবলৈ নিৰ্দেশ দিছিল যাতে নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া পাঁচখন ৰাজ্যত শাসকীয় দলৰ পক্ষত অথবা বাজেট ভাষণত উল্লিখিত পাঁচ ৰাজ্যত কেন্দ্ৰীয় চৰকাৰৰ কৃতিত্ব প্ৰতিফলিত নহয়। নিৰ্বাচন আয়োগে পত্ৰ নং ৪৩৭/৬/আ এন এছ টি/২০০৯-চিচি এণ্ড বি ই তাৰিখ ৯ মাৰ্চ ২০০৯ যোগে নিৰ্দেশনা দি কেন্দ্ৰীয় চৰকাৰৰ পৰা আশাব্যক্ত কৰিছিল আৰু বাজেট দাখিলৰ সময়ত চৰকাৰৰ মতক নিৰীক্ষণ কৰিছিল। (পৰিশিষ্ট-VII)। তেনেদৰে ২০১৮ চনৰ মেঘালয়, নাগালেণ্ড আৰু ত্ৰিপুৰাৰ বিধানসভা নিৰ্বাচনৰ সময়ত কেন্দ্ৰীয় চৰকাৰক বাজেট দাখিল কৰিবলৈ নিৰ্বাচন আয়োগে অনুমতি দিছিল আৰু সম্পৰ্কীয় কাৰ্যসূচী আকাশবাণী যোগে প্ৰচাৰৰ অনুমতি দিছিল।

## ৫.৪. বিত্তীয় অনুদান/ক্ষতিপূৰণ/সাহায্য/ৰাজসাহায্য ঘোষণা

৫.৪.১ মানৱশিষ্ট আৰু প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে ক্ষতিগ্ৰস্তৰ আৱশ্যকতাৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচন আয়োগে মানৱীয় দৃষ্টি গ্ৰহণ কৰে। খৰাং, বানপানী আন প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্তৰ কাৰণে জৰুৰীকালীন মোকাবিলাৰ বাবে অথবা বয়োজ্যেষ্ঠৰ কাৰণে কল্যাণমূলক কাম আদিৰ ক্ষেত্ৰত সাহায্য যোগান ধৰাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা আঁচনিত অনুমোদনত নিৰ্বাচন আয়োগে প্ৰত্যাক্ষান নকৰে। এই বিষয়সমূহত অৱশ্যে নিৰ্বাচন আয়োগৰ পৰা পৰ্যাপ্ত অনুমোদন ল'ব লাগিব আৰু সকলোৰে ক্ষেত্ৰত বিস্তৃত্ব কাৰ্যসূচীৰ পৰা আঁতৰি থাকিব লাগিব। এনে কল্যাণমূলক কাম অথবা সাহায্য অথবা পুনঃসংস্থাপনৰ কামত চৰকাৰীন কাৰ্যালয়ে এই কথাত গুৰুত্ব দিব লাগিব, যাতে এনে কামবোৰে ক্ষমতাত থকা দলে ভোটাৰক উৎসাহিত কৰিব নোৱাৰে।

৫.৪.২ নিৰ্বাচন আয়োগে দিয়া নিৰ্দেশ (পৰিশিষ্ট-VI)

(i) চলিত হাৰ আৰু পৰিমাণত প্ৰাকৃতিক দুযোগত ক্ষতিগ্ৰস্ত লোকসকললৈ প্ৰত্যক্ষভাৱে এককালীন অনুদান আৰু ক্ষতিপূৰণ সাহায্য প্ৰদান কৰিব পাৰিব। অৱশ্যে নিৰ্বাচন আয়োগৰ এই তথ্য অৱগত হ'ব লাগিব। নিৰ্বাচন আয়োগৰ পৰ্যাপ্ত অনুমতি অবিহনে বলৱৎ হৈ থকা চলিত হাৰ পৰিমাণ আৰু পৰিমাণ সলনি কৰিব নোৱাৰিব।

(ii) প্ৰধানমন্ত্ৰী/মুখ্যমন্ত্ৰী সাহায্য পুঁজি মুকলি কৰাৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগৰ কোনো আপত্তি নাই। সংশ্লিষ্ট চৰকাৰী বিষয়া 'সংশ্লিষ্ট ব্যক্তিগত হস্পিতালৰ মুৰব্বী দ্বাৰা নিৰ্ধাৰিত কৰা হিতাধিকাৰী/ৰোগীক প্ৰধানমন্ত্ৰী/মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা হস্পিতাললৈ প্ৰত্যক্ষ আদায় দিব পাৰিব। ব্যক্তিগত ৰোগীলৈ নগদ ধন প্ৰদানো নিৰ্বাচন আয়োগৰ অনুমতিযোগ্য।

(iii) নিৰ্বাচন আয়োগৰ জ্ঞাতসাৰে দুৰ্যোগত ক্ষতিগ্ৰস্ত ব্যক্তিসকলৰ কাৰণে জৰুৰী সাহায্য কাম আৰু ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

(iv) নিৰ্বাচন আয়োগৰ সঠিক অনুমতি লৈ প্ৰাকৃতিক দুৰ্যোগত ক্ষতি গ্ৰস্ত যেনে— মথাউৰি মেৰামতি, ৰাটাৰ চেনেল আদি আৱশ্যকীয় নতুন কামবোৰ প্ৰতিৰোধী ব্যৱস্থা গ্ৰহণেৰে আৰম্ভ কৰিব পাৰে ।

(v) নিৰ্বাচন আয়োগৰ পৰ্যাপ্ত অনুমতি অবিহনে কোনো এটা অঞ্চলক খৰাং অথবা বান বিধ্বস্ত অথবা কোনো দুৰ্যোগ বিধ্বস্ত অঞ্চল হিচাপে ঘোষণা

কৰিব নোৱাৰিব। আনপিনে ইতিমধ্যে ঘোষিত দুৰ্যোগ বিধ্বস্ত অঞ্চলৰ সীমাও নিৰ্বাচন আয়োগৰ পৰ্যাপ্ত অনুমোদনৰ অবিহনে প্ৰসাৰণ কৰিব নোৱাৰিব।

(vi) একেদৰে মুখমন্ত্ৰী সাহায্য পুঁজি/প্ৰধানমন্ত্ৰী সাহায্য পুঁজিৰ কোনো নিৰ্বাচিত সাহায্য কোনো গোট বা ব্যক্তিলৈ দিবলৈ হ'লে নিৰ্বাচন আয়োগৰ পৰ্যাপ্ত অনুমাদৰ প্ৰয়োজন হ'ব।

(vii) মন্ত্ৰীবৰ্গ আৰু আন কৰ্তৃপক্ষ বিধিগত পুঁজিৰ বাহিৰে অনুদান অনুমোদন/আদায় দিব নোৱাৰিব।

৫.৪.৩ খৰাংপীড়িত অঞ্চলৰ সাহায্য কৰ্ম ৰূপায়ন— ২০০৪ চনৰ সাধাৰণ নিৰ্বাচনত নিৰ্বাচন আয়োগে ‘খৰাংপীড়িত অঞ্চল হিচাপে ঘোষিত অঞ্চলত সাহায্য কৰ্ম ৰূপায়নৰ বাবে অনুমতি দিয়া মডেলিটী ঃ (পৰিশিষ্ট-VIII)

(i) কেন্দ্ৰীয় চৰকাৰৰ দুৰ্যোগ সাহায্য পুঁজিৰ ব্যৱস্থাপনাৰ নিয়মৱলীৰ অধীনত ইতিমধ্যে ঘোষিত ‘খৰাংপীড়িত’ অঞ্চলতহে শীঘ্ৰে সাহায্য ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে ৰাজ্য চৰকাৰে খৰাং সাহায্য কৰ্ম আৰম্ভ কৰিব পাৰে। নিৰ্বাচন ঘোষণাৰ পাছত ইতিমধ্যে তালিকাভুক্ত খৰাংপীড়িত অঞ্চলৰ বাবে নতুন কোনো অঞ্চল অন্তৰ্ভুক্ত কৰিব নোৱাৰিব। কোনো অতিৰিক্ত অঞ্চল/গাঁও তালিকাত অন্তৰ্ভুক্ত কৰিব লাগিলে নিৰ্বাচন আয়োগৰ পৰ্যাপ্ত সন্মতি লাগিব। অৱশ্যে ইয়াৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰৰ দুৰ্যোগ সাহায্য পুঁজি/ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ অধীনত সকলো পৰ্যায় অনুসৰি সেই অঞ্চলটোক ‘খৰাংপীড়িত’ হিচাপে চিহ্নিত কৰিব লাগিব।

(ii) ‘খৰাংপীড়িত’ হিচাপে ঘোষিত অঞ্চলক শীঘ্ৰে সাহায্য যোগান ধৰিববলৈ হ'লে নিৰ্বাচন আয়োগে প্ৰাদেশীকৃত ভিত্তিত নিম্নলিখিত ব্যৱস্থাত অনুমোদন জনাইছে।

(ক) পানীৰ টেংকাৰৰ জৰিয়তে খোৱাপানী যোগানৰ ব্যৱস্থা।

(খ) পানীৰ নাটনি থকা অঞ্চলৰ শুকাই যোৱা গভীৰ নলী-নাদ অথবা কুঁৱা খন্দা।

(গ) দুৰ্যোগ সাহায্য পুঁজি আঁচনিৰ নিৰ্দ্ধাৰিত ব্যৱস্থাৰ অধীনত যিসকলে কামৰ কাৰণে ওলাই যাব নোৱাৰে আৰু সহায় অহিনে একো কৰিব নোৱাৰে তেনে লোকৰ মাজত চাউল, আটা নিৰ্ধাৰিত হাৰত বিতৰণৰ ব্যৱস্থা।

(ঘ) পশু-পক্ষীৰ কাৰণে খাদ্য আৰু যোগান।

(ঙ) যি অঞ্চলত চলিত কাম সম্পূৰ্ণ হৈছে সেই অঞ্চলত মজুৰিপ্ৰাপ্ত কৰ্মচাৰীৰ কাৰণে নতুন কাম (কামৰ কাৰণে আহাৰ আদি)

(iii) চৰকাৰৰ কোনো মন্ত্ৰী অথবা ৰাজনৈতিক কাৰ্যকৰ্তাই খৰাং সাহায্য অভিযান ব্যৱস্থাপনাত কোনো ক্ষমতা, নিৰীক্ষক বা আন পন্থাৰে জড়িত হৈ থাকিব নোৱাৰিব।

(iv) নিৰ্বাচিত জনপ্ৰতিনিধি আৰু কোনো পৰ্যায়ৰ বেচৰকাৰী লোক জড়িত নকৰাকৈ বিভাগ, জিলা আৰু তালুক/উপ-জিলা প্ৰশাসনৰ দ্বাৰা সমগ্ৰ সাহায্য অভিযান চলাব লাগিব।

## ৫.৫ এমপি/এমএলএ এলএডিএছৰ বিধিবদ্ধ পুঁজি বাহিৰৰ অনুদান

৫.৫.১ সংসদীয় সমষ্টি উন্নয়ন পুঁজি (এমপি এলএডি) আঁচনিৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ *ভীম সিং বনাম ভাৰত চৰকাৰ আৰু অন্যান্য* গোচৰত এই আঁচনিৰ সাংবিধানিক বৈধতাক লৈ প্ৰশ্ন উত্থাপন হৈছিল। সৰ্বোচ্চ ন্যায়ালয়ত এই কথা উচ্চাৰিত হৈছিল যে আঁচনিয়ে সাংসদগৰাকীক তেওঁৰ সমষ্টিত পুঁজি ব্যৱহাৰেৰে তেওঁৰ সমৰ্থনত ভোটাৰক অনুপ্ৰাণিত কৰাৰ সুযোগ লাভ কৰে। অৱশ্যে উচ্চতম ন্যায়ালয়ে এই মন্তব্যক প্ৰত্যাখ্যান কৰিছিল আৰু এমপি এলএডি পুঁজি পাব্লিক আইন ১৯৫১ আৰু নিৰ্বাচন আয়োগৰ নীতি-নিয়মৰ ব্যৱস্থাৰ মাজতেই সাংসদগৰাকীয়ে ব্যয় কৰা বুলি ন্যায়ালয়ে নিৰীক্ষণ কৰিছিল। এই সম্পৰ্কত নিৰ্বাচন আয়োগে নিৰ্দেশনা দিছে যে আদৰ্শ বিধি বলৱৎ হৈ থকাৰ সময়ত এমপি এলএডিৰ আঁচনিৰ অধীনত কোনো নতুন আঁচনি অনুমোদন জনাব নোৱাৰে। আনকি এই আঁচনিৰ অধীনত ইতিমধ্যে যিবোৰ কাম অনুমোদন জনোৱা হৈছে অথবা স্থানত আৰম্ভ কৰা হোৱা নাই সেইধৰণৰ কামো আচৰণ বিধি ঘোষণাৰ পিছত কৰাত বাধা আছে আৰু নিৰ্বাচন শেষ হোৱাৰ পাছততহে সেই সম্পূৰ্ণ কৰিব পাৰিব।

৫.৫.২ নিম্নলিখিত প্ৰতিবন্ধকতাৰ মাজেৰে এমপি এলএডি আঁচনিৰ অধীনত পুঁজি মুকলি (পৰিশিষ্ট-IX)

(i) এমপি এলএডিৰ (ৰাজ্যসভাৰ সদস্যও অন্তৰ্ভুক্ত) অধীনত কোনো নতুন পুঁজি মুকলি নহ'ব। পুঁজি দেশৰ কোনো অংশত পুঁজি মুকলি হ'ব, য'ত নিৰ্বাচন প্ৰগতিত আছে। একেদৰে এমএলএ/এমএলচি এলএডিৰ অধীনত কোনো নতুন পুঁজি মুকলি নহ'ব। পুঁজি মুকলি হ'ব যদি তেনে কোনো আঁচনি চলি আছে নিৰ্বাচন প্ৰক্ৰিয়া সমাপ্ত হোৱালৈকে।

(ii) আদৰ্শ বিধি বলৱৎ হোৱাৰ পাছত স্থানত যদি কোনো কাম আৰম্ভ হোৱা নাই তেতিয়াহ'লে সেই কাম আৰম্ভ কৰিব পৰা নাযাব। যদিওবা সেই কামৰ নিৰ্দেশ দিয়া হৈছে। এই কামবোৰ নিৰ্বাচনী প্ৰক্ৰিয়া সমাপন হোৱাৰ পাছতহে আৰম্ভ কৰিব পাৰিব। অৱশ্যে, কাম যদি আৰম্ভ হৈছে সেই অব্যাহত থাকিব।

(iii) সংশ্লিষ্ট বিভাগীয় বিষয়াৰ সম্পূৰ্ণ সন্মতি সাপেক্ষে সম্পূৰ্ণ হোৱা কামৰ কাৰণে পুঁজি আদায় দিয়াত কোনো বাধা নাই।

(iv) যিবোৰ আঁচনি অনুমোদিত আৰু পুঁজি যোগান ধৰা অথবা মুকলি হৈছে আৰু সা-সামগ্ৰী ক্ৰয় আৰু স্থানলৈ নিয়া হৈছে তেনে আঁচনিৰ কাম নিৰ্ধাৰিত অনুসৰি চলি থাকিব।

## ৫.৬ বিধিবদ্ধ প্ৰয়োজনীয়তাৰ নিয়মীয়া বিত্তীয় বিষয়ত অনুমতি

মানবিশিষ্ট চৰ্ত সাপেক্ষে ২০১৮চনৰ কৰ্ণাটক বিধানসভা নিৰ্বাচনৰ সময়ত এম জি এনৰেগাৰ মজুৰিৰ হাৰ পুনৰীক্ষণৰ অনুমিত দিছিল নিৰ্বাচন আয়োগে। কিয়নো এয়া আছিল বাৰ্ষিক কৰ্মসূচী আৰু এই ক্ষেত্ৰত কোনো নতুন নীতি অন্তৰ্ভুক্ত হোৱা নাছিল। একেদৰে সমগ্ৰ ভাৰতৰ বহনযোগ্য বিধিবদ্ধ প্ৰয়োজনীয়তাৰ বিত্তীয় বিষয়টোক লৈ জিএছটি পৰিষদৰ অনুমোদনৰ কমিটীৰ নিৰ্দেশনা জাৰি কৰা হৈছিল। যেনেদৰে নিৰ্বাচন আয়োগেও ইপিএফ আঁচনিৰ অধীনত মালিক পক্ষই ইপিএফ ক্ৰেডিট হাৰ বৃদ্ধি আৰু ৰিডাক্সন হাৰ সলনি কৰাৰ ক্ষেত্ৰত অনুমতি দিছিল।

## ৫.৭ ৰাজ্য চৰকাৰৰ বিত্তীয় প্ৰতিষ্ঠানৰ দ্বাৰা বেয়া ঋণ আৰু পুনৰ উদ্ধাৰ বন্ধ

নিৰ্বাচন আয়োগৰ পৰ্যাপ্ত অবিহনে ৰাজ্য চৰকাৰৰ পুঁজিৰ দ্বাৰা গঠিত আংশিক অথবা পুণাংগ বিত্তীয় প্ৰতিষ্ঠানে আদৰ্শ বিধি বলৱৎ হোৱাৰ সময়ত কোনো ব্যক্তি, কোম্পানী আদিক ঋণৰ ধন আগতীয়াকৈ পুনৰুদ্ধাৰৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব নোৱাৰিব। একেদৰে আদৰ্শবিধি বলৱৎ হৈ থকাৰ সময়ত উল্লিখিত প্ৰতিষ্ঠানবোৰে বিত্তীয় সীমাৰ ক্ষেত্ৰত ঋণ বৃদ্ধিৰ ক্ষেত্ৰত কোনো ধৰণৰ বৈষম্যমূলক পদক্ষেপ হিতাধিকাৰীৰ বিপক্ষে গ্ৰহণ কৰিব নোৱাৰিব।

**প্ৰশাসনিক বিষয়**

## ৫.৮ তদৰ্থ নিযুক্তিত প্ৰতিবন্ধকতা

৫.৮.১ আদৰ্শ বিধিয়ে এই কথাত গুৰুত্ব দিয়ে যে ই বলৱৎ হৈ থকাৰ সময়ত চৰকাৰ, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আদিয়ে তদৰ্থ নিযুক্তি দিব নোৱাৰে, এনে কৰিলে ক্ষমতাত থকা দলে ভোটাৰক তেওঁলোকৰ সমৰ্থনলৈ উৎসাহিত কৰিব পাৰে।

৫.৮.২ কেন্দ্ৰ অথবা ৰাজ্যিক অসামৰিক সেৱা আয়োগ, ষ্টাফ ছেলেক্সন কমিছন অথবা আন বিধিবদ্ধ সংস্থাই অনুমোদন অথবা ফলাফলৰ জৰিয়তে নিযুক্তি/নিয়মীয়া নিযুক্তি/পদোন্নতি আদি বিষয়ত আপত্তি কৰাৰ কোনো নীতি নিৰ্বাচন আয়োগৰ নাই। কিন্তু কিছুমান ক্ষেত্ৰত আনকি সংশ্লিষ্ট কৰ্তৃপক্ষৰ দ্বাৰা নিৰ্বাচনৰ আধাৰত স্বাভাৱিক নিয়মীয়া নিযুক্তি দিবলগীয়া হোৱাৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱালৈকে এই নিযুক্তি পিছুৱাই দিয়া হয়।

৫.৮.৩ অনাবিধিবদ্ধ সংস্থাৰ জৰিয়তে নিযুক্তিৰ বাবে নিৰ্বাচন আয়োগৰ অনুমোদন ল'ব লাগিব। স্বাভাৱিকতে নিৰ্বাচন আয়োগে বিবেচনা কৰে যে অত্যন্ত জৰুৰী বিষয় নহ'লে অথবা নিৰ্বাচনী প্ৰক্ৰিয়া সমাপন হোৱালৈ অপেক্ষা কৰিব পাৰিলে চৰকাৰক এনেধৰণৰ নিযুক্তি সাময়িকভাৱে পিছুৱাই দিবলৈ পৰামৰ্শ দিয়ে। কিছুসংখ্যক গুৰুত্বপূৰ্ণ নিযুক্তিৰ প্ৰস্তাৱো নিৰ্বাচন আয়োগে বিগত সময়ছোৱাত পিছুৱাই দিয়াৰ সিদ্ধান্তৰ আছে।

(i) দিল্লী আৰবান আৰ্ট কমিছন পুনৰ গঠন
(ii) নেচনেল ব'ৰ্ড ফ'ৰ ৱাইল্ড লাইফ পুনৰ গঠন
(iii) ব্ৰহ্মপুত্ৰ ব'ৰ্ডক ব্ৰহ্মপুত্ৰ ৰীভাৰ বেচিনলৈ পুনৰ গঠন কৰা।
(iv) ৪টা নতুন নেচনেল ইনষ্টিটিউট অৱ ডিজাইনৰ গৱৰ্ণিং পৰিষদৰ অধ্যক্ষ হিচাপে কোনো ব্যক্তিক মনোনিতকৰণ।
(v) নেচনেল কমিছন ফ'ৰ ছিডিউল ট্ৰাইবছৰ সদস্যৰ নিযুক্তি
(vi) চেণ্ট্ৰেল ব'ড অফ ফিল্ম চাৰ্টিফিকেশ্বনৰ অধ্যক্ষ নিযুক্তি
(vii) ৰিজিউনেল চেণ্টাৰ অৱ চিডিএফচিৰ এডভাইজাৰী পেনেল সদস্য নিযুক্তি আৰু
(viii) চেণ্ট্ৰেল ছিল্ক ব'ৰ্ডৰ তিনিজন বেচৰকাৰী সদস্য নিযুক্তি

## ৫.৯ অন্যান্য প্ৰশাসনিক সিদ্ধান্তত তাৎক্ষণিক প্ৰতিবন্ধকতা

৫.৯.১ নিৰ্বাচন আয়োগে অন্যান্য পিছপৰা শ্ৰেণী (অ'বিচি) তালিকা ৰূপান্তৰ কৰাত অনুমতি দিয়া নাছিল আৰু ১৯৯৮ চনৰ লোকসভা সাধাৰণ নিৰ্বাচনৰ সময়ছোৱাত ৰাজ্য চৰকাৰে অন্যান্য বিশেষ শ্ৰেণীৰ লোকক উন্নীতকৰণৰ ক্ষেত্ৰতো বাধা প্ৰদান কৰিছিল। নিৰ্বাচন আয়োগৰ মতে এনে কৰিলে শাসকীয় দলৰ বাবে কিছুসংখ্যক শ্ৰেণীৰ ভোটাৰৰ মাজত সমৰ্থন লাভ কৰাৰ সুযোগ দিয়াৰ দৰে হয়।

৫.৯.২ একেদৰে ২০০৪ চনৰ অক্টোবৰত কেন্দ্ৰীয় চৰকাৰে ধৰ্মীয় আৰু ভাষিক সংখ্যালঘুৰ মাজত নেচনেল কমিছন ফ'ৰ ৱেলফেয়াৰ অৱ ছ'চিয়েলী এণ্ড ইক'ন'মিকেলী

বেকৰার্ড স্থাপন সিদ্ধান্তকো নির্বাচন আয়োগে অনুমতি দিয়া নাছিল। সেই সময়ত কিছু সংখ্যক ৰাজ্যত বিধানসভা নির্বাচনৰ প্রক্রিয়া চলি আছিল, যিয়ে নির্বাচন আয়োগৰ আদর্শ বিধিক উলংঘন কৰা বুলি বিবেচিত হৈছিল।

৫.৯.৩ তেনেদৰে সাধাৰণ নির্বাচনৰ প্রাকক্ষণত ২০০৩ আৰু ২০০৫ চনত মধ্য প্রদেশ আৰু হাৰিয়ানা চৰকাৰে কেইবাখনো নতুন জিলা গঠনৰ প্রস্তাৱ নির্বাচন আয়োগে গ্রহণ কৰা নাছিল।

********

## অধ্যয়-৬

# ৰাজকোষৰ ধনেৰে বিজ্ঞাপন প্ৰকাশ

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ**

- উচ্চতম ন্যায়ালয়ৰ নিয়মাৱলী
- সংকুলিত নিয়মাৱলী
- ৰাজহুৱা কোষাগাৰৰ ধন ব্যয়ৰে বিজ্ঞাপন আৰু হৰ্ডিং প্ৰদৰ্শন
- নিৰ্বাচন অনুষ্ঠিত নোহোৱা ৰাজ্যসমূহত বিজ্ঞাপনৰ প্ৰকাশন
- বিশেষ উপলক্ষ্য/দিৱসৰ সৈতে সংযুক্ত বিজ্ঞাপনৰ প্ৰকাশন
- বিভিন্ন ৰাজ্যত আধাৰ সম্পৰ্কীয় প্ৰচাৰ অব্যাহত

## ৬.১ পাতনি

৬.১.১ নিৰ্বাচনৰ সময়ত জনতাৰ কোষৰ পুঁজি ব্যৱহাৰেৰে চৰকাৰী বিজ্ঞাপন প্ৰচাৰ কৰাটো নিৰ্বাচন আয়োগৰ গভীৰ উদ্বিগ্নতাৰ বিষয়। চৰকাৰৰ নীতি, কাৰ্যসূচী, সেৱা আৰু গ্ৰহণ কৰা পদক্ষেপসমূহ প্ৰচাৰ কৰাৰ বাবে ৰাইজৰ কোষৰ ধন ব্যৱহাৰেৰে জনতাক অৱগত কৰোৱাটো চৰকাৰৰ অধিকাৰ, দায়িত্ব হোৱাৰ পৰিপ্ৰেক্ষিততেই বিজ্ঞাপন প্ৰচাৰ কৰাটো চৰকাৰৰ বুনিয়াদি লক্ষ্য। কিন্তু সাংসদ/ বিধায়কসকলে তেওঁলোকৰ স্থানীয় অঞ্চলৰ উন্নয়ন পুঁজিৰ দ্বাৰা কৰা কাৰ্য সন্দৰ্ভত আলোকচিত্ৰসহ তথ্য পথৰ দাঁতিত চৰকাৰী খৰচত বিশাল ব'ৰ্ড আৰু হৰ্ডিংত প্ৰচাৰ কৰি আহিছে।

৬.১.২ আদৰ্শ বিধিত প্ৰতিবন্ধকতা আছে যে ৰাজহুৱা ধন ব্যয় কৰি বাতৰি কাকত আৰু আন সংবাদ মাধ্যম আৰু চৰকাৰী সংবাদ মাধ্যমক অপব্যৱহাৰেৰে ৰাজনৈতিক বাতৰি আৰু দলৰ কৃতিত্বক প্ৰচাৰ চৰকাৰে নিৰ্বাচনৰ দৃষ্টিভংগীৰে কৰিব নোৱাৰে।

৬.১.৩ ২০০৪ চনৰ সংসদৰ নিৰ্বাচনৰ সময়ত তেনে বিজ্ঞাপনৰ ব'ৰ্ড আৰু হৰ্ডিংসমূহ আঁতৰোৱাৰ সময়ত এটা প্ৰশ্ন উত্থাপন হৈছিল। সেই নিৰ্বাচনৰ সময়ত নিৰ্বাচন আয়োগে নিৰ্দেশনা দিছিল যে ৰাজ্য চৰকাৰসমূহে নিৰ্বাচনৰ আগমুহূৰ্তত চৰকাৰী সাফল্যৰ প্ৰচাৰ হৰ্ডিংসমূহ তেওঁলোকে বিজ্ঞাপন দিছে সেইসমূহ আঁতৰ কৰিব লাগিব। নিৰ্বাচন আয়োগে নিৰ্দেশনা দিছিল যে এমমপি/এমএলএৰ ফটোগ্ৰাফসমূহ সম্পূৰ্ণৰূপে ঢাকি দিব লাগিব। এই একেই নিৰ্দেশনাত প্ৰধানমন্ত্ৰী

গ'ল্ডেন কুৱাৰ্ডিলেটাৰেল আঁচনিৰ অধীনত নতুনকৈ স্থাপন কৰা বা সম্প্ৰসাৰণ কৰা ৰাষ্ট্ৰীয় ঘাইপথত থকা প্ৰধানমন্ত্ৰীৰ প্ৰচাৰ হৰ্ডিংসমূহৰ ক্ষেত্ৰতো প্ৰযোজ্য কৰা হৈছিল।

৬.১.৪ নিৰ্বাচন আয়োগে আন নিৰ্দেশনা প্ৰদান কৰিছিল যে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে সমাজ কল্যাণৰ আঁচনিৰ তথ্য বা সাফল্য সন্দৰ্ভত প্ৰকাশ কৰা বিজ্ঞাপনসমূহ যিসমূহ নিৰ্বাচন চলি থকা ৰাজ্যসমূহত বাতৰি কাকতত প্ৰকাশ কৰা হয় সেয়া প্ৰকাশৰ বাবে নিৰ্বাচন আয়োগৰ অনুমোদন লাভ কৰিবলৈ প্ৰেৰণ কৰিব লাগিব।

৬.১.৫ ২০০৯ চনৰ সাধাৰণ নিৰ্বাচনত নিৰ্বাচনী আয়োগে ইউনিয়ন বেংক অৱ ইণ্ডিয়া আৰু কানাড়া বেংকে কিছুমান বাতৰি কাকতত তেওঁলোকৰ সাফল্যসমূহ প্ৰকাশ কৰিছিল, যাক আয়োগে আদৰ্শ বিধিৰ উলংঘন বুলি অভিহিত কৰিছিল আৰু বেংকটোৰ অধ্যক্ষ আৰু পৰিচালন সঞ্চালকক ভৱিষ্যতে এই ক্ষেত্ৰত সাৱধান হ'বলৈ সকীয়াই দিছিল।

৬.১.৬ ২০১৩ চনত কৰ্ণাটক বিধানসভা নিৰ্বাচনৰ সময়ত চৰকাৰে হায়দৰাবাদত অনুষ্ঠিত বিশ্ব বাণিজ্যিক সংস্থাৰ সন্মিলনৰ বাবে টিভিত কিছুমান সময়ত বিজ্ঞাপন প্ৰকাশ কৰিবলৈ বিচাৰিছিল। এই ক্ষেত্ৰত অন্ধ্ৰ প্ৰদেশৰ টিভি চেনেলত উক্ত বিজ্ঞাপন বা ভিডিঅ' প্ৰচাৰ কৰিবলৈ অনুমতি দিয়া হৈছিল যদিও চৰ্ত অনুসৰি এনে বিজ্ঞাপনত প্ৰধানমন্ত্ৰী, পৰ্যটন বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী, ইউপিএৰ অধ্যক্ষৰ লগতে আন ৰাজনৈতিকৰ নাম আৰু ফটো থাকিব নোৱাৰে আৰু কৰ্ণাটকত প্ৰচলন থকা বা ইয়াৰ পৰা প্ৰকাশিত বাতৰি কাকতত এই বিজ্ঞাপন প্ৰকাশ কৰাত বাধা দিছিল।

৬.১.৭ ২০১৫ চনত তামিলনাডু বিধানসভাৰ উপ-নিৰ্বাচনৰ সময়ত নিৰ্বাচন আয়োগে এক আদেশযোগে ৰাজ্যত চলাচল কৰা মিনি বাছসমূহত অংকীত শাসনত থকা দলৰ নিৰ্বাচনী প্ৰতীক চিহ্ন ঢাকি দিবলৈ নিৰ্দেশ দিছিল। এই নিৰ্দেশনাৰ পূৰ্বে মাদ্ৰাছ উচ্চ ন্যায়ালয়ে নিৰ্বাচনী আয়োগৰ বিৰুদ্ধে সৰৱ হৈ পৰিছিল। ইয়াৰ পিছতে নিৰ্বাচন আয়োগে ভোটাৰসকলৰ নিৰপেক্ষ সিদ্ধান্তৰ বাবে ভাৰতীয় সংবিধানৰ অনুচ্ছেদ-৩২৪ অনুসৰি নিৰ্বাচন আয়োগৰ ক্ষমতাধীন অঞ্চলত এই নিৰ্দেশ জাৰি কৰে।

## ৬.২ উচ্চতম ন্যায়ালয়ৰ নিয়মাৱলী

৬.২.১ নিৰ্বাচনৰ সময়ত চৰকাৰী বিজ্ঞাপনৰ ক্ষেত্ৰত উচিত নিয়মাৱলী বিচাৰি দাখিল কৰা আবেদনৰ ভিত্তিত উচ্চতম ন্যায়ালয়ে ২০১৪ চনত এই সন্দৰ্ভত নীতি নিৰ্ধাৰণৰ বাবে এখন সমিতি গঠন কৰি দিছিল। এই সমিতিৰ পৰা লাভ কৰা

পৰামৰ্শৰ ভিত্তিত ২০১৫ চনৰ ১৩ মে'ত সৰ্বোচ্চ ন্যায়ালয়ে ভাৰতীয় সংবিধানৰ ১৪২ অনুচ্ছেদৰ অধীনত নিয়মাৱলী প্ৰদান কৰিছিল, যাৰ অধীনত সংসদ/চৰকাৰৰ বিজ্ঞাপনৰ বাবে বিধিবদ্ধ নীতি প্ৰস্তুত কৰা হৈছিল। তলত উল্লেখ কৰা ধৰণে এই নিয়মাৱলীসমূহ প্ৰযোজ্য হ'ব।

(i) প্ৰদৰ্শন কৰা বিজ্ঞাপন সম্পূৰ্ণৰূপে সংক্ষিপ্ত ভাষাত হ'ব লাগিব আৰু এইসমূহ ৰাজনৈতিক মন্তব্য বা গুণানুকৃৰ্তনৰ পৰা মুক্ত থাকিব লাগিব।

(ii) চৰকাৰী বিজ্ঞাপনসমূহে ৰাজনৈতিক নিৰপেক্ষতা বৰ্তাই ৰাখিব লাগিব আৰু ৰাজনৈতিক ব্যক্তিৰ গুণানুকৃৰ্তন আৰু ক্ষমতাত থকা দলৰ ইতিবাচক সাফল্য বা বিৰোধী ৰাজনৈতিক দলৰ নেতিবাচক ছবি দাঙি ধৰিব নোৱাৰিব।

(iii) বিজ্ঞাপনৰ ক্ষেত্ৰত এয়া কৰিব নোৱাৰিব—

(ক) চৰকাৰ গঠন কৰা দলৰ নাম উল্লেখ কৰিব নোৱাৰে

(খ) বিৰোধী দলৰ ক্ষেত্ৰত কোনো ধৰণৰ আক্ৰমণকাৰী উদ্দেশ্য বা কাৰ্য থাকিব নালাগিব।

(গ) কোনো ৰাজনৈতিক দল/ৰাজনৈতিক চিহ্ন বা লগ' বা পতাকা সন্নিৱিষ্ট কৰিব নোৱাৰিব।

(ঘ) নিৰ্বাচনৰ বাবে যিকোনো ৰাজনৈতিক দল, প্ৰাৰ্থীৰ হৈ ৰাইজৰ সমৰ্থন আহৰণৰ ক্ষেত্ৰত প্ৰভাৱিত কৰিব নোৱাৰিব।

বা

(ঙ) ৰাজনৈতিক দল বা ৰাজনৈতিক ব্যক্তিৰ ৱেবচাইটৰ লিংকৰ প্ৰসংগ উত্থাপন কৰিব নোৱাৰিব।

(iv) চৰকাৰী বিজ্ঞাপনসমূহৰ ক্ষেত্ৰত ৰাজনৈতিক নেতাৰ ছবি বা চৰকাৰৰ সপক্ষত বাৰ্তা প্ৰকাশ কৰাৰ পৰা এৰাই চলিব লাগিব। মাত্ৰ ৰাষ্ট্ৰপতি/ প্ৰধানমন্ত্ৰীৰ ফটো ব্যৱহাৰ কৰিব পাৰিব।

(v) চৰকাৰী বিজ্ঞাপনৰ যোগেদি মিডিয়া হাউছৰ ক্ষেত্ৰত পক্ষপাতিত কৰিব নালাগিব বা ক্ষমতা থকা দল বা ব্যক্তিৰ পক্ষত প্ৰতিবেদন প্ৰস্তুত কৰাৰ উদ্দেশ্যে ইয়াক ব্যৱহাৰ কৰিব নোৱাৰিব।

(vi) কোনো ক্ষেত্ৰত চৰকাৰী বিজ্ঞাপনসমূহত প্ৰধানমন্ত্ৰী, ৰাষ্ট্ৰপতি, ভাৰতৰ মুখ্য ন্যায়াধীশৰ একক ফটো প্ৰকাশ কৰা হ'ব পাৰে। কিন্তু এই ক্ষেত্ৰত সংশ্লিষ্ট সাংবিধানিক কৰ্মকৰ্তাসকলৰ সিদ্ধান্তৰ অনুসৰিহে হ'ব।

৬.২.২ একেদৰে কেন্দ্ৰীয় চৰকাৰ আৰু কেইবাখনো ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত শিথিলতাৰ

বাবে দাখিল কৰা আবেদন অনুসৰি ২০১৬ চনৰ ১৮ মাৰ্চত উচ্চতম ন্যায়ালয়ে উপৰোক্ত নিয়মাৱলীৰ সংশোধন ঘটাইছিল আৰু এনে চৰকাৰী বিজ্ঞাপনত ৰাজ্যখনৰ ৰাজ্যপাল আৰু মুখমন্ত্ৰীৰ ফটো প্ৰকাশ কৰাত অনুমতি প্ৰদান কৰিছিল। তদুপৰি ন্যায়ালয়ে প্ৰধানমন্ত্ৰীৰ ফটোৰ সলনি সংশ্লিষ্ট বিভাগৰ কেবিনেট মন্ত্ৰী/মন্ত্ৰীৰ ফটো ব্যৱহাৰত অনুমতি প্ৰদান কৰিছিল আৰু ৰাজ্য চৰকাৰৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ সলনি সংশ্লিষ্ট বিভাগৰ কেবিনেট মন্ত্ৰী/মন্ত্ৰীৰ ফটো ব্যৱহাৰৰ অনুমতি দিছিল। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ২০১৫চনত ১৩ মে'ত উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা নিৰ্দেশনাৰ অনুকলন কৰি চৰকাৰী বিজ্ঞাপনৰ সূচী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত প্ৰাক্তন মুখ্য নিৰ্বাচনী আয়ুক্ত শ্ৰী বি এইচ টেণ্ডনৰ অধীনত এখন তিনিজনীয়া সমিত গঠন কৰিছিল।

## ৬.৩ সংকুলিত নিয়মাৱলী

৬.৩.১ ২০১৪ চনত নিৰ্বাচনী আয়োগে চৰকাৰী বিজ্ঞাপন (পৰিশিষ্ট -X) প্ৰকাশৰ ক্ষেত্ৰত বিতং নিৰ্দেশনা জাৰি কৰিছিল। পিছত আৰু অধিক নিৰ্দেশনা জাৰি কৰা হৈছিল, যিসমূহৰ সাৰংশ তলত উল্লেখ কৰা ধৰণৰ—

(i) ৰাজকোষৰ ধন ব্যয়ৰে চৰকাৰৰ সাফল্য প্ৰতিফলিত কৰি ছপা আৰু বৈদ্যুতিন মাধ্যমত কোনো ধৰণৰ বিজ্ঞাপন প্ৰকাশ কৰিব নোৱাৰিব। যদি ছপা মাধ্যমত এনে বিজ্ঞাপন ইতিমধ্যে প্ৰকাশৰ বাবে দিয়া হৈছে, তেন্তে বৈদ্যুতিন মাধ্যমত যাতে বিজ্ঞাপন প্ৰচাৰ নহয় সেয়া নিশ্চিত কৰিব লাগিব আৰু লগতে কোনো বাতৰি কাকত, আলোচনী আদিত এই বিজ্ঞাপন প্ৰকাশ নহয়, সেয়া সুনিশ্চিত কৰিব লাগিব। নিৰ্বাচনৰ সূচী ঘোষণা কৰাৰ দিনৰ পৰা এনে বিজ্ঞাপনসমূহ তুৰন্তে প্ৰত্যাহাৰ কৰিব লাগিব।

(ii) স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দল বা সংস্থাৰ কোনো গোট/সমিতি বিজ্ঞাপন টিভি চেনেল আৰু কেব্‌ল নেটৱৰ্কত প্ৰচাৰ কৰাৰ আগতে পূৰ্ব নিৰীক্ষণ, পৰীক্ষণ আৰু প্ৰমাণিত কৰাৰ বাবে দিল্লী এন চি টিত মুখ্য কাৰ্যালয়ত থকা নিৰ্বাচনী আয়োগে এখন সমিতি গঠন কৰিছিল। একেদৰে ৰাজ্য/ কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ মুখ্য নিৰ্বাচনী বিষয়াই নিৰ্দেশ অনুযায়ী ৰাজনৈতিক দল আৰু অন্যান্য সংস্থা/গোটৰ যিসকলৰ ৰাজ্য/ কেন্দ্ৰীয়শাসিত অঞ্চলত মুখ্য কাৰ্যালয় আছে তেওঁলোকৰ বিজ্ঞাপনৰ বাবেও এখন কমিটী গঠন কৰিব। প্ৰত্যেক সংসদীয় সমষ্টিত ৰিৰ্টাণিং

বিষয়াৰ সমষ্টিটোত প্ৰাৰ্থিত্ব আগবঢ়োৱা প্ৰাৰ্থীসকলৰ বিজ্ঞাপন পূৰ্ব পৰীক্ষণ পৰীক্ষা আৰু প্ৰমাণপত্ৰ প্ৰমাণিত কৰাৰ বাবে কাৰ্যবাহী বিষয়া হিচাপে দায়িত্ব দিয়া হৈছে।

(iii) তদুপৰি সকলো ৰাজ্য/কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়াসকলে এনে বিজ্ঞাপনৰ প্ৰমাণ পত্ৰৰ বাবে আবেদন পত্ৰ গ্ৰহণ বা অভিযোগ ৰায় প্ৰদান কৰাৰ বাবে কাৰ্যবাহী বিষয়াসকলৰ এখন সমিতি গঠন কৰাটো প্ৰয়োজনীয়।

(iv) নিৰ্ধাৰিত ফৰ্মেটত বিৰৰণসহ এনে বিজ্ঞাপনৰ প্ৰমাণপত্ৰৰ বাবে নিৰ্দিষ্ট সমিতি বা কাৰ্যবাহী বিষয়াক আবেদন কৰিব লাগিব। নিৰ্দিষ্ট ফৰ্মেটতহে এনে সমিতি/কাৰ্যবাহী বিষয়াই বিজ্ঞাপনসমূহ প্ৰচাৰ কৰাৰ বাবে অনুমতি পত্ৰ প্ৰদান কৰি প্ৰচাৰ কৰিব বিচৰা বিজ্ঞাপনৰ ভিডিঅ' আৰু ইয়াত থকা তথ্য বিৰৰণ লিখিত আকাৰৰ দুটাকৈ প্ৰতিলিপি আবেদনকাৰীয়ে জমা দিব লাগিব।

(v) অনুমতিপ্ৰাপ্তসকলক প্ৰমাণপত্ৰ লাভ কৰাসকলৰ আবেদনৰ বাবে এখন নিৰ্দিষ্ট পঞ্জীয়ন বহী ৰাখিব লাগিব। প্ৰত্যেখন আবেদন ক্ৰমিক নম্বৰসহ ৰখাৰ লগতে এই ক্ৰমিক নম্বৰে জমা দিয়া দুটাকৈ ভিডিঅ' কপি নিৰ্দেশ কৰিব লাগিব আৰু এনে ভিডিঅ' কপিসমূহত গ্ৰহণকৰাৰী বিষয়াৰ স্বাক্ষৰ থাকিব। প্ৰমাণ পত্ৰ প্ৰদানৰ পিছত এনে বিজ্ঞাপনৰ এটা ভিডিঅ' কপি সমিতি/কাৰ্যবাহী বিষয়াই ৰাখিব।

(vi) সকলো মুখ্য নিৰ্বাচনী বিষয়াই আন্তঃগাথনিৰ বাবে টিভি, ভিচিআৰ, ভিচিডি আদিৰ দৰে প্ৰয়োজনীয় সামগ্ৰী ভাৰা বা ক্ৰয় কৰাৰ বাবে ক্ষীপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিব। ৰাজ্য/কেন্দ্ৰীয়শাসিত ৰাজ্যসমূহত এনে বিজ্ঞাপন সমিতি আৰু কাৰ্যবাহী বিষয়াৰ দ্বাৰা পূৰ্বপৰীক্ষণ আৰু নিৰীক্ষণৰ বাবে ভিচিআৰ, ভিচিডি ইত্যাদি প্ৰয়োজন হ'ব পাৰে। যদি এনে সামগ্ৰীৰ ক্ৰয় কৰাটো প্ৰয়োজনীয় হয়, তেন্তে ইয়াৰ পদ্ধতি আৰু নিৰিখ ৰাজ্য চৰকাৰে এনে সামগ্ৰীৰ ওপৰত নিৰ্ধাৰণ কৰা অনুসৰি হ'ব।

## ৬.৪ ৰাজকোষৰ ধনেৰে বিজ্ঞাপন আৰু হৰ্ডিঙৰ প্ৰচাৰ

৬.৪.১ নিৰ্বাচনী আয়োগে নিৰ্দেশনা দিছে যে চৰকাৰে প্ৰদৰ্শন কৰা হৰ্ডিং আৰু বিজ্ঞাপন যিসমূহত সাৰ্বজনীন তথ্য বা পৰিয়াল পৰিকল্পনা সমাজ কল্যাণ আঁচনি ইত্যাদিৰ বিষয়ে সাৰ্বজনীন বাৰ্তা আছে তেন্তে তেনে বিজ্ঞাপন প্ৰচাৰ কৰাৰ অনুমতি থাকিব।

অৱশ্যে এই সকলো হৰ্ডিং, বিজ্ঞাপন আদি য'ত ৰাজকোষৰ ধন ব্যয় হৈছে সেইসমূহত সক্ৰিয় ৰাজনৈতিক কৰ্মকৰ্তা বা ৰাজনৈতিক দলৰ ফটো বা নাম বা দলীয় চিহ্ন থাকিলে আঁতৰ কৰিব লাগিব। লগতে ৰাজকোষৰ ধনেৰে ব্যয় হোৱা বিজ্ঞাপন কোনো ৰাজনৈতিক দল বা ৰাজনৈতিক কৰ্মকৰ্তাই প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰিব আৰু কোনো দল বা ৰাজৈনতিক কৰ্মকৰ্তাই তেওঁৰ নিজা অথবা অন্য ৰাজনৈতিক নেতাৰ ব্যক্তিগত ছবি প্ৰচাৰ কৰাৰ বাবে ৰাজকোষৰ ধন ব্যৱহাৰ কৰিব নোৱাৰিব। ৰাজহুৱা ব্যয়ৰে কৰা এনে হৰ্ডিং আদি নিঃসন্দেহে তেওঁলোকৰ ব্যক্তিগত বা দলীয় নিৰ্বাচনী প্ৰচাৰৰ অংশ হিচাপে বিবেচিত হ'ব।

৬.৪.২ নিৰ্বাচন আয়োগে আৰু নিৰ্দেশনা দিছে যে নিৰ্বাচনৰ সময়ত ৰাজকোষৰ ধনেৰে কোনো ধৰণৰ বিজ্ঞাপন বাতৰি কাকত বা অন্যান্য মিডিয়া (বৈদ্যুতিন মিডিয়াসহ) প্ৰচাৰ কৰিব নোৱাৰিব আৰু ক্ষমতাত থকা দলে তেওঁলোকৰ সাফল্য আৰু ৰাজনৈতিক বাতৰি নিৰ্বাচনৰ সময়ত এনেদৰে জনসাধাৰণৰ মাজত প্ৰচাৰ কৰাটো অপব্যৱহাৰ হিচাপে গণ্য কৰা হ'ব যাক কঠোৰভাৱে এৰাই চলাটো প্ৰয়োজনীয়।

## ৬.৫ নিৰ্বাচন অনুষ্ঠিত নোহোৱা ৰাজ্যত বিজ্ঞাপন প্ৰকাশ

৬.৫.১ এয়া লক্ষ্য কৰা হৈছে যে বিভিন্ন সময়ত একাংশ নিৰ্বাচন অনুষ্ঠিত নোহোৱা ৰাজ্যই কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন কল্যাণকামী আঁচনি আৰু লাভ কৰা সাফল্য প্ৰদৰ্শন কৰা বিজ্ঞাপন নিৰ্বাচন চলি থকা ৰাজ্যসমূহৰ বহুল প্ৰচাৰিত বাতৰি কাকতত প্ৰকাশ কৰে। নিৰ্বাচন আয়োগে এই ক্ষেত্ৰত ইয়াক আদৰ্শ বিধিৰ উলংঘা হিচাপে গণ্য কৰিছে।

৬.৫.২ নিৰ্বাচন আয়োগে নিৰ্দেশ কৰিছে নিৰ্বাচন অনুষ্ঠিত নোহোৱা ৰাজ্যই প্ৰচাৰ কৰা এনেসকলৰ বিজ্ঞাপন আদৰ্শ আচৰণ বিধি চলাৰ সময়ত নিৰ্বাচনী আয়োগৰ অনুমতি লৈহে নিৰ্বাচন চলি থকা ৰাজ্যত প্ৰকাশ কৰিব পাৰিব। নিৰ্বাচন চলি থকা ৰাজ্যত বহুল প্ৰচাৰিত বাতৰি কাকতৰ সংস্কৰণলৈ এনে বিজ্ঞাপন পঠোৱাৰ পূৰ্বে নিৰ্বাচন আয়োগৰ অনুমতি ল'ব লাগিব। নিৰ্বাচন আয়োগে লক্ষ্য কৰিছে যে, ওপৰোক্ত নিৰ্দেশনাসমূহ থকাৰ পিছতো নিৰ্বাচন চলি থকা ৰাজ্যসমূহত থকা বাতৰি কাকতৰ সংস্কৰণত এনে একাংশ নিৰ্বাচন অনুষ্ঠিত নোহোৱা ৰাজ্যই নিৰ্বাচন আয়োগৰ অনুমতি অবিহনে বিজ্ঞাপন প্ৰচাৰ কৰি আছে। এই ক্ষেত্ৰত নিৰ্দেশনাসমূহ উলংঘন কৰাৰ বাবে নিৰ্বাচনী আয়োগে গভীৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। নিৰ্বাচন আয়োগে আৰু পৰামৰ্শ দিছে যে ভৱিষ্যতত এনে নিৰ্দেশনাসমূহৰ উলংঘা সংশ্লিষ্ট চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ  সচিব/সঞ্চালকৰ দৃষ্টিগোচৰ কৰা হ'ব

আৰু এনে অৱহেলাৰ বাবে তেওঁলোকক পোনপটীয়াভাৱে দোষী সাব্যস্ত কৰা হ'ব।

## ৬.৬ বিশেষ উদ্‌যাপন/দিনত বিজ্ঞাপনৰ প্ৰকাশ

৬.৬.১ নিৰ্বাচন আয়োগে স্পষ্ট স্থিতি গ্ৰহণ কৰিছে যে বিশ্ব ৱৰ্ল্ড হেবিটেত ডে'/পাল্‌চ পলিঅ'/এইচ আই ভি সজাগতা অভিযান আদিৰ দৰে বিশেষ উদ্‌যাপন/দিনৰ সৈতে সম্পৰ্কিত বিজ্ঞাপনসমূহ প্ৰচাৰত কোনো বাধা নাথাকিব আৰু লগতে বিভিন্ন দিৱস যেনে— স্বাধীনতা দিৱস, গণৰাজ্য দিৱস, গান্ধী জয়ন্তী/ৰাজ্য প্ৰতিষ্ঠা দিন আদিত ৰাজনৈতিক দল/ৰাজনৈতিক ব্যক্তি/মন্ত্ৰীৰ ফটো/ৰাজনৈতিক বক্তব্য/প্ৰসংগ নথকা বিজ্ঞাপন প্ৰচাৰ কৰিব পাৰিব। এই বিজ্ঞাপনসমূহত ক্ষমতাত থকা দলটোৰ সাফল্য প্ৰচাৰ থাকিব নোৱাৰিব যিয়ে তেওঁলোকৰ পক্ষে ভোটাৰসকলক প্ৰভাৱান্বিত কৰিব পৰে।

৬.৬.২ এয়া লক্ষ্য কৰা হৈছে যে বিভিন্ন গুৰুত্বপূৰ্ণ ঐতিহাসিক দিন যেনে— স্বাধীনতা দিৱস, গণৰাজ্য দিৱস, গান্ধী জয়ন্তী, শিৱাজী জয়ন্তী বা ৰাজ্য প্ৰতিষ্ঠা দিৱস আদিৰ উদ্‌যাপন নিৰ্বাচনৰ সময়ত বৃহৎ সমৰ্থকৰ উপস্থিতিৰে অনুষ্ঠিত কৰা হয় আৰু সেই সময়ত কেন্দ্ৰীয়/ৰাজ্যৰ মন্ত্ৰীসকল উপস্থিত থাকি ক্ষমতাত থকা দল বা সমষ্টিটোৰ প্ৰতিদ্বন্দ্বী ৰাজনৈতিক কৰ্মকৰ্তাৰ সাফল্য দাঙি ধৰি উক্ত ক্ষেত্ৰক ৰাজনৈতিক লভালাভ অৰ্জনত ব্যৱহাৰ কৰে। এই ক্ষেত্ৰত নিৰ্বাচনীন আয়োগে গুৰুত্বপূৰ্ণভাৱে দৃষ্টি ৰাখি সিদ্ধান্ত দিছে যে, এনে উদ্‌যাপনত মন্ত্ৰীসকলে অংশ গ্ৰহণ কৰাৰ সময়ত তেওঁলোকৰ ভাষণ কেৱল ঐতিহাসিক ব্যক্তিসকলৰ অৱদান, সাফল্য আদিৰ ক্ষেত্ৰত সীমাবদ্ধ হ'ব লাগিব আৰু কোনো কাৰণতে উক্ত ক্ষেত্ৰ ৰাজনৈতিক প্ৰচাৰ অভিযানৰ অংশ হিচাপে ব্যৱহাৰ কৰি তেওঁলোকৰ পক্ষত ৰাজনৈতিক বক্তব্য প্ৰদান কৰিব নোৱাৰিব।

৬.৬.৩ একেই কাৰণত নিৰ্বাচনৰ সময়ত ক্ষমতাত থকা ৰাজনৈতিক দলৰ সাফল্যক বৰ্ণনা কৰা কিছু উদ্‌যাপনৰ দিন যেনে ক্ষমতাত থকা.... বৰ্ষ/দিন উদ্‌যাপনত সম্পূৰ্ণৰূপে নিষেধাজ্ঞা জাৰি কৰা হৈছে।

## ৬.৭ বিভিন্ন ৰাজ্যত আধাৰ সম্পৰ্কীয় প্ৰচাৰৰ ধাৰাবাহিকতা

এয়া স্পষ্ট কৰা হৈছে যে নিৰ্বাচন প্ৰক্ৰিয়া চলি থকাৰ সময়ত আধাৰ সম্পৰ্কীয় প্ৰচাৰ অব্যাহত ৰাখিব পাৰিব, যিসমূহ কেৱল আধাৰ কাৰ্ড সম্বন্ধে থকা তথ্যৰ সাৰ্বজনীন বাৰ্তা বহন কৰে। কৰ্তৃপক্ষ বা চৰকাৰৰ আঁচনিৰ কোনো সফলতাৰ প্ৰদৰ্শনৰ প্ৰচাৰৰ অনুমোদন দিয়া নহ'ব।

*******

# অধ্যায়-৭

# মন্ত্ৰীসকল/অন্য গণ্যমান্য ব্যক্তিসকলৰ ভ্ৰমণ/পৰিদৰ্শন

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ**

- সংযুক্ত নিৰ্দেশনা
  - √ চৰকাৰী ভ্ৰমণক ৰাজনৈতিক/ব্যক্তিগত ভ্ৰমণৰ সৈতে একাকাৰ নকৰিব
  - √ চৰকাৰী বাহনৰ ব্যৱহাৰৰ ওপৰত নিষেধাজ্ঞা
  - √ চৰকাৰী বিষয়াৰ দ্বাৰা প্ৰট'কল পালন নকৰা
  - √ চৰকাৰী বিষয়াৰ সৈতে বৈঠক
  - √ চৰকাৰী বিষয়াৰ সৈতে ভিডিঅ' কনফাৰেন্সিং
  - √ ব্যক্তিগত ষ্টাফৰ ব্যক্তিগত ভ্ৰমণ/প্ৰচাৰৰ সময়ত প্ৰধানমন্ত্ৰী/মন্ত্ৰীৰ সৈতে যোৱা
  - √ চৰকাৰী অতিথি গৃহত থকাৰ ব্যৱস্থা
- আৰক্ষী বিষয়াৰ দ্বাৰা মুখ্যমন্ত্ৰী/গৃহমন্ত্ৰীক তথ্য বিৰৰণ দিয়া

## ৭.১ পাতনি

**৭.১.১** নিৰ্বাচনৰ সময়ত, মন্ত্ৰী সেই ৰাজ্যৰ ভ্ৰমণ কৰিব পাৰে য'ত আদৰ্শ আচৰণ বিধি প্ৰযোজ্য হয়। সকলোকে সমান সুযোগ প্ৰদান কৰাটো সুনিশ্চিত কৰিবলৈ নিৰ্বাচন আয়োগে মন্ত্ৰীৰ ভ্ৰমণত কিছুমান নিষেধাজ্ঞা জাৰি কৰিছে। নিৰ্বাচন আয়োগে ৩১ ডিচেম্বৰ, ১৯৯৩ক এই উদ্দেশ্যে কিছুমান দিশ নিৰ্দেশ জাৰি কৰিছে যে নিৰ্বাচন ঘোষণা হোৱাৰ পাছত কোনো জিলা অথবা নিৰ্বাচন ক্ষেত্ৰৰ ভ্ৰমণ কৰা মন্ত্ৰী, অধ্যক্ষ আৰু চৰকাৰী নিগমৰ সঞ্চালকৰ বাবে চৰকাৰী বাহনৰ ব্যৱস্থা কৰিব নালাগে অথবা তেওঁলোকক ৰাজ্যৰ অতিথি ঘোষিত কৰিব নালাগে আৰু জিলাস্তৰত বিষয়াসকলৰ বৈঠকত মাতিব নালাগে, তেওঁলোকক কোনো চৰকাৰী বাহনৰ ব্যৱহাৰ কৰিবলৈ দিব নালাগে নাইবা নিজৰ এনে ভ্ৰমণত কোনো ব্যক্তিগত কৰ্মচাৰীক নিজৰ লগত নিব দিব নালাগে। এই দিশ নিৰ্দেশনাৰ পৰা কেৱল ভাৰতৰ প্ৰধানমন্ত্ৰী ৰেহাই প্ৰাপ্ত, যাক চৰকাৰী আদেশ অনুসৰি পৃথকে সুৰক্ষা ব্যৱস্থা প্ৰদান কৰা হয়।

৭.১.২ ১৯৯৬ত লোকসভা আৰু কিছুমান বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ প্ৰাক-সন্ধিয়া নিৰ্বাচন আয়োগে নিজৰ ১৭ জানুৱাৰী, ১৯৯৬ত

বনোৱা আদেশৰ দ্বাৰা, নিৰ্বাচনৰ ঘোষণাৰ সময়ৰ পৰা আৰম্ভ কৰি সম্পন্ন হোৱালৈ কেন্দ্ৰীয় মন্ত্ৰী তথা ৰাজ্য চৰকাৰৰ মন্ত্ৰীৰ সকলো চৰকাৰী ভ্ৰমণত প্ৰায় সম্পূৰ্ণ প্ৰতিবন্ধকতা লগোৱা হৈছিল। নিৰ্বাচন আয়োগে নিৰ্বাচনী কামত লগোৱা বিষয়াসকলৰো সুৰক্ষা আৰু প্ৰশাসনিক ব্যৱস্থাৰ নামত ভ্ৰমণলৈ অহা মন্ত্ৰীসকলক সাক্ষাৎ কৰাত নিষেধ কৰা হৈছিল। মন্ত্ৰীসকলক চৰকাৰী বাহনৰ ব্যৱহাৰ কেৱল চৰকাৰী কামৰ বাবে নিজৰ মুখ্য কাৰ্যালয়ত নিজৰ আৱাসস্থানৰ পৰা নিজৰ কাৰ্যালয়লৈ কৰিবলৈ অনুমতি দিয়া হৈছে। যদিও ইয়াৰ বিৰোধ হৈছে তথাপিও এই আদেশৰ মুকলিকৈ সম্ভৱ অৱহেলা হৈছিল।

৭.১.৩ ১৯৯৯ৰ সাধাৰণ নিৰ্বাচনৰ সময়ত ৰেহাই দিয়া সন্দৰ্ভত কেন্দ্ৰ চৰকাৰৰ অনুৰোধত নিৰ্বাচন আয়োগে নিজৰ আগৰ আদেশত সংশোধন কৰিছিল।

## ৭.২ সংযুক্ত নিৰ্দেশনা

৭.২.১ নিৰ্বাচনৰ সময়ত মন্ত্ৰীসকলৰ দ্বাৰা কৰিবলগীয়া ভ্ৰমণৰ বিভিন্ন দিশ সন্দৰ্ভত নিৰ্বাচন আয়োগৰ দ্বাৰা সময়ে সময়ে জাৰি কৰা আদেশ (পৰিশিষ্টXI)ক সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি নিম্নলিখিত অনুচ্ছেদত একত্ৰিত কৰা হৈছে—

(i) ৰাজ্য চৰকাৰৰ কোনো মন্ত্ৰী নিৰ্বাচনৰ ঘোষণাৰ পিছত নিৰ্বাচন প্ৰক্ৰিয়াৰ সমাপ্তিলৈ এনে কোনো নিৰ্বাচন ক্ষেত্ৰৰ ভ্ৰমণ নকৰিব, য'ত নিৰ্বাচন আয়োগ দ্বাৰা নিৰ্বাচনৰ ঘোষণা কৰা হৈছে।

(ii) যদি কোনো কেন্দ্ৰীয় মন্ত্ৰী নিজৰ মুখ্য কাৰ্যালয়ৰ পৰা নিৰ্বাচনী ৰাজ্য/জিলাৰ সম্পূৰ্ণ চৰকাৰী কামত ভ্ৰমণ কৰি আছে, যাক জনহিতত বাতিল কৰিব নোৱাৰি, তেন্তে এই উদ্দেশ্যে প্ৰমাণিত কৰিবলগীয়া এক পত্ৰ ভাৰত চৰকাৰৰ সম্বন্ধিত বিভাগ/মন্ত্ৰালয়ৰ সচিব দ্বাৰা সেই ৰাজ্যৰ মুখ্য সচিবক প্ৰেৰণ কৰা হ'ব, যি ৰাজ্যত উক্ত মন্ত্ৰী দ্বাৰা ভ্ৰমণ কৰা হ'ব তথা তাৰ প্ৰতিলিপি নিৰ্বাচন আয়োগক দিয়া হ'ব। সচিবৰ পৰা এনে তথ্য পোৱা মানে কেন্দ্ৰীয় মন্ত্ৰী দ্বাৰা সম্পূৰ্ণৰূপে চৰকাৰী ভ্ৰমণ কৰাৰ প্ৰস্তাৱ, আৰু উক্ত ভ্ৰমণৰ সময়ত কোনো ৰাজনৈতিক কাৰ্যকলাপ নহ'ব, তেন্তে মুখ্য সচিব, কেন্দ্ৰীয় মন্ত্ৰীৰ বাবে চৰকাৰী বাহন আৰু আৱাসৰ ব্যৱস্থা কৰিব তথা চৰকাৰী ভ্ৰমণৰ বাবে অন্য সাধাৰণ ব্যৱস্থা কৰিব পাৰে। এনে কৰাৰ সময়ত, ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া, যাক ৰাজ্যত নিৰ্বাচন কাৰ্যকলাপৰ ওপৰত দৃষ্টি ৰখাকে ধৰি আদৰ্শ আচৰণ বিধিৰ ৰূপায়ণৰ কামো সমৰ্পণ কৰা হৈছে, সচিব দ্বাৰা পূৰ্বৰে পৰা সচেতন কৰি দিয়া

হ'ব। নিৰ্বাচন আয়োগ মুখ্য নিৰ্বাচন বিষয়াৰ সৈতে পৰামৰ্শ কৰি এনে ব্যৱস্থাৰ ওপৰত দৃষ্টি ৰাখি। কেন্দ্ৰীয় মন্ত্ৰীৰ পৰা আশা কৰা হ'ব যে তেওঁ নিজৰ গৃহ ৰাজ্য আৰু বিশেষকৈ নিৰ্বাচনী এলেকাত চৰকাৰী ভ্ৰমণ কৰাৰ পৰা বিৰত থাকে য'ৰ পৰা তেওঁ নিৰ্বাচন খেলি আছে। অৱশ্যে তাত তেওঁ নিজৰ ব্যক্তিগত ভ্ৰমণত যাব পাৰে।

(iii) **চৰকাৰী ভ্ৰমণক ৰাজনৈতিক/ব্যক্তিগত ভ্ৰমণৰ সৈতে একাকাৰ নকৰিব** ঃ মন্ত্ৰী নিৰ্বাচনী কামৰ লগে লগে নিজৰ চৰকাৰী ভ্ৰমণ নকৰিব আৰু প্ৰচাৰ অভিযানৰ সময়ত চৰকাৰী অথবা ব্যক্তিগত তন্ত্ৰ ব্যৱহাৰ নকৰিব। এই সন্দৰ্ভত কেন্দ্ৰ চৰকাৰৰ ফালৰ পৰা ২০০৪ত এক সন্দৰ্ভ পোৱা গৈছিল, য'ত স্পষ্টীকৰণ বিচৰা হৈছিল যে যদি ৰেলমন্ত্ৰী ৰাজনৈতিক প্ৰচাৰ-প্ৰসাৰৰ বাবে পাটনাত আছে তেন্তে তেওঁ চৰকাৰীভাৱে ৰেলৱে বাজেট সম্পৰ্কীয় বৈঠক অথবা মন্ত্ৰীমণ্ডলৰ বৈঠকত অংশগ্ৰহণ কৰিবলৈ পাটনাৰ পৰা নতুন দিল্লীলৈ আহিব পাৰে নেকি? এই বিষয়ত মন্ত্ৰালয়ে এইটো স্পষ্টীকৰণো বিচাৰিছিল যে ৰেলমন্ত্ৰী পাটনাৰ ব্যক্তিগত/ ৰাজনৈতিক ভ্ৰমণৰ সময়ত কলকাতাত চৰকাৰী ভ্ৰমণলৈ যাব পাৰে নে? এইটো স্পষ্টীকৰণ দিয়া হৈছিল যে মন্ত্ৰী নিজৰ ৰাজনৈতিক অথবা ব্যক্তিগত ভ্ৰমণক চৰকাৰী ভ্ৰমণৰ সৈতে মিহলি কৰি কলকাতা অথবা অন্য কোনো ক'তো যাব নোৱাৰে, এই সম্পূৰ্ণ যাত্ৰাৰ বাবে ধনৰ আদায় স্বয়ং নিজে কৰিলেও। এইটোও অৱগত কৰিছে যে মন্ত্ৰী মহোদয়ে সাংসদৰ বাবে উপলব্ধ বিনামূলীয়া (ফ্ৰি)ৰেলৱে/বিমান যাত্ৰাৰ পাচৰ সাধাৰণ সুবিধাৰ ব্যৱহাৰ কৰিব পাৰিব, কিন্তু কেন্দ্ৰীয় ৰেল মন্ত্ৰীৰ ৰূপত পাটনা যোৱা তথা দিল্লীস্থিত নিজৰ মুখ্য কাৰ্যালয়লৈ উভতি আহিবলৈ ৰেল/বিমান যাত্ৰাৰ কেন্দ্ৰীয় ৰেল মন্ত্ৰীৰ ৰূপত বিশেষাধিকাৰৰ লাভ গ্ৰহণৰ হেতু পাত্ৰ নহ'ব। ইয়াৰ পূৰ্বে মধ্য প্ৰদেশ ৰাজ্য বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ সময়ত পঞ্জাৱৰ তৎকালিন মুখ্যমন্ত্ৰীয়ে চণ্ডীগড়ৰ পৰা ইন্দোৰৰ বাবে নিজৰ চৰকাৰী যাত্ৰা হেতু ৰাজ্যৰ বিমানৰ ব্যৱহাৰ কৰিছিল। তাৰ পৰা তেওঁ নিৰ্বাচনী ভ্ৰমণত ভুপাল গৈছিল। তেওঁক চণ্ডীগড়ৰ পৰা ভুপাল আৰু উভতনি যাত্ৰাৰ বাবে সম্পূৰ্ণ ভাৰা দিবলগা হৈছে। এনে ধৰণে ছত্তীশগড় বিধানসভাৰ ২০০৩ৰ সাধাৰণ নিৰ্বাচনত ৰাজ্যৰ তৎকালিন মুখ্যমন্ত্ৰীক বিমান যাত্ৰাৰ বাবে ৰাজ্য চৰকাৰক ভাৰাৰ ধন

পুনৰায় পৰিশোধ কৰিবলগীয়া হৈছে, যি তেওঁ দলৰ কাৰ্যৰ বাবে ৰাজ্য চৰকাৰৰ বিমান ব্যৱহাৰ কৰি ৰায়পুৰৰ পৰা দিল্লীলৈ আহিছিল। তথাপি, ২০১৫ৰ নিৰ্বাচনত প্ৰধানমন্ত্ৰীৰ ক্ষেত্ৰত এক বিশেষ ৰেহাই প্ৰদান কৰা হৈছিল, যেতিয়া তেওঁ নিজৰ চৰকাৰী ভ্ৰমণক ব্যক্তিগত নিৰ্বাচনী অভিযান যাত্ৰাৰ সৈতে মিলোৱাৰ বাবে এই নিৰ্দেশৰ সৈতে অনুমতি দিয়া হৈছিল যে প্ৰধানমন্ত্ৰীৰ বেচৰকাৰী ভ্ৰমণৰ খৰচ সংশ্লিষ্ট ৰাজনৈতিক দল দ্বাৰা বহন কৰা হ'ব।

(iv) **চৰকাৰী বাহনৰ ব্যৱহাৰৰ ওপৰত নিষেধাজ্ঞা ঃ** এইটো স্পষ্ট কৰা হয় যে মন্ত্ৰীসকলে নিজৰ চৰকাৰী বাহনৰ ব্যৱহাৰ নিজৰ মুখ্য কাৰ্যালয়ৰ পৰা নিজৰ আৱাসস্থলীলৈ চৰকাৰী কাৰ্যৰ বাবে অহা-যোৱা কৰাৰ বাবে পাত্ৰ, চৰ্ত হ'ল এই ধৰণৰ দৈনিকভাৱে অহা-যোৱাক কোনো নিৰ্বাচনী কাৰ্য অথবা ৰাজনৈতিক কাৰ্যকলাপৰ সৈতে জড়িত কৰা নহ'ব। য'ত দলীয় কাৰ্যালয়ৰ ভ্ৰমণ কৰাও অন্তৰ্ভুক্ত আছে. লাগিলে তেওঁৰ ৰাস্তাতেই নপৰক কিয়। মন্ত্ৰী দ্বাৰা নিজৰ নিৰ্বাচনী ভ্ৰমণৰ সময়ত তেওঁৰ উপস্থিতিক স্পষ্টতাপূৰ্বক দৰ্শোৱা কোনো পাইলট বাহন অথবা কোনো ৰঙৰ যিকোনো ছাইৰেনযুক্ত মডেলৰ বিকন লাইটযুক্ত বাহনৰ ব্যৱহাৰ কৰা নহ'ব, সেয়া ৰাজ্য চৰকাৰ প্ৰশাসন দ্বাৰা এক সুৰক্ষা কভাৰ দিয়াই হওঁক, যাৰ অন্তৰ্গত সেই ভ্ৰমণৰ সময়ত মন্ত্ৰীৰ সৈতে সশস্ত্ৰ সুৰক্ষাকৰ্মীও থাকে। নিৰ্বাচন আয়োগৰ এটা গোচৰ দৃষ্টিগোচৰ কৰা হৈছিল যে কেন্দ্ৰীয় ৰেল মন্ত্ৰী আৰু কেন্দ্ৰীয় কোম্পানী কাৰ্যমন্ত্ৰী দ্বাৰা নিৰ্বাচনী কাম-কাজৰ সন্দৰ্ভত নিৰ্বাচন আয়োগৰ কাৰ্যালয়ৰ ভ্ৰমণৰ বাবে চৰকাৰী বাহনৰ ব্যৱহাৰ কৰা হৈছিল। দুয়ো মন্ত্ৰীক জাননী জাৰি কৰা হৈছিল। ফলস্বৰূপে, দুয়ো মন্ত্ৰী নিজৰ ভ্ৰমণৰ বাবে উক্ত বাহনৰ ব্যৱহাৰৰ বাবে চৰকাৰক পৰিশোধ কৰিছে। একেদৰে, ২০১২ত মুখ্য নিৰ্বাচনী বিষয়া, পঞ্জাবৰ পৰা এটা সন্দৰ্ভ পোৱা গ'ল যে তৎকালিন মুখ্যমন্ত্ৰী ৰামামণ্ডীত প্ৰচাৰ কাৰ্য কৰি আছিল, য'ৰ পৰা তেওঁ ২৬ জানুৱাৰীৰ দিন পতাকা উত্তোলনৰ বাবে ফিৰোজপুৰ যাব বিচাৰিছিল। মুখ্যমন্ত্ৰীৰ প্ৰধান সচিবে অনুৰোধ কৰিলে যে ৰামামণ্ডীৰ পৰা ফিৰোজপুৰ আৰু উভতিবৰ বাবে মুখ্যমন্ত্ৰীৰ দ্বাৰা ব্যৱহাৰ কৰিবলগীয়া বাহনৰ খৰচ ৰাজ্য চৰকাৰ দ্বাৰা বহন কৰা হ'ব। নিৰ্বাচন আয়োগে নিৰ্ণয় লৈছে যে, গণ্যমান্য ব্যক্তি গণতন্ত্ৰ দিৱস

সমাৰোহত পতাকা উত্তোলন কৰিব, তেওঁ নিৰ্বাচন অভিযানৰ স্থান, যদি কোনো আছে, পতাকা উত্তোলন স্থলৰ পৰা পোনে পোনে যাত্ৰা কৰিব পাৰিব। এই উদ্দেশ্যৰে হ'বলগীয়া যাত্ৰা ব্যয় সংশ্লিষ্ট ৰাজ্য চৰকাৰ দ্বাৰা বহন কৰা হ'ব। তেওঁক এই স্থানৰ মাজত যাত্ৰা কৰিবলৈ মুখ্য কাৰ্যালয়লৈ যোৱাৰ কোনো আৱশ্যকতা নাই।

(v) **চৰকাৰী বিষয়াৰ দ্বাৰা প্ৰট'কল পালন নকৰা ঃ** ৰাজ্য চৰকাৰ আৰু জিলা প্ৰশাসনৰ বিষয়া নিৰ্বাচনী ভ্ৰমণত ৰাজ্য অথবা জিলাত আহিবলগীয়া কেন্দ্ৰ অথবা ৰাজ্য চৰকাৰৰ মন্ত্ৰীৰ প্ৰট'কলৰ অধীনত নেতৃত্ব নকৰিব, তেওঁক বিদায় দিবলৈ নাযাব অথবা তেওঁৰ পৰা আশা কৰিব নোৱাৰিব। তথাপি, প্ৰধানমন্ত্ৰীৰ নিৰ্বাচনী ভ্ৰমণৰ সময়ত এইটো ব্যতিক্ৰম কৰা হৈছে আৰু সকলো ৰেংকৰ বিষয়া, য'ত আৰক্ষী মহানিৰ্দেশকো চামিল হ'ব, আৰু জিলা উপায়ুক্তক সুৰক্ষা সম্বন্ধীয় প্ৰস্তুতি চোৱাৰ বাবে উপস্থিত থকাৰ অনুমতি দিয়া হৈছে।

(vi) **চৰকাৰী বিষয়াৰ সৈতে বৈঠক ঃ** মন্ত্ৰীসকল সেই নিৰ্বাচনী এলেকা অথবা সেই ৰাজ্য, য'ত নিৰ্বাচন ঘোষণা কৰা হৈ গৈছে, কোনো সংশ্লিষ্ট নিৰ্বাচন বিষয়াক সেই নিৰ্বাচনী এলেকাত নিৰ্বাচন ঘোষণাৰ শুভাৰম্ভৰ পৰা লৈ নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱা সময়ৰ ভিতৰত কোনো স্থান অথবা কাৰ্যালয় অথবা অতিথি গৃহৰ ভিতৰত অথবা সেই নিৰ্বাচনী এলেকাৰ বাহিৰত কোনো চৰকাৰী বাৰ্তাৰ বাবে নামাতিব। এই আদেশত কেৱল এইটোৱে ব্যতিক্ৰম হ'ব যে কোনো মন্ত্ৰী, কোনো সংশ্লিষ্ট বিভাগৰ দায়িত্বশীল হোৱা অথবা মুখ্যমন্ত্ৰী হোৱা হেতুকে কোনো নিৰ্বাচনী এলেকাত চৰকাৰী ভ্ৰমণলৈ যায়, অথবা সেই নিৰ্বাচনী এলেকাৰ নিৰ্বাচনৰ লগত সংশ্লিষ্ট কোনো বিষয়াক আইন ব্যৱস্থাৰ ব্যৰ্থ হোৱা অথবা কোনো প্ৰাকৃতিক দুৰ্যোগৰ স্থিতিত অথবা কোনো জৰুৰীকালিন স্থিতিত নিৰ্বাচনী এলেকাৰ বাহিৰত কোনো স্থানত অথবা এনে কোনো প্ৰাকৃতিক বিপদ বা অন্য এনে জৰুৰীকালিন স্থিতি আমন্ত্ৰণ কৰিব পাৰে, য'ত উক্ত মন্ত্ৰী/মুখ্যমন্ত্ৰীৰ পৰ্যবেক্ষণ সমীক্ষা/উদ্ধাৰ কাৰ্য/অন্য একে উদ্দেশ্যৰ বাবে ব্যক্তিগতভাৱে উপস্থিত থকা আৱশ্যক হয়।

(vii) **চৰকাৰী বিষয়াৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ঃ** আদৰ্শ আচৰণ বিধি বলৱৎ হোৱাৰ সময়ত ৰাজ্যৰ মুখ্যমন্ত্ৰী দ্বাৰা নিজৰ জিলা বিষয়াসকলৰ

চৈতে ভিডিঅ' কনফাৰেন্সিং কৰা নিষেধ। কোনো বিষয়া যি সেই নিৰ্বাচনী এলেকাত নিজৰ ব্যক্তিগত ভ্ৰমণত মন্ত্ৰীৰে সাক্ষাৎ কৰে য'ত নিৰ্বাচনৰ অনুষ্ঠিত কৰা হৈ আছে। সম্বন্ধিত সেৰা নিয়মৰ অন্তৰ্গত কদাচাৰৰ দোষী হ'ব; আৰু যদি তেওঁ পাব্লিক আইন, ১৯৫১ৰ ধাৰা ১২৯(১)ত উল্লেখিত কোনো বিষয়া হয়, তেন্তে তাক সেই ধাৰাৰ সাংবিধানিক ব্যৱস্থাৰ উলংঘনৰ অতিৰিক্তভাৱে দোষী বিবেচনা কৰা হ'ব আৰু তেওঁ তাৰ অন্তৰ্গত আইনমতে দণ্ডনীয় হ'ব।

(viii) **ব্যক্তিগত ষ্টাফৰ ব্যক্তিগত ভ্ৰমণ/প্ৰচাৰৰ সময়ত প্ৰধানমন্ত্ৰী/মন্ত্ৰীৰ চৈতে যোৱা ঃ** প্ৰথমে মুখ্যমন্ত্ৰীসকল অথবা অন্য মন্ত্ৰীসকলক আদৰ্শ আচৰণ বিধিৰ সময়ত নিজৰ ব্যক্তিগত ভ্ৰমণৰ সময় ব্যক্তিগত ষ্টাফ লগত লৈ যোৱাৰ অনুমতি নাছিল। এই সন্দৰ্ভত পুনৰ্বিচাৰ কৰি, নিৰ্বাচন আয়োগে সিদ্ধান্ত লৈছে যে আদৰ্শ আচৰণ বিধিৰ সময়ত ৰাজ্য/ কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰীক নিজৰ ব্যক্তিগত ষ্টাফৰ পৰা এগৰাকী অ-ৰাজপত্ৰিত সদস্যক নিজৰ ব্যক্তিগত ভ্ৰমণত লৈ যোৱাৰ অনুমতি দিব পাৰি। তথাপি উক্ত ব্যক্তিগত ষ্টাফ কোনো ৰাজনৈতিক কাৰ্যকলাপত অংশ নল'ব অথবা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক কাম-কাজত তেওঁলোকৰ সহায় নকৰিব। প্ৰধানমন্ত্ৰীৰ ব্যক্তিগত ষ্টাফৰ সদস্যৰ ক্ষেত্ৰত এই ধৰণৰ কোনো নিষেধাজ্ঞা নাই, যি তেওঁৰ ব্যক্তিগত ভ্ৰমণৰ সময়ত তেওঁৰ লগত যাব পাৰে। একেদৰে, ২০১৮ চনত ছত্তীশগড়, মধ্যপ্ৰদেশ, মিজোৰাম, ৰাজস্থান আৰু টেলেংগানা ৰাজ্যৰ বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ সময়ত প্ৰধানমন্ত্ৰীৰ প্ৰধান সচিবৰ অনুৰোধত আয়োগে সুৰক্ষা ব্যৱস্থাৰ আধাৰত দূৰদৰ্শনৰ চৰকাৰী ষ্টাফক এই চৰ্তৰ অধীনত প্ৰধানমন্ত্ৰীক সেই নিৰ্বাচন আৰু পাছৰ নিৰ্বাচন অভিযানৰ সময়ত নিৰ্বাচন সম্বন্ধীয় ভাষণ দিয়াত সহায় কৰিবলৈ টেলিপ্ৰমোটাৰ উপকৰণ লগোৱা আৰু পৰিবহণৰ অনুমতি প্ৰদান কৰিছিল। চৰ্ত হ'ল দূৰদৰ্শন দ্বাৰা উক্ত সেৱা সেই পঞ্জীয়ন আৰু চৰ্তত উপলব্ধ কৰোৱা উচিত যেনে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয় দ্বাৰা এনে সেৱা প্ৰদান কৰিবলৈ নিৰ্ধাৰিত কৰা হৈছে।

(ix) **চৰকাৰী অতিথি গৃহত থকাৰ ব্যৱস্থা ঃ** নিৰ্বাচনী ভ্ৰমণৰ সময়ত মন্ত্ৰীৰ বাবে চৰকাৰী অথবা ৰাজহুৱা স্থানৰ উপক্ৰমৰ অতিথি গৃহ (গেষ্ট হাউচ)

অথবা বিশ্ৰাম গৃহত থকাৰ ব্যৱস্থা কৰা নহ'ব, কাৰণ অতিথি গৃহ নিৰ্বাচন আয়োগৰ পৰ্যবেক্ষণ আৰু অন্য নিৰ্বাচনী বিষয়াৰ থকা-মেলাৰ বাবে আৱশ্যক হ'ব। সংসদ সদস্য আৰু বিধায়ক অথবা অন্য ৰাজনৈতিক নেতাৰ বাবেও সমান প্ৰতিবন্ধকতা বলৱৎ থাকিব। তথা মন্ত্ৰীসকল আৰু অন্য ৰাজনৈতিক বিষয়া, যিসকলক চৰকাৰ দ্বাৰা আইন ব্যৱস্থাৰ অধীনত জেড অথবা জেড প্লাছ শ্ৰেণী অথবা তাৰ সমকক্ষ স্তৰৰ সুৰক্ষা কভাৰ প্ৰদান কৰা হৈছে, উপৰোক্ত প্ৰতিবন্ধকতাৰ পৰা ৰেহাই দিয়া হ'ব আৰু যদি তেওঁলোকৰ সুৰক্ষা ব্যৱস্থাৰ বাবে এনে কৰা জৰুৰী হৈ পৰে তেন্তে চৰকাৰী অতিথি গৃহত থাকিব পাৰে। অপৰিহাৰ্য চৰকাৰী ভ্ৰমণত যোৱা মন্ত্ৰীৰ বাবে চৰকাৰী অতিথি গৃহত থকাৰ ব্যৱস্থা হ'ব পাৰে, চৰ্ত হ'ল নিজৰ কাম সম্পূৰ্ণ হোৱাৰ পিছত তৎক্ষণাত নিজৰ মুখ্য কাৰ্যালয়লৈ উভতি যাব আৰু তেওঁ এনে কোনো কাৰ্যকলাপত চামিল নহ'ব, যাৰ দ্বাৰা আদৰ্শ আচৰণ বিধিৰ উলংঘা হয়।

### ৭.৩ আৰক্ষী বিষয়াৰ দ্বাৰা মুখ্যমন্ত্ৰী/গৃহমন্ত্ৰীক তথ্যৰ বিৰৰণ দিয়া

নিৰ্বাচন আয়োগে এই সন্দৰ্ভত আদেশ জাৰি কৰিছে যে অনিবাৰ্য বিবেচনা কৰা মুখ্যমন্ত্ৰী বা গৃহমন্ত্ৰীৰ সুৰক্ষাৰ তথ্য বিৰৰণ গৃহ সচিব বা মুখ্য সচিব দ্বাৰা নিজৰ অধীনলৈ লৈ যাব লাগে, যাক আগলৈ আৰক্ষী বিষয়াৰ দ্বাৰা অৱগত কৰোৱা হ'ব। এই নিৰ্দেশত আগলৈ এইটোও কোৱা হৈছে যে য'ত আৰক্ষী এজেণ্ট/বিষয়াৰ উপস্থিতিক আৱশ্যক বুলি গণ্য কৰা হ'ব, তাত মুখ্য সচিব/গৃহ সচিব এনে তথ্য বিৰৰণত আৰক্ষী এজেণ্ট/বিষয়াক উপস্থিত থাকিবলৈ ক'ব।

*******

### অধ্যায় ৮

# ভোটগ্ৰহণ সমাপ্ত হোৱাৰ ৪৮ ঘণ্টাৰ আগেয়ে নিৰ্বাচনী প্ৰচাৰত বাধা আৰোপ

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ**

- অন্তিম ৪৮ঘণ্টাৰ ম্যাদত সমষ্টিত ৰাজনৈতিক কৰ্মকৰ্তাৰ উপস্থিতিত প্ৰতিবন্ধকতা
  - √ নিৰীক্ষণৰ ব্যৱস্থা
  - √ প্ৰতিবন্ধকতাৰ পৰা ৰেহাই
- অন্তিম ৪৮ঘণ্টাৰ ম্যাদত নিৰ্বাচন সম্বন্ধীয় তথ্যৰ সম্প্ৰচাৰ
- অন্তিম ৪৮ঘণ্টাত নিৰ্বাচন সম্পৰ্কীয় তথ্য ৰেডিঅ'যোগে সম্প্ৰচাৰ কৰিব পাৰি নেকি?
- ছপা মাধ্যমত বিজ্ঞাপন
- প্ৰতিদ্বন্দ্বিতা কৰা অভিনেতাৰ ছবিৰ সম্প্ৰচাৰ (বাণিজ্যিক বিজ্ঞাপনৰ বাহিৰে)

## ৮.১ পাতনি

৮.১.১ আইন-শৃংখলা বজাই ৰখাৰ বাবে, ভোটদানৰ দিনা এটা সুযোগ্য পৰিৱেশ নিশ্চিত কৰাৰ বাবে, কোনেও যাতে ভোটদানৰ সময়ত ভীতিগ্ৰস্ত নহয়, তাৰ বাবে নিৰ্বাচনী আয়োগে সকলো মন্ত্ৰী, সংসদ, ৰাজ্যসভাৰ সদস্য তথা আন ৰাজনৈতিক নেতা নিৰ্দেশ দিছে যে, তেওঁলোকে যিমান পাৰি সিমান সোনকালে নিৰ্বাচনী এলেকা ত্যাগ কৰিব লাগিব। অৰ্থাৎ ভোটগ্ৰহণ বন্ধ হোৱা নিৰ্ধাৰিত ৪৮ ঘণ্টাৰ আগেয়ে।

৮.১.২ *পাব্লিক আইন, ১৯৫১ ৰ ১২৬ নং ধাৰা* অনুসৰি ভোটগ্ৰহণ সমাপ্ত হোৱাৰ নিৰ্ধাৰিত ৪৮ ঘন্টাৰ আগতে জনসভা অনুষ্ঠিত কৰিব নোৱাৰিব, য'ত নিৰ্বাচনী প্ৰচাৰ কৰা হয়। *(ধাৰা ১২৬, পাব্লিক আইন, ১৯৫১)* তলত দিয়া হ'ল —

(১) কোনো ব্যক্তিয়ে—

(ক) *জনসভা, মেল আহ্বান আৰু সমদল কৰিব নোৱাৰিব।*

(খ) *নিৰ্বাচন সংক্ৰান্তিয় কোনো ধৰণৰ কথা চিনেম'গ্ৰাফ, টিভি বা অন্যান্য যন্ত্ৰপাতিৰ দ্বাৰা ৰাজহুৱাকৈ প্ৰদৰ্শন কৰিব নোৱাৰিব।*

(গ) *যিকোনো নিৰ্বাচনী বিষয় প্ৰচাৰ কৰা কোনো ধৰণৰ সংগীত, থিয়েটাৰ বা পৰিৱেশ্য*

*উপাদান আৰু জনগণক আকৰ্ষণ কৰিবৰ বাবে কোনোধৰণৰ মনোৰঞ্জক উপাদান নিৰ্বাচনৰ নিৰ্ধাৰিত ৪৮ ঘন্টাৰ ভিতৰত নিৰ্বাচনী এলেকাত প্ৰচাৰ কৰিব নোৱাৰিব।*

(২) কোনো ব্যক্তিয়ে উপধাৰা-১ অমান্য কৰিলে দুবছৰ পৰ্যন্ত জেল অথবা জৰিমনা অথবা জেল আৰু জৰিমনা দুয়োটাই শাস্তি হিচাপে লাভ কৰিব পাৰে।

(৩) এই ধাৰাত 'নিৰ্বাচনী বিষয়' মানে নিৰ্বাচন সংক্ৰান্তীয় যিকোনো কথা যিয়ে নিৰ্বাচনৰ ফলাফল বা গণনাক প্ৰভাৱিত কৰিব পাৰে।

## ৮.২ অন্তিম ৪৮ঘণ্টাৰ ম্যাদত সমষ্টিত ৰাজনৈতিক কৰ্মকৰ্তাৰ উপস্থিতিত প্ৰতিবন্ধকতা

৮.২..১ এটা নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত, ৰাজনৈতিক দলসমূহে তেওঁলোকৰ সমৰ্থকক সংগঠিত কৰে, ভোটগ্ৰহণ বাবে চামিল হয়, প্ৰচাৰক আৰু শক্তিশালী কৰি তোলে। কিন্তু প্ৰচাৰ বন্ধ কৰাৰ নিৰ্ধাৰিত সময়ৰ পিছত নিৰ্বাচনী এলেকাৰ ভিতৰত কোনো প্ৰচাৰ কৰিব নোৱাৰিব, ৰাজনৈতিক নেতা-কৰ্মী উপস্থিত থাকিব নোৱাৰিব, যিসকল বাহিৰৰ পৰা আহিছে আৰু যি সেই ক্ষেত্ৰৰ ভোটাৰ নহয়, প্ৰচাৰৰ সময় উকলাৰ পিছত তেওঁলোকৰ উপস্থিতিয়ে ভোটকেন্দ্ৰত নিৰপেক্ষ আৰু সুস্থিৰ বাতাবৰণ বৰ্তাই ৰখাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিব পাৰে। গতিকে নিৰ্বাচন আয়োগে সকলো জিলা নিৰ্বাচন প্ৰসাশন তথা পুলিচ প্ৰশাসনলৈ নিৰ্দেশ জাৰি কৰে যাতে ৰাজনৈতিক নেতা-কৰ্মীসকলে নিৰ্বাচনী প্ৰচাৰৰ সময়সীমা শেষ হোৱাৰ লগে লগেই নিৰ্বাচনী ক্ষেত্ৰ ত্যাগ কৰে।

৮.২.২ **নিৰীক্ষণৰ ব্যৱস্থা ঃ** নিৰ্বাচনী প্ৰশাসক আৰু আৰক্ষী প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব পৰাকৈ আয়োগে তলত উল্লেখ কৰা নিৰ্দেশনাখিনি দিছে—

(i) কল্যাণ মণ্ডপ/সম্প্ৰদায় প্ৰেক্ষাগৃহত বাহিৰা লোকৰ উপস্থিতি নিৰীক্ষণ

(ii) ল'জ আৰু গেষ্ট হাউছত থকা অতিথিসকলৰ সত্যাৰোপন

(iii) ভোটকেন্দ্ৰৰ সীমাত তালাচী চকী স্থাপন আৰু কেন্দ্ৰৰ বাহিৰত চলা যান-বাহনৰ নিৰীক্ষণ

(iv) কোনো ব্যক্তি বা ব্যক্তি সমুদায়ৰ পৰিচয়ৰ সত্যাৰোপন, তেওঁলোক ভোটাৰ হয়নে নহয় তাৰ পৰীক্ষণ

৮.২.৩ **প্ৰতিবন্ধকতাৰ পৰা ৰেহাই ঃ** ২০১৭ চনৰ এক উপ-নিৰ্বাচনত নিৰ্বাচনী প্ৰচাৰ শেষ হোৱাৰ পিছত এজন ৰাজনৈতিক নেতাই স্বাস্থ্যজনিত কাৰণত নিৰ্বাচনী আয়োগক তৎকালীনভাবে খবৰ দি নিৰ্বাচনী এলেকা ত্যাগ কৰা নাছিল। এনেক্ষেত্ৰত তলৰ নিৰ্দেশনা অনুসৰি নিৰ্বাচনী আয়োগে বিবেচনা কৰিব—

(i) জিলা নিৰ্বাচনী বিষয়াই মুখ্য নিৰ্বাচনী বিষয়াৰ পৰামৰ্শ অনুসৰি স্বাস্থ্য

পৰীক্ষাৰ বাবে এখন চিকিৎসা সমিতি গঠন কৰিব, য'ত সেই ৰাজনৈতিক নেতাগৰাকীৰ স্বাস্থ্য পৰীক্ষা কৰা হ'ব। চিকিৎসা সমিতিয়ে স্বাস্থ্য পৰীক্ষা কৰি নেতাগৰাকী এম্বুলেঞ্চ বা অন্য বাহনৰ যোগেদি যাত্ৰা কৰাটো স্বাস্থ্যৰ পক্ষে উচিত হ'ব নে নহয় সেই সম্পৰ্কে এক প্ৰতিবেদন দাখিল কৰিব ।

(ii) মেডিকেল প্ৰতিবেদন পৰীক্ষা কৰাৰ পিছত কেৱল নিৰ্বাচনী আয়োগেহে ব্যক্তিগৰাকীৰ যাত্ৰা অব্যাহতিৰ বিষয়ে সিদ্ধান্ত ল'ব পাৰিব।

(iii) যাত্ৰাৰ পৰা ৰেহাই পোৱা ব্যক্তিগৰাকী, যি নিৰ্বাচনী এলেকাতে থাকিব, সেই ব্যক্তিগৰাকীয়ে নিৰ্বাচন সংক্ৰান্তীয় কোনোধৰণৰ কাৰ্যক্ৰমত জড়িত হ'ব নোৱাৰিব। তাৰ বাবে ভোটগ্ৰহণ শেষ নোহোৱালৈকে এজন দণ্ডাধীশৰ নেতৃত্বত সকলো প্ৰৱেশদ্বাৰতে নিৰাপত্তাৰক্ষী থাকিব আৰু ভিডিঅ' কেমেৰাৰ ব্যৱস্থা থাকিব।

## ৮.৩ অন্তিম ৪৮ ঘণ্টাৰ ম্যাদত নিৰ্বাচন সম্বন্ধীয় তথ্যৰ সম্প্ৰচাৰ

৮.৩.১ পূৰ্বতে ধাৰা ১২৬ মতে শেষ ৪৮ ঘণ্টাৰ ম্যাদত নিৰ্বাচনী এলেকাত কোনো ধৰণৰ ৰাজহুৱা সভা অনুষ্ঠিত কৰাত বাধা আৰোপ কৰা হৈছিল। যদিও ১৯৯৬ চনৰ সংশোধনীত ইয়াৰ পৰিধিসমূহ বহলাই লিখা আছে তথাপি এক উপধাৰা মতে নিৰ্বাচনৰ ৪৮ ঘণ্টাৰ সময়ত চিনেমাট'গ্ৰাফী, টেলিভিচন আদি ক্ষেত্ৰত নিৰ্বাচনী কথা প্ৰচাৰ কৰা সন্দৰ্ভত নিষেধাজ্ঞা জাৰি আছে।

৮.৩.২ কিন্তু দেশত বৈদ্যুতিন মাধ্যমৰ ব্যাপক প্ৰচলনৰ সময়ত নিৰ্বাচনী ক্ষেত্ৰ বা ৰাজ্যৰ কোনো স্থানৰ পৰা ইয়াৰ প্ৰচাৰ বন্ধ কৰাটো অসম্ভৱ।

৮.৩.৩ দেশত ২০১৪ চনত সাধাৰণ নিৰ্বাচনৰ সময়ত কিছুমান টিভি চেনেলে নিষেধাজ্ঞা ভংগ কৰি পোনপটীয়া সম্প্ৰচাৰ প্ৰদৰ্শন কৰাৰ বিৰুদ্ধে এক গোচৰ তৰা হৈছিল, তেওঁলোকে ৭ এপ্ৰিলৰ দিনা দিল্লীৰ পৰা ভাৰতীয় জনতা পাৰ্টিৰ ইস্তাহাৰ সম্প্ৰচাৰ কৰিছিল, য'ত অসম আৰু ত্ৰিপুৰাৰ কিছুমান স্থানত ভোটদান চলি আছিল। ই ১২৬ (১) (বি) নং ধাৰা আৰু এনবিএছয়ে আগবঢ়োৱা নিয়মাৱলীৰ নিয়ম উলংঘন কৰিছিল। অভিযোগৰ আদি-বৃতান্ত শুনাৰ পিছত এনবিএছএৰ এক বহল মন্তব্য দিয়ে। যদি 'X' ৰাজ্যৰ নিৰ্বাচন ৰাজ্যত চলি থাকে তেন্তে ৰাই 'Y' ৰাজ্যত সম্প্ৰচাৰ কৰাত 'X'ৰাজ্যই বাধা দিব নোৱাৰিব। এই ক্ষেত্ৰত বিভিন্ন ৰাজনৈতিক দল যিসকলৰ প্ৰাৰ্থীয়ে 'X' ৰাজ্যৰ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা হৈছে তাক গণ্য কৰা হ'ব। কোনো এখন ৰাজ্যত এটা নিৰ্দিষ্ট দলৰ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিলে

ইয়াৰ বিষয়ে মিডিয়াত প্ৰচাৰ কৰিব নোৱাৰিব, কিন্তু অন্য ৰাজ্যত এয়া প্ৰচাৰ হোৱা দেখা যায়। এনে ক্ষেত্ৰত ‘Y’ ৰাজ্যত প্ৰকাশ কৰা ‘X’ ৰাজ্যৰ এনে প্ৰাৰ্থীৰ প্ৰচাৰ বা আক্ৰণাত্মক মন্তব্য প্ৰচাৰ কৰিব নোৱাৰিব। এয়া হ’লে এই সন্দৰ্ভত থকা নিয়মাৱলী উলংঘা কৰা হ’ব।

### ৮.৪ অন্তিম ৪৮ ঘণ্টাত নিৰ্বাচন সম্পৰ্কীয় তথ্য ৰেডিঅ’যোগে সম্প্ৰচাৰ কৰিব পাৰি নেকি ?

ধাৰা ১২৬ ৰ ১ নং উপধাৰাৰ (খ) অনুচ্ছেদ অনুসৰি দূৰদৰ্শন বা তেনে কোনো মাধ্যমত নিৰ্বাচনী বিষয় প্ৰচাৰ কৰাটো নিষেধ। ৰেডিঅ’ সম্পৰ্কে নিৰ্বাচনী আয়োগে স্পষ্টীকৰণ দিছে যে ইয়াত উল্লিখিত অন্য কোনো মাধ্যম হিচাপে ৰেডিঅ’কো অন্তৰ্ভুক্ত কৰা হ’ব। গতিকে ভোটগ্ৰহণৰ সময়ৰ ৪৮ ঘন্টাৰ ভিতৰৰ সমোচোৱাত ৰেডিঅ’ই নিৰ্বাচনী বিষয় প্ৰচাৰ কৰিব নোৱাৰিব।

### ৮.৫ ছপা মাধ্যমত বিজ্ঞাপন

৮.৫.১ ছপা মাধ্যমত কোনো ধৰণৰ ৰাজনৈতিক বিজ্ঞাপন কোনো নিয়মৰ অধীনত নাথাকে, কিন্তু উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে ছপা মাধ্যমৰ বিজ্ঞাপনত কিছুমান প্ৰতিবন্ধকতা আৰোপ কৰা থাকে। ১৯৫০ চনৰ পাব্লিক আইন ১২৭ধাৰাৰ (এ) কোনো ব্যক্তিয়ে নিৰ্বাচনী পত্ৰ, পোষ্টাৰ ইত্যাদি মুদ্ৰণ অথবা পুনৰ মুদ্ৰণ কৰিব নোৱাৰিব। যদিহে প্ৰকাশকৰ নাম বা প্ৰকাশনৰ নাম তাত সন্নিৱিষ্ট নাথাকে। কোনো ব্যক্তিয়ে নিৰ্বাচনী পত্ৰ, পোষ্টাৰ ইত্যাদি মুদ্ৰণ অথবা পুনৰ মুদ্ৰণ কৰিব নোৱাৰিব, যদিহে মুদ্ৰক বা প্ৰকাশকৰ পৰিচয় সম্পৰ্কে তেখেতৰ ব্যক্তিগতভাৱে পৰিচিত দুজন ব্যক্তিৰ হস্তাক্ষৰতাত সাক্ষী হিচাপে নাথাকে।

৮.৫.২ ইয়াৰ বাহিৰেও যদি ৰাজ্যৰ ৰাজধানীত কোনো দস্তাবেজ মুদ্ৰিত কৰা হৈছে তেন্তে মুদ্ৰকে মুদ্ৰণ সামগ্ৰীৰ বিৱৰণ তথা মুদ্ৰণৰ সংখ্যাৰ এক বিৱৰণ, মুদ্ৰণৰ মূল্য ইত্যাদিৰ লগতে কোন স্থানত মুদ্ৰিত কৰা হৈছে, সেই তথ্য সেই জিলাৰ দণ্ডাধীশ অথবা মুখ্য জিলা নিৰ্বাচনী অধ্যক্ষৰ হাতত জমা দিব লাগিব। এই বিধি বিজ্ঞাপনৰ লগত জড়িত সংশ্লিষ্ট ৰাজনৈতিক দল, নিৰ্বাচনী প্ৰাৰ্থী তথা বিজ্ঞাপন প্ৰচাৰ কৰা বাতৰি কাকতৰ লগতো প্ৰযোজ্য হ’ব।

৮.৫.৩ যদি কোনো ব্যক্তিয়ে ওপৰোক্ত বিধিৰ বিপৰীতে কোনো নিৰ্বাচনী হাতপুথি বা প্ৰচাৰ পত্ৰিকা প্ৰকাশ কৰে তেন্তে তেওঁ অতিৰিক্ত ছমাহলৈ জেল বা ২০০০ টকা জৰিমণা বা দুয়োটা শাস্তিয়েই লাভ কৰিব পাৰে।

৮.৫.৪ আইনৰ মতে, নিৰ্বাচনী হাতপুথিখন কোনো কৰ্তৃপক্ষৰ দ্বাৰা অনুমোদিত হ’ব লাগিব। যিবোৰ বিজ্ঞাপন ৰাজনৈতিক দলে প্ৰচাৰ কৰে, সেইবোৰ ৰাজ্যিক পৰ্যায়ৰ

বাবে উচ্চতম ন্যায়ালৰ নির্দেশাৱলীৰ মতে হ'ব লাগিব। ই-বাতৰি কাকতত এনে বিজ্ঞাপন প্ৰকাশৰ বাবেও অনুমতি লাগিব। বৈদ্যুতিন মাধ্যমত বিজ্ঞাপন প্ৰকাশ কৰাৰ বাবে উচ্চতম ন্যায়ালয়ৰ বা তেনে কোনো কর্তৃপক্ষৰ অনুমোদন লাগিব। কিন্তু নির্বাচনৰ অন্তিম ৪৮ ঘন্টাৰ সময়চোৱাত বৈদ্যুতিন মাধ্যমত কোনো বিজ্ঞাপন প্ৰচাৰ কৰিব নোৱাৰিব।

৮.৫.৫ ২০১৫ বৰ্ষৰ বিহাৰ বিধান সভাত ভোটগ্ৰহণৰ আগদিনা নির্বাচনী নিয়ম ভংগ কৰি কেইখনমান কাকতত নির্বাচনকেন্দ্রিক বিজ্ঞাপন প্ৰচাৰ কৰা হৈছিল। এইটো নিশ্চিত কৰিববলৈ আৰু এনে ঘটনা পুনৰাবৃত্তি নহ'বলৈ সংবিধানৰ ৩২৪ অনুচ্ছেদৰ অন্তৰ্গতত নির্বাচনৰ আগত এনে বিজ্ঞাপন প্ৰকাশ নকৰিববলৈ সূচনা জাৰি কৰে। কোনো প্ৰত্যাশী প্রার্থী বা ৰাজনৈতিক দলে এনে ক্ষেত্ৰত কোনো বিজ্ঞাপন প্ৰকাশ কৰিব নোৱাৰিব। নির্বাচন আয়োগৰ ওপৰোক্ত দিশ নির্দেশ অনুসৰি মিডিয়া চার্টিফিকেশ্বন এণ্ড মনিটৰিং কমিটীৰ যোগেদি এই বিষয়ে জানিবলৈ নিয়োগ কৰিছিল। এই কথাখিনি বিহাৰতো সংবাদ মাধ্যমৰ যোগেদি বহুলভাবে প্ৰচাৰ কৰা হৈছিল।

৮.৫.৬ তাৰ পিছৰ পৰা সমস্ত সাধাৰণ নির্বাচনত ভোটদানৰ দিনা বা ভোটদানৰ আগৰ দিনা যিবোৰ ৰাজনৈতিক প্ৰচাৰৰ বিজ্ঞাপন প্ৰচাৰ হ'ব সেইবোৰে পূৰ্ব চৰ্ত মানি চলিব লাগিব বুলি নির্বাচনী আয়োগে সূচনা জাৰি কৰে।

## ৮.৬ প্ৰতিদ্বন্দ্বিতা কৰা অভিনেতাৰ ছবিৰ সম্প্ৰচাৰ (বাণিজ্যিক বিজ্ঞাপনৰ বাহিৰে)

নির্বাচনত যদিহে কোনো অভিনেতাই প্রার্থীত্ব আগবঢ়াই তেন্তে সেই অভিনেতাৰ দ্বাৰা অভিনীত চিনেমা বা বিজ্ঞাপন ভোটগ্ৰহণৰ ৪৮ ঘণ্টাৰ ভিতৰত টেলিভিছনত প্ৰচাৰ কৰিব পাৰিবনে নোৱাৰে, সেই সম্পৰ্কে এক প্ৰশ্ন উত্থাপন হৈছিল। আয়োগৰ নির্দেশ মতে, এনে অভিনেতাৰ চিনেমা টেলিভিছন বা চিনেমা হলত চলিব পাৰিব। কেৱল দূৰদৰ্শন চেনেলটোত এনে অভিনেতাৰ চিনেমা প্ৰচাৰ কৰাৰ পৰা বিৰত থাকিব লাগিব। কাৰণ দূৰদৰ্শন চেনেলটো ৰাজহুৱা ব্যয়ৰে তথা ৰাজহুৱা পুঁজিৰে চলে।

******

# অধ্যায় ৯
# চৰকাৰী ৱেবছাইট/ভৱন/ বিজ্ঞাপনত ফটো/বাৰ্তা প্ৰদৰ্শন

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ**

- চৰকাৰী ৱেবছাইটত ফটো/বাৰ্তা প্ৰদৰ্শন
- চৰকাৰী ভৱনত ফটো/বাৰ্তা প্ৰদৰ্শন
- চৰকাৰী বিজ্ঞাপন/হৰ্ডিঙত ফটো/বাৰ্তা প্ৰদৰ্শন
- এমপি/এমএলএ/এলএডিৰ অধীনত পুঁজিৰ দ্বাৰা ভ্ৰাম্যমান সামগ্ৰীত নাম/ফটো প্ৰদৰ্শন কৰিব পাৰি নে নাই
- হিতাধিকাৰী কাৰ্ড/বৈদ্যুতিক বিল/নিৰ্মাণ স্থান আদিৰ ফলকত ফটো প্ৰদৰ্শন—
- প্ৰাক্তন ৰাষ্ট্ৰীয় নেতা/কবি/বিশিষ্ট ব্যক্তিৰ ছবি প্ৰদৰ্শন কৰিব পাৰি নে নাই
- প্ৰতিৰক্ষা কৰ্মীসকলৰ ফটো ব্যৱহাৰৰ ওপৰত নিষেধাজ্ঞা

## ৯.১ পাতনি

নিৰ্বাচন আয়োগে লক্ষ্য কৰিছে যে মন্ত্ৰীসকলৰ আনুষ্ঠানিক ৱেবছাইট আৰু তেওঁলোকৰ কাৰ্যালয়/সংগঠন, যিয়ে মন্ত্ৰীসকলৰ ৰাজনৈতিক/ৰাজহুৱা জীৱনৰ ব্যক্তিগত সাফল্য বহন কৰে আৰু নিৰ্বাচনৰ সময়তো এই প্ৰদৰ্শন অব্যাহত থাকে। ই আদৰ্শ আচৰণবিধিৰ নিয়মাৱলী উলংঘন কৰে। নিৰ্বাচন আয়োগে এনে ধৰণৰ ৰাজনৈতিক বিজ্ঞাপন নিয়ন্ত্ৰণ কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছে।

## ৯.২ চৰকাৰী ৱেবছাইটত ফটো/বাৰ্তা প্ৰদৰ্শন

৯.২.১ নিৰ্বাচন আয়োগে নিৰ্দেশনা দিছে যে চৰকাৰী বিভিন্ন বিভাগৰ ৱেবছাইটত আৰু ছ'চিয়েল মিডিয়াত মন্ত্ৰীসকলৰ কাম-কাজৰ আলোকপাত, প্ৰশংসা আৰু ব্যক্তিগত প্ৰাপ্তিসমূহ প্ৰদৰ্শন কৰা কাৰ্য আদৰ্শ আচৰণবিধি প্ৰযোজ্য হৈ থকাৰ সময়ত সতৰ্কতাৰে পৰিহাৰ কৰিব লাগে।

৯.২.২ একেদৰে, সকলো মন্ত্ৰী, ৰাজনীতিবিদ বা ৰাজনৈতিক দলৰ সকলো প্ৰসংগ প্ৰদৰ্শন কেন্দ্ৰীয়/ৰাজ্য চৰকাৰৰ আনুষ্ঠানিক ৱেবছাইটৰ পৰা বন্ধ /বাহিৰ /ঢাকি থোৱা/লুকুৱা/আঁতৰ কৰিব লাগিব। মুখ্য নিৰ্বাচনী বিষয়াসকলে ৰাজ্যৰ বিভিন্ন বিভাগৰ চৰকাৰী ৱেবছাইটৰ পৰা যিকোনো ৰাজনৈতিক কৰ্মকৰ্তাৰ ফটো আঁতৰ/লুকুৱাবলৈ তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিব। (পৰিশিষ্ট-XII)।

উপ-নিৰ্বাচনৰ ক্ষেত্ৰত এই নিৰ্দেশনাসমূহ কেৱল সেইসকল ৰাজনীতিবিদ/মন্ত্ৰী আদিৰ ভিতৰত সীমাবদ্ধ থাকিব, যিসকলে এনে উপ-নিৰ্বাচনত নিজে প্ৰাৰ্থী হয়।

৯.২.৩ ২০১৭ চনত নিৰ্বাচন আয়োগে এক অভিযোগ লাভ কৰিছিল যে উত্তৰ প্ৰদেশত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ৱেবছাইটত প্ৰধানমন্ত্ৰী, গৃহ আৰু নগৰ দৰিদ্ৰতা নিৰ্মূল মন্ত্ৰীৰ ছবি প্ৰদৰ্শন কৰা হৈছিল। নিৰ্বাচন আয়োগে বিষয়টো বিবেচনা কৰি প্ৰধানমন্ত্ৰী আৰু মন্ত্ৰীসকলৰ ছবি প্ৰদৰ্শন কৰাটো আপোচ কৰিছিল আৰু এই কাৰ্যই আদৰ্শ আচৰণবিধি উলংঘন কৰিছে, সেয়ে চৰকাৰী ৱেবছাইট 'pmaymis.gov.in' ৰ পৰা এনে ফটোবোৰ তৎক্ষণাত আঁতৰাবলৈ কোৱা হৈছিল।

## ৯.৩ চৰকাৰী ভৱনত ফটো/বাৰ্তা প্ৰদৰ্শন

নিৰ্বাচন আয়োগে লগতে নিৰ্দেশ দিছিল যে আদৰ্শ আচৰণবিধিৰ সময়ত প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী, মন্ত্ৰী আৰু অন্যান্য ৰাজনৈতিকৰ কৰ্মকৰ্তাসকল, যিসকল এতিয়াও ৰাজহুৱা জীৱনত সক্ৰিয় আৰু প্ৰতিদ্বন্দিতা কৰিব পাৰে তেনে লোকৰ ছবি চৰকাৰী ভৱন/চৌহদত প্ৰদৰ্শন কৰিব নালাগে, যিয়ে নিৰ্বাচনত অন্যান্য প্ৰাৰ্থী আৰু ৰাজনৈতিক দলৰ কাৰ্যসমূহক প্ৰভাৱান্বিত কৰিব পাৰে।

## ৯.৪ চৰকাৰী বিজ্ঞাপন/হৰ্ডিঙৰ ওপৰত ফটো/বাৰ্তা প্ৰদৰ্শন

নিৰ্বাচন আয়োগে নিৰ্দেশ দিছিল যে পৰিয়াল পৰিকল্পনা, সমাজ কল্যাণ আঁচনি আদি সন্দৰ্ভত সাধাৰণ জনতাক তথ্য আৰু সাধাৰণ বাৰ্তা প্ৰদান কৰিবলৈ চৰকাৰে স্থাপন কৰা হৰ্ডিং, বিজ্ঞাপন ইত্যাদি প্ৰদৰ্শন কৰিবলৈ অনুমতি দিয়া হ'ব পাৰে। অৱশ্যে, সেইসমূহ হৰ্ডিং, বিজ্ঞাপন ইত্যাদিত যিকোনো সক্ৰিয় ৰাজনৈতিকৰ সাফল্য সন্ধান কৰা বা ৰাজনৈতিক দল অথবা কৰ্মী বা তেওঁলোকৰ দলৰ ফটো বা নাম, কোনো ৰাজনৈতিক প্ৰতীক চিহ্ন আঁতৰ কৰা উচিত। কোনো কাৰণতে ৰাজনৈতিক দল বা নেতাই তেওঁলোকৰ সাফল্য, ব্যক্তিগত প্ৰতিচ্ছবিসমূহ ৰাজহুৱা সম্পদ ব্যৱহাৰ কৰি ৰাইজৰ ধনেৰে প্ৰচাৰ কৰিব নোৱাৰিব। এনে হৰ্ডিং আদি নিঃসন্দেহে ৰাজহুৱা ব্যয়ত তেওঁলোকৰ ব্যক্তিগত/দলৰ নিৰ্বাচনী প্ৰচাৰ।

## ৯.৫ এমপি/এমএলএ/এলএডিৰ অধীনত পুঁজিৰ দ্বাৰা ভ্ৰাম্যমান সামগ্ৰীত নাম/ফটো প্ৰদৰ্শন কৰিব পাৰি নে নাই

নিৰ্বাচন আয়োগে অভিযোগ লাভ কৰিছে যে ৰাজ্যত নিৰ্বাচনৰ সময়ত বিভিন্ন স্থানত এমপি/এলএডি/ এমএলএ/এলএডি আঁচনিসমূহ অধীনত আঁচনিৰ ধনেৰে ভ্ৰাম্যমান সামগ্ৰী যেনে— পানীৰ টেংক, এম্বুলেন্স আদি প্ৰদান কৰে আৰু এমপি/এমএলএসকলৰ নাম মুদ্ৰণ কৰে। নিৰ্বাচন আয়োগে বিষয়টো বিবেচনা কৰিছে আৰু নিৰ্দেশ দিছে যে এনে বাহনৰ

পৰা এমপি/বিধায়ক আদিৰ নাম নিৰ্বাচনৰ সময়ত উপযুক্তভাৱে ঢাকি থ'ব লাগিব, কিয়নো এনে বাহন এঠাইৰ পৰা আন এঠাইলৈ চলাচল কৰে যি সংশ্লিষ্ট এমপি/এমএলএসকলৰ সপক্ষে নিৰ্বাচন প্ৰচাৰ চলোৱা সূচাব পাৰে।

## ৯.৬ হিতাধিকাৰীৰ কাৰ্ড/বৈদ্যুতিক বিল/নিৰ্মাণৰ স্থানত ফটো প্ৰদৰ্শন—

৯.৬.১ এই বিষয়ক লৈ নিৰ্বাচন আয়োগে জাৰি কৰা স্পষ্টীকৰণ তলত উল্লেখ কৰা ধৰণৰ—

(i) আদৰ্শ আচৰণবিধি অব্যাহত থকাৰ সময়ত হিতাধিকাৰীসকলক বিতৰণ কৰা হিতাধিকাৰী কাৰ্ড, নিৰ্মাণৰ স্থান, ফলক আদিত মুখ্যমন্ত্ৰী, প্ৰধানমন্ত্ৰী, অন্যান্য ৰাজনৈতিক কৰ্মকৰ্তাসকলৰ ফটো/বাৰ্তা অন্তৰ্ভুক্ত কৰিব নোৱাৰিব। অৱশ্যে, নিৰ্বাচন ঘোষণাৰ পূৰ্বে বিতৰণ কৰা হিতাধিকাৰী কাৰ্ড, নিৰ্মাণৰত স্থানৰ ফলক আদিত থকা ৰাজনৈতিক কৰ্মকৰ্তাসকলৰ ফটোৰ ক্ষেত্ৰত কোনো হস্তক্ষেপ নাথাকিব।

(ii) একেদৰে, আদৰ্শ আচৰণবিধি বলৱতৰ পিছত বিদ্যুতৰ বিল, পানীৰ বিল আদিত বা ৰাজনৈতিক কৰ্মকৰ্তা/দলৰ বাৰ্তা/চিহ্ন কোনো ফটো থাকিব নোৱাৰে।

৯.৬.২ ২০১৭ চনত গোৱা বিধানসভা নিৰ্বাচনৰ সময়ত, নিৰ্বাচন আয়োগে এক অভিযোগ লাভ কৰিছিল যে পেট্ৰ'ল-পাম্পসমূহত প্ৰধানমন্ত্ৰীৰ ফটোগ্ৰাফৰ সৈতে হৰ্ডিং প্ৰদৰ্শন কৰা হৈছিল। নিৰ্বাচন আয়োগে প্ৰয়োজনীয় নিৰ্দেশনা জাৰি কৰি ফটোসমূহ আঁতৰাবলৈ দিছিল। সেইদৰে, ছপা মাধ্যমৰ এটা বাতৰিৰ ওপৰত ভিত্তি কৰি, নিৰ্বাচন আয়োগে ২০১৭ চনৰ উত্তৰাখণ্ডৰ বিধানসভাৰ নিৰ্বাচনৰ সময়ত তেল কোম্পানীসমূহৰ দ্বাৰা এলপিজি গেছৰ ৰাজসাহায্য লাভ কৰা গ্ৰাহকসকললৈ প্ৰধানমন্ত্ৰীৰ ফটোসম্বলিত প্ৰমাণপত্ৰ বিতৰণ বন্ধ কৰিবলৈ নিৰ্দেশ দিছিল।

## ৯.৭ প্ৰাক্তন ৰাষ্ট্ৰীয় নেতা/কবি/বিশিষ্ট ব্যক্তিৰ ছবি প্ৰদৰ্শন কৰিব পাৰি নে নাই

নিৰ্বাচন আয়োগে স্পষ্ট কৰিছে যে প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী, মন্ত্ৰী আৰু অন্যান্য ৰাজনৈতিক কৰ্মকৰ্তাসকলৰ ফটো প্ৰদৰ্শিত হ'ব নালাগে। অৱশ্যে, প্ৰাক্তন ৰাষ্ট্ৰীয় নেতা, কবি আৰু ঐতিহাসিক বিশিষ্ট ব্যক্তিত্ব বা ভাৰতৰ ৰাষ্ট্ৰপতি আৰু ৰাজ্যপালসকলৰ ফটো প্ৰদৰ্শন সন্দৰ্ভত এই নিৰ্দেশনা প্ৰযোজ্য নহ'ব আৰু ইয়াৰ প্ৰদৰ্শন অব্যাহত থাকিব পাৰে। ২০১৩ চনত DAVP-ৰ পৰা এটা প্ৰসংগ লাভ কৰা গৈছিল— প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ মৃত্যু বাৰ্ষিকী উপলক্ষে আৰু চৰ্দাৰ বল্লভভাই পেটেলৰ জন্মবাৰ্ষিকীত বিজ্ঞাপনসমূহত তেওঁলোকৰ ফটো আৰু বাৰ্তাসমূহ প্ৰকাশ কৰিব পৰা যাব নে নাই। নিৰ্বাচন আয়োগে

সিদ্ধান্ত লৈছিল যে বিয়োগ ঘটা ৰাজনৈতিক নেতা আৰু শেহতীয়াকৈ মৃত্যু হোৱা ৰাজনৈতিক নেতা সন্দৰ্ভত ফটো আৰু বাৰ্তা প্ৰদৰ্শন কৰাৰ ক্ষেত্ৰত কোনো আপত্তি নাথাকিব পাৰে।

## ৯.৮ প্ৰতিৰক্ষা কৰ্মীসকলৰ ফটোৰ ব্যৱহাৰৰ ওপৰত নিষেধাজ্ঞা

৯.৮.১ প্ৰতিৰক্ষা মন্ত্ৰালয়ে নিৰ্বাচন আয়োগৰ দৃষ্টিগোচৰ কৰিছিল যে একাংশ ৰাজনৈতিক দল তেওঁলোকৰ নেতা আৰু প্ৰাৰ্থীয়ে তেওঁলোকৰ নিৰ্বাচনী উদ্দেশ্য প্ৰচাৰৰ অংশ হিচাপে প্ৰতিৰক্ষা কৰ্মীসকলৰ ফটো ব্যৱহাৰ কৰিছে আৰু এই ক্ষেত্ৰত নিৰ্বাচনী আয়োগক উপযুক্ত নিৰ্দেশনা জাৰি কৰিবলৈ অনুৰোধ কৰিছিল।

৯.৮.২ নিৰ্বাচনী প্ৰচাৰ/দলীয় উদ্দেশ্য/বিজ্ঞাপনৰ লগতে ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ সৈতে সেনাধ্যক্ষ বা অন্যান্য প্ৰতিৰক্ষা কৰ্মীৰ ফটো ব্যৱহাৰ কৰিব নোৱাৰিব আৰু এই সন্দৰ্ভত নিৰ্বাচনী আয়োগে বিশেষ ব্যৱস্থাপনা অটুট ৰাখিছে। নিৰ্বাচন আয়োগৰ অনুসৰি, ৰাজনৈতিক দলৰ প্ৰাৰ্থী আৰু নেতাসকলে তেওঁলোকৰ নিৰ্বাচনী প্ৰচাৰ/উদ্দেশ্য প্ৰচাৰ আদিৰ বিজ্ঞাপনত প্ৰতিৰক্ষা কৰ্মীৰ ফটো যাতে জড়িত নকৰে সেই সন্দৰ্ভত সকলো ৰাজনৈতিক দলক তেওঁলোকৰ প্ৰাৰ্থীসকলক পৰামৰ্শ দিব।

*********

# অধ্যায় ১০
# বাহনৰ ব্যৱহাৰ/অধিগ্ৰহণ

অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ-

- বাহনৰ অধিগ্ৰহণৰ সন্দৰ্ভত আইনী ব্যৱস্থা
- বাহনৰঅধিগ্ৰহণত ৰেহাই
- অধিগ্ৰহণ কৰা বাহনৰ বাবে ক্ষতিপূৰণ
- সংকলিত নিৰ্দেশনা
  - √ চৰকাৰী বাহন ব্যৱহাৰত নিষেধাজ্ঞা
  - √ কনভয় বাহনত সীমাবদ্ধতা
  - √ মনোনয়ন দাখিলৰ সময়ত বাহনৰ ব্যৱহাৰ
  - √ নিৰ্বাচন প্ৰচাৰৰ উদ্দেশ্যে বাহনৰ ব্যৱহাৰ
  - √ ভোটদানৰ দিনা বাহনৰ ব্যৱহাৰ
  - √ ভিডিঅ’-ভেন
  - √ প্ৰচাৰ কাৰ্যত বাইকৰ ব্যৱহাৰ
  - √ নিৰ্বাচনৰ সময়ত ৰোড শ্ব’ৰ নিদেৰ্শনাৱলী
  - √ ষ্টাৰ কেম্পেইনাৰৰ দ্বাৰা পথ পৰিবহণৰ ব্যৱহাৰ
- অধ্যক্ষ/উপাধ্যক্ষ বা বিভিন্ন ব’ৰ্ড/আয়োগ/পিএছইউৰ কৰ্মকৰ্তাসকলৰ দ্বাৰা চৰকাৰী বাহনৰ ব্যৱহাৰ
- সুৰক্ষাৰ বাবে প্ৰদান কৰা বুলেট প্ৰুফ বাহন

## ১০.১ পাতনি

নিৰ্বাচনৰ সময়ত যোগাযোগৰ ক্ষেত্ৰত বাহন হৈছে আটাইতকৈ অত্যাৱশ্যকীয় উপাদান আৰু সেয়েহে, ইয়াৰ চাহিদা যথেষ্ট আছে। কেৱল ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ বাবেই নহয়, নিৰ্বাচনী ব্যৱস্থাপনা চলোৱাৰ বাবে বিষয়াসকলৰ বিভিন্ন চৰকাৰী কাৰ্য আৰু ভোটগ্ৰহণ দলৰ যাতায়াত, ভোটগ্ৰহণৰ সামগ্ৰী আৰু নিৰাপত্তাৰক্ষীৰ পৰিবহণৰ ক্ষেত্ৰতো ই গুৰুত্বপূৰ্ণ।

## ১০.২ বাহনৰ অধিগ্ৰহণ সন্দৰ্ভত আইনী ব্যৱস্থা

জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ৰ ধাৰা ১৬০ (১) অনুযায়ী ৰাজ্য চৰকাৰে নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰয়োজন সাপেক্ষে যিকোনো বাহন, জাহাজ বা জন্তু, যদি প্ৰয়োজন, ৰিকুইজিচন কৰিব পাৰে।

## ১০.৩ বাহনৰ অধিগ্ৰহণত ৰেহাই

নিম্নলিখিত শ্ৰেণীসমূহত ব্যৱহৃত বাহনসমূহক ৰিকুইজিচনৰ পৰা ৰেহাই দিয়া হৈছে—

(i) নিৰ্বাচনৰ সৈতে জড়িত প্ৰাৰ্থী বা তেওঁৰ এজেণ্টে নিয়মগতভাৱে ব্যৱহাৰ কৰা বাহনসমূহ।

(ii) বন্যপ্ৰাণী অভয়াৰণ্য, ৰাষ্ট্ৰীয় উদ্যান আৰু ৰাষ্ট্ৰীয় ক্ৰীড়া উদ্যানৰ বাহন।

(iii) একেদৰে, ভাৰত সঞ্চাৰ নিগমৰ কৰ্মচাৰীসকলৰ বাহনসমূহকো ৰেহাই দিয়া হৈছে।

(iv) অ’ল ইণ্ডিয়া ৰেডিঅ’ আৰু দূৰদৰ্শনৰ বাহনসমূহকো ৰেহাই দিয়া হৈছে, যিহেতু নিৰ্বাচনৰ

সময়ত তেওঁলোক নিৰ্বাচনী কাৰ্যৰ সৈতে জড়িত হৈ থাকে।

(v) নিৰ্বাচন আয়োগে বিশ্ব স্বাস্থ্য সংস্থা, ইউনিচেফ আৰু ইউ এণ্ড অ'ৰ, অন্যান্য সংগঠন যেনে— পলিঅ' প্ৰকল্প আদিৰ বাহনসমূহকো নিৰ্বাচনী কাৰ্যত ব্যৱহাৰ হোৱাকৈ ৰিকুইজিচনৰ পৰা ৰেহাই দিয়া হৈছে।

## ১০.৪ অধিগ্ৰহণকৰা বাহনৰ বাবে ক্ষতিপূৰণ

অধিগ্ৰহণত থকা সময়ত বাহন, জাহাজ বা জীৱ-জন্তুৰ যিকোনো ক্ষতিপূৰণৰ বাবে চৰকাৰ দায়বদ্ধ। এই ক্ষতিপূৰণ সংশ্লিষ্ট অঞ্চলত চলি থকা ভাড়া বা নিৰিখৰ আধাৰত গৰাকীক পৰিশোধ কৰা হ'ব। যদি, গৰাকীয়ে ক্ষতিপূৰণৰ পৰিমাণত সন্তুষ্ট নহয় তেন্তে তেওঁ ৰাজ্য চৰকাৰক ক্ষতিপূৰণ প্ৰদানৰ ১৪ ৰ ভিতৰত আবেদন কৰিব লাগিব। যাতে চৰকাৰে এজন বিষয়াক এই বিষয়টো অৰ্পন কৰে।

## ১০.৫ সংকুলিত নিৰ্দেশনা

১০.৫.১ এই বিধিয়ে ৰাজনৈতিক দল বা প্ৰাৰ্থীয়ে ব্যৱহাৰ কৰা বাহনৰ সংখ্যাৰ ওপৰত কোনোধৰণৰ সীমা নিৰ্দিষ্ট নকৰে। কোনো আইনী প্ৰতিবন্ধকতা নাথাকিলে, নিৰ্বাচন আয়োগে নিৰ্বাচনৰ সময়ত ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসকলে ব্যৱহাৰ কৰা বাহনৰ সংখ্যাৰ সন্দৰ্ভত যুক্তিসংগত নিয়ন্ত্ৰণ কৰাৰ বাবে সময়ে-সময়ে কেইবাটাও ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত সকলো অংশীদাৰসকলৰ স্পষ্টতা আৰু সহজ প্ৰসংগৰ বাবে নিৰ্বাচন আয়োগে কেইবাটাও নিৰ্দেশনা জাৰি কৰিছে। উক্ত নিৰ্দেশনাসমূহ সংকুলিত কৰা হৈছে আৰু ২০১৪ চনৰ ১০ এপ্ৰিলত জাৰি কৰা হৈছে। (পৰিশিষ্ট XIII)। উপযুক্ত স্পষ্টীকৰণসহ বিতং নিৰ্দেশনাসমূহ তলত উল্লেখ কৰা ধৰণৰ—

### ১০.৫.১ চৰকাৰী বাহন ব্যৱহাৰত নিষেধাজ্ঞা

(i) ইয়াত উল্লেখ কৰা ব্যতিক্ৰমৰ অধীনত, নিৰ্বাচনী আয়োগে নিৰ্বাচনৰ সূচী ঘোষণা কৰাৰ পিছত আৰু নিৰ্বাচনী প্ৰক্ৰিয়া সমাপ্ত নোহোৱালৈকে নিৰ্বাচনী প্ৰচাৰ, নিৰ্বাচনত জড়িত পৰিভ্ৰমণ ক্ষেত্ৰত জড়িত যিকোনো ৰাজনৈতিক, ৰাজনৈতিক দল, প্ৰাৰ্থীৰ দ্বাৰা চৰকাৰী বাহনৰ ব্যৱহাৰৰ ওপৰত সম্পূৰ্ণ নিষেধাজ্ঞা জাৰি কৰিব লাগিব (নিৰ্বাচন সম্পৰ্কীয় চৰকাৰী কৰ্তব্যত জড়িত বিষয়াসকলৰ বাহিৰে)।

*(চৰকাৰী বাহনে (ক) কেন্দ্ৰীয় চৰকাৰ (খ) ৰাজ্য চৰকাৰ/ কেন্দ্ৰীয়শাসিত প্ৰশাসন, (গ) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান, (ঘ) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ যৌথ উদ্যোগৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান, (ঙ) স্থানীয় নিগম, (চ) পৌৰ নিগম, (ছ) বাণিজ্যিক ব'ৰ্ড (যদি নাম জনা যায়), (জ) সমবায় সমিতি,*

*(ঝ) স্বায়ত্তশাসিত জিলা কাউন্সিল বা আন যিকোনো সংস্থা য'ত ৰাজহুৱা ব্যয়ৰ যিকোনো সংস্থা, সামগ্রিকভাৱে নগণ্য হ'লে বিনিয়োগ থকা আৰু লগতে ৰাজ্য চৰকাৰ আৰু কেন্দ্রীয় গৃহ মন্ত্রণালয়, প্রতিৰক্ষা মন্ত্রণালয়ৰ সকলো বাহনক সূচায়)।*

(ii) নির্বাচনী প্রচাৰৰ ক্ষেত্রত উপৰোক্ত দফা অনুযায়ী কোনো কর্তৃপক্ষৰ দ্বাৰা চৰকাৰী বাহনসমূহ ব্যৱহৃত হৈছে নেকি সেই সন্দৰ্ভত জিলা প্রশাসনে তীব্র নিৰীক্ষণ ৰাখিব। যদি এনে হয়, জিলা দণ্ডাধীশে জনপ্রতিনিধিত্ব আইন, ১৯৫১ৰ ধাৰা ১৬০ (১) অনুযায়ী সকলো পদ্ধতি অৱলম্বন কৰি এনে বাহনসমূহ নির্বাচনৰ কার্যত ব্যৱহাৰ কৰাৰ বাবে ৰিকুইজিচন কৰিব পাৰে। নির্বাচনী প্রক্রিয়া সমাপ্ত নোহোৱালৈকে এনে বাহনসমূহ মুকলি কৰি দিয়া নহ'ব।

*(স্পষ্টীকৰণ ঃ (ক) এইটো স্পষ্ট কৰা হৈছে যে বাহনৰ ব্যৱহাৰৰ ওপৰত নিষেধাজ্ঞা ৰাজ্যত নির্বাচন অনুষ্ঠিত হোৱা বাহনবোৰৰ উপৰি অন্য ৰাজ্য, য'ত নির্বাচন অনুষ্ঠিত হ'বলৈ যোৱা নাই সেই সমূহৰ ওপৰতো সমানে প্রযোজ্য। প্রত্যেকখন ৰাজ্য/কেন্দ্রীয়শাসিত অঞ্চলৰ মুখ্য সচিব/ভাৰত চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ সচিবো এইক্ষেত্রত মন্ত্রণালয়/বিভাগ/ৰাজহুৱা খণ্ডৰ/যুটীয়া খণ্ডৰ উদোগ/স্বায়ত্তশাসিত সমিতি/মন্ত্রণালয় বা বিভাগৰ অধীনত থকা কার্যালয়ৰ বাহনৰ অপব্যৱহাৰৰ বাবে দায়বদ্ধ হ'ব। যিকোনো নিয়ম উলংঘাৰ বাবে কার্যালয়সমূহ যাৰ অধীনত এই বাহনসমূহ আছে তেওঁলোকো সমানে দায়বদ্ধ হ'ব)।*

(খ) এইটো আৰু স্পষ্ট কৰা হৈছে যে এনে কর্তৃপক্ষৰ যিকোনো ব্যক্তিৰ দ্বাৰা (কেন্দ্র বা ৰাজ্য চৰকাৰৰ দণ্ডাধীশ সহিতে) তেওঁলোকৰ মন্ত্রীৰ চৰকাৰী কামৰ অজুহাতত বা নির্বাচনৰ সৈতে জড়িত প্রচাৰ কার্য, ধনৰ বিনিময়ত ভাড়াত লৈ হ'লেও এনে বাহনৰ ব্যৱহাৰ সম্পূর্ণৰূপে নিষিদ্ধ।

*(ব্যতিক্রম ঃ (ক) ওপৰোক্ত নিষেধাজ্ঞাৰ ক্ষেত্রত একমাত্র ব্যতিক্রম যে প্রধানমন্ত্রী আৰু অন্যান্য ৰাজনৈতিক ব্যক্তি, যি সন্ত্রাসবাদী আৰু উগ্রপন্থীৰ নজৰত আছে তেওঁলোকৰ জীৱনলৈ ভাবুকি থকা হেতু সংসদ বা ৰাজ্যৰ বিধানসভাই বিধিবদ্ধভাৱে প্রদান কৰা এক উচ্চস্তৰীয় সুৰক্ষাৰ প্রয়োজন।*

*(খ) ভাৰতৰ ৰাষ্ট্রপতি আৰু উপ-ৰাষ্ট্রপতি, লোকসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ, ৰাজ্যসভাৰ উপ-সভাপতি আৰু অন্য ৰাজ্যৰ পৰা ভ্রমণ কৰা এনে গণ্যমান্য ব্যক্তিৰ ক্ষেত্রত ওপৰোক্ত প্রতিবন্ধকতাও ইয়াৰ ক্ষেত্রত প্রযোজ্য নহ'ব। অৱশ্যে, এইটো আৰু স্পষ্ট কৰা হৈছে যে লোকসভাৰ অধ্যক্ষৰ আৰু উপাধ্যক্ষ, ৰাজ্যসভাৰ উপ-*

*সভাপতিৰ ক্ষেত্ৰত লোকসভাৰ সাধাৰণ নিৰ্বাচনৰ সময়ত এই নিষেধাজ্ঞা প্ৰযোজ্য হ'ব, একেদৰে কেন্দ্ৰ আৰু ৰাজ্যৰ যিকোনো মন্ত্ৰীৰ ক্ষেত্ৰতো সেয়া প্ৰযোজ্য হ'ব।*

(iii) এনে যিকোনো ব্যক্তিত্বৰ ক্ষেত্ৰত প্ৰদান কৰা নিৰাপত্তাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে নিৰ্বাচন আয়োগক সবিশেষ জনাব লাগিব।

(iv) যদি নিৰাপত্তাৰ প্ৰয়োজনীয়তাৰ মূল্যায়নৰ ক্ষেত্ৰত বিশেষ সুৰক্ষা গোট আইন, ১৯৮৮ বা অন্যান্য কোনো বিশেষ আইন বা নিৰ্দেশনাৰ অধীনত চৰকাৰে নিৰ্দেশনা দিছে বা অপ্ৰত্যাশিতভাৱে নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে অযথা অতিৰিক্ত কোনো নিৰ্দিষ্ট দল বা প্ৰাৰ্থীক সুৰক্ষা প্ৰদান কৰি সহায় কৰা বুলি নিৰ্বাচন আয়োগৰ সন্দেহ ওপজে তেন্তে আয়োগে সংশ্লিষ্ট চৰকাৰক তাৎক্ষণিক আৰু উপযুক্ত সংশোধনমূলক পদক্ষেপ ল'বলৈ ক'ব।

(v) নিৰাপত্তা সংস্থাৰ দ্বাৰা মূল্যায়ন কৰা অনুযায়ী কোনো এজন ব্যক্তিক সুৰক্ষাৰ প্ৰয়োজন হয় আৰু তেওঁ বুলেট প্ৰুফ বাহনৰ সৈতে ভ্ৰমণ কৰিব লাগে, তেতিয়া মাত্ৰ এখনহে বাহন ব্যক্তিজনৰ ধন ব্যয় সাপেক্ষে চৰকাৰে প্ৰদান কৰিব পাৰিব। এনে বুলেট প্ৰুফ বাহনত আন কোনো ৰাজনৈতিক নেতা/কৰ্মী (তেওঁ আৰু স্বাস্থ্য কৰ্মী বাহিৰে)ক ভ্ৰমণ কৰিবলৈ অনুমতি দিয়া নহ'ব।

**১০.৫.২ কনভয় বাহনৰ ওপৰত সীমাবদ্ধতা ঃ** (i) যদি কোনো পৰিস্থিতিৰ উদ্ভৱ নহয়, নিৰাপত্তাৰক্ষীৰ নিৰাপত্তা বাহনবোৰ বাদ দি এটা কনভয়ত দহতকৈ অধিক অনুমতি দিয়া হ'ব। এনে কনভয় বাহনে কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ মন্ত্ৰীৰ বাবে হ'ব। দহখন বাহন সৰলৰেখিক নকৰি ১০০ মিটাৰৰ ব্যৱধান বৰ্তাই ৰাখিব লাগিব। অৱশ্যে, এনে ব্যক্তিৰ ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষই জাৰি কৰা নিৰাপত্তা নিৰ্দেশনাৰ অধীনত এয়া কৰা হ'ব।

(ii) নিৰ্বাচনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱালৈকে স্থানীয় প্ৰশাসনে এইটো নিশ্চিত কৰিব লাগিব যে কনভয় বাহন নিৰ্বাচনী কামত ব্যৱহাৰ হোৱা নাই।

**১০.৫.৩ মনোনয়ন দাখিলৰ সময়ত বাহনৰ ব্যৱহাৰ ঃ** ৰিটাৰ্ণিং বিষয়া/সহকাৰী ৰিটাৰ্ণিং বিষয়াৰ কাৰ্যালয় ১০০ মিটাৰ পৰিধিৰ ভিতৰত এজন প্ৰাৰ্থীৰ হৈ সেই কাৰ্যালয়লৈ যোৱা মনোনয়ন পত্ৰ দাখিল কৰাৰ শোভাযাত্ৰাৰ বাহনৰ ক্ষেত্ৰত তিনিখনহে বাহন প্ৰৱেশৰ অনুমতি থাকিব। ১০০ মিটাৰ পৰিধি ৰিটাৰ্ণিং বিষয়া/জিলা নিৰ্বাচন বিষয়াই স্পষ্টভাৱে নিৰ্ধাৰণ কৰিব লাগিব। কাৰ্যালয়ৰ কেৱল এখন দুৱাৰহে প্ৰাৰ্থী +৪জনৰ প্ৰৱেশৰ বাবে খোলা ৰখা হ'ব আৰু অন্যান্য ব্যক্তিৰ প্ৰৱেশ লগতে

আন সকলো দুৱাৰ বন্ধ কৰিব লাগে। প্ৰৱেশ দুৱাৰত প্ৰকৃত সময় ৰেকৰ্ড কৰিবলৈ এটা চিচি টিভি কেমেৰা ৰাখিব লাগিব।

১০.৫.৪ **নিৰ্বাচনী উদ্দেশ্যে বাহনৰ ব্যৱহাৰ ঃ** (i) প্ৰাৰ্থী এজনে নিৰ্বাচনৰ উদ্দেশ্যে ব্যৱহাৰ কৰিব পৰা বাহনৰ ক্ষেত্ৰত কোনো সীমা নিৰ্ধাৰণ নাই। কিন্তু প্ৰচাৰ আৰম্ভ হোৱাৰ আগতে, প্ৰাৰ্থীজনে জিলা নিৰ্বাচন বিষয়া বা তেনেকুৱা বিষয়াসকল যাক জিলা নিৰ্বাচন বিষয়াই অনুমোদন কৰিব, এনে সকলো বাহন আৰু তেওঁ প্ৰচাৰ কৰিব বিচৰা অঞ্চলবোৰৰ বিৱৰণ প্ৰদান কৰিব লাগিব। বিষয়াজনে প্ৰয়োজনীয় পৰীক্ষাৰ পিছত, প্ৰাৰ্থীৰ এনে প্ৰতিখন বাহনৰ ক্ষেত্ৰত অনুমতিপত্ৰ জাৰি কৰিব। অনুমতিপত্ৰত বাহনখনৰ নম্বৰ, অনুমতি জাৰি কৰা তাৰিখ, প্ৰাৰ্থীৰ নাম আৰু অঞ্চল (য'ত ইয়াক প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰা হ'ব) আদিৰ বিৱৰণ থাকিব লাগিব। অনুমতিপত্ৰৰ মূল প্ৰতিলিপি (ফটো কপি নহয়) বাহনখনৰ উইণ্ড স্ক্ৰীণত প্ৰদৰ্শন কৰিব লাগে যাতে দূৰৈৰ পৰাই ইয়াক সহজে দেখা পোৱা যায়।

(ii) অতিৰিক্ত বাহনৰ অনুমতিপত্ৰ কেৱল প্ৰাৰ্থী বা তেওঁৰ এজেণ্টে কৰ্তৃপক্ষক জনোৱাৰ পিছতহে লাভ কৰিব।

(iii) প্ৰাৰ্থীয়ে ব্যৱহাৰ কৰা বাহনবোৰৰ বিৱৰণ জিলা নিৰ্বাচন বিষয়াই নিৰ্বাচন ব্যয় পৰ্যবেক্ষকসকলক জনাব যাতে প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ হিচাপত ইয়াক সঠিকভাৱে অন্তৰ্ভুক্ত কৰা হয়।

(iv) যদি এখন বাহন অনুমোদিত প্ৰাৰ্থীৰ উপৰি আন এজন প্ৰাৰ্থীৰ বাবে ব্যৱহাৰ কৰা ধৰা পৰে তেন্তে বাহনখনৰ অনুমতিপত্ৰ প্ৰত্যাহাৰ কৰা হ'ব আৰু জিলা নিৰ্বাচন বিষয়াৰ কৰ্তৃপক্ষৰ অধীনত জব্দ কৰা হ'ব।

(v) যদি কোনো প্ৰাৰ্থীয়ে বাহনৰ অনুমতিপত্ৰ লাভ কৰাৰ পিছতো প্ৰচাৰ অভিযানত দুই দিনতকৈ অধিক সময়ৰ বাবে বাহনসমূহ ব্যৱহাৰ কৰিব নিবিচাৰে, তেন্তে তেওঁ এই বাহনসমূহৰ অনুমতিপত্ৰ বাতিলৰ বাবে জিলা নিৰ্বাচন বিষয়াক জনাব লাগিব। যদি প্ৰাৰ্থীজনে এনে কৰিবলৈ ব্যৰ্থ হয়, তেন্তে এয়া মানি লোৱা হ'ব যে প্ৰাৰ্থীয়ে অনুমোদিত বাহনসমূহ প্ৰচাৰ অভিযানৰ উদ্দেশ্যে ব্যৱহাৰ কৰিছে আৰু সেই অনুসৰি, এনে বাহনৰ ব্যৱহাৰৰ ব্যয় অধিসূচনা কৰা হাৰ অনুসৰি তেওঁৰ নিৰ্বাচনী ব্যয়ৰ হিচাপত যোগ কৰা হ'ব।

(vi) যিকোনো বাহন যি অনুমতিপত্ৰ/অনুমোদন অবিহনে প্ৰাৰ্থীৰ বাবে প্ৰচাৰ অভিযানত ব্যৱহাৰ কৰা হৈছে, ইয়াক ভাৰতীয় দণ্ড বিধিৰ অধ্যায় IXAক

অৱজ্ঞা কৰা বুলি গণ্য কৰা হ'ব। ইয়াক ততালিকে নিৰ্বাচনী প্ৰচাৰ কাৰ্যৰ পৰা বাহিৰ কৰা হ'ব। (আইপিচিৰ অধ্যায় IX A অনুসৰি নিৰ্বাচনৰ বিধি ভংগ কৰাটো অপৰাধ আৰু ইয়াৰ বাবে শাস্তিৰ ব্যৱস্থা আছে)।

(vii) প্ৰাৰ্থীসকলৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে মোতায়েন কৰা বাহনসমূহ প্ৰশাসনে অধিগ্ৰহণ কৰিব নালাগে।

(viii) পিপ'ল আইন, ১৯৫১ ৰ অনুচ্ছেদ ৭৭(১)ৰ অধীনত (এ) বিৱৰণৰ লাভালাভ অনুসৰি ৰাজনৈতিক দলৰ নেতাসকল, অৰ্থাৎ তাৰকা প্ৰচাৰকৰ পথ পৰিবহণৰ ব্যৱস্থাৱলী মুখ্য নিৰ্বাচনী বিষয়াই এনে দলৰ নেতাসকলে একেখন বাহন সমগ্ৰ ৰাজ্যত ব্যৱহাৰ কৰিব নে বেলেগ বেলেগ বাহন বিভিন্ন অঞ্চলত ব্যৱহাৰ কৰিব তাক অন্বেষণ কৰি অনুমতি কেন্দ্ৰীয়ভাৱে জাৰি কৰিব। তাৰকা প্ৰচাৰকৰ নামৰ বিপৰীতে বাহনৰ অনুমতিপত্ৰ জাৰি কৰা হ'ব আৰু ইয়াক উইণ্ডস্ক্ৰীণত নিৰ্দিষ্টভাৱে প্ৰদৰ্শন কৰিব লাগিব। মুখ্য নিৰ্বাচনী বিষয়াৰ দ্বাৰা জাৰি কৰা অনুমতিপত্ৰসমূহৰ বৰণ প্ৰাৰ্থীৰ অন্যান্য প্ৰচাৰ বাহনৰ বাবে জিলা নিৰ্বাচনী বিষয়াই জাৰি কৰা অনুমতিপত্ৰৰ বৰণ পৃথক পৃথক হ'ব লাগিব।

(ix) এটা স্বীকৃত ৰাজনৈতিক দলৰ অনুৰোধত, জিলা নিৰ্বাচন বিষয়াই দলৰ জিলা পৰ্যায়ৰ কাৰ্যবাহী বিষয়ববীয়া (তাৰকা প্ৰচাৰকৰ বাহিৰে আন প্ৰচাৰক)ৰ জিলাৰ একাধিক এচিত ব্যৱহাৰৰ বাবে এখন বাহন ব্যৱহাৰ কৰাৰ বাবে অনুমতিপত্ৰ জাৰি কৰিব। অনুমতিপত্ৰখনত বাহনখনৰ নম্বৰ, ৰাজনৈতিক নেতাৰ নাম আৰু অনুমতিপত্ৰৰ সময়সীমাৰ বিৱৰণ থাকিব লাগিব। ই পৃথক ৰঙৰ হ'ব লাগিব যাতে ইয়াক সহজে চিনাক্ত কৰিব পৰা যায়। আৰক্ষী বা অন্যান্য কৰ্তৃপক্ষৰ নিৰীক্ষণৰ বাবে এখন প্ৰমাণিত প্ৰতিলিপি বাহনৰ উইণ্ড স্ক্ৰীণত লগাব লাগিব আৰু মূল প্ৰতিলিপি চালকে ৰাখিব লাগিব। এই ক্ষেত্ৰত হোৱা ব্যয়ো প্ৰাৰ্থীসকলৰ বিপৰীতে ৰাজনৈতিক দলৰ হিচাপত সন্নিৱিষ্ট কৰা হ'ব। যদি এনে বাহন যিকোনো নিৰ্দিষ্ট প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰত ব্যৱহাৰ কৰা হয় তেতিয়া এই ব্যয় প্ৰাৰ্থীৰ হিচাপত সঠিকভাৱে যোগ কৰিব লাগিব।

(x) মুখ্য নিৰ্বাচনী বিষয়াই জাৰি কৰা অনুমতিপ্ৰাপ্ত কৰা বাহন স্বীকৃত ৰাজনৈতিক দলসমূহ কাৰ্যবাহীসকলে কেৱল নিৰ্বাচনী উদ্দেশ্যে সমগ্ৰ

ৰাজ্যত অহা-যোৱা কৰাত ব্যৱহাৰ কৰিব পাৰে। স্বীকৃত ৰাজনৈতিক দলৰ বাবে ১০০তকৈ অধিক বিধানসভা সমষ্টি থকা ৰাজ্যসমূহত মুখ্য নিৰ্বাচনী বিষয়াই সৰ্বাধিক পাঁচখন বাহনৰ অনুমতিপত্ৰ জাৰি কৰিব পাৰে আৰু অন্যান্য ৰাজ্য/কেন্দ্ৰীয়শাসিত অঞ্চলৰ বাবে সৰ্বাধিক তিনিখন অনুমতিপত্ৰ জাৰি কৰিব পাৰে। এই বাহনসমূহৰ ক্ষেত্ৰত হোৱা ব্যয় প্ৰাৰ্থীসকলৰ বিপৰীতে ৰাজনৈতিক দলৰ হিচাপত সন্নিৱিষ্ট কৰা হ'ব। যদি এনে বাহন যিকোনো নিৰ্দিষ্ট প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰত ব্যৱহাৰ কৰা হয় তেতিয়া এই ব্যয় প্ৰাৰ্থীৰ হিচাপত সঠিকভাৱে যোগ কৰিব লাগিব।

(xi) প্ৰচাৰ সামগ্ৰী পৰিবহণৰ বাবে বাহনৰ ব্যৱহাৰ — যদি কোনো এটা স্বীকৃত (কেন্দ্ৰীয়/ৰাজ্য) ৰাজনৈতিক দলে ৰাজ্যজুৰি তেওঁলোকৰ বিভিন্ন পাৰ্টি কাৰ্যালয়লৈ প্ৰচাৰ সামগ্ৰী বিতৰণৰ উদ্দেশ্যে বাহনসমূহ ব্যৱহাৰ কৰাৰ বাবে অনুমতিপত্ৰ বিচাৰি অনুৰোধ কৰে তেন্তে মুখ্য নিৰ্বাচনী বিষয়াই প্ৰতিটো দলক ২৫ (পঁচিশ) বিধানসভা সমষ্টিৰ বিপৰীতে এখন বাহনৰ বাবে অনুমতিপত্ৰ দিব পাৰে। আবেদনকাৰী ৰাজনৈতিক দলে আবেদনপত্ৰত বাহনখনৰ বিৱৰণ, ফিটনেছ প্ৰমাণপত্ৰ, চালকৰ নাম, তাৰিখ অনুযায়ী বাহনখনৰ চলাচলৰ পৰিকল্পনাসমূহ নিৰ্দিষ্ট কৰি আবেদন কৰিব। মুখ্য নিৰ্বাচনী বিষয়া নিশ্চিত কৰিব যে এনে বাহনসমূহৰ স্বাভাৱিক কাৰ্যত ব্যৱহাৰ হ'ব আৰু ইয়াক নিৰ্বাচনী প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰা নহ'ব। এই বাহনসমূহৰ ক্ষেত্ৰত হোৱা ব্যয় প্ৰাৰ্থীসকলৰ বিপৰীতে ৰাজনৈতিক দলৰ হিচাপত সন্নিৱিষ্ট কৰা হ'ব।

(xii) পিপ'ল আইন, ১৯৫১ ৰ অনুচ্ছেদ ১৬০(৪) (বি)ৰ সংজ্ঞা অনুসৰি এখন চাইকেল ৰিক্সাও বাহন হিচাপে বিবেচিত হ'ব। যদি কোনো এজন প্ৰাৰ্থীয়ে নিৰ্বাচনী প্ৰচাৰত চাইকেল ৰিক্সা ব্যৱহাৰ কৰি আছে, তেওঁ তেওঁৰ দ্বাৰা ব্যৱহাৰ কৰা এনে সকলো ৰিক্সাৰ বিৱৰণ উল্লেখ কৰি নিৰ্বাচনৰ হিচাপত ইয়াৰ ব্যয় যোগ কৰিব লাগিব। যদি ৰিক্সাখনৰ চিনাক্তকৰণৰ বাবে কোনো পৌৰ পঞ্জীয়ন/অনুমতিপত্ৰ নাই, তেন্তে ৰিক্সা চালকৰ নামত এখন অনুমতিপত্ৰ জাৰি কৰা হ'ব যিখন তেওঁ নিৰ্বাচনী অভিযানৰ উদ্দেশ্যে ৰিক্সাখন ব্যৱহাৰ কৰোতে বহন কৰিব লাগিব। যদি সাধাৰণ যাত্ৰী কঢ়িওৱাত ৰিক্সা ব্যৱহাৰ কৰা হৈছে তেন্তে ৰেহাই দিয়া হ'ব পাৰে, উপৰোক্ত চৰ্তৰ উপৰি যদি তেওঁলোকে ৰিক্সাৰ

পিছত প্ৰাৰ্থীৰ নাম বা দলৰ চিহ্ন দেখুওৱা পোষ্টাৰ প্ৰদৰ্শন কৰি আছে সেয়া তেওঁলোকৰ নিজৰ ইচ্ছাৰে হ'ব লাগিব।

(xiii) প্ৰাৰ্থী/দলৰ নেতা/দলৰ কৰ্মীয়ে অসামাজিক কাৰ্যকলাপ বা অবৈধ অস্ত্ৰ আৰু গোলা বাৰুদ আদিৰ সৰবৰাহত ব্যক্তিগত বাহনৰ অপব্যৱহাৰৰ সম্ভাৱনীয়তাক লৈ চোকা নজৰ ৰখাৰ লগতে নিৰ্বাচনৰ সময়ত অশান্তিৰ সৃষ্টি কৰা কাৰ্যত ব্যৱহাৰ কৰা বাহনৰ ওপৰতো জিলা প্ৰশাসনে তীক্ষ্ণ দৃষ্টি ৰাখিব। যদি এনে কোনো দুষ্কাৰ্য বা অবৈধ কাৰ্যকলাপৰ সৈতে বাহন জড়িত থকা দেখা যায় স্থানীয় প্ৰশাসনে বাহনখন জব্দ কৰিব আৰু নিৰ্বাচন সম্পূৰ্ণ নোহোৱালৈকে ইয়াক মুকলি নকৰিব। ইয়াৰ উপৰিও, বাহনখনৰ গৰাকী/প্ৰাৰ্থী/ৰাজনৈতিক দল/বাহন ব্যৱহাৰকাৰী দুষ্কৃতিকাৰীৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(প্ৰচাৰ অভিযানৰ বাহনত পতাকা/ বেনাৰ/ষ্টিকাৰ/লাইটৰ বিষয়ে, অনুগ্ৰহ কৰি ৰাষ্ট্ৰীয় পতাকা/দলীয় পতাকা/দলীয় বেনাৰ আদিৰ ব্যৱহাৰৰ অধ্যায় -১৩ৰ দফা ১৩.৩ ত চাওক)

**১০.৫.৫ নিৰ্বাচনৰ দিনা বাহনৰ ব্যৱহাৰ**

(i) জনপ্ৰতিনিধিত্ব, ১৯৫১ ৰ অনুচ্ছেদ ১২৩(৫)ৰ অনুসৰি ভোটাৰসকলক ভোটকেন্দ্ৰৰ পৰা অহা-যোৱা কৰাত বিনামূলীয়া পৰিবহণৰ বাবে প্ৰাৰ্থী/ তেওঁৰ এজেণ্ট বা আন যিকোনো ব্যক্তিৰ দ্বাৰা সন্মতিৰে প্ৰাৰ্থীৰ বাবে কৰা বাহনসমূহৰ ব্যৱহাৰত অবৈধ কাৰ্যকলাপ হিচাপে গণ্য কৰা হ'ব। ইয়াক নিৰ্বাচনী অপৰাধ হিচাপে বিবেচনা কৰা হ'ব আৰু ১৩৩ধাৰা অনুযায়ী পাঁচশ টকালৈ জৰিমনাসহ শাস্তিলৈ সম্প্ৰসাৰিত হ'ব পাৰে।

(ii) এই অবৈধ কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰাৰ প্ৰতি দৃষ্টি ৰাখি নিৰ্বাচন আয়োগে নিম্নলিখিত নিৰ্দেশনা জাৰি কৰিছে—

(এ) লোকসভা নিৰ্বাচনৰ বাবে ভোটদানৰ দিনা প্ৰতিজন প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ অধিকাৰ হ'ব—

(ক) সমগ্ৰ সমষ্টিত নিজৰ ব্যৱহাৰৰ বাবে এখন বাহন;

(খ) ইয়াৰ উপৰিও, সংসদীয় সমষ্টিত তেওঁৰ নিৰ্বাচনী এজেণ্টৰ ব্যৱহাৰৰ বাবে এখন বাহন;

(গ) ইয়াৰ উপৰিও, সংসদীয় সমষ্টিৰ প্ৰতিখন বিধানসভা খণ্ডত তেওঁৰ নিৰ্বাচনী এজেণ্ট বা কৰ্মী বা দলৰ কৰ্মীৰ ব্যৱহাৰৰ বাবে এখন বাহন;

(বি) ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনৰ বাবে ভোটদানৰ দিনা সমষ্টিটোৰ প্ৰতিজন প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ অধিকাৰ—

(ক) তেওঁৰ নিজৰ ব্যৱহাৰৰ বাবে এখন বাহন;

(খ) তেওঁৰ নিৰ্বাচনী এজেণ্টৰ ব্যৱহাৰৰ বাবে এখন বাহন;

(গ) ইয়াৰ উপৰিও, তেওঁৰ কৰ্মী বা দলীয় কৰ্মীসকলৰ ব্যৱহাৰৰ বাবে এখন বাহন।

*(স্পষ্টীকৰণ ঃ এইটো স্পষ্ট কৰা হৈছে যে, প্ৰাৰ্থী বা তেওঁৰ এজেণ্ট বা দলৰ কৰ্মী বা কৰ্মীসকলক অনুমতি দিয়া হ'ব কেৱল গাড়ী (সকলো প্ৰকাৰৰ) টেক্সি, অটো ৰিক্সা, ৰিক্সা আৰু দুচকীয়া বাহন আদিৰ দৰে চাৰি/তিনি/দুচকীয়া বাহন ব্যৱহাৰ কৰিব পাৰিব। ভোটদানৰ দিনা এখন চাৰিচকীয়া বাহনত চালকসহ ৫ জনতকৈ অধিক ব্যক্তি থাকিব নোৱাৰিব। এইটো আৰু স্পষ্ট কৰা হৈছে যে ভোটদানৰ দিনা প্ৰাৰ্থী বা তেওঁৰ ব্যৱহাৰৰ বাবে আৱণ্টন কৰা বাহনখন নিৰ্বাচনী এজেণ্ট বা আন কোনো ব্যক্তিয়ে ব্যৱহাৰ কৰিব নোৱাৰিব। অৱশ্যে, প্ৰাৰ্থী বা তেওঁৰ নিৰ্বাচনী এজেণ্টে অন্যান্য ব্যক্তিৰ লগত চালকসহ মুঠ ৫ জন ব্যক্তি যাব পাৰিব)।*

(চি) ওপৰত উল্লেখ কৰা দফা ১০.৫.৪ত উল্লেখ কৰা অনুসৰি জিলা দণ্ডাধীশ/ৰিটাৰ্ণিং বিষয়াই প্ৰাৰ্থীসকলে ব্যৱহাৰ কৰা বাহনসমূহৰ বাবে অনুমতিপত্ৰ জাৰি কৰিব। তেওঁলোকে বাহনসমূহৰ উইণ্ড স্ক্ৰীনত জাৰি কৰা অনুমতিপত্ৰ প্ৰদৰ্শন কৰিব লাগিব। ৰাজনৈতিক দলসমূহৰ নেতাসকল (মন্ত্ৰীসহ) আন বাহন ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়া নহ'ব। প্ৰাৰ্থীৰ স্থিতি নিৰ্বিশেষে কোনো ব্যতিক্ৰম ধাৰ্য কৰা নহ'ব।

(ডি) সকলো বাহনৰ বাবে ভোটগ্ৰহণ সম্পূৰ্ণ হোৱাৰ ২৪ ঘণ্টা আগতে আৰু সম্পূৰ্ণ হোৱালৈকে মেকানিকেল পাৱাৰ বা অন্যান্য সীমাবদ্ধতা থাকিব। অৱশ্যে টেক্সি, ব্যক্তিগত গাড়ী, ট্ৰাক, ট্ৰেক্টৰ ট্ৰেইলাৰ সৈতে বা অবিহনে, অটো-ৰিক্সা, ই-ৰিক্সা, স্কুটাৰ, মিনি বাছ, ষ্টেচন ৱাগন আদিৰ ক্ষেত্ৰত সীমাবদ্ধতা নাথাকিব।

(ই) জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ৰ আৰু ভাৰতীয় দণ্ডবিধি আইনৰ অধ্যায় IXএ অনুসৰি আৰু যান-বাহন আইন মতে নিৰ্দেশনা উলংঘন কৰা ব্যক্তিসকলৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হ'ব। এনে নিৰ্দেশনা উলংঘন কৰা বাহন জব্দ কৰা হ'ব।

(এফ) নিৰ্বাচন আয়োগে ভোটগ্ৰহণৰ দিনাখন যান-বাহন চলাচলৰ ওপৰত সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ নকৰে যাতে ইয়াৰ ফলত জনসাধাৰণ অসুবিধাত বা সমস্যাত নপৰে। ভোটগ্ৰহণৰ দিনা নিৰ্বাচনৰ বাহিৰে আন উদ্দেশ্যৰ বাবে প্ৰকৃত ব্যৱহাৰৰ বাবে, নিম্নলিখিত প্ৰকাৰৰ বাহনসমূহ চলাচলত অনুমতি দিয়া হয় আৰু ইয়াৰ কোনো ব্যতিক্ৰম নহ'ব—

(ক) নিৰ্বাচনৰ সৈতে জড়িত নথকা ব্যক্তিগত কাৰ্যত ব্যক্তিগত মালিকানাধীন বাহনৰ ব্যৱহাৰ;

(খ) ভোটগ্ৰহণ কেন্দ্ৰলৈ গৈ তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰাৰ বাবে ব্যক্তিগতভাৱে বা তেওঁ নিজৰ পৰিয়ালৰ সদস্যসকলৰ বাবে ব্যৱহাৰ কৰা ব্যক্তিগত বাহন অৱশ্যে ভোটকেন্দ্ৰৰ ২০০ মিটাৰ পৰিধিত প্ৰৱেশ কৰিব নোৱাৰিব;

(গ) অত্যাৱশ্যকীয় সেৱাৰ বাবে ব্যৱহৃত বাহন যেনে— চিকিৎসালয়ৰ বাহন, এম্বুলেন্স, গাখীৰৰ বাহন, পানীৰ টেংকাৰ, বিদ্যুৎ, জৰুৰীকালীন বাহন, কৰ্তব্যৰত আৰক্ষী, নিৰ্বাচনত কৰ্তব্যৰত বিষয়াৰ বাহন;

(ঘ) নিৰ্ধাৰিত পথত আৰু নিৰ্ধাৰিত স্থানত চলাচল কৰা ৰাজহুৱা পৰিবহণৰ বাহন যেনে— বাছ আদি;

(ঙ) বিমানবন্দৰ, ৰেল ষ্টেচন, আন্তঃৰাষ্ট্ৰীয় বাছ ষ্টেণ্ড, চিকিৎসালয় আদিলৈ যাত্ৰাৰ বাবে ব্যৱহৃত টেক্সি, তিনিচকীয়া স্কুটাৰ, ৰিক্সা ইত্যাদি বন্ধ কৰিব নোৱাৰিব;

(চ) অসুস্থ বা দিব্যাংগ ব্যক্তিসকলে তেওঁলোকৰ নিজৰ ব্যৱহাৰৰ বাবে ব্যৱহাৰ কৰা ব্যক্তিগত বাহন;

(ছ) কৰ্তব্যৰত চৰকাৰী বিষয়াসকলে তেওঁলোকৰ কৰ্তব্যস্থলীত উপস্থিত হ'বলৈ ব্যৱহাৰ কৰা বাহন;

### ১০.৫.৬ ভিডিঅ' ভানসমূহ

(i) সমগ্ৰ ৰাজ্যত প্ৰচাৰৰ বাবে এটা ৰাজনৈতিক দলে ভিডিঅ' ভান ব্যৱহাৰ কৰাৰ অনুমতি দিয়াৰ আগতে মুখ্য নিৰ্বাচনী বিষয়াই নিশ্চিত কৰিব যে

বাহনখনৰ এনে ব্যৱহাৰ যান-বাহন আইন অনুসৰি হয়। এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ২০০৬ চনৰ লেখ আবেদন নং ৩৬৪৮ (এমবি) ২৩ জুন, ২০০৬ আৰু ১৪ ফেব্ৰুৱাৰী ২০০৭ চনৰ ৰায় অনুসৰি এনে বাহন চলাচলৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰিব। ৰাজ্যিক বিধানসভা/সংসদৰ আইন অনুসৰি এনে নিৰ্দেশনা অমান্যকাৰীক কিছুমান কঠোৰ শাস্তিৰ ব্যৱস্থা আছে। জিলা নিৰ্বাচন বিষয়াসকলে নিশ্চিত কৰিব যে দলীয় প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰা অঞ্চল/সমষ্টিত এনে বাহন ব্যৱহাৰ হৈছে আৰু ইয়াৰ ব্যয় সমানুপাতিকভাৱে প্ৰাৰ্থী আৰু দলৰ মাজত ভাগ কৰা হৈছে।

(ii) এয়া আৰু স্পষ্ট কৰা হৈছে যে—

(ক) অভিযানৰ উদ্দেশ্যে ভিডিঅ' ভান ব্যৱহাৰ কৰাৰ অনুমতি কেৱল মুখ্য নিৰ্বাচনী বিষয়া স্তৰতহে প্ৰদান কৰিব পাৰি। ভিডিঅ'-ভানখন যান-বাহন আইন অনুসৰি থকা সন্দৰ্ভত পৰিবহণৰ মাণ্ডলিক বিষয়াই মুখ্য নিৰ্বাচনী বিষয়াক প্ৰমাণপত্ৰ দাখিল কৰিব লাগিব।

(খ) মুখ্য নিৰ্বাচনী বিষয়াৰ পৰা ভিডিঅ' ভান ব্যৱহাৰ কৰিবলৈ অনুমতি বিচৰা যিকোনো দল/প্ৰাৰ্থীয়ে প্ৰথমে প্ৰয়োজনীয় যান-বাহন আইনৰ অধীনৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা অনুমতি/আপত্তি নথকাৰ প্ৰমাণপত্ৰ ল'ব লাগিব। এই প্ৰমাণপত্ৰখনৰ বাবে যান-বাহন আইন/অন্যান্য আনুষংগিক আইন আৰু আদালতৰ আদেশ আদি লাগিব, যদি থাকে।

(গ) ভিডিঅ' ভানত নিৰ্বাচনী প্ৰচাৰৰ বাবে থকা ভিডিঅ'সমূহ মিডিয়া প্ৰমাণপত্ৰ আৰু নিৰীক্ষণ সমিতি (এমচিএমচি)ৰ দ্বাৰা পূৰ্ব-প্ৰমাণিত হ'ব লাগিব। ৰাজনৈতিক দলৰ ভিডিঅ' ভানসমূহ কেৱল দলৰ নীতি আৰু কাৰ্যসূচী প্ৰচাৰ কৰিবলৈ ব্যৱহাৰ কৰিব লাগে। কোনো নিৰ্দিষ্টৰ প্ৰাৰ্থীৰ সমৰ্থন বা ভোটৰ বাবে ইয়াক ব্যৱহাৰ কৰিব নোৱাৰে। এজন নিৰ্দিষ্ট প্ৰাৰ্থী/প্ৰাৰ্থীৰ বাবে ভোট/সমৰ্থনৰ ক্ষেত্ৰত ভিডিঅ'-ভান ব্যৱহাৰ কৰা হয় তেন্তে ভিডিঅ' ভানৰ ব্যয় এনেধৰণৰ প্ৰাৰ্থীসকলৰ হিচাপত সঠিকভাৱে যোগ কৰা হ'ব। ব্যয় পৰ্যবেক্ষকসকলে এই বিষয়টো তীক্ষ্ণভাৱে নিৰীক্ষণ কৰিব।

(ঘ) অভিযানত ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত যদিও ভিডিঅ' ভানৰ সংখ্যাৰ ওপৰত কোনো সীমাবদ্ধতা নাই কিন্তু ইয়াৰ ব্যয় সংশ্লিষ্ট ৰাজনৈতিক দলৰ নিৰ্বাচনী ব্যয় হিচাপত যথাযথভাৱে অন্তৰ্ভুক্ত কৰা হ'ব আৰু নিৰ্বাচনৰ পিছত নিৰ্বাচনী আয়োগক এই হিচাপ দাখিল কৰিব লাগিব লগতে সংশ্লিষ্ট প্ৰাৰ্থীসকলৰ মাজত উপৰোক্ত উপ-দফা (চি) অনুসৰি সঠিকভাৱে ভাগ-বাটোৱাৰ কৰি হিচাপ প্ৰদান কৰিব লাগিব।

(ঙ) প্ৰচাৰ/প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰিব পৰা ভিডিঅ' ভানৰ পথসমূহ আগতীয়াকৈ স্থানীয় প্ৰশাসন/জিলা নিৰ্বাচন বিষয়াক অৱগত কৰিব লাগিব। যিকোনো নিৰ্দেশনা উলংঘন নিৰ্ধাৰণৰ পিছত মুখ্য নিৰ্বাচনী বিষয়াই ভিডিঅ' ভেনৰ বাবে প্ৰদান কৰা অনুমতি প্ৰত্যাহাৰ কৰা হ'ব পাৰে।

**১০.৫.৭ প্ৰচাৰ কাৰ্যত মটৰ চাইকেল ব্যৱহাৰ**

(i) দুচকীয়া বাহন, যেনে, মটৰ চাইকেল আৰু স্কুটাৰ আদিৰ ক্ষেত্ৰত নিৰ্বাচনী আয়োগৰ নিৰ্দেশৰ সীমাবদ্ধতাক লৈ প্ৰশ্ন উত্থাপন কৰা হৈছিল যে নিৰ্বাচনৰ সময়ত এনে বাহনসমূহ আওঁতাত থাকিব নে নাই। এইটো স্পষ্ট কৰা হৈছিল যে মুক্ত আৰু নিকা নিৰ্বাচনৰ স্বাৰ্থত সকলো দুচকীয়া বাহন (যেনে— মটৰ চাইকেল আৰু স্কুটাৰ (চাইকেলৰ বাহিৰে))ৰ ক্ষেত্ৰত এই নিৰ্দেশনাসমূহ প্ৰযোজ্য হয় আৰু ভোটগ্ৰহণ আৰম্ভ হোৱাৰ ২৪ঘণ্টাৰ আগৰ পৰা ভোটগ্ৰহণ সম্পূৰ্ণ হোৱালৈকে ই প্ৰযোজ্য থাকে। এই সীমাবদ্ধতা নাথাকিব যদিহে যিকোনো চৰকাৰী কৰ্মচাৰীয়ে কৰ্তব্যৰ বাবে বা ৰোগী অথবা বৃদ্ধ/দিব্যাংগ ব্যক্তিৰ পৰিবহণত দুচকীয়া বাহন ব্যৱহাৰ কৰিছে।

(ii) মটৰ চাইকেল এখন দুচকীয়া বাহন আৰু নিৰ্বাচনী প্ৰচাৰ অভিযানত ইয়াৰ ব্যৱহাৰো সীমাবদ্ধ কৰা হ'ব। যদি কোনো পৰিস্থিতি নাথাকে তেন্তে কনভয়ত দহখন বাহন (উপৰোক্ত দফা ১০.৫.২ত প্ৰদান কৰা অনুসৰি)ৰ দৰেই মটৰ চাইকেলৰ সংখ্যাৰ ক্ষেত্ৰতো সীমাবদ্ধ কৰাৰ সুবিধা আছে, এটা কনভয়ত নিৰাপত্তাৰক্ষী বাহিনীৰ বাহনক বাদ দি দহখনৰ অধিক মটৰ চাইকেলৰ অনুমতি দিয়া নহ'ব। কেন্দ্ৰ বা ৰাজ্য চৰকাৰৰ যিকোনো মন্ত্ৰী বা অন্যান্য ব্যক্তিক কঢ়িয়াই নিয়াৰ ক্ষেত্ৰত দহখনতকৈ অধিক মটৰ

চাইকেলৰ কনভয় বিভক্ত কৰিব লাগিব। অৱশ্যে, এইটো হ'ব যদি তেনে ব্যক্তিৰ ক্ষেত্ৰত নিৰাপত্তাৰ নিৰ্দেশনা জাৰি কৰা আছে। স্থানীয় প্ৰশাসনে নিশ্চিত কৰিব যে নিৰ্ধাৰিত সীমা অতিক্ৰম কৰি কোনো ব্যক্তিয়ে কনভয়ত চলাচল নকৰে, ইয়াৰ বিপৰীতে কনভয় বিভক্ত কৰিব লগা হয়।

(iii) ভাৰতীয় দণ্ডবিধিৰ ১৪৪ ধাৰা অনুসৰি প্ৰচাৰ অভিযানৰ উদ্দেশ্যে অনুমোদিত মটৰ চাইকেলৰ বাহিৰে আন মটৰ চাইকেল ব্যৱহাৰ যাতে নহয় সেয়া নিয়ন্ত্ৰণ কৰা হ'ব।

(iv) অভিযানৰ সময়ত, কেৱল এখন পতাকা (সৰ্বাধিক ২×১ ফুট পৰিসৰৰ) এখন মটৰ চাইকেলত লগোৱাৰ অনুমতি দিয়া হ'ব। পতাকা বহন কৰা লাঠি/মাৰিৰ উচ্চতা ৩ ফুটতকৈ অধিক হ'ব নোৱাৰিব।

**১০.৫.৮ নিৰ্বাচনৰ সময়ত ৰোড শ্ব'ত সীমাবদ্ধতা**

সৰ্বসাধাৰণ ৰাইজ/যাত্ৰীৰ অসুবিধা ৰোধ কৰিবলৈ নিৰ্বাচন আয়োগে ৰোড শ্ব'ৰ বাবে নিম্নলিখিত নিৰ্দেশনাসমূহ জাৰি কৰিছে—

(i) সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা ৰোড শ্ব'ৰ বাবে আগতীয়া অনুমতি ল'ব লাগিব।

(ii) আদালতৰ আদেশ আৰু স্থানীয় আইনৰ অধীনত যথাসম্ভৱ ৰোড শ্ব'সমূহ কেৱল বন্ধৰ দিনত আৰু দৈনিক ব্যস্ততাপূৰ্ণ সময়ৰ বাহিৰত অনুষ্ঠিত কৰা, জনবহুল বজাৰ, ডাঙৰ চিকিৎসালয়, ট্ৰমাচেণ্টাৰ, ব্লাড বেংক আদিৰ মাজেৰে যোৱা পথৰ বাহিৰে আন পথত ৰোড শ্ব' কৰা।

(iii) ৰোড শ্ব'ত যোগদান কৰিব বুলি আশা কৰা বাহনৰ সংখ্যা আৰু ব্যক্তিৰ সংখ্যা আগতীয়াকৈ জনাই থোৱা।

(iv) এটা পথৰ আধা অংশতকৈ বেছি অংশত ৰোড শ্ব' হ'ব নোৱাৰিব, যাতে বাকী আধা অংশত ৰাইজৰ যাতায়াত আৰু যান-বাহনৰ মুক্ত অৱগমন অব্যাহত থাকে।

(v) একেদৰে এনে শ্ব'ত ৰাস্তাত একেলগে দহখনৰ তলতহে বাহনকে ধৰি ই-ৰিক্সা চলাচল কৰিব পাৰিব। যদি ই ১০ খনৰ সীমা অতিক্ৰম কৰে তেন্তে প্ৰতি ১০ খনৰ বাহনক লৈ কনভয় বিভক্ত কৰা হ'ব আৰু ইয়াৰ মাজত ১০০ মিটাৰৰ ব্যৱধান থাকিব লাগিব।

(vi) ৰোড শ্ব'ত উপস্থিত থকা ৰাইজ আৰু ব্যক্তিসকলৰ সুৰক্ষা নিশ্চিত কৰিব লাগিব। ফট্‌কা ফুটুৰা বা বন্দুক কোনো কাৰণতে অনুমতি দিয়া নহ'ব।

(vii) নিৰ্বাচন আয়োগৰ নিৰ্দেশনা, স্থানীয় আইন আৰু আদালতৰ আদেশৰ অধীনত লাউডস্পীকাৰ ব্যৱহাৰ কৰিব পাৰিব, যদি থাকে।

(viii) ৰোড শ্ব'ত জন্তুৰ প্ৰদৰ্শন সম্পূৰ্ণৰূপে নিষিদ্ধ। শিশু, বিশেষকৈ ইউনিফৰ্ম থকা স্কুলীয়া শিশুসকল ৰোড শ্ব'ত অংশ হ'ব নোৱাৰিব।

(ix) হাতত অনা বেনাৰৰ আকাৰ সৰ্বাধিক ৬ ফুট × ৪ ফুট হ'ব লাগিব।

(x) সংশ্লিষ্ট ৰিটাৰ্ণিং বিষয়াৰ অনুমতি সাপেক্ষে ৰোড শ্ব'ৰ বাহনত মাত্ৰ ১ফুট × ১/২ ফুট আকাৰৰ কেৱল এখনহে পতাকা লগোৱাৰ অনুমতি দিয়া হ'ব।

(xi) প্ৰচাৰ অভিযানৰ বাহনত কোনো স্পট/ফ'কাছ/ ফেচিং/চাৰ্চ লাইট আৰু হুটাৰ লগাব নোৱাৰিব।

**১০.৫.৯ তাৰকা প্ৰচাৰকসকলৰ দ্বাৰা পথ পৰিবহনৰ ব্যৱহাৰ**

(i) পিপ'ল আইন, ১৯৫১ৰ ধাৰা ৭৭ (১) ৰ (এ)ৰ ব্যাখ্যা অনুযায়ী যদি কোনো ৰাজনৈতিক দলে পথ পৰিবহণৰ লাভালাভ লাভ কৰিব খোজে তেন্তে কেন্দ্ৰীয়ভাৱে মুখ্য নিৰ্বাচনী বিষয়াই এখন অনুমতিপত্ৰ প্ৰদান কৰিব, নেতাজনে একেখন বাহন সমগ্ৰ ৰাজ্যত প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰিব নে বেলেগ বেলেগ অঞ্চলত ব্যৱহাৰ কৰিব।

(ii) সেইজন ব্যক্তিৰ নামৰ বিপৰীতে অনুমতিপত্ৰখন জাৰি কৰা হ'ব যিয়ে বাহনখন ব্যৱহাৰ কৰিব আৰু ইয়াক উইণ্ডস্ক্ৰীণত বিশেষভাৱে প্ৰদৰ্শন কৰিব। মুখ্য নিৰ্বাচনী বিষয়াৰ দ্বাৰা জাৰি কৰা অনুমতিপত্ৰসমূহৰ বৰণ প্ৰাৰ্থীৰ অন্যান্য প্ৰচাৰ বাহনৰ বাবে জিলা নিৰ্বাচনী বিষয়াই জাৰি কৰা অনুমতিপত্ৰৰ বৰণ পৃথক পৃথক হ'ব লাগিব। যদি এনেদৰে অনুমোদিত বাহনখন আন এজনেও ব্যৱহাৰ কৰে (নেতাজনৰ বাহিৰে উল্লেখিত আন ব্যক্তি), তেন্তে ইয়াত হোৱাৰ ব্যয়ৰ ৫০% সমষ্টিৰ দলৰ প্ৰাৰ্থীগৰাকীৰ ব্যয়ৰ সৈতে যোগ কৰা হ'ব।

## ১০.৬ অধ্যক্ষ/উপাধ্যক্ষ বা বিভিন্ন ব'ৰ্ড/আয়োগ/পিএছইউৰ কৰ্মকৰ্তাসকলৰ দ্বাৰা চৰকাৰী বাহনৰ ব্যৱহাৰ

১০.৬.১ ভ্ৰমণ/মন্ত্ৰীসকলৰ পৰিভ্ৰমণ/অন্যান্য ব্যক্তিৰ অধ্যায় ৭ত উল্লেখ কৰা অনুসৰি নিৰ্বাচনৰ সময়ত মন্ত্ৰীসকলৰ দ্বাৰা চৰকাৰী বাহন ব্যৱহাৰত নিৰ্বাচন আয়োগে প্ৰতিবন্ধকতা আৰোপ কৰিছে। নিৰ্দেশনাৰ পৰিসৰ বৃদ্ধি কৰি নিৰ্বাচনী আয়োগে নিৰ্দেশ দিছে যে ৰাজ্যৰ বিধানসভা বা লোকসভা নিৰ্বাচনৰ সময়ত অধ্যক্ষ বা

উপাধ্যক্ষই সেই নিৰ্বাচনৰ প্ৰাৰ্থী হোৱা বা নহ'লেও নিৰ্বাচনী প্ৰচাৰ বা নিৰ্বাচনত ৰাজ্যিক বিধানসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষই চৰকাৰী বাহন ব্যৱহাৰ কৰিব নোৱাৰিব।

১০.৬.২ এই অধ্যায়ৰ দফা (খ)ৰ ১০.৫.১(ii)ত উল্লেখ কৰা ব্যতিক্ৰম অনুসাৰে অন্য ৰাজ্যৰ পৰা ৰাজ্যখনলৈ ভ্ৰমণত অহা লোকসভাৰ অধ্যক্ষ/উপাধ্যক্ষ আৰু ৰাজ্যসভাৰ অধ্যক্ষ (উপ-সভাপতি)/উপাধ্যক্ষ ক্ষেত্ৰত ওপৰোক্ত প্ৰতিবন্ধকতা প্ৰযোজ্য নহ'ব। আনহাতে, লোকসভা নিৰ্বাচনৰ সময়ত লোকসভাৰ অধ্যক্ষ/উপাধ্যক্ষ আৰু ৰাজ্যসভাৰ উপাধ্যক্ষৰ ক্ষেত্ৰত এই প্ৰতিবন্ধকতা প্ৰযোজ্য হ'ব।

১০.৬.৩ একেদৰে, আদৰ্শ আচৰণবিধিৰ সময়ত, বেচৰকাৰী কৰ্মকৰ্তা যেনে— বিভিন্ন স্বায়ত্তশাসিত ব'ৰ্ড/সংগঠন/পিএছইউৰ অধ্যক্ষ/উপাধ্যক্ষ/সভাপতি/উপ-সভাপতি/আযুক্তই কেৱল বাসস্থান আৰু কৰ্মস্থলীৰ মাজত যাতায়াত আৰু মুখ্য কাৰ্যালয়ত অনুষ্ঠিত সভালৈ অহা-যোৱাৰ বাবেহে চৰকাৰী বাহন ব্যৱহাৰ কৰিব পাৰিব। জিলা প্ৰশাসনে এনে বাহনৰ চলাচলৰ ওপৰত কঠোৰ নিৰীক্ষণ ৰাখিব আৰু অপব্যৱহাৰ ঘটিলে যিকোনো বাহন জব্দ কৰিব লাগিব।

## ১০.৭ সুৰক্ষাৰ কাৰণত বুলেট প্ৰুফ বাহন প্ৰদান

১০.৭.১ ১৯৯৬ চনত নিৰ্বাচন আয়োগে নিৰ্দেশনা জাৰি কৰিছিল যে জেড প্লাছ (Z +) সুৰক্ষা লাভ কৰা ব্যক্তিক, আদৰ্শ আচৰণবিধি বলৱৎ থকাৰ সময়তো নিৰাপত্তা সংস্থাসমূহে যদি নিৰ্ধাৰণ কৰে ৰাজ্য চৰকাৰৰ মালিকানাধীন বুলেট প্ৰুফ বাহন প্ৰদান কৰা হ'ব। সেই নিৰ্দেশনাত একাধিক গাড়ী ব্যৱহাৰৰ বাবে ষ্টেণ্ডবাই ৰখাত অনুমতি দিয়া হৈছিল, যদিহে নিৰাপত্তা কৰ্তৃপক্ষৰ দ্বাৰা বিশেষভাৱে নিৰ্ধাৰিত নহয়। সেই নিৰ্দিষ্ট ব্যক্তিজনে তেওঁৰ কাৰ্যালয়ত বা বাহিৰত আছে বা তেওঁ এজন প্ৰাৰ্থী হয় নে নাই সেয়া বিচাৰ্য নকৰি এনে বুলেট প্ৰুফ বাহনৰ খৰচ তেওঁ বহন কৰিব লাগিব।

১০.৭.২ ২০০৭ চনত নিৰ্বাচন আয়োগে ওপৰোক্ত নিৰ্দেশনা সংশোধন কৰে আৰু বুলেট প্ৰুফ বাহনৰ ব্যয় সম্প্ৰসাৰণ কৰে। যিসকল ব্যক্তি চৰকাৰৰ জেড প্লাছ নিৰাপত্তাত আছে তেওঁলোক এই ব্যয়ৰ আওঁতাৰ বাহিৰত থাকে।

১০.৭.৩ নিৰ্বাচন আয়োগে ২০০৯ চনত ওপৰোক্ত বিষয়টো পুনৰ বিবেচনা কৰি সিদ্ধান্ত লৈছে যে ৰাজনৈতিক ব্যক্তি যিসকলে সুৰক্ষাজনিত কাৰণত বুলেট প্ৰুফ বাহনসহ এছপিজি সুৰক্ষা লাভ কৰি আছে তেওঁলোকে আদৰ্শ আচৰণবিধি

বলৱৎ থকাৰ সময়তো বুলেট প্ৰুফ বাহনৰ ব্যৱহাৰ অব্যাহত ৰাখিব পাৰিব, এনে সময়ত এনে বুলেট প্ৰুফ বাহনৰ ব্যক্তিগত ব্যৱহাৰৰ ব্যয় সংশ্লিষ্ট ব্যক্তিজনে বহন কৰিব লাগিছিল। পিপ'ল আইন, ১৯৫১ৰ ধাৰা ৭৭ (১) ৰ ১ আৰু ২ ব্যাখ্যা অনুসৰি যদি ব্যক্তিজন ৰাজনৈতিক দলৰ নেতা আছিল তেন্তে তেনে বাহনৰ ব্যৱহাৰ আৰু উল্লেখিত ধাৰা ৭৭ (১) অনুযায়ী যিকোনো ভ্ৰমণৰ ব্যয় ৰাজনৈতিক দলে বহন কৰিব লাগিছিল। কোনো ক্ষেত্ৰতে এনে ব্যয় ৰাজ্য চৰকাৰে বহন নকৰে।

১০.৭.৪ ২০১০ চনত নিৰ্বাচন আয়োগে নিৰ্দেশনা সংশোধন কৰে আৰু নিৰ্দেশনা দিয়ে যে সুৰক্ষাজনিত কাৰণত সুৰক্ষা সংস্থাই প্ৰদান কৰা এজন এছপিজি সুৰক্ষাকাৰীৰ ক্ষেত্ৰত অতিৰিক্ত একাধিক বাহন ব্যৱহাৰ কৰা হৈছিল আৰু এই সকলো চৰকাৰী ব্যয় (এছপিজিৰ নিৰাপত্তাত থকা ব্যক্তিজনৰ বাহনখনৰ বাহিৰে)ত হৈছিল। জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ৰ ধাৰা ৭৭ (১) ৰ অনুসৰি এছপিজি নিৰাপত্তাসমৃদ্ধ ব্যক্তি (ৰাজনৈতিক দলৰ নেতা যি দলটোৰ তাৰকা প্ৰচাৰক হিচাপে জনাজাত)ৰ ব্যক্তিগত কৰ্মচাৰীক বিআৰ বাহন প্ৰদান কৰাৰ ক্ষেত্ৰতো কোনো আপত্তি থাকিব নালাগিব আৰু এনে বুলেট প্ৰুফ বাহনৰ ব্যয় তেনে ব্যক্তি বা ৰাজনৈতিক দলে বহন কৰিব লাগিছিল। যদি আন যিকোনো ৰাজনৈতিক গণ্যমান্য ব্যক্তিক এছপিজি সুৰক্ষা লাভ কৰা ব্যক্তিৰ সৈতে যাবলৈ অনুমতি দিয়া হৈছিল, যদি প্ৰয়োজনীয় পৰিস্থিতি অনুযায়ী, তেন্তে ইয়াৰ ব্যয়ৰ ৫০% সংশ্লিষ্ট সমষ্টিৰ নিৰ্দিষ্ট দলৰ প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয় হিচাপত ধৰা হ'ব। পিছত এইটো স্পষ্ট হৈছিল যে উক্ত আইনৰ ৭৭(১) নং ধাৰা মতে এনে তাৰকা প্ৰচাৰকক এই ব্যয়ৰ বাবে খুজিব নোৱাৰিব।

১০.৭.৫ নিৰ্বাচন আয়োগে ২০১১ চনত এটা প্ৰসংগ লাভ কৰিছিল আৰু এইক্ষেত্ৰত ৰাজনৈতিক কৰ্মকৰ্তাৰ পৰা স্পষ্টীকৰণ বিচাৰিছিল যাক সুৰক্ষামূলক কাৰণত বুলেট প্ৰুফ বাহন প্ৰদান কৰা হয়, যদি নিৰ্বাচনী প্ৰচাৰৰ সময়ত এনে বাহন ধন পৰিশোধ কৰি তেওঁলোকে ব্যৱহাৰ কৰে, তেন্তে তেওঁলোকৰ সৈতে আন ব্যক্তিসকলকো ভ্ৰমণৰ অনুমতি প্ৰদান কৰিব পাৰি নেকি? নিৰ্বাচন আয়োগ সিদ্ধান্ত লৈছিল যে, যদি জেড প্লাছ শ্ৰেণীৰ নিৰাপত্তা থকা ব্যক্তিয়ে বা তেওঁৰ দলে পৰিশোধ কৰা ধনেৰে বুলেট প্ৰুফ বাহনৰ সুবিধা লাভ কৰে তেন্তে তেওঁৰ সৈতে অন্যান্য লোক বা প্ৰাৰ্থী যোৱাৰ ক্ষেত্ৰত কোনো আপত্তি নাথাকিব। আৰু স্পষ্ট কৰিছিল যে পিপ'ল আইন, ১৯৫১ৰ ধাৰা ৭৭ (১) ৰ বৰ্ণনা (২) অনুসৰি বুলেট প্ৰুফ বাহন প্ৰদান কৰা ৰাজনৈতিক কৰ্মকৰ্তাক তাৰকা প্ৰচাৰক হিচাপে বিবেচনা কৰা হ'ব

আৰু এনে বুলেট প্ৰুফ বাহন ব্যৱহাৰত হোৱা ব্যয় প্ৰাৰ্থীৰ দ্বাৰা বহন কৰা নহ'ব। যদি এনে ৰাজনৈতিক কৰ্মকৰ্তা এজন তাৰকা প্ৰচাৰক নহয়, তেন্তে এনে বুলেট প্ৰুফ বাহনৰ ব্যৱহাৰৰ ব্যয়  যিজন প্ৰাৰ্থীৰ সম্পৰ্কিত নিৰ্বাচনী প্ৰচাৰ চলিছিল তেওঁৰ ব্যয়ৰ হিচাপত অন্তৰ্ভুক্ত কৰা হ'ব।

**********

# অধ্যায় ১১
# হেলিকপ্টাৰ আৰু বিমানসমূহৰ ব্যৱহাৰ/অধিগ্ৰহণ

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ-**

- ভাড়া কৰা বিমান আৰু হেলিকপ্টাৰসমূহ
- অ-সূচীত বিমানসমূহৰ পঞ্জী ব্যৱস্থাপনা
- জিলা প্ৰশাসনৰ দ্বাৰা নিৰ্দিষ্ট তথ্যপুঞ্জীৰ ব্যৱস্থাপনা
- ভোটদান/গণনাত ব্যক্তিগত ফিক্সড-উইং বিমান আৰু হেলিকপ্টাৰসমূহৰ ব্যৱহাৰ সন্দৰ্ভত স্পষ্টীকৰণ

## ১১.১ পাতনি

ৰাজনৈতিক দলসমুহে তাৰকা প্ৰচাৰক বা মুখ্যমন্ত্ৰীৰ দৰে উচ্চ গণ্যমান্য ব্যক্তিৰ বাবে বিমান/হেলিকপ্টাৰ ভাড়া কৰে। ১৯৯৪ চনত নিৰ্বাচন আয়োগে সকলো ৰাজনৈতিক দলৰ সমহাৰত চৰকাৰী/পিএছইউৰ মালিকানাধীন বিমান/হেলিকপ্টাৰ ভাড়া কৰাৰ ন্যূনতম চৰ্ত জাৰি কৰিছিল।

## ১১.২ ভাড়া কৰা বিমান আৰু হেলিকপ্টাৰসমূহ

১১.২.১ পৰৱৰ্তী সময়ত, নিৰ্বাচন আয়োগে মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসকলসহ ৰাজনৈতিক কৰ্মকৰ্তাসকলে চৰকাৰী/ৰাজহুৱা খণ্ডৰ মালিকানাধীন বিমানৰ ব্যৱহাৰ কৰা সন্দৰ্ভত প্ৰতিবন্ধকতা ৰাখি পৰৱৰ্তী নিৰ্দেশনা জাৰি কৰিছিল। মাত্ৰ প্ৰধানমন্ত্ৰীকহে ইয়াৰ পৰা বাদ দিয়া হৈছিল। তেওঁলোকৰ সুৰক্ষাৰ দিশৰ লগতে অন্যান্য কাৰণ দেখুৱাই একাংশ মুখ্যমন্ত্ৰীয়ে এই প্ৰতিবন্ধকতা শিথিল কৰিবলৈ অনুৰোধ কৰিছিল, কিন্তু নিৰ্বাচন আয়োগে প্ৰতিবন্ধকতাত কোনো ধৰণৰ শিথিলতা প্ৰদান কৰা নাই। নিৰ্বাচন আয়োগৰ বিদ্যমান প্ৰতিবন্ধকতাসমূহ অৱশ্যে ৰাজনৈতিক কৰ্মকৰ্তাসহ মুখ্যমন্ত্ৰীসকলে ব্যক্তিগত বিমান ব্যৱহাৰত আৰোপ কৰা হোৱা নাই। নিৰ্বাচন আয়োগে স্পষ্ট কৰিছে যে মুখ্যমন্ত্ৰীকে ধৰি এনে ৰাজনৈতিক কৰ্মকৰ্তাসকলে প্ৰয়োজন হ'লে, ব্যক্তিগত বিমান ভাড়া কৰক আৰু সেইসমূহ তেওঁলোকৰ ৰাজনৈতিক প্ৰচাৰ আৰু অন্য নিৰ্বাচন সম্পৰ্কীয় কাৰ্যকলাপৰ বাবে ব্যৱহাৰ কৰক। এনে বিমানৰ ব্যৱহাৰৰ ব্যয় সংশ্লিষ্ট ৰাজনৈতিক দলৰ দ্বাৰা পৰিশোধ কৰা হ'ব পাৰে আৰু তেওঁলোকৰ হিচাপত এইসমূহ যথোযুক্তভাৱে অন্তৰ্ভুক্ত কৰিব লাগিব।

## ১১.৩ অ-সূচীত বিমানসমূহৰ পঞ্জী ব্যৱস্থাপনা

আইন আৰু প্ৰাসংগিক নিয়মৰ অধীনত অ-সূচীত বিমানৰ চলাচলৰ পঞ্জীৰ ব্যৱস্থাপনা সংশ্লিষ্ট কৰ্তৃপক্ষৰ বাবে অতি গুৰুত্বপূৰ্ণ। ইয়াত যাত্ৰীৰ তালিকা, নিৰ্দিষ্ট স্থান অনুসৰি এনে

বিমানৰ আগমন আৰু প্ৰস্থানৰ সঠিক সময় আদিৰ বিৱৰণ পঞ্জীত ব্যৱস্থাপনা কৰিব লাগে। নিৰ্বাচন আয়োগে সময়ে সময়ে লাভ কৰা অভিযোগসমূহ পৰীক্ষা কৰিবলৈ এনে তথ্য বিৱৰণ বিচাৰিব পাৰে। সেই অনুসৰি, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট কৰ্তৃপক্ষক এনে বিৱৰণসমূহৰ পঞ্জী ব্যৱস্থাপনাৰ বাবে নিয়োগ কৰিব পাৰে।

## ১১.৪ জিলা প্ৰশাসনৰ দ্বাৰা নিৰ্দিষ্ট তথ্যপুঞ্জীৰ ব্যৱস্থাপনা

এই সময়ছোৱাত ৰাজনৈতিক দলবোৰে নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ বাবে আৰু অন্যান্য উদ্দেশ্যে হেলিকপ্টাৰ/বিমান ব্যৱহাৰ কৰে, এই সন্দৰ্ভত তেওঁলোকে সংশ্লিষ্ট কৰ্তৃপক্ষক তিনিদিনৰ আগতে জনোৱাৰ বাবে অনুৰোধ কৰা হ'ব পাৰে আৰু তেওঁলোকৰ ভ্ৰমণসূচী, ভ্ৰমণ কৰা ব্যক্তিসকলৰ বিৱৰণ আৰু হেলিকপ্টাৰ/বিমানৰ বিৱৰণ প্ৰদান কৰিব লাগে। জিলা প্ৰশাসন/জিলা নিৰ্বাচনী বিষয়াসকলে এই সন্দৰ্ভত এক লগবুক ৰাখিব লাগে আৰু জিলাখনৰ পৰা হেলিকপ্টাৰ/বিমানৰ অৱতৰণ, উৰণৰ বিৱৰণ আৰু উক্ত বিমান/হেলিকপ্টাৰত ভ্ৰমণ কৰা ব্যক্তিসকলৰ বিৱৰণ, ভ্ৰমণৰ উদ্দেশ্য আৰু ক'ত অৱতৰণৰ বাবে অনুমতি লোৱা হৈছিল নে নাই তাৰ তথ্য ব্যৱস্থাপনা কৰিব লাগে। জিলা নিৰ্বাচনী বিষয়াসকলে এনেধৰণৰ হেলিকপ্টাৰ/বিমানৰ আগমন আৰু প্ৰস্থানৰ বিষয়ে মুখ্য নিৰ্বাচনী বিষয়াক দৈনিক প্ৰতিবেদন প্ৰেৰণ কৰিব আৰু নিৰ্বাচন আয়োগকো জনাব লাগে।

## ১১.৫ ভোটদান/ভোট গণনাত ব্যক্তিগত ফিক্সড-উইং বিমান আৰু হেলিকপ্টাৰসমূহৰ ব্যৱহাৰ সন্দৰ্ভত স্পষ্টীকৰণ

১১.৫.১ প্ৰশ্ন উত্থাপিত হৈছিল যে, ভোটদান আৰু ভোট গণনাৰ দিনত সমষ্টিৰ পৰা সমষ্টি অনুসাৰে ভোটদান আৰু গণনা প্ৰক্ৰিয়া নিৰীক্ষণ কৰিবলৈ ৰাজনৈতিক দলৰ নেতাসকলক ব্যক্তিগত ফিক্সড-উইং বিমান আৰু হেলিকপ্টাৰ ব্যৱহাৰ কৰাৰ অনুমতি প্ৰদান কৰিব পাৰি নে নাই। নিৰ্বাচন আয়োগে প্ৰশ্নটো বিবেচনা কৰিছিল। ভোটগ্ৰহণ আৰু ভোট গণনা প্ৰক্ৰিয়া নিৰীক্ষণ বা তত্বাৱধান কৰাটোৱে নিৰ্বাচন আয়োগৰ কাৰ্যত হস্তক্ষেপ কৰা সূচায়। লগতে, নিৰাপত্তা কাৰণত বিভিন্ন শ্ৰেণীত বিভক্ত কৰা নেতাসকলে সমষ্টিয়ে সমষ্টিয়ে ঘূৰিলে নিৰাপত্তা দিয়াৰ প্ৰসংগও আহি পৰে। ভোটগ্ৰহণ আৰু ভোট গণনাৰ দিনত আৰক্ষী আৰু অন্যান্য নিৰাপত্তা কৰ্মীসকলে ভোটাৰ, ভোটগ্ৰহণ দল আৰু ভোটদান সামগ্ৰীৰ বাবে সুৰক্ষা আৰু ভোটকেন্দ্ৰ আৰু ভোট গণনা কেন্দ্ৰৰ চাৰিওফালে টহল ৰখা আৰু সমষ্টিসমূহত সঠিক আইন-শৃংখলা আৰু শান্তিপূৰ্ণ বাতাবৰণ বৰ্তাই ৰখা আদি কাৰ্য সম্পূৰ্ণৰূপে ব্যস্ত হৈ থাকে। সমষ্টিয়ে সমষ্টিয়ে ঘূৰাৰ সময়ত ৰাজনৈতিক দলৰ নেতাসকলক প্ৰদান কৰিবলগীয়া সুৰক্ষা ব্যৱস্থাত যিকোনো বিসংগতি আৰু বিভ্ৰান্তিৰ সৃষ্টি হ'লে মুক্ত আৰু নিকা

শৃংখলাবদ্ধ আৰু শান্তিপূৰ্ণ নিৰ্বাচন অনুষ্ঠিত কৰাত গুৰুতৰ প্ৰভাৱ পেলাব পাৰে। ইয়ে জিলা আৰু মহকুমাৰ প্ৰশাসনিক যন্ত্ৰৰ ওপৰত অতিৰিক্ত চাপ প্ৰদান কৰাক চিহ্নিত কৰিব। তদুপৰি, তেওঁলোকৰ অৱগমনে বিশেষকৈ ভোটদানৰ দিনত, ভোটগ্ৰহণৰ ৪৮ ঘণ্টা আগৰ নিষিদ্ধ সময়ছোৱাত প্ৰচাৰ কাৰ্য চলোৱা হিচাপেও বিবেচিত হ'ব পাৰে। ইয়াৰ উপৰি, ৰাজনৈতিক দলৰ নেতাসকলে ভোটগ্ৰহণ আৰু ভোট গণনাৰ দিনত কৰা ব্যক্তিগত ফিক্সড-উইং বিমান আৰু হেলিকপ্টাৰ ব্যৱহাৰে ইতিমধ্যে বৰ্তাই থকা নিৰ্বাচনী ব্যয়ত যথেষ্ট খৰচ সংযোগ কৰিব। নিৰ্বাচনত উচ্চ ব্যয় নিয়ন্ত্ৰণৰ ক্ষেত্ৰত এইটো যুক্তিসংগত পদক্ষেপ নহ'ব, ইয়ে সৰু সৰু উৎসৰ সৈতে জড়িত ৰাজনৈতিক দলসমূহক অসুবিধাজনক অৱস্থানত ৰাখিব।

১১.৫.২ উপৰোক্ত সকলো বিবেচনাৰ বিষয়ে চিন্তা কৰি নিৰ্বাচন আয়োগে সিদ্ধান্ত লৈছিল যে ভোটদান আৰু ভোট গণনাৰ দিনত সমষ্টিৰ পৰা সমষ্টি অনুসাৰে ভোটদান আৰু ভোট গণনা প্ৰক্ৰিয়া নিৰীক্ষণ কৰিবলৈ কোনো ৰাজনৈতিক দলৰ নেতাই ব্যক্তিগত ফিক্সড-উইং বিমান আৰু হেলিকপ্টাৰ ব্যৱহাৰ কৰিব নোৱাৰিব।

১১.৫.৩ নিৰ্বাচন আয়োগে আৰু সিদ্ধান্ত লৈছিল যে অসামৰিক বিমান পৰিবহণৰ সঞ্চালকে এই দিশসমূহৰ ওপৰত দৃষ্টি ৰাখিব আৰু আপাতকালীন কাৰণত নিৰ্বাচন আয়োগে উপযুক্ত অনুমতিৰ বাহিৰে ভোটদান আৰু ভোট গণনাৰ সংশ্লিষ্ট দিনত ভ্ৰমণৰ বাবে কোনো ৰাজনৈতিক দলৰ নেতাক ব্যক্তিগত ফিক্সড-উইং বিমান আৰু হেলিকপ্টাৰ উৰণৰ অনুমতি নিদিয়ে।

********

## অধ্যায় ১২

# বিদ্যালয়ৰ খেলপথাৰ/ৰাজহুৱা সম্পত্তিৰ ব্যৱহাৰ

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ**

- বিদ্যালয়/মহাবিদ্যালয়ৰ চৌহদ/খেলপথাৰ ব্যৱহাৰ
- ৰাজনৈতিক বিজ্ঞাপনত ৰাজহুৱা সম্পত্তিৰ ব্যৱহাৰত প্ৰতিবন্ধকতা
- ৰাজ্যিক পৰিবহণ কৰ্তৃপক্ষৰ অধীনত চলা বাছত ৰাজনৈতিক বিজ্ঞাপনত প্ৰতিবন্ধকতা

## ১২.১ পাতনি

ৰাজনৈতিক দলসমূহক তেওঁলোকৰ নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে ৰাজহুৱা সভা অনুষ্ঠিত কৰাৰ বাবে ডাঙৰ ময়দান, পাৰ্ক, খেলপথাৰ আদিৰ প্ৰয়োজন। বহুতো চহৰ আৰু নগৰত ৰাজনৈতিক দলে তেওঁলোকৰ ৰাজহুৱা সভা অনুষ্ঠিত কৰাৰ বাবে এনে উপযুক্ত পথাৰৰ অভাৱত সমস্যাৰ সন্মুখীন হয় আৰু তেওঁলোকে প্ৰায়ে বিদ্যালয়/মহাবিদ্যালয়ৰ খেলপথাৰ তেওঁলোকৰ ৰাজহুৱা সভা অনুষ্ঠিত কৰাৰ বাবে ব্যৱহাৰ কৰাৰ বাবে নিৰ্বাচন আয়োগৰ কাষ চাপে। আদৰ্শ আচৰণ বিধিৰ VII অংশৰ (ii)ত উল্লেখ আছে যে ক্ষমতাত থকা দলে নিৰ্বাচনৰ সভা অনুষ্ঠিত কৰাৰ বাবে আৰু হেলিকপ্টাৰ/বিমানৰ বাবে হেলিপেড হিচাপে ৰাজহুৱা ময়দানসমূহ একচেটিয়াভাৱে ব্যৱহাৰ কৰিব নোৱাৰে। নিৰ্বাচন আয়োগে বিদ্যালয়, মহাবিদ্যালয় আৰু অন্যান্য শিক্ষা প্ৰতিষ্ঠান আৰু অন্যান্য খেলপথাৰ, ৰাজহুৱা সম্পত্তি, যিসমূহ ব্যৱহাৰৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষৰ অনুমতিৰ প্ৰয়োজন, ইয়াৰ ব্যৱহাৰৰ বিষয়ে স্পষ্ট নিৰ্দেশনা জাৰি কৰিছে।

## ১২.২ বিদ্যালয়/মহাবিদ্যালয়ৰ চৌহদ/খেলপথাৰৰ ব্যৱহাৰ

১২.২.১ নিৰ্বাচন আয়োগে বিদ্যালয়/মহাবিদ্যালয়ৰ খেলপথাৰ ৰাজনৈতিক সভাসমূহৰ বাবে ব্যৱহাৰ কৰাত অনুমতি প্ৰদান কৰিছে।

(i) কোনো পৰিস্থিতিত বিদ্যালয়/মহাবিদ্যালয়ৰ শৈক্ষিক দিনপঞ্জী ব্যাহত হ'ব নোৱাৰিব।

(ii) এনে প্ৰচাৰৰ বাবে বিদ্যালয়/মহাবিদ্যালয় পৰিচালনা সমিতিৰ কোনো আপত্তি থাকিব নালাগিব আৰু তেওঁলোকৰ অনুমতি থাকিব লাগিব আৰু ইয়াৰ সৈতে ৰাজহ চক্ৰ বিষয়াৰ সন্মতি থাকিব লাগিব।

(iii) এনে ময়দান ব্যৱহাৰ কৰাৰ অনুমতি প্ৰদানৰ ক্ষেত্ৰত যিটো ৰাজনৈতিক দল প্ৰথমে আহিব, তেওঁক অগ্ৰাধিকাৰ দিয়া হ'ব আৰু কোনো দলক এনে খেলপথাৰ ব্যৱহাৰ একচেটিয়া কৰিবলৈ অনুমতি দিয়া নহ'ব।

(iv) ন্যায়ালয়ৰ নিষেধাজ্ঞা থকা কোনো চৌহদ/খেলপথাৰ ব্যৱহাৰৰ ক্ষেত্ৰত কোনো আদেশ/নিৰ্দেশ নাই।

(v) ৰাজনৈতিক দল/প্ৰাৰ্থী/প্ৰচাৰকসকলে নিশ্চিত কৰিব যে আদৰ্শ আচৰণবিধি উলংঘা নকৰে।

(vi) ৰাজনৈতিক সভাৰ বাবে বিদ্যালয়/মহাবিদ্যালয়ৰ খেলপথাৰ আৱণ্টনৰ ক্ষেত্ৰত কৰা যিকোনো উলংঘা নিৰ্বাচন আয়োগে গুৰুত্বসহকাৰে চাব। এই ক্ষেত্ৰত ৰাজহ চক্ৰ বিষয়া দায়বদ্ধ থাকিব।

১২.২.২ যি ৰাজনৈতিক দলক খেলপথাৰখন প্ৰচাৰ কাৰ্যৰ বাবে ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়া হৈছে, তেওঁলোকে বিদ্যালয়/মহাবিদ্যালয়ৰ অনুমতি সাপেক্ষে খেলপথাৰখন ওভতাই দিব লাগিব। যদি কোনো ক্ষতি হৈছে তেন্তে উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰিব লাগিব।

## ১২.৩ ৰাজনৈতিক বিজ্ঞাপনত ৰাজহুৱা সম্পত্তিৰ ব্যৱহাৰত প্ৰতিবন্ধকতা

১২.৩.১ ৰাজহুৱা স্থান/ৰাজহুৱা সম্পত্তিৰ ব্যৱহাৰ প্ৰতিবন্ধকতাৰ ক্ষেত্ৰত যেনে— ৰে'লৱে ষ্টেচন, চৰকাৰী ঔষধালয়/চিকিৎসালয়, ডাকঘৰ, বাছষ্টেণ্ড, বিমানবন্দৰ, দলং, ৰেলৱে উৰণীয়া সেতু, স্থলপথ, চৰকাৰী বাছ, চৰকাৰী/ৰাজহুৱা অট্টালিকা/চৌহদ, অসামৰিক আন্তঃগাঁথনি, বিদ্যুৎ/ টেলিফোনৰ খুঁটা, পৌৰ নিগম/স্থানীয় সংস্থাৰ অট্টালিকা আদিক লোৱা হয় আৰু ৰাজনৈতিক বিজ্ঞাপন প্ৰচাৰৰ বাবে নিৰ্বাচন আয়োগে নিৰ্দেশ দিছিল যে নিৰ্বাচনী প্ৰচাৰ কাৰ্যৰ সময়তহে কোনো দেৱাল লিখন, পোষ্টাৰ/কাগজ আন যিকোনো ৰূপত অৱক্ষয় বা কাটআউট, হৰ্ডিং, বেনাৰ, পতাকা আদিৰ প্ৰদৰ্শনৰ অনুমতি থাকিব।

১২.৩.২ প্ৰাসংগিক আইন বা আদালতৰ আদেশ, যদি থাকে, তেনেহ'লে ইয়াত নিৰ্দেশ দিয়া হৈছে, চৰকাৰী বিভাগসমূহ (কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ) স্থানীয় কৰ্তৃপক্ষ, যুটীয়া খণ্ডৰ উদ্যোগ ইত্যাদি, পৌৰ নিগম, পৌৰসভা, বাণিজ্যিক ব'ৰ্ড ইত্যাদি যেতিয়া ব্যক্তিগত বিজ্ঞাপন এজেন্সিক প্ৰচাৰৰ উদ্দেশ্যে স্থান আৱণ্টনৰ বাবে চুক্তি কৰা হ'ব, তেতিয়া নিৰ্বাচন আয়োগ নিৰ্ধাৰণ কৰা নিৰ্দেশনাৰ অধীনত আদৰ্শ আচৰণবিধি বলৱৎ থকাৰ সময়ত ৰাজনৈতিক বিজ্ঞাপনৰ বাবে এনে সম্পত্তিৰ ব্যৱহাৰ কৰাৰ বিষয়ে চুক্তিত উল্লেখ থাকিব লাগিব।

১২.৩.৩ পিএছইউৰ মালিকানাধীন অট্টালিকা/চৌহদৰ ক্ষেত্ৰত ওপৰোক্ত প্ৰতিবন্ধকতা প্ৰযোজ্য হ'ব আৰু তেনেক্ষেত্ৰত সেইসমূহ চৰকাৰী অট্টালিকা হিচাপে বিবেচিত হ'ব।

১২.৩.৪ যদি পিএছইউৰ আইনত এনে কোনো নিৰ্দিষ্ট ব্যৱস্থা নাই বা বিজ্ঞাপন সংস্থাসমূহৰ সৈতে হোৱা চুক্তি (বিজ্ঞাপন প্ৰকাশ কৰাৰ বাবে যাক স্থান এৰি দিয়া হৈছে)ত ৰাজনৈতিক বিজ্ঞাপনৰ প্ৰতিবন্ধকতা আছে, পিএছইউসমূহে নিৰ্দেশনা জাৰি কৰিব লাগিব আৰু তেওঁলোকৰ বাণিজ্যিক সংস্থা/কোম্পানীৰ সৈতে চুক্তিত এটা দফা যোগ কৰিব লাগিব, যাতে বাণিজ্যিক বিজ্ঞাপন প্ৰচাৰৰ বাবে পৰ্যাপ্ত স্থান লাভ কৰে আৰু লীজত দিওঁতে উল্লেখ থাকিব লাগিব— আদৰ্শ আচৰণ বিধি প্ৰযোজ্য কৰাৰ সময়ত বাণিজ্যিক বিজ্ঞাপনৰ বাবে লীজত দিয়া স্থানত কোনো ৰাজনৈতিক বিজ্ঞাপন প্ৰচাৰ বা পেষ্ট কৰাৰ স্থান নাই। নিৰ্ধাৰিত স্থানত যদি কোনো ৰাজনৈতিক বিজ্ঞাপন প্ৰদৰ্শন কৰা হয়, তেন্তে প্ৰদৰ্শনৰ লগে লগে আদৰ্শ আচৰণ বিধি বলৱৎ কৰি ইয়াক আঁতৰ কৰা হ'ব।

## ১২.৪ ৰাজ্যিক পৰিবহণ কৰ্তৃপক্ষৰ অধীনত চলা বাছত ৰাজনৈতিক বিজ্ঞাপনত প্ৰতিবন্ধকতা

১২.৪.১ আদৰ্শ আচৰণ বিধি চলি থকাৰ সময়ত যিকোনো ৰাজনৈতিক বিজ্ঞাপন প্ৰদৰ্শনৰ বাবে ৰাজ্যিক পথ পৰিবহণ নিগমৰ বাছ আৰু পৌৰ নিগমৰ মালিকানাধীন বাছ আৰু অন্যান্য চৰকাৰী মালিকানাধীন বাহন ব্যৱহাৰ কৰিব নোৱাৰিব।

১২.৪.২ যদি স্থানীয় আইনত ধন পৰিশোধৰ যোগেদি ৰাজহুৱা স্থানত ৰাজনৈতিক বিজ্ঞাপনৰ বাবে শ্ল'গান লিখা, পোষ্টাৰ, কাট-আউট/হৰ্ডিং আদিৰ সুবিধা আছে, তেন্তে তেনে যিকোনো ৰাজহুৱা স্থানত প্ৰচাৰৰ অনুমতি দিব পাৰে। এইক্ষেত্ৰত প্ৰাসংগিক আইনৰ ব্যৱস্থা আৰু আদালতৰ নিৰ্দেশ কঠোৰভাৱে প্ৰযোজ্য কৰিব লাগিব, যদি থাকে। জিলা নিৰ্বাচনী বিষয়াই নিশ্চিত কৰিব যে এনে স্থানসমূহ সমানভাৱে বিতৰণ কৰা হৈছে আৰু ইয়াত কোনো নিৰ্দিষ্ট দল/প্ৰাৰ্থীয়ে প্ৰভাৱ বিস্তাৰ কৰা নাই।

******

# অধ্যায় ১৩

# জাতীয় পতাকা/দলীয় পতাকা/দলীয় বেনাৰৰ ব্যৱহাৰ

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ-**

- জাতীয় পতাকাৰ ব্যৱহাৰ
- দলীয় কৰ্মীৰ বাসগৃহত দলীয় পতাকা/বেনাৰৰ ব্যৱহাৰ
- প্ৰদৰ্শন কৰিব পৰা দলীয় পতাকাৰ সংখ্যা
- বাহনত প্ৰদৰ্শিত কৰা বেনাৰ/পতাকাৰ আকাৰ আৰু সংখ্যা
- প্ৰচাৰ অভিযান সম্পৰ্কীয় সামগ্ৰী

## ১৩.১ জাতীয় পতাকাৰ ব্যৱহাৰ

১৩.১.১ নিৰ্বাচনী প্ৰচাৰৰ সময়ত, ৰাজনৈতিক দল/প্ৰাৰ্থীসকলে কেতিয়াবা জাতীয় পতাকা ব্যৱহাৰ কৰে। এই সন্দৰ্ভত ৰাজনৈতিক দলক নিৰ্বাচন ৰেলীত জাতীয় পতাকা ব্যৱহাৰৰ অনুমতি নিদিবলৈ কেন্দ্ৰীয় চৰকাৰ, উত্তৰ প্ৰদেশ চৰকাৰ আৰু নিৰ্বাচন আয়োগৰ নিৰ্দেশনা বিচাৰি এলাহাবাদ উচ্চন্যায়ালয়ত এখন আবেদন দাখিল কৰা হৈছিল। ২০১৪ চনৰ ৩০ জানুৱাৰীত উচ্চ ন্যায়ালয়ে আবেদনৰ নিষ্পত্তি কৰোতে লক্ষ্য কৰিছিল যে ৰাজনৈতিক দলৰ ৰেলীত জাতীয় পতাকাৰ সঠিক ব্যৱহাৰ ক্ষেত্ৰত কোনো নিষেধাজ্ঞা নাই আৰু এইটো পৰ্যবেক্ষণ কৰি সুনিশ্চিত কৰাটো সংশ্লিষ্ট কৰ্তৃপক্ষৰ কৰ্তব্য, যাতে প্ৰতীক আৰু নাম আইন ১৯৫০ (অপব্যৱহাৰ প্ৰতিৰোধ) আৰু জাতীয় সন্মানৰ অপমান প্ৰতিৰোধ আইন ১৯৭১অনুযায়ী জাতীয় পতাকা প্ৰদৰ্শনৰ নিৰ্দিষ্ট বিধি আৰু সঠিকভাৱে অনুপালন কৰা হৈছে। (পৰিশিষ্ট XIV)

১৩.১.২ ২০১৭ চনৰ উপ-নিৰ্বাচনত প্ৰচাৰ অভিযানৰ সময়ত নিৰ্বাচন আয়োগৰ দৃষ্টিগোচৰ কৰা হৈছিল যে নিৰ্বাচনী লাভৰ বাবে এজন ৰাজনৈতিক নেতাৰ নকল কফিন সাজু কৰা হৈছে য'ত জাতীয় পতাকা মেৰিয়াই থোৱা হৈছিল। প্ৰতীক আৰু নাম আইন ১৯৫০ (অপব্যৱহাৰ প্ৰতিৰোধ) আৰু জাতীয় সন্মানৰ অপমান প্ৰতিৰোধ আইন ১৯৭১আৰু জাতীয় পতাকা প্ৰদৰ্শনৰ নিৰ্দিষ্ট বিধি অনুযায়ী নিৰ্বাচন আয়োগে ইয়াক অনুপযুক্ত বুলি গণ্য কৰিছিল আৰু নিৰ্দেশ দিছিল যে সংশ্লিষ্ট কৰ্তৃপক্ষই ৰাষ্ট্ৰীয় দলসমূহৰ দ্বাৰা জাতীয় পতাকা প্ৰদৰ্শনৰ নিৰ্দিষ্ট বিধি কঠোৰভাৱে পালন কৰাটো সুনিশ্চিত কৰিব লাগিব। পঞ্জাবৰ মুখ্য নিৰ্বাচনী বিষয়াক প্ৰসংগক্ৰমে পঞ্জাবৰ মুখ্যমন্ত্ৰীয়ে অনুৰোধ কৰিছিল যি ৰামা মাণ্ডিৰ হৈ প্ৰচাৰ চলাই আছিল যে, ২০১২ চনৰ ২৬ জানুৱাৰীত ফিৰোজপুৰত জাতীয় পতাকা উত্তোলন কৰাৰ

বাবে তেওঁক যাতে যাবলৈ দিয়ে। নিৰ্বাচন আয়োগে অনুমতি দিয়াৰ ক্ষেত্ৰত এই সন্দৰ্ভত নিৰ্দেশনা দিছিল যে মন্ত্ৰীসকলে তেওঁলোকৰ গৃহ জিলা বা জিলাসমূহত পতাকা উত্তোলন কৰিব নালাগে, য'ত তেওঁলোকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি থকা সমষ্টিবোৰ অৱস্থিত।

## ১৩.২ দলীয় কৰ্মীৰ বাসগৃহত দলীয় পতাকা/বেনাৰৰ ব্যৱহাৰ

১৩.২.১ প্ৰতিবন্ধকতাৰ ক্ষেত্ৰত যিকোনো স্থানীয় আইন বা আদালতৰ যিকোনো কাৰ্যকৰী আদেশ অনুযায়ী ৰাজনৈতিক দল, প্ৰাৰ্থী, তেওঁলোকৰ এজেণ্ট, কৰ্মী আৰু সমৰ্থকসকলে বেনাৰ, ফেষ্টুন, পতাকা, কাট-আউট, তেওঁলোকৰ নিজৰ সম্পত্তিত ৰাখিব পাৰে, যদিহে এয়া তেওঁলোকৰ স্ব-ইচ্ছাই হয় আৰু কোনো দলৰ, পক্ষ, সংগঠন, ব্যক্তিৰ দ্বাৰা চাপ নাথাকে আৰু এইবোৰৰ বাবে কোনো ধৰণৰ অসুবিধাৰ সৃষ্টি নকৰে। যদি বেনাৰ, পতাকা আদিৰ এনে প্ৰদৰ্শনৰ লক্ষ্য হৈছে নিৰ্দিষ্টৰ প্ৰাৰ্থীৰ বাবে ভোট বিচৰা তেন্তে ভাৰতীয় দণ্ড বিধিৰ ধাৰা ১৭১ (এইচ)ক আকৰ্ষিত কৰা হ'ব আৰু ইয়াৰ অধীনত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

*(ভাৰতীয় দণ্ড বিধিৰ ১৭১ (এইচ) ধাৰাই নিৰ্ধাৰণ কৰে যে যিকোনো ব্যক্তিয়ে প্ৰাৰ্থীৰ পৰা লিখিত আকাৰে সাধাৰণ বা বিশেষ কৰ্তৃত্ব লাভ নকৰিলে ৰাজহুৱা সভা বা আন কোনো বিজ্ঞাপন, চাৰ্কোলাৰ, মুদ্ৰণ বা তেনে প্ৰাৰ্থীৰ প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰা যিকোনো উদ্দেশ্যে ব্যয় কৰিলে দণ্ডনীয় হ'ব আৰু জৰিমণা পাঁচশ টকালৈ সম্প্ৰসাৰিত হ'ব পাৰে। তদুপৰি এনে ব্যয় দহ টকাৰ ওপৰত কোনো লোক কৰ্তৃত্বহীনভাৱে জড়িত আছে তেন্তে দহ দিনৰ ভিতৰত এনে ব্যয়ৰ বাবে প্ৰাৰ্থীৰ পৰা লিখিত অনুমতি ল'ব লাগিব। তেওঁ প্ৰাৰ্থীৰ অনুমতি সাপেক্ষেহে ব্যয় কৰা বুলি গণ্য কৰা হ'ব।*

১৩.২.২ **প্ৰদৰ্শন কৰিবলগীয়া দলীয় পতাকাৰ সংখ্যা ঃ** দলীয় কাৰ্যালয় আৰু দলীয় কৰ্মী/সমৰ্থকৰ বাসগৃহত দল/প্ৰাৰ্থীৰ তিনিখনহে পতাকা থাকিব পাৰিব। কোনো কাৰণত কিছুমান ব্যক্তিয়ে এটাতকৈ অধিক দল বা প্ৰাৰ্থীৰ পতাকা প্ৰদৰ্শন কৰিবলৈ বিচাৰে, তেনেহ'লে প্ৰতিটো দল/প্ৰাৰ্থীৰ কেৱল এখনহে পতাকা প্ৰদৰ্শন সীমাবদ্ধ হ'ব। স্থানীয় আইন আৰু আদালতৰ আদেশৰ অধীনতহে পতাকা প্ৰদৰ্শন কৰা হ'ব, যদি থাকে। অৱশ্যে, নিৰ্বাচন আয়োগৰ বিদ্যমান নিৰ্দেশনা অনুসৰি ব্যয়সমূহ কঠোৰভাৱে হিচাপত সন্নিৱিষ্ট কৰিব লাগিব।

## ১৩.৩ বাহনত প্ৰদৰ্শিত কৰা বেনাৰ/পতাকাৰ আকাৰ আৰু সংখ্যা

১৩.৩.১ ৰাজনৈতিক দলৰ কৰ্মীৰ দ্বাৰা বাহনত প্ৰদৰ্শিত কৰা বেনাৰ/পতাকাৰ আকাৰ আৰু

সংখ্যা ব্যৱহাৰ সন্দৰ্ভত নিৰ্বাচন আয়োগে নিম্নলিখিত নিৰ্দেশনা প্ৰদান কৰিছে—

(i) দুচকীয়া বাহন- সৰ্বাধিক আকাৰৰ ১ফুট × $^{১}/_{২}$ ফুট এখন পতাকা মটৰ চাইকেলৰ দৰে দুচকীয়া বাহনত ব্যৱহাৰৰ অনুমতি আছে। কোনো বেনাৰ অনুমোদিত নহ'ব। ১ বা ২ টা নিৰ্দিষ্ট আকাৰৰ সৰু ষ্টিকাৰ প্ৰতিটো বাহনৰ ওপৰত অনুমোদিত হ'ব পাৰে।

(ii) তিনিচকীয়া বাহন, চাৰিচকীয়া বাহন, ই-ৰিক্সা- ১ফুট × $^{১}/_{২}$ ফুট আকাৰৰ সৰ্বাধিক এখন পতাকা লগাব পাৰিব। কোনো বেনাৰ অনুমোদিত নহ'ব। ১ বা ২ টা নিৰ্দিষ্ট আকাৰৰ সৰু ষ্টিকাৰ প্ৰতিটো বাহনৰ ওপৰত অনুমোদিত হ'ব পাৰে।

(iii) ৰোড শ্ব'ৰ বাবে এখন ১ফুট × $^{১}/_{২}$ ফুট আকাৰৰ পতাকা প্ৰচাৰ অভিযানৰ বাহনত ৰিটাৰ্ণিং বিষয়াৰ দ্বাৰা অনুমোদিত হ'ব।

(iv) পতাকা বহন কৰাৰ বাবে মাৰি/লাঠিৰ দৈৰ্ঘ্য ৩ফুটতকৈ অধিক নালাগিব।

(v) এইটো স্পষ্ট কৰা হয় যে যদি কোনো দলৰ আন দলৰ নিৰ্বাচনী মিত্ৰতা/আসন বুজাবুজি আছে তেন্তে প্ৰচাৰত ব্যৱহৃত বাহনত এজন প্ৰাৰ্থী/ৰাজনৈতিক দলৰ প্ৰত্যেকটো দলৰে এখনকৈ পতাকা প্ৰদৰ্শন কৰিব পাৰিব।

(vi) ৰোড শ্ব'ৰ সময়ত, হাতেৰে কঢ়িয়াই নিয়া বেনাৰৰ সৰ্বাধিক আকাৰ হ'ব ৬ ফুট × ৪ ফুট।

১৩.৩.২ যিকোনো বাহনত পতাকা বা ষ্টিকাৰ ব্যৱহাৰ কৰোতে, লক্ষ্য কৰা উচিত যে ইয়াৰ ফলত চালকৰ দৃশ্যমানতা (সংশ্লিষ্ট বাহন বা পথৰ আন যিকোনো বাহন) আৰু সন্মুখ বা পিছফালৰ পৰা আইনাত যিকোনো যাত্ৰী স্পষ্টৰূপত দেখা পোৱাৰ ক্ষেত্ৰত কোনো বাধাৰ সৃষ্টি নহয়।

১৩.৩.৩ প্ৰচাৰ অভিযানৰ বাহনত কোনো স্পট/ফ'কাছ/ফেচিং/চাৰ্চ লাইট আৰু হুটাৰ লগাব নোৱাৰিব।

১৩.৩.৪ সংশ্লিষ্ট বিষয়া আগতীয়া অনুমতি অবিহনে কোনো ব্যক্তিয়ে বাহনত যিকোনো বৃহৎ আকাৰৰ কোনো পতাকা বা বেনাৰ বা ষ্টিকাৰ প্ৰদৰ্শন কৰাৰ অনুমতি নাথাকিব আৰু এয়া প্ৰাসংগিক আইন বা আদালতৰ আদেশ অনুযায়ী হ'ব, যদি থাকে।

১৩.৩.৫ মুখ্য নিৰ্বাচনী বিষয়াই নিশ্চিত কৰিব যে সকলো স্থানীয় আইন, আদালতৰ আদেশ/নিৰ্দেশ আৰু যান-বাহন আইনৰ সকলো নীতি সমানভাৱে সমগ্ৰ ৰাজ্যত প্ৰযোজ্য কৰা হৈছে।

## ১৩.৪ প্ৰচাৰ অভিযান সম্পৰ্কীয় সামগ্ৰী

ব্যয়ৰ হিচাপ ৰখাৰ বাবে নিৰ্বাচন আয়োগে প্ৰচাৰ কাৰ্যত তলত উল্লেখিত সামগ্ৰীসমূহৰ ব্যৱহাৰত অনুমতি দিছে।

(i) সমদল আৰু ৰেলী আদিত পতাকা, বেনাৰ, কাট-আউট আদি স্থানীয় আইন আৰু প্ৰতিবন্ধকতা অনুযায়ী কঢ়িয়াব পাৰিব।

(ii) এনে সমদলত বিশেষভাৱে পৰিধান কৰা টুপী, মাস্ক, মাফ্‌লা আদিৰ যোগান ধৰাৰ বাবে ৰাজনৈতিক দল/প্ৰাৰ্থীয়ে অনুমতি পাব। অৱশ্যে, শাৰী, চাৰ্ট আদিৰ দৰে মুখ্য বস্ত্ৰ যোগান ধৰাৰ ক্ষেত্ৰত ৰাজনৈতিক দল/প্ৰাৰ্থীক অনুমোদন দিয়া নহ'ব।

*********

# অধ্যায় ১৪
# লাউডস্পীকাৰৰ ব্যৱহাৰ

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ**

- নির্বাচনত লাউডস্পীকাৰ ব্যৱহাৰৰ ম্যাদ
- লাউডস্পীকাৰৰ ব্যৱহাৰত অনুমতি বাঞ্চনীয়
- অন্তিম ৪৮ ঘণ্টাত লাউডস্পীকাৰ ব্যৱহাৰত প্ৰতিবন্ধকতা
- অনুমোদিত সীমাৰ ভিতৰত ধ্বনি থাকিব লাগিব

## ১৪.১ পাতনি

১৪.১.১ নির্বাচনী প্ৰচাৰৰ ক্ষেত্ৰত ভাৰতত লাউডস্পীকাৰ হৈছে আটাইতকৈ সহজ উপলব্ধ আৰু কাৰ্যকৰী উপায়, কাৰণ ইয়াৰ উচ্চ শব্দ আৰু গতিশীলতা। এখন বাহনত লাউডস্পীকাৰ লগোৱাৰ পিছত এটা ৰাজনৈতিক দল/প্ৰাৰ্থীয়ে একেলগে বৃহৎ সংখ্যক ভোটদাতাক প্ৰতিটো স্থানীয় চুক-কোণত স্পৰ্শ কৰিব পাৰে। কিন্তু ইয়াৰ উচ্চ ডেচিবেলৰ বাবে লাউডস্পীকাৰ পৰিৱেশৰ বাবে গুৰুত্বপূৰ্ণ বিপদ। ই বিভিন্ন শ্ৰেণীৰ লোকক পৰিশ্ৰান্ত কৰিব পাৰে যেনে— ৰোগী/দিব্যাংগ/বৃদ্ধ লোক/শিক্ষাৰ্থী বা ঘৰচীয়া জীৱ-জন্তুক। এই ক্ষেত্ৰত ৰাজনৈতিক দলৰ প্ৰচাৰ কাৰ্যত লাউডস্পীকাৰ ব্যৱহাৰ কৰাৰ অধিকাৰৰ বিষয়টো এফাল ৰাইজৰ হাতত আৰু এফাল দলৰ হাতত। সেয়ে নির্বাচন আয়োগে ১৯৯৪ চনৰ ১৩ জানুৱাৰীত এই সন্দৰ্ভত কিছু নির্দেশনা জাৰি কৰি এনে লাউডস্পীকাৰৰ ব্যৱহাৰৰ সময় নিৰ্ধাৰণ কৰি পুৱা ৮ বজাৰ পৰা সন্ধিয়া ৭ বজালৈকে অনুমতিবিহীনভাৱে কোনো নির্বাচনী ঘোষণা বা ফলাফল ঘোষণা কৰাৰ প্ৰতিবন্ধকতা আৰোপ কৰিছে।

১৪.১.২ ১৯৯৪ চনৰ মে' মাহত তামিলনাডুত অনুষ্ঠিত উপ-নির্বাচনৰ সময়ত এই নির্দেশনাসমূহক এআইএডিএমকেৰ মাদ্ৰাজ উচ্চ ন্যায়ালয়ত প্ৰত্যাহ্বান জনাইছিল, যিয়ে নির্বাচন আয়োগৰ আদেশত স্থগিতাদেশ দিছিল। নির্বাচন আয়োগে উচ্চতম ন্যায়ালয়ত উচ্চন্যায়ালয়ৰ আদেশৰ বিপৰীতে আবেদন দাখিল কৰিছিল। সৰ্বোচ্চ ন্যায়ালয়ে উচ্চন্যায়ালয়ৰ আদেশৰ সৈতে একমত হৈছিল আৰু নির্বাচন আয়োগৰ নির্দেশনা সংশোধন কৰি পুৱা ৬ বজাৰ পৰা নিশা ১০বজালৈ লাউডস্পীকাৰৰ ব্যৱহাৰত অনুমতি দিছিল।

## ১৪.২ সংকুলিত নির্দেশনা

১৪.২.১ ২০০০ চনৰ ২৬ ডিচেম্বৰত নির্বাচন আয়োগে নতুন সংকুলিত নির্দেশনা জাৰি কৰে আৰু পূর্বৰ নির্দেশনাসমূহ খাৰিজ কৰে। এয়া পত্র ২৬.০৯.২০০৫ তাৰিখৰ পত্রৰ দ্বাৰা (পৰিশিষ্ট 98XV)সংশোধন কৰা হৈছিল, যিসমূহ প্রদান কৰা হৈছে ঃ

(i) **নির্বাচনত লাউডস্পীকাৰ ব্যৱহাৰৰ ম্যাদ ঃ** নির্বাচনৰ উদ্দেশ্যে ৰাজহুৱা সভাৰ বাবে ব্যৱহৃত ৰাইজক সম্বোধন কৰিব পৰা প্রণালী বা লাউডস্পীকাৰ বা যিকোনো ধ্বনিৰ এমপ্লিফায়াৰ, যিকোনো প্রকাৰৰ বাহনত সংস্থাপিত হ'বনে নাই বা কোনো নির্দিষ্ট স্থানত লগোৱা, এনে প্রণালীৰ ব্যৱহাৰ নিশা ১০.০০ বজাৰ পৰা পুৱা ৬.০০ ভিতৰত হ'ব নালাগিব।

(ii) সাধাৰণ প্রচাৰেই হওক বা ৰাজহুৱা সভাই হওক বা সমদলেই হওক লাউডস্পীকাৰ যদি চলাচলকাৰী বাহনৰ ওপৰত লগোৱা হ'ব নে নাই বা অন্যথা, ওপৰত উল্লেখ কৰা ঘণ্টাত সীমাবদ্ধ কৰা হ'ব নে নহয়।

(iii) ওপৰত নির্ধাৰিত ঘণ্টাৰ বাহিৰত ব্যৱহাৰ হোৱা লাউডস্পীকাৰ, সংযোজিত সকলো সঁজুলিৰ সৈতে জব্দ কৰা হ'ব।

(iv) **লাউডস্পীকাৰৰ ব্যৱহাৰত অনুমতি বাঞ্চনীয় ঃ** ৰাজনৈতিক দলসমূহ/প্রার্থী/আন যিকোনো ব্যক্তি চলমান বাহনত লাউডস্পীকাৰ ট্রাক, টেম্পো, বাহন, টেক্সি, ভান, তিনিচকীয়া স্কুটাৰ, চাইকেল, ই-ৰিক্সা ইত্যাদি, সন্নিৱিষ্ট কিন্তু প্রতিবন্ধকতা নহয়, সেই বাহনসমূহৰ পঞ্জীয়ন চিনাক্তকৰণ নম্বৰ লাউডস্পীকাৰ ব্যৱহাৰ কৰাৰ অনুমতি প্রদানৰ বাবে কর্তৃপক্ষক প্রদান কৰিব লাগিব। যাতে এনে পঞ্জীয়ন নম্বৰ সংশ্লিষ্ট কর্তৃপক্ষই চাই সূচিত অনুমতিপত্র প্রদান কৰিব পাৰে।

(v) লিখিত অনুমতি অবিহনে যিকোনো বাহন য'ত লাউডস্পীকাৰ ব্যৱহাৰ কৰা হৈছে তেনে বাহন লাউডস্পীকাৰ আৰু অন্যান্য সকলো সঁজুলিৰ সৈতে জব্দ কৰা হ'ব।

(vi) সকলো ৰাজনৈতিক দল, প্রার্থী আৰু আনকি অন্যান্য ব্যক্তি যিয়ে ভ্রাম্যমাণ বাহন বা নির্দিষ্ট স্থানত লাউডস্পীকাৰ সংস্থাপিত কৰে তেওঁলোকে কৰিব লাগিব—

(ক) সমষ্টিটোৰ ৰিটার্ণিং বিষয়া, আৰু

(খ) স্থানীয় আৰক্ষীক লিখিতভাৱে, তেওঁলোকে প্রাপ্ত কৰা

লাউডস্পীকাৰ ব্যৱহাৰৰ অনুমতিসমূহ সম্পূৰ্ণ বিৱৰণসহ জনাব লাগিব। ভ্ৰাম্যমাণ লাউডস্পীকাৰৰ ক্ষেত্ৰত ৰিটাৰ্ণিং বিষয়া আৰু আৰক্ষীয়ে বাহনসমূহৰ পঞ্জীয়ন চিনাক্তকৰণ নম্বৰ পঞ্জীভুক্ত কৰিব লাগিব।

(vii) এয়া ৰাজ্য চৰকাৰৰ দায়িত্ব যে লাউডস্পীকাৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰয়োজনীয় অনুজ্ঞাপত্ৰ প্ৰদান কৰা আৰু স্থানীয় আৰক্ষীয়ে ইয়াক কঠোৰভাৱে বলৱৎ কৰিব যে ওপৰোক্ত নিৰ্দেশনা উলংঘা কৰি কোনো ব্যক্তিয়ে লাউডস্পীকাৰ ব্যৱহাৰ কৰিব নোৱাৰে।

১৪.২.২ **অন্তিম ৪৮ ঘণ্টাত লাউডস্পীকাৰ ব্যৱহাৰত প্ৰতিবন্ধকতা ঃ** যিকোনো ভোটগ্ৰহণ অনুষ্ঠিত অঞ্চলত ৪৮ ঘণ্টাৰ সময়ছোৱাত কোনো বাহত সজ্জিত লাউডস্পীকাৰ বা অন্যান্য ধৰণে সজ্জিত যিবোৰৰ ব্যৱহাৰ কৰাৰ অনুমতি দিয়া নহ'ব। ভোটগ্ৰহণ সমাপ্ত হোৱাৰ পিছতো সঠিক আইন-শৃংখলা অটুট ৰাখিবলৈ ফলাফল ঘোষণা নোহোৱালৈকে ইয়াক অক্ষুণ্ণ ৰাখিব লাগিব। লাউডস্পীকাৰৰ ব্যৱহাৰ সাধাৰণতে জনসাধাৰণৰ মাজত শব্দ প্ৰদূষণৰ উৎস হিচাপে গণ্য কৰা হয় আৰু প্ৰায়ে ৰাজনৈতিক বাতাবৰণত উত্তেজনাৰ সৃষ্টি কৰিব পাৰে। সেয়েহে জিলা প্ৰশাসনে প্ৰতিবন্ধকতা থকা ৪৮ঘণ্টাৰ সময়ত লাউডস্পীকাৰ ব্যৱহাৰত কোনো ধৰণৰ অনুমতি দিব নালাগে, আইন আৰু শৃংখলা বৰ্তাই ৰখাৰ স্বাৰ্থত নিৰ্বাচন শেষ নোহোৱালৈকে ইয়াক অক্ষুণ্ণ ৰাখিব লাগে।

১৪.২.৩ **অনুমোদিত সীমাৰ ভিতৰত ধ্বনি থাকিব লাগিব ঃ** নিৰ্বাচন আয়োগে নিৰ্দেশ দিছিল যে লাউডস্পীকাৰ/এমপ্লিফায়াৰৰ দ্বাৰা সৃষ্ট উচ্চ শব্দৰ ডেচিবেলে প্ৰাসংগিক আইন/নিৰ্দেশনাৰ বাহিৰত অতিক্ৰম কৰিছে নে নাই সেয়া ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ সংশ্লিষ্ট কৰ্তৃপক্ষই নিশ্চিত কৰিব লাগিব। জিলা নিৰ্বাচন বিষয়াসকলে কৰিব উপযুক্তভাৱে ই চলি আছে নে নাই তাৰ ওপৰত নজৰ ৰাখিব, যদি ঘটে।

******

# অধ্যায় ১৫

# পত্ৰিকা/পোষ্টাৰৰ মুদ্ৰণ

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ-**

- ভাড়াতীয়া বিজ্ঞাপন
- সন্ধানযোগ্য উৎসসহ বিজ্ঞাপনক লৈ ব্যৱস্থা
- পোষ্টাৰ হিচাপে হৰ্ডিং/ফ্লেক্স ব'ৰ্ড

## ১৫.১ পাতনি

১৫.১.১ নিৰ্বাচনৰ সময়ত, ৰাজনৈতিক দল বা প্ৰাৰ্থী বা তেওঁলোকৰ সমৰ্থকসকলে ভোটাৰৰ মাজত বিতৰণ কৰিবলৈ ছপা মাধ্যমৰ জৰিয়তে ৰাজনৈতিক বিজ্ঞাপন বা পত্ৰিকা/পোষ্টাৰ ছপা কৰে। কেতিয়াবা, এই মুদ্ৰিত সামগ্ৰীসমূহে প্ৰকাশকৰ নাম আৰু পৰিচয় বহন নকৰিব পাৰে। এনে ৰাজনৈতিক বিজ্ঞাপন প্ৰকাশত প্ৰতিবন্ধকতা আৰোপ কৰাৰ বাবে পিপ'ল আইন ১৯৫১ৰ ধাৰা ১২৭(এ)ৰ অধীনত ব্যৱস্থা আছে।

১৫.১.২ পিপ'ল আইন ১৯৫১ৰ ধাৰা ১২৭(এ)ত কোৱা হৈছে যে—

(১) কোনো ব্যক্তিয়ে মুদ্ৰণত প্ৰিণ্টাৰ আৰু প্ৰকাশকৰ নাম আৰু তাৰ ঠিকনা প্ৰকাশ নকৰাকৈ যিকোনো নিৰ্বাচনী পত্ৰিকা বা পোষ্টাৰপ্ৰকাশ কৰিব নোৱাৰিব।

(২) কোনো ব্যক্তিয়ে কোনো নিৰ্বাচনী পত্ৰিকা বা পোষ্টাৰ মুদ্ৰণ কৰিব নোৱাৰিব—

(ক) যেতিয়ালৈকে প্ৰকাশকৰ পৰিচয়ৰ বিষয়ে কোনো ঘোষণা নাথাকিব, মুদ্ৰকক তেওঁৰ দ্বাৰা স্বাক্ষৰিত আৰু তেওঁৰ চিনাকি দুজন ব্যক্তিৰ দ্বাৰা প্ৰমাণিত কৰা পত্ৰৰ নকল প্ৰতিলিপি প্ৰদান কৰা নহ'ব;

(খ) যদিহে, দস্তাবেজ মুদ্ৰণৰ পিছত নিৰ্ধাৰিত সময়ৰ ভিতৰত ঘোষণাৰ মুদ্ৰকক প্ৰেৰণ কৰিব প্ৰতিলিপি;

(i) যদি ৰাজ্যৰ ৰাজধানীত মুদ্ৰণ কৰা হয়, তেন্তে মুখ্য নিৰ্বাচনী বিষয়া;

(ii) আন যিকোনো ক্ষেত্ৰত জিলা দণ্ডাধীশলৈ, য'ত ইয়াক মুদ্ৰিত কৰা হৈছে;

(৩) এই ধাৰাৰ উদ্দেশ্যে—

(ক) প্ৰতিবেদনৰ প্ৰতিলিপিৰ হিচাপত হেৰফেৰ, হাতত থকা প্ৰতিলিপি, মুদ্ৰকত অৰ্ডাৰ অনুযায়ী মুদ্ৰণ কৰা আৰু মুদ্ৰকৰ স্থানত

উপযুক্তভাৱে প্ৰকাশ কৰিব লাগিব।

(খ) নিৰ্বাচনৰ পুস্তিকা বা পোষ্টাৰৰ অৰ্থ হৈছে যিকোনো মুদ্ৰিত পুস্তিকা, হস্তপুথি বা অন্যান্য প্ৰতিবেদন যাক প্ৰাৰ্থী বা প্ৰাৰ্থীসমূহৰ এটা গোটৰ নিৰ্বাচনৰ প্ৰচাৰৰ বাবে বিতৰণ কৰা হৈছে বা এনে প্লেকাৰ্ড বা পোষ্টাৰত নিৰ্বাচনৰ প্ৰসংগ উল্লেখ আছে, কিন্তু কোনো হস্তপুথি, প্লেকাৰ্ড আৰু পোষ্টাৰত নিৰ্বাচনৰ এজেণ্ট বা কৰ্মীক নিয়মিত নিৰ্দেশনা বা নিৰ্বাচনী সভাৰ তাৰিখ, সময়, স্থান আৰু অন্যান্য ঘোষণা আদি কৰা হোৱা নাই।

(৪) আগৰ উপ-শাখাৰ যিকোনো ব্যৱস্থা উলংঘন কৰা যিকোনো ব্যক্তি (১) বা উপ-ধাৰা (২) কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰা হ'ব যি ছমাহলৈ সম্প্ৰসাৰিত হ'ব পাৰে বা জৰিমণা বিহা হ'ব যি দুই হাজাৰ টকালৈ হ'ব পাৰে বা দুয়োটা শাস্তি প্ৰদান কৰিব পাৰে।

## ১৫.২ ভাড়াতীয়া বিজ্ঞাপন

এইটো দেখা গৈছে যে ছপা মাধ্যম বিশেষকৈ বাতৰি কাকতত এটা ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ বাবে আৰু বিৰুদ্ধে নিৰ্বাচনৰ সময়ত ভাড়াতীয়া বিজ্ঞাপন প্ৰকাশ হোৱা দেখা যায়। বহুক্ষেত্ৰত এনে বিজ্ঞাপনবোৰ এজন নিৰ্দিষ্ট প্ৰাৰ্থীৰ নিৰ্বাচনকেন্দ্ৰিক হয়। পিপ'ল আইন ১৯৫১ৰ ধাৰা ৭৭(১)ত এনে বিজ্ঞাপনত অন্তৰ্ভুক্ত ব্যয় যিকোনো প্ৰাৰ্থীৰ নিৰ্বাচনৰ ব্যয়ৰ হিচাপত যোগ কৰিব লাগিব, সেই ধাৰাৰ অধীনত ব্যৱস্থাপনা কৰিব লাগিব। তদুপৰি, ভাৰতীয় দণ্ড বিধি, ১৮৬০ৰ ধাৰা ১৭১ (এইচ) অনুসৰি প্ৰাৰ্থীৰ সন্মতিসম্পন্ন কৰ্তৃত্ব অবিহনে নিৰ্বাচনী প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলোৱা যিকোনো বিজ্ঞাপনৰ ব্যয়, চাৰ্কোলাৰ বা মুদ্ৰণৰ ওপৰত ব্যয় নিষিদ্ধ। ভাড়াতীয়া বিজ্ঞাপনে আইনৰ ওপৰোক্ত দিশবোৰ অমান্য কৰে।

**১৫.৩ ভাড়াতীয়া বিজ্ঞাপনৰ ধাৰাবাহিকতা ঃ** ওপৰত উল্লেখ কৰা আইনৰ উপপূৰণৰ ব্যৱস্থাবোৰৰ প্ৰয়োজনীয়তাৰ বাবে নিৰ্বাচন আয়োগে নিৰ্দেশ দিছিল যে যিকোনো ৰাজনৈতিক দল বা প্ৰাৰ্থীৰ বাবে বা বিৰুদ্ধে নিৰ্বাচনৰ সময়ত নিৰ্বাচন বিষয়ক ছপা মাধ্যমত যিকোনো বিজ্ঞাপনৰ ক্ষেত্ৰত প্ৰকাশকৰ নাম আৰু ঠিকনাসহ বিজ্ঞাপন থাকিব লাগিব।

## ১৫.৪ সন্ধানযোগ্য উৎসসহ বিজ্ঞাপনক লৈ ব্যৱস্থা

বিজ্ঞাপনৰ ক্ষেত্ৰত, যি উৎসৰ পৰা আহিছে, যদি সন্ধানযোগ্য উৎস নিম্ন উল্লেখিত কাৰ্যব্যৱস্থা লোৱা হ'ব—

(i) প্ৰাৰ্থীসকলৰ সন্মতি বা জ্ঞান অনুসাৰে যদি বিজ্ঞাপনটো প্ৰকাশ কৰা হয় ইয়াক সংশ্লিষ্ট প্ৰাৰ্থীৰ দ্বাৰা অনুমোদিত কৰা বুলি বিবেচনা কৰা হ'ব আৰু এইক্ষেত্ৰত হোৱা ব্যয় প্ৰাৰ্থীসকলৰ নিৰ্বাচনী ব্যয়ৰ হিচাপত যোগ কৰা হ'ব।

(ii) যদি বিজ্ঞাপনটোত প্ৰাৰ্থীৰ কৰ্তৃত্ব নাথাকে, তেন্তে নিয়ম উলংঘাৰ বাবে প্ৰকাশকৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধি, ১৮৬০ৰ ধাৰা ১৭১ (এইচ) অনুসৰি গোচৰ ৰখা হ'ব পাৰে (প্ৰাৰ্থীৰ লিখিত কৰ্তৃত্ব অবিহনে বিজ্ঞাপনত ব্যয় কৰা)।

(iii) যদি বিজ্ঞাপনত প্ৰকাশকৰ পৰিচয় উল্লেখিত নহয়, তেতিয়া সংশ্লিষ্ট বাতৰি কাকতৰ সৈতে যোগাযোগ কৰা হ'ব পাৰে আৰু তথ্য বিচাৰিব পাৰে আৰু উপযুক্ত পদক্ষেপ গ্ৰহণত চিন্তা-চৰ্চা কৰা হ'ব পাৰে।

### ১৫.৫ পোষ্টাৰ হিচাপে হৰ্ডিং/ ফ্লেক্স ব'ৰ্ড

হৰ্ডিং, ফ্লেক্স ব'ৰ্ড আদিত থকা যিকোনো নিৰ্বাচন সম্পৰ্কীয় বিজ্ঞাপন পিপ'ল আইন ১৯৫১ৰ ধাৰা ১২৭(এ)ত অনুযায়ী 'পোষ্টাৰ' হিচাপে গণ্য কৰা হ'ব। হৰ্ডিং, ফ্লেক্স ব'ৰ্ড ইত্যাদিত প্ৰকাশ কৰা ৰাজনৈতিক দলীয় নেতাৰ ফটোৰ ক্ষেত্ৰত প্ৰকাশকৰ নাম আৰু ঠিকনা দিয়াৰ নিৰ্দেশনা অনুসৰণ কৰিব লাগিব।

**১৫.৬** ওপৰত উল্লেখ কৰা আইনৰ ধাৰা ১২৭(এ)ৰ উপ-ধাৰা (২) অনুসৰি নিৰ্বাচন আয়োগে নিৰ্দেশনা দিছিল যে হৰ্ডিং, ফ্লেক্স ব'ৰ্ড আদি প্ৰদৰ্শন কৰাৰ আগতে সম্পত্তিৰ মালিকৰ পৰা আগতীয়া অনুমতি প্ৰাপ্ত কৰিব লাগিব। এনে সামগ্ৰীৰ ক্ষেত্ৰত ৰাজহুৱা স্থানত হওক বা ব্যক্তিগত চৌহদত, সংশ্লিষ্ট দল/প্ৰাৰ্থীয়ে নিৰ্ধাৰিত ফৰ্মেটত এনে হৰ্ডিং/ ফ্লেক্স ব'ৰ্ডৰ দুখন ফটোকপিসহ ৰিটাৰ্ণিং বিষয়াক তথ্য দাখিল কৰিব লাগিব। (পৰিশিষ্ট XIV)

*******

# অধ্যায় ১৬

# ৰাজহুৱা/ব্যক্তিগত সম্পত্তিৰ অৱক্ষয়

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ**

- ৰাজহুৱা সম্পত্তিৰ অৱক্ষয়
- ব্যক্তিগত সম্পত্তিৰ অৱক্ষয়
- হল, প্ৰেক্ষাগৃহ আৰু চৰকাৰী মালিকানাধীন অন্যান্য সম্পত্তিৰ অৱক্ষয়
- বাহনৰ অৱক্ষয়
- অকৰ্তৃত্বশীল অৱক্ষয় আঁতৰোৱাৰ ম্যাদ

## ১৬.১ পাতনি

১৬.১.১ আদৰ্শ নিৰ্বাচন বিধিৰ অংশ I ৰ ধাৰা (৬) অনুসৰি ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ বাবে থকা নিৰ্দেশনাসমূহে দেখুৱায় যে ঃ

কোনো ৰাজনৈতিক দল বা প্ৰাৰ্থীয়ে নিজে বা তেওঁৰ অনুগামীসকলে ব্যক্তিগত ভূমি, অট্টালিকা, চৌহদৰ বেৰ ইত্যাদি ব্যৱহাৰৰ অনুমতি নিদিব, তেওঁৰ অনুমতি অবিহনে ফ্লেগ, বেনাৰ স্থাপন কৰা, পোষ্টাৰ আঠা লগোৱা শ্ল’গান আদি লিখিব নোৱাৰিব।

১৬.১.২ কিন্তু নিৰ্বাচনৰ সময়ত দেখা যায় যে, ৰাজনৈতিক দলসমূহে ব্যক্তিগত অট্টালিকাৰ গৰাকীৰ অনুমতি অবিহনে ব্যক্তিগত আৰু ৰাজহুৱা অট্টালিকাৰ দেৱালসমূহত পোষ্টাৰ আঠা লগোৱা আৰু দেৱাল লিখন আদিৰে অৱক্ষয়ত লিপ্ত হয়। নিৰ্বাচন শেষ হোৱাৰ পিছত, ৰাজহুৱা ভৱনৰ ক্ষেত্ৰত পোষ্টাৰ আৰু দেৱাল লিখন আঁতৰ কৰাৰ ব্যয় ৰাজহুৱা ব্যয়ৰ দ্বাৰা বহন কৰা হয় আৰু ব্যক্তিসকলৰ ক্ষেত্ৰত ব্যক্তিগত অট্টালিকাত থকা এনে অৱক্ষয়ৰ বাবে ব্যক্তিগত খৰচ হয়। যিকোনো ক্ষেত্ৰত, জনসাধাৰণৰ দোষ নথকাকৈয়ে তেওঁলোকৰ ৰাজকোষৰ ধন ব্যয় হয়।

১৬.১.৩ কিছুমান ৰাজ্যত স্থানীয় আইন আছে যাৰ অধীনত এনে অৱক্ষয় ৰোধ কৰা কাৰ্যক শক্তিশালী কৰা হয় আৰু এনে অৱক্ষয়কাৰীক ধৰা হয়। পশ্চিমবংগত এই সন্দৰ্ভত এখন বিশেষ আইন আছে যাক পশ্চিমবংগ সম্পত্তিৰ অৱক্ষয় ৰোধ আইন হিচাপে (যিখন পিছত ক্ষমতাহীন কৰা হৈছিল) জনা যায় যিয়ে এনে অৱক্ষয় ৰোধত ভূমিকা গ্ৰহণ কৰিছিল। নিৰ্বাচন আয়োগে পৰামৰ্শ দিছিল আন ৰাজ্যতো এনে ধৰণৰ ব্যৱস্থা প্ৰণয়ণ কৰা হওক। কিছুমান ৰাজ্য চৰকাৰে আইন গ্ৰহণ কৰিছিল। অসম, গুজৰাট, কেৰালা, মণিপুৰ, মেঘালয়, উৰিষ্যা, ৰাজস্থান, উত্তৰ প্ৰদেশ, পশ্চিমবংগ আৰু কেন্দ্ৰীয়শাসিত অঞ্চল দাদ্ৰা আৰু নগৰ হাফেলী, দমন আৰু দিউ, লাক্ষাদ্বীপ আদি ৰাজ্যৰ বাহিৰে আন সকলো ৰাজ্যৰ হাতত

সম্প্ৰতি তেওঁলোকৰ নিজৰ ৰাজ্যিক আইন আছে।

১৬.১.৪ ১৯৯৪ চনৰ ৫ জানুৱাৰীত নিৰ্বাচন আয়োগে নিৰ্দেশনা জাৰি কৰিছিল যে, সম্পত্তি অৱক্ষয় প্ৰতিৰোধ কৰা স্থানীয় আইনসমূহৰ ব্যৱস্থাবোৰৰ কঠোৰ অনুপালন নিশ্চিত কৰা হওক আৰু যিয়ে এই আইন উলংঘা কৰিছে তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আগবাঢ়ক। এই নিৰ্দেশনাৰ মুখ্য অংশ আছিল যে দল/সংস্থা/বৰ্ড/প্ৰাৰ্থী বা অন্যান্য ব্যক্তি যিয়ে অনুমতি অবিহনে ৰাজহুৱা বা ব্যক্তিগত অট্টালিকাৰ দেৱালত শ্ল'গান, চিহ্ন অংকন কৰিছিল বা পোষ্টাৰ আঠা লগাইছিল, যাৰ বাবে এই অট্টালিকা আৰু দেৱালৰ অৱক্ষয় হৈছিল তেওঁলোকে নিজৰ ব্যয়েৰে এই অৱক্ষয় ৰোধ কৰিব লাগিব আৰু তেনে লিখনসমূহ নাইকীয়া কৰিব লাগিব।

## ১৬.২ সংকুলিত নিৰ্দেশনা

১৬.২.১ নিৰ্বাচন আয়োগৰ ওপৰোক্ত নিৰ্দেশনাই ৰাজহুৱা আৰু ব্যক্তিগত সম্পত্তিৰ পৰিচ্ছন্নতাৰ ওপৰত এক প্ৰশংসামূলক প্ৰভাৱ পেলাইছিল আৰু ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসকলৰ ব্যয় যথেষ্ট হ্ৰাস কৰিছিল। অৱশ্যে, এইটো লক্ষ্য কৰা হৈছিল যে কেইবাখনো ৰাজ্যই ৰাজ্যিক আইন প্ৰণয়ন কৰা স্বত্বেও, সমগ্ৰ দেশতে একক ধৰণৰ নিৰ্দেশাৱলী নাই। যাৰ ফলত ৰাজনৈতিক দলসমূহৰ বাবে সম্পত্তিৰ অৱক্ষয় ৰোধৰ এক থুলমূল নিৰ্দেশাৱলী প্ৰকাশ কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা গৈছিল আৰু নিৰ্বাচনৰ সময়ত নিৰ্বাচনী আয়োগৰ পৰ্যবেক্ষণত এনে আইন বলৱৎ কৰা কৰ্তৃপক্ষ শক্তিশালী কৰাৰ অনুভৱ কৰিছিল। সেই অনুসৰি, নিৰ্বাচন আয়োগে ২০০৮ চনৰ ৭ অক্টোবৰ (পৰিশিষ্ট XVII)ত সকলোকে অতিৰিক্ত নতুন বিতং নিৰ্দেশনা জাৰি কৰে আৰু আগৰ নিৰ্দেশনা বাতিল কৰে। সংশোধন অনুসৰি সম্পত্তিৰ অৱক্ষয় ৰোধৰ ক্ষেত্ৰত থকা শেহতীয়া নিৰ্দেশনাসমূহ তলত উল্লেখ কৰা ধৰণৰ—

(i) ৰাজহুৱা স্থানৰ অৱক্ষয়

(ক) কোনো চৰকাৰী চৌহদ (অসামৰিক আন্তগাঁথনিসহ)ত দেৱাল লিখন, পোষ্টাৰ/কাগজ আঠা লগোৱা বা আন যিকোনো ৰূপত অৱক্ষয় কৰা বা হৰ্ডিং, বেনাৰ, পতাকা, কাটআউট ৰখা/প্ৰদৰ্শন কৰাৰ অনুমতি দিয়া নহ'ব। চৰকাৰী চৌহদ হিচাপে যিকোনো চৰকাৰী কাৰ্যালয় আৰু ইয়াৰ চৌহদ লগতে ভৱন অন্তৰ্ভুক্ত থাকিব।

(খ) যদি স্থানীয় আইনে চৰকাৰী স্থানসমূহত ৰাজনৈতিক দলসমূহক

ধন পৰিশোধ বা অন্য কাৰণত শ্ল'গান, পোষ্টাৰ আঠা লগোৱা বা কাট-আউট তৈয়াৰ কৰা, হৰ্ডিং, বেনাৰ, ৰাজনৈতিক বিজ্ঞাপন ইত্যাদি প্ৰদৰ্শন কৰিবলৈ অনুমতি দিয়ে, আইন আৰু প্ৰাসংগিক ব্যৱস্থা অনুসৰি আৰু এই বিষয়ত আদালতৰ আদেশ অনুযায়ী ইয়াক কঠোৰভাৱে অনুমতি দিয়া হ'ব পাৰে। এইটো নিশ্চিত কৰিব লাগিব যে এনে নিৰ্দিষ্ট দল বা প্ৰাৰ্থীৰ দ্বাৰা এনে কোনো স্থান আধিপত্য/একচেটিয়া নহয়। সকলো দল আৰু প্ৰাৰ্থীসকলৰ বাবে ইয়াত সমান সুযোগ প্ৰদান কৰিব লাগে।

(গ) যদি ৰাজহুৱা স্থানত বিশেষভাৱে বিজ্ঞাপন প্ৰদৰ্শন কৰা নিৰ্ধাৰিত স্থান থাকে (উদাহৰণস্বৰূপে বিল ব'ৰ্ড, হৰ্ডিং ইত্যাদি) আৰু যদি এনে স্থান ইতিমধ্যে আৱণ্টন কৰা সংস্থাই যিকোনো ব্যক্তিগত গ্ৰাহকক দিছে, জিলা নিৰ্বাচনী বিষয়াই পৌৰ নিগমৰ কৰ্তৃপক্ষৰ জৰিয়তে, যদি থাকে, নিশ্চিত কৰিব লাগিব যে সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসকলে তেনে বিজ্ঞাপনৰ স্থান ব্যৱহাৰ কৰাৰ সমান সুবিধা লাভ কৰিব লাগিব নিৰ্বাচন চলি থকাৰ সময়ত।

(ii) ব্যক্তিগত স্থানৰ অৱক্ষয়

(ক) সেইসমূহ ৰাজ্যত য'ত এই সন্দৰ্ভত কোনো স্থানীয় আইন নাই আৰু কোনো আইনী প্ৰতিবন্ধকতা অনুসৰি য'ত আইন আছে, অস্থায়ী আৰু সহজে আঁতৰাব পৰা বিজ্ঞাপন সামগ্ৰী, যেনে— পতাকা, বেনাৰ আদি ব্যক্তিগত চৌহদত স্বেচ্ছামূলকৰ অনুমতিৰ সৈতে প্ৰদৰ্শন কৰিব পাৰিব। এই অনুমতি মুক্ত আৰু কোনো ভয়-ভাবুকিৰ পৰা বাহিৰত হ'ব লাগিব। এনে বেনাৰ বা পতাকা আদিৰ বাবে উশৃংখল পৰিস্থিতিৰ সৃষ্টি হ'ব নালাগিব। স্বেচ্ছামূলক অনুমতিৰ ফটো প্ৰতিলিপিসহ ফ্লেগ আৰু বেনাৰসমূহ লগোৱাৰ তিনিদিন ভিতৰত ৰিটাৰ্ণিং বিষয়াৰ ওচৰত দাখিল কৰিব লাগিব।

(খ) সেইসমূহ ৰাজ্য য'ত ৰাজ্য/স্থানীয় অৱক্ষয় আইনে বিশেষভাৱে পতাকা, বেনাৰ, হৰ্ডিং ইত্যাদিৰ প্ৰদৰ্শন নিষিদ্ধ কৰে, তাত এনে আইনৰ ব্যৱস্থাবোৰ কঠোৰভাৱে প্ৰযোজ্য

হ'ব আৰু এনেকুৱা সামগ্ৰী প্ৰদৰ্শন ব্যক্তিগত বা ৰাজহুৱা সম্পত্তিত প্ৰদৰ্শন কৰিব নোৱাৰিব।

(গ) যদি ৰাজ্য/স্থানীয় অৰক্ষয় আইনে বিশেষভাৱে পতাকা, বেনাৰ, হৰ্ডিং ইত্যাদিৰ প্ৰদৰ্শন সীমাবদ্ধ নকৰে, ব্যক্তিগত সম্পত্তিৰ ওপৰত পতাকা বা হৰ্ডিং বা বেনাৰ আদিৰ দৰে সামগ্ৰী প্ৰদৰ্শনৰ অনুমতি দিয়া হ'ব সম্পত্তিৰ গৰাকীৰ নিজা অনুমতি সাপেক্ষে। আনহাতে, যদি এই ক্ষেত্ৰত আদালতৰ নিৰ্দেশনা থাকে সেয়া মানিব লাগিব। আনৰ সম্পত্তিত এনে সামগ্ৰীসমূহ প্ৰদৰ্শন কৰাৰ বাবে গৰাকী আৰু দখলদাৰীৰ অনুমতি ল'ব লাগিব।

(ঘ) যদি স্থানীয় আইনে দেৱাল লিখন, পোষ্টাৰ আঠা লগোৱা আৰু এনেধৰণৰ অন্য স্থায়ী/উপ-স্থায়ী অৰক্ষয় যি সহজে আঁতৰাব নোৱাৰি আৰু যিকোনো পৰিস্থিতিত ইয়াক পুনৰুদ্ধাৰ কৰিব নোৱাৰি, আনকি গৰাকীৰ অনুমতি থকাৰ পিছতো ইয়াৰ বাবে অনুমতি নিদিয়ে, তেন্তে তেনে কাৰ্যত অনুমতি নাথাকিব। এয়া সেইসমূহ ৰাজ্যতো প্ৰযোজ্য হ'ব য'ত সম্পত্তিৰ অৰক্ষয় ৰোধৰ কোনো স্থানীয় আইন নাই।

(ঙ) যদি স্থানীয় আইনে দেৱাল লিখন, শ্ল'গান, পোষ্টাৰ আঠা লগোৱা, হৰ্ডিং, বেনাৰ ইত্যাদি ব্যক্তিগত অনুমতি সাপেক্ষে ব্যক্তিগত চৌহদত প্ৰদৰ্শন কৰিবলৈ অনুমতি দিয়ে, সংশ্লিষ্ট ৰাজনৈতিক দল বা প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থীয়ে ইয়াৰ গৰাকীৰ পৰা আগতীয়া লিখিত অনুমতি ল'ব লাগিব আৰু তিনিদিনৰ ভিতৰত ইয়াৰ ফটোকপিসহ ৰিটাৰ্ণিং বিষয়া বা তেওঁ দ্বাৰা নিৰ্ধাৰিত বিষয়াক নিৰ্ধাৰিত ফৰ্মেটত দাখিল কৰিব লাগিব। কোনো ক্ষেত্ৰত এই উক্তিয়ে ওপৰোক্ত উপ-দফা (ক) স্পষ্টভাৱে উল্লেখ কৰিব আৰু এনে অনুমতিত ব্যক্তিগত সম্পত্তিৰ গৰাকীৰ নাম আৰু ঠিকনা সন্নিৱিষ্ট থাকিব আৰু এইক্ষেত্ৰত হোৱা খৰচ যোগ কৰিব লাগিব।

(চ) এনে দেৱাল লিখন আৰু প্ৰদৰ্শনত সম্প্ৰদায়সমূহৰ মাজত উত্তেজনাৰ সৃষ্টি কৰিব পৰা যিকোনো মন্তব্য প্ৰকাশ কৰাৰ

অনুমতি দিয়া নহ'ব।

(ছ) এনে অভিযানত হোৱা ব্যয় প্ৰাৰ্থীসকলৰ নিৰ্বাচনী ব্যয়ৰ হিচাপত যোগ কৰা হ'ব। কোনো দলে কৰা অগতানুগতিক প্ৰচাৰৰ ব্যয় (প্ৰাৰ্থীৰ নাম উল্লেখ নকৰাকৈ কৰা প্ৰচাৰ) প্ৰাৰ্থীৰ ব্যয়ত যোগ কৰা নহ'ব।

(জ) নিৰ্বাচনী বিষয়া বা নিৰ্বাচন পৰ্যবেক্ষকৰ সহজ পৰীক্ষাৰ বাবে অনুমতি লাভ কৰাৰ তিনিদিনৰ ভিতৰত প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীয়ে গাঁও/স্থানীয়/চহৰ অনুসৰি, ৰিটাৰ্ণিং বিষয়া বা কৰ্তৃত্বশীল বিষয়াক এনে তথ্য প্ৰদান কৰিব।

(ঝ) যিকোনো স্থানীয় আইন বা আদালতৰ নিৰ্দেশ অনুযায়ী, ৰাজনৈতিক দল/প্ৰাৰ্থী/তেওঁলোকৰ এজেণ্ট/ কৰ্মকৰ্তা আৰু সমৰ্থকসকলে বেনাৰ, ফেষ্টুন, পতাকা, কাট-আউট আদি তেওঁলোকৰ নিজা অনুমতিত নিজ সম্পত্তিত কোনো দল-সংস্থা বা ব্যক্তিৰ চাপ অবিহনে প্ৰদৰ্শন কৰিব পাৰিব। এইটো নিশ্চিত হ'ব লাগিব যে ইয়াৰ বাবে কাৰো অসুবিধাৰ সৃষ্টি হয়। যদি কোনো বেনাৰ, পতাকা আদিৰ প্ৰদৰ্শনে নিৰ্দিষ্ট প্ৰাৰ্থীৰ বাবে ভোট বিচৰা হয়, তেন্তে ভাৰতীয় দণ্ড বিধিৰ ১৮৬০ ধাৰা ১৭১(এইচ)ক আকৰ্ষিত কৰিব আৰু দণ্ডনীয় হ'ব।

(ভাৰতীয় দণ্ড বিধিৰ ১৭১ (এইচ) ধাৰাই নিৰ্ধাৰণ কৰে যে যিকোনো ব্যক্তিয়ে প্ৰাৰ্থীৰ পৰা লিখিত আকাৰে সাধাৰণ বা বিশেষ কৰ্তৃত্ব লাভ নকৰিলে ৰাজহুৱা সভা বা আন কোনো বিজ্ঞাপন, চাৰ্কোলাৰ, মুদ্ৰণ বা তেনে প্ৰাৰ্থীৰ প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰা যিকোনো উদ্দেশ্যে ব্যয় কৰিলে দণ্ডনীয় হ'ব আৰু জৰিমণা পাঁচশ টকালৈ সম্প্ৰসাৰিত হ'ব পাৰে। তদুপৰি এনে ব্যয় দহ টকাৰ ওপৰত কোনো লোক কৰ্তৃত্বহীনভাৱে জড়িত আছে তেন্তে দহ দিনৰ ভিতৰত এনে ব্যয়ৰ বাবে প্ৰাৰ্থীৰ পৰা লিখিত অনুমতি ল'ব লাগিব। তেওঁ প্ৰাৰ্থীৰ অনুমতি সাপেক্ষেহে ব্যয় কৰা বুলি গণ্য কৰা হ'ব।)

(iii) **হল, প্ৰেক্ষাগৃহ আৰু চৰকাৰী মালিকানাধীন অন্যান্য সম্পত্তিৰ অৰক্ষয়**

চৰকাৰ/স্থানীয় কৰ্তৃপক্ষ/পিএছইউ/সমবায়ৰ মালিকানাধীন

হল/প্রেক্ষাগৃহ/সভাকক্ষ নিয়ন্ত্রিত ক্ষেত্রত তেওঁলোকৰ আইন আৰু নির্দেশনা অনুযায়ী ৰাজনৈতিক সভা অনুষ্ঠিত কৰাৰ সেইবোৰ ব্যৱহাৰ কৰাত কোনো আপত্তি নাই। অৱশ্যে, এইটো নিশ্চিত কৰিব লাগিব যে আৱণ্টন সমান আধাৰত কৰা হ'ব আৰু কোনো ৰাজনৈতিক দল বা প্ৰাৰ্থীয়ে ইয়াত একচেটিয়া কৰ্তৃত্ব ৰাখিব নোৱাৰিব। এনে স্থানত আইন/নির্দেশনাৰ অধীনত সভাৰ সময়ত বেনাৰ, ফেষ্টুন, পতাকা, কাট-আউট আদি প্ৰদৰ্শন কৰাৰ অনুমতি দিয়া হ'ব পাৰে। সভা শেষ হোৱাৰ লগে লগে ৰাজনৈতিক দল বা ব্যক্তিয়ে ব্যৱহাৰৰ অনুমতি পোৱা এনে বেনাৰ, পতাকা ইত্যাদি চৌহদৰ পৰা আঁতৰ কৰিব লাগিব। স্থায়ী/অৰ্ধস্থায়ী অৱক্ষয় যেনে— দেৱাল লিখন/পোষ্টাৰ আঠা লগোৱা আদি কাৰ্যত চৌহদত অনুমতি দিয়া নহ'ব।

(iv) **বাহনৰ অৱক্ষয়**

(ক) ব্যক্তিগত বাহনৰ ক্ষেত্ৰত যান-বাহন আইন আৰু আদালতৰ আদেশসমূহ কাৰ্যকৰী কৰি, যদি থাকে, পতাকা আৰু ষ্টিকাৰ আদি ব্যক্তিগত বাহনৰ গৰাকীৰ স্বইচ্ছাই লগাব পাৰিব। কিন্তু ইয়াৰ ফলত যাতে কোনো অসুবিধা নহয় বা আন পথ ব্যৱহাৰকাৰীসকলক বিভ্ৰান্ত নকৰে। যদি কোনো বেনাৰ, পতাকা আদিৰ প্ৰদৰ্শনে নিৰ্দিষ্ট প্ৰাৰ্থীৰ বাবে ভোট বিচৰা হয়, তেন্তে ভাৰতীয় দণ্ড বিধিৰ ১৮৬০ ধাৰা ১৭১(এইচ)ক আকৰ্ষিত কৰিব আৰু দণ্ডনীয় হ'ব।

(খ) বাণিজ্যিক বাহনত যিকোনো পতাকা, ষ্টিকাৰ আদি প্ৰদৰ্শনত অনুমতি নাথাকিব, যেতিয়ালৈকে বাহনখনে জিলা নিৰ্বাচনী বিষয়া/ৰিটাৰ্ণিং বিষয়াৰ পৰা নিৰ্বাচনী প্ৰচাৰ অভিযানত ব্যৱহাৰ কৰাৰ বাবে অনুমতি লাভ নকৰিব আৰু এই অনুমতিপত্ৰ প্ৰকৃত কপি বাহনৰ উইণ্ডস্ক্ৰীণত প্ৰদৰ্শন নকৰিব।

(গ) বাহনৰ বাহ্যিক পৰিৱৰ্তন যেনে লাউডস্পীকাৰ সংস্থাপন কৰা আদি যান-বাহন আইন/স্থানীয় আইন আৰু নিয়ম/নিৰ্দেশনা অনুযায়ী হ'ব লাগিব। বিশেষ প্ৰচাৰ অভিযানৰ বাহনৰ বাবে পৰিৱৰ্তন যেনে— ভিডিঅ' ৰথ ইত্যাদি, যান-বাহন আইন অনুসৰি সংশ্লিষ্ট কৰ্তৃপক্ষৰ যথাযথ অনুমতি লৈহে ব্যৱহাৰ

কৰিব পাৰিব।

১৬.২.২ যদি কোনো স্থানীয় আইন উলংঘা কৰি ৰাজনৈতিক দল/সংগঠন/প্ৰাৰ্থী/ব্যক্তিয়ে সম্পত্তিৰ অৱক্ষয়ত লিপ্ত হয়, তেন্তে ৰিটাৰ্ণিং বিষয়া/জিলা নিৰ্বাচন বিষয়াই অভিযুক্তক নিৰ্দেশনা জাৰি কৰিব পাৰে আৰু অৱক্ষয়সমূহ আঁতৰাবলৈ আদেশ দিব পাৰে। যদি ৰাজনৈতিক দল/সংগঠন/প্ৰাৰ্থী/ব্যক্তিয়ে তাৎক্ষণিক সঁহাৰি নিদিয়ে, তেন্তে জিলা কৰ্তৃপক্ষই অৱক্ষয় আঁতৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে আৰু প্ৰক্ৰিয়াটোত হোৱা ব্যয়ৰ বাবে ৰাজনৈতিক দল/সংগঠন/প্ৰাৰ্থী/ব্যক্তি দায়বদ্ধ হ'ব। তদুপৰি, এই পৰিমাণ সংশ্লিষ্ট প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ত যোগ কৰা হ'ব, আৰু এনে অভিযুক্তৰ বিৰুদ্ধে প্ৰাসংগিক আইনৰ অধীনত (অৱক্ষয় প্ৰতিৰোধ আইন অনুসৰি, যদি থাকে, সম্পত্তিৰ ক্ষতিপূৰণৰ বাবে থকা সাধাৰণ আইনৰ অধীনত থকা ব্যৱস্থাসমূহ) বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

## ১৬.৩ অকৰ্তৃত্বশীল অৱক্ষয় আঁতৰোৱাৰ ম্যাদ

নিৰ্বাচনী সামগ্ৰীৰে অকৰ্তৃত্বশীল অৱক্ষয় আঁতৰোৱাৰ ম্যাদ সন্দৰ্ভত নিৰ্বাচন আয়োগে নিম্নলিখিত সময়সীমা নিৰ্ধাৰণ কৰিছে ঃ

(i) চৰকাৰী সম্পত্তিৰ অৱক্ষয় — এই উদ্দেশ্যৰ বাবে, চৰকাৰী চৌহদত যিকোনো চৰকাৰী কাৰ্যালয় আৰু চৌহদ আৰু ভৱন অন্তৰ্ভুক্ত থাকিব। নিৰ্বাচনী আয়োগে নিৰ্বাচন ঘোষণা কৰাৰ পিছত সকলো দেৱাল লিখন, পোষ্টাৰ/কাগজ আঠা লগোৱা আৰু যিকোনো অৱক্ষয় ৰূপত থকা কাটআউট/হৰ্ডিং, বেনাৰ, পতাকা ইত্যাদি, চৰকাৰী সম্পত্তিৰ পৰা ২৪ ঘণ্টাৰ ভিতৰত আঁতৰ কৰিব লাগিব।

(ii) চৰকাৰী সম্পত্তিৰ অৱক্ষয় আৰু ৰাজহুৱা স্থানৰ অপব্যৱহাৰ— সকলো অকৰ্তৃত্বশীল ৰাজনৈতিক বিজ্ঞাপন, পোষ্টাৰ/কাগজ আঠা লগোৱা বা আন যিকোনো প্ৰকাৰৰ অৱক্ষয় ৰূপত থকা কাটআউট/হৰ্ডিং/বেনাৰ/পতাকা ৰাজহুৱা স্থান যেনে— ৰেলৱে ষ্টেচন, বাছষ্টেণ্ড, বিমানবন্দৰ, ৰেলৱে দলং, স্থলপথ, চৰকাৰী বাছ, বৈদ্যুতিক/টেলিফোনৰ খুঁটা, পৌৰ নিগম/স্থানীয় সংস্থাৰ অট্টালিকা ইত্যাদিৰ পৰা নিৰ্বাচন ঘোষণাৰ পৰা ৪৮ ঘণ্টাৰ ভিতৰত আঁতৰ কৰিব লাগিব।

(iii) ব্যক্তিগত সম্পত্তিৰ অৱক্ষয়— যিকোনো স্থানীয় আইন আৰু আদালতৰ নিৰ্দেশনাৰ অধীনত, যদি আছে, সকলো ব্যক্তিগত সম্পত্তিত প্ৰদৰ্শন কৰা সকলো অকৰ্তৃত্বশীল ৰাজনৈতিক বিজ্ঞাপন নিৰ্বাচন আয়োগে নিৰ্বাচন ঘোষণা কৰাৰ ৭২ ঘণ্টাৰ ভিতৰত আঁতৰ কৰিব লাগিব।

********

## অধ্যায় ১৭

# সুৰা বিক্ৰীত প্ৰতিবন্ধকতা

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ**

- বিধিবদ্ধ প্ৰতিবন্ধকতা
- ভোটদান/পুনৰ ভোটৰ দিনা আৰু ইয়াৰ ৪৮ ঘণ্টাৰ আগত প্ৰতিবন্ধকতা
- ভোট গণনাৰ দিনাৰ প্ৰতিবন্ধকতা
- ভোট ক্ৰয় কৰিবলৈ সুৰাৰ ব্যৱহাৰৰ ক্ষেত্ৰত অতিৰিক্ত সাৱধানতা

### ১৭.১ পাতনি

নিৰ্বাচনৰ সময়ত সুৰাৰ বৃহৎ চাহিদা আছে বুলি এটা বিশ্বাস অব্যাহত আছে। এয়া সাধাৰণ বিশ্বাস যে সেই সুৰা আৰু অন্যান্য মাদকদ্ৰব্যই ভোটাৰক আকৰ্ষিত কৰা বিশেষ দৰিদ্ৰ ভোটাৰক প্ৰদান কৰি প্ৰলোভনেৰে তেওঁলোকৰ বিবেচনা ক্ৰয় কৰি ভোট সংগ্ৰহ কৰাত ব্যৱহাৰ হয়। ইয়াৰ উপৰি, অত্যাধিক সুৰা পান আৰু অন্যান্য মাদকদ্ৰব্যই প্ৰায়ে কুৎচিত দৃশ্য বৃদ্ধি কৰে আৰু কেতিয়াবা আনকি হিংসাত্মক কাৰ্যকলাপো সংঘটিত কৰিব পাৰে, যিয়ে সমাজৰ আইন-শৃংখলা বৰ্তাই ৰখাত সমস্যাৰ সৃষ্টি কৰে। সেয়েহে, প্ৰত্যেক নিৰ্বাচন আৰম্ভ হোৱাৰ সময়ত এনে সুৰা আৰু অন্যান্য মাদকদ্ৰব্যৰ বিক্ৰী, সংৰক্ষণ আৰু প্ৰদানৰ ক্ষেত্ৰত বিশেষ প্ৰতিবন্ধকতা আৰোপ কৰা হয়।

### ১৭.২ বিধিবদ্ধ প্ৰতিবন্ধকতা

১৭.২.১ ১৯৯৬ চনৰ আগষ্টৰ আগতে, নিৰ্বাচনৰ সময়ত সুৰা আদি বিক্ৰী কৰা কাৰ্য নিষিদ্ধ কৰাৰ কোনো নিৰ্দিষ্ট ব্যৱস্থা নাছিল। কিন্তু, ১৯৯৬ চনৰ আগষ্টত পিপ'ল আইন ১৯৫১ৰ প্ৰভাৱ সন্দৰ্ভত বিবেচনা কৰি নতুন ধাৰা পিপ'ল আইন (সংশোধিত) ১৯৯৬ত ১৩৫চি ধাৰা সংযোজন কৰা হয়। এই নতুন ১৩৫চি উপ-ধাৰা (১)য়ে নিৰ্দেশ কৰে যে—

*কোনো স্পিৰিটাউচ, ফাৰ্মেণ্টেড বা মাদকযুক্ত সুৰা বা এনেকুৱা অন্যান্য দ্ৰব্য নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিনা বা ভোটগ্ৰহণ সম্পূৰ্ণ হোৱাৰ ৪৮ ঘণ্টা আগতে ৰাজহুৱা স্থান বা ব্যক্তিগত স্থানত আৰু হোটেল, বাৰ, ৰেস্তোঁৰা, দোকানসমূহত বিক্ৰী, প্ৰদান কৰা বা বিতৰণ কৰাত প্ৰতিবন্ধকতা থাকিব।* ১৭.২.২ সেই ধাৰাৰ উপ-ধাৰা (২) অনুসৰি ওপৰোক্ত নিৰ্বাচনী উলংঘা দণ্ডমূলক আৰু ছমাহলৈ কাৰাদণ্ড

বা ২,০০০ টকালৈ জৰিমনা বা দুয়োটাই প্ৰদান কৰা হ'ব পাৰে। ইয়াৰ উপ-ধাৰা (৩)ৰ অধীনত, যিকোনো স্পিৰিটাউচ, ফাৰ্মেণ্টেড কৰা বা মাদকদ্ৰব্য, সুৰা বা এনে প্ৰকৃতিৰ অন্যান্য পদাৰ্থ কোনো ব্যক্তিৰ পৰা এই সময়ছোৱাত জব্দ কৰিলে বিধিসন্মতভাৱে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। অৱশ্যে, এই আইনৰ অধীনত এনে গোচৰ নিষ্পত্তি কৰাৰ কোনো পদ্ধতি এতিয়ালৈকে নিৰ্ধাৰণ হোৱা নাই।

## ১৭.৩ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা

**১৭.৩.১ ভোটদান/পুনৰ ভোটৰ দিনা আৰু ইয়াৰ ৪৮ ঘণ্টাৰ আগত প্ৰতিবন্ধকতা ঃ** সংশোধনৰ পিছত ১৯৯৬ চনৰ আগষ্টত নতুন আইন অনুসৰি, নিৰ্বাচন আয়োগে ১৯৯৬ চনৰ ২১ ছেপ্টেম্বৰত পূৰ্বৰ নিৰ্দেশনা সংশোধন কৰে আৰু ৰাজ্য চৰকাৰসমূহক নিশ্চিত কৰিবলৈ কয় যে ভোটদানৰ দিনা আৰু ভোটগ্ৰহণ সমাপ্তৰ ৪৮ ঘণ্টাৰ সময়সীমাৰ ভিতৰত পিপ'ল আইন ১৯৫১ৰ ধাৰা ১৩৫চি অনুসৰি, সুৰাৰ বিপণী আৰু ভেণ্ডৰসমূহ বন্ধ থাকিব। নিৰ্বাচন আয়োগে স্পষ্ট কৰে যে, ভোট পুনৰ গ্ৰহণৰ দিনাও একেটা প্ৰতিবন্ধকতাই প্ৰযোজ্য হ'ব, যদি কোনো সমষ্টিত পুনৰ নিৰ্বাচন থাকে। নিৰ্বাচন আয়োগ নিৰ্দেশনা দিছিল যে, সংশ্লিষ্ট সমষ্টিৰ চুবুৰীয়া অঞ্চলসমূহ বা আন ৰাজ্যৰ সংলগ্ন অঞ্চলসমূহৰ পৰা যাতে গোপনে সুৰা সৰবৰাহ নহয়, সেই সন্দৰ্ভতো পদক্ষেপ গ্ৰহণ কৰিব লাগিব আৰু প্ৰতিবন্ধকতা আৰোপ কৰিব লাগিব।

**১৭.৩.২ ভোট গণনাৰ দিনাৰ প্ৰতিবন্ধকতা ঃ** যদিও এই আইনত ভোট গণনাৰ সময়ত সুৰাৰ দোকান বন্ধ কৰাৰ কোনো ব্যৱস্থা নাই, এতিয়াও নিৰ্বাচন আয়োগে ৰাজ্য চৰকাৰসমূহক নিৰ্দেশ দিছে যে ৰাজ্য চৰকাৰে ভোটগ্ৰহণৰ দিনাসমূহত প্ৰাসংগিক ৰাজ্যিক আইন প্ৰণয়ন কৰি 'ড্ৰাইডে' ঘোষণাৰ বিধিবদ্ধ নিৰ্দেশা জাৰি কৰে।

## ১৭.৪ ভোট ক্ৰয় কৰিবলৈ সুৰাৰ ব্যৱহাৰৰ ক্ষেত্ৰত অতিৰিক্ত সাৱধানতা

নিৰ্বাচন আয়োগে ৰাজ্যিক কৰ্তৃপক্ষক বিশেষ পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছিল, যাতে অবৈধ সুৰা তৈয়াৰ কৰা কাৰখানা আৰু আন বটলিং কাৰ্যকলাপসমূহ নিৰীক্ষণ কৰিবলৈ অভিযান চলায়। তদুপৰি, মনোনয়ন দাখিলৰ পৰা ভোটগ্ৰহণৰ দিনালৈকে স্বীকৃতিপ্ৰাপ্ত বিপণীৰ পৰা বিক্ৰী হোৱা সুৰাৰ ক্ষেত্ৰতো বিশেষ দৃষ্টি ৰাখে ঃ

(i) বিগত বৰ্ষত উৎপাদনৰ সংখ্যাৰ প্ৰসংগ লৈ আইএমএফএল, বিয়েৰ, দেশীয় সুৰাৰ উৎপাদনত চোকা নজৰ দিয়া;

(ii) আইএমএফএল, বিয়েৰ, দেশীয় সুৰাৰ কেন্দ্ৰীয় ভৰালৰ পৰা বিতৰণত চোকা

নজৰ দিয়া আৰু যদি তাত কোনো বিসংগতি দেখা দিয়ে তেতিয়া ইয়াৰ পৰৱৰ্তী ব্যৱস্থা গ্ৰহণ কৰা;

(iii) অনুজ্ঞাপত্ৰ থকা ষ্টকাৰসকলৰ ষ্টকলিষ্ট পৰীক্ষা কৰি নিশ্চিত কৰা যে, ই নিৰ্ধাৰিত সীমাৰ ভিতৰত আছে। তদুপৰি, সকলো মুখ্য ষ্টক পইণ্টসমূহ ভিডিঅ' নিৰীক্ষণৰ অধীনত ৰাখিব লাগে আৰু আৰক্ষীৰ সহযোগত আবকাৰী বিষয়াই এই কেন্দ্ৰসমূহত নজৰ ৰাখিব লাগে;

(iv) খুচুৰা বিক্ৰেতাসকলৰ দৈনিক বিক্ৰীৰ ৰচিদ আৰু সামগ্ৰী প্ৰেৰণত নিৰীক্ষণ কৰিব লাগে। আবকাৰী বিভাগৰ বিষয়াসকলে প্ৰতি সন্ধিয়া জিলা নিৰ্বাচনী বিষয়াক এই সম্পৰ্কে অৱগত কৰিব লাগে যাতে সন্দেহজনক সামগ্ৰী প্ৰেৰণৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব পাৰে;

(v) সুৰা বিক্ৰী বিপণীসমূহৰ খোলা আৰু বন্ধ কৰাৰ সময় সতৰ্কতাৰে অনুসৰণ হ'ব লাগিব;

(vi) আন্তঃৰাজ্যিক বাহনৰ চলাচলৰ ক্ষেত্ৰত আৰটিঅ' চেক পইণ্টত তীব্ৰ তদাৰক কৰিব লাগিব আৰু সীমান্ত চেক পোষ্টসমূহত ৰাজ্যিক আবকাৰী বিভাগৰ অধীনত কৰ্মচাৰী নিয়োগ কৰি নিৰীক্ষণ তীক্ষ্ণ কৰিব লাগে;

(vii) সীমান্ত চেক পোষ্টত বাহনসমূহৰ কাৰ্যকৰী পৰীক্ষাৰ বাবে পৰিবহণন বিভাগৰ সহায় ল'ব লাগে যাতে বাহনৰ যৌথ পৰীক্ষাত আবকাৰী আৰু পৰিবহন বিষয়াসকলৰ দ্বাৰা সম্পন্ন হয়;

(viii) সীমান্তৱৰ্তী ৰাজ্যসমূহৰ আবকাৰী আয়ুক্তসকলে আন্তঃৰাজ্যিক সমন্বয় ৰাখিব লাগে যাতে আইএমএফএল, বিয়েৰ আৰু দেশীয় সুৰাৰ আন্তঃৰাজ্যিক সৰবৰাহ নিৰীক্ষণৰ কৰিব পাৰি;

(ix) জিলা পৰ্যায়ৰ মাণ্ডলিক বিষয়া আৰু আবকাৰী বিভাগৰ ৰাজ্যিক পৰ্যায়ৰ মাণ্ডলিক বিষয়াই ওপৰোক্ত দিশবোৰ চিনাক্ত কৰি নিৰীক্ষণ কৰাৰ লগতে অবৈধ সুৰা জব্দ কৰিবলৈ অভিযান চলাব লাগে;

(x) জিলা পৰ্যায়ৰ মাণ্ডলিক বিষয়াই ৰাজ্যিক পৰ্যায়ৰ মাণ্ডলিক বিষয়াক জিলা নিৰ্বাচন বিষয়াক প্ৰতিলিপি প্ৰদান কৰি দৈনিক প্ৰতিবেদন দাখিল কৰিব আৰু ৰাজ্যিক পৰ্যায়ৰ মাণ্ডলিক কাৰ্যালয়ে এইক্ষেত্ৰত সমগ্ৰ ৰাজ্যত আবকাৰী বিভাগৰ দৈনিক প্ৰতিবেদন মুখ্য নিৰ্বাচনী বিষয়াক দাখিল কৰিব আৰু ব্যয় নিৰীক্ষণ কোষৰ বাবে ইয়াৰ এখন প্ৰতিলিপি নিৰ্বাচন আয়োগক দাখিল কৰিব।

********

# অধ্যায় ১৮
# নিৰ্বাচনী ইস্তাহাৰ

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ**

- নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা
- নিৰ্বাচনী ইস্তাহাৰত নিৰ্বাচন আয়োগৰ নিয়মাৱলী
- নিৰ্বাচনী ইস্তাহাৰ আইনমতে বলৱৎ যোগ্য নহয়

## ১৮.১ পাতনি

১৮.১.১ ৰাজনৈতিক দলবোৰে সাধাৰণতে নিৰ্বাচনৰ আগতে তেওঁলোকৰ ইস্তাহাৰ প্ৰকাশ কৰে, য'ত সাধাৰণতে, তেওঁলোকৰ নীতি আৰু আদৰ্শবোৰ ঘোষণা কৰা হয় আৰু আগন্তুক নিৰ্বাচনৰ প্ৰসংগত জনসাধাৰণ আৰু ভোটাৰসকলৰ বাবে বিশেষ কাৰ্যসূচী নিৰ্ধাৰণ কৰে। ৰাজনৈতিক দলৰ বাবে নিৰ্বাচনী ইস্তাহাৰে প্ৰতিবেদনৰ এক প্ৰসংগ হিচাপে কাম কৰে বা ৰাইজৰ বাবে এটা বৰ্ষৰ প্ৰতিশ্ৰুতি হিচাপে কাম কৰে, য'ত ৰাজনৈতিক দলে ক্ষমতালৈ আহিলে কাম কৰাৰ বাবে ভোটাৰসকলক বিভিন্ন প্ৰতিশ্ৰুতি আৰু আশা প্ৰদান কৰে। সেয়েহে ইস্তাহাৰসমূহে এটা দলৰ গভীৰতা আৰু গুণসমূহ বিশ্লেষণ কৰাৰ বাবে ভোটাৰসকলক এটা সুযোগ দিয়ে আৰু তেওঁলোকে তেওঁলোকৰ আশা-আকাংক্ষা পূৰণ কৰাৰ বাবে কোনটো যোগ্য দলক সমৰ্থন কৰিব সেয়া নিৰ্ধাৰণ কৰে।

১৮.১.২ পূৰ্বতে ৰাজনৈতিক দলসমূহে সাধাৰণতে ইস্তাহাৰ জাৰি কৰা নাছিল। এইটো এতিয়া ৰাষ্ট্ৰীয় আৰু ৰাজ্যৰ একাধিক ৰাজনৈতিক দলৰ শেহতীয়া প্ৰক্ৰিয়া হিচাপে পৰিগণিত হৈছে আৰু নিৰ্বাচনত ক্ষমতা লাভ কৰিবলৈ এতিয়া ভোটাৰসকলক আকৰ্ষিত কৰিবলৈ আকৰ্ষণীয় প্ৰতিশ্ৰুতি প্ৰদান কৰি ভোটযুদ্ধ তেওঁলোকৰ পক্ষে অনাৰ বাবে চেষ্টা কৰে। এই প্ৰতিযোগিতাত তেওঁলোকে কেৱল তেওঁলোকৰ পৰিকল্পনাই নহয়, নীতি আৰু কাৰ্যসূচীও এক বৃহৎ সংখ্যক সাধাৰণ লোকৰ মাজলৈ লৈ যায় আৰু লগতে বিভিন্ন সামগ্ৰীক লৈ তেওঁলোকক প্ৰতিশ্ৰুতি প্ৰদান কৰে, যিসমূহক শেহতীয়াকৈ সাধাৰণতে 'বিনামূলীয়া' বুলি কোৱা যায়।

## ১৮.২ নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা

১৮.২.১ ২০০৬ চনত তামিলনাডুত অনুষ্ঠিত বিধানসভা নিৰ্বাচনৰ আগতে, কিছুমান

অসামৰিক সামাজিক সংগঠন আৰু ব্যক্তিয়ে মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল আৰু বিশিষ্ট ৰাজনৈতিক দলবোৰৰ ইস্তাহাৰত উল্লেখ কিছুমান উপহাৰ সামগ্ৰীৰ প্ৰতিশ্ৰুতিৰ ওপৰত প্ৰশ্ন কৰে। উচ্চ ন্যায়ালয় (মাদুৰাই বেঞ্চ)য়ে লেখ আবেদনখনৰ কোনো যোগ্যতা পৰিলক্ষিত নকৰি লেখ আবেদনখন *(২০০৬ চনৰ ৯০১৩ নম্বৰ-এছ সুব্ৰমণিয়ম বালাজী বনাম তামিলনাডু চৰকাৰ আৰু অন্যান্য)* খাৰিজ কৰে। এই বিষয়টো আবেদনকাৰীয়ে উচ্চতম ন্যায়ালয়লৈ লৈ যায়। সৰ্বোচ্চ ন্যায়ালয়ে ২০১৩ চনৰ ৫ জুলাইত আদেশ প্ৰদান কৰি আইনসন্মতভাৱে স্পষ্ট কৰে যে, নিৰ্বাচনী ইস্তাহাৰত প্ৰতিশ্ৰুতিসমূহক পিপ'ল আইন ১৯৫১ৰ ধাৰা ১২৩চিত অনুসৰি অবৈধ কাৰ্যকলাপ হিচাপে গণ্য কৰিব নোৱাৰি। বিনামূলীয়া সামগ্ৰী বিতৰণৰ সম্ভাৱনীয়তা প্ৰকৃত ক্ষেত্ৰত নিৰ্ধাৰণ কৰিব নোৱাৰি, যদিও ই নিঃসন্দেহে সকলো লোকক প্ৰভাৱিত কৰে।

১৮.২.২ মাননীয় আদালতে আৰু কৈছিল যে, বিধায়িনীক এই সন্দৰ্ভত নিয়ম নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত নিৰ্দেশনা দিবলৈ আদালতৰ হাতত পৰ্যাপ্ত ক্ষমতা নাই। অৱশ্যে, নিৰ্বাচন আয়োগে এইক্ষেত্ৰত নিৰ্দেশেৰে নিশ্চিত কৰিব যে আদৰ্শ আচৰণ বিধিৰ নিৰ্দেশনা অনুযায়ী কাৰ্যক্ষেত্ৰত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা ৰাজনৈতিক দল আৰু প্ৰাৰ্থীয়ে প্ৰদান কৰা আশ্বাস যুক্তিসন্মত হ'ব আৰু এই প্ৰতিশ্ৰুতিয়ে যাতে নিৰ্বাচন প্ৰক্ৰিয়া হতাশ নকৰে। নিৰ্বাচন আয়োগৰ চূড়ান্ত ক্ষমতাৰ অধীনত সংবিধানৰ ৩২৪নং অনুচ্ছেদ অনুসৰি, মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰা নিৰ্বাচন আয়োগৰ দায়িত্ব।

১৮.২.৩ উচ্চতম ন্যায়ালয়ে ইয়াত আৰু যোগ কৰে যে, নিৰ্বাচনী ইস্তাহাৰৰ সমলসমূহ নিয়ন্ত্ৰিত আৰু যুক্তিসংগত হ'ব লাগিব আৰু আদালতে নিৰ্বাচন আয়োগক ইয়াক লৈ নিৰ্দেশ দিয়ে যে ৰাজনৈতিক দলসমূহৰ সৈতে আলোচনা কৰি এই সন্দৰ্ভত এক নিয়মাৱলী প্ৰস্তুত কৰা হ'ব, যিয়ে প্ৰাৰ্থীসকলক সভা, শোভাযাত্ৰা, ভোটদানৰ দিনা দলৰ শক্তি আদিৰ ক্ষেত্ৰত নিৰ্দেশনা দিব। একেদৰে, এই নিয়মাৱলীৰ আন ভাগত ৰাজনৈতিক দলে প্ৰকাশ কৰা নিৰ্বাচনী ইস্তাহাৰ সন্দৰ্ভত নিয়মাৱলী থাকিব যিসমূহ ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ বাবে আদৰ্শ আচৰণ বিধিত অন্তৰ্ভুক্ত হ'ব।

## ১৮.৩ নিৰ্বাচনী ইস্তাহাৰ সন্দৰ্ভত নিৰ্বাচন আয়োগৰ নিৰ্দেশনাৱলী

১৮.৩.১ উচ্চতম ন্যায়ালয়ৰ ওপৰোক্ত নিৰ্দেশনাৰ অনুসৰণ কৰি নিৰ্বাচন আয়োগে ৰাজনৈতিক দলবোৰৰ নিৰ্বাচনী ইস্তাহাৰৰ বাবে নিৰ্দেশনা প্ৰস্তুত কৰা বিষয়ত পৰামৰ্শৰ বাবে সকলো স্বীকৃত ৰাষ্ট্ৰীয় আৰু ৰাজ্যৰ ৰাজনৈতিক দলৰ এখন বৈঠক

২০১৩ চনৰ ১২ আগষ্টত অনুষ্ঠিত কৰে। সংখ্যাগৰিষ্ঠ দলসমূহে ইস্তাহাৰৰ ওপৰত যিকোনো নিয়মাৱলী প্ৰস্তুত কৰাৰ ধাৰণাৰ বিৰোধিতা কৰিছিল, ইয়াক তেওঁলোকৰ নীতি নিৰ্ধাৰণ কৰাৰ অধিকাৰৰ উলংঘন কৰা বুলি বিবেচনা কৰিছিল আৰু তেওঁলোকৰ কাৰ্যসূচী আৰু জ্ঞানৰ যোগেদি ৰাইজক স্পৰ্শ কৰাত বাধা হ'ব বুলি উল্লেখ কৰিছিল, যাৰ ফলত বিশেষ ক্ষেত্ৰত ৰাইজ তথা ভোটাৰৰ আশা-আকাংক্ষা প্ৰতিফলন নহ'ব বুলি কৈছিল। আনহাতে, নিৰ্বাচন আয়োগে তেওঁলোকৰ সৈতে নীতিগতভাৱে সন্মত হৈছিল আৰু এইক্ষেত্ৰত থকা প্ৰসংগ অনুসৰি সৰ্বোচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশনা অনুযায়ী নিয়মাৱলী জাৰি কৰিছিল যাতে লোকসভা আৰু বিধানসভা নিৰ্বাচনত ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসকলে তেওঁলোকৰ নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰিব পাৰে।

১৮.৩.২ এই নিয়মাৱলীসমূহ আদৰ্শ আচৰণ বিধিৰ অংশ VIII ৰ অন্তৰ্ভুক্ত কৰা হৈছিল আৰু স্পষ্টভাৱে কোৱা হৈছিল যে ওপৰোক্ত নিয়মাৱলীসমূহ নিৰ্বাচন আয়োগে নিৰ্বাচন ঘোষণা কৰাৰ পিছত বা আগত ৰাজনৈতিক দলে নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰিব পাৰিব আৰু নিৰ্বাচন ঘোষণা কৰাৰ পৰা নিয়মাৱলী প্ৰযোজ্য হ'ব। (পৰিশিষ্ট XVIII)

এই নিয়মাৱলীসমূহ তলত উল্লেখ কৰা ধৰণৰ—

(i) নিৰ্বাচনী ইস্তাহাৰত সংবিধানৰ আদৰ্শ আৰু নীতি প্ৰত্যাহাৰ বা পুনৰ্গঠনৰ সন্দৰ্ভত কোনো উল্লেখ থাকিব নালাগিব আৰু ই আদৰ্শ আচৰণ বিধি অনুযায়ী হ'ব লাগিব।

(ii) সংবিধানত উল্লেখিত ৰাজ্যিক নীতি-নিৰ্দেশনা অনুসাৰে ৰাজ্যৰ বিভিন্ন নাগৰিকসকলৰ ক্ষেত্ৰত থকা বিভিন্ন কল্যাণমূলক ব্যৱস্থা আৰু এইসকলৰ কল্যাণৰ বাবে নিৰ্বাচনী ইস্তাহাৰত প্ৰতিশ্ৰুতি থকাৰ ক্ষেত্ৰত কোনো আপত্তি নাথাকিব। অৱশ্যে, ৰাজনৈতিক দলসমূহে সেইসমূহ প্ৰতিশ্ৰুতি প্ৰদান কৰাৰ বিৰত থাকিব লাগে যিয়ে নিকা নিৰ্বাচন অনুষ্ঠিত কৰাত হতাশ কৰে বা ভোটাৰসকলক প্ৰভাৱান্বিত কৰাৰ বাবে ভুৱা প্ৰতিশ্ৰুতি দিয়ে।

(iii) কাৰ্যক্ষেত্ৰত স্বচ্ছতা আৰু বিশ্বাসযোগ্যতাৰ স্বাৰ্থত প্ৰতিশ্ৰুতি দিয়ে আৰু নিৰ্বাচনী ইস্তাহাৰত এনে যুক্তিসংগত প্ৰতিশ্ৰুতিসমূহে স্থান লাভ কৰে আৰু ইয়ে তেওঁলোকৰ আৰ্থিক অৱস্থা উত্তৰণ কৰাৰ সূচীত কৰে। ভোটাৰসকলৰ বিশ্বাস তেতিয়াহে লাভ কৰিব পৰা যায়, যেতিয়া

প্ৰতিশ্ৰুতিসমূহ পূৰ্ণ কৰাৰ সম্ভাৱনীয়তা থাকে।

১৮.৩.৩ নিৰ্বাচন আয়োগে সকলো ৰাজনৈতিক দলক নিৰ্দেশ দিছে যে, দলসমূহে তেওঁলোকৰ নিৰ্বাচনী ইস্তাহাৰৰ হিন্দী/ইংৰাজী সংস্কৰণ (যদি মূল সংস্কৰণটো আঞ্চলিক ভাষাত থাকে)ৰ সৈতে যেতিয়া প্ৰকাশ কৰে তাৰ তিনিদিনৰ ভিতৰত এটা প্ৰতিলিপি নিৰ্বাচন আয়োগৰ ৰেকৰ্ডৰ বাবে প্ৰেৰণ কৰক। ৰাজনৈতিক দলসমূহক আৰু অনুৰোধ কৰা হয় যে আদৰ্শ আচৰণ বিধিৰ VIII অংশৰ সৈতে সংগতি ৰাখি ইস্তাহাৰৰ সৈতে দলৰ কাৰ্যসূচী/নীতি আৰু প্ৰতিশ্ৰুতিবোৰ হৈছে বুলি ঘোষণা দাখিল কৰা। মুখ্য নিৰ্বাচনী বিষয়াসকলক ৰাজনৈতিক দল/প্ৰাৰ্থীৰ ইস্তাহাৰ ঘোষণা হোৱাৰ তিনিদিনৰ ভিতৰত ৩ টা প্ৰতিলিপি প্ৰাপ্ত কৰিবলৈ কোৱা হৈছে আৰু এই নিৰ্বাচনী ইস্তাহাৰ নিৰ্বাচন আয়োগে দিয়া নিয়ম অনুসৰি হৈছে নে নাই সেয়া বিশ্লেষণ কৰিবলৈ কোৱা হৈছে।

## ১৮.৪ নিৰ্বাচনী ইস্তাহাৰ আইনমতে বলৱৎ যোগ্য নহয়

১৮.৪.১ উচ্চতম ন্যায়ালয়ত মিথিলেশ কুমাৰ পাণ্ডে বনাম ভাৰত চৰকাৰৰ গোচৰত কোৱা হয় যে আইনত কোনো ব্যৱস্থা নাই যিয়ে দলসমূহে ৰাজনৈতিকভাৱে নিৰ্বাচনী ইস্তাহাৰত দিয়া প্ৰতিশ্ৰুতি আইনগতভাৱে বলৱৎ কৰা পাৰিব।

১৮.৪.২ *একেদৰে, অশ্বিনী কে উপাধ্যায় বনাম দিল্লী চৰকাৰৰ* গোচৰত উচ্চতম ন্যায়ালয়ে লক্ষ্য কৰিছিল যে এখন নিৰ্বাচনী ইস্তাহাৰত বিধিবদ্ধ সমৰ্থন নাথাকে আৰু সেয়েহে ইয়াক বলৱৎ কৰাৰ ক্ষমতা আদালতৰ আওতাত নপৰে আৰু সেয়েহে, দিল্লী চৰকাৰক জন লোকপাল বিধেয়ক, আৰু স্বৰাজ বিধেয়ক, যি আম আদমী পাৰ্টিয়ে নিৰ্বাচনী ইস্তাহাৰত প্ৰতিশ্ৰুতি দিছিল, পাৰিত কৰিবলৈ নিৰ্দেশ দিবলৈ জনোৱা আবেদন অগ্ৰাহ্য কৰে।

**১৮.৪.৩** যদিও আদালতে ৰাজনৈতিক দলৰ ইস্তাহাৰত কৰা প্ৰতিশ্ৰুতিবোৰ প্ৰৱৰ্তন নকৰাৰ অভিযোগবোৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে, নিৰ্বাচন আয়োগে তামিলনাডু বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ প্ৰসংগ এপ্ৰিল-মে’ ২০১৬ ত দ্ৰাবিড় মুন্নেত্ৰ কাঝাগাম আৰু অপূৰ্ণ অল ইণ্ডিয়া আন্না দ্ৰাবিড়া মুন্নাত্ৰা কাঝাগামে উলিওৱা ইস্তাহাৰৰ সৈতে সম্পৰ্কিত কিছুমান অভিযোগৰ ভিত্তিত নিৰ্দেশনা কৰি জাৰি কৰিছে। তাত অভিযোগ কৰা হৈছিল যে ৰাজনৈতিক দলসমূহে আদৰ্শ আচৰণ বিধি উলংঘা কৰিছে আৰু নিৰ্বাচন আয়োগে ২০১৪ৰ ৯ ফেব্ৰুৱাৰীত জাৰি কৰা নিয়মাৱলী নামানি তেওঁলোকৰ ইস্তাহাৰবোৰত যিসমূহ প্ৰতিশ্ৰুতি দিছিল তাৰ যুক্তি দিয়া নাছিল আৰু ইয়াত বিস্তৃতভাৱে সূচিত কৰা নাছিল যে, সেই

প্ৰতিশ্ৰুতিবোৰ পূৰণ কৰাৰ বাবে বিত্তীয় প্ৰয়োজনীয়তা দৰকাৰ। আনহাতে, অল ইণ্ডিয়া আন্না দ্ৰাবিড়া মুন্নাত্ৰা কাঝাগামক নিৰ্বাচন আয়োগে নিন্দা কৰিছিল আৰু দলটোৰ ব্যাখ্যা সন্তোষজনক নাছিল বুলি উল্লেখ কৰিছিল। লগতে দ্ৰাবিড় মুন্নেত্ৰা কাঝাগামক আদৰ্শ আচৰণ বিধি অধিক মানি প্ৰতিশ্ৰুতি দিবলৈ পৰামৰ্শ দিয়া হৈছিল। নিৰ্বাচন আয়োগে লক্ষ্য কৰিছিল যে যদিও দলটোৱে ব্যাখ্যা প্ৰদান কৰিছিল কিন্তু তেওঁলোকৰ উত্তৰ যুক্তিসংগত নাছিল আৰু ইস্তাহাৰত প্ৰতিশ্ৰুতি কেনেদৰে পালন কৰিব তাৰ পথ উল্লেখ কৰিব পৰা নাছিল।

*********

# অধ্যায় ১৯
# আদৰ্শ আচৰণ আৰু চৰকাৰী বিষয়া

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ**

- বদলি/নিয়োগৰ নীতি
  - √ বদলিৰ চৰ্তসমূহ
  - √ নীতিৰ প্ৰযোজ্যতা
  - √ শিথিলতা/ৰেহাই
  - √ মুখ্য নিৰ্বাচনী বিষয়াৰ সৈতে আলোচনা
  - √ ভোটাৰ তালিকা প্ৰস্তুত কৰা বিষয়াসকলৰ বদলি/নিয়োগ
- আৰক্ষী উপ-পৰিদৰ্শকৰ বদলিৰ স্পষ্টীকৰণ
- নিৰ্বাচনৰ সৈতে জড়িত বিষয়াৰ বদলিত প্ৰতিবন্ধকতা
- মুখ্যমন্ত্ৰী/গৃহমন্ত্ৰীক আৰক্ষীৰ তথ্য বিৰৰণ
- মন্ত্ৰী আৰু চৰকাৰী বিষয়াৰ মাজত ভিডিঅ' কনফাৰেন্স
- বিষয়াৰ ভ্ৰমণ/ছুটীৰ ক্ষেত্ৰত প্ৰতিবন্ধকতা, যিসকলৰ আত্মীয় ৰাজনৈতিক ক্ষেত্ৰত সক্ৰিয়

## ১৯.১ পাতনি

১৯.১.১ নিৰ্বাচন আয়োগে লোকসভা আৰু ৰাজ্যিক বিধানসভা নিৰ্বাচন ৰাজ্য চৰকাৰৰ প্ৰশাসনিক যন্ত্ৰৰ সহায়ত পৰিচালনা কৰে। সংবিধানৰ অনুচ্ছেদ ৩২৪(৬) অনুসৰি নিৰ্বাচন আয়োগে বিচাৰিলে ৰাষ্ট্ৰপতি বা ৰাজ্যপাল আয়োগৰ ওচৰত উপস্থিত হ'ব, পাৰ্যমানে কাৰ্যবোৰ সম্পাদন কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ বাবে। নিৰ্বাচনৰ সময়ত এয়া লক্ষ্য কৰা হৈছে যে নিৰ্বাচনী যন্ত্ৰত এক বৃহৎ পৰিমাণৰ চৰকাৰী বিষয়া আৰু আৰক্ষী বিষয়াৰ লগতে ক্ষেত্ৰভিত্তিক কাৰ্যপদ্ধতিৰ বাবে ৰাজ্যসমূহত মুখ্য নিৰ্বাচন বিষয়া, জিলা নিৰ্বাচন বিষয়া, ৰিটাৰ্ণিং বিষয়া/সহকাৰী ৰিটাৰ্ণিং বিষয়া ইত্যাদি সংহতিৰ প্ৰয়োজন হয়।

**১৯.১.২** দেশৰ সমগ্ৰ নিৰ্বাচনী ব্যৱস্থাত চৰকাৰী বিষয়া হৈছে ইয়াৰ মেৰুদণ্ড। যদিও এনে চৰকাৰী বিষয়াই ৰাজ্য চৰকাৰৰ অধীনত কাম কৰে, কিন্তু নিৰ্বাচনৰ সময়ত গণতান্ত্ৰিক মূল্যবোধৰ স্বাৰ্থত তেওঁলোকে নিৰপেক্ষতা আৰু প্ৰতিশ্ৰুতিৰ সৈতে কৰ্তব্য সম্পাদন কৰে। সেয়েহে, নিৰ্বাচনী আইন (পিপ'ল আইন ১৯৫১ৰ ধাৰা ১২৯) অনুসৰি চৰকাৰী বিষয়াসকলক প্ৰাৰ্থীৰ বাবে কাম নকৰিব বা ভোটদান প্ৰভাৱিত নকৰিবলৈ নিৰ্দেশ দিয়া হয়। আদৰ্শ আচৰণ বিধি বলৱৎ থকাৰ সময়ত নিৰ্বাচন আয়োগে আনকি এজন চৰকাৰী কৰ্মচাৰী আৰু ৰাজনৈতিক নেতাৰ মাজত ব্যক্তিগত বৈঠক অনুষ্ঠিত কৰাৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ

কৰিছে।

## ১৯.২ বদলিৰ/নিয়োগৰ নীতি

মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচনৰ স্বাৰ্থত আৰু জনসাধাৰণৰ অভিযোগৰ বাবে যাতে কোনো সুযোগ নাথাকে তাক নিশ্চিত কৰিবলৈ নিৰ্বাচন আয়োগে এক নিৰন্তৰ নীতি অনুসৰণ কৰি আছে যে চৰকাৰী বিষয়াসকলক পোনপটীয়াভাৱে গৃহ জিলা বা য'ত তেওঁলোকে দীৰ্ঘদিন ধৰি সেৱা প্ৰদান কৰি আছে তাত নিযুক্ত কৰা নহয়। এই নীতিৰ আঁৰৰ উদ্দেশ্য হৈছে স্থানীয় ৰাজনীতিবিদৰ প্ৰভাৱ নিষ্ক্ৰিয় কৰা আৰু চৰকাৰী বিষয়াসকলৰ নিৰপেক্ষতা অটুট ৰখা। ২০১৩ আৰু ২০১৫ চনত ক্ৰমে ছত্তীশগড় আৰু বিহাৰৰ ৰাজ্যিক বিধানসভা নিৰ্বাচনত কিছুমান বিষয়াৰ বিৰুদ্ধে অভিযোগ লাভ কৰা হৈছিল যে তেওঁলোকক পুনৰ একেটা সমষ্টি/জিলা য'ত তেওঁলোকক আগৰ নিৰ্বাচনৰ সময়ত নিযুক্ত কৰা হৈছিল তাত পুনৰ নিয়োগ কৰা হৈছিল। নিৰ্বাচন আয়োগে, এই সন্দৰ্ভত মুখ্য নিৰ্বাচন বিষয়াৰ পৰা তথ্যগত প্ৰতিবেদন লাভ কৰাৰ পিছত সংশ্লিষ্ট বিষয়াসকলক সেই স্থানৰ পৰা বদলি কৰিবলৈ নিৰ্দেশ দিছিল। এইটো লক্ষ্য কৰা হৈছিল যে একেটা সমষ্টি/জিলাত এজন বিষয়াক যোৱা নিৰ্বাচনৰ সময়ত নিয়োগ কৰাৰ পিছত পুনৰ একেটা স্থানতে নিয়োগ কৰা কাৰ্য হয়, য'ত কিছু ৰাজনৈতিক উদ্দেশ্য থাকিব পাৰে। গতিকে, নিৰ্বাচন আয়োগে ২০১৬ চনৰ ৭ ছেপ্টেম্বৰত জাৰি কৰা নিৰ্দেশনাত এক নতুন চৰ্ত অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লৈছিল যে 'যেতিয়া এজন বিষয়াৰ বদলি/নিয়োগ কৰাৰ ক্ষেত্ৰত সিদ্ধান্ত ল'ব লগা হয় তেন্তে বিগত নিৰ্বাচনত তেওঁ যিটো সমষ্টি/জিলাত নিযুক্ত হৈ আছিল সেই স্থানত পুনৰ তেওঁক নিযুক্ত কৰিব নোৱাৰিব'। নিৰ্বাচন আয়োগে আৰু অনুমোদন জনাইছে যে সৰু ৰাজ্যসমূহ য'ত বিষয়াসকলৰ অভাৱৰ সমস্যা থাকিব পাৰে, তেনে ৰাজ্যত এনে বিশেষ নিৰ্দেশনা পালন কৰাৰ পৰা ৰেহাই লাভ কৰিব পাৰে। সেই অনুসৰি, বিধানসভা সমাপ্ত হোৱাৰ ৪-৫ মাহৰ আগতে নিৰ্বাচন আয়োগে ৰাজ্য চৰকাৰৰ সন্মতিত নিম্নলিখিত নিয়মাৱলী জাৰি কৰে;

### ১৯.২.১ বদলিৰ চৰ্তসমূহ

(i) নিৰ্বাচনৰ সৈতে পোনপটীয়াকৈ সংযোজিত কোনো বিষয়াক এতিয়া থকা জিলাখনত নিয়োগ ৰখাৰ অনুমতি দিয়া নহ'ব;

(ক) যদি তেওঁ গৃহ জিলাত নিযুক্ত হৈ আছে;

(খ) যদি তেওঁ জিলাখনত যোৱা চাৰি বছৰৰ তিনি বছৰ সম্পূৰ্ণ কৰিছে বা শীঘ্ৰে তিনিটা বছৰ সম্পূৰ্ণ হ'ব (বিধানসভা শেষ হোৱাৰ অন্তিম দিন বা আগতে)

(ii) তিনি বছৰৰ সময়গণনা কৰোঁতে, জিলাখনৰ ভিতৰত আন এটা পদলৈ

পদোন্নতি গণনা কৰিব লাগিব।

(iii) ওপৰোক্ত নিৰ্দেশনা/বিষয়াৰ বদলিকৰণ কৰোতে ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিভাগে সাৱধানতা অৱলম্বন কৰিব লাগে, যাতে তেওঁলোকক তেওঁলোকৰ গৃহ জিলাতে নিযুক্তি দিয়া নহয়। ২০১৯ চনৰ জানুৱাৰীত অনুষ্ঠিত লোকসভা নিৰ্বাচনত আয়োগে সংশ্লিষ্ট ৰাজ্যত নিৰ্দেশ দিছিল যে, যাতে কোনো জিলা নিৰ্বাচনী বিষয়া/ৰিটাৰ্ণিং বিষয়া/সহকাৰী ৰিটাৰ্ণিং বিষয়া/আৰক্ষী পৰিদৰ্শক/উপ-পৰিদৰ্শক বা তেনে সমপদবীৰ লোক যিয়ে নিজৰ বিধানসভা সমষ্টিৰ জিলাত বিগত বিধানসভা নিৰ্বাচন/২০১৭ চনৰ ৩১ মে'ত অনুষ্ঠিত উপ-নিৰ্বাচনৰ সময়ত নিযুক্ত আছিল, তেনে বিষয়াক নিৰ্বাচনী কাৰ্যত জড়িত কৰাব নোৱাৰে।

(iv) যদি কোনো সৰু ৰাজ্য/কেন্দ্ৰীয়শাসিত অঞ্চল থাকে, য'ত সামান্য সংখ্যক জিলা আছে আৰু এই নিৰ্দেশনাসমূহ প্ৰয়োগ কৰাত অসুবিধাৰ সন্মুখীন হ'বলগা হয়, তেতিয়া নিৰ্বাচন আয়োগে এনে বিশেষ কাৰণত মুখ্য নিৰ্বাচনী বিষয়াৰ যোগেদি নিৰ্দেশনা জাৰি কৰিব, যাতে তেনে অঞ্চলক প্ৰয়োজন সাপেক্ষে ওপৰোক্ত নিৰ্দেশনাৰ পৰা ৰেহাই দিয়া হয়।

**১৯.২.২ নীতিৰ প্ৰযোজ্যতা**

(i) এই নিৰ্দেশনা নিৰ্বাচনী দায়িত্বত নিযুক্ত কৰা জিলা নিৰ্বাচনী বিষয়া, সহকাৰী নিৰ্বাচনী বিষয়া, ৰিটাৰ্ণিং বিষয়া/সহকাৰী ৰিটাৰ্ণিং বিষয়া, নিৰ্বাচনী পঞ্জীয়ন বিষয়া/সহকাৰী নিৰ্বাচনী পঞ্জীয়ন বিষয়া আদিৰ উপৰি মাণ্ডলিক বিষয়া হিচাপে নিৰ্দিষ্ট নিৰ্বাচনী কামত নিযুক্ত অথচ জিলা বিষয়া, জিলা দণ্ডাধীশ, মহকুমা দণ্ডাধীশ, উপায়ুক্ত/যুটীয়া উপায়ুক্ত, ৰাজহ চক্ৰ বিষয়া, খণ্ড উন্নয়ন বিষয়া বা এনে পৰ্যায়ৰ যিকোনো শীৰ্ষ বিষয়াৰ ওপৰতো এই নিৰ্দেশনা প্ৰযোজ্য হ'ব।

(ii) এই নিৰ্দেশনাসমূহ আৰক্ষীৰ বাবেও প্ৰযোজ্য হ'ব, যেনে— মহাপৰিদৰ্শক, উপ-মহাপৰিদৰ্শক, ৰাজ্যিক সশস্ত্ৰ আৰক্ষীৰ কমাণ্ডেণ্ট, জ্যেষ্ঠ আৰক্ষী অধীক্ষক, আৰক্ষী অধীক্ষক, অতিৰিক্ত আৰক্ষী অধীক্ষক, মহকুমাৰ আৰক্ষী বিষয়া, থানাৰ বিষয়া, পৰিদৰ্শক, উপ-পৰিদৰ্শক, ৰিজাৰ্ভ পৰিদৰ্শক/চাজেণ্ট মেজৰ বা ইয়াৰ সমপৰ্যায়ৰ বিষয়া যিয়ে জিলাখনত নিৰ্বাচনৰ সময়ছোৱাত নিৰাপত্তা ব্যৱস্থা বা আৰক্ষী মোতায়েনত

নিয়োজিত থাকে।

(iii) আৰক্ষী উপ-পৰিদৰ্শক বা ইয়াৰ ওপৰোক্ত বিষয়াসকল তেওঁলোকৰ গৃহ জিলাত নিযুক্ত কৰিব নালাগে।

(iv) বিধানসভাৰ ম্যাদ শেষ হোৱাৰ দিনৰ পূৰ্বে যদি এজন আৰক্ষী উপ-পৰিদৰ্শকে এটা আৰক্ষী উপ-সংমণ্ডলত চাৰি বছৰৰ ভিতৰত ৩ বছৰৰ ম্যাদ সম্পূৰ্ণ কৰিছে বা সম্পূৰ্ণ কৰিব তেন্তে তেওঁক আন এটা আৰক্ষী উপ-সংমণ্ডললৈ বদলি কৰিব লাগিব, যি একেখন বিধানসভা সমষ্টিত নপৰে আৰু যদি জিলাখন সৰু হয় আৰু সেইটো সম্ভৱ নহয়, তেন্তে তেওঁক জিলাৰ বাহিৰলৈ বদলি কৰিব লাগে।

**১৯.২.৩ শিথিলতা/ৰেহাই ঃ** ওপৰত উল্লেখ কৰা বদলি নীতিৰ অধীনত তলত উল্লেখিত চৰকাৰী বিষয়াসমূহ অন্তৰ্ভুক্ত নহ'ব—

(i) কাৰিকৰী বিভাগ যেনে— কম্পিউটাৰ, বিশেষ শাখা, প্ৰশিক্ষণ আদিত নিয়োজিত আৰক্ষী বিষয়াসকলক এই নিৰ্দেশনাৰ অধীনত অন্তৰ্ভুক্ত কৰা নহ'ব;

(ii) নিৰ্বাচনৰ সময়ত বহু সংখ্যক কৰ্মচাৰী খচৰা প্ৰস্তুত বিভিন্ন নিৰ্বাচনী কৰ্তব্যৰ বাবে প্ৰয়োজন হয় আৰু সেয়েহে নিৰ্বাচন আয়োগে বৃহৎ বদলিৰ যোগেদি ৰাজ্যৰ প্ৰশাসনিক যন্ত্ৰৰ হেৰফেৰ কৰিব নোৱাৰে। সেয়ে, ওপৰত কোৱা বদলিৰ নীতি সাধাৰণতে প্ৰত্যক্ষভাৱে নিৰ্বাচনৰ সৈতে জড়িত বিষয়া যেনে— চিকিৎসক, অভিযন্তা, শিক্ষক/অধ্যক্ষৰ ওপৰত এই নীতি বলৱৎ কৰা নহয়। অৱশ্যে, এনে চৰকাৰী বিষয়া, যাৰ বিৰুদ্ধে ৰাজনৈতিক পক্ষপাতৰ অভিযোগ থাকে, যি তদন্তৰ অধীনত আৰু হয় বুলি প্ৰমাণিত হয়, তেতিয়া মুখ্য নিৰ্বাচন বিষয়া/ভাৰতৰ নিৰ্বাচন আয়োগে কেৱল এনে বিষয়াৰ বদলিয়েই নহয়, তেওঁৰ বিৰুদ্ধে বিভাগীয়ভাৱে উপযুক্ত ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিব পাৰে।

(iii) বিষয়াসকল যি ক্ষেত্ৰ বিষয়া/মাণ্ডলিক দণ্ডাধীশ হিচাপে নিযুক্ত আৰু নিৰ্বাচনৰ দায়িত্বত আছে, সেইসকল এই নিৰ্দেশনাৰ অধীনত অন্তৰ্ভুক্ত নহয়। অৱশ্যে, পৰ্যবেক্ষক, মুখ্য নিৰ্বাচন বিষয়া/জিলা নিৰ্বাচন বিষয়া আৰু ৰিটাৰ্ণিং বিষয়াসকলে এনে বিষয়াসকলৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিব লাগে, যাতে তেওঁলোক তেওঁলোকৰ কৰ্তব্য পালনত নিকা আৰু নিৰপেক্ষ হয়।

(iv) সংশ্লিষ্ট বিভাগৰ মুখ্য কার্যালয়ত নিযুক্ত বিষয়াসকলৰ ওপৰত এই নির্দেশনা প্রযোজ্য নহয়।

(v) এইটোও নির্দেশ দিয়া হৈছে যে যিসকল বিষয়াৰ বিৰুদ্ধে নির্বাচন আয়োগে পূর্বতে শাস্তিমূলক ব্যৱস্থা গ্ৰহণৰ পৰামর্শ দিছিল আৰু যিটো স্থগিত হৈ আছে বা জৰিমনাৰ দ্বাৰা নিষ্পত্তি হৈছে বা নির্বাচনৰ ক্ষেত্রত কর্ম সঠিক সম্পাদন নকৰাৰ অভিযোগ আছে তেওঁলোকক নির্বাচনৰ কামত নিয়োগ কৰিব নোৱাৰিব। অৱশ্যে, এজন বিষয়া যাক নির্বাচন আয়োগৰ আদেশৰ অধীনত বদলি কৰা হৈছিল আৰু শাস্তিমূলক পদক্ষেপৰ কোনো পৰামর্শ দিয়া হোৱা নাছিল মাত্র বদলিৰ বাবে বিবেচনা কৰা হৈছিল, তেওঁলোকক নিয়োজিত কৰিব পাৰিব। মুখ্য নির্বাচন বিষয়াই নিশ্চিত কৰিব লাগিব নির্বাচন আয়োগৰ চিঠি নং-৪৬৪/আইএনএছটি/২০০৮-ইপিএছ তাৰিখ ২৩ ডিচেম্বৰ, ২০০৮ৰ অন্তর্ভুক্ত নির্দেশনাসমূহ অনুপালন কৰা হৈছে। (পৰিশিষ্ট XIX)

(vi) নির্বাচন আয়োগে আৰু ইচ্ছা প্ৰকাশ কৰে যে নির্বাচনৰ কর্তব্যত এনে কোনো বিষয়াক দায়িত্ব দিয়া নহয়, যাৰ বিৰুদ্ধে আদালতত যিকোনো অপৰাধমূলক গোচৰ স্থগিত হৈ আছে বা গোচৰৰ সৈতে জড়িত আছে।

(vii) এনে বিষয়া, যি অহা ছমাহৰ ভিতৰত অৱসৰ গ্ৰহণ কৰিব, তেওঁলোক নির্বাচন আয়োগৰ ওপৰোক্ত নির্দেশনাসমূহৰ আওতাত নপৰিব। তদুপৰি, বিষয়াসকল, যিসকলে গৃহ জিলাত তিনি বছৰ থকাৰ চর্ত পূৰণ কৰিছে বা ছমাহৰ ভিতৰত অৱসৰ গ্ৰহণ কৰিব, তেওঁলোকক নির্বাচন আয়োগৰ অনুমতি অবিহনে নির্বাচনী দায়িত্বত নিয়োগ কৰিব নোৱাৰি।

(viii) এইটো আৰু স্পষ্ট কৰা হৈছে যে, ৰাজ্যৰ সকলো বিষয়া, (মুখ্য নির্বাচনী বিষয়াৰ কার্যালয়ত নিযুক্ত বিষয়াৰ বাহিৰে) যিসকল বিভিন্ন ক্ষমতাৰ অধীনত পুনৰ নিযুক্ত হৈছে বা সেৱাৰ সীমা সম্প্রসাৰণ কৰা হৈছে, তেনে বিষয়াক কোনো নির্বাচন সম্পর্কীয় কামৰ সৈতে জড়িত নহয়। নির্বাচনত জড়িত বিষয়াসকলে সংশ্লিষ্ট জিলা নির্বাচন বিষয়াক নির্ধাৰিত ফৰ্মেটত এটা ঘোষণা দিব লাগিব আৰু জিলা নির্বাচন বিষয়াই সেই সম্পর্কে মুখ্য নির্বাচনী বিষয়াক অৱগত জনাব। (পৰিশিষ্ট XX)

**১৯.২.৪ মুখ্য নির্বাচনী বিষয়াৰ সৈতে আলোচনা ঃ** নির্বাচন আয়োগৰ নীতিৰ অধীনত বর্তমানৰ পদবীৰ স্থানৰ পৰা ব্যক্তিসকলক অন্য স্থানলৈ বদলি কৰা বা নিযুক্ত

কৰোতে মুখ্য নিৰ্বাচনী বিষয়াৰ পৰামৰ্শ ল'ব লাগিব। এই নিৰ্দেশনাৰ অধীনত জাৰী কৰা প্ৰতিখন বদলিৰ নিদেৰ্শৰ এখন প্ৰতিলিপি মুখ্য নিৰ্বাচনী বিষয়াক দাখিল কৰিব লাগিব।

**১৯.২.৫ ভোটাৰ তালিকা প্ৰস্তুত কৰা বিষয়াসকলৰ বদলি/নিয়োগ ঃ** ভোটাৰ তালিকা সংশোধনৰ কামত নিযুক্ত বিষয়া/বিষয়াসকলৰ ক্ষেত্ৰত বদলি নিৰ্দেশ, যদি থাকে, মুখ্য নিৰ্বাচনী বিষয়াৰ সৈতে পৰামৰ্শ অনুসৰি চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশৰ পিছতহে ৰূপায়ণ কৰা হ'ব। যিকোনো আৱশ্যকীয় অতিৰিক্ত কাৰণৰ বাবে কোনো বদলি কৰিব লগা হ'লে, নিৰ্বাচন আয়োগৰ যাৱতীয় আগতীয়া অনুমোদন ল'ব লাগিব।

## ১৯.৩ আৰক্ষী উপ-পৰিদৰ্শকৰ বদলিৰ স্পষ্টীকৰণ

১৯.৩.১ এনে কোনো কাৰণ আহিব পাৰে, য'ত আৰক্ষী বিষয়া যিসকল থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে নিয়োজিত আছে/বৃহৎ মহানগৰ/সৰু ৰাজ্যত কম সংখ্যক জিলা আছে নিৰ্বাচনী আয়োগৰ নীতি নিৰ্ধাৰণ কৰা অনুসৰি বদলি প্ৰক্ৰিয়া কঠিন হ'ব পাৰে। এনে ক্ষেত্ৰত, এনে আৰক্ষী বিষয়াৰ বাবে স্থানীয় উপ-সংমণ্ডলত বদলিকৰণ ব্যতিক্ৰম হিচাপে গণ্য হ'ব পাৰে। আনহাতে বাকীবোৰৰ ক্ষেত্ৰত নিৰ্বাচনী বিষয়াৰ অনুমতি সাপেক্ষে জিলাৰ অধীনতে বদলি হ'ব পাৰে।

১৯.৩.২ আৰক্ষীৰ উপ-পৰিদৰ্শকৰ ক্ষেত্ৰত এই নিৰ্দেশনাটো প্ৰযোজ্য হ'ব নে নাই সেই সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰা হৈছে। এইটো স্পষ্ট কৰা হৈছে যে, য'ত উপ-পৰিদৰ্শকগৰাকী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া, তেওঁ এই নিৰ্দেশনাৰ আওতাত পৰিব আৰু ওপৰোক্ত নিৰ্দেশনা অনুসৰি বদলি কৰিব লাগিব।

## ১৯.৪ নিৰ্বাচনৰ সৈতে জড়িত বিষয়াৰ বদলিত প্ৰতিবন্ধকতা

১৯.৪.১ নিৰ্বাচন ঘোষণা হোৱা সৈতে, নিৰ্বাচন আয়োগে নিৰ্দেশ দিয়ে যে, নিৰ্বাচনী বিধি অনুসৰি সকলো বিষয়াৰ সংকুলিত বদলিকৰণ সম্পূৰ্ণকৈ নিষিদ্ধ কৰিব লাগিব। এইসমূহত অন্তৰ্ভুক্ত আছে কিন্তু প্ৰতিবন্ধকতা নাথাকিব ঃ

(i) মুখ্য নিৰ্বাচনী বিষয়া আৰু অতিৰিক্ত/যুটীয়া/উপ-মুখ্য নিৰ্বাচনী বিষয়াসকল;

(ii) সংমণ্ডলীয় নিৰ্বাচন আয়ুক্তসকল;

(iii) জিলা নিৰ্বাচনী বিষয়া, ৰিটাৰ্ণিং বিষয়া, সহকাৰী ৰিটাৰ্ণিং বিষয়া আৰু অন্যান্য ৰাজহ বিষয়াসকল, যিসকল নিৰ্বাচনৰ সৈতে জড়িত;

(iv) নিৰ্বাচন ব্যৱস্থাপনাৰ সৈতে জড়িত আৰক্ষী বিষয়া, যেনে—

মহাপৰিদৰ্শক, উপ-মহাপৰিদৰ্শক, জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু আৰক্ষী অধীক্ষক, মহকুমা আৰক্ষী বিষয়া যেনে— উপ-আৰক্ষী অধীক্ষক আৰু অন্যান্য আৰক্ষী বিষয়াসকল, যিসকল বিষয়াক নিৰ্বাচন আয়োগে পিপ'ল আইন ১৯৫১ৰ ধাৰা ২৮(এ) অনুসাৰে জড়িত কৰিছে।

(v) সেইসকল বিষয়া, যিসকলৰ বদলি আদেশ নিৰ্বাচন ঘোষণাৰ আগত হৈছিল কিন্তু আদৰ্শ আচৰণ বিধি বলৱৎ হোৱালৈকে কাৰ্যকৰী হোৱা নাই তেওঁলোকক নিৰ্বাচন আয়োগৰ বিশেষ অনুমতি নোহোৱালৈকে বদলি কৰিব নালাগে।

(vi) সেই ক্ষেত্ৰত য'ত এজন বিষয়াৰ বদলি প্ৰশাসনিক সংস্থাৰ কাম-কাজৰ বাবে প্ৰয়োজনীয় বুলি বিবেচনা কৰা হয়, ৰাজ্য চৰকাৰে সম্পূৰ্ণ নীতি অনুসাৰে নিৰ্বাচন আয়োগৰ ওচৰত যথাযথ অনুমোদনৰ বাবে কাষ চাপিব পাৰে।

(vii) এই সময়ছোৱাত নিৰ্বাচনী আয়োগৰ প্ৰয়োজনীয় অনুমোদন অবিহনে চৰকাৰী বা ৰাজহুৱা খণ্ডত কোনো নিযুক্তি বা পদোন্নতি হ'ব নোৱাৰে।

(viii) নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱালৈকে এই নিষেধাজ্ঞা কাৰ্যকৰী থাকিব।

## ১৯.৫ মুখ্যমন্ত্ৰী/গৃহমন্ত্ৰীক আৰক্ষীৰ তথ্য বিৱৰণ

১৯.৫.১ নিৰ্বাচন আয়োগে নিৰ্দেশনা জাৰি কৰিছে যে চৰকাৰী বিষয়াসকলক বিভাগীয় বৈঠকৰ বাহিৰে মন্ত্ৰী বা ৰাজনৈতিক কৰ্মকৰ্তাসকলৰ দ্বাৰা অনুষ্ঠিত আন কোনো সভাত মাতিব নোৱাৰিব। এইক্ষেত্ৰত, নিৰ্বাচন আয়োগে আৰু স্পষ্ট কৰিছে যে মুখ্যমন্ত্ৰী বা গৃহমন্ত্ৰীসকলৰ আৱশ্যকীয় নিৰাপত্তা বুলি বিবেচনা কৰা বিষয়সমূহৰ ক্ষেত্ৰত গৃহ সচিব বা মুখ্য সচিবক আৰক্ষীয়ে অৱগত কৰিব লাগিব। নিৰ্দেশনাসমূহত আৰু কোৱা হয় যে, যদি মুখ্য সচিব/গৃহ সচিবক বিৱৰণ দিয়াৰ সময়ত আৰক্ষী/বিষয়াসকলৰ উপস্থিতি আৱশ্যকীয় বুলি বিবেচনা কৰা হয়,তেন্তে তেওঁলোকক উপস্থিত থাকিবলৈ ক'ব পাৰে।

১৯.৫.২ এই নিৰ্দেশনাসমূহক নিৰাপত্তাৰ ক্ষেত্ৰত জড়িত আইন-শৃংখলা বলৱৎ কৰা সংস্থাসমূহৰ কাৰ্যকলাপত সীমাবদ্ধতা হিচাপে বিবেচনা কৰিব নালাগে। সেয়েহে, এনে পৰিস্থিতি য'ত ইয়াক প্ৰয়োজনীয় হিচাপে বিবেচনা কৰা হয়, আইন-শৃংখলা প্ৰৱৰ্তনকাৰী সংস্থাসমূহে নিৰ্বাচন আয়োগৰ নিৰ্দেশনাৰ বাবে আবেদন কৰিব নালাগে বা তেওঁলোকৰ কাৰ্যগ্ৰহণত বিলম্ব কৰিব নালাগে। যিকোনো পৰিস্থিতিত যদি প্ৰয়োজন হয়, যাৰ ভিতৰত ৰাজনৈতিক কাৰ্যবাহীক আৰক্ষী সঞ্চালকপ্ৰধানে

তথ্য অৱগত কৰে আৰু তেওঁলোকক পৰা পৰামৰ্শ ল'ব লগা হয়, তেন্তে এয়া সংশ্লিষ্ট কৰ্তৃপক্ষৰ প্ৰকৃত কৰ্তব্য আৰু নিৰপেক্ষতা বৰ্তাই ৰাখি হ'ব লাগে।

## ১৯.৬ মন্ত্ৰী আৰু চৰকাৰী বিষয়াৰ মাজত ভিডিঅ' কনফাৰেন্স

১৯.৬.১ নিৰ্বাচন আয়োগে নিৰ্দেশনা দিছিল যে, আদৰ্শ আচৰণ বিধি বলৱৎ থকাৰ সময়ত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মুখ্যমন্ত্ৰী/মন্ত্ৰী/ৰাজনৈতিক কৰ্মকৰ্তাসকলে চৰকাৰী বিষয়াসকলৰ মাজত কোনো ভিডিঅ' কনফাৰেন্স অনুষ্ঠিত হ'ব নোৱাৰে।

১৯.৬.২ নিৰ্বাচন আয়োগে এই বিষয়টো সামান্যভাৱে পৰ্যালোচনা কৰিছিল যেতিয়া প্ৰাকৃতিক দুৰ্যোগৰ সময়ত মূল্যায়ন/পৰিস্থিতি নিৰীক্ষণ কৰাৰ ক্ষেত্ৰত ভিডিঅ' কনফাৰেন্স অনুষ্ঠিত কৰিবলৈ অনুমতিৰ অনুৰোধ আহিছিল আৰু সিদ্ধান্ত লৈছিল যে এনে দুৰ্যোগৰ হাৰ/প্ৰাৱল্য অনুযায়ী যদি প্ৰয়োজন হয়, মুখ্যমন্ত্ৰী বা মন্ত্ৰীসকলে সংশ্লিষ্ট বিভাগৰ বিষয়াৰ সৈতে ভিডিঅ' কনফাৰেন্স অনুষ্ঠিত কৰিব পাৰিব। এইক্ষেত্ৰত নিম্নলিখিত চৰ্তবোৰ অনুসৰণ কৰিব লাগিব—

(i) সংশ্লিষ্ট বিভাগে ভিডিঅ' কনফাৰেন্স অনুষ্ঠিত কৰাৰ আগতে মুখ্য নিৰ্বাচনী বিষয়াৰ পৰা প্ৰয়োজনীয় অনুমোদন ল'ব লাগিব। কোনো পৰৱৰ্তী যিকোনো ভিডিঅ' কনফাৰেন্সৰ বাবেও নিৰ্বাচন আয়োগৰ পৰা অনুমতি ল'ব লাগিব;

(ii) কেৱল উপায়ুক্ত/জিলা দণ্ডাধীশ আৰু সংশ্লিষ্ট এলেকাৰ প্ৰাকৃতিক দুৰ্যোগৰ সাহায্য বিতৰণৰ সৈতে জ্যেষ্ঠ বিষয়াসকলক এনে ভিডিঅ' কনফাৰেন্সত উপস্থিত থাকিবলৈ দিয়া হ'ব;

(iii) এনে ভিডিঅ' কনফাৰেন্সত প্ৰাকৃতিক দুৰ্যোগৰ উদ্ধাৰ/সাহায্য অভিযান আৰু ইয়াৰ সৈতে সংযোজিত অন্যান্য দিশৰ বাহিৰে আন কোনো বিষয় আলোচনা কৰিব নোৱাৰিব;

(iv) ভিডিঅ' কনফাৰেন্সৰ বাবে কোনো কাৰণতে প্ৰচাৰ চলোৱা নহ'ব, ভিডিঅ' কনফাৰেন্সৰ আগতে, চলি থকাৰ সময়ত বা পিছত;

(v) ভিডিঅ' কনফাৰেন্স সংবাদ মাধ্যমৰ বাবে মুকলি নাথাকিব;

(vi) সংশ্লিষ্ট বিভাগে ভিডিঅ' কনফাৰেন্স কাৰ্যসূচীৰ এক অডিঅ'/ভিডিঅ' ৰেকৰ্ডিং ৰাখিব লাগিব আৰু ইয়াৰ এক প্ৰতিলিপি মুখ্য নিৰ্বাচনী বিষয়াক দিব লাগিব;

(vii) ভিডিঅ' কনফাৰেন্সৰ যোগেদি কোনো ধৰণৰ অনুদান, নগদ সাহায্য বা সামগ্ৰী আৰু ৰাজনৈতিক ধৰণৰ বিবৃতি ঘোষণা বা প্ৰতিশ্ৰুতি দিব

নোৱাৰিব, যিয়ে ভোটাসকলক প্ৰভাৱান্বিত কৰিব পাৰে;

(viii) ভিডিঅ' কনফাৰেন্সৰ সময়ত মুখ্য নিৰ্বাচনী বিষয়াৰ এজন প্ৰতিনিধি উপস্থিত থাকিব;

১৯.৬.৩ ওপৰোক্ত ব্যতিক্ৰম কেৱল প্ৰাকৃতিক দুৰ্যোগৰ হাৰ আৰু তীব্ৰতাৰ ওপৰত ভিত্তি কৰি তাৎক্ষণিকভাৱে বলৱৎ কৰা হ'ব, অন্যথা আদৰ্শ আচৰণ বিধিৰ সময়ত নিৰ্বাচনী নীতি প্ৰযোজ্যৰ বাবে মন্ত্ৰী আৰু ৰাজনৈতিক কৰ্মকৰ্তাৰ সৈতে চৰকাৰী বিষয়াৰ ভিডিঅ' কনফাৰেন্স নিষিদ্ধ থাকিব।

## ১৯.৭ বিষয়াৰ ভ্ৰমণ/ছুটীৰ ক্ষেত্ৰত প্ৰতিবন্ধকতা, যিসকলৰ আত্মীয় ৰাজনৈতিক ক্ষেত্ৰত সক্ৰিয়

১৯.৭.১ নিৰ্বাচন আয়োগৰ দৃষ্টিত কেইবাটাও উদাহৰণ আহিছে, য'ত ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া, ভাৰতীয় আৰক্ষী সেৱা আৰু ৰাজ্য চৰকাৰ বিষয়াৰ আত্মীয় (পত্নী, স্বামী, পুত্ৰ-কন্যা) ৰাজনৈতিক ক্ষেত্ৰত সক্ৰিয় হৈ থাকে আৰু নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে বা ৰাজনৈতিক দলৰ সক্ৰিয় কৰ্মী হিচাপে থাকে।

১৯.৭.২ নিৰ্বাচন আয়োগে মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচনৰ স্বাৰ্থত নিৰ্দেশ দিয়ে যে, এইক্ষেত্ৰত সংশ্লিষ্ট বিষয়াসকলে তেওঁলোকৰ মুখ্য কাৰ্যালয়ৰ পৰা ছুটী লৈ যাব নোৱাৰে বা নিৰ্বাচনৰ সমাপ্ত নোহোৱালৈকে কোনো কাৰণতে ভ্ৰমণত যাব নোৱাৰে।

১৯.৭.৩ যদি কোনো কাৰণত নিৰ্বাচনৰ সময়ত তেওঁলোকে মুখ্য কাৰ্যালয় এৰি যোৱাৰ প্ৰয়োজন হয়, তেতিয়া মুখ্য সচিবৰ পৰা ছুটী লাভ কৰাৰ আগতে নিৰ্দিষ্ট লিখিত অনুমতি ল'ব লাগিব আৰু যিসকল বিষয়াই এই সুবিধা ল'ব তেওঁলোকে নিশ্চিত কৰিব লাগিব যে, তেওঁৰ আত্মীয় ৰাজনৈতিক কাৰ্যসমূহত তেওঁ কোনো কাৰণতে জড়িত নহয়।

********

## অধ্যায় ২০

# উপ-নিৰ্বাচনৰ সময়ত আদৰ্শ আচৰণ বিধি

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ**

- আদৰ্শ আচৰণ বিধিৰ প্ৰযোজ্যতা
- মন্ত্ৰীসকলৰ ভ্ৰমণ
- নতুন আঁচনি/প্ৰকল্পসমূহৰ ঘোষণা
- সাহায্য ঘোষণা
- বিজ্ঞাপন প্ৰচাৰ
- চৰকাৰী ৱেবছাইটৰ পৰা মন্ত্ৰীসকলৰ প্ৰসংগ আঁতৰোৱা
- ধৰ্মীয়/সম্প্ৰদায় সম্পৰ্কে মন্তব্য/প্ৰতিশ্ৰুতি প্ৰদানত প্ৰতিবন্ধকতা
- চৰকাৰী বিষয়াৰ বদলি/নিয়োগ
  - √ বিধানসভাৰ উপ-নিৰ্বাচন
  - √ লোকসভাৰ উপ-নিৰ্বাচন

### ২০.১ পাতনি

উপ-নিৰ্বাচনৰ ক্ষেত্ৰত, সংশ্লিষ্ট সমষ্টিটো থকা জিলাখনত আদৰ্শ আচৰণ বিধি প্ৰযোজ্য হয়। নিৰ্বাচন আয়োগে লক্ষ্য কৰিছে যে কিছু উপ-নিৰ্বাচনৰ সময়ত কিছু ব্যাঘাত জন্মোৱা ঘটনা সংঘটিত হয়, যেতিয়া শাসকীয় দলৰ ৰাজনৈতিক কৰ্মকৰ্তা, তেওঁলোকৰ মন্ত্ৰীসহ আদৰ্শ আচৰণ বিধিৰ উৎসাহক প্ৰশমিত কৰাৰ চেষ্টা চলায়। দেখা যায় যে, মন্ত্ৰীসকলে সঘনাই চুবুৰীয়া জিলাসমূহত চৰকাৰী সভা অনুষ্ঠিত কৰে, চৰকাৰী কামৰ ভ্ৰমণত সংযুক্ত কৰি তেওঁলোকে পৰিভ্ৰমণ কৰে আৰু তাত থাকে আৰু উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক কাৰ্যকলাপ কৰে। এনে জিলাসমূহ, য'ত উপ-নিৰ্বাচন অনুষ্ঠিত হৈছে তেনে জিলাসমূহৰ চৰকাৰী বিষয়াসকলকো এনে সভাৰ বাবে মাতি দিয়া হয়। কেতিয়াবা এইটো লক্ষ্য কৰা হৈছিল যে চৰকাৰী কামত চুবুৰীয়া জিলাত আধাতকৈ অধিক কেবিনেট মন্ত্ৰীসকল নিজেই উপস্থিত হয় আৰু তাত উপ-নিৰ্বাচন সম্পৰ্কীয় ৰাজনৈতিক কাৰ্যকলাপবোৰ সক্ৰিয় কৰে। এই সকলোবোৰ লক্ষ্য কৰি, নিৰ্বাচন আয়োগে উপ-নিৰ্বাচনৰ ক্ষেত্ৰত কিছু নিৰ্দিষ্ট নীতি-নিৰ্ধাৰণ কৰিছে।

### ২০.২ আদৰ্শ আচৰণ বিধিৰ প্ৰযোজ্যতা

২০.২.১ নিৰ্বাচন আয়োগে উপ-নিৰ্বাচনৰ সূচী ঘোষণা কৰাৰ লগে লগে, সমগ্ৰ জিলাত য'ত বিধানসভা/সংসদীয় সমষ্টি থাকে তাত আদৰ্শ আচৰণ বিধি বলবৎ হয়। এইক্ষেত্ৰত একাংশ ৰাজ্য চৰকাৰে নিৰ্বাচন আয়োগক অনুৰোধ জনায় যে সমগ্ৰ

জিলাত উপ-নিৰ্বাচনৰ বাবে আদৰ্শ আচৰণ বিধি প্ৰয়োগৰ ফলত যিসমূহ অঞ্চল এনে নিৰ্বাচনত অন্তৰ্ভুক্ত নহয়, তাত এনে নিৰ্দেশনাৰ ফলত উন্নয়নমূলক কাম-কাজ ক্ষতিগ্ৰস্ত হয়। নিৰ্বাচন আয়োগে বিষয়টো বিবেচনা কৰিছে আৰু আংশিক পৰিৱৰ্তনে নিৰ্দেশনা দিছে যে যদি কোনো কাৰণত উপ-নিৰ্বাচনৰ সমষ্টিটো ৰাজ্যিক ৰাজধানী/মহানগৰ/পৌৰ নিগমৰ অন্তৰ্ভুক্ত হয়, তেন্তে আদৰ্শ আচৰণ বিধি সংশ্লিষ্ট বিধানসভা সমষ্টিৰ পৰিধিত বলৱৎ হ'ব আৰু সমগ্ৰ জিলাত নহয়। আন সকলো ক্ষেত্ৰত, উপ-নিৰ্বাচনৰ ক্ষেত্ৰত সমষ্টিটোৰ উপৰি সমগ্ৰ জিলাতে আদৰ্শ আচৰণ বিধি বলৱৎ কৰা হ'ব।

২০.২.২ লোকসভা/বিধানসভাৰ উপ-নিৰ্বাচনৰ ক্ষেত্ৰত, সংশ্লিষ্ট ৰিটাৰ্ণিং বিষয়াৰ দ্বাৰা উপ-নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ লগে লগে আদৰ্শ আচৰণ বিধি আনুষ্ঠানিকভাৱে কাৰ্যকৰী হোৱা অন্ত পৰিব।

## ২০.৩ মন্ত্ৰীসকলৰ ভ্ৰমণ

২০.৩.১ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ কোনো মন্ত্ৰীয়ে উপ-নিৰ্বাচন ঘোষণা কৰাৰ পিছত কোনো কাৰণত চৰকাৰী ভ্ৰমণ নিৰ্বাচনৰ সৈতে যুক্ত কৰিব নোৱাৰে। তেওঁলোকে তেওঁলোকৰ আনুষ্ঠানিক ভ্ৰমণ সম্পূৰ্ণ হোৱাৰ পিছত মুখ্য কাৰ্যালয় ঘূৰি আহিব লাগিব। উপ-নিৰ্বাচনৰ বাবে আদৰ্শ আচৰণ বিধি কাৰ্যকৰী হৈ থকা জিলাসমূহত মন্ত্ৰীসকলৰ ভ্ৰমণ সম্পূৰ্ণৰূপে ব্যক্তিগত হ'ব লাগিব আৰু এনে ভ্ৰমণ মন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা আৰম্ভ হৈ কাৰ্যালয়ত শেষ হ'ব লাগিব। লগতে, এইটো স্পষ্ট কৰা হয় যে, যদি এজন মন্ত্ৰী বা ব্যক্তিয়ে সম পদবীৰ ব্যক্তিয়ে, আদৰ্শ আচৰণ বিধি বলৱৎ হৈ থকা অঞ্চলত যিয়ে নিৰ্বাচনী প্ৰচাৰৰ লগতে তেওঁলোকৰ আনুষ্ঠানিক ভ্ৰমণ যোগ কৰে, তেন্তে এই ভ্ৰমণৰ সমুদায় ব্যয় নিৰ্বাচনী ব্যয় হিচাপে গণ্য কৰা হ'ব।

২০.৩.২ যদি কোনো মন্ত্ৰীয়ে আন এখন জিলালৈ যোৱাৰ পথত উপ-নিৰ্বাচন অনুষ্ঠিত হৈ থকা জিলাসমূহৰ মাজেৰে যাতায়াত কৰিব লগা হয়, তেন্তে আদৰ্শ আচৰণ বিধি বলৱৎ হৈ থকা জিলাসমূহত তেওঁ ৰৈ থাকিব নোৱাৰিব আৰু কোনো ৰাজনৈতিক কামত জড়িত হ'ব নোৱাৰিব।

২০.৩.৩ কোনো আন জিলাত মন্ত্ৰীয়ে অনুষ্ঠিত কৰা কোনো বৈঠকত উপ-নিৰ্বাচন অনুষ্ঠিত হৈ থকা জিলাসমূহৰ কোনো পদৰ বিষয়াই অংশগ্ৰহণ কৰিব নোৱাৰিব। আনকি অন্য জিলাত নিৰ্বাচন অনুষ্ঠিত নহ'লেও।

২০.৩.৪ যদি মন্ত্ৰীৰ সমষ্টিৰ ব্যক্তিগত ভ্ৰমণত, য'ত নিৰ্বাচন অনুষ্ঠিত হৈ আছে, কোনো

চৰকাৰী বিষয়াই তেনে মন্ত্ৰীক সাক্ষাৎ কৰিলে পিপ'ল আইন ১৯৫১ৰ ধাৰা ১২৯(১) অনুসৰি আৰু সেৱাৰ নিয়ম অনুসৰি দোষী সাব্যস্ত হ'ব। তেওঁ বিধিবদ্ধ ব্যৱস্থাসমূহ উলংঘন কৰাৰ বাবে সেই ধাৰাৰ অধীনত শাস্তিমূলক ব্যৱস্থাৰ সন্মুখীন হ'ব লাগিব।

২০.৩.৫ মন্ত্ৰীৰ সমষ্টিলৈ ভ্ৰমণৰ সময়ত কোনো পাইলট বাহন বা বাহন, য'ত ৰংচঙীয়া লাইট লগোৱা হয় আৰু 'চাইৰেন' থাকে, তেনে বাহন উপ-নিৰ্বাচন অনুষ্ঠিত হোৱা জিলাত ব্যৱহাৰ হ'ব নোৱাৰিব আৰু যদি প্ৰয়োজন হয় জিলা প্ৰশাসনে তেওঁক ভ্ৰমণৰ সময়ত সশস্ত্ৰ নিৰাপত্তা প্ৰদান কৰিব।

২০.৩.৬ জৰুৰীকালীন চৰকাৰী কামৰ বাবে এনে ব্যক্তিগত ভ্ৰমণত মন্ত্ৰীসকলে এজন অ-ৰাজপত্ৰিত বিষয়াক লগত ৰখাৰ অনুমতি লাভ কৰিব।

২০.৩.৭ নিৰ্বাচন আয়োগে আৰু নিৰ্ধাৰণ কৰিছে যে, ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াক উপ-নিৰ্বাচন অনুষ্ঠিত হোৱা জিলাত কেন্দ্ৰ বা ৰাজ্য চৰকাৰৰ যিকোনো মন্ত্ৰীৰ প্ৰস্তাৱিত ভ্ৰমণ সম্পৰ্কে জিলা বিষয়া দ্বাৰা আগতীয়াকৈ অৱগত কৰিব লাগিব।

## ২০.৪ নতুন আঁচনি/প্ৰকল্পসমূহৰ ঘোষণা

২০.৪.১ কোনো কাম আৰম্ভ নহ'ব, যিসমূহ কাম পূৰ্বতে অনুমোদিত হৈছিল যদিও কাৰ্যক্ষেত্ৰত আৰম্ভ হোৱা নাছিল, সেয়া আৰম্ভ কৰিব নোৱাৰিব। এই কামবোৰ নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছতহে আৰম্ভ কৰিব পাৰিব। অৱশ্যে, যদি কোনো কাম প্ৰকৃততে আৰম্ভ হৈছে, সেয়া অব্যাহত থাকিব পাৰে।

২০.৪.২ সেইসমূহ আঁচনি, যাৰ বাবে অনুমোদন সম্পূৰ্ণ হৈছে আৰু ধন আৱণ্টন/মুকলি কৰা হৈছে আৰু উপযুক্ত স্থানত সামগ্ৰীসমূহ গৈ পাইছে, তেন্তে আঁচনি অনুসৰি কাম সম্পাদন হ'ব পাৰে।

২০.৪.৩ সংশ্লিষ্ট বিষয়াৰ সন্তুষ্টি আৰু অনুমতি সাপেক্ষে সম্পূৰ্ণ হোৱা কামৰ ক্ষেত্ৰত পুঁজি মুকলি কৰি দিয়াৰ ক্ষেত্ৰত কোনো বাধা নাথাকিব।

২০.৪.৪ এমপিএলএডি (ৰাজ্যসভাৰ সাংসদকে ধৰি)/এমএলএএলএডি/এমএলচিএলএডিৰ অধীনত কোনো আঁচনিৰ বাবে নিৰ্বাচনী প্ৰক্ৰিয়া সমাপ্ত নোহোৱাকৈ নতুনকৈ পুঁজি মুকলি দিব নোৱাৰিব।

## ২০.৫ সাহায্য ঘোষণা

উপ-নিৰ্বাচন চলি থকা সময়ত ৰাজ্য চৰকাৰসমূহে ৰাজ্যত ব্যাপক প্ৰভাৱ পৰিব লগা বিষয়সমূহৰ ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণত বাধাৰ ক্ষেত্ৰত কোনো নিৰ্দেশনা নাই। এই প্ৰসংগত নিৰ্বাচন আয়োগে উল্লেখ কৰিছে যে, এই সন্দৰ্ভত সকলো প্ৰাসংগিক কাৰক বিবেচনা

কৰাৰ পিছতহে ৰাজ্য চৰকাৰে সাহায্যৰ ঘোষণা কৰিব পাৰিব আৰু চৰকাৰী নিয়মৰ অধীনত এয়া হ'ব যদিও ইয়াক চৰকাৰৰ সফলতা হিচাপে প্ৰচাৰ কৰিব নোৱাৰিব।

## ২০.৬ বিজ্ঞাপন প্ৰকাশ

২০.৬.১ এয়া পৰিলক্ষিত হয় যে, সম্প্ৰতি চৰকাৰে বিভিন্ন প্ৰকাৰৰ বিজ্ঞাপন প্ৰকাশ কৰে, য'ত তেওঁলোকৰ সাফল্য আৰু ঘোষণাসমূহ থাকে। এনে বিজ্ঞাপনসমূহ বিশেষ দিনত প্ৰকাশ কৰা হয়, যেনে— গণৰাজ্য দিৱস, স্বাধীনতা দিৱস, বিশিষ্ট নেতাৰ জন্মদিন, চৰকাৰৰ বৰ্ষপূৰ্তি ইত্যাদিত। এইক্ষেত্ৰত, যদি উপ-নিৰ্বাচন চলি আছে, তেন্তে আদৰ্শ আচৰণ বিধিৰ প্ৰশ্নটো প্ৰাসংগিক হৈ উঠে। কাৰিকৰীভাৱে এনে বিজ্ঞাপন প্ৰচাৰ বন্ধ কৰাটো সম্ভৱপৰ নহয়, বিশেষকৈ ছপা মাধ্যমত বিশেষ অঞ্চলসমূহ য'ত আদৰ্শ আচৰণ বিধি বলৱৎ আছে, আনহাতে অন্য স্থানত ইয়াক প্ৰকাশ কৰা হৈছে।

২০.৬.২ নিৰ্বাচন আয়োগে বিষয়টো বিবেচনা কৰিছে আৰু গ্ৰহণ কৰিছে যে বিষয়টোৰ সকলো দিশ চাই নিৰ্দেশ দিছিল যে উপ-নিৰ্বাচনৰ সময়ত আদৰ্শ আচৰণ বিধি বলৱৎ থাকিলে ৰাজকোষৰ ধনেৰে বিজ্ঞাপন প্ৰচাৰ বা প্ৰকাশ কৰাৰ ক্ষেত্ৰত তলত দিয়া নীতি-নিৰ্দেশনা আৰু বাধ্যবাধকতা থাকিব—

(i) নিৰ্দিষ্ট গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত বিশেষ দিনত এনে বিজ্ঞাপন প্ৰকাশিত হ'ব পাৰে। অৱশ্যে, নিৰ্দিষ্ট দিন আৰু অনুষ্ঠানৰ সৈতেহে ইয়াক প্ৰকাশ কৰাৰ বাধ্যবাধকতা থাকিব আৰু আন দিনত প্ৰকাশ কৰিব নোৱাৰিব। এনে বিজ্ঞাপনত কোনো মন্ত্ৰী বা আন ৰাজনৈতিক কৰ্মকৰ্তাৰ ফটো থাকিব নোৱাৰে।

(ii) উপ-নিৰ্বাচনৰ সময়ত সেই নিৰ্দিষ্টসমূহক লক্ষ্য কৰা বা উদ্দেশ্যে প্ৰসংগ উল্লেখ থকা কোনো বিজ্ঞাপন প্ৰচাৰ বা প্ৰকাশ কৰিব নোৱাৰিব।

(iii) লগতে আৰু স্পষ্ট কৰা হৈছিল যে, উপ-নিৰ্বাচন চলি থকা জিলাসমূহত নতুন আঁচনিৰ বিজ্ঞাপন প্ৰচাৰ কৰিব নোৱাৰিব।

## ২০.৭ চৰকাৰী ৱেবছাইটৰ পৰা মন্ত্ৰীসকলৰ প্ৰসংগ আঁতৰোৱা

সাধাৰণ নিৰ্বাচন সন্দৰ্ভত নিৰ্বাচন আয়োগৰ বিদ্যমান নিৰ্দেশনা অনুসৰি আদৰ্শ আচৰণ বিধি কাৰ্যকৰী হৈ থকা সময়ছোৱাত, মন্ত্ৰী/ৰাজনীতিবিদ/ৰাজনৈতিক দলসমূহৰ প্ৰসংগ কেন্দ্ৰ/ৰাজ্য চৰকাৰৰ চৰকাৰী ৱেবছাইটৰ আঁতৰাব লাগিব। উপ-নিৰ্বাচনৰ সময়ত এই নিৰ্দেশনাসমূহ কেৱল যিসকল ৰাজনীতিবিদ/মন্ত্ৰীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়, তেওঁলোকৰ ক্ষেত্ৰতহে সীমাবদ্ধ থাকিব।

## ২০.৮ ধৰ্মীয়/সম্প্ৰদায় সম্পৰ্কে মন্তব্য/প্ৰতিশ্ৰুতি প্ৰদানত প্ৰতিবন্ধকতা

২০.৮.১ নিৰ্বাচন আয়োগৰ লক্ষ্য কৰিছে যে, উপ-নিৰ্বাচন সময়ত ক্ষমতাত থকা দল বা বৰ্তমানৰ সাংসদ/বিধায়কসকলে সংশ্লিষ্ট জিলা/অঞ্চল, য'ত আদৰ্শ আচৰণ বিধি চলি আছে, ধৰ্ম/সম্প্ৰদায়ক লৈ বিভিন্ন প্ৰতিশ্ৰুতি আৰু আহ্বান কৰা পৰিলক্ষিত হয়, যিয়ে আদৰ্শ আচৰণ বিধি উলংঘা কৰে। অৱশ্যে, ই নিশ্চিতভাৱে বিধানসভা/সংসদীয় সমষ্টি, য'ত উপ-নিৰ্বাচন অনুষ্ঠিত হৈ আছে, তাত ভোটাৰসকলৰ আকৰ্ষিত কৰে, যাৰ বাবে ই সমষ্টিটোত চলি থকা মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচনত বাধা দিয়ে।

২০.৮.২ নিৰ্বাচন আয়োগে আৰু নিৰ্দেশ দিছিল যে, ৰাজ্যত যিকোনো বিধানসভা/সংসদীয় সমষ্টিত উপ-নিৰ্বাচনৰ ঘোষণা কৰাৰ লগে লগে সংশ্লিষ্ট ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াই ৰাজ্য/কেন্দ্ৰীয়শাসিত অঞ্চলৰ সকলো স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলক এক পৰামৰ্শ জাৰি কৰিব যে তেওঁলোকৰ মন্ত্ৰী আৰু বৰ্তমানৰ সাংসদ/বিধায়কসকলে ধৰ্মীয় বা সম্প্ৰদায় ভিত্তিত কোনো প্ৰতিশ্ৰুতি/বিবৃতি প্ৰকাশ নকৰে, আনকি যিসমূহ অঞ্চলত আদৰ্শ আচৰণ বিধি বলৱৎ হোৱা নাই আৰু নিৰ্বাচন অনুষ্ঠিত হোৱা নাই, তাতো এনে কাৰ্য কৰিব নোৱাৰে, যাতে সাধাৰণ ৰাইজৰ মাজত কোনো কু-প্ৰভাৱ নপৰে।

## ২০.৯ চৰকাৰী বিষয়াৰ বদলি/নিয়োগ

২০.৯.১ নিৰ্বাচন আয়োগে মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে এই নীতিসমূহ পালন কৰি নিশ্চিত কৰিব যে চৰকাৰী বিষয়াসকল, যিসকলে ৰাজ্যত অনুষ্ঠিত উপ-নিৰ্বাচনত জড়িত থাকে, তেওঁলোকক গৃহ সমষ্টি আৰু সংশ্লিষ্ট বিধানসভা/সংসদীয় সমষ্টিত নিয়োগ নকৰে, য'ত তেওঁ দীৰ্ঘদিন সেৱা আগবঢ়াইছিল।

(i) **বিধানসভাৰ উপ-নিৰ্বাচন**

(এ) বিধানসভাৰ উপ-নিৰ্বাচনৰ সৈতে পোনপটীয়াকৈ এনে কোনো বিষয়াক জড়িত কৰিব নোৱাৰিব, যিয়ে বৰ্তমানে তেওঁৰ বিধানসভা সমষ্টিৰ পৰিধিৰ ভিতৰত নিযুক্ত আছে, তেওঁক কাৰ্যনিৰ্বাহ কৰিবলৈ দিয়া নহ'ব—

(ক) যদি তেওঁ/তাই তেওঁৰ গৃহ বিধানসভা সমষ্টিত নিযুক্ত আছে;

(খ) যদি তেওঁ চাৰিটা বছৰৰ তিনি বছৰ সম্পূৰ্ণ কৰিছে বা তিনি বছৰ সম্পূৰ্ণ কৰিব বা তেওঁ আসনখন খালী হোৱাৰ ছমাহ আগতে ।

(বি) বিধানসভা সমষ্টিৰ পৰিসৰৰ বাহিৰত এনে বিষয়াসকলক বদলি কৰা হ'ব।

(ক) এই নিৰ্দেশনা বিধানসভা সমষ্টিত চলি থকা উপ-নিৰ্বাচনৰ ৰিটাৰ্ণিং বিষয়া আৰু সহকাৰী ৰিটাৰ্ণিং বিষয়াৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। এই নিৰ্দেশনাই বিধানসভা সমষ্টিৰ পৰিসৰৰ ভিতৰৰ অন্যান্য বিষয়া যেনে— উপায়ুক্ত/সহকাৰী উপায়ুক্ত, মহকুমা দণ্ডাধীশ, ৰাজহ চক্ৰ বিষয়া আৰু খণ্ড উন্নয়ন বিষয়াসকলক সামৰি ল'ব। এইটো অৱশ্যে স্পষ্ট কৰিছিল যে, এনে বিষয়া যিসকলক নিৰ্বাচনী কাৰ্যত প্ৰত্যক্ষভাৱে জড়িত হৈ থকা ক্ষেত্ৰ বিষয়া হিচাপে নিয়োগ কৰা হৈছে তেওঁলোক এই নিৰ্দেশনাৰ বাহিৰত থাকিব। যিহেতু তেওঁলোকে ক্ষেত্ৰত কৰ্তব্য পালন কৰাৰ বাবে সেই অঞ্চলৰ বিষয়ে সমস্ত জ্ঞানৰ প্ৰয়োজন হ'ব। মুখ্য নিৰ্বাচনী বিষয়া, জিলা নিৰ্বাচন বিষয়া আৰু ৰিটাৰ্ণিং বিষয়াই এইক্ষেত্ৰত নিৰ্বাচনৰ সময়ত তেওঁলোকৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিব আৰু নিশ্চিত কৰিব যে তেওঁলোকে নিয়ম কঠোৰ আৰু নিৰপেক্ষভাৱে সম্পাদন কৰিছে।

(খ) আৰক্ষী বিভাগত থকা বিষয়াসকলৰ ক্ষেত্ৰত নিজা বিধানসভা সমষ্টিৰ পৰিসৰত থকা মহকুমা আৰক্ষীৰ মুৰব্বী, সহকাৰী আৰক্ষী অধীক্ষক/আৰক্ষী চক্ৰ বিষয়া, পৰিদৰ্শক, উপ-পৰিদৰ্শক বা ইয়াৰ সমপদবীৰ বিষয়াৰ ওপৰত এই নিৰ্দেশনাসমূহ প্ৰযোজ্য হ'ব।

(চি) সেই অনুসৰি, বিতং সমীক্ষা মতে এনে বিষয়াসকলক তেওঁলোকৰ বিধানসভা সমষ্টিৰ পৰা ততালিকে বদলি কৰা হ'ব, য'ত তেওঁলোকে ওপৰোক্তভাৱে কোৱা সময় অনুসৰি চাৰি বছৰৰ ভিতৰত তিনি বছৰৰ সময়সীমা সম্পূৰ্ণ কৰিছে। তদুপৰি, নিয়মানুৱৰ্তিতা ৰখাৰ বাবে তিনি বছৰৰ সময়সীমাৰ ক্ষেত্ৰত খালী হৈ থকা পদটোত যোগদান কৰাৰ দিনৰ পৰা অন্তিম ছমাহলৈ গণনা কৰা হ'ব।

(ii) **লোকসভাৰ উপ-নিৰ্বাচন**

(এ) লোকসভাৰ উপ-নিৰ্বাচনৰ সৈতে পোনপটীয়াকৈ এনে কোনো বিষয়াক জড়িত কৰিব নোৱাৰিব, যিয়ে বৰ্তমানে তেওঁৰ সংসদীয় সমষ্টিৰ পৰিধিৰ ভিতৰত নিযুক্ত আছে, তেওঁক কাৰ্যনিৰ্বাহ কৰিবলৈ দিয়া নহ'ব—

(ক) যদি তেওঁ/তাই তেওঁৰ গৃহ সংসদীয় সমষ্টিৰ পৰিসৰৰ ভিতৰত নিযুক্ত আছে;

(খ) যদি তেওঁ চাৰিটা বছৰৰ তিনি বছৰ সম্পূৰ্ণ কৰিছে বা তিনি বছৰ সম্পূৰ্ণ কৰিব বা তেওঁ আসনখন খালী হোৱাৰ ছমাহ আগতে ।

(বি) সংসদীয় সমষ্টিৰ পৰিসৰৰ বাহিৰত এনে বিষয়াসকলক বদলি কৰা হ'ব।

(ক) এই নিৰ্দেশনা সংসদীয় সমষ্টিত চলি থকা উপ-নিৰ্বাচনৰ ৰিটাৰ্ণিং বিষয়া আৰু সহকাৰী ৰিটাৰ্ণিং বিষয়াৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। এই নিৰ্দেশনাই সংসদীয় সমষ্টিৰ পৰিসৰৰ ভিতৰৰ অন্যান্য বিষয়া যেনে— উপায়ুক্ত/সহকাৰী উপায়ুক্ত, মহকুমা দণ্ডাধীশ, ৰাজহ চক্ৰ বিষয়া আৰু খণ্ড উন্নয়ন বিষয়াসকলক সামৰি ল'ব। এইটো অৱশ্যে স্পষ্ট কৰিছিল যে, এনে বিষয়া যিসকলক নিৰ্বাচনী কাৰ্যত প্ৰত্যক্ষভাৱে জড়িত হৈ থকা ক্ষেত্ৰ বিষয়া হিচাপে নিয়োগ কৰা হৈছে তেওঁলোক এই নিৰ্দেশনাৰ বাহিৰত থাকিব। যিহেতু তেওঁলোকে ক্ষেত্ৰত কৰ্তব্য পালন কৰাৰ বাবে সেই অঞ্চলৰ বিষয়ে সমস্ত জ্ঞানৰ প্ৰয়োজন হ'ব। মুখ্য নিৰ্বাচনী বিষয়া, জিলা নিৰ্বাচন বিষয়া আৰু ৰিটাৰ্ণিং বিষয়াই এইক্ষেত্ৰত নিৰ্বাচনৰ সময়ত তেওঁলোকৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিব আৰু নিশ্চিত কৰিব যে তেওঁলোকে নিয়ম কঠোৰ আৰু নিৰপেক্ষভাৱে সম্পাদন কৰিছে।

(খ) আৰক্ষী বিভাগত থকা বিষয়াসকলৰ ক্ষেত্ৰত নিজা সংসদীয় সমষ্টিৰ পৰিসৰত থকা মহকুমা আৰক্ষীৰ মুৰব্বী, সহকাৰী আৰক্ষী অধীক্ষক/আৰক্ষী চক্ৰ বিষয়া, পৰিদৰ্শক, উপ-পৰিদৰ্শক বা ইয়াৰ সমপদবীৰ বিষয়াৰ ওপৰত এই নিৰ্দেশনাসমূহ প্ৰযোজ্য হ'ব।

(চি) সেই অনুসৰি, বিতং সমীক্ষা মতে এনে বিষয়াসকলক তেওঁলোকৰ সংসদীয় সমষ্টিৰ পৰা ততালিকে বদলি কৰা হ'ব, য'ত তেওঁলোকে ওপৰোক্তভাৱে কোৱা সময় অনুসৰি চাৰি বছৰৰ ভিতৰত তিনি বছৰৰ সময়সীমা সম্পূৰ্ণ কৰিছে। তদুপৰি, নিয়মানুৱৰ্তিতা ৰখাৰ বাবে তিনি বছৰৰ সময়সীমাৰ ক্ষেত্ৰত খালী হৈ থকা পদটোত যোগদান কৰাৰ দিনৰ পৰা অন্তিম ছমাহলৈ গণনা কৰা হ'ব।

২০.৯.২ সাধাৰণতে, এখন আসন খালী হোৱা ছমাহৰ ভিতৰত নৈমিত্তিকভাৱে খালী আসনখন পূৰণ কৰিবলৈ উপ-নিৰ্বাচন অনুষ্ঠিত হয় (নিৰ্বাচন আয়োগৰ নিয়ন্ত্ৰণৰ মাজেৰে)। সেয়েহে, পৰামৰ্শ দিয়া হৈছে যে, যদি ৰাজ্য চৰকাৰে আসনখন খালী হোৱাৰ লগে লগে নিয়মাৱলীসমূহ সমষ্টিটোত বলৱৎ কৰিব বিচাৰি অন্তিম মুহূৰ্তত কৰিব খোজা বিষয়াসকলৰ বদলিণ কাৰ্য পৰিহাৰ কৰিব লাগিব।

২০.৯.৩ নিৰ্বাচন আয়োগে পূৰ্বতে অভিযোগ লাভ কৰিছিল যে, ৰাজ্য চৰকাৰে ওপৰোক্ত নিৰ্দেশনাসমূহেৰে যিসকল বিষয়াক বদলি কৰে সেইসকল ব্যক্তিয়ে নিযুক্ত হৈ থকা জিলা বা স্থানৰ পৰা ওলাই যাব নোখোজে, য'লৈ তেওঁলোকক বদলি কৰা হৈছে আৰু বিভিন্ন অজুহাতেৰে ছুটী আদিও লৈ সেই স্থানতে থাকিব বিচাৰে। নিৰ্বাচন আয়োগে এই গুৰুত্বপূৰ্ণ বিষয়ত গভীৰভাৱে বিবেচনা কৰিছে আৰু এনে বিষয়াসকল, যাক বদলি কৰা হৈছে কিন্তু তেওঁলোকে বিভিন্ন অজুহাতেৰে সেই স্থানতে আছে, তেওঁলোকক তুৰন্তে বদলিৰ আদেশ লৈ শাৰীৰিকভাৱে জিলাৰ পৰা যাবলৈ কোৱা হৈছে।

২০.৯.৪ নিৰ্বাচন আয়োগে যিকোনো বিষয়া পৰৱৰ্তী ছয় মাহৰ ভিতৰত অৱসৰ গ্ৰহণ কৰিব, তেওঁলোকক ওপৰোক্ত নিৰ্দেশনাৰ আওতাৰ পৰা ৰেহাই দিয়া হৈছে। তদুপৰি, বিষয়াসকল যিসকল তিনি বছৰৰ এটা স্থানতে আছে তেওঁলোকক নিৰ্বাচনী কাৰ্য সম্পাদনত দায়িত্ব দিব নোৱাৰিব। লগতে যিসকলে ছমাহৰ ভিতৰত অৱসৰ গ্ৰহণ কৰিব তেওঁলোককো দায়িত্ব দিব নোৱাৰিব। ২০.৯.৫ যিসকল বিষয়াৰ বিৰুদ্ধে নিৰ্বাচন আয়োগে শাস্তিমূলক পদক্ষেপ বা যিকোনো অভিযোগ আৰোপ কৰা হৈছে বা নিৰ্বাচন সম্পৰ্কীয় কাম ত্ৰুটিপূৰ্ণভাৱে সম্পাদন কৰা বিষয়াসকলক নিৰ্বাচন সম্বন্ধীয় কামত জড়িত কৰিব নোৱাৰিব।

২০.৯.৬ নিৰ্বাচন আয়োগে আৰু ইচ্ছা প্ৰকাশ কৰে যে নিৰ্বাচনৰ কৰ্তব্যত এনে কোনো বিষয়াক দায়িত্ব দিয়া নহয়, যাৰ বিৰুদ্ধে আদালতত যিকোনো অপৰাধমূলক গোচৰ স্থগিত হৈ আছে বা গোচৰৰ সৈতে জড়িত আছে।

২০.৯.৭ নিৰ্দেশনাসমূহৰ প্ৰযোজ্যতা ঃ ওপৰোক্ত নিৰ্দেশনাসমূহ সংশ্লিষ্ট বিধানসভা/সংসদীয় সমষ্টিত অন্তৰ্গত অঞ্চলসমূহত প্ৰযোজ্য কৰা হ'ব। জিলা নিৰ্বাচন বিষয়া/ৰিটাৰ্ণিং বিষয়াই নিশ্চিত কৰিব লাগিব যে নিৰ্বাচন আয়োগৰ বদলিকৰণৰ সকলো নীতি অনুসৰি সমষ্টিৰ বাহিৰৰ যিকোনো বিষয়াকহে নিৰ্বাচন সম্পৰ্কীয় কৰ্তব্যত নিয়োগ কৰা হৈছে।

*******

## অধ্যায় ২১

# দ্বি-বাৰ্ষিক নিৰ্বাচনৰ সময়ত আদৰ্শ আচৰণ বিধি

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ**

- মন্ত্ৰীসকলৰ ভ্ৰমণ আৰু নতুন আঁচনি ঘোষণাত সীমাবদ্ধতা
- বাহন ব্যৱহাৰত সীমাবদ্ধতা
- মন্ত্ৰীৰ ভ্ৰমণৰ ৰেকৰ্ডিং
- চৰকাৰী বিষয়াৰ সৈতে বৈঠক
- চৰকাৰী বিষয়াসকলৰ বদলিত নিষেধাজ্ঞা
- ময়দান/হেলিপেডৰ ব্যৱহাৰ
- চৰকাৰী ডাক বাংলোৰ সুবিধা
- ৪৮ ঘণ্টাৰ সময়সীমাত সমষ্টিত ৰাজনৈতিক কৰ্মকৰ্তাৰ উপস্থিতিত প্ৰতিবন্ধকতা
- সুৰ বিক্ৰীত প্ৰতিবন্ধকতা
- এমচিএমচিৰ নিযুক্তি
- নিৰ্বাচনী প্ৰচাৰৰ সময়ত বাল্ক এছএমএছ আৰু ভইচ মেছেজ

### ২১.১ পাতনি

২১.১.১ নিৰ্বাচন আয়োগ সংশ্লিষ্ট সমষ্টিত বিধান পৰিষদৰ নিৰ্বাচনৰ বাবে আদৰ্শ আচৰণ বিধি বলবৎ কৰি স্নাতক শিক্ষক আৰু স্থানীয় প্ৰশাসনৰ কৰ্তৃপক্ষক আওতাত আনিছিল। আনকি ২০১০ চনত, কৰ্ণাটক বিধান পৰিষদলৈ নিৰ্বাচনত নিৰ্বাচনী আয়োগে দুজন ভাৰতীয় জনতা পাৰ্টিৰ নেতা, যিয়ে মহাবিদ্যালয়ৰ চৌহদত উপযুক্ত অনুমতি অবিহনে প্ৰচাৰ কাৰ্যত জড়িত আছিল তেওঁলোকক ভৎৰ্সনা কৰিছিল। অৱশ্যে, এনে নিৰ্বাচনত আদৰ্শ আচৰণ বিধিৰ প্ৰযোজ্যতা সন্দৰ্ভত এক স্পষ্ট নিৰ্দেশনাৰ অভাৱ আছিল।

২১.১.২ পৰিষদীয় নিৰ্বাচনসমূহত আদৰ্শ আচৰণ বিধিৰ বলৱতৰ প্ৰয়োজনীয়তা সন্দৰ্ভত পৰ্যবেক্ষণ আৰু পৰামৰ্শৰ বাবে নিৰ্বাচন আয়োগে এটা কাৰ্যকৰী গোট গঠন কৰিছিল। এই কাৰ্যকৰী গোটটোৰ পৰা লাভ কৰা প্ৰতিবেদন আৰু এই সন্দৰ্ভত সকলো তথ্য চালি-জাৰি চাই ২০১৬ চনৰ ডিচেম্বৰত নিৰ্বাচন আয়োগে সিদ্ধান্ত লৈছিল যে, ৰাজ্যিক বিধান পৰিষদৰ বাবে স্নাতক শিক্ষকৰ বাবে নিৰ্ধাৰিত সমষ্টিৰ লগতে স্থানীয় প্ৰতিপক্ষৰ সমষ্টিত দ্বি-বাৰ্ষিক নিৰ্বাচনৰ সময়ত সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসকলৰ বাবে আদৰ্শ আচৰণ বিধি আৰু ইয়াৰ বাবে *'মুটাটিছ মুটানডিছ'* প্ৰযোজ্য হ'ব। একেদৰে, এনে নিৰ্বাচনত আদৰ্শ আচৰণ বিধিৰ প্ৰদত্ত নিৰ্দেশনাসমূহৰ

বাবে সময়ে সময়ে নিৰ্বাচনী আয়োগে বিভিন্ন নিৰ্দেশনা প্ৰদান কৰিব (নিৰ্বাচন ঘোষণাৰ পৰা নিৰ্বাচন সমাপ্ত হোৱাৰ দিনলৈ)।

## ২১.২ সংকুলিত নিৰ্দেশনা (পৰিশিষ্ট XXI)

২১.২.১ **মন্ত্ৰীসকলৰ ভ্ৰমণ আৰু নতুন আঁচনি ঘোষণাত সীমাবদ্ধতা ঃ** পৰিষদীয় নিৰ্বাচনৰ বাবে দ্বি-বাৰ্ষিক/উপ-নিৰ্বাচনৰ সময়ত যিকোনো জিলাত কেন্দ্ৰ বা ৰাজ্য চৰকাৰৰ মন্ত্ৰীসকলৰ ভ্ৰমণৰ ক্ষেত্ৰত নিম্ন উল্লেখিত চৰ্তসমূহ প্ৰযোজ্য হ'ব—

(i) চৰকাৰী ভ্ৰমণ নিৰ্বাচন সম্পৰ্কীয় কাম বা ভ্ৰমণৰ সৈতে জড়িত হ'ব নোৱাৰিব।

(ii) যিকোনো নতুন আঁচনিৰ কৰ্মসূচী/নীতি ঘোষণা কৰিব নোৱাৰিব, যিয়ে স্নাতক শিক্ষক আৰু স্থানীয় কৰ্তৃপক্ষক প্ৰভাৱিত কৰে যিসকল পৰিষদৰ নিৰ্বাচনত ভোটাৰ হিচাপে চিহ্নিত।

(iii) কোনো ধৰণৰ নীতি/কৰ্মসূচী ঘোষণা কৰিব নোৱাৰিব, যিয়ে প্ৰত্যক্ষ বা পৰোক্ষভাৱে ভোটাৰসকলক প্ৰভাৱান্বিত কৰে, এয়া নিৰ্বাচন সম্পূৰ্ণ নোহোৱালৈকে চৰকাৰী বিভাগসমূহৰ দায়িত্ব।

(iv) স্নাতক আৰু শিক্ষক সমষ্টিত কোনো শৈক্ষিক প্ৰতিষ্ঠান উদ্‌ঘাটন/আধাৰশিলা স্থাপন কাৰ্য সম্পাদন হ'ব নোৱাৰে।

(v) এমপি/এমএলএ/এমএলচিৰ আঁচনিৰ অধীনত কোনো আইটি প্লেটফৰ্ম ব্যৱহাৰ কৰি নতুন আঁচনিৰ কাম কৰিব নোৱাৰিব, যিয়ে ভোটাৰসকলক আকৰ্ষিত কৰে।

(স্পষ্টীকৰণ ঃ এয়া স্পষ্ট কৰা হৈছে যে, পুঁজি, বিত্তীয় অনুদান ঘোষণা, যিকোনো প্ৰকল্পৰ আধাৰশিলা স্থাপন, ৰাস্তা/খোৱাপানী যোগানৰ নলী-নাদৰ নিৰ্মাণৰ প্ৰতিশ্ৰুতি, নিযুক্তি আদিৰ ক্ষেত্ৰত আদৰ্শ আচৰণ বিধি বলৱৎ থাকিব আৰু এনে কৰিলে ইয়াৰ অংশ (VII) ৰ অনুচ্ছেদ (v) আৰু (vi) ৰ উলংঘা কৰা হ'ব আৰু ই স্নাতক/শিক্ষক/স্থানীয় কৰ্তৃপক্ষৰ সমষ্টিসমূহত প্ৰযোজ্য হ'ব, য'ত নিৰ্বাচন অনুষ্ঠিত হ'ব)।

২১.২.২ নিৰ্বাচন চলি থকাৰ সময়ত হোটেল/ৰিজ'ৰ্টত ভোটদাতাক ৰখা বা অন্যান্য এনেধৰণৰ কাৰ্যত ভোটাৰক উৎকোচ দিয়া হিচাপে বিবেচনা কৰা হ'ব।

**২১.২.৩ বাহন ব্যৱহাৰত সীমাবদ্ধতা**

(i) সংসদ/বিধানসভা নিৰ্বাচনৰ দৰেই পৰিষদীয় নিৰ্বাচনৰ সময়ত প্ৰচাৰ কাৰ্যত ব্যৱহৃত কনভয় বাহনৰ ব্যৱহাৰৰ ওপৰত সীমাবদ্ধতা থাকিব।

(ii) মন্ত্ৰীৰ সমষ্টিলৈ ভ্ৰমণৰ সময়ত কোনো পাইলট বাহন বা বাহন, য'ত ৰংচঙীয়া লাইট লগোৱা হয় আৰু 'চাইৰেন' থাকে, তেনে বাহন উপ-নিৰ্বাচন অনুষ্ঠিত হোৱা জিলাত ব্যৱহাৰ হ'ব নোৱাৰিব আৰু যদি প্ৰয়োজন হয় জিলা প্ৰশাসনে তেওঁক ভ্ৰমণৰ সময়ত সশস্ত্ৰ নিৰাপত্তা প্ৰদান কৰিব।

(iii) কেন্দ্ৰীয় আৰু ৰাজ্যিক মন্ত্ৰীসকলৰ আনুষ্ঠানিক ভ্ৰমণৰ ক্ষেত্ৰত প্ৰতিবন্ধকতা থাকিব আৰু চৰকাৰী বাহন ব্যৱহাৰ কৰিব নোৱাৰিব লগতে পৌৰ সভাৰ মেয়ৰ, পৌৰ পৰিষদৰ সভাপতি, জিলা পৰিষদৰ সভাপতিৰ অফিচ বিয়েৰাৰৰ ক্ষেত্ৰতো এই প্ৰতিবন্ধকতা প্ৰযোজ্য থাকিব। মাত্ৰ চৰকাৰী বাহনসমূহ তেওঁলোকে কাৰ্যালয়ৰ পৰা গৃহলৈ অহাৰ ক্ষেত্ৰতহে ব্যৱহাৰ কৰিব পাৰিব।

**২১.২.৪ মন্ত্ৰীৰ ভ্ৰমণৰ ৰেকৰ্ডিং**

দ্বি-বাৰ্ষিক নিৰ্বাচন অনুষ্ঠিত হৈ থকা সমষ্টিত মন্ত্ৰীসকল/গণ্যমান্য ৰাজনৈতিক ব্যক্তিৰ ভ্ৰমণ আৰু ৰাজহুৱা সভাৰ বাবে উপযুক্ত ৰেকৰ্ডিঙৰ ব্যৱস্থা কৰা হ'ব। সেই উদ্দেশ্যে, জিলা নিৰ্বাচন বিষয়া/ৰিটাৰ্ণিং বিষয়াই নিৰ্বাচনী আয়োগৰ পৰ্যবেক্ষকে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ পৰামৰ্শ অনুযায়ী যদি প্ৰয়োজন হয়, প্ৰত্যেক ৰাজহ চক্ৰত এটা বিশেষ ভিডিঅ' দল নিয়োগ কৰিব। পৰ্যবেক্ষকজনে প্ৰতিদিনে সন্ধিয়া ভিডিঅ' ৰেকৰ্ডিংসমূহ চাব, যাতে বিধি উলংঘাৰ প্ৰতিবেদন (যদি আছে) নিৰ্দিষ্ট ফৰ্মেটত নিৰ্বাচনী আয়োগক দাখিল কৰিব পাৰে।

**২১.২.৫ চৰকাৰী বিষয়াৰ সৈতে বৈঠক**

(i) দ্বি-বাৰ্ষিক/উপ-নিৰ্বাচনৰ কামত জড়িত জিলাসমূহৰ বিষয়াক অন্য জিলাত, য'ত নিৰ্বাচন অনুষ্ঠিত হোৱা নাই, মন্ত্ৰীসকলে অনুষ্ঠিত কৰা বৈঠকত উপস্থিত থাকিবলৈ মাতিব নোৱাৰিব।

(ii) যদি কোনো বিষয়াই নিৰ্বাচন অনুষ্ঠিত হৈ থকা সমষ্টিত মন্ত্ৰীৰ ব্যক্তিগত ভ্ৰমণৰ সময়ত সাক্ষাৎ কৰে তেন্তে তেওঁৰ এই কাৰ্য প্ৰাসংগিক সেৱা নিয়মৰ অধীনত দোষী হিচাপে ধৰা হ'ব আৰু এয়া যদি হয়, পিপ'ল আইন ১৯৫১ৰ ধাৰা ১২৯(১) অনুসৰি দণ্ডণীয় হ'ব আৰু তেওঁৰ বিৰুদ্ধে যিকোনো শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(iii) স্থানীয় কৰ্তৃপক্ষ যি নিৰ্বাচন অনুষ্ঠিত হোৱা স্থানীয় কৰ্তৃপক্ষৰ সমষ্টিৰ ভোটাৰ হয় তেওঁসকলক মন্ত্ৰীয়ে অনুষ্ঠিত কৰা সভা/ভিডিঅ'

কনফাৰেন্সত মাতিব নোৱাৰিব (মন্ত্ৰী হিচাপে তেওঁৰ ক্ষমতাৰ অধীনৰ)। জিলা নিৰ্বাচনী বিষয়াৰ অনুমতি সাপেক্ষে যদি প্ৰয়োজন হয় স্থানীয় নিকায়ৰ নিয়মিত বৈঠকসমূহ অনুষ্ঠিত হ'ব পাৰে।

২১.২.৬ **চৰকাৰী বিষয়াসকলৰ বদলিত নিষেধাজ্ঞা ঃ** ৰাজ্যিক বিধান পৰিষদৰ দ্বি-বাৰ্ষিক নিৰ্বাচন/উপ-নিৰ্বাচন ঘোষণা আৰু সমাপ্ত নোহোৱালৈকে ৰিটাৰ্ণিং বিষয়া আৰু সহকাৰী ৰিটাৰ্ণিং বিষয়াসকলৰ বদলি সম্পূৰ্ণভাৱে নিষিদ্ধ। যদি এনে বিষয়াৰ ক্ষেত্ৰত নিৰ্বাচন ঘোষণাৰ পূৰ্বেও বদলিৰ নিৰ্দেশ দিয়া হৈছিল, কিন্তু এতিয়ালৈকে ৰূপায়ন হোৱা নাই, সেইসমূহ তেতিয়া কাৰ্যকৰী নহ'ব, এইক্ষেত্ৰত নিৰ্বাচনী আয়োগৰ অনুমতি অবিহনে বদলি কৰিব নোৱাৰিব। আনহাতে, প্ৰশাসনিক যন্ত্ৰ চলাই নিয়াৰ বাবে যদি এনে বিষয়াৰ বদলি প্ৰয়োজনীয় হয়, ৰাজ্য চৰকাৰে সম্পূৰ্ণ যুক্তিসংগত কাৰণ আৰু নিয়ম-নীতিৰে নিৰ্বাচন আয়োগৰ ওচৰত প্ৰয়োজনীয় অনুমতিৰ বাবে কাষ চাপিব পাৰিব।

২১.২.৭ **ময়দান/হেলিপেডৰ ব্যৱহাৰ ঃ** ৰাজহুৱা স্থান যেনে— ময়দান ইত্যাদিত নিৰ্বাচনৰ সৈতে জড়িত নিৰ্বাচনী সভা আৰু হেলিকপ্টাৰ/বিমান অৱতৰণৰ বাবে হেলিপেড হিচাপে ব্যৱহাৰৰ ক্ষেত্ৰত ক্ষমতাত থকা দলে একচেটিয়াভাৱে ব্যৱহাৰ কৰিব নোৱাৰিব। অন্যান্য দল আৰু প্ৰাৰ্থীসকলৰ বাবেও সমানভাৱে ইয়াক ব্যৱহাৰ কৰিবলৈ অনুমতি দিব লাগিব আৰু যিয়ে প্ৰথমে আহিব তেওঁলোকক অগ্ৰাধিকাৰ দিয়া হ'ব।

২১.২.৮ **চৰকাৰী ডাক বাংলোৰ সুবিধা ঃ** আদৰ্শ আচৰণ বিধিয়ে কয় যে, চৰকাৰী আৱৰ্ত ভৱন/ডাক বাংলো বা চৰকাৰী থকা-খোৱাযুক্ত সুবিধা থকা ব্যৱস্থাসমূহত ক্ষমতাত থকা দল বা ইয়াৰ প্ৰাৰ্থীয়ে একচেটিয়া প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। *(ইয়াত বিশ্ৰাম ঘৰ, ডাক বাংলো বা অন্যান্য চৰকাৰী থকা-খোৱাৰ সুবিধাযুক্ত অতিথিশালা আৰু চৰকাৰী সাহায্যত চলা এনে প্ৰতিষ্ঠান)।*

২১.২.৯ **৪৮ ঘণ্টাৰ সময়সীমাত সমষ্টিত ৰাজনৈতিক কৰ্মকৰ্তাৰ উপস্থিতিত প্ৰতিবন্ধকতা ঃ** নিৰ্বাচনী প্ৰচাৰ সমাপ্ত হোৱাৰ পিছৰে পৰা সমষ্টিটোত ভোটদানৰ দিনৰ মাজৰ ৪৮ঘণ্টাৰ ম্যাদত ৰাজনৈতিক দলৰ কৰ্মকৰ্তাসকলে থাকিব নোৱাৰিব। এই বিধি পৰিষদীয় নিৰ্বাচনৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব।

২১.২.১০ **সুৰা বিক্ৰীত প্ৰতিবন্ধকতা ঃ** পিপ'ল আইন ১৯৫১ৰ ধাৰা ২৯ অনুসৰি আৰু নিৰ্বাচন আচৰণ নিয়ম, ১৯৬১ৰ ৬৯নং নিয়ম অনুসৰি ৰাজ্যিক পৰিষদ আৰু ৰাজ্যিক বিধান পৰিষদৰ নিৰ্বাচন, যি বিধায়কসকলৰ দ্বাৰা হয়, ভোটদানৰ দিনা

ধাৰা ১৩৫ (চি) অনুসৰি এনে অঞ্চলত 'ড্ৰাই ডে' ঘোষণা কৰিব লাগে।
*(স্পষ্টীকৰণ ঃ পিপ'ল আইন ১৯৫১ৰ ধাৰা ২৫ অনুসৰি ভোটদানৰ অঞ্চল নিৰ্ধাৰণ কৰা হয়, যাক সমষ্টিৰ নিৰ্বাচনৰ ক্ষেত্ৰত যেনে— লোকসভা, বিধানসভা নিৰ্বাচন আৰু বিধান পৰিষদৰ স্নাতক শিক্ষক, স্থানীয় সংস্থাসমূহৰ সমষ্টিৰ নিৰ্বাচনৰ ক্ষেত্ৰতো বলৱৎ কৰা হয়)।*

২১.২.১১ মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে ধনৰ শক্তিশালী ভূমিকাৰ ওপৰতো চোকা নজৰ ৰাখিব লাগে। বিশেষকৈ, পৰিষদৰ বাবে দ্বি-বাৰ্ষিক/উপ-নিৰ্বাচনৰ সময়ত ক'লা ধনৰ সৰবৰাহৰ ক্ষেত্ৰত নজৰ দিব লাগে। ইয়াৰ বাবে ২৯.০৫.২০১৫ তাৰিখত জাৰি কৰা ষ্টেণ্ডিং অপাৰেটিং প্ৰছিডিঅ'ৰ (এছঅ'পি) অনুসৰি ৰাজ্যিক স্থায়ী নিৰীক্ষণ দল নিয়োগ কৰিব লাগে।

**২১.২.১২ এমচিএমচিৰ নিযুক্তি ঃ** নিৰ্বাচনী ব্যয় নিৰীক্ষণৰ নিৰ্দেশনা অনুসৰি, দ্বি-বাৰ্ষিক/উপ-নিৰ্বাচন ঘোষণা কৰাৰ পিছতে ৰাজ্য আৰু জিলা মিডিয়া প্ৰমাণপত্ৰ আৰু নিৰীক্ষণ কমিটী (এমচিএমচি) নিয়োগ কৰিব লাগিব, যাতে নিৰ্বাচনৰ বিজ্ঞাপনৰ ক্ষেত্ৰত আগতীয়া প্ৰমাণপত্ৰ জাৰি হয়, বিশেষকৈ টিভি চেনেল/কেব্‌ল নেটৱৰ্ক/ব্যক্তিগত এফএম ৰেডিঅ' চেনেল, চিনেমা হল, ৰাজহুৱা স্থানত প্ৰদৰ্শন কৰা অডিঅ' ভিজুৱেল, ছ'চিয়েল মিডিয়া আদিৰ বাবে আগতীয়াকৈ প্ৰমাণপত্ৰ দিয়া আৰু প্ৰচাৰৰ সময়ত ৰাজনৈতিক নেতাসকলৰ ৰাজহুৱা আচৰণ নিৰীক্ষণ কৰা হয়।

**২১.২.১৩ নিৰ্বাচনী প্ৰচাৰৰ সময়ত বাল্ক এছএমএছ আৰু ভইচ মেছেজ ঃ** নিৰ্বাচনী প্ৰচাৰ অভিযানৰ সময়ত মোবাইলত প্ৰচাৰ কৰা বাল্ক এছএমএছ/ভইচ মেচেজসমূহকো নিৰ্বাচনী বিজ্ঞাপনৰ অধীনত চালি-জাৰি চোৱা হ'ব আৰু আগতীয়া প্ৰমাণিত কৰা হ'ব, যাতে টিভি চেনেল/কেব্‌ল নেটৱৰ্ক/ব্যক্তিগত এফএম ৰেডিঅ' চেনেল, চিনেমা হল, ৰাজহুৱা স্থানত প্ৰদৰ্শন কৰা অডিঅ' ভিজুৱেল, ছ'চিয়েল মিডিয়াত প্ৰদৰ্শন কৰাত ত্ৰুটি নাথাকে। এনে বাল্ক এছএমএছ/ভইচ মেচেজৰ ক্ষেত্ৰত যদি কোনো বিসংগতি থাকে তেন্তে আইনী ব্যৱস্থা প্ৰয়োগ কৰিব পাৰে।

******

# অধ্যায় ২২

# অন্যান্য

**অধ্যায়ত আলোচনা কৰা মুখ্য বিষয়সমূহ ঃ**

- অতিথিশালাৰ ব্যৱহাৰ
- গুৰুত্বপূৰ্ণ দিন উদ্‌যাপনত ৰাজনৈতিক কৰ্মকৰ্তাৰ অংশগ্ৰহণ
- নিৰ্বাচনৰ সময়ত ধৰ্মীয় অনুষ্ঠানৰ উপবাস ৰখা/ভোজন
- অস্থায়ী প্ৰচাৰ কাৰ্যালয়
- নিৰ্বাচনী কাৰ্যত জন্তুৰ ব্যৱহাৰ
- গুৰুত্বপূৰ্ণ নিবিদা আৰু নিলাম

  — সুৰাৰ বিপণী/পাণ আদিৰ সন্দৰ্ভত
- প্ৰতিৰক্ষা বিষয়ত আদৰ্শ আচৰণ বিধিৰ প্ৰযোজ্যতা
- নিৰ্বাচন সম্বন্ধীয় কাম-কাজত শিশু শ্ৰমিকক নিয়োগ
- প্ৰচাৰ কাৰ্যত প্লাষ্টিক সামগ্ৰী ব্যৱহাৰত প্ৰতিবন্ধকতা

## ২২.১ অতিথিশালাৰ ব্যৱহাৰ

২২.১.১ আদৰ্শ আচৰণ বিধি অনুসৰি, চৰকাৰী আশ্ৰয় গৃহ, ডাক বাংলো, চৰকাৰী থকা-খোৱাযুক্ত সুবিধা থকা ব্যৱস্থাসমূহত ক্ষমতাত থকা দল বা ইয়াৰ প্ৰাৰ্থীয়ে একচেটিয়া প্ৰভাৱ বিস্তাৰ কৰাৰ অনুমতি নাথাকিব আৰু অন্যান্য দল আৰু প্ৰাৰ্থীক নিৰপেক্ষভাৱে ইয়াক ব্যৱহাৰ কৰাৰ অনুমতি দিব লাগিব। কোনো দল বা প্ৰাৰ্থীয়ে এনে সুবিধাসমূহক প্ৰচাৰ কাৰ্যালয় বা নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে অনুষ্ঠিত কৰা ৰাজহুৱা সভাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব নোৱাৰিব।

২২.১.২ নিৰ্বাচন আয়োগে লক্ষ্য কৰিছে যে, আৱৰ্ত ভৱন/ডাক বাংলোসমূহ (থকা আৰু খোৱা) কৰ্মকৰ্তাসকলৰ ভ্ৰমণৰ সময়ত সাময়িকভাৱে কেৱল অস্থায়ীভাৱে থকাৰ ক্ষেত্ৰত ব্যৱহাৰ হ'ব আৰু স্থায়ীভাৱে এইসমূহ ব্যৱহাৰত প্ৰতিবন্ধকতা থাকিব। নিৰ্বাচন আয়োগে নিৰ্দেশনা দিছে যে ঃ

(i) চৰকাৰী অতিথিশালাত ৰাজনৈতিক দলৰ সদস্যসকলৰ অনানুষ্ঠানিক বৈঠকতো অনুমতি দিয়া নহ'ব আৰু যদি সেয়া হয় ইয়াত আদৰ্শ আচৰণ বিধি ভংগ কৰা হ'ব বুলি গণ্য কৰা হ'ব।

(ii) মাত্ৰ এখনহে গাড়ী, যিখনে ব্যক্তিজনক কঢ়িয়াই আনিছে (দুখন অন্য বাহনৰ অধিক হ'ব নোৱাৰে) অতিথিশালাত ৰাখিব পাৰিব, সেইখনকহে অতিথিশালাৰ চৌহদত প্ৰৱেশ কৰিবলৈ অনুমতি দিয়া হ'ব।

(iii) এজন ব্যক্তিক ৪৮ ঘণ্টাতকৈ অধিক সময় এনে কোঠা প্ৰদান কৰা নহ'ব।

২২.১.৩ ভোটগ্ৰহণ বা পুনৰ নিৰ্বাচনৰ ৪৮ ঘণ্টা আগত এনে সুবিধাৰ আৱণ্টন বন্ধ কৰিব লাগিব।

২২.১.৪ ২০০৬ চনৰ এপ্ৰিলত বিভিন্ন ৰাজনৈতিক দল, ৰাজ্য চৰকাৰৰ অনুৰোধ সাপেক্ষে নিৰ্বাচন আয়োগে সিদ্ধান্ত লয় যে বিভিন্ন ৰাজ্য চৰকাৰে নিৰাপত্তাজনিত কাৰণত জেড শ্ৰেণীৰ নিৰাপত্তা প্ৰদান কৰা ৰাজনৈতিক কৰ্মকৰ্তাক এনে ৰাজ্য আৰু কেন্দ্ৰৰ চৰকাৰ আৰু ৰাজহুৱা খণ্ডৰ অন্তৰ্গত চৰকাৰী অতিথিশালা, বিশ্ৰাম গৃহ ব্যৱহাৰ কৰাৰ অনুমতি প্ৰদান কৰিব পাৰে। কিন্তু এয়া তেতিয়াহে সম্ভৱ, যেতিয়া ইয়াৰ ব্যৱহাৰৰ সুবিধা পূৰ্বেই নিৰ্বাচনত জড়িত বিষয়া আৰু পৰ্যবেক্ষকসকলক দিয়া হোৱা নাই বুলি নিশ্চিত হয়। এনে চৰকাৰী বা ৰাজহুৱা খণ্ডৰ অধীনৰ অতিথিশালা, বিশ্ৰাম ঘৰত থকাৰ সময়ত ৰাজনৈতিক কৰ্মকৰ্তাসকলে কোনোধৰণৰ ৰাজনৈতিক কাম-কাজ কৰিব নোৱাৰিব।

## ২২.২ গুৰুত্বপূৰ্ণ দিন উদ্‌যাপনত ৰাজনৈতিক কৰ্মকৰ্তাৰ অংশগ্ৰহণ

এই সন্দৰ্ভত নিৰ্বাচন আয়োগে উল্লেখ কৰিছে যে বিশেষ দিনসমূহ যেনে— গণৰাজ্য দিৱস, গান্ধী জয়ন্তী, সদ্ভাৱনা দিৱস, ৰাজ্যিক দিন, আদিৰ ক্ষেত্ৰত অনুষ্ঠিত অনুষ্ঠানত মুখ্যমন্ত্ৰী/মন্ত্ৰীসকলে নিৰ্বাচন চলি থকাৰ সময়তো অংশগ্ৰহণ কৰিব পাৰিব। নিৰ্বাচনী আয়োগে সিদ্ধান্ত লৈছিল যে ৰাজ্যৰ বিভিন্ন স্থানত অনুষ্ঠিত উদ্‌যাপন অনুষ্ঠান বা সন্মানৰ দিনত কেন্দ্ৰীয় মন্ত্ৰী/মুখ্যমন্ত্ৰী/মন্ত্ৰীসকলে অংশগ্ৰহণ কৰাত কোনো আপত্তি নাই, কিন্তু এই সন্দৰ্ভত তলত উল্লেখিত চৰ্ত অনুসৰণ কৰিব লাগিব—

(i) তেওঁলোকৰ ভাষণত, তেওঁলোকে দেশৰ স্বাধীনতা আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদসকলৰ সফলতা সন্দৰ্ভত প্ৰশংসা, ভাৰতীয় ৰাজ্য বা অন্যান্য কাৰণৰ বাবে গৰ্বিত হোৱা প্ৰকাশতে সীমাবদ্ধ থাকিব লাগিব। কোনো পৰিস্থিতিতে এনে কৰ্মকৰ্তাসকলে উক্ত স্থানত ৰাজনৈতিক প্ৰচাৰৰ কেন্দ্ৰ হিচাপে পৰিগণিত কৰিব নোৱাৰিব।

(ii) কোনো কেন্দ্ৰীয় মন্ত্ৰী/মন্ত্ৰী বা অন্যান্য ৰাজনৈতিক কৰ্মকৰ্তা, প্ৰাক্তন সাংসদে তেওঁলোকে প্ৰাৰ্থিত্ব আগবঢ়োৱা সমষ্টি বা গৃহ জিলাৰ যিকোনো স্থানত অনুষ্ঠিত এনে অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকিব নোৱাৰে। প্ৰধামন্ত্ৰী, মুখ্যমন্ত্ৰীয়ে অৱশ্যে দেশৰ ৰাজধানী বা ৰাজ্যৰ ৰাজধানীত অনুষ্ঠিত এনে কাৰ্যসূচীত দীৰ্ঘসময়লৈকে উপস্থিত থাকিব পাৰে।

(iii) এনে উদ্‌যাপনত মন্ত্ৰী/ৰাজনৈতিক কৰ্মকৰ্তাৰ ফটো থাকিব নোৱাৰে।

(iv) স্বাধীনতা দিৱস উপলক্ষে আয়োজিত ৰাজ্যত কবি সন্মিলন, মুছাইৰা বা অন্যান্য

সাংস্কৃতিক অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী/মুখ্যমন্ত্ৰী/মন্ত্ৰীসকল বা অন্য ৰাজনৈতিক কৰ্মকৰ্তাৰ উপস্থিতিত ক্ষেত্ৰত কোনো আপত্তি নাই। অৱশ্যে, সাৱধানতাৰে সেয়া সুনিশ্চিত কৰিব লাগিব যে, এনে অনুষ্ঠানত ক্ষমতাত থকা দলটোৰ সফলতাৰ বিষয়ে কোনো ৰাজনৈতিক ভাষণ দিয়া নহয়।

(v) নিৰ্বাচন আয়োগে আৰু সিদ্ধান্ত লৈছিল যে, ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত অনুষ্ঠিত সম্বৰ্ধনা সমাৰোহ আৰু স্বাধীনতা সংগ্ৰামী তাম্ৰপত্ৰ বিতৰণৰ দৰে কাৰ্যসূচী পূৰ্বৰ দৰেই অনুষ্ঠিত হ'ব।

## ২২.৩ নিৰ্বাচনৰ সময়ত ধৰ্মীয় অনুষ্ঠানৰ উপবাস ৰখা/ ভোজন

১৯৯৮ চনত বিহাৰৰ পৰা নিৰ্বাচনী আয়োগে প্ৰসংগ লাভ কৰিছিল যে, য'ত মুখ্যমন্ত্ৰীয়ে ১০,০০০জন লোকক আমন্ত্ৰণ কৰি ৰাজ্যৰ ৰাজকোষৰ ধনেৰে ইফ্‌তাৰ পাৰ্টি আয়োজন কৰিব পাৰিব নে নাই, তাক লৈ স্পষ্টীকৰণ বিচৰা হৈছিল। এয়া জনোৱা হৈছিল যে, ৰাজ্যৰ ৰাজকোষৰ ধনেৰে নিৰ্বাচনৰ সময়ত এনে ধৰ্মীয় অনুষ্ঠান আয়োজন কৰাটো নীতিবৰ্হিঃভূত, এনে ক্ষেত্ৰত ব্যক্তিজনে তেওঁৰ ব্যক্তিগত ধনেৰে এনে ভোজন অনুষ্ঠিত কৰাত কোনো বাধা নাথাকিব।

## ২২.৪ অস্থায়ী প্ৰচাৰ কাৰ্যালয়

ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ বাবে অস্থায়ী প্ৰচাৰ কাৰ্যালয় স্থাপনৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগে নিম্নলিখিত নিৰ্দেশনাসমূহ প্ৰদান কৰিছে—

(i) এনে কোনো কাৰ্যালয় ৰাজহুৱা বা ব্যক্তিগত সম্পত্তিৰ পথত সাজিব নোৱাৰিব।

(ii) কোনো ধৰ্মীয় অঞ্চলত বা ধৰ্মীয় অনুষ্ঠানৰ চৌহদত এনে কাৰ্যালয় স্থাপন কৰিব নোৱাৰিব।

(iii) কোনো শৈক্ষিক প্ৰতিষ্ঠান/চিকিৎসালয়ৰ কাষত এনে কাৰ্যালয় স্থাপন কৰিব নোৱাৰিব।

(iv) ভোটকেন্দ্ৰৰ ২০০ মিটাৰৰ ব্যৱধানত এনে কাৰ্যালয় স্থাপন কৰিব নোৱাৰিব।

(v) দলীয় প্ৰতীক আৰু ছবি থকা মাত্ৰ এখনহে পতাকা আৰু বেনাৰ এনে কাৰ্যালয়ত প্ৰদৰ্শন কৰিব পাৰিব।

(vi) বেনাৰ/হৰ্ডিং ইত্যাদিৰ আকাৰৰ সন্দৰ্ভত থকা স্থানীয় আইনৰ চৰ্ত অনুসৰি এনে কাৰ্যালয়ত লগোৱা বেনাৰ ৪ × ৮ ফুটৰ অধিক হ'ব নোৱাৰিব। আকাৰৰ ক্ষেত্ৰত স্থানীয় আইন প্ৰযোজ্য হ'ব।

(vii) ব্যয় পৰ্যবেক্ষকে এনে কাৰ্যালয়ৰ বাবে হোৱা ব্যয়ৰ ক্ষেত্ৰত চোকা নজৰ ৰাখিব আৰু নিশ্চিত কৰিব যে এনে ব্যয়সমূহ প্ৰাৰ্থীগৰাকীৰ হিচাপত সংযোজন কৰা হয়।

## ২২.৫ নিৰ্বাচনী কাৰ্যত জন্তুৰ ব্যৱহাৰ

যিকোনো কাৰণতে ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসকলক নিৰ্বাচনী প্ৰচাৰ কাৰ্যত জন্তু ব্যৱহাৰ এৰাই চলিবলৈ নিৰ্বাচন আয়োগে পৰামৰ্শ প্ৰদান কৰিছে। আনকি, যেতিয়া দলে জন্তু এটাৰ চিহ্ন লয়, তেন্তে সেই দলটো বা প্ৰাৰ্থীয়ে নিৰ্বাচনী প্ৰচাৰ কাৰ্যত প্ৰতীক চিহ্ন হ'লেও সেই প্ৰজাতিৰ জীৱিত জন্তুক প্ৰচাৰ কাৰ্যত ব্যৱহাৰ কৰিব নোৱাৰে।

## ২২.৬ গুৰুত্বপূৰ্ণ নিবিদা আৰু নিলাম — সুৰাৰ বিপণী/পাণ আদিৰ সন্দৰ্ভত

২২.৬.১ ১৯৯৬ চনত, সুৰাৰ বিপণী/পাণ আদিৰ নিলাম বা নিবিদাৰ ক্ষেত্ৰত ক্ষমতাত থকা দলে সুবিধা লোৱাৰ সম্ভাৱনীয়তা পৰিহাৰ কৰিবলৈ নিৰ্বাচন আয়োগে নিৰ্দেশনা দিছিল যে এনে ক্ষেত্ৰত, য'ত মুখ্য নিলাসমূহ অনুষ্ঠিত হয়, সেইসমূহ নিৰ্বাচন অনুষ্ঠিত অঞ্চলসমূহত নিৰ্বাচনী প্ৰক্ৰিয়া সমাপ্ত নোহোৱালৈকে বন্ধ ৰাখিব লাগিব আৰু ৰাজ্য চৰকাৰে এইক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

২২.৬.২ ২০০৯ চনৰ সাধাৰণ নিৰ্বাচনৰ সময়ত নিৰ্বাচন আয়োগে আদৰ্শ আচৰণ বিধি প্ৰযোজ্য থকা সময়ত সুৰাৰ বিপণীৰ ক্ষেত্ৰত প্ৰদান কৰাৰ ক্ষেত্ৰত নিম্নলিখিত পদ্ধতি জাৰি কৰিছিল—

(i) ৰাজ্যিক আবকাৰী আইন অনুসৰি ৰাজ্য চৰকাৰ বা সংশ্লিষ্ট কৰ্তৃপক্ষই ব্যৱস্থাপনা কৰিব লাগে যে, চলিত বিত্তীয় বৰ্ষৰ ভিতৰত ঠিকাদাৰ/বিক্ৰেতাসকলৰ নীতি আৰু চৰ্তসমূহ অনুসৰি ৰৈ থকা আবকাৰী ব্যৱস্থাপনাসমূহ বিধিবদ্ধ কৰিব লাগে।

(ii) যদি আবকাৰী আইনত এই সন্দৰ্ভত কোনো সুবিধা নাই, তেন্তে ৰাজ্য চৰকাৰে বিগত বৰ্ষসমূহৰ কাৰ্যসমূহ লক্ষ্য কৰি নতুন বিত্তীয় বৰ্ষত নতুন অনুজ্ঞাপত্ৰ/ঠিকা প্ৰদানৰ ক্ষেত্ৰত সচেতন হ'ব লাগে।

## ২২.৭ প্ৰতিৰক্ষা বিষয়ত আদৰ্শ আচৰণ বিধিৰ প্ৰযোজ্যতা

২০১৪ চনৰ মাৰ্চত এম/অ' প্ৰতিৰক্ষাই প্ৰসংগ অনুসাৰে নিৰ্বাচনৰ সময়ত সৈন্যবাহিনীক খোৱা তেল আৰু ৰেছন সামগ্ৰী প্ৰদান কৰাৰ ক্ষেত্ৰত অনুমতি বিচাৰি নিৰ্বাচনী আয়োগৰ কাষ চাপিছিল আৰু আয়োগে ইয়াৰ উত্তৰ স্পষ্ট কৰিছিল যে, কোনো কাৰণতে প্ৰতিৰক্ষা বাহিনীৰ ওপৰত আদৰ্শ আচৰণ বিধি বলৱৎ নহ'ব, প্ৰতিৰক্ষা নিয়োগ/পদোন্নতি বা তেওঁলোকৰ সৈতে জড়িত যিকোনো সেৱাৰ বিষয়ত, যিকোনো প্ৰতিৰক্ষা সামগ্ৰী ক্ৰয়, প্ৰতিৰক্ষা ক্ষেত্ৰত জড়িত যিকোনো নিবিদাৰ ওপৰত আদৰ্শ আচৰণ বিধি বলৱৎ নহ'ব আৰু এইক্ষেত্ৰত কোনো বিষয়তে কোনো প্ৰসংগ নিৰ্বাচন আয়োগক প্ৰেৰণ কৰিব নালাগিব। (পৰিশিষ্ট XXII)

### ২২.৮ নিৰ্বাচন সম্বন্ধীয় কাম-কাজত শিশু শ্ৰমিকক নিয়োগ

মাননীয় উচ্চ ন্যায়ালয়, দিল্লীয়ে ডব্লিউপি(চি) নং ৯৭৬৭, ২০০৯ চনৰ ন্যায়ালয় বনাম এনচিটি চৰকাৰৰ গোচৰত ২০১৩ চনৰ ১৫ জুলাইত প্ৰদান কৰা ৰায় অনুসৰি নিৰ্বাচন আয়োগে ৰাজনৈতিক দলসমূহক পৰামৰ্শ দিছিল যে, জুভেনিল জাষ্টিচ (শিশুৰ পৰিচৰ্যা আৰু ৰক্ষণাবেক্ষণ) আইন ২০০০ অনুসৰি তেওঁলোকৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যত ১৪ৰ পৰা ১৮ বছৰ বয়সৰ শিশুক জড়িত কৰিব নালাগে আৰু যদি এয়া দৃষ্টিগোচৰ হয়, তেন্তে দিল্লী উচ্চ ন্যায়ালয়ৰ উক্ত ৰায়ৰ অৱমাননা হ'ব।

### ২২.৯ প্ৰচাৰ কাৰ্যত প্লাষ্টিক সামগ্ৰী ব্যৱহাৰত প্ৰতিবন্ধকতা

পৰিৱেশ সুৰক্ষাৰ সৈতে লক্ষ্য ৰাখি নিৰ্বাচন আয়োগে ৰাজনৈতিক দল/প্ৰাৰ্থীসকলক পত্ৰ নং ১৬ মাৰ্চ, ২০১৬ দ্বাৰা পৰামৰ্শ দিয়ে যে, নিৰ্বাচন প্ৰচাৰৰ সময়ত কোনো ধৰণৰ প্লাষ্টিক/পলিথিন ব্যৱহাৰ যথাসম্ভৱ এৰাই চলিব লাগে আৰু বেনাৰ, পোষ্টাৰ আদিৰ ক্ষেত্ৰতো জৈৱিক বিয়োজন নঘটা সামগ্ৰীসমূহৰ ব্যৱহাৰৰ পৰা আঁতৰি থাকিব লাগে।

********

## অধ্যয়-২৩

# আদৰ্শ বিধিৰ ওপৰত ঐতিহাসিক ৰায়

### ২৩.১ পাতনি

নিৰ্বাচন আয়োগে সাংবিধানিক দায়িত্ব নিশ্চিত কৰি সংবিধান অনুসৰি নিৰ্বাচন অনুষ্ঠিত কৰে। নিৰ্বাচন আয়োগে সমস্ত ক্ষমতা প্ৰয়োগ কৰি মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰাৰ দায়িত্ব সম্পাদন কৰে। সংবিধান আৰু ন্যয় ব্যৱস্থাৰ মাজেৰে যুগান্তকাৰী ৰায়ৰে নিৰ্বাচন আয়োগৰ ক্ষমতাৰ পৰিসৰ অধিক শক্তিশালী কৰি তোলা হৈছে। এই ৰায়সমূহে নিৰ্বাচন আয়োগক সঠিক ধৰণে পৰিচালনা কৰাৰ লগতে ভোটাৰসকল আৰু অন্যান্য অংশীদাৰীসকলক (ৰাজনৈতিক দলসহ) সঠিক ৰূপত পৰিচালনা কৰাৰ আয়োগক মাৰ্গদৰ্শন কৰে। আদৰ্শ আচৰণ বিধি সম্বন্ধীয় কিছু নিৰ্বাচিত ঐতিহাসিক ৰায় এই অধ্যায়ত সংক্ষিপ্তৰূপে উল্লেখ কৰা হৈছে।

### (১) ঘাছিৰাম বনাম দালসিং আৰু অন্যান্য (১৯৬৮) (উচ্চতম ন্যায়ালয়) (এ আই আৰ ১১৯১, ১৯৬৮ এছ চি আৰ (৩) ১০২)

**সাৰংশ**

১৯৬৭ চনৰ ১৯ ফেব্ৰুৱাৰীত অনুষ্ঠিত হাৰিয়ানাৰ বিধানসভা নিৰ্বাচনত শ্ৰী ঘাছিৰামে শ্ৰী দাল সিংঙৰ নিৰ্বাচনত প্ৰত্যাহ্বান জনাই এখন আবেদন দাখিল কৰিছিল, য'ত ৰাজ্য চৰকাৰৰ মন্ত্ৰী হিচাপে শ্ৰী দাল সিঙে চৰকাৰী ধনেৰে ভোট ক্ৰয় কৰাৰ অভিযোগ উত্থাপন কৰিছিল। এয়া অভিযোগ কৰা হৈছিল যে নিৰ্বাচনৰ সময়ত মন্ত্ৰীগৰাকীয়ে তেওঁৰ সমষ্টিৰ বিভিন্ন জিলা ভ্ৰমণ কৰিছিল আৰু এখন জিলা পানীৰ টেংকী নিৰ্মাণৰ বাবে, অন্যান্য অঞ্চলত ৰাজহুৱা একতা ঘৰৰ কামৰ বাবে সম্প্ৰদায় কেন্দ্ৰ আৰু বিভিন্ন জিলাত হৰিজনৰ উন্নয়নৰ লগতে বিভিন্ন নিৰ্মাণ কাৰ্যৰ বাবে বিভাগীয় ধন গ্ৰাম পঞ্চায়তক প্ৰদান কৰিছিল। এয়াও অভিযোগ কৰা হৈছিল যে, মন্ত্ৰী পদৰ ক্ষমতা ব্যৱহাৰ কৰি তেওঁৰ প্ৰাৰ্থিত্ব সুৰক্ষিত কৰাৰ বাবে একাংশ গাঁৱত পানী যোগানৰ ব্যৱস্থা কৰি গাঁওবাসীক তেওঁৰ পক্ষে সমৰ্থন আদায় কৰিছিল।

উচ্চ ন্যায়ালয়ে আবেদনখন নাকচ কৰিছিল।

উচ্চ ন্যায়ালয়ে আবেদনখন নাকচ কৰাৰ পিছত উচ্চতম ন্যায়ালয়ত আবেদন কৰা হৈছিল। আইন অনুসৰি, উৎকোচৰ সন্দৰ্ভত জড়িত হোৱাৰ দুষ্কাৰ্য সম্পূৰ্ণৰূপে প্ৰতিষ্ঠা হ'ব লাগিব।

প্ৰমাণে এয়া স্পষ্ট কৰিব লাগিব যে, নিৰ্বাচনৰ সময়ত প্ৰতিশ্ৰুতি বা উপহাৰে প্ৰত্যক্ষ বা পৰোক্ষভাৱে ভোটাৰসকলক আকৰ্ষিত কৰাৰ বাবে প্ৰদান কৰা হৈছিল। এজন মন্ত্ৰীৰ পদবী যথেষ্ট প্ৰত্যাহ্বানপূৰ্ণ। এয়া নিশ্চিতভাৱে হ'ব যিহেতু নিৰ্বাচনৰ সময়ত তেওঁ সেই পদবী ব্যৱহাৰ কৰিব নোৱাৰে। তেওঁ নিশ্চিতভাৱে বিচাৰত উপস্থিত হ'ব লাগিব নহ'লে তেওঁ বিফল হ'ব। তেওঁৰ প্ৰশাসনিক ছবি ৰাইজৰ সন্মুখত উজ্জ্বল কৰিব লাগিব। যদি সকলোৱে তেওঁৰ চৰকাৰী কামসমূহ সুচাৰুৰূপে নকৰা বুলি তেওঁৰ বিৰুদ্ধে স্বীকৃত কৰে আৰু তেওঁলোকৰ পৰা অসন্তুষ্টিৰ মনোভাৱ বিয়পি পৰে, তেন্তে প্ৰশাসন এই ক্ষেত্ৰত সক্ৰিয় হৈ উঠিব লাগিব। শেহতীয়া ঘটনাত ভোটাৰসকলক পোনপটীয়াভাৱে ধন বিতৰণ কৰা হোৱা নাছিল, কিন্তু বৃহৎ হাৰত ৰাইজ আৰু পঞ্চায়তত প্ৰদান কৰা হৈছিল। ইয়াৰ ব্যৱহাৰ সেইসকলৰ বাবে ভাল আছিল যিসকলে প্ৰাৰ্থীজনৰ বিৰুদ্ধে আছিল। ইয়াত কোনো দ্বিধা নাই যে অভিযোগকাৰীয়ে দাবী সাব্যস্ত কৰাৰ বাবে সকলো সৰ্বশক্তি প্ৰয়োগ কৰিছে কিন্তু ই প্ৰমাণিত নহ'ল যে কোনো ধন খৰচ হোৱা নাছিল কিন্তু ভাল প্ৰশাসনে ৰাইজৰ পৰিস্থিতি পৰিৱৰ্তন কৰিছিল। ইয়াৰ বাবে ইয়াত কোনো দুৰ্নীতি সংঘটিত হ'ব পাৰে। মন্ত্ৰীজনে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ভোট ভিক্ষা কৰাৰ যদি উপযুক্ত প্ৰমাণ আছিল তেন্তে ইয়াৰ ফলাফল বেলেগ হ'লহেঁতেন। কিন্তু তাত এনে কোনো প্ৰমাণ নাছিল। সৰ্বোচ্চ ন্যায়ালয়ে আৰু প্ৰত্যক্ষ কৰিছিল যে 'যদিও আমি এই গোচৰত অভিযুক্তৰ বিৰুদ্ধে অপৰাধী নহয় বুলি কোনো ধৰণৰ ব্যৱস্থা শ্ৰেণীভুক্ত কৰিব নোৱাৰো, আমি নিশ্চিতভাৱে কওঁ যে চৰকাৰৰ আচৰণ স্বচ্ছতাৰ পৰা বহু আঁতৰত। নিৰ্বাচন হৈছে এনে ব্যৱস্থা যাক নিৰপেক্ষভাৱে অনুষ্ঠিত কৰিব লাগে। নিৰ্বাচন আৰম্ভ হোৱা বিভিন্ন সমষ্টিত ৰাজহুৱা সামগ্ৰী বিতৰণ যিদৰে অভিযোগ উঠিছিল সেয়া এক দুষ্কাৰ্য, যদিও ই দুৰ্নীতি নহ'ব পাৰে। দুষ্কাৰ্য দুৰ্নীতিৰ মাজত বিভাজনৰ ৰেখা সামান্য। এয়া বুজি উঠিব লাগিব যে ৰাজহুৱা সম্পদৰ ব্যৱহাৰ নিৰ্বাচন ঘোষণা হোৱাৰ আগমুহূৰ্তত উচিত নহয়। কিন্তু বহুদিন আগৰ বা সামান্য প্ৰমাণে দুষ্কাৰ্য দুৰ্নীতিলৈ পৰিৱৰ্তিত কৰিব পাৰে। বিভিন্ন বৃহৎ অনুদানৰ ধন নিৰ্বাচনৰ প্ৰাকক্ষণত প্ৰদান কৰাৰ পৰা বিৰত থাকিব লাগে।

### (২) ভাৰত চৰকাৰ বনাম হৰ্বাংছ সিং জালাল আৰু অন্যান্য (স্পেচিয়েল লীভ পিটিচন (চি) নং ২২৭২৪ৰ ১৯৯৭ (উচ্চ ন্যায়ালয়)

**সাৰংশ**

পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ে ডব্লিউ পি চি নং ২৭০/১৯৯৭ তাৰিখ ২৭-৫-১৯৯৭ ৰায় অনুসৰি নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পৰা আদৰ্শ আচৰণ বিধি বলৱৎ কৰিব

পৰা যায়। ভাৰত চৰকাৰে এই ৰায়ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত এখন এছ এল পি দাখিল কৰিছিল। এছ এল পিখন স্থগিত হৈ থকা অৱস্থাতে এই প্ৰসংগ পত্ৰ নং- এম অ' ১৬-৪-২০০১ আনুসাৰে আয়োগৰ সৈতে আইন আৰু ন্যায় মন্ত্ৰালয়ে আলোচনা কৰি নিষ্পত্তি কৰিছিল। অ' এম তাৰিখ- ১৬-৪-২০০১ অনুসৰি এছ এল পি আৰু ইয়াৰ সৈতে সম্বন্ধীয় বিষয়ক লৈ উচ্চতম ন্যায়ালয়ে ২৬-৪-২০০১ত নিৰ্দেশ জাৰি কৰিছিল। ১৬-৪-২০০১ত জাৰি কৰা অ' এমৰ প্ৰতিলিপি আৰু পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ **হৰ্বাংছ সিং জালাল বনাম ভাৰত চৰকাৰ আৰু অন্যান্য** (ডব্লিউ.পি.চি নং-২৭০/১৯৯৭) গোচৰৰ ২৭-৫-১৯৯৭ তাৰিখৰ ৰায়ৰ পৰ্যবেক্ষণৰ সাৰাংশ তলত উল্লেখ কৰা হ'ল।

এম অ' তাৰিখ ১৪-৪-২০০১ৰ প্ৰতিলিপি

নং এইচ ১১০২২/১/২০০১-এলইজি ১১

ভাৰত চৰকাৰ

আইন, ন্যায় আৰু সহ-পৰিক্ৰমা মন্ত্ৰালয়

(ন্যায়িক বিভাগ)

নতুন দিল্লী, ১৬ এপ্ৰিল, ২০০১

## অফিচ মেম'ৰেণ্ডাম

বিষয় ঃ **আদৰ্শ আচৰণ বিধি সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত স্থগিত ভাৰত চৰকাৰ বনাম হাৰ্বাংছ সিং জালাল আৰু অন্যান্য গোচৰ এছ এল পি (চি) নং ২২৭২৪/৯৭ সম্পৰ্কে**

এই বিভাগৰ সংবিধানিক অধিকাৰ প্ৰযোগ কৰি ২৬-৩-২০০১ তাৰিখত উল্লেখ কৰা ওপৰোক্ত বিষয় অনুসৰি, নিম্ন স্বাক্ষৰকাৰীয়ে নিৰ্দেশ দিয়ে যে ভাৰতৰ নিৰ্বাচনী আয়োগে তেওঁলোকৰ পত্ৰ নং ৫০৯/২০০১/জে এছ-১/৯১২ তাৰিখ ১১-৪-২০০১ (প্ৰতিলিপি গাঁঠি দিয়া হৈছে।) যোগে তেওঁলোকৰ আদৰ্শ আচৰণ বিধি (১৯৯৮)ৰ চলি থকা নিৰ্দেশনাসমূহ সংশোধন কৰিবলৈ তলত উল্লেখ কৰা অনুসাৰে সন্মতি প্ৰকাশ কৰিছে।

আদৰ্শ আচৰণ বিধিৰ দফা VII (vi) (বি) তলত উল্লেখ কৰা ধৰণে পৰিৱৰ্তন কৰা হ'ব ঃ

'(বি) (অসামৰিক কৰ্মচাৰীৰ বাহিৰে) যিকোনো প্ৰকল্প বা আঁচনিৰ আধাৰশিলা স্থাপন ইত্যাদি; বা

তদুপৰি, দফা VII উপ-দফা (vi) ধাৰা (ডি)ৰ নিৰ্দেশনাসমূহ সংযোজন হ'ব ঃ

‘**টোকা** ঃ আয়োগে যিকোনো নির্বাচনৰ দিন ঘোষণা কৰিব যিয়ে সাধাৰণ দিন হোৱাৰ লগতে এনে নির্বাচনৰ বাবে অধিসূচনা জাৰি কৰাৰ পৰা তিনি সপ্তাহৰ বেছি হ’ব নালাগিব।’

২। ভাৰত চৰকাৰ আৰু নির্বাচন আয়োগৰ মাজত অনুষ্ঠিত আলোচনা মর্মে বিষয় নিষ্পত্তিৰ চৰ্ত অনুসৰি যদি প্রয়োজন হয়, ভাৰতৰ চৰকাৰে দাখিল কৰা এছ এল পি প্রত্যাহাৰ কৰিব লাগিব আৰু ইয়াৰ বাবে যুটীয়া শপতনামা দাখিল কৰিব।

কেন্দ্রীয় সংস্থা খণ্ড ফাইল নং ২২৬৩/৯৭/চিএএছ প্রসংগত।

৩। সেই অনুসাৰে এয়া অনুৰোধ কৰা হৈছে যে বিষয়টো এটৰ্ণী জেনেৰেলৰ সন্মুখত অনা হ’ব। এছএলপিখন ইতিমধ্যে শুনানিৰ বাবে পঞ্জীভুক্ত কৰা হৈছে আৰু আজি আহিব পাৰে। এই ক্ষেত্রত যদি কোনো গোচৰ সম্পর্কীয় তথ্য আৰু সামগ্রী প্রয়োজন হয়, তেন্তে স্বাক্ষৰকাৰীক যোগাযোগ কৰিব পাৰে।

স্বাঃ/-<br>(এন এল মীনা)<br>যুটীয়া সচিব আৰু ন্যায়িক পৰিষদ

প্রতি,

ন্যায়িক পৰিক্রমা বিভাগ<br>(এটিটিএন ঃ শ্রী আৰ এন পোদ্দাৰ, জেএছ এণ্ড এলএ, ভাৰপ্রাপ্ত)<br>কেন্দ্রীয় সংস্থা খণ্ড<br>ল’য়াৰ্ছ চেম্বাৰ নং ৬৩<br>উচ্চতম ন্যায়ালয় চৌহদ<br>নতুন দিল্লী-০১

প্রতিলিপি প্রেৰণ ঃ

ওপৰত উল্লেখ কৰা অনুসৰি তেওঁলোকৰ ১১-৪-২০০১পত্রৰ প্রসংগত তথ্য জনোৱাৰ বাবে সচিব (এটিটি এন ঃ কে জে ৰাও), ভাৰতৰ নির্বাচনী আয়োগ, নির্বাচন সদন, নতুন দিল্লী প্রতিলিপি প্রেৰণ।

স্বাঃ/-<br>(সুৰেন্দ্র কুমাৰ)<br>অবৰ সচিব, ভাৰত চৰকাৰ

## ভাৰত চৰকাৰ বনাম হাৰ্বাংছ সিং জালাল আৰু অন্যান্য- পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ সাৰংশ

(চিভিল ৰীট ছাইড চিভিল ৰীট পিটিচন নং ২৭০ অব ১৯৯৭)

১৯৯৬ চনৰ ৩০ ডিচেম্বৰত নিৰ্বাচনী আয়োগে পঞ্জাবৰ বিধানসভা নিবাচনৰ বাবে নিৰ্বাচনী কাৰ্যসূচীৰ ঘোষণা কৰে। একেদৰে ৰাজ্য চৰকাৰ আৰু অন্যান্য সংশ্লিষ্ট বিভাগক আয়োগে অৱগত কৰে যে, আয়োগে নিৰ্বাচনৰ সূচী ঘোষণা কৰা দিন (৩০ ডিচেম্বৰ ১৯৯৬)ৰ পৰা ৰাজ্যখনত আদৰ্শ আচৰণ বিধি বলৱৎ হৈছে। নিৰ্বাচন আয়োগে নিৰ্বাচনৰ সূচী ঘোষণা কৰাৰ পূৰ্বে ৰাজখনত ক্ষমতাত থকা ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছে বিভিন্ন ধৰণৰ কল্যাণকামী ২২ ডিচেম্বৰ, ১৯৯৬ত আঁচনি ৰাজ্যিক পৰ্যায়ৰ সমাৱেশত ঘোষণা কৰে। এই কল্যাণকামী আঁচনিসমূহ ১৯৯৭ চনৰ ১ জানুৱাৰীৰ পৰা প্ৰযোজ্য হ'বলগীয়া আছিল। ১৯৯৬ চনৰ ৩০ ডিচেম্বৰত আদৰ্শ আচৰণ বিধি বলৱৎ কৰাৰ পিছত ৰাজ্য চৰকাৰে ১৯৯৭চনৰ ১ জানুৱাৰীত ঘোষিত আঁচনিসমূহ প্ৰযোজ্য কৰাত বাধাৰ সৃষ্টি হয়। এই সন্দৰ্ভত পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ত এখন লেখ আবেদন দাখিল কৰা হয়। য'ত প্ৰত্যাহ্বান জনাই কোৱা হয় যে আদৰ্শ আচৰণ বিধি তেতিয়াহে প্ৰযোজ্য কৰিব পৰা যায় তেতিয়া ৰাজ্যখনৰ ৰাজ্যপালে নিৰ্বাচনৰ প্ৰকৃত অধিসূচনা জাৰি কৰে আৰু ই নিৰ্বাচনী আয়োগে নিৰ্বাচনৰ সূচী ঘোষণ কৰাৰ দিনৰে পৰা প্ৰযোজ্য নহয় আৰু নিৰ্বাচন আয়োগে নিৰ্বাচনী সূচী ঘোষণা কৰা আৰু ৰাজ্যপালে অধিসূচনা জাৰি কৰা মাজৰ সময়ত কোনো ধৰণৰ চৰকাৰী কাৰ্যত নিয়ন্ত্ৰণ কৰিব নোৱাৰে। উচ্চ ন্যায়ালয়ে লেখ আবেদনখন অগ্ৰাহ্য কৰিছিল আৰু নিৰ্বাচন আয়োগক মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে পদক্ষেপ ল'বলৈ কৈছিল। আনকি ৰাজ্যপালে অধিসূচনা জাৰি কৰা দিনৰ পৰা দিন আৰু নিৰ্বাচনৰ সূচী আয়োগে ঘোষণা কৰাৰ ম্যাদতো পদক্ষেপ গ্ৰহণ কৰিব দিছিল। এয়া কৰাৰ বাবে সকলো ৰাজনৈতিক দলক আদৰ্শ আচৰণ বিধি গ্ৰহণ কৰাৰ বাবে নিৰ্বাচন আয়োগে নিৰ্দেশনা জাৰি কৰিব পাৰে, যিসমূহ সূচী ঘোষণা কৰাৰ পৰাই অনুসৰণ কৰিব লাগিব। উচ্চ ন্যায়ালয়ে উল্লেখ কৰিছিল যে 'এয়ে প্ৰমাণ যে নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত যিকোনো কাম-কাজ মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে হয়। 'নিৰ্বাচনৰ পূৰ্ব'ৰ সংজ্ঞা অনুসৰি অধিসূচনা জাৰি কৰাৰ পূৰ্ব সময়খিনিক সূচায়। অধিসূচনা জাৰি কৰাৰ দিনৰ পৰাই নিৰ্বাচন প্ৰক্ৰিয়া আৰম্ভ হয়। নিৰ্বাচনৰ ঘোষণাৰ দিনৰে পৰা ই প্ৰাসংগিক নহয়, আৰু তেওঁলোকৰ নেতৃত্বই এই সময়ত নিৰ্বাচনৰ পূৰ্বসময় হিচাপে গণ্য কৰিব লাগে। সেয়ে আমাৰ মতে নিৰ্বাচনৰ আগমুহূৰ্ততো নিৰ্বাচন আয়োগে এয়া সুনিশ্চিত কৰাৰ প্ৰয়োজন যে মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰাৰ

বাবে সকলো বিধি যাতে পালন হয়। এই ক্ষেত্ৰত লক্ষ্য কৰা অনুসৰি আমি নিৰ্বাচনী আয়োগক অনুমতি দিওঁ যে নিৰ্বাচনী অধিসূচনা জাৰি কৰাৰ পূৰ্বেও নিৰ্বাচন আয়োগে মুক্ত আৰু নিকা নিৰ্বাচনৰ স্বাৰ্থত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব পাৰে

নিৰ্বাচন আয়োগৰ অধীনত ব্যৱস্থাৱলীৰ বিৰুদ্ধে আবেদনকাৰীৰ কোনো কাৰণ নাই। তেওঁলোকৰ নিৰ্দেশনা চৰকাৰলৈ হ'ব লাগে, যাতে আদৰ্শ আচৰণ বিধি পালন কৰা হয় আৰু ইয়াৰ সৈতে জড়িত আইনগত ব্যৱস্থাপনাৰ বিৰুদ্ধে কোনো কাৰণত নিৰ্দেশনা জাৰি হ'ব নালাগে। যেতিয়া এয়া পৰিলক্ষিত হৈছে যে নিৰ্বাচন আয়োগে মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে সকলো দায়িত্ব মূৰ পাতি লৈছে আৰু ভাৰতৰ সংবিধানৰ ৩২৪ অনুচ্ছেদ অনুসৰি থকা তেওঁলোকৰ ক্ষমতা প্ৰয়োগ কৰি এয়া বিশুদ্ধ ৰূপত অনুষ্ঠিত কৰিব বিচাৰিছে। আমি স্পষ্টভাৱে লক্ষ্য কৰো যে পৰিশিষ্ট p-5 অনুসৰি তেওঁলোকে গ্ৰহণ কৰা কাৰ্য কোনো কাৰণতে আইনমত আৰু ন্যায়সংগত নহয়।

ৰাজনৈতিক দলসমূহৰ উপস্থিতি আৰু নিৰ্বাচনত তেওঁলোকৰ অংশ গ্ৰহণ কোনো কাৰণতে অৱজ্ঞা কৰা হ'ব নোৱাৰে। ভাৰতৰ শেহতীয়া গণতান্ত্ৰিক পদ্ধতিত দেশ শাসনৰ ক্ষেত্ৰত ৰাজনৈতিক দলসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰাজনৈতিক দলৰ নেতা তেওঁলোকৰ জ্ঞান, আদৰ্শ আচৰণ বিধিৰ বিকাশ নিৰ্বাচনত অনুসৰণ কৰা হয়। এইসমূহ নিৰ্বাচনী আয়োগৰ অধীনত দৃঢ়ভৱে গঠন কৰা হয়। এনে আচৰণ বিধি যেতিয়া এয়া পৰিলক্ষিত হয় যে কোনো কাৰণতে উলংঘা কৰা নহয়, নিৰ্বাচন আয়োগে নিশ্চিতভাৱে গ্ৰহণ কৰিব পাৰে, যাতে মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা যায়।

নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত ৰাজনৈতিক দল বা প্ৰাৰ্থীসকলে তেওঁলোকৰ পক্ষ লৈ ভোটাৰসকলক আকৰ্ষিত কৰাৰ বাবে বিভিন্ন প্ৰতিশ্ৰুতি দিবলৈ আগবাঢ়ি আহে। যদি এনে কাৰ্যক অনুমতি দিয়া হয় তেন্তে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থী ৰাজনৈতিক দলে এয়া সম্পন্ন কৰে, এই কাৰ্যই নিৰ্বাচনৰ বিশুদ্ধতাত অৱজ্ঞা কৰিব পাৰে। এনে কোনো পৰিস্থিতি, যদি নিৰ্বাচন আয়োগে আচৰণ বিধিক প্ৰযোজ্য কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰে যি আইন অনুসৰি নিৰ্দেশিত নহয়, এই ন্যায়ালয়ে ভাৰতীয় সংবিধানৰ ২২৬ অনুচ্ছেদ অনুসৰি থকা ক্ষমতাৰ প্ৰয়োগ কৰি ইয়াক আইন সন্মত নহয় বুলি গণ্য কৰিব।

নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পিছত ক্ষমতা অনুযায়ী নিৰ্বাচন আয়োগে দলসমূহৰ কাম-কাজ প্ৰতিৰোধ কৰাৰ বাবে কোনো কাৰ্য নকৰে। পৰিস্থিতি পৰ্যায়লোচনা কৰি নিৰ্বাচন আয়োগে তিনি সপ্তাহৰ সময় লৈ নিৰ্বাচন ঘোষণা কৰে আৰু এই আইনৰ ১৫ নং ধাৰা অনুসৰি অধিসূচনা জাৰি কৰে। এই তিনি সপ্তাহৰ সময়ত ৰাজনৈতিক দলসমূহে নিৰ্বাচনত

অৱতীৰ্ণ হ'ব লাগে আৰু সঠিক নিৰ্বাচন প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগে। কোৱা অনুসৰি নিৰ্বাচনৰ দিন ঘোষণা আৰু অধিসূচনাত জাৰি কৰা মাজৰ সময়খিনি কোনো কাৰণতে অযুক্তিকৰ নহয়। এই ছুটীৰ ম্যাদত অধিসূচনা জাৰি কৰা নিৰ্বাচন আয়োগে ৰাজনৈতিক দল আৰু ক্ষমতা থকা দল আৰু প্ৰাৰ্থীসকলৰ সৈতে আলোচনা কৰি মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰাৰ কাৰণে শুদ্ধৰূপত আচৰণ কৰাৰ ক্ষেত্ৰত অৱজ্ঞা কৰিব নোৱাৰিব।

এই সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ পৰ্যবেক্ষণ অনুসৰি নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত মন্ত্ৰীসকলে বিচেনাধীন অনুদানৰ ধন প্ৰদান কৰাৰ সন্দৰ্ভত নিৰ্বাচন আয়োগক আইনৰ পৰামৰ্শ অনুসৰি অনুমতি দিবলৈ কয়। ভাৰত চৰকাৰে এই পৰামৰ্শ অনুযায়ী সিদ্ধান্ত গ্ৰহণ কৰে যে এনেধৰণৰ অনুদান প্ৰদানৰ ক্ষেত্ৰত নিয়মসমূহ নিয়ন্ত্ৰণৰ সুবিধা ৰক্ষা হ'ব। এই ক্ষেত্ৰত ভোটগ্ৰহণৰ তিনিমাহ পূৰ্বে এখন অভিৰৰ্তন অনুষ্ঠিত কৰি মন্ত্ৰীসকলৰ চৰকাৰী অনুদানৰ পৰা যাতে কোনো ব্যয় নহয় সেয়া গ্ৰহণ কৰিব লাগে। সেইদৰে ভাৰতৰ চৰকাৰে ১৯৬৯ চনৰ ২৮ অক্টোবৰত কোৱা অনুসৰি এনে অনুদান বিতৰণৰ নিয়ম নিয়ন্ত্ৰণ কৰাৰ বাবে বিশেষ ব্যৱস্থা কৰাৰ পৰিৰ্ৱতে ভোট গ্ৰহণৰ তিনিমাহ পূৰ্বে এখন অভিৰৰ্তনৰ দ্বাৰা মন্ত্ৰীসকলৰ চৰকাৰ অনুদানৰ পৰা যাতে কোনো ব্যয় নহয় সেয়া গ্ৰহণ কৰিব লাগে। চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰিছিল, যাতে এন কাৰ্যৰ পৰা এই বিষয়ত চৰকাৰৰ কোনো সমস্যাত নপৰে। এনে পৰিস্থিতিত এয়া নিৰ্বাচন আয়োগৰ ব্যৱস্থা গ্ৰহণৰ অংশ হৈ পৰে যিয়ে নিৰ্দেশনা যোগে চৰকাৰক আদৰ্শ আচৰণ বিধি অনুসৰণ কৰে আৰু বিভিন্ন ৰাষ্ট্ৰীয় দলেও এই সমূহক আইনৰ অধীনত আৰু বিধিগতভাৱে পালন কৰে।

নিৰ্বাচন আয়োগে বিভিন্ন শাখাত কৈছিল যে, তেওঁলোকে ৰাজ্য চৰকাৰৰ দিন-প্ৰতিদিনৰ আলোচনাত অংশ গ্ৰহণ নকৰে। তেওঁলোকে মাত্ৰ নিৰ্বাচনৰ সৈতে জড়িত বিষয়াসকলক যথাযথ স্থানত থকাটো বিচাৰে। তেওঁলোকে এনে বিষয়াৰ কোনো হস্তক্ষেপ অবিহনে মুক্ত আৰু নিৰ্বাচন অনুষ্ঠিত কৰাটো সুনিশ্চিত কৰিব বিচাৰে। যদি ৰাজ্যৰ স্থায়ী কাৰ্যবাহীয়ে এই ক্ষেত্ৰত কিছু কাৰ্য গ্ৰহণত হস্তক্ষেপ কৰে যিসমূহ ৰাজনৈতিক কৰ্মকৰ্তাই প্ৰযোজ্য হোৱাটো বিচাৰে, ইয়াত নিৰ্বাচন আয়োগৰ নিৰ্দেশনা উলংঘা কৰা হিচাপে গণ্য কৰা হ'ব আৰু ইয়াৰ বাবে নিৰ্বাচন আয়োগক দোষী সাব্যস্ত কৰিব নোৱাৰে। ৰাজ্য চৰকাৰৰ দিন প্ৰতিনিদিৰ বৈঠকত হস্তক্ষেপ কৰাৰ সন্দৰ্ভত নিৰ্বাচন আয়োগৰ কোনো নিৰ্দেশনা নাই। এনে কোনো পৰিস্থিতিত আমি নিৰ্বাচন আয়োগে ব্যৱস্থাপনা পুনৰুদ্ধাৰৰ ক্ষেত্ৰত কৰা কাৰ্য নীতিৰ বিৰুদ্ধে হয় নে নহয়, সেয়া বিচাৰি উলিয়াব নোৱাৰিম।

উচ্চ ন্যায়ালয়ে আৰু যোগ কৰিছিল যে 'ওপৰত উল্লেখ কৰা বিষয়সমূহ উল্লেখ কৰি আমি

নিশ্চিত যে নিৰ্বাচনী আয়োগ মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ সিদ্ধহস্ত আনকি নিৰ্বাচনী অধিসূচনা আৰু নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পৰা আৰম্ভ কৰি। এয়া কৰাৰ বাবে আদৰ্শ আচৰণ বিধি ক্ষমতাত থকা ৰাজনৈতিক দলসহ সকলো দলে পালন কৰিব লাগিব, যি নিৰ্বাচনী আয়োগৰ নিৰ্দেশনা মতে হ'ব। এই ক্ষেত্ৰত আয়োগৰ যিকোনো কাৰ্যব্যৱস্থাত দোষ ধৰা নহ'ব। ৰাজনৈতিক দলসমূহে আদৰ্শ আচৰণ বিধিৰ মানি চলিব লাগিব আৰু ইয়াৰ ব্যৱস্থাৱলীৰ বিৰুদ্ধে বুজাব নোৱাৰিব। সম্পূৰ্ণ ইয়াৰ যোগেদি বিশুদ্ধ নিকা আৰু নিৰপেক্ষ নিৰ্বাচনৰ বাবে নিৰ্বাচন সুনিশ্চিত কৰা হ'ব।

লেখ আবেদন বিফল। সেই বাবে খাৰিজ কৰা হৈছে।

## (৩) ভাৰতীয় নিৰ্বাচন আয়োগ বনাম ৰাজাজী মেথিউ থমাছ আৰু অন্যান্য (উচ্চতম ন্যায়ালয়)

(স্পেচিয়েল লীভ টু এপিল (চিভিল নং (এছ ৮৮৯১/২০১১)

**সাৰাংশ**

২০১১ চনৰ ১ মাৰ্চত নিৰ্বাচন আয়োগে কেৰালা বিধানসভা নিৰ্বাচন ঘোষণা কৰে। নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পূৰ্বে ২০১১ চনৰ ২৫ ফেব্ৰুৱাৰীত ৰাজ্যৰ বিপিএল/এ এ ৱাই, মাছমৰীয়াৰ পৰিয়াল, অনুসূচিত জাতি, অনুসূচিত জনজাতি, আশ্ৰয় আঁচনি আৰু ৰাষ্ট্ৰীয় নিয়োগ নিশ্চিত আঁচনিৰ অধীনত ৫০ দিনলৈ কাম কৰা অসংঘটিত/পাৰম্পৰিক ক্ষেত্ৰৰ শ্ৰমিক আৰু ৰাজ্য সকলো ৰেচন কাৰ্ডধাৰীক প্ৰতিকিলোত দুটকা হাৰত খাদ্য সামগ্ৰী যোগান ধৰাৰ বাবে এক আঁচনি পৰিশোধ বৃদ্ধি কৰি ৰাজ্য চৰকাৰে এক নিৰ্দেশৰ যোগেদি প্ৰশাসনিক অনুমোদন লাভ কৰিছিল। ২০১১ চনৰ ২৫ ফেব্ৰুৱাৰী তাৰিখত কৰা ঘোষণা সন্দৰ্ভত নিৰ্বাচন আয়োগ আৰু সেই স্থানত মুখ্য নিৰ্বাচনী বিষয়াই এক অভিযোগ লাভ কৰে লগতে ৰাজ্যখনৰ সাংসদ দুজন বিধায়ক ইয়াৰে এজন কেৰালাৰ প্ৰাক্তন মুখ্যমন্ত্ৰীয়ে অভিযোগ প্ৰদান কৰে। কল্লাম আৰু কানুৰৰ জিলা উপায়ুক্তসকলে এই সন্দৰ্ভত ১ আৰু ২নং ব্যক্তিক স্পষ্টীকৰণ দি উল্লেখ কৰে যে, প্ৰতিকিলোত দুটকা হাৰত চাউল বিতৰণৰ আঁচনি ২০১১ চনৰ ২৫ ফেব্ৰুৱাৰীত চৰকাৰে লোৱা সিদ্ধান্ত অনুসৰি ৰূপায়ন কৰা হৈছে। সেই বাবে এই বিষয়টো পৰৱৰ্তী সময়ত চৰকাৰে আঁচনি ৰূপায়নৰ বাবে প্ৰয়োজনীয় অনুমতি বিচাৰি নিৰ্বাচন আয়োগলৈ পঠিয়াই দিয়ে।

এই ক্ষেত্ৰত ২০১১ চনৰ ৭ মাৰ্চত ভিতৰত কেৰালাৰ মুখ্য নিৰ্বাচন বিষয়াই তলত উল্লিখিত বিষয়সমূহ লক্ষ্য কৰিছিল।

'নতুন হিতাধিকাৰী সৃষ্টিৰ লক্ষ্যৰে কৰা জি অ' নং-১১/২০১১/ এই এণ্ড ই এছ তাৰিখ ২৫ ফেব্ৰুৱাৰী ২০১১ আঁচনিখনৰ সম্প্ৰসাৰণ নিৰ্বাচন প্ৰক্ৰিয়া সমাপ্ত নোহোৱা বুলি স্থগিত ৰাখিব পৰা গ'লহেঁতেন।' উপৰোক্তভাৱে দেখুৱা ছবি মুখ্য নিৰ্বাচনী বিষয়াই নিৰ্বাচনী আয়োগৰ ২০১১ চনৰ ক্ষেত্ৰত স্পষ্ট কৰিছিল।'

এই ক্ষেত্ৰত দুখিত যে, প্ৰতিবাদকাৰীয়ে কেৰালা উচ্চ ন্যায়ালয়ত নং-৮১৭৮(এছ); ২০১১নম্বৰত এখন লেখ আবেদন দাখিল কৰিছিল, যিখন ২০১১ চনৰ ২১ মাৰ্চত উচ্চ ন্যায়ালয়ৰ খণ্ড বেঞ্চে ৰায়দানেৰে খাৰিজ কৰিছিল, নিৰ্বাচন আয়োগ আৰু মুখ নিৰ্বাচনী বিষয়াক ২০১১ চনৰ ২৫ ফেব্ৰুৱাৰীত আঁচনি ৰূপায়ন কৰিবলৈ ৰাজ্য চৰকাৰে লোৱা সিদ্ধান্ত ওপৰত প্ৰতিবন্ধকতা প্ৰদানৰ ৰায় স্থগিত ৰাখিছিল যাতে আঁচনিৰ সুবিধা সম্প্ৰসাৰিত হয়, যিয়ে ইতিমধ্যে চাৰিজনৰ সৈতে সম্পৰ্কিত আছিল। যি ৰাজনৈতিক দলসমূহে ইচ্ছা অনুসৰি কাৰ্যক্ষেত্ৰত নিজৰ উদ্দেশ্য সুৰক্ষিত কৰা বাবে কৰা হৈছিল যাতে নিৰ্বাচনত সাফল্য লাভ কৰিব পাৰে। কেৰালা উচ্চ ন্যায়ালয়ৰ উক্ত আদেশৰ বিৰুদ্ধে আবেদন দাখিল কৰিছিল। আয়োগৰ হৈ দাখিল কৰা আবেদনত কোৱা হৈছিল যে ২০১১ চনৰ ২৫ মাৰ্চৰ আগতে আঁচনিখন ঘোষণা কৰিলে নিৰ্বাচনী আয়োগৰ কোনো আপত্তি নাছিল। অৱশ্যে ৰাজ্যৰ জনসাধাৰণে নতুন আঁচনিখনৰ সম্প্ৰসাৰণত অতিৰিক্ত লাভালাভ কৰিব পাৰি, কিন্তু এয়ে কাৰ্য ক্ষেত্ৰত প্ৰক্ৰিয়া সকলো ৰাজনৈতিক দলৰ বাবে সমান নহ'ব। এয়া নিৰ্বাচন আয়োগৰ দ্বাৰা দাখিল কৰা হৈছিল, যাতে ৰাজ্য চৰকাৰে নতুন শ্ৰেণীৰ ৰাইজক বাবে এনে আঁচনিৰ সম্প্ৰসাৰণ স্থগিত ৰাখে, অৱশ্যে নতুন শ্ৰেণীৰ ৰাইজে ইয়াৰ লাভালাভ পোৱাৰ ক্ষেত্ৰত আয়োগৰ কোনো ইচ্ছাকৃত বাধা নাছিল, মাত্ৰ নিৰ্বাচন চলি থকা বাবে ইয়াক স্থগিত ৰখাটো বিচাৰিছিল।

ৰাজ্য চৰকাৰে কৈছিল যে নিৰ্বাচনৰ আগতে আঁচনিখন ঘোষণা কৰাৰ ফলত কেৰালাত নতুন অংশৰ ৰাইজক সমৰি লোৱা হৈছিল, কিন্তু তাত কোৱা হোৱা নাছিল যে ইয়ে আদৰ্শ আচৰণ বিধিক আঘাত কৰিছে যি পৰৱৰ্তী সময়ত প্ৰমাণিত কৰা হৈছিল।

উচ্চতম ন্যায়ালয়ে পৰৱৰ্তী সময়ত কৈছিল যে, আদৰ্শ আচৰণ বিধিয়ে কি কৰিব বিচাৰিছে তাৰ ওপৰত ক্ষমতাত থকা দলে কোনো ব্যৱস্থা লোৱা উচিত নহয়। বিশেষকৈ নিৰ্বাচনৰ ঘোষণাৰ সমীপত আৰু ঘোষণা কৰাৰ পিছত নিৰ্বাচন চলাৰ সময়ত তেওঁলোকৰ বাবে লাভালাভ অৰ্জন কৰা বা কাৰ্যক্ষেত্ৰত সকলো ৰাজনৈতিক দলৰ বাবে নিৰ্বাচনী প্ৰক্ৰিয়া ব্যৱস্থাপনা কৰাত অসুবিধাৰ সৃষ্টি কৰিব নোৱাৰে। তদুপৰি যদিও ২০১১ চনৰ ২৫

ফেব্ৰুৱাৰীত ৰাইজৰ বাবে নতুন আঁচনিখন সম্প্ৰসাৰণ কৰা হৈছিল আৰু প্ৰশাসনিক অনুমোদন লাভ কৰিছিল, নিবাচন ঘোষণাৰ লগে লগে ইয়াৰ কাৰ্যকৰীকৰণ কোনো কাৰণতে সম্ভৱ নহয় যিহেতু নিৰ্বাচন ঘোষণাৰ পিছত বিভিন্ন পদ্ধতি সংযুক্ত হৈ থাকে আৰু ইয়াৰ কাৰ্যকৰীকৰণত বাধা দিয়ে। আনকি সেই উক্তি খাৰিজ কৰা হ'ব যাৰ প্ৰসংগ ৰাজ্য চৰকাৰে উল্লেখ কৰি নিৰ্বাচন আয়োগক আঁচনিখন প্ৰযোজ্য কৰাৰ বাবে অনুমতি বিচাৰিছিল আৰু ইয়াৰ পৰা আঁচনিখন ৰূপায়নৰ ক্ষেত্ৰত ব্যৱস্থাৱলীৰ শিক্ষা লোৱাটো উচিত। সম্প্ৰসাৰিতভাৱে উচ্চ ন্যায়ালয়ৰ ৰায় প্ৰত্যাহাৰ কৰা হয়।

একেদৰে সৰ্বোচ্চ ন্যায়ালয়ে স্পেচিয়েল লীভ পিটিচন অনুসৰি জাননী জাৰি কৰে আৰু উচ্চ ন্যায়ালয়ৰ ৰায় স্থগিত ৰাখিবলৈ নিৰ্দেশ দিয়ে।

## (৪) এছ সুব্ৰমণিয়ম বালাজী বনাম তামিলনাডু চৰকাৰ আৰু অন্যান্য (উচ্চ ন্যায়ালয়)

চিভিল আপিল নং ৫১৩০ অফ ২০১৩

(এৰাইজিং আউট অফ এচ এল পি (চি) নং ২১৪৫৫ অফ ২০০৮)

**সাৰাংশ**

২০০৬ চন আৰু ২০১১ চনত তামিলনাডুত অনুষ্ঠিত বিধানসভা নিৰ্বাচনৰ আগতে, কিছুমান অসামৰিক সামাজিক সংগঠন আৰু ব্যক্তিয়ে মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল আৰু বিশিষ্ট ৰাজনৈতিক দলবোৰৰ ইস্তাহাৰত উল্লেখ কিছুমান উপহাৰ সামগ্ৰীৰ প্ৰতিশ্ৰুতিৰ ওপৰত প্ৰশ্ন কৰে। উচ্চ ন্যায়ালয় (মাদুৰাই বেঞ্চ)য়ে লেখ আবেদনখনৰ কোনো যোগ্যতা পৰিলক্ষিত নকৰি লেখ আবেদনখন *(২০০৬ চনৰ ৯০১৩ নম্বৰ-এছ সুব্ৰমণিয়ম বালাজী বনাম তামিলনাডু চৰকাৰ আৰু অন্যান্য)* খাৰিজ কৰে। এই বিষয়টো আবেদনকাৰীয়ে উচ্চতম ন্যায়ালয়লৈ লৈ যায়। সৰ্বোচ্চ ন্যায়ালয়ে ২০১৩ চনৰ ৫ জুলাইত আদেশ প্ৰদান কৰি আইনসন্মতভাৱে স্পষ্ট কৰে যে, নিৰ্বাচনী ইস্তাহাৰত প্ৰতিশ্ৰুতিসমূহক পিপ'ল আইন ১৯৫১ৰ ধাৰা ১২৩চিত অনুসৰি অবৈধ কাৰ্যকলাপ হিচাপে গণ্য কৰিব নোৱাৰি। বিনামূলীয়া সামগ্ৰী বিতৰণৰ সম্ভাৱনীয়তা প্ৰকৃত ক্ষেত্ৰত নিৰ্ধাৰণ কৰিব নোৱাৰি, যদিও ই নিঃসন্দেহে সকলো লোকক প্ৰভাৱিত কৰে। এই বিষয়টোক লৈ ২০০৮ চনত উচ্চতম ন্যায়ালয়ত আবেদন কৰা হৈছিল আৰু তেওঁ ২০১১চনৰ নিৰ্বাচনৰ সময়তো লেখ আবেদন দাখিল কৰিছিল যাকউচ্চ ন্যায়ালয়ে স্থগিত কৰি ৰাখিছিল পিছত সৰ্বোচ্চ ন্যায়ালয়লৈ বদলি কৰা হৈছিল। সৰ্বোচ্চ ন্যায়ালয়ে বিষয়টো নিষ্পত্তি কৰিবলৈ ২০১৩ চনৰ ৫ জুলাইত আদেশ জাৰি কৰিছিল, যাক তলত সংক্ষিপ্তভাৱে উল্লেখ কৰা হৈছে আৰু ইয়াৰ নিৰ্দেশনাসমূহ

উল্লেখ কৰা হৈছে ঃ

(i) আৰ পি আইন ধাৰা ১২৩ ধাৰাৰ সীমাবদ্ধতা বিশ্লেষণ কৰি আমি এই সিদ্ধান্তত উপস্থিত হওঁ যে ধাৰা ১২৩ অনুসৰি নিৰ্বাচনী ইস্তাহাৰত প্ৰতিশ্ৰুতিসমূহ ধৰিব নোৱাৰি, যাৰ ঘোষণা দুষ্কাৰ্য হিচাপে গণ্য কৰা কৰিব পাৰে। সেয়ে নিৰ্বাচনী ইস্তাহাৰত প্ৰদান কৰা প্ৰতিশ্ৰুতি আইনৰ নিৰ্দিষ্ট ধাৰা অনুসৰি দুষ্কাৰ্য হিচাপে গণ্য কৰিব নোৱাৰি। এই ক্ষেত্ৰত এই ন্যায়ালয়ৰ এটা ৰায়ৰ প্ৰসংগ উল্লেখ কৰিব পাৰি য'ত প্ৰফেচৰ ৰামচন্দ্ৰ জী কাপচে বনাম হৰিবংশ ৰামাকবল সিং (১৯৯৬) ১ এছ চিচি ২০৬ অনুসৰি এই আদালতত হৈছিল '... এখন নিৰ্বাচনী ইস্তাহাৰত থকা সূচী কোনো কাৰণতে দলীয় প্ৰাৰ্থীৰ দুষ্কাৰ্য হিচাপে গণ্য কৰা নহ'ব।

(ii) তদুপৰি, এয়া সিদ্ধান্ত কৰা হৈছিল যে এই লেখ আবেদনৰ যোগেদি প্ৰত্যাহ্বান জনোৱা আঁচনিখন প্ৰয়োগ বা পৰিপূৰ্ণ কৰাটো ৰাজ্যিক নীতিক নিৰ্দেশ কৰে যাতে ৰাইজৰ বাবে ইয়াক প্ৰযোজ্য কৰিব পাৰে।

(iii) এখন আঁচনি ৰূপায়ন হ'ব নে নাই, তাৰ পূৰ্বে ইয়াক নিৰীক্ষণ আৰু সমতল কৰা সংবিধানপ্ৰদত্ত সিদ্ধান্ত। এই ক্ষেত্ৰত ৰাইজৰ অধিকাৰৰ বাবে এনে আঁচনি যিমান পাৰে সোনকালে প্ৰয়োগ কৰা আৰু উপযুক্ত বিধেয়কৰ দ্বাৰা এই আঁচনি ৰূপায়নৰ পথ নিশ্চিত কৰা ক্ষেত্ৰত আদালতে এনে আঁচনিৰ পৰিসীমা নিৰ্ধাৰণ কৰে।

(iv) আমি, এই ক্ষেত্ৰত আৰু জোৰ দিও যে আইনী দখল তেতিয়াহে সম্ভৱ যে যেতিয়া এখন চৰকাৰে লোৱা ব্যৱস্থা অসাংবিধানিক বা বিধিবদ্ধ ব্যৱস্থাৰ বিৰুদ্ধে হয় আৰু এনে ব্যৱস্থা গ্ৰহণ নহ'ব বা ইয়াত ব্যয় ৰাজ্যৰ বাবে সঠিক নহয়।

(v) ইয়াত আৰু কোৱা হয় যে, আঁচনি যাৰ বিৰুদ্ধে আবেদন দাখিল কৰা হৈছে সেয়া ভাৰতীয় সংবিধানৰ ১৪নং অনুচ্ছেদৰ ব্যাখ্যা অনুসাৰে হ'ব।

(vi) ইয়াত কোনো আইনী ৰিক্ত স্থান নাথাকিব যিয়ে বিশ্বাকা নীতি প্ৰযোজ্য কৰাত সুবিধা দিয়ে।

(vii) চি এ জিৰ কৰ্তব্য তেতিয়াহে আহিব যেতিয়া ব্যয় কৰা হয়।

(viii) যেতিয়াই এই আবেদন আধিকাৰীৰ ক্ষেত্ৰত খাৰিজ কৰাৰ বাবে উপযুক্ত হয়, আধিকাৰী ক্ষেত্ৰৰ প্ৰসংগ বাদ পৰে।

২। **নিৰ্দেশনাসমূহ ঃ**

(i) যদিও আইন থকা সত্বেও এয়া অৱশ্যে হয় যে, আৰ পি আইনৰ ১২৩ ধাৰাৰ অধীনত নিৰ্বাচনী ইস্তাহাৰত থকা প্ৰতিশ্ৰুতিসমূহ দুষ্কাৰ্য হিচাপে ধৰা নহ'ব, কিন্তু

প্ৰকৃততে যিকোনো বিনামূলীয়া বিতৰণৰ আশ্বাস কৰ্তন কৰিব লাগিব, নিশ্চিতভাৱে যিয়ে সকলোকে আকৰ্ষিত কৰে। ই মুক্ত আৰু নিকা নিৰ্বাচনৰ ক্ষেত্ৰত বৃহৎ হাৰত শংকা সৃষ্টি কৰে। নিৰ্বাচন আয়োগে ইয়াৰ যোগেদি পৰামৰ্শ প্ৰদান কৰিব পাৰে চৰকাৰী ধনেৰে এনে বিনামূলীয়া আঁচনিৰ প্ৰতিশ্ৰুতিৰ মন্তব্য আৰু শপতনামা দাখিল দুয়োটাই কাৰ্যক্ষেত্ৰত নিৰ্বাচনী প্ৰক্ৰিয়াত হতাশাৰ সৃষ্টি কৰে আৰু সেয়েহে প্ৰকাশিত ইচ্ছানুযায়ী যিকোনো নিৰ্দেশনা পালন বা এই প্ৰসংগত এই ন্যায়ালয়ৰ সিদ্ধান্ত পালন কৰিব লাগিব।

(ii) ৰায়ৰ প্ৰথম খণ্ডত পৰিলক্ষিত হৈছিল যে, বিধানসভাৰ পৰা আইন প্ৰণয়নৰ ক্ষেত্ৰত যিকোনো বিশেষ বিষয়ত নিৰ্দেশনা জাৰি কৰাৰ ক্ষেত্ৰত এই ন্যায়ালয়ৰ ক্ষমতা সীমাবদ্ধ, অৱশ্যে নিৰ্বাচন আয়োগে কাৰ্যক্ষেত্ৰত প্ৰতিদ্বন্দ্বি দল আৰু প্ৰাৰ্থীসকলৰ মাজত এয়া নিশ্চিত কৰিব পাৰে যে সকলো আদেশ অনুসৰি নিৰ্বাচন প্ৰক্ৰিয়া বিশুদ্ধভাৱে হৈছে আৰু ইয়াত কোনো শক্তিয়ে বাধা দিব পৰা নাই যি আদৰ্শ আচৰণ বিধি জাৰি কৰা নিৰ্দেশনাৰ পৰা সম্ভৱ হৈছে। ভাৰতীয় সংবিধানৰ ৩২৪ নং অনুচ্ছে অনুসৰি নিৰ্বাচন আয়োগৰ সৰ্বোচ্চ ক্ষমতা আছে যাৰ যোগেদি নিৰ্বাচন আয়োগে মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিব পাৰে। এয়াও সমানভাৱে স্বীকৃত যে নিৰ্বাচন আয়োগে কোনো বিষয়, যি নিৰ্বাচন আয়োগৰ আইনী পৰিসৰৰ ভিতৰত নপৰে সেই সন্দৰ্ভত কোনো আদেশ জাৰি কৰিব নোৱাৰে।

(iii) সেই কাৰণে, এই সকলো দিশ বিবেচনাৰ অন্তত ইয়াত কোনো আইন নাই যিয়ে নিৰ্বাচনী ইস্তাহাৰ নিয়ন্ত্ৰণ কৰাৰ বাবে পোনপটীয়াভাৱে নিৰ্দেশ কৰিব, সেয়ে আমি নিৰ্বাচন আয়োগক এক নিয়মাৱলী প্ৰস্তুত কৰাৰ বাবে নিৰ্দেশ দিছো যাতে সকলো ৰাজনৈতিক দলৰ সৈতে আলোচনা মৰ্মে প্ৰাৰ্থীৰ ৰাজহুৱা আচৰণ, সভা-সমদল, ভোটদানৰ দিন, ক্ষমতাত থকা দলৰ ক্ষেত্ৰত নিৰ্দিষ্ট নিয়মাৱলী প্ৰস্তুত কৰিব পাৰি। একেদৰে, এক অন্য দিশত ৰাজনৈতিক দলে প্ৰকাশ কৰা নিৰ্বাচনী ইস্তাহাৰ আদৰ্শ আচৰণ বিধি অন্তৰ্ভুক্ত কৰিব পাৰি যাতে ৰাজনৈতিক দলসমূহ আৰু প্ৰাৰ্থীসকলক মাৰ্গদৰ্শন কৰিব পাৰি। আমি বিবেচনা কৰো যে, সাধাৰণতে ৰাজনৈতিক দলসমূহে নিৰ্বাচন ঘোষণাৰ আগতে নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰে এই পৰিস্থিতিত দৃঢ়ভাৱে কোৱা হয় যে নিৰ্বাচন আয়োগৰ হাতত নিৰ্বাচন ঘোষণাৰ পূৰ্বে যিকোনো আইন নিয়ন্ত্ৰণ কৰাৰ কৰ্তৃত্ব নাই। তথাপিও এই ক্ষেত্ৰত এক আশা কৰিব পাৰি যে নিৰ্বাচনী ইস্তাহাৰৰ প্ৰসংগ প্ৰত্যক্ষভাৱে নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জড়িত।

(iv) আমি ইয়াত নিৰ্দেশ কৰো যে নিৰ্বাচন আয়োগে এই গুৰুত্বপূৰ্ণ বিষয়ত যথাসম্ভৱ ক্ষীপ্ৰতাৰে ব্যৱস্থা গ্ৰহণ কৰে। আমি আৰু লিপিবদ্ধ কৰো যে আমাৰ গণতান্ত্ৰিক সমাজ ব্যৱস্থাত চৰকৰ গঠন কৰা ৰাজনৈতিক দলসমূহৰ বাবে বিধানসভাত পৃথকে এখন আইন গৃহীত কৰা হওক।

*******

# পৰিশিষ্ট

## পৰিশিষ্ট-I

(অধ্যায়-২ নিৰ্বাচনী আচৰণ বিধিৰ স্থিতি আৰু সম্ভাৱনা)

# ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসকলৰ মাৰ্গদৰ্শনৰ বাবে নিৰ্বাচনী আচৰণ বিধি

### I. সাধাৰণ আচৰণ বিধি

(i) কোনো দল বা প্ৰাৰ্থী, এনে কোনোধৰণৰ কামত লিপ্ত নহ'ব যিয়ে বিভিন্ন জাতি আৰু সমাজ, ধৰ্মীয় তথা ভাষিক গোষ্ঠীৰ মাজত পূৰ্বৰে পৰা থকা বিভেদক অধিক বঢ়াই তুলিব বা পাৰস্পৰিক হিংসাক গঢ় দিব।

(ii) বেলেগ ৰাজনৈতিক দলৰ সমালোচনা কৰোতে তেওঁলোকৰ আঁচনি আৰু কাৰ্যক্ৰম, পুৰণি অভিলেখ আৰু কৰ্মৰ মাজতে সীমাবদ্ধ হৈ থাকিব লাগিব। দল আৰু প্ৰাৰ্থীসমূহে আন দলৰ নেতা তথা কৰ্মীৰ সামাজিক কৰ্মৰ লগত জড়িত নথকা ব্যক্তিগত জীৱনৰ কোনো কথাতে সমালোচনা কৰিব নোৱাৰিব। অসত্যাপিত অভিযোগ বা বিকৃতিৰ ওপৰত ভিত্তি কৰি প্ৰতিদ্বন্দ্বী দল বা তেওঁলোকৰ কৰ্মীৰ সমালোচনা কৰাৰ পৰা বিৰত থাকিব লাগিব।

(iii) ভোট লাভৰ বাবে কোনোধৰণৰ জাতিগত বা সম্প্ৰদায়ৰ অনুভৱক ব্যৱহাৰ কৰিব নোৱাৰিব। মছজিদ, গীৰ্জা, মন্দিৰ তথা আন উপাসনাস্থলীসমূহক নিৰ্বাচনী প্ৰচাৰৰ বাবে উদ্দেশ্যেমূলক পৰিকল্পনাত ব্যৱহাৰ কৰিব নোৱাৰিব।

(iv) সকলো দল আৰু প্ৰাৰ্থীয়ে নিৰ্বাচনী আইনৰ অধীনত থকা 'দুৰ্নীতিমূলক কাম-কাজ' আৰু অপৰাধ যেনে ভোটাৰক উৎকোচ দিয়া, ভোটাৰক উত্তেজিত কৰা, ভোটাৰৰ ছদ্মবেশ ধৰা, ভোটগ্ৰহণ কেন্দ্ৰৰ পৰা ১০০ মিটাৰৰ ভিতৰত পদযাত্ৰা কৰা, ভোটগ্ৰহণ সমাপ্ত হোৱাৰ সময়লৈকে ৪৮ ঘণ্টাৰ আগৰে পৰা কোনোধৰণৰ সমূহীয়া সভা অনুষ্ঠিত কৰিব নোৱাৰিব, আৰু ভোটাৰক ভোটগ্ৰহণ কেন্দ্ৰলৈ অনা-নিয়া কৰাৰ খৰচ বহন কৰিব নোৱাৰিব।

(v) প্ৰতিজন ব্যক্তিৰ শান্তিপূৰ্ণ আৰু আমনিবিহীন ঘৰুৱা জীৱনক সন্মান জনাব লাগিব, তথাপি বহু ৰাজনৈতিক দল বা প্ৰাৰ্থীয়ে তেওঁৰ ৰাজনৈতিক মতাদৰ্শ বা কাম-কাজত বিৰক্তি দেখুৱাবও পাৰে। কোনো পৰিস্থিতিতেই তেওঁলোকৰ মতাদৰ্শ বা কাম-কাজৰ বিৰুদ্ধে ব্যক্তিজনৰ ঘৰৰ সন্মুখত প্ৰদৰ্শনী আয়োজন বা ধৰ্ণা দি প্ৰতিবাদ সাব্যস্ত কৰিব নোৱাৰিব।

(vi) কোনো ৰাজনৈতিক দল বা প্ৰাৰ্থীয়ে নিজৰ অনুগামীসকলক কোনো ব্যক্তিৰ অনুমতি অবিহনে তেওঁৰ মাটি, অট্টালিকা, চৌহদৰ দেৱাল আদিত পতাকা উত্তোলন, বেনাৰ ওলোমোৱা, জাননী আঠা লগোৱা, শ্ল'গান লিখন আদি কাম কৰিব নোৱাৰিব।

(vii) ৰাজনৈতিক দল বা প্ৰাৰ্থীসমূহে এইটো নিশ্চিত কৰিব লাগিব যে, তেওঁলোকৰ অনুগামীসকলে বেলেগ দলৰ দ্বাৰা অনুষ্ঠিত সভা বা শোভাযাত্ৰাত ব্যাঘাত জন্মাব নোৱাৰিব তথা ৰুদ্ধ কৰাব নোৱাৰিব। একোটা দলৰ কৰ্মী তথা অনুগামীসকলে আন এটা দলে আয়োজন কৰা ৰাজহুৱা সভাত মৌখিক প্ৰশ্নবান বা লিখিত প্ৰশ্ন দি বা নিজ দলৰ পত্ৰিকা বিতৰণ কৰি ব্যাঘাত জন্মাব নোৱাৰিব। এটা দলে সভা অনুষ্ঠিত কৰি থকা ঠাইত আন দলে শোভাযাত্ৰা কৰিব নোৱাৰিব। এটা দলে লগাই থোৱা পোষ্টাৰ আন দলৰ কৰ্মীয়ে আঁতৰাব নোৱাৰিব।

## II. সভা

(i) দল তথা প্ৰাৰ্থীয়ে প্ৰস্তাৱিত সভাৰ স্থান আৰু কালৰ তথ্য সময়মতে আৰক্ষীৰ হাতত জমা দিব লাগিব, যাতে আৰক্ষীয়ে যান-বাহন নিয়ন্ত্ৰণ কৰিব পাৰে আৰু শান্তি-শৃংখলা সুকলমে বজাই ৰাখিব পাৰে।

(ii) দল তথা প্ৰাৰ্থীয়ে এই কথা নিশ্চিত কৰি ল'ব লাগিব যে, প্ৰস্তাৱিত সভাৰ স্থানত কেনেবাকৈ কোনো নিষেধাজ্ঞা বা প্ৰতিবন্ধকতা জাৰি হৈ আছে নেকি আৰু যদি আছে, তেনেহ'লে তাক কঠোৰভাৱে মানি চলিব লাগিব আৰু যদি তেনে নিৰ্দেশনাৰ পৰা কোনোধৰণৰ অব্যাহতি লাগে, তেন্তে আবেদন কৰিব লাগিব আৰু যথা সময়ত সেই নিষেধাজ্ঞা উঠাই দিয়া হ'ব।

(iii) যদি কোনো প্ৰস্তাৱিত সভাত লাউডস্পীকাৰ তথা কোনো সুবিধা গ্ৰহণ কৰিবলৈ হয়, তেন্তে প্ৰশাসনক আগতীয়াকৈ আবেদন কৰিব লাগিব আৰু তাৰ অনুজ্ঞাপত্ৰ বা অনুমতি আগতীয়াকৈ গ্ৰহণ কৰিব লাগিব।

(iv) সভাৰ আয়োজক সমিতিয়ে সভাত ব্যাঘাত জন্মাব খোজা বা বিপথে পৰিচালিত কৰিব খোজা দুষ্কৃতিকাৰীক ৰুদ্ধ কৰিবলৈ আৰক্ষীৰ সহায় বিচাৰিব লাগিব। তেনে ব্যক্তিৰ বিৰুদ্ধে আয়োজকে নিজাকৈ কোনো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিব।

## III. শোভাযাত্ৰা

(i) শোভাযাত্ৰাৰ আৰম্ভণিৰ সময় আৰু স্থান, যাবলগীয়া পথ আৰু শেষ হোৱাৰ স্থান আৰু সময় আগতীয়াকৈ দল তথা প্ৰাৰ্থীয়ে নিশ্চিত কৰিব লাগিব। অনুষ্ঠানৰ পৰা সামান্য বিচ্যুতিহে বাঞ্চনীয়।

(ii) আয়োজকে আগতীয়াকৈ আৰক্ষী প্ৰশাসনক অনুষ্ঠানটোৰ বিষয়ে জনাব লাগিব, যাতে তেওঁলোকে আৱশ্যকীয় যা-যোগাৰখিনি কৰিবলৈ সামৰ্থ্য হয়।

(iii) দল তথা প্ৰাৰ্থীয়ে এই কথা নিশ্চিত কৰি ল'ব লাগিব যে, প্ৰস্তাৱিত সভাৰ স্থানত কেনেবাকৈ কোনো নিষেধাজ্ঞা বা প্ৰতিবন্ধকতা জাৰি হৈ আছে নেকি আৰু যদি আছে আৰু প্ৰশাসনে জৰুৰীকালীনভাৱে সেয়া উঠাই লোৱা নাই, তেনেহ'লে তাক কঠোৰভাৱে মানি চলিব লাগিব। যিকোনো ধৰণৰ যান-বাহন আৰক্ষীৰ নিয়ম বা নিষেধাজ্ঞাসমূহ সাৱধানেৰে মানি চলিব লাগিব।

(iv) যাতায়াতত যাতে কোনোধৰণৰ বাধা আহি নপৰে তাৰ বাবে আয়োজকে আগতীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। যদি শোভাযাত্ৰা বহুত দীঘলীয়া হয়, তেন্তে ইয়াক প্ৰয়োজন অনুসৰি পৃথক পৃথক কৰি সজাই লোৱা হ'ব, যাতে শোভাযাত্ৰাটোৱে ৰাস্তা পাৰ হওঁতে যান-বাহন নিয়ম মানি কোনো যান-জঁট সৃষ্টি নোহোৱাকৈ পাৰ হৈ যায়।

(v) শোভাযাত্ৰাসমূহ ইমানেই নিয়ন্ত্ৰণ কৰিব লাগিব, যাতে যিমান পাৰি সিমান ৰাস্তাৰ সোঁহাতে শোভাযাত্ৰাটো হয় আৰু দায়িত্বত থকা আৰক্ষী বিষয়াৰ উপদেশ আখৰে আখৰে পালন কৰিব লাগিব।

(vi) যদি দুটা বা ততোধিক ৰাজনৈতিক দলে একেটা পথতে বা তাৰ কিয়দংশত শোভাযাত্ৰাৰ প্ৰস্তাৱ কৰে, তেন্তে আয়োজকে আগতীয়াকৈ যোগাযোগ কৰি প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব লাগিব, যাতে দুয়োটা শোভাযাত্ৰা মুখামুখি নহয় আৰু তাৰ বাবে যাতে অযথা যান-জঁটৰ সৃষ্টি নহয়। দুয়োপক্ষক সন্তোষজনক স্থিতিত আনিবলৈ আৰক্ষী প্ৰশাসনে সহায় কৰিব। এইক্ষেত্ৰত আয়োজকে অতি সোনকালে আগতীয়াকৈ আৰক্ষীক জনাব লাগিব।

(vii) ৰাজনৈতিক দল তথা প্ৰাৰ্থীসমূহে যিমান পাৰি সিমান পৰ্যায়লৈকে এইটো নিশ্চিত কৰিব লাগিব যে কোনো মানুহে যাতে শোভাযাত্ৰাত যাওঁতে এনে কোনো বস্তু হাতত লৈ নাযায়, যিবোৰ উত্তেজিত সময়ত অসৎ ব্যৱহাৰ হ'ব পাৰে।

(viii) প্ৰতিদ্বন্দী ৰাজনৈতিক দল বা তাৰ নেতাৰ প্ৰতিকৃতি লৈ শোভাযাত্ৰা কৰা, তাক ৰাজহুৱাভাৱে দহন কৰা আৰু তেনেধৰণৰ বেলেগ কিবা প্ৰদৰ্শন কোনো ৰাজনৈতিক দল তথা প্ৰাৰ্থীয়ে কৰিব নোৱাৰিব।

## IV. ভোটগ্ৰহণৰ দিন

সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীয়ে--

(i) শান্তিপূৰ্ণ আৰু শৃংখলাবদ্ধ ভোটগ্ৰহণ আৰু ভোটাৰক স্বতন্ত্ৰভাৱে নিজৰ মত কোনো হেঙাৰ বা বাধা নোহোৱাকৈ প্ৰকাশ কৰিবলৈ দিব পৰা কৰিবলৈ দায়িত্বত থকা নিৰ্বাচনী বিষয়াক সম্পূৰ্ণ সহযোগিতা কৰিব।

(ii) তেওঁলোকৰ পঞ্জীয়নভুক্ত কৰ্মীক প্ৰয়োজনীয় বেজ বা পৰিচয় পত্ৰ প্ৰদান কৰিব।

(iii) ভোটাৰক যোগান ধৰা ভোটাৰ শ্লিপ বগা কাগজত হ'ব লাগিব আৰু তাত কোনো চিহ্ন বা

প্ৰাৰ্থীৰ নাম বা দলৰ নাম থাকিব নোৱাৰিব।

(iv) ভোটগ্ৰহণৰ দিনা আৰু ভোটগ্ৰহণ হোৱাৰ ৪৮ ঘণ্টাৰ আগৰে পৰা ভোটাৰক কোনোধৰণৰ মদ্যপানৰ যোগান ধৰিব নোৱাৰিব।

(v) ভোটগ্ৰহণ কেন্দ্ৰৰ ওচৰত স্থাপন কৰা শিবিৰ আৰু ভোটগ্ৰহণ কেন্দ্ৰৰ ওচৰত মানুহৰ ভিৰ হ'বলৈ দিব নোৱাৰিব, যাতে প্ৰাৰ্থী বা দলৰ কৰ্মী তথা অনুগামীসকলৰ মাজত ঠেলা-হেঁচা বা উত্তেজনাৰ সৃষ্টিৰ পৰা আঁতৰি থাকিব পৰা যায়।

(vi) নিশ্চিত কৰিব লাগিব যাতে প্ৰাৰ্থীৰ শিবিৰসমূহ সাধাৰণ হয়। তাত কোনোধৰণৰ পোষ্টাৰ, নিচান, চিহ্ন বা প্ৰচাৰৰ লগত জড়িত সামগ্ৰী ৰাখিব নোৱাৰিব। শিবিৰসমূহত কোনোধৰণৰ খাদ্য সামগ্ৰীৰ বিতৰণ বা মানুহৰ ভিৰ হ'বলৈ অনুমতি দিয়া নহ'ব।

(vii) ভোটদানৰ দিনা যান-বাহনত প্ৰদৰ্শনৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা পালন কৰাৰ ক্ষেত্ৰত কৰ্তৃপক্ষক সম্পূৰ্ণ সহযোগ কৰিব আৰু সেই বাহনসমূহত কি কি প্ৰদৰ্শিত হ'ব তাৰ বাবে অনুমতি গ্ৰহণ কৰিব লাগিব।

## V. ভোটকেন্দ্ৰ

ভোটাৰৰ বাহিৰে নিৰ্বাচনী আয়োগৰ বৈধ অনুজ্ঞাপত্ৰ অবিহনে কোনো ভোটকেন্দ্ৰৰ ভিতৰলৈ সোমাব নোৱাৰিব।

## VI. পৰ্যবেক্ষক

নিৰ্বাচনী আয়োগে পৰিদৰ্শকৰ নিযুক্তি দিব, যদি প্ৰাৰ্থী বা তেওঁলোকৰ কৰ্মীৰ হাতত যদি নিৰ্বাচনকেন্দ্ৰিক কিবা অভিযোগ বা অসুবিধা থাকে, তেন্তে তেওঁলোকে পৰিদৰ্শকৰ ওচৰলৈ ইয়াক লৈ যাব পাৰে।

## VII. শাসনাধিষ্ঠিত দল

কেন্দ্ৰ বা ৰাজ্যৰ যিকোনো শাসনাধিষ্ঠিত দলে এইটো নিশ্চিত কৰিব লাগিব যে তেওঁলোকে নিৰ্বাচনী লাভালাভৰ বাবে তেওঁলোকৰ আধিকাৰীক ক্ষমতা ব্যৱহাৰ নকৰে আৰু বিশেষকৈ—

(i) (ক) মন্ত্ৰীসমূহে তেওঁলোকৰ আধিকাৰীক দৰ্শন আৰু নিৰ্বাচনী কাম-কাজৰ ওপৰা-উপৰি কৰিব নোৱাৰিব আৰু নিৰ্বাচনী কাম-কাজত আধিকাৰীক ক্ষমতা তথা ব্যক্তিবিশেষক ব্যৱহাৰ কৰিব নোৱাৰিব।

(খ) চৰকাৰী পৰিবহণ যেনে— আধিকাৰীক বিমান, বাহন, যন্ত্ৰপাতি আৰু ব্যক্তিবিশেষক শাসনাধিষ্ঠিত দলৰ সুবিধাৰ অৰ্থে ব্যৱহাৰ কৰিব নোৱাৰিব।

(ii) ৰাজহুৱা স্থান যেনে— ময়দান ইত্যাদিক নিৰ্বাচনী সভা পতা, হেলিপেড বনোৱা ইত্যাদি

নিৰ্বাচনৰ লগত জড়িত কাম-কাজত ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত একাধিকাৰ কৰিব নোৱাৰিব। অন্য দল বা প্ৰাৰ্থীকো সেইসমূহ স্থান শাসনাধিষ্ঠিত দলৰ দৰে একেই চৰ্তসাপেক্ষে ব্যৱহাৰ কৰিবলৈ দিব লাগিব।

(iii) আশ্ৰয় গৃহ, ডাক বাংলো বা অন্য চৰকাৰী বাসস্থান ব্যৱহাৰৰ ক্ষেত্ৰত শাসনাধিষ্ঠিত দলৰ একাধিকাৰ থাকিব নোৱাৰিব আৰু অন্য দলৰ মানুহকো সেই সুবিধা গ্ৰহণ কৰিবলৈ দিব লাগিব। কিন্তু কোনো দল নতুবা প্ৰাৰ্থীয়ে তাক নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয় বা নিৰ্বাচনী প্ৰচাৰৰ বাবে ৰাজহুৱা সভাৰ স্থান হিচাপে ব্যৱহাৰ কৰিব নোৱাৰিব।

(iv) ৰাজহুৱা ধনেৰে বাতৰি কাকত বা বেলেগ কোনো মাধ্যমত প্ৰচাৰ চলাব নোৱাৰিব বা নিৰ্বাচনৰ সময়ত চৰকাৰী গণমাধ্যমৰ যোগেদি নিৰ্বাচনী লাভালাভৰ বাবে ৰাজনৈতিক বাতৰি আৰু দলৰ ভাৱমূৰ্তি উন্নত কৰিবলৈ দলৰ কৃতিত্ববোৰৰ প্ৰচাৰ সমুলঞ্চেও কৰিব নোৱাৰিব।

(v) মন্ত্ৰী আৰু আন কৰ্তৃপক্ষই বিভাগীয় নিধিৰ ধন নিৰ্বাচনী আয়োগে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছৰ সময়ত মোকোলাই দিব নোৱাৰিব।

(vi) আয়োগে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতেই মন্ত্ৰী আৰু আন বিষয়ববীয়াই তলত উল্লিখিত কামসমূহ কৰিব নোৱাৰিব—

(ক) কোনোধৰণৰ আৰ্থিক সাহায্যৰ কথা ঘোষণা কৰিব নোৱাৰিব।

(খ) কোনোধৰণৰ প্ৰকল্প বা আঁচনিৰ আধাৰশিলা স্থাপন কৰিব নোৱাৰিব (অসামৰিক বিষয়াৰ বাদে)।

(গ) ৰাস্তা নিৰ্মাণ, খোৱাপানীৰ যোগান ইত্যাদি প্ৰতিশ্ৰুতি দিব নোৱাৰিব।

(ঘ) চৰকাৰ বা ৰাজহুৱা প্ৰতিষ্ঠানত কোনোধৰণৰ নিযুক্তি প্ৰদান কৰিব নোৱাৰিব, যিয়ে শাসনাধিষ্ঠিত দলৰ প্ৰতি ভোটাৰক প্ৰভাৱিত কৰাৰ স্থল ৰাখিব।

**টোকা ঃ** আয়োগে নিৰ্বাচনৰ লগত জড়িত অধিসূচনা যিকোনো নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ আগেয়ে আটাইতকৈ বেছি তিনি সপ্তাহৰ ভিতৰত জাৰি কৰিব।

(vii) কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ মন্ত্ৰীয়ে কোনো ভোটকেন্দ্ৰ বা ভোটগণনা কেন্দ্ৰত সোমাব নোৱাৰিব। (সাধাৰণ ভোটাৰ বা প্ৰাৰ্থী বা বৈধ এজেণ্ট হিচাপে সোমোৱাৰ বাহিৰে)

## VIII. নিৰ্বাচনী ইস্তাহাৰৰ বিষয়ে নিৰ্দেশনা

১। উচ্চতম ন্যায়ালয়ে ৫ জুলাই, ২০১৩ ত এচ. এল.পি (চি) নং ২১৪৫৫, ২০০৮ (এছ. সুব্ৰমণিয়াম বালাজি বনাম তামিলনাডু চৰকাৰ আৰু অন্যান্য) গোচৰৰ শুনানিত নিৰ্বাচনী আয়োগক সকলো ৰাজনৈতিক দলৰ লগত আলোচনা কৰি নিৰ্বাচনী ইস্তাহাৰ সম্বন্ধে নিৰ্দেশনা জাৰি কৰিবলৈ নিৰ্দেশ দিয়ে। তলত শুনানিটোৰ পৰা তেনেধৰণৰ নিৰ্দেশনা

প্ৰস্তুত কৰিবলৈ থকা নীতি-নিৰ্দেশনাবোৰ তলত উল্লেখ কৰা হ'ল—

(i) যদিও, আইন মতে আৰপি আইনৰ ১২৩ ধাৰাৰ অধীনত নিৰ্বাচনী ইস্তাহাৰৰ প্ৰতিশ্ৰুতিবোৰক 'অবৈধ কাৰ্যকলাপ' বুলি ক'ব নোৱাৰি, তথাপি আচল কথাটো নুই কৰিব নোৱাৰি যে যিকোনো ধৰণৰ বিনামূলীয়া বস্তু বা সেৱাৰ কথাই মানুহক মোহিত কৰিব পাৰে আৰু ই মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচনৰ শিপাক বহুমাত্ৰাই প্ৰভাৱিত কৰে।

(ii) নিৰ্বাচনী আয়োগে, প্ৰতিদ্বন্দী দল আৰু প্ৰাৰ্থীসমূহৰ মাজত সমান প্ৰতিদ্বন্দ্বিতা নিশ্চিত কৰিবৰ বাবে আৰু কোনো দলে যাতে আগতে উল্লেখ কৰা নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰি নিৰ্বাচনী প্ৰক্ৰিয়া বিকৃত কৰিব নোৱাৰে তাক লক্ষ্য কৰিব। নিৰ্বাচনী আয়োগে এই আদেশসমূহ সংবিধানৰ ৩২৪ অনুচ্ছেদৰ অধীনত বলৱৎ কৰিব যিয়ে আয়োগক মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰাৰ দায়িত্ব অৰ্পণ কৰিছে।

(iii) আমি এই কথাষাৰত গুৰুত্ব দিছো যে, সাধাৰণতে ৰাজনৈতিক দলসমূহে নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ আগে আগে নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰে, সেই ক্ষেত্ৰত, কঠোৰভাৱে কোৱা হৈছে যে, নিৰ্বাচনী আয়োগৰ হাতত নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ আগেয়ে কৰা যিকোনো কাম পৰ্যালোচনা কৰাৰ কৰ্তৃত্ব নাথাকিব। তৎসত্বেও, এই ক্ষেত্ৰত এটা ব্যতিক্ৰম কৰিব পাৰি কিয়নো নিৰ্বাচনী ইস্তাহাৰখন নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে পোনপটীয়াকৈ জড়িত হৈ থাকে।

২। মাননীয় উচ্চতম ন্যায়ালয়ৰ উপৰোক্ত নিৰ্দেশনা লাভ কৰাৰ পাছত, নিৰ্বাচনী আয়োগে প্ৰতিষ্ঠিত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ৰাজনৈতিক দলসমূহৰ সৈতে বিষয়টোৰ সন্দৰ্ভত আলোচনা কৰিবলৈ এখন সভাত মিলিত হয় আৰু বিষয়টোৰ ওপৰত তেওঁলোকৰ মত-অমতসমূহ টুকি ৰাখে। আলোচনাৰ সময়ত, কিছুমান ৰাজনৈতিক দলে এনেবোৰ নিৰ্দেশনা জাৰি কৰা সমৰ্থন কৰে আৰু আনহাতে আন কিছুমান দলে ভাবে যে এখন সুস্থ গণতান্ত্ৰিক নিৰ্বাচনী ইস্তাহাৰত ভোটাৰসকলক এনেকুৱা অফাৰ আৰু প্ৰতিশ্ৰুতি দিয়াটো তেওঁলোকৰ অধিকাৰ আৰু কৰ্তব্য। আয়োগে এইটো ভাবৰ লগত সন্মত যে ইস্তাহাৰ উলিওৱাটো ৰাজনৈতিক দলসমূহৰ অধিকাৰ, কিন্তু আয়োগে শুদ্ধ আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত আৰু সকলো ৰাজনৈতিক দলক আৰু প্ৰত্যাশিক এখন উমৈহতীয়া মঞ্চ দিয়াৰ ক্ষেত্ৰত অবাঞ্চনীয় কিছু ঘটনাৰ সন্দেহক নুই কৰিব নোৱাৰে।

৩। সংবিধানে অনুচ্ছেদ ৩২৪ ৰ অধীনত নিৰ্বাচনী আয়োগক আন কামবোৰৰ মাজত সদন আৰু ৰাজ্যিক বিধনাসভাবোৰৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ অধ্যাদেশ দিছে। সেয়েহে উচ্চতম ন্যায়ালয়ৰ উপৰোক্ত নিৰ্দেশক মান্য কৰি আৰু ৰাজনৈতিক দলসমূহৰ সৈতে আলোচনা কৰা পাছত আয়োগে শুদ্ধ আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰাৰ হেতু ৰাজনৈতিক দল

আৰু প্ৰত্যাশিসমূহক এইটো নিৰ্দেশ দিছে যে তেওঁলোকে যিকোনো সদন বা ৰাজ্যিক বিধানসভাৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰাৰ ক্ষেত্ৰত তলৰ নিয়মাৱলী মানি চলিব—

(i) নিৰ্বাচনী ইস্তাহাৰখনত সংবিধানৰ আদৰ্শ আৰু সিদ্ধান্তৰ প্ৰতিকূল কোনো কথা থাকিব নোৱাৰিব আৰু ই নিৰ্বাচনী আচৰণ বিধিৰ সংগত হব।

(ii) সংবিধানত অন্তৰ্গত ৰাজ্যিক আদৰ্শ নীতিৰ আদেশানুসাৰে ৰাজ্যই নিজৰ নাগৰিকসকলৰ বাবে ভিন্নপ্ৰকাৰৰ জনহিতৈষী পদক্ষেপ ল'ব আৰু সেয়েহে ইস্তাহাৰত এনে কথা দিয়াৰ বিপক্ষে কোনো আপত্তি নাই। কিন্তু, ৰাজনৈতিক দলবোৰে নিৰ্বাচনী প্ৰক্ৰিয়াটোৰ পবিত্ৰতা নষ্ট কৰিব পৰা বা মতাধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত অবাঞ্চিত প্ৰভাৱ পেলাব পৰা ধৰণৰ কথা দিয়াৰ পৰা বিৰত থকা উচিত।

(iii) স্বচ্ছ, সাম্য নিৰ্বাচনী যুঁজ আৰু দিয়া কথাৰ মান্যতা ৰখাৰ বাবে ইস্তাহাৰখনত কথাবোৰৰ যুক্তিসংগত বিচাৰ আৰু ইয়াৰ বিত্তীয় উৎসবোৰৰ আলোচনা অন্তৰ্ভুক্ত থকাটো কাম্য। মতদাতাসকলক কেৱল মাত্ৰ সেইবোৰ কথাৰ ওপৰতহে ভোট খোজা উচিত, যিবোৰ পূৰণ কৰাটো সম্ভৱপৰ।

# পৰিশিষ্ট-II

(অধ্যায়-৩ নিৰ্বাচনী আচৰণ বলৱৎ)

ভাৰত চৰকাৰ কেবিনেট সচিব, ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুখ্য সচিব আৰু মুখ্য নিৰ্বাচন বিষয়ালৈ ইচিআই পত্ৰ নং ৪৩৭/৬/আইএনএছটি/২০০৮-চিচিএণ্ডবিই তাৰিখ ঃ ১৯ মাৰ্চ, ২০০৯

**বিষয় ঃ আয়োগ, নিগম আৰু সমিতি আদিত নিৰ্বাচনী আচৰণ বিধিৰ প্ৰযোজ্যতা**

নিৰ্দেশমৰ্মে মই এইটো জনাওঁ যে, আয়োগৰ নিৰ্বাচনী আচৰণ বিধি সকলো প্ৰতিষ্ঠান/সমিতি, নিগম/আয়োগ আদি যিবোৰ সম্পূৰ্ণ বা আংশিকভাবে কেন্দ্ৰীয় বা যিকোনো ৰাজ্য চৰকাৰৰ দ্বাৰা পৰিচালিত হৈ যেনে— কমনৱেল্থ খেল আয়োজক সমিতি, ডিডিএ, বিদ্যুৎ নিয়ন্ত্ৰণ আয়োগ, জল ব'ৰ্ড, পৰিবহণ নিগম অথবা যিকোনো উন্নয়ন প্ৰাধিকৰণ আদি। ৰাজনৈতিক দল আৰু প্ৰত্যাশিসকলৰ বাবে থকা নিৰ্বাচনী আচৰণ বিধিৰ যিকোনো নিয়মৰ উলংঘা অথবা তেওঁলোকৰ যিকোনো উপলব্ধি বা নতুন আঁচনি, অনুবৃত্তিৰ বিজ্ঞাপন প্ৰকাশ কৰা কাৰ্যও আচৰণ বিধি উলংঘা কৰা বুলি গণ্য কৰা হ'ব।

# পৰিশিষ্ট-III

(অধ্যায়-৩ নিৰ্বাচনী আচৰণ বলৱৎ)

ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচন বিষয়ালৈ ইচিআই পত্ৰ নং৪৩৭/৬/আইএনএছটি/২০১৪-চিচিএণ্ডবিই তাৰিখ ঃ ২৬.০৪.২০১৪ সকলো

**বিষয় ঃ ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ বাদে আন লোকৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্য**

বিভিন্ন উৎসৰ পৰা আয়োগে অভিযোগ লাভ কৰিছিল যে কিছুমান সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠান আৰু গোটে ভোটাৰৰ মাজত একাংশ প্ৰাৰ্থীৰ সপক্ষে বা বিপক্ষে ভিন্ন সভা, যোগ শিবিৰ, শোভাযাত্ৰাৰ জৰিয়তে প্ৰচাৰ কাৰ্য চলাই আছে। এই অভিযোগবোৰে এইটোও আঙুলিয়াই দিয়ে যে এই অনুষ্ঠানবোৰে ভোটাৰসকলৰ ধাৰ্মিক চেতনাকো প্ৰচাৰ কাৰ্যৰ বাবে ব্যৱহাৰ কৰিছে।

২। আয়োগে উক্ত বিষয়টো অনুধাৱন কৰি ৰাজনৈতিক দল/প্ৰাৰ্থীৰ বাদে আন লোকৰ প্ৰচাৰ কাৰ্যৰ ক্ষেত্ৰত, নিৰ্বাচনী আচৰণবিধি বলৱৎ হৈ থকা সময়ত মানি চলিবলগীয়া নিম্নলিখিত নিয়মাৱলী উল্লেখ কৰিছেঃ

(i) ধৰ্ম বা ধৰ্মীয় চেতনা অথবা ভিন্ন গোটৰ মানুহৰ মাজত অশান্তি সৃষ্টি কৰিব পৰা যিকোনো কাম তেওঁলোকে কৰিব নোৱাৰিব। উক্ত কাৰ্যবোৰ আইনৰ ভিন্ন নিয়ম যেনে ভাগ ১২৫, পাব্লিক আইন, ১৯৫১ৰ ধাৰা ১৫৩এ, ১৫৩বি, ১৭১চি, ২৯৫এ,৫০৫(২) ভাৰতীয় পেনেল কোড আৰু ধাৰ্মিক অনুষ্ঠান (অপব্যৱহাৰৰ প্ৰতিৰোধ) আইনৰ অধীনত দণ্ডনীয়।

(ii) কোনো লোকৰ ব্যক্তিগত জীৱনত হানি হ'ব পৰা অথবা শিষ্টাচাৰ বা নৈতিক ক্ষতি হ'ব পৰা কোনো কাম বা কথাত লিপ্ত হ'ব নোৱাৰিব।

(iii) যেতিয়া কোনোবা ব্যক্তি অথবা প্ৰতিষ্ঠানে এনেধৰণৰ সভা অনুষ্ঠিত কৰিবলৈ অনুমতি বিচাৰে, তেওঁলোকৰ পৰা ওপৰোক্ত নিয়মবোৰ মানি চলিব বুলি এখন ঘোষণা/উপক্ৰম বিচৰা হওক।

[i] এনেকুৱা লোকসকলৰ আৰু প্ৰতিষ্ঠানসমূহৰ সাৰ্বজনীক অনুষ্ঠানসমূহ ভিডিঅ'গ্ৰাফিৰ দ্বাৰা ভালকৈ অনুসৰণ কৰা উচিত। যদি কোনোবাই উপৰোক্ত নিয়মাৱলীৰ উলংঘা কৰে তেতিয়া ৰাজ্যিক আৰু জিলা প্ৰশাসনে উপযুক্ত পদক্ষেপ আৰু

শাস্তিমূলক ব্যৱস্থা লোৱা উচিত। তদুপৰি, জিলা প্ৰশাসনে এইটো নিশ্চিত কৰিব যে যিসকল লোকে নিয়মৰ উলংঘা কৰিছে তেওঁলোকক সেইটো নিৰ্বাচনৰ বাবে পুনৰ কোনোধৰণৰ কাৰ্যক্ৰম অনুষ্ঠিত কৰাৰ অনুমতি দিয়া নহ'ব।

[ii] যদি কাৰ্যক্ৰমটোত টকা খৰচ কৰা হয় আৰু প্ৰত্যক্ষভাৱে প্ৰত্যাশিৰ নিৰ্বাচনীয় প্ৰচাৰত ব্যৱহাৰ হয় তেন্তে প্ৰত্যাশিজনৰ তৰফৰ পৰা ধাৰা ১৭১এইচ আই পি চি ৰ অধীনত ইয়াৰ বাবে আগতীয়া লিখিত অনুমোদন ল'ব লাগিব আৰু ইয়াৰ মুখ্য জিলা নিৰ্বাচনী বিষয়াৰ ওচৰত ৪৮ ঘণ্টাৰ ভিতৰত দাখিল কৰিব লাগিব। উক্ত নিয়মৰ উলংঘনে ব্যক্তি বিশেষক আইনৰ আওতালৈ আনিব।

৩। এই নিয়মাৱলীসমূহ সকলো ৰাজ্যিক/কেন্দ্ৰীয়শাসিত অঞ্চলৰ নিৰ্বাচনী বিষয়াৰ নজৰলৈ অনা হওক। সকলোৰে সুবিধাৰ বাবে ইয়াৰ বহুল প্ৰচাৰৰও ব্যৱস্থা কৰিব পৰা যায়।

# পৰিশিষ্ট-IV

(অধ্যায়-৪ নিৰ্বাচনী আচৰণ বিধি বলৱৎৰ বাবে নিৰ্বাচনী আয়োগৰ বিশেষ পদক্ষেপ)

সকলো স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ৰাজনৈতিক দলৰ সভাপতি/সম্পাদক/সাধাৰণ সম্পাদকলৈ ইচিআই পত্ৰ নং ৪৩৭/৬/২০১৭ (পলিচি) তাৰিখ ১০ জানুৱাৰী, ২০১৭ । সকলো ৰাজ্য/কেন্দ্ৰীয়শাসিত অঞ্চলৰ চিইঅ'লৈ কাৰ্যকৰীকৰণৰ বাবে প্ৰতিলিপি।

**বিষয় ঃ বিধানসভা নিৰ্বাচন ২০১৭-এম চি চি- আৰ ই জি (প্ৰসংগ)**

আপুনি নিশ্চয় অৱগত যে এম চি চি আৰু আই পি চি ৰ ভিন্ন নিয়মে আন বিষয়সমূহৰ লগতে কয় যে ৰাজনৈতিক দলসমূহ আৰু তাৰ নেতাসকলে সমাজৰ ভিন্ন গোটসমূহৰ মাজত অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ হ'ব পৰা ধাৰ্মিক উক্তি প্ৰদানৰ পৰা বিৰত থকা যিহেতু সামাজিক শান্তি আৰু সম্প্ৰীতি নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে অনিবাৰ্য। দেশৰ সৰ্বোচ্চ ন্যায়ালয়েও নিজৰ ০২.০১.২০১৭ চিভিল আপীল সংখ্যা ১৯৯২ ৰ ৩৭ (অভিৰাম সিংহ বনাম চি. দি. কমাছেন) আৰু চিভিল আপীল সংখ্যা ১৯৯৫ ৰ ৮৩৩৯ৰ ৰায়ত এই বিষয়ে চিন্তা ব্যক্ত কৰিছে ।

যদি আইনৰ নিয়মবোৰ বা এম চি চি উলংঘা কৰা হয় তেতিয়াহ'লে আয়োগ নিৰ্বাক দৰ্শক হৈ নাথাকিব আৰু কোনো দণ্ডপ্ৰাপ্তিৰ পৰা মুক্ত হৈ নাথাকিব। যিকোনো উলংঘনৰ ক্ষেত্ৰত আয়োগে নিজৰ সকলো শক্তি প্ৰয়োগ কৰি শাস্তিমূলক ব্যৱস্থা ল'ব।

# পৰিশিষ্ট -V

(অধ্যায়-৪ নিৰ্বাচনী আচৰণ বিধি বলৱৎৰ বাবে নিৰ্বাচনী আয়োগৰ বিশেষ পদক্ষেপ )

সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুখ্য সচিব আৰু নিৰ্বাচনী বিষয়া নিৰ্বাচন বিষয়াক আয়োগৰ পত্ৰ নং ৪৬৪/আই এন এছ টি/২০০৭-পি এল এন- আই, তাৰিখ - ০৭/০১/০৭ সম্বোধন কৰা হৈছে।

**বিষয় ঃ আচৰণ বিধি - প্ৰযোজ্য কৰা আৰু নকৰা**

আয়োগে সময়ে সময়ে আচৰণ বিধি পালনৰ ওপৰত বিভিন্ন নিৰ্দেশনা জাৰি কৰিছে। আচৰণ বিধিৰ গুৰুত্বপূৰ্ণ দিশবোৰ পুনৰাবৃত্ত কৰা হ'ল —

**কল্যাণকামী আঁচনি আৰু চৰকাৰী কাৰ্যৰ ওপৰত ঃ**

১। নতুন প্ৰকল্প বা কাৰ্যসূচী বা ৰেহাই বা বিত্তীয় অনুদান ঘোষণা, যিকোনো ৰূপত বা প্ৰতিশ্ৰুতি বা আধাৰশিলা স্থাপন কৰা ইত্যাদি কাৰ্যবোৰ ক্ষমতাত থকা দলে নিজৰ পক্ষত ভোটাধিকাৰ সকলক প্ৰভাৱিত কৰাৰ কাৰ্য নিষিদ্ধ।

২। এই প্ৰতিবন্ধকতাসমূহ নতুন আঁচনি আৰু চলি থকা আঁচনিবোৰৰ বাবেও সমানে প্ৰযোজ্য হয়। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে ৰাষ্ট্ৰীয়, আঞ্চলিক আৰু ৰাজ্যিক উপযোগিতা আঁচনিৰ ক্ষেত্ৰত, যিবোৰ ইতিমধ্যে সম্পূৰ্ণ হোৱাৰ পৰ্যালয়লৈ আগবাঢ়িছে, তাৰ ব্যৱহাৰ বাব ৰাজহুৱা স্বাৰ্থত কৰা কাৰ্য বন্ধ বা বিলম্ব কৰিব লাগে। আদৰ্শ আচৰণবিধিৰ বলৱৎ ইয়াৰ বাবে অজুহাত হিচাপে দিব নোৱাৰি, এনে আঁচনিবোৰ আৰম্ভ নকৰা বা স্থগিত ৰাখিবলৈ নিৰ্দেশ নিদিয়া। একেটা সময়তে এইটো নিশ্চিত কৰিব লাগে যে বিভিন্ন আঁচনিসমূহ সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰিচালনাত হয় আৰু ইয়াৰ ৰাজনৈতিক দলৰ কৰ্মীক যুক্ত কৰা নহয় আৰু আঁচনিসমূহৰ বাবে যিকোনো সমৰ্থক মেলা আৰু সমাৰোহ অনুষ্ঠিত কৰিবলৈ দিয়া নহয়। যাতে শাসক পক্ষই ভোটাৰক প্ৰভাৱিত কৰিবলৈ চেষ্টা চলোৱাৰ কোনো ধাৰণাৰ সৃষ্টি নহয়। যদি সন্দেহ থাকে ইয়াৰ বাবে ভাৰতৰ মুখ্য নিৰ্বাচনী বিষয়া/নিৰ্বাচন আয়োগে এক স্পষ্টীকৰণ বিচাৰিব লাগে ।

৩। এইটো আৰু স্পষ্ট কৰা হৈছে যে বাজেটত উল্লেখ কৰা যিকোনো বিশেষ আঁচনি বা আঁচনি যিসকলক পূৰ্বতে অনুমোদন কৰা হৈছে বা বাজেট ৰাজ্যপালৰ ভাষণত এনে আঁচনিয়ে স্থান পাইছিল বা বাজেটৰ সময়ত মন্ত্ৰীয়ে স্বতঃস্ফূৰ্তভাৱে এনে আঁচনি ৰূপায়ন বা ঘোষণাৰ কথা উল্লেখ কৰা নাছিল তেন্তে নিৰ্বাচনৰ পূৰ্বে আদৰ্শ আচৰণ বিধি বলৱৎ হৈ থকাৰ সময়ত

এনে আঁচনিৰ ঘোষণা ভোটাৰক প্ৰভাৱিত কৰাৰ বাবে কৰাটো স্পষ্টৰূপে ওলাই পৰে। এনে কাৰ্যবোৰ যদি কৰা হয় তেনেহ'লে আদৰ্শ আঁচৰণবিধি উলংঘা কৰা বুলি গণ্য কৰা হ'ব।

৪। চৰকাৰী আঁচনিৰ বাবে কোনো নতুন নিষেধাজ্ঞা জাৰি কৰিব নালাগে। ৰাজৈনতিক কাৰ্যবাহী (মন্ত্ৰী আদি)ৰ দ্বাৰা সমীক্ষা আৰু হিতাধিকাৰীমুখী আঁচনি প্ৰক্ৰিয়াকৰণ, যদি চলি আছে, নিৰ্বাচন সম্পূৰ্ণ নোহোৱালৈকে বন্ধ কৰিব লাগে। ৰাজ্যৰ যিবোৰ অংশত নিৰ্বাচন চলি আছে তাত কল্যাণকামী আঁচনিৰ বাবে আয়োগৰ পৰা আগতীয়াকৈ অনুমোদন নোলোৱাকৈ নতুনকৈ পুঁজি মুকলি কৰিব নালাগে। এই কামসমূহৰ ভিতৰত সাংসদ পুঁজিৰ অধীনত কাম-কাজ অন্তৰ্ভুক্ত আছে (ৰাজ্য সভাৰ সদস্যসকল), স্থানীয় এলেকা উন্নয়ন পুঁজি বা বিধায়ক/এমএলচি স্থানীয় এলেকা পুঁজি, যদি এনেবোৰ কোনো আঁচনি ৰাজ্যত কাৰ্যকৰী হৈ আছে।

৫। আদৰ্শ বিধি কাৰ্যকৰী হোৱাৰ আগতে আদেশ প্ৰদান কৰিলেও যদি কাৰ্যক্ষেত্ৰত কাম আৰম্ভ হোৱা নাছিল, তেন্তে তেনে কাম আৰম্ভ কৰিব নোৱাৰিব। এই কামবোৰ নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছতহে আৰম্ভ কৰিব পাৰিব। অৱশ্যে যদি কামটো প্ৰকৃততে আৰম্ভ হৈছে সেইটো অব্যাহত ৰাখিব পাৰিব।

৬। সংশ্লিষ্ট বিষয়াসকলৰ সম্পূৰ্ণ সন্তুষ্টিত সম্পূৰ্ণ কামৰ বাবে ধন মুকলি কৰাৰ বাবে কোনো বাধা নাথাকিব।

৭। আয়োগে জৰুৰীকালীন বা অ-প্ৰত্যাশিত প্ৰাকৃতিক দুৰ্যোগ মোকাবিলা কৰাৰ বাবে গ্ৰহণ কৰা আঁচনিৰ বাবে অনুমোদন অস্বীকাৰ নকৰে, যাৰ ভিতৰত আছে দুৰ্যোগত ভুগি থকা লোকসকলক সকাহ প্ৰদান কৰা, খৰাং, বানপানী, মহামাৰী, অন্যান্য প্ৰাকৃতিক দুৰ্যোগ বা কল্যাণমূলক ব্যৱস্থা ইত্যাদি। অৱশ্যে এই বিষয়বোৰত আয়োগৰ আগতীয়া অনুমোদন ল'ব লাগে আৰু সকলো ভৰযাপূৰ্ণ কাম কঠোৰভাবে পৰিহাৰ কৰিব লাগে নাইবা এনে কল্যাণমূলক ব্যৱস্থা সৃষ্টি কৰিবলৈ ধাৰণা দিব লাগে বা সৃষ্টি কৰিবলৈ অনুমতি দিব লাগে বা চৰকাৰক সকাহ আৰু পুনৰ্বাসনৰ কাম কৰিব লাগে।

## বিষয়াসকলৰ বদলি আৰু নিয়োগ সন্দৰ্ভত ঃ

আয়োগে নিৰ্দেশ দিছিল যে সকলো বিষয়াৰ বদলিৰ ওপৰত নিষেধাজ্ঞা থাকিব, যিসকল নিৰ্বাচন আঁচৰণৰ সৈতে সম্পৰ্কিত। এইবোৰত অন্তৰ্ভুক্ত আছে কিন্তু সীমাবদ্ধ নহয়, সেইসকলৰ ভিতৰত —

১। মুখ্য নিৰ্বাচনী বিষয়া আৰু অতিৰিক্ত/যুটীয়া/উপ-মুখ্য নিৰ্বাচন বিষয়া।

২। বিভাগীয় আয়ুক্ত।

৩। জিলা নিৰ্বাচন বিষয়া, ৰিটাৰ্ণিং বিষয়া, সহকাৰী ৰিটাৰ্ণিং বিষয়া আৰু নিৰ্বাচনৰ সৈতে

সংযোজিত অন্যান্য ৰাজহ বিষয়া।

৪।　নির্বাচনী ব্যৱস্থাপনাৰ সৈতে জড়িত আৰক্ষী বিভাগৰ বিষয়া, যেনে- মহাপৰিদর্শক, উপ মহাপৰিদর্শক, জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু আৰক্ষী অধীক্ষক, উপ-সংমণ্ডলীয় পর্যায়ৰ আৰক্ষী বিষয়া, যেনে - উপ-আৰক্ষী অধীক্ষক আৰু অন্যান্য আৰক্ষী বিষয়া আৰু আয়োগে পাব্লিক আইন ১৯৫১ ধাৰা ২৮ এ'ৰ অধীনত ডিপুটেশ্বনত দিয়া আৰক্ষী বিষয়া।

৫।　নির্বাচনী কামত জড়িত অন্যান্য বিষয়াৰ যেনে- খণ্ড আৰু মাণ্ডলিক বিষয়া, পৰিৱহণ কোষ, ইভিএম কোষ, নির্বাচনী সামগ্রী ক্রয় আৰু বিতৰণ কোষ, প্রশিক্ষণ কোষ, মুদ্রণ কোষ ইত্যাদি জ্যেষ্ঠ বিষয়াসকল, যিসকল ৰাজ্যৰ নির্বাচনী ব্যৱস্থাপনাত ভূমিকা আছে, তেওঁলোকো এই নির্দেশনাৰ অধীনত আহিব।

৬।　উপৰোক্ত শ্রেণীৰ বিষয়াসকলৰ ক্ষেত্রত আগতীয়াকৈ জাৰি কৰা বদলিণৰ আদেশ আদর্শ আচৰণ বিধি ঘোষণালৈ যদি ৰূপায়ণ হোৱা নাই তেন্তে আয়োগৰ অনুমতি নোহোৱালৈকে কার্যকৰী কৰিব নোৱাৰিব।

৭।　নির্বাচনী প্রক্রিয়া সম্পূর্ণ নোহোৱালৈকে এই নিষেধাজ্ঞা কার্যকৰী হ'ব।

৮।　এই ক্ষেত্রত য'ত প্রশাসনিক অগ্রসৰ এজন বিষয়াৰ বদলিণ একাউণ্টত প্রয়োজনীয় বুলি বিবেচনা কৰা হয়, তাৰ বাবে ৰাজ্য চৰকাৰে সম্পূর্ণ যুক্তিকতাৰে আগতীয়াকৈ অনুমোদনৰ বাবে আয়োগৰ ওচৰলৈ যাব।

৯।　এই সময়ছোৱাত চৰকাৰী/ৰাজহুৱা উদ্যোগখণ্ডত কোনো নিযুক্তি বা পদোন্নতি নহ'ব আয়োগৰ অনুমতি অবিহনে।

**চৰকাৰী যন্ত্ৰৰ অপব্যৱহাৰৰ ওপৰত ঃ**

১।　নির্বাচনী কামৰ বাবে চৰকাৰী বাহন ব্যৱহাৰ কৰিব নোৱাৰিব। ইয়াত 'চৰকাৰী বাহনে' এই বাহনসমূহ সামৰি লৈছে—

- ক)　কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰ।
- খ)　কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ ৰাজহুৱা খণ্ড।
- গ)　কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ যৌথ খণ্ডসমূহ।
- ঘ)　স্থানীয় সংস্থা, পৌৰ নিগম, পৌৰসভা।
- ঙ)　বাণিজ্যিক বোর্ড (যিকোনো নামৰ দ্বাৰা)।
- চ)　সমবায় সমিতি।
- ছ)　স্বায়ত্তশাসিত জিলা পৰিষদ বা
- জ)　যিকোনো সমিতি য'ত ৰাজহুৱা পুঁজিৰ এটা সৰু অংশও বিনিয়োগ কৰা হয়, লগতে

ঝ) গৃহমন্ত্ৰালয় আৰু ৰাজ্য চৰকাৰৰ অধীনত থকা সংস্থা প্ৰতিৰক্ষা মন্ত্ৰালয় আৰু কেন্দ্ৰীয় আৰক্ষীৰ বাহন।

২। ব্যক্তিগত বাহনসমূহত কেন্দ্ৰীয় আৰু ৰাজ্যিক মন্ত্ৰীয়ে ব্যক্তিগত ভ্ৰমণত মুকলিভাৱে কৰিব পাৰিব। এনে ব্যক্তিগত ভ্ৰমণ মন্ত্ৰীৰ লগত চৰকাৰী কৰ্মচাৰী থাকিব নোৱাৰিব। জৰুৰীকালীন পৰিস্থিতিত মন্ত্ৰীয়ে ভ্ৰমণ কৰিব পাৰিব। ৰাজহুৱা স্বাৰ্থ পৰিহাৰ কৰিব নোৱাৰিব। ভ্ৰমণৰ পূৰ্বে তেওঁ মুখ্য নিৰ্বাচনী বিষয়াৰ অনুমতি গ্ৰহণ কৰিব লাগিব। চৰকাৰী বাহন ব্যৱহাৰ কৰি নিৰ্বাচনী প্ৰচাৰ তথা নিৰ্বাচনী কাৰ্যকলাপত অংশ ল'ব নোৱাৰিব। ভ্ৰমণৰ পূৰ্বে মন্ত্ৰীজনে সংশ্লিষ্ট সচিব অথবা মুখ্য সচিবলৈ ভ্ৰমণৰ বিষয় সম্পৰ্কে এখন পত্ৰ প্ৰেৰণ কৰিব লাগিব। পত্ৰ গ্ৰহণ কৰি মুখ্য সচিবে মন্ত্ৰী গৰাকীক চৰাকাৰী বাহনেৰে ভ্ৰমণৰ অনুমতি দিব পাৰে আৰু অন্যান্য সুবিধাও প্ৰদান কৰিব পাৰে।

৩। কেন্দ্ৰীয় বা ৰাজ্যৰ কোনো মন্ত্ৰীয়ে সমষ্টি অথবা ৰাজ্যৰ নিৰ্বাচনৰ লগত জড়িত বিষয়াক তলব কৰিব নোৱাৰিব। নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পিছত এনে বিষয়াৰ সৈতে আলোচনাত বহিব নোৱাৰিব। জৰুৰীকালীন পৰিস্থিতিত তেওঁ সমষ্টি ভ্ৰমণ কৰিব পাৰিব। এই ভ্ৰমণকালত সকলো নীতি নিৰ্দেশনা পালন কৰিব লাগিব। মন্ত্ৰী-মুখ্যমন্ত্ৰীয়ে দুৰ্যোগ প্ৰভাৱিত অঞ্চলত উপস্থিত হৈ পৰিস্থিতিৰ বুজ ল'ব পাৰিব।

৪। মন্ত্ৰীসকলে কেৱল অহা-যোৱাৰ বাবেহে চৰকাৰী বাহন ব্যৱহাৰ কৰাৰ অধিকাৰ পাব। চৰকাৰী কামৰ বাবে তেওঁলোকে কাৰ্যালয়লৈ, চৰকাৰী বাসগৃহলৈ অহাৰ বাবে চৰকাৰী বাহন লাভ কৰিব। কোনো নিৰ্বাচনী বা কোনো ৰাজনৈতিক কাৰ্যকলাপৰ বাবে চৰকাৰী বাহন ব্যৱহাৰ কৰিব নোৱাৰিব।

৫। কেন্দ্ৰীয় বা ৰাজ্যৰ মন্ত্ৰীয়ে হওক একত্ৰিত হৈ নিৰ্বাচনী কাৰ্যৰ বাবে চৰকাৰী ভ্ৰমণ কৰিব নোৱাৰিব।

৬। ৰাজনৈতিক কৰ্মকৰ্তাৰ এনে ব্যক্তিগত ভ্ৰমণৰ সময়ত কোনো পাইলট বাহন বা ছাইৰেনৰ সৈতে ৰংচঙীয়া লাইট সংস্থাপিত থকা বাহন ব্যৱহাৰ কৰিবলৈ দিয়া নহ'ব। যদি ৰাজ্যিক প্ৰশাসনে তেওঁৰ সশস্ত্ৰ নিৰাপত্তা প্ৰদান কৰি আছে এয়া তেতিয়া প্ৰযোজ্য হ'ব ব্যৱহাৰ কৰা বাহনখন চৰকাৰী নে ব্যক্তিগত

৭। যিকোনো চৰকাৰী বিষয়াই, নিৰ্বাচনী সময়ছোৱাত মন্ত্ৰীক সমষ্টিত কৰা ব্যক্তিগত ভ্ৰমণৰ সময়ত সাক্ষাৎ কৰে তেন্তে সেয়া সেৱা নিয়মৰ আধাৰত দোষী হ'ব। তেওঁৰ বিৰুদ্ধে জনপ্ৰতিনিধি আইন ১৯৫১ৰ ১২৯ (১) ধাৰাৰ আধাৰত দণ্ড দিয়াৰ প্ৰৱধান আছে। ইয়াৰ পূৰ্বে আইন উলংঘা কৰিছে নে নাই সেইটো বিবেচনা কৰা হ'ব।

**নিৰ্বাচনী দিন ঘোষণা কৰাৰ পৰা ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ বাবে কৰা আৰু নকৰা বৰ্তি থাকিব। যেতিয়ালৈ নিৰ্বাচন প্ৰক্ৰিয়া সমাপন নহয়।**

নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱালৈ আয়োগে প্ৰাৰ্থী আৰু ৰাজনৈতিক দলৰ বাবে কৰা আৰু নকৰাৰ তালিকা প্ৰস্তুত কৰিছে। ইয়াৰ জড়িয়তে আয়োগে ৰাজ্যৰ চৰকাৰী ভাষাত ৰাজনৈতিক দল আৰু প্ৰাৰ্থীক নিৰ্দেশনা দিয়াৰ চেষ্টা চলাইছে।

এইটো স্পষ্টভাৱে প্ৰাৰ্থী আৰু ৰাজনৈতিক দলৰ ধ্যানলৈ আনিবলৈ লাগে যে কৰা আৰু নকৰাৰ তালিকা কেৱল উদাহৰণ হয় আৰু সম্পূৰ্ণ নহয়, ইয়াৰ উদ্দেশ্য নহয়। উপৰোক্ত বিষয়বোৰৰ ওপৰত অন্যান্য বিতং নিৰ্দেশনা/নিৰ্দেশনা সলিন বা সংশোধন কৰা, যি কঠোৰ ভাৱে পালন কৰিব লাগিব আৰু অনুসৰণ কৰিব লাগিব।

**কৰা ঃ**

১। যিসমূহ কাম নিৰ্বাচন ঘোষণাৰ পূৰ্বে আৰম্ভ হৈছিল, সেয়া অব্যাহত থাকিব।

২। পানী, খৰাং, মহামাৰী আৰু অন্যান্য প্ৰাকৃতিক দুৰ্যোগত প্ৰভাৱিত অঞ্চলত জনসাধাৰণক সকাহ আৰু পুনৰ্বাসন অব্যাহত ৰাখিব পাৰিব।

৩। উপযুক্ত অনুমোদন সৈতে অসুস্থ অথবা গুৰুতৰভাৱে অসুস্থ ব্যক্তিসকলক নগদ ধন বা চিকিৎসা প্ৰদানৰ কাৰ্য অব্যাহত ৰাখিব পাৰিব।

৪। নিৰ্বাচনী সভাৰ বাবে দল অথবা প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীক ৰাজহুৱা স্থান বিশেষকৈ ময়দান নিৰপেক্ষভাৱে উপলব্ধ হ'ব লাগিব। লগতে সকলো দল/প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীৰ বাবে হেলিপেড উপলব্ধ হ'ব লাগিব।

৫। অন্যান্য ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ সমালোচনা কৰাটো, অতীতৰ ৰেকৰ্ড আৰু কামৰ নীতিৰ সৈতে সম্পৰ্কিত হোৱা উচিত।

৬। শান্তিপূৰ্ণ আৰু অবিচলিত গৃহ জীৱনৰ বাবে প্ৰতিজন ব্যক্তিৰ অধিকাৰ হ'ব সম্পূৰ্ণৰূপে সুৰক্ষিত।

৭। প্ৰস্তাৱিত সভাৰ স্থান আৰু সময়ৰ বিষয়ে স্থানীয় আৰক্ষী কৰ্তৃপক্ষক অৱগত কৰিব লাগিব আৰু সময়ৰ সৈতে প্ৰয়োজনীয় অনুমতি লোৱাৰ কথাও অৱগত কৰিব লাগিব।

৮। যদি সভা অনষ্ঠিত কৰাত কোনো প্ৰতিৰন্ধকতা বা সীমাবদ্ধতা থাকে তেন্তে এয়া প্ৰযোজ্য কৰিব লাগে। শিথিলতা লাভৰ ক্ষেত্ৰত প্ৰয়োজন সাপেক্ষে উচিত সময়ত আবেদন কৰিব লাগিব।

৯। প্ৰস্তাৱিত সভাসমূহৰ সুবিধাৰ বাবে লাউডস্পীকাৰ বা যিকোনো ধৰণৰ সঁজুলি ব্যৱহাৰৰ বাবে অনুমতি লাভ কৰিব লাগিব।

১০। শোভাযাত্ৰা বা অন্যান্য বিশৃংখল পৰিস্থিতিৰ সৃষ্টি হ'লে ইয়াৰ সৈতে মোকাবিলা কৰাৰ বাবে আৰক্ষীক মোতায়ন কৰিব লাগে।

১১। যিকোনো শোভাযাত্ৰা আৰম্ভ কৰাৰ সময় আৰু স্থান, অনুসৰণ কৰিব পৰা পথ আৰু যি সময়ত শোভাযাত্ৰা সমাপ্ত হ'ব সেই সময় আৰু স্থানৰ বাবে আগতীয়াকৈ আৰক্ষী কৰ্তৃপক্ষৰ বাবে অনুমতি প্ৰাপ্ত কৰিব লাগিব।

১২। শোভাযাত্ৰাৰ সময়ত যিকোনো প্ৰতিবন্ধৰ আদেশ সম্পূৰ্ণৰূপে পালন কৰিব লাগিব। ট্ৰাফিকৰ নিয়মাৱলী আৰু অন্যান্য প্ৰতিৱন্ধকতা পালন কৰিব লাগিব।

১৩। শোভাযাত্ৰা পথত কোনো কাৰণত অন্যান্য যাত্ৰীৰ অসুবিধা বা তীব্ৰ যান-জোট সৃষ্টি হ'ব নালাগে।

১৪। শান্তিপূৰ্ণ আৰু সু-শৃংখল নিৰ্বাচনৰ বাবে নিৰ্বাচনী বিষয়াক সকলো সময়তে সহযোগিতা প্ৰদান কৰিব লাগে।

১৫। সকলো কৰ্মীয়ে বেজ আৰু পৰিচয়পত্ৰ প্ৰদৰ্শন কৰিব লাগিব।

১৬। ভোটাৰসকলক জাৰি কৰা আনুষ্ঠানিক পৰিচয় পত্ৰ সাধাৰণ (বগা) কাগজত থাকিব, তাত চিহ্ন, প্ৰাৰ্থীৰ নাম বা দলৰ নাম অন্তৰ্ভুক্ত থাকিব।

১৭। প্ৰচাৰ অভিযানৰ সময় আৰু নিৰ্বাচনৰ দিনত বাহন চলোৱা প্ৰতিবন্ধ সম্পূৰ্ণৰূপে পালন কৰা হ'ব।

১৮। (ভোটাৰ, প্ৰাৰ্থী আৰু তেওঁলোকৰ নিৰ্বাচন/ভোটগ্ৰহণ এজেণ্টৰ বাহিৰে) ব্যক্তিসকলৰ সৈতে নিৰ্বাচন আয়োগৰ পৰা এটা নিৰ্দিষ্ট পত্ৰ লোৱা লোকেহে ভোটকেন্দ্ৰত প্ৰৱেশ কৰিব পাৰে। কোনো কাৰ্মকৰ্তা অথবা উচ্চ পদবীত আছে (যেনে - মুখ্যমন্ত্ৰী, সাংসদ বা বিধায়ক ইত্যাদি) এই অৱস্থাৰ পৰা ৰেহাই দিয়া হৈছে।

১৯। নিৰ্বাচন সন্দৰ্ভত যিকোনো অভিযোগ বা সমস্যা ভাৰতৰ নিৰ্বাচনী আয়োগ/ৰিটাৰ্ণিং বিষয়া/মাণ্ডলিক/খণ্ড দণ্ডাধীশে নিযুক্ত পৰ্যবেক্ষকৰ দৃষ্টি গোচৰ কৰিব লাগিব।

২০। নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে বিভিন্ন বিষয়ত নিৰ্বাচন আয়োগে প্ৰদান কৰা আদেশ/নিৰ্দেশনা ৰিটাৰ্ণিং বিষয়া আৰু জিলা নিৰ্বাচন বিষয়াসকলে পালন কৰিব লাগিব।

২১। যদিহে আপুনি সমষ্টিটোৰ এজন ভোটাৰ, এজন প্ৰাৰ্থী বা প্ৰাৰ্থীৰ এজেণ্টে নহয় তেন্তে প্ৰচাৰৰ সময় শেষ হোৱাৰ পিছত সমষ্টিটো এৰি যাব ।

**নকৰিব ঃ**

১। ৰাজকোষৰ ধনেৰে প্ৰস্তুত কৰা যিকোনা বিজ্ঞাপন ক্ষমতাত থকা দল/চৰকাৰৰ বাবে নিষিদ্ধ।

২। কোনো মন্ত্ৰীয়ে কোনো ভোট কেন্দ্ৰ বা গণনাৰ স্থানত প্ৰৱেশ নকৰিব। তেওঁ বা তাই এজন প্ৰাৰ্থী বা ভোটাৰ হিচাপে ভোটদানৰ বাবে কেন্দ্ৰত প্ৰৱেশ কৰিব।

৩। চৰকাৰী কামবোৰৰ প্ৰচাৰ/নিৰ্বাচনী প্ৰচাৰৰ সৈতে মিশ্ৰিত হ'ব নালাগে।

৪। ভোটাৰক কোনো প্ৰলোভন, বিত্তীয় বা অন্যান্য প্ৰদান কৰা নহ'ব।

৫। ভোটাৰসকলক জাতি/সাম্প্ৰদায়ৰ ভিত্তিত ভোট ভিক্ষা কৰিব নোৱাৰিব।

৬। বিভিন্ন জাতি, সম্প্ৰদায় বা ধৰ্মীয় বা ভাষীক গোষ্ঠীৰ মাজত বিদ্বেষ, উত্তেজনা আৰু বিভাজন সৃষ্টি কৰিব পৰা যিকোনো কাৰ্য সম্পাদন কৰিব নোৱাৰিব।

৭। ৰাজনৈতিক দলৰ নেতা বা আনদলৰ কৰ্মকৰ্তাৰ ব্যক্তিগত জীৱন যি ৰাজহুৱা কাৰ্যকলাপৰ সৈতে জড়িত নহয়, সেয়া সমালোচনা কৰিব নোৱাৰিব।

৮। অপ্ৰমাণিত অভিযোগ বা তথ্যৰ ওপৰত ভিত্তি কৰি আন দল বা তেওঁলোকৰ কৰ্মীসকলক সমালোচনা কৰিব দিয়া নহ'ব।

৯। মন্দিৰ, মছজিদ, গীৰ্জা, গুৰুদ্বাৰ বা যিকোনো উপসনাৰ স্থান নিৰ্বাচনীৰ প্ৰচাৰ স্থান ৰূপে ব্যৱহাৰ কৰিব নোৱাৰিব। লগতে এইসমূহ নিৰ্বাচনী ভাষণ, পোস্তাৰ, সংগীত আদিত ব্যৱহাৰ কৰিব নোৱাৰিব।

১০। ভোটকেন্দ্ৰৰ পৰা ১০০ মিটাৰ দূৰত্বলৈ প্ৰচাৰকাৰ্য কৰিব নোৱাৰিব। লগতে দুৰ্নীতিগ্ৰস্ত প্ৰক্ৰিয়া বা নিৰ্বাচনী অপৰাধ যেনে উৎকোচ, অহেতুক ভোটাৰৰ প্ৰভাৱ, ভাবুকি প্ৰদান কৰিব নোৱাৰিব। ভোটৰ ৪৮ ঘণ্টাৰ পূৰ্বে ৰাজহুৱা সভা নিষিদ্ধ হ'ব।

১১। অনুমতি অবিহেন ব্যক্তিগত মালিকাধীন বাসগৃহৰ সন্মুখত কোনো ৰাজনৈতিক দলে প্ৰতিবাদ প্ৰদৰ্শন বা পিকেটিঙৰ আশ্ৰয় ল'ব নোৱাৰিব।

১২। স্থানীয় আইনৰ অধীনত কোনেও অনুমতি অবিহনে ব্যক্তিৰ ভূমি, বিল্ডিং, চৌহদৰ দেৱাল, বাহন, দলীয় পতাকা, বেনাৰ লগোৱা তথা শ্ল'গান লিখিব নোৱাৰিব সময়তো অনুমতি থাকিব লাগিব। ইয়াৰ বাবে (জিলা নিৰ্বাচন বিষয়াৰ অনুমতি প্ৰাপ্ত হ'ব লাগিব)।

১৩। ৰাজহুৱা শোভা শোভাযাত্ৰাত অন্যান্য ৰাজনৈতিক দল বা প্ৰাৰ্থীয়ে অশান্তিৰ সৃষ্টি কৰিব নোৱাৰিব।

১৪। আন এটা দলে সভা অনুষ্ঠিত কৰি থকা ঠাইত শোভাযাত্ৰা উলিয়াব নোৱাৰিব।

১৫। শোভাযাত্ৰাকাৰীসকলে এনে কোনো সামগ্ৰী আনিব নোৱাৰিব যিসমূহ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব পাৰি।

১৬। আন দল আৰু প্ৰাৰ্থীসকলে জাৰি কৰা পোষ্টাৰ আঁতৰ কৰিব নোৱাৰিব।

১৭। ভোটকেন্দ্ৰৰ ওচৰত ভোটাৰ শ্লিপত দলৰ পোষ্টাৰ, পতাকা, চিহ্ন নাইবা অন্যান্য প্ৰচাৰ সামগ্ৰী বিতৰণ কৰা নহ'ব।

১৮। পুৱা ৬ বজাৰ পূৰ্বে বা ১০ বজাৰ পিছত স্থিৰ বা চলাচল বাহনত লাউডস্পিকাৰ ব্যৱহাৰ কৰিব নোৱাৰিব। ইয়াৰ বাবে স্থানীয় কৰ্তৃপক্ষৰ পৰা লিখিত অনুমতি ল'ব লাগিব।

১৯। সংশ্লিষ্ট কর্তৃপক্ষৰ আগতীয়া লিখিত অনুমতি অবিহনে ৰাজহুৱা সভা আৰু শোভাযাত্ৰাত লাউডস্পিকাৰ ব্যৱহাৰ কৰা নহ'ব। সাধাৰণতে এনে শোভা/শোভাযাত্ৰাত নিশাৰ দহ বজাৰ পিছত ব্যৱহাৰৰ অনুমতি দিয়া নহ'ব। স্থানীয় আইনৰ আধাৰত অঞ্চলটোৰ নিৰাপত্তা ব্যৱস্থা, বতৰৰ বাবে অন্যান্য প্ৰাসংগিক বিবেচনা পৰিস্থিতি, উৎসৱ ঋতু, পৰীক্ষাৰ সময় ইত্যাদি চোৱা হ'ব।

২০। নির্বাচনৰ সময়ত কোনো কাৰণতে সুৰা বিতৰণ হ'ব নালাগে।

২১। ভোটদানৰ সময়ত কোনো ব্যক্তিৰ সুৰক্ষাৰ পর্যালোচনা কৰা নহয়। যদি ভয় আছে ভোট কেন্দ্ৰৰ (১০০ মিটাৰ ভিতৰত) চৰকাৰী নিৰাপত্তালৈ ভিতৰত প্ৰৱেশ কৰিব পাৰিব। ইয়াৰ উপৰি নির্বাচনৰ দিনা নিৰাপত্তাৰক্ষী লগত লৈ সমষ্টিৰ ইফালে সিফালে ঘূৰিব নোৱাৰিব। যদি চৰকাৰ নিৰাপত্তা পোৱাজন এজন ভোটাৰো হয়, তেন্তে তেওঁ চলাচল স্থগিত ৰাখি নিৰাপত্তা কর্মীক লগত লৈ ভোটদান কৰিব।

২২। নির্বাচনী এজেণ্ট বা ভোটগ্ৰহণ এজেণ্ট বা গণনা এজেণ্ট হিচাপে নিযুক্তি দিয়া কোনো ব্যক্তিৰ যদি সুৰক্ষাৰ ক্ষেত্ৰত ভাবুকি থকা বুলি মূল্যায়ণ কৰা হৈছে, ব্যক্তিগত নিৰাপত্তাৰক্ষী থাকিলেও চৰকাৰী নিৰাপত্তা প্ৰদান কৰা হ'ব।

টোকা ঃ *উপৰোক্ত কৰা আৰু নকৰাৰ তালিকাটোত কেৱল উদাহাৰণহে আৰু ই আদেশৰ বিকল্প নহয়, যাক কঠোৰভাৱে পালন আৰু অনুসৰণ কৰিব লাগে।*

ভাৰতৰ নির্বাচন আয়োগ/মুখ্য নির্বাচন বিষয়াৰ স্পষ্টিকৰণ/অনুচ্ছেদ সন্দেহৰ ঘটনাত আপোনাৰ ৰাজ্যৰ তথ্য প্ৰাপ্ত কৰিব লাগে। অনুগ্ৰহ কৰি ইয়াৰ চিঠিৰ প্ৰাপ্তি স্বীকাৰ কৰক।

# পৰিশিষ্ট - VI

(অধ্যায়- ৫ নতুন আঁচনি ঘোষণাৰ বিত্তীয়ৰ ওপৰত প্ৰতিবন্ধকতা প্ৰশাসনিক বিষয়সমূহ)

ভাৰত চৰকাৰৰ কেবিনেট সচিব, সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত প্ৰদেশৰ মুখ্য সচিব আৰু মুখ্য নিৰ্বাচনী বিষয়ালৈ ইচিআই পত্ৰ নং ৪৩৭/৬/২০০৯-চি চি আৰু বি ই, তাৰিখ- ৫ মাৰ্চ, ২০০৯, সম্বোধন কৰা হৈছে।

**বিষয় ঃ সাধাৰণ নিৰ্বাচন- আদৰ্শ আঁচৰণ বিধি প্ৰৱৰ্তন - সন্দৰ্ভত।**

**মহাশয়,**

মোক ক'বলৈ নিৰ্দেশ দিছে যে আয়োগে সাধাৰণ নিৰ্বাচনৰ সময়ত আদৰ্শ আচৰণ বিধিৰ প্ৰসংগত বিভিন্ন দিশ বিবেচনা কৰিছে আৰু বিভিন্ন নিয়মাৱলী জাৰি কৰাৰ সিদ্ধান্ত লৈছে যিয়ে কেন্দ্ৰ/ৰাজ্য চৰকাৰৰ বিভিন্ন গ্ৰাম্য উন্নয়ন প্ৰকল্প বিভিন্ন আঁচনি-প্ৰকল্পৰ প্ৰয়োগ/প্ৰযোজ্য কৰাৰ নীতি নিৰ্ধাৰণ কৰে—

১। আদৰ্শ আচৰণ বিধি সম্পৰ্কীয় সকলো নিৰ্দেশনা কেৱল আয়োগৰ দ্বাৰা জাৰি কৰা হ'ব। কেবিনেট সচিবলৈ বা আন যি কোনো চৰকাৰী সংস্থাৰ উচিত অনুপালনৰ বাবে আয়োগৰ নিৰ্দেশনা পুনৰাবৃত্তি আৰু প্ৰচাৰ কৰিব।

২। আৰ বি আইয়ে মুদ্ৰা নীতিৰ বিষয়ত বাধাহীনভাবে সিদ্ধান্ত গ্ৰহণ অব্যাহত ৰাখিব পাৰিব।

৩। আদৰ্শ আচৰণ বিধি কাৰ্যকৰী ঘোষণা হোৱাৰ পিছত বিত্ত মন্ত্ৰালয়ে যিকোনো আঁচনি ঘোষণা, বিত্তীয় ব্যৱস্থা, কৰ সম্পৰ্কীয় বিষয় আৰু অন্যান্য বিত্তীয় সকাহৰ বাবে আয়োগৰ আগতীয়া অনুমোদন ল'ব লাগিব। একেদৰে অন্যান্য মন্ত্ৰালয়/বিভাগেও যিকোনো সাহায্য/লাভালাভৰ আগতে আয়োগৰ আগতীয়া অনুমোদন গ্ৰহণ কৰিব লাগিব।

৪। নিৰ্বাচন আয়োগৰ আচৰণবিধি কাৰ্যকৰী হোৱাৰ পিছত চৰকাৰী সংস্থাসমূহে নিম্নলিখিত প্ৰকাৰৰ কামবোৰ অব্যাহত ৰাখিব পাৰে —

   ক) সকলো প্ৰয়োজনীয় অনুমোদন লাভ কৰাৰ পিছত ভূমিস্তৰত আৰম্ভ হোৱা আৱশ্যকীয় কাম-আঁচনি।

   খ) আদৰ্শ আচৰণবিধি কাৰ্যকৰী হোৱাৰ আগতে চিনাক্ত হোৱা হিতাধিকাৰীৰ প্ৰকল্প।

   গ) এনৰেগাৰ পঞ্জীভুক্ত হিতাধিকাৰীক ইতিমধ্যে থকা প্ৰকল্পসমূহৰ অধীনত অন্তৰ্ভুক্ত কৰা হ'ব। যিসমূহ নিতুন প্ৰকল্প এনৰেগাৰ অধীনত অনুমোদিত তালিকাত অন্তৰ্ভুক্ত হৈছে আৰু পূৰ্বে অনুমোদিত প্ৰকল্প, যাৰ বাবে পুঁজিও ইতিমধ্যে নিৰ্ধাৰিত হৈছে।

৫। বিত্ত বিভাগৰ বাবে যিকোনো নিৰ্ধাৰিত প্ৰক্ৰিয়া আৰু সন্মতি পালনৰ অধীনত কামৰ বাবে

পুঁজি মুকলিত কোনো বাধা নাথাকিব।

৬। নিম্নলিখিত প্ৰকাৰৰ নতুন কাৰ্য (সেয়া হিতাধিকাৰী বা কৰ্মমুখী হওক) আদৰ্শ আচৰণ বিধি প্ৰযোজ্য হোৱাৰ পূৰ্বে সকলো চৰ্ত পূৰণ কৰক, আয়োগক অৱগত কৰি গ্ৰহণ কৰিব পৰা যায় —

ক) সম্পূৰ্ণ পুঁজি নিৰ্দ্ধাৰণ কৰি দিয়া হৈছে।

খ) প্ৰশাসনিক, কাৰিকৰী আৰু বিত্তীয় নিষেধাজ্ঞা প্ৰাপ্ত কৰা হৈছে।

গ) নিবিদা জাৰি কৰা হৈছে, মূল্যায়ন কৰা হৈছে আৰু প্ৰদান কৰা হৈছে আৰু

ঘ) এটা সীমাৰ ভিতৰত কাম আৰম্ভ আৰু সমাপ্ত কৰাৰ বাবে নিৰ্দ্ধাৰিত বাধ্য বাধকতা আছে, বিফল হোৱা ঠিকাদাৰৰ ওপৰত জৰিমণা আৰোপ কৰা হ'ব পাৰে।

ওপৰোক্ত চৰ্ত যিকোনো পূৰণ নকৰাৰ ক্ষেত্ৰত আয়োগে উচিত ব্যৱস্থা গ্ৰহণ কৰিব

৭। বিশ্বব্যাপি নিবিদা ইতিমধ্যে জাৰি কৰা হৈছে, মূল্যাংকন আৰু অন্তিম ৰূপ দিব পৰা যিকোনো সময়ত এনেধৰণৰ উদ্দেশ্যত সীমা নিৰ্দ্ধাৰিত কৰা হয়।

৮। বিশ্বব্যাপি নিবিদাৰ উপৰি অন্যান্য নিবিদা, যি পূৰ্বতে জাৰি কৰা হৈছে, তাৰ মূল্যাংকণ কৰিব পাৰি, কিন্তু আয়োগৰ আগতীয়া অনুমোদন অবিহনে চূড়ান্ত ৰূপ দিব নোৱাৰি। যদি পূৰ্বে জাৰি কৰা হোৱা নাই, তেন্তে আয়োগৰ পূৰ্ব অনুমোদন অবিহনে জাৰি কৰিব নোৱাৰি।

৯। আয়োগে সদায় সেই কামৰ ওপৰত মানৱীয় দৃষ্টিকোণ ৰাখে, যি মানৱ সৃষ্ট বা প্ৰাকৃতিক দুৰ্যোগৰ বাবে আৱশ্যকীয় হয়।

ক) আয়োগৰ অনুমতিৰে দুৰ্যোগৰ পিছত তাত প্ৰভাৱিত ব্যক্তিসকলৰ বিনামূলীয়াকৈ সাহায্য পোনপটীয়াকৈ যোগান ধৰিব পাৰে। কিন্তু সাহায্য বিতৰণত বৰ্তমান আৰু নিৰ্দ্ধাৰিত পৰিমাণত কোনো পৰিৱৰ্তন কৰিব নোৱাৰিব।

খ) আয়োগৰ অনুমতি অবিহনে ৰোগী (হিতাধিকাৰী)ক মুখ্যমন্ত্ৰী/প্ৰধানমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা চিকিৎসালয়সমূহত পোনপটীয়াকৈ ধন পৰিশোধ কৰিব পাৰে।

গ) দুৰ্যোগত প্ৰভাৱিত ব্যক্তিক আকস্মিক সাহায্য বিতৰণ আৰু সমস্যা লাঘৱ কৰাৰ উদ্দেশ্যে লোৱা কাৰ্য আয়োগক অৱগত কৰি গ্ৰহণ কৰিব লাগে।

ঘ) অৱশ্যে, প্ৰাকৃতিক দুৰ্যোগৰ সম্ভাব্য প্ৰভাৱ হ্ৰাস কৰাৰ ব্যৱস্থা মথাউৰি, পানী যোগান নলাসমূহ ইত্যাদি মেৰামতি কৰিব পাৰিব। মাথো আয়োগৰ পৰা এক অনুমতি ল'ব লাগিব।

ঙ) ইয়াৰ উপৰি, আয়োগৰ পূৰ্ব অনুমতি অবিহনে কোনো অঞ্চলত খৰাং/বান প্ৰভাৱিত বা এনে কোনো বুলি ঘোষণা কৰিব নোৱাৰিব। আয়োগৰ পূৰ্ব অনুমতি অবিহনে দুৰ্যোগত প্ৰভাৱিত অঞ্চল সম্প্ৰসাৰণ কৰিব নোৱাৰিব।

চ) একেদৰে, কোনো নির্দ্ধাৰিত ব্যক্তিৰ গোটক প্ৰধানমন্ত্ৰী অথবা মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা সহায় কৰাৰ বাবে আয়োগৰ অগ্ৰিম অনুমোদনৰ প্ৰয়োজন হ'ব।

১০। নিম্নলিখিত প্ৰকাৰৰ কাৰ্যকলাপৰ বাবে আয়োগৰ আগতীয়া অনুমতি প্ৰয়োজন হ'ব —

ক) নতুন কাম আৰু প্ৰকল্পৰ বাবে বিবেচনামূলক পুঁজি গ্ৰহণ কৰিব নোৱাৰিব। বিবেচনামূলক পুঁজি যি বাজেটত থকা পুঁজিও অন্তৰ্ভুক্ত হৈ আছে। আদৰ্শ আচৰণ বিধিৰ পূৰ্বে কোনো চিনাক্ত আৰু অনুমোদিত প্ৰকল্পও প্ৰযোজ্য হ'ব।

খ) দুৰ্বল পিএছইউৰ পুনৰুজ্জীৱিত কৰাৰ প্ৰস্তাৱ, চৰকাৰী উদ্যোগৰ দায়িত্ব ইত্যাদি (বা একে শাৰীৰ কোনো নীতি সিদ্ধান্ত) গ্ৰহণ কৰিব নোৱাৰিব।

গ) সুৰা বিক্ৰী আদিৰ নতুন নিলামৰ আয়োজন কৰিব নোৱাৰিব। বাৰ্ষিক নিলামৰ সময় আঁচৰণ বিধিৰ ভিতৰত পৰে। প্ৰয়োজনত চৰকাৰ অন্তৰ্বৰ্তীকালীন ব্যৱস্থা কৰা উচিত, ইয়াৰ বাবে তেওঁলোকৰ নিজা আইনত প্ৰদান কৰা হৈছে।

ঘ) যিকোনো পূৰ্ব প্ৰকল্প/আঁচনি/কাৰ্যকৰী সঞ্চালন ক্ষেত্ৰ সম্প্ৰসাৰিত বা সম্প্ৰসাৰণ হ'ব নোৱাৰিব।

ঙ) চৰকাৰৰ দ্বাৰা কোনো সংস্থাক কোনো ভূমি আৱণ্টন কৰিব নোৱাৰিব। সেয়া ব্যক্তিয়ে হওক বা উদ্যোগ হওক।

চ) য'ত চৰকাৰ এটা পক্ষ হ'ব, তাত এম অ' ইউ বা চুক্তি স্বাক্ষৰৰ বাবে আয়োগৰ দ্বাৰা আগতীয়া অনুমোদনৰ প্ৰয়োজন।

১১। নিয়মীয়া নিয়োগ, ইউপিএছচিৰ নিযুক্তি বা পদোন্নতি, ৰাজ্যিক লোকসেৱা আয়োগ বা ষ্টাফ চিলেক্সন কমিচন বা অন্য সংস্থাই জাৰি ৰাখিব পাৰে। অবিধিবদ্ধ সংস্থাৰ জড়িয়তে নিয়োগৰ বাবে প্ৰয়োজন হ'ব আয়োগৰ আগতীয়া অনুমোদন।

১২। যিকোনো কাম আৰম্ভ কৰোতে (যিকোনো সাহায্য কামসহ) বা উন্নয়নমূলক কাৰ্যকলাপ কোনো ৰাজনৈতিক নেতাৰ দ্বাৰা কোনো আনুষ্ঠানিক কাৰ্য অনুষ্ঠিত কৰা নহ'ব।

১৩। আন্তৰ্জাতিক প্ৰতিশ্ৰুতিৰ সৈতে য'ত কাম কৰিব লাগিব বা কামবোৰ পূৰণত আয়োগৰ আগতীয়া সন্মতি হ'ব লাগিব।

১৪। ভাৰতৰ নিৰ্বাচন আয়োগৰ প্ৰসংগ ভাৰত চৰকাৰে তৈয়াৰ কৰিব, বিশেষকৈ কেবিনেট সচিবালয়ৰ জড়িয়তে। ৰাজ্য চৰকাৰৰ সম্পৰ্কিত নিৰ্বাচনত ভাৰতীয় নিৰ্বাচন আয়োগৰ মুখ্য নিৰ্বাচন বিষয়া (চিইও)ৰ বিষয়টোক লৈ ৰাজ্য চিন্তিত।

এই সকলো চিন্তা কৰ্তৃপক্ষৰ ধ্যান কেন্দ্ৰলৈ অনা হ'ব পাৰে।

# পৰিশিষ্ট - VII

(অধ্যায় - ৫ নতুন আঁচনি ঘোষণা - বিত্তীয়ৰ ওপৰত প্ৰতিবন্ধকতা প্ৰশাসনিক বিষয় সমূহ)

ইচিআই পত্ৰ নং ৪৩৭/৬/আইএনএছটি/২০০৯-চি চি আৰু বি ই, তাৰিখ - ৯ মাৰ্চ, ২০১৯ত সম্বোধন কৰা হৈছে সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিতৰ মুখ্য সচিব - নিৰ্বাচনী বিষয়া।

**বিষয় ঃ সাধাৰণ নিৰ্বাচনৰ লোকসভা - ২০০৯ বাজেটত উত্থাপন আদৰ্শ আঁচৰণ বিধি সন্দৰ্ভে**

আপুনি অৱগত যে সাধাৰণ নিৰ্বাচন লোকসভা ২০০৯ আয়োগৰ দ্বাৰা ঘোষণা কৰা হৈছে আৰু আদৰ্শ আচৰণ বিধি ২ মাৰ্চ, ২০০৯ ৰ পৰা কাৰ্যকৰী হৈছে। ২০০৯-১০ বৰ্ষত বাজেট প্ৰৱৰ্তনৰ বহুতো প্ৰসংগ আয়োগে বিভিন্ন ৰাজ্যৰ পৰা লাভ কৰিছে।

২। আয়োগে এইটো অনুধাৱন কৰিছো যে বেছিভাগ ৰাজ্যত প্ৰচলিত পৰসম্পৰা অনুসৰণ কৰা হৈছে, সম্পূৰ্ণ বাজেট উপস্থাপন কৰাৰ পৰিৱৰ্তে, কেৱল এটা সাধাৰণ নিৰ্বাচন হোৱাৰ ক্ষেত্ৰত ৩-৪ মাহৰ বাবে কৰা হয়, য'ত সাধাৰণ নিৰ্বাচন আসন্ন অথবা যেতিয়া সাধাৰণ নিৰ্বাচনৰ প্ৰক্ৰিয়া ঘোষণা কৰা হৈছে আৰু আদৰ্শ আচৰণ বিধিৰ প্ৰক্ৰিয়া প্ৰযোজ্য হৈছে। ই এক স্বাস্থ্যকৰ গণতান্ত্ৰিক ব্যৱস্থালৈ অৰিহণা যোগোৱা অনুশীলন।

৩। ৰাজ্যৰ বিধানসভা সম্বন্ধত এনেধৰণৰ পৰম্পৰা আৰু ঔচিত্যৰ বাবে এক প্ৰস্তাৱ অনা বা আনিবলৈ আয়োগে পচন্দ নকৰিব, ইয়াৰ কাৰ্যৰ বাবে এক কাৰ্যসূচী নিৰ্দ্ধাৰণ কৰক। অৱশ্যে ৰাজ্যক পৰামৰ্শ দিব যে বিধানসভা নিৰ্বাচন কৰিবলৈ গৈ আছে, লেখানুদান ভোট গ্ৰহণ কৰিব লাগে।

৪। উপৰোক্ত নিৰ্দেশনাবোৰ সংশ্লিষ্টজনৰ দৃষ্টিলৈ আনিব লাগে আৰু এই পত্ৰৰ প্ৰাপ্তি অনুগ্ৰহ স্বীকাৰ কৰিব লাগে।

# পৰিশিষ্ট - VIII

(অধ্যায় - ৫ নতুন আঁচনি ঘোষণা - বিত্তীয়ৰ ওপৰত প্ৰশাসনিক বিষয় সমূহ)

নিৰ্বাচন আয়োগৰ পত্ৰ নং ৪৩৭/৬/২৩/২০০৪ পি এল এন.III, তাৰিখ - ১১-০৩-২০০৪, সম্বোধন কৰা হৈছে অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, মহাৰাষ্ট্ৰ, তামিলনাডু আৰু ঝাৰখণ্ডৰ মুখ্য সচিবসকলক।

**বিষয় ঃ সাধাৰণ নিৰ্বাচন ২০০৪ - খৰাং সাহায্যৰ কাম ৰূপায়ণৰ সম্পৰ্কে**

আয়োগে ৰাজ্য সমূহৰ পৰা বিভিন্ন প্ৰতিনিধিত্ব লাভ কৰি আছে, যিবোৰ অঞ্চলত সংশ্লিষ্ট ৰাজ্যসমূহৰ চৰকাৰে খৰাং প্ৰভাৱিত হিচাপে ঘোষণা কৰিছে, তাত সাহায্যৰ কাম ৰূপায়ণৰ কাম চলাই আছে। আয়োগে সকলো প্ৰাসংগিক কাৰক বিবেচনা কৰি নিম্নলিখিত বোৰ নিৰ্দেশনা কৰে—

১। খৰাং প্ৰভাৱিত হিচাপে বিবেচিত অঞ্চলবোৰত কেন্দ্ৰীয় চৰকাৰে দুৰ্যোগ সাহায্য পুঁজিৰ দ্বাৰা 'খৰাং প্ৰভাৱিত' অঞ্চলত সাহায্য বিতৰণ কামবোৰ তাৎক্ষণিকভাৱে কৰা। এইবোৰক কেৱল ৰাজ্য চৰকাৰৰ দ্বাৰা ঘোষণা কৰা অঞ্চলবোৰহে থাকিব। ২০০৪ চনৰ ২৯ ফেব্ৰুৱাৰীত নিৰ্বাচন ঘোষণাৰ পিছত কোনো নতুন 'খৰাং প্ৰভাৱিত' অঞ্চলৰ তালিকাত অন্তৰ্ভুক্ত কৰিব নোৱাৰিব। ভাৰত চৰকাৰৰ দুৰ্যোগ সাহায্য পুঁজি/ৰাষ্ট্ৰীয় সাহায্য পুঁজি বিতৰণৰ ক্ষেত্ৰত আয়োগৰ আগতীয়া অনুমোদন প্ৰয়োজন হ'ব।

২। খৰাং প্ৰভাৱিত হিচাপে ঘোষণা কৰা অঞ্চলবোৰত তাৎক্ষণিত সাহায্য প্ৰদান কৰিবলৈ আয়োগে নিম্ন লিখিত ব্যৱস্থাবোৰ অনুমোদন জনাইছে —

   ক) পানীৰ টেংকাৰৰ দ্বাৰা খোৱাপানীৰ ব্যৱস্থা।
   খ) খৰাংপীড়িত অঞ্চলত গভীৰ নলী নাদ আৰু কুঁৱা খনন কৰা।
   গ) দুৰ্যোগ সাহায্য পুঁজি আঁচনি অনুসৰি নিৰ্দ্ধাৰিত হাৰত চাউল/ঘেহুৰ বিতৰণ ব্যৱস্থা।
   ঘ) গৰুৰ বাবে পশু খাদ্যৰ ব্যৱস্থা।
   ঙ) নতুন কামৰ ওপৰত মজুৰি কৰ্মসংস্থাপন (কামৰ বাবে খাদ্য ইত্যাদি) য'ত এনে কামবোৰ সম্পূৰ্ণ হৈছে।

৩। বিধি প্ৰযোজ্য হোৱা সময়ত খৰাং প্ৰভাৱিত অঞ্চলত সাহায্য বিতৰণ, চুপাৰভাইজাৰি বা অন্যান্যৰ সময়ত চৰকাৰৰ কোনো মন্ত্ৰী বা ৰাজনৈতিক কৰ্মকৰ্তা জড়িত নহ'ব।

৪। সম্পূৰ্ণ সাহায্য বিতৰণ কাৰ্যটো বিভাগ/জিলা আৰু তালুকা/উপজিলা প্ৰশাসন আৰু নিৰ্বাচিত প্ৰতিনিধিক জড়িত নকৰাকৈ বেচৰকাৰী স্তৰৰে কৰক।

অনুগ্ৰহ কৰি আয়োগৰ নিৰ্দেশনা পালন মিশ্ৰিত কৰক আৰু স্বীকাৰ কৰক।

# পৰিশিষ্ট - IX

(অধ্যায় - ৫ নতুন আঁচনি ঘোষণা - বিত্তীয়ৰ ওপৰত প্ৰতবন্ধকতা প্ৰশাসনিক বিষয় সমূহ)

নিৰ্বাচন আয়োগৰ পত্ৰ নং ৪৩৭/৬/১/২০১৪ চি চি আৰু বি ই, তাৰিখ - ০৪-০৩-২০১৪, সম্বোধন কৰা হৈছে সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ কেবিনেট সচিব, কাৰ্যসূচী ৰূপায়ণ বিভাগৰ সচিব, মুখ্য সচিব/মুখ্য নিৰ্বাচনী বিষয়াক।

**বিষয় ঃ সাধাৰণ নিৰ্বাচন লোকসভা - ২০১৪ আৰু বিধানসভা নিৰ্বাচন অন্ধ্ৰপ্ৰদেশ, ওড়িশা আৰু চিকিম - সাংসদ/বিধায়কৰ স্থানীয় অঞ্চলত উন্নয়ন পুঁজি মুকলি কৰা।**

আয়োগৰ পেজ নোট নং - ই চি আই/পি এন/১০/২০১৪, তাৰিখ - ৫ মাৰ্চ, ২০১৪ (আয়োগৰ ৱেবচাইটত উপলব্ধ প্ৰেছ নোট - www.eci.gov.in)ৰ দ্বাৰা আয়োগে লোকসভা আৰু অন্ধ্ৰপ্ৰদেশ, ওড়িশা আৰু চিকিমৰ উপনিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসকলৰ বাবে আদৰ্শ আচৰণ বিধি প্ৰৱৰ্তনৰ ঘোষণা কৰিছে।

২। সংসদৰ সদস্যৰ স্থানীয় এলেকা উন্নয়ন আঁচনিৰ অধীনত পুঁজি মুকলি কৰাৰ বিষয়ে আয়োগে বিবেচনা কৰিছে।

ক) সংসদৰ সদস্য (ৰাজ্যসভাৰ সদস্যসহ) স্থানীয় এলেকা উন্নয়ন পুঁজি দেশত নিৰ্বাচন চলি থকাত মুকলি কৰিব নোৱাৰিব। একেদৰে বিধায়ক/এমএলচি স্থানীয় এলেকা উন্নয়ন আঁচনিৰ ধন মোকলাব নোৱাৰিব, যিবোৰ আঁচনি নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱাকৈ চলি আছে।

খ) পূৰ্বতে কামৰ নিৰ্দেশ দিছে, কিন্তু পত্ৰ জাৰি কৰা পৰ্যন্ত কাম আৰম্ভ হোৱা নাই। তেনেস্থলত কাম কৰিব নোৱাৰিব। নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছতহে কাম আৰম্ভ কৰিব পাৰিব। যদি পূৰ্বতে কাম আৰম্ভ হৈছে সেইটো অব্যাহত ৰাখিব পাৰিব।

পূৰ্ণ কামৰ বাবে ধন পৰিশোধ জাৰি কৰাত কোনো বাধা নাথাকিব সংশ্লিষ্ট বিষয়াৰ বাবে।

# পৰিশিষ্ট - X

(অধ্যায় - ৬ জনতাৰ ধনৰ ৰাজকোষেৰে বিজ্ঞাপন প্ৰকাশ)

নিৰ্বাচন আয়োগৰ পত্ৰ নং ৫০৯/৭৫/২০০৪/জে এছ - I, তাৰিখ - ১৫-০৪-২০১৪, সম্বোধন কৰা হৈছে সকলো ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়া।

**বিষয় ঃ ৰাজনৈতিক প্ৰকৃতিৰ টিভি চেনেল আৰু কেবল নেটৱৰ্ক সমূহত বিজ্ঞাপন সম্পৰ্কীয় ১৩ এপ্ৰিল ২০০৪ত উচ্চতম ন্যায়ালয়ৰ আদেশ।**

আয়োগৰ আদেশ ১৫এপ্ৰিল, ২০০৪ক অনুসৰণ কৰিবলৈ মই নিৰ্দেশ দিছো। মহামান্য উচ্চতম ন্যায়ালয়ৰ এছ এল পি(চি) নং ৬৬৭৯ অফ ২০০৪ (তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয় বনাম এম/এছ জেমিনি টিভি প্ৰাইভেট লিমিটেড আৰু অন্যান্য) আদেশ আয়োগে ১৩ এপ্ৰিল, ২০০৪ক অনুসৰণ কৰি গৃহীত কৰিছিল।

২। ইয়াৰ প্ৰতি দৃষ্টি দিব পৰা যায় যে আয়োগে পূৰ্বৰ দৰ্শনৰ বাবে নিৰ্দেশ দিছিল, যিকোনো পঞ্জীভুক্ত ৰাজনৈতিক দল বা যিকোনো গোট/সংগঠন/সংস্থাৰ দ্বাৰা টিভি চেনেলত সম্প্ৰচাৰ কৰিবলগীয়া বিজ্ঞাপনবোৰৰ পৰীক্ষা আৰু প্ৰমাণিত কৰাৰ বাবে এন চি টি দিল্লীৰ মুখ্য কাৰ্যালয়ত থকা দিল্লীৰ মুখ্য নিৰ্বাচনীক বিষয়াৰে সাংবিধানিক কমিটীৰ আদেশ অনুচ্ছেদ ৬ (i) অনুসৰি এখন সমিটী গঠন কৰিব লাগিব। একেদৰে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহে অনুচ্ছেদ ৬ (iii) অনুসৰি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া/কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে ৰাজনৈতিক দল অন্যান্য সংগঠন/গোটৰ আবেদনৰ মোকাবিলা কৰাৰ বাবে সমিতি গঠন কৰিব লাগিব। অনুচ্ছেদৰ পেৰা ৬ (v) ৰ মাধ্যমেৰে প্ৰতিটো সংসদীয় সমষ্টিৰ ৰিটাৰ্ণিং বিষয়াক ঘোষণা কৰা হৈছে। ইয়াৰ দ্বাৰা বিজ্ঞাপনৰ পূৰ্ব দৰ্শন, পৰীক্ষা আৰু প্ৰমাণিত কৰা হ'ব। বৰ্তমানৰ সাধাৰণ নিৰ্বাচন আৰু অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, ওড়িশা আৰু চিকিমত উপনিৰ্বাচন প্ৰতিবন্ধকতা কৰা প্ৰাৰ্থীসকলে সংসদীয় ৰিটাৰ্ণিং বিষয়াৰ পৰা বিজ্ঞাপন প্ৰকাশৰ অনুমোদন ল'ব লাগিব।

৩। বিজ্ঞাপনৰ প্ৰমাণ পত্ৰ সম্বন্ধত সকলো ৰাজ্য/কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়াসকলে অভিযোগ/প্ৰতি অভিযোগ গ্ৰহণৰ বাবে এখন সমিতি গঠন কৰা, বিজ্ঞাপনৰ আবেদনৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰা।

৪। প্ৰমাণ পত্ৰৰ বাবে প্ৰতিটো আবেদন সমিতিৰ ওচৰত দাখিল কৰিব লাগিব। পৰিশিষ্ট - এ'ত নিৰ্দ্ধাৰিত বিন্যাসৰ আদেশৰ সৈতে সংশ্লিষ্ট বা সংশ্লিষ্ট বিষয়াৰ ওচৰত দাখিল কৰিব

লাগিব। পৰিশিষ্ট - বি'ৰ আদেশ মৰ্মে সম্প্ৰচাৰ সমিতি নিৰ্দ্ধাৰিত দ্বাৰা বিজ্ঞাপন এটা সম্প্ৰচাৰৰ ফৰমেট হ'ব লাগিব। আবেদনকাৰীয়ে প্ৰস্তাৱিত বিজ্ঞাপনত দুটা ইলেকট্ৰনিক প্ৰ-পত্ৰৰ সৈতে ইয়াৰ এটা প্ৰমাণিক প্ৰতিলিপিৰে দাখিল কৰিব লাগিব।

৫। সকলো আবেদনৰ বাবে এটা সঠিক পঞ্জীয়ণ ৰেকৰ্ড ৰাখিব লাগিব। প্ৰতিখন আবেদনৰ ক্ৰমিকভাৱে নম্বৰ কৰিব লাগে আৰু ক্ৰমিক নম্বৰবোৰ ইলেকট্ৰনিক ৰূপত দুটা প্ৰতিলিপি কৰিব লাগে আৰু প্ৰাপ্তকাৰী বিষয়াজনে ইলেকট্ৰনিক প্ৰতিলিপিত নিজৰ স্বাক্ষৰ কৰিব লাগে। পিছত প্ৰমাণ জাৰি কৰা বিজ্ঞাপন সম্প্ৰচাৰ এটা বৈদ্যুতিন প্ৰতিলিপি প্ৰমাণ হিচাপে সমিতিৰ নিৰ্দ্ধাৰিত বিষয়াৰ ওচৰত দাখিল কৰিব লাগে।

৬। সকলো নিৰ্বাচনী বিষয়ে অধিগ্ৰহণৰ বাবে প্ৰাপ্ত জাননী, প্ৰয়োজনীয় সজুলি/আন্তঃগাঁঠনি, যেনে - টেলিভিছন, ভিচিয়াৰ, ভিচিপি ইত্যাদিৰ ওপৰত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত সমিতিক ইয়াৰ অধিকাৰ দিয়া হৈছে।

৭। আয়োগৰ আদেশ ব্যাপক হাৰত প্ৰচাৰ কৰিব পৰা যায় আৰু জিলা নিৰ্বাচন বিষয়া/জিলাৰ দণ্ডাধীশলৈ পত্ৰ প্ৰেৰণ কৰিব পৰা যায়। ৰিটাৰ্ণিং বিষয়া, টিভি চেনেল, কেবল অপাৰেটৰ আৰু ৰাজনৈতিক দলৰ বাবে ৰাজ্যৰ কেন্দ্ৰীয় শাসিত অঞ্চল সমূহ ইয়াৰ লগত অন্তৰ্ভুক্ত।

৮। অনুগ্ৰহ কৰি ৰচিদ গ্ৰহণ কৰক।

## প্ৰতিলিপি

## ভাৰতৰ নিৰ্বাচন আয়োগ

**নিৰ্বাচন সদন, অশোকা পথ, নতুন দিল্লী - ১১০০০১**

নং ৫০৯/৭৫২০৪/জেএছ - I    তাৰিখ ঃ ১৫ এপ্ৰিল, ২০০৪

## নিৰ্দেশ

১। কেৱল টেলিভিছন (নিয়ন্ত্ৰণ) আইন ১৯৯৫ৰ ধাৰা ৬ অনুসৰি কোনো ব্যক্তিয়ে কেবল সেৱাৰ জড়িয়তে কোনো বিজ্ঞাপন প্ৰেৰণ বা পুনঃ প্ৰেৰণ নকৰিব। যদিহে এনে বিজ্ঞাপন নিৰ্দ্ধাৰিত বিজ্ঞাপনৰ কোডৰ সৈতে সংলগ্ন নহয়।

২। আনহাতে কেবল টেলিভিছন নেটৱৰ্ক নিয়ম ৭ৰ উপ-নিয়ম (৩)ৰ (নিয়মাৱলী) নিয়ম ১৯৯৪ত উল্লেখ কৰা অনুসৰি বিজ্ঞাপন কোডৰ নিৰ্দ্ধাৰণ কৰা হৈছে। য'ত ধাৰা ৬ত প্ৰদান কৰা হৈছে যে কোনো বিজ্ঞাপনৰ অনুমতি দিয়া নহ'ব, য'ত বিজ্ঞাপনটোৰ সম্পূৰ্ণভাৱে ধৰ্মীয় বা ৰাজনৈতিক প্ৰকৃতিৰ। বিজ্ঞাপনত কোনো ধৰ্মীয় বা ৰাজনৈতিক সমাপ্তিৰ দিশত নিৰ্দেশিত হ'ব নালাগিব।

৩। আনহাতে, অন্ধ্ৰপ্ৰদেশ উচ্চ ন্যায়ালয়ে ইয়াৰ বিচাৰ কৰি জাৰি কৰা আদেশৰ তাৰিখ wpmp নং ৫২১৪/২০০৪ (জেমিনি টিভি প্ৰাইভেট লিমিটেড বনাম ভাৰতৰ নিৰ্বাচন আয়োগ আৰু অন্যান্য), উপৰোক্ত উল্লেখিত স্থগিত কেবল টেলিভিছন নেটৱৰ্ক নিয়ম ৭(৩)ৰ ব্যৱস্থা (নিয়মাৱলী) নিয়ম ১৯৯৪ত উল্লেখ আছে।

৪। আনহাতে মহামান্য উচ্চতম ন্যায়ালয়ে ২-৪-২০০৪ অন্তৰ্বৰ্তীকালীন আদেশ জাৰি কৰে, SLP (অসামৰিক) নং ৬৬৭৯/২০০৪(তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয় বনাম মেচাৰ্চ জেমিনি টিভি আৰু অন্যান্য) প্ৰত্যাহ্বানৰ অধীনত আদেশৰ প্ৰতিষ্ঠাপন তলত দিয়া ধৰণে নিৰ্দেশ দিছিল —

ক) কোনো কেবল অপাৰেটৰ বা টিভি চেনেলে কোনো বিজ্ঞাপন প্ৰচাৰ নকৰিব, যি দেশৰ আইনৰ সৈতে খাপ নখায় আৰু যি অগ্ৰাহ্য কৰে মতামতৰ নৈতিকতা, সৌজন্য আৰু সংবেদনশীলতা বা যি আশ্বৰ্যজনকভাৱে ঘৃণা আৰু বিদ্ৰোহেৰে ভৰা।

খ) ভাৰতৰ নিৰ্বাচন আয়ুক্তৰ দ্বাৰা সম্প্ৰচাৰ নিৰীক্ষণ কৰা হ'ব।

গ) প্ৰশ্ন এইটো যে এই ধৰণৰ বিজ্ঞাপন অন্তৰ্ভুক্ত কৰা প্ৰাৰ্থী হ'ব লাগে বা অন্তৰ্ভুক্ত হ'ব নালাগে, ৫ এপ্ৰিল, ২০০৪ তাৰিখত বিবেচনা কৰা হ'ব আৰু

ঘ) এনে বিজ্ঞাপনবোৰ ইয়াৰ সৈতে খাপ খোওৱা পদ্ধতিসমূহ আইন, ভাৰতত নিৰ্বাচন আয়ুক্তৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা হ'ব।

৫। আনহাতে ভাৰতৰ মহামান্য উচ্চতম ন্যায়ালয়ে ইয়াৰ পৰৱৰ্তী আদেশৰ দ্বাৰা ১৩ এপ্ৰিল, ২০০৪ SLP (অসামৰিক) নং ৬৬৭৯/২০০৪ ত নিম্নলেখিতৰ দৰে নিৰ্দেশ দিয়া হৈছিল।

"... আমি আদেশটো জাৰি কৰাৰ আগতে নিশ্চিত লক্ষ্য কৰাটো সঁচা হ'ব কেবল টেলিভিছন নেটৱৰ্ক (নিয়ন্ত্ৰণ) আইন ১৯৯৫ ৰ ব্যৱস্থা (চমুকৈ 'দ্যা এক্ট')ত যিটো সময়ে সময়ে সংশোধন কৰা হয় আৰু নিয়মাৱলী নিৰ্দ্ধাৰণ কৰা হয় তাৰ তলত। আইনৰ বিষয়টো হৈছে দেশৰ কেবল টেলিভিছন নেটৱৰ্ক সঞ্চালন নিয়ন্ত্ৰণ কৰা। আইনৰ ধাৰা ৬ এত প্ৰদান কৰা হৈছে যে কোনো ব্যক্তি নাইবা যেতিয়ালৈ কোনো বিজ্ঞাপনৰ জড়িয়তে কেবল সেৱাৰ জড়িয়তে পুনঃ প্ৰেৰণ কৰা হ'ব, এনে বিজ্ঞাপন নিৰ্দ্ধাৰিত বিজ্ঞাপন কোডৰ সৈতে সংগত। আইনৰ ধাৰা ১১ত প্ৰদান কৰা হৈছে যে যদি কোনো কৰ্তৃত্ব প্ৰাপ্ত বিষয়ৰ কাৰণ থাকে যে আইনৰ ব্যৱস্থাবোৰ উলংঘা কৰা হৈছে বা উলংঘন কৰা হৈছে যিকোনো কেবল অপাৰেটৰৰ দ্বাৰা, এনে কেবলৰ দ্বাৰা ব্যৱহাৰ কৰা সঁজুলি দখল কৰিব পাৰে কেবল টেলিভিছন নেটৱৰ্ক পৰিচালনা কৰাৰ বাবে অপাৰেটৰৰ। আইনৰ ধাৰা ১২ত যিকোনো উলংঘনৰ সঁজুলি জব্দ কৰাৰ বাবে অধিকাৰ দিয়া হৈছে। একেদৰে আইনৰ ধাৰা ১৩টো সঁজুলি জব্দ আৰু শাস্তি প্ৰদানৰ প্ৰৱাধান আছে। ধাৰা ১৬ত ইয়াৰ ব্যৱস্থাৰ উদাহৰণ ৰক্ষাৰ বাবে শাস্তিৰ ব্যৱস্থা কৰা হৈছে আইনত। ধাৰা ১৯ত নিৰ্দ্ধাৰণ কৰা হৈছে যে কৰ্তৃত্বপ্ৰাপ্ত বিষয়াই যদি তেওঁৰ প্ৰয়োজনীয় বুলি ভাবে বা জনস্বাৰ্থত যিকোনো বিজ্ঞাপন নিষিদ্ধ কৰিব পাৰে। যিবোৰ বিজ্ঞাপন ধৰ্ম, জাতি, ভাষা, সম্প্ৰদায় বা আন যিকোনো ভিত্তি, বিভিন্ন ধৰ্মৰ মাজত শত্ৰুতা, কুভাৱনা, জাতিগত, ভাষাগত বা আঞ্চলিক বোধ বা জাতি সম্প্ৰদায় বা ৰাজহুৱা শান্তি বিচলিত কৰিব পাৰে তেনে বিজ্ঞাপন বন্ধ কৰিব পাৰে। আইনৰ ধাৰা ২২এ কেন্দ্ৰীয় চৰকাৰৰ আইন ব্যৱস্থাবোৰ সংৰক্ষণ কৰিবলৈ নিয়ম নিৰ্দ্ধাৰণ কৰাৰ ক্ষমতা প্ৰদান কৰিছে। আইন ধাৰা ২২ৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰে কেবল টেলিভিছন নেটৱৰ্কক পৰিচালিত কৰিব পাৰে। ইয়াৰ বাবে কেবল টেলিভিছন নেটৱৰ্ক ৰোলচ্ ১৯৯৪ (চমুকৈ 'দ্যা ৰোলচ্')ৰ এই সমূহ কথা উল্লেখ আছে। দেশৰ আইনৰ সৈতে খাপ খুওৱা বিজ্ঞাপন অগ্ৰাহ্য কৰা উচিত নহয়। জাতি, ৰং, ৰাষ্ট্ৰীয়তা যিকোনো ব্যৱস্থাৰ বিৰুদ্ধে উপহাস কৰে বিজ্ঞাপনে, সেই বিজ্ঞাপন প্ৰচাৰ কৰাৰ অনুমতি দিয়া নহ'ব। ভাৰতৰ সংবিধান আৰু মানুহক অপৰাধত প্ৰৰোচনা কৰা

বা হিংসা বা আইন ভংগ কৰা বা যিকোনো প্ৰকাৰৰ অশ্লিলতা বিজ্ঞাপন প্ৰচাৰৰ অনুমতি দিয়া নহ'ব। এয়া উপ-নিয়ম (২)ত উল্লেখ আছে। উপ-(৩)ত উল্লেখ আছে যে যিবোৰ বিজ্ঞাপন মুখ্যতঃ ধৰ্মীয় বা ৰাজনৈতিক প্ৰকৃতিত তেনেবোৰ বিজ্ঞাপনৰ প্ৰচাৰৰ অনুমতি দিয়া নহ'ব।

সকলো পঞ্জীভুক্ত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ৰাজনৈতিক দল আৰু প্ৰতিজন প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীৰ টেলিভিছন চেনেলত বিজ্ঞাপন প্ৰচাৰৰ বাবে কেবল টেলিভিছন নেটৱৰ্কে নিৰ্বাচন আয়োগৰ ওচৰত আবেদন জনাব লাগিব। বিজ্ঞাপন প্ৰচাৰৰ তিনি দিনৰ পূৰ্বেই আবেদন জনাব লাগিব। আবেদনৰ পিছতহে বিজ্ঞাপন জাৰি কৰিব পাৰিব। আন যিকোনো ব্যক্তি বা পঞ্জীভুক্তৰ ক্ষেত্ৰত বিজ্ঞাপন জাৰি কৰাৰ ৭দিনৰ পূৰ্বে আয়োগৰ পৰা অনুমতি ল'ব লাগিব। এনে আবেদনত দুটা প্ৰতিলিপি থাকিব। এটা প্ৰস্তাৱিত বিজ্ঞাপনৰ ইলেক্ট্ৰনিক ৰূপত আৰু যথাযথ ভাবে প্ৰমাণিত আন এটা প্ৰতিলিপি। আবেদন তিনি দিনৰ ভিতৰত নিষ্পত্তি কৰিব লাগিব আৰু ৰচিদ গ্ৰহণ কৰিব লাগিব।

প্ৰমাণ পত্ৰৰ বাবে আবেদনত নিম্নলিখিত বিৱৰণ থাকিব —

ক) বিজ্ঞাপনৰ উৎপাদনৰ ব্যয়।

খ) এনে বিজ্ঞাপনৰ প্ৰস্তাৱিত সম্প্ৰচাৰত আনুমানিক ব্যয়।

গ) এই বিজ্ঞাপনত নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীৰ লগতে দলৰ বিৱৰণ থাকিব।

ঘ) যদি বিজ্ঞাপনটো ৰাজনৈতিক দল বা প্ৰাৰ্থীৰ বাদে অন্য লোকে প্ৰকাশ কৰে, যিজনে ৰাজনৈতিক দল বা প্ৰাৰ্থীৰ বাবে কোনো লাভজনক মৌখিক প্ৰচাৰ নকৰে তেন্তে সেই বিজ্ঞাপনটোৰ বাবে ৰাজনৈতিক দল বা প্ৰাৰ্থীয়ে স্পন্সৰ বা ধন পৰিশোধ নকৰিব।

ঙ) প্ৰাৰ্থীগৰাকীয়ে ধনৰ যাৱতীয় খৰচ চেক অথবা ডিমাণ্ড ড্ৰাফটৰ জড়িয়তে আদায় কৰিব লাগিব।

এই আইনৰ ধাৰা ২ (এ) য়ে 'কৰ্তৃত্বশীল বিষয়া'ৰ সন্দৰ্ভত ব্যাখ্যা কৰে যে স্থানীয় অঞ্চলৰ পৰিসীমাৰ ভিতৰত (ক) জিলা দণ্ডাধীশ (খ), মহকুমা দণ্ডাধীশ বা (গ) আৰক্ষী আয়ুক্তক বিবেচনা কৰা হ'ব। পাব্লিক আইন ১৯৫১ৰ ধাৰা ২৮-এ অনুসৰি ৰিটাৰ্ণিং বিষয়া, সহকাৰী ৰিটাৰ্ণিং বিষয়া, প্ৰিজাইডিং অফিচাৰ, পলিং অফিচাৰ আৰু অন্যান্য বিষয়া যাক নিয়োগ কৰা হৈছে আৰু আৰক্ষী বিষয়াসকল যিসকলক ৰাজ্য চৰকাৰে সময়ে সময়ে পদবীত ৰাখে, নিৰ্বাচন পৰিচালনা কৰাৰ বাবে এনে বিষয়াক নিৰ্বাচন আয়োগে অধিসূচনা জাৰি কৰাৰ পৰা ফলাফল ঘোষণা কৰাৰ নিৰ্দিষ্ট সময়সীমাৰ বাবে ডেপুটেছনত ল'ব পাৰে। একেদৰে এই সময়সীমাৰ ভিতৰত এনে বিষয়াসকলক নিয়ন্ত্ৰণ পৰিচালনা আৰু

নিয়মানুৱৰ্তিতা নিৰ্বাচন আয়োগ অনুসৰি হয়।

বিভিন্ন কেবল নেটৱৰ্ক আৰু টেলিভিছনৰ সকলো বিজ্ঞাপন পূৰ্ব- চেঞ্চৰশ্বিপ কৰাটো যিহেতু শাৰিৰীকভাৱে নিৰ্বাচন আয়োগৰ বাবে সম্ভৱপৰ হৈ নুঠে, সেই বাবে নিৰ্বাচন আয়োগে ইয়াৰ ক্ষমতা ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশৰ জিলা দণ্ডাধীশক অৰ্পন কৰিব লাগে। কিন্তু এই ক্ষমতা অৰ্পন উপ-বিভাগীয় দণ্ডাধীশ বা ৰাজ্যিক প্ৰাদেশীক অসামৰিক সেৱাৰ  এজন সদস্যৰ তলত নহয়। নিৰ্বাচন আয়োগৰ অধীনতো এজন বিষয়াৰ দ্বাৰা আইনৰ আধাৰাত নিয়ন্ত্ৰণ কৰিব পৰা যাব। নিৰ্বাচন আয়োগে ইয়াৰ বাবে ৰাজ্য অথবা কেন্দ্ৰীয় শাসিত প্ৰদেশৰ মুখ্য নিৰ্বাচন বিষয়ালৈ যিমান পাৰে ক্ষমতা অৰ্পন কৰিব পাৰে।

ৰাজ্যনৈতিক দল প্ৰাৰ্থী বা অন্য কোনো ব্যক্তিয়ে বিজ্ঞাপন সম্পৰ্কত দিয়া অভিযোগ বা অভিযোগ গ্ৰহণৰ বাবে প্ৰতিখন ৰাজ্য বা কেন্দ্ৰীয় শাসিত প্ৰদেশৰ মুখ্য নিৰ্বাচন বিষয়াই এখন সমিতি গঠন কৰিব পাৰে। গঠন হোৱা সমিতিয়ে ইয়াৰ বাবে লোৱা সিদ্ধান্তৰ বিষয়ে নিৰ্বাচন আয়োগক অৱগত কৰিব।

এবেন্দৰে গঠন হোৱা সমিতিখনে ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা আৰু নিয়ন্ত্ৰণকে ধৰি তেওঁৰ অধীনত সামগ্ৰিকভাৱে কাম কৰিব।

ৰাজ্যৰ ইলেকট্ৰনিক মিডিয়া বিষয় সম্পৰ্কে ৰাজনৈতিক দল, প্ৰাৰ্থী বা অন্য কোনো ব্যক্তিৰ অভিযোগৰ ভিত্তিত সমিতিৰ দ্বাৰা লোৱা সিদ্ধান্ত পালন কৰাটো বাধ্যতামূলক হ'ব।

বিজ্ঞাপন আঁতৰ কৰা বা সংশোধনৰ মন্তব্য আৰু পৰ্যবেক্ষণৰ বিষয়টো এট গোচৰ হ'ব পাৰে। ২৪ ঘণ্টাৰ ভিতৰত ৰাজনৈতিক দল অথবা প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থী অথবা অন্য কোনো ব্যক্তিয়ে গোচৰ দিব পাৰে। এনে গোচৰৰ পিছত বিজ্ঞাপনটোৰ সমীক্ষা আৰু প্ৰমাণ পত্ৰৰ বাবে পুনৰ দাখিল কৰা হ'ব।

আমি স্পষ্ট কৰিব পাৰো যে প্ৰতিনিধিত্ব ধাৰা ১২৬ৰ ব্যৱস্থা লোৱা আইন, ১৯৫১, এই আদেশৰ দ্বাৰা অন্তৰ্ভুক্ত বিজ্ঞাপনত প্ৰযোজ্য হ'ব।

সমিতি বা নিৰ্বাচন বিষয়া/নিৰ্বাচন আয়োগৰ দ্বাৰা লোৱা সিদ্ধান্ত যদি কোনো ৰাজনৈতিক দল, প্ৰাৰ্থী বা আন ব্যক্তি সহমত নহয়, তেন্তে তেওঁলোক আদালতৰ কাষ চাপিব পাৰে, আদালতৰ দ্বাৰা তেওঁলোকৰ বাবে মুকলি থাকিব। বিজ্ঞাপনৰ বিৰুদ্ধে আদালতত ন্যায়াধিকৰণ বা কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰা মনোৰঞ্জনধৰ্মী থাকিব নোৱাৰিব। এই আদেশ ১৬ এপ্ৰিল ২০০৪ৰ পৰা কাৰ্যকৰী হ'ব আৰু ১০ মে' ২০০৪লৈ কাৰ্যকৰী অব্যাহত থাকিব।

বৈদ্যুতিন মাধ্যম, তাৰ ভিতৰত কেবল নেটৱৰ্ক/টেলিভিছন চেনেলৰ লগতে কেবল অপাৰেটৰক ৰাজনৈতিক দল, প্ৰাৰ্থী, ব্যক্তি বা ৰাষ্ট্ৰ গোটৰ যিসকল বিজ্ঞাপন অন্তৰ্ভূক্ত কৰাৰ প্ৰস্তাৱ আগবঢ়াই, সেইসকলৰ বাবে ভাৰতীয় সংবিধান অনুচ্ছেদ ১৪২ ৰ অধীনত শক্তি ব্যৱহাৰ কৰি এই আদেশ জাৰি কৰা হৈছে।

একেদৰে প্ৰচাৰিত বিজ্ঞাপন নিৰীক্ষণ কৰি বিচাৰ কৰিবলৈ নিৰ্বাচন আয়োগৰ বাবে প্ৰয়োজন হ'ব কৰ্মচাৰী। যদি নিৰ্বাচন আয়োগৰ নিৰীক্ষণত ধৰা পৰিছে যে বিজ্ঞাপনটোৱে আদেশ উলংঘা অথবা আইনৰ যিকোনো বিধান উলংঘন কৰিছে, উলংঘন কাৰ্য বন্ধ কৰিবলৈ আদেশ জাৰি কৰিব আৰু প্ৰতিটো আদেশ ব্যক্তিয়ে তাৎক্ষণিকবাৰে পালন কৰিব।

বিজ্ঞাপনৰ নিৰীক্ষণৰ বাবে হোৱা ধনৰ খৰচ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিৰ্বাচন আয়োগক প্ৰদান কৰিব লাগে। এই আদেশৰ পৰ্যাপ্ত প্ৰচাৰ বৈদ্যুতি মাধ্যম আৰু ছপা মাধ্যমৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে কৰিব।

আদালতৰ দ্বাৰা দিয়া এই আদেশটো ২ এপ্ৰিল ২০০৪ৰ পৰা দিয়া হৈছে আৰু ১০ মে', ২০০৪লৈ আদেশটো অন্তৰ্বৰ্তীকালী ব্যৱস্থা হিচাপে চলি থকিব।

২৩মাৰ্চ ২০০৪চনত অন্ধ্ৰ প্ৰদেশ উচ্চ ন্যায়ালয়ে দিয়া উপৰোক্ত আদেশটো বৰ্তী থাকিব। এই আদেশটো অৱমাননাৰ বাবে নহয়, ক্ষমতাৰ বাবে বলৱৎ কৰা হয়। আইন উলংঘনৰ সম্বন্ধত কেন্দ্ৰীয় চৰকাৰৰ বাবে বলৱৎ কৰা হয়।

৬। উচ্চতম ন্যায়ালয়ে উপৰোক্ত নিৰ্দেশনাত নিৰ্বাচন আয়োগক এনেদৰে অনুসৰণ কৰিবলৈ কোৱা হৈছে।

i) দিল্লীৰ মুখ্য নিৰ্বাচন বিষয়াক ৰাজনৈতিক দল আৰু সংগঠনৰ আবেদন গ্ৰহণৰ বাবে গঠন কৰা সমিতিত নিম্নলিখিত ব্যক্তিক অন্তৰ্ভুক্ত কৰাৰ নিৰ্দেশ দিছিল, পাৰা (ii) ত তলত দিয়া ধৰণে—

(ক) যুটীয়া মুখ্য নিৰ্বাচন বিষয়া-অধ্যক্ষ

(খ) ৰিটাৰ্নিং বিষয়া > দিল্লীৰ সংসদীয় সমষ্টিৰ

(গ) এজন বিশেষজ্ঞ, যিজন প্ৰথম শ্ৰেণীৰ ৰেংকৰ তলৰ নোহোৱা, ইয়াৰ বাবে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ পৰা অনুগ্ৰহ কৰিব লাগে।

ii) টেলিভিছন চেনেল বা কেবল অপাৰেটৰ যিকোনো বিজ্ঞাপন প্ৰচাৰৰ প্ৰমাণ পত্ৰৰ বাবে আবেদন গ্ৰহণ কৰিব। এই কাৰ্য নিম্নলিখিত ধৰণৰ—

(ক) দিল্লীৰ এন চি টিৰ মুখ্য কাৰ্যালয়ৰ সকলো পঞ্জীভুক্ত ৰাজনৈতিক দল

(খ) দিল্লী এন চি পিৰ মুখ্য কাৰ্যালয়ৰ সকলো গ্ৰুপ বা সংগঠন বা সংস্থা বা

ব্যক্তি

iii) ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচন বিষয়াক ৰাজনৈতিক দল আৰু সংগঠনৰ আবেদন মোকাবিলা কৰিবলৈ নিম্নলিখিত সমিতি গঠন কৰিবলৈ দিয়া হৈছে, পাৰা (iv) ত উল্লেখ—

(ক) অতিৰিক্ত, যুটীয়া মুখ্য নিৰ্বাচনী বিষয়া- অধ্যক্ষ

(খ) ৰাজ্যৰ ৰাজধানী সংসদীয় সমষ্টিৰ যিকোনো ৰিটাৰ্ণিং বিষয়া

(গ) এজন বিশেষজ্ঞ বিষয়া, যিজন প্ৰথম শ্ৰেণীৰ বিষয়াৰ তলৰ নহয়। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ পৰা দিয়া হৈছে।

iv) উপৰোক্ত পাৰা (iii) ত গঠন কৰা সমিতিয়ে টেলিভিছন চেনেল আৰু কেবল নেটৱৰ্ক বিজ্ঞাপনৰ প্ৰমাণ পত্ৰৰ বাবে মনোৰঞ্জন আবেদন চাব নিম্নলিখিতৰ দ্বাৰা—

(ক) ৰাজ্য/কেন্দ্ৰীয় শাসিত প্ৰদেশৰ সকলো ৰাজনৈতিক দলৰ পঞ্জীকৃত মুখ্য কাৰ্যালয় আছে।

(খ) ৰাজ্য/কেন্দ্ৰীয় শাসিত প্ৰদেশত সকলো সংগঠন বা ব্যক্তিৰ গোট বা সংস্থাৰ পঞ্জীকৃত কাৰ্যালয় আছে।

v) প্ৰতিটো সমষ্টিত ৰিটাৰ্নিং বিষয়া ইয়াৰ দ্বাৰা সংসদীয় সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা এজন ব্যক্তিগত প্ৰাৰ্থীৰ দ্বাৰা কেবল নেটৱৰ্ক বা টেলিভিছন চেনেলত জাৰি কৰাৰ প্ৰস্তাৱিত বিজ্ঞাপনৰ প্ৰমাণ পত্ৰৰ বাবে আবেদনৰ উদ্দেশ্যৰে নিৰ্ধাৰিত বিষয়া হিচাপে ঘোষণা কৰা হয়, যাৰ ভিতৰত এনে নিৰ্ধাৰিত বিষয়া, ৰিটাৰ্নিং বিষয়া সেই সংসদীয় সমষ্টিৰ ভিতৰত বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থী হ'ব লাগিব। এই ৰিটাৰ্নিং বিষয়াজনে আবেদনৰ প্ৰমাণ পত্ৰৰ বাবে সহায় কৰিবলৈ অসামৰিক সেৱা অন্তৰ্ভুক্ত এজন উপ-বিভাগীয় দণ্ডাধীশৰ পদৰ তলত নথকা যিকোনো সহকাৰী ৰিটাৰ্নিং বিষয়াক বাছনি কৰিব পাৰে বা নিযুক্তি দিব পাৰে।

৭। প্ৰতিখন ৰাজ্য/কেন্দ্ৰীয় শাসিত প্ৰদেশৰ মুখ্য নিৰ্বাচন বিষয়াৰে গঠিত সমিতিয়ে যিকোনো ৰাজনৈতিক দল বা প্ৰাৰ্থী বা আন যিকোনো ব্যক্তিৰ বিজ্ঞাপনৰ প্ৰমাণ পত্ৰৰ সম্বন্ধত অভাৱ-অভিযোগ গ্ৰহণ কৰিবলৈ সমিতিখনত থাকিব নিম্নলিখিত ধৰণেৰে—

i) মুখ্য নিৰ্বাচন বিষয়া-অধ্যক্ষ

ii) ভাৰতৰ নিৰ্বাচন আয়োগৰ দ্বাৰা নিযুক্ত যিকোনো পৰ্যবেক্ষক।

iii) উল্লেখ কৰা সমিতিৰ বাহিৰে আন এজন বিশেষজ্ঞ সহ-বাছনি কৰিব লাগিব,

উপৰোক্ত পাৰা ৬ (i) আৰু ৬ (iii) ত উল্লেখ আছে।

৮। যিকোনো বিজ্ঞাপনৰ প্ৰমাণ পত্ৰৰ বাবে আবেদন পঞ্জীভুক্ত ৰাজনৈতিক দল আৰু প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীৰে কৰা হ'ব, সমিতিৰ পাৰা ৬ (i) আৰু ৬ (iii) নাইবা পাৰা ৬ (iv) ত উল্লেখ অনুসৰি বিষয়াৰ ওচৰত আবেদনৰ তিনিদিন পৰ্যন্ত বিজ্ঞাপন প্ৰচাৰ কৰিব নোৱাৰিব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ ক্ষেত্ৰত এনে আবেদন গ্ৰহণৰ দুদিনৰ ভিতৰত নিৰ্ণয় লোৱা হ'ব, এই ক্ষেত্ৰত তাৰিখ ২-৪-২০০৪ উচ্চতম ন্যায়ালয়ৰ আদেশ অনুসৰণ কৰা হ'ব।

৯। অন্য কোনো ব্যক্তি অথবা পঞ্জীভুক্ত নোহোৱা ৰাজনৈতিক দলে প্ৰমাণ পত্ৰ আবেদনৰ দাখিলৰ ৭ (সাত) দিনৰ পূৰ্বে বিজ্ঞাপন প্ৰচাৰ কৰিব নোৱাৰিব।

১০। পৰিশিষ্ট-'এ' নিৰ্ধাৰিত ৰূপত এনে বিজ্ঞাপনৰ ক্ষেত্ৰত হ'ব নিম্নলিখিত ধৰণৰে—

i) ইলেক্টনিক প্ৰ-পত্ৰত প্ৰস্তাৱিত বিজ্ঞাপনৰ দুটা প্ৰতিলিপি ইয়াৰ যথাযথভাৱে প্ৰমাণিত প্ৰতিলিপিৰ সৈতে

ii) প্ৰমাণ-পত্ৰৰ বাবে আবেদনত নিম্নলিখিত বিৱৰণ থাকিব।

(ক) বিজ্ঞাপনৰ উৎপাদন ব্যয়

(খ) এনে বিজ্ঞাপনৰ প্ৰস্তাৱিত সম্প্ৰচাৰৰ আনুমাণিক ব্যয়, টেলিভিছন চেনেল বা কেবল নেটৱৰ্কৰ নম্বৰৰ ব্ৰেক-আপৰ সৈতে এনে প্ৰতিটো প্ৰস্তাৱিত সন্নিবেষ আৰু হাৰৰ —

(গ) ইয়াত অন্তৰ্ভুক্ত কৰা বিজ্ঞাপনটো হ'ব নে নাই তাৰ এটা বিবৃতিও থাকিব প্ৰাৰ্থী/দলৰ নিৰ্বাচনৰ সম্ভাৱনাৰ লাভালাভৰ বাবে

(ঘ) যদি বিজ্ঞাপনটো ৰাজনৈতিক দলৰ বাহিৰে আন কোনো ব্যক্তিয়ে জাৰি কৰে তেন্তে তেওঁ স্পষ্ট কৰিব লাগে যে ইয়াৰ দ্বাৰা ৰাজনৈতিক দল বা প্ৰাৰ্থীৰ লাভালাভ নহয়, ৰাজনৈতিক দল/প্ৰাৰ্থীৰ লাভালাভৰ বাবে বিজ্ঞাপনটোৰ পৃষ্ঠপোষকতা বা আৰম্ভ বা পৰিশোধ কৰা হোৱা নাই।

(ঙ) যিকোনো বিবৃতিৰ ধন চেকৰ দ্বাৰা বা ডিমাণ্ড ড্ৰাফ্টৰ দ্বাৰা পৰিশোধ কৰা হ'ব।

১১। এটা বিজ্ঞাপনৰ বাবে জনোৱা আবেদনৰ ওপৰত সিদ্ধান্তৰ ক্ষেত্ৰত পাৰা ৬ (i) গঠিত সমিতিৰ বাবে উপলব্ধ থাকিব আৰু উপৰোক্ত ৬ (iii) পাৰা বা ওপৰৰ পাৰা ৬ (v) বা উপৰৰ পাৰা ৭ৰ জৰিয়তে গঠন কৰা সমীক্ষা সমিতিয়ে যিকোনো বিজ্ঞাপনৰ যিকোনো অংশ পোনপটীয়াকৈ বিলোপ/সংশোধন কৰিব পাৰে। ৰাজনৈতিক দল বা প্ৰতিন্দন্দ্বিতা কৰা প্ৰাৰ্থী বা অন্য ব্যক্তিৰ আবেদনৰ ২৪ ঘণ্টাৰ ভিতৰত বিলোপ আৰু সংশোধন কৰিব

পাৰিব। ইয়াৰ পিছত বিজ্ঞাপনটো পুনৰীক্ষণ আৰু প্ৰমাণ পত্ৰসহ দাখিল কৰা হ'ব।

১২। নিৰ্ধাৰিত দফা ৬ (i) আৰু ৬ (iii) অথবা দফা ৭ৰ আধাৰতে গঠিত উপৰোক্ত পুনৰীক্ষণ সমিতিখনে বিজ্ঞাপনৰ সন্তুষ্টি প্ৰকাশ কৰে, উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি দফা ৪ আৰু ৫ৰ আধাৰত প্ৰমাণ পত্ৰ জাৰি কৰিব লাগে আৰু সম্প্ৰচাৰ কৰিব দিব লাগে। প্ৰমাণ পত্ৰৰ বাবে ফৰ্মেটো পৰিশিষ্ট-'বি'ত আছে।

১৩। উচ্চতম ন্যায়ালয়ৰ দ্বাৰা ১৩ এপ্ৰিল ২০০৪ত জাৰি কৰা আদেশত অন্তৰ্ভুক্ত নিৰ্দেশনাসমূহ সকলোৱে পালন কৰিব ১০ মে' ২০০৪লৈ, ই সকলো ৰাজৈনতিক দল, প্ৰাৰ্থী, ব্যক্তি, গোট বা ন্যাস, যিয়ে বৈদ্যুতিন মাধ্যম তাৰ ভিতৰত আছে কেবল নেটৱৰ্ক আৰু /বা টেলিভিছন চেনেলৰ লগতে কেবল অপাৰেটৰত বিজ্ঞাপনৰ ক্ষেত্ৰত এই নিৰ্দেশনা প্ৰযোজ্য হ'ব।

## পৰিশিষ্ট - A

# বিজ্ঞাপনৰ অনুমোদনৰ বাবে আবেদন

**I**

(i) আবেদনকাৰীৰ নাম আৰু সম্পূৰ্ণ ঠিকনা

(ii) বিজ্ঞাপন কোনো ৰাজনৈতিক দল / কোনো প্ৰাৰ্থী / সংগঠন / কোনো সংস্থা / ন্যাস (নাম উল্লেখ কৰিব)

(iii) (ক) ৰাজনৈতিক দলৰ ক্ষেত্ৰত, দলটোৰ স্থিতি (ৰাষ্ট্ৰীয় পঞ্জীয়নকৃত / ৰাজ্যিক / অপঞ্জীয়নকৃত দল)

(খ) কোনো প্ৰাৰ্থীৰ ক্ষেত্ৰত, প্ৰতিনিধিত্ব কৰা লোকসভা সমষ্টিৰ নাম

(iv) ৰাজনৈতিক দল / সংগঠন / সংস্থা / ন্যাসৰ মুখ্য কাৰ্যালয়ৰ ঠিকনা

(v) বিজ্ঞাপনৰ সম্প্ৰসাৰণ কৰিবলগীয়া চেনেল / কেবল নেটৱৰ্কৰ নাম

(vi) (ক) বিজ্ঞাপনটো কোনো প্ৰাৰ্থীৰ নিৰ্বাচন সংক্ৰান্তীয় লাভালাভৰ বাবে নেকি?

(খ) যদি হয়, তেনেকুৱা প্ৰাৰ্থীৰ নাম আৰু সম্পূৰ্ণ ঠিকনা আৰু লগতে সমষ্টিৰ নাম দিব লাগে

(vii) বিজ্ঞাপন জমা দিয়াৰ তাৰিখ

(viii) বিজ্ঞাপনত ব্যৱহৃত ভাষা (দুকপি ই-ফৰ্ম আৰু প্ৰত্যায়িত প্ৰতিলিপি বিজ্ঞাপনৰ লগত গাঁঠি দিব লাগিব)

(ix) বিজ্ঞাপনৰ শিৰোনাম

(x) বিজ্ঞাপন প্ৰস্তুত কৰা খৰচ

(xi) মুঠ নিবেশৰ সংখ্যা আৰু প্ৰতিটো নিবেশৰ আনুমানিক দৰৰ লগত সম্প্ৰচাৰ হ'বলগীয়া বিজ্ঞাপনৰ আনুমানিক ব্যয়

(xii) মুঠ ব্যয় (টকাত)

## II

মই, শ্ৰী/শ্ৰীমতী ................................................................................
পুত্ৰ /কন্যা/স্ত্ৰী ................................................................................ (সম্পূৰ্ণ ঠিকনা) ........................................................................, দায়িত্ব লৈছোঁ যে বিজ্ঞাপনৰ সম্প্ৰচাৰ আৰু প্ৰস্তুতিৰ সকলো লেনদেন চেক/ডিমাণ্ড ড্ৰাফ্টযোগে কৰা হ'ব।

স্থান ঃ আবেদনকাৰীৰ চহী

তাৰিখ ঃ

## III

(কোনো ৰাজনৈতিক দল বা প্ৰাৰ্থীৰ বাহিৰে অন্য সকলৰ বিজ্ঞাপনৰ ক্ষেত্ৰত প্ৰযোজ্য)

মই, শ্ৰী/শ্ৰীমতী ................................................................................
পুত্ৰ/কন্যা/স্ত্ৰী ................................................................................
(সম্পূৰ্ণ ঠিকনা) ............................................................, ইয়াৰ দ্বাৰা জনাওঁ যে গাঁঠি দিয়া বিজ্ঞাপন কোনো ৰাজনৈতিক দল অথবা প্ৰাৰ্থীৰ লাভালাভৰ বাবে নহয় আৰু এই বিজ্ঞাপন কোনো ৰাজনৈতিক অথবা প্ৰাৰ্থীয়ে আনুমোদন কৰা নহয়।

স্থান ঃ আবেদনকাৰীৰ চহী
তাৰিখ ঃ

# পৰিশিষ্ট -B

## বিজ্ঞাপনৰ সম্প্ৰচাৰৰ অনুমোদন

**I**

(i) আবেদনকাৰী/ৰাজনৈতিক দল/প্ৰাৰ্থী/ ব্যক্তি/ গোট/সংগঠন/সংস্থা/ন্যাসৰ নাম
(ii) বিজ্ঞাপনৰ শিৰোনাম
(iii) বিজ্ঞাপনৰ দৈৰ্ঘ্য
(iv) বিজ্ঞাপনত ব্যৱহৃত ভাষা
(v) বিজ্ঞাপন জমা দিয়াৰ তাৰিখ
(vi) সম্প্ৰচাৰৰ অনুমোদনৰ তাৰিখ

**II**

ওপৰোক্ত বিজ্ঞাপনটো সন্মানীয় ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ নীতি নিৰ্দেশনামতে সম্প্ৰচাৰৰ বাবে উপযুক্ত বুলি অনুমোদন কৰা হ'ল।

অধ্যক্ষৰ চহী /

সমিতিৰ সদস্য /

কৰ্তৃত্বশীল বিষয়া

স্থান ঃ ...................

তাৰিখ ঃ ...............

# পৰিশিষ্ট - XI

(অধ্যায়- ৭ মন্ত্ৰী/অন্যান্যৰ ভ্ৰমণ/পৰিদৰ্শন)

ভাৰত চৰকাৰৰ কেবিনেট সচিব, মুখ্য সচিবসকল আৰু সকলো ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়াসকললৈ নিৰ্বাচনী আয়োগৰ পত্ৰ নং- ৪৩৭/৬/২০০৭-পিএলএন-III তাৰিখ ঃ ২৩ নৱেম্বৰ, ২০০৭

বিষয় ঃ **মন্ত্ৰীসকলৰ ভ্ৰমণ - সাধাৰণ নিৰ্বাচন**

**প্ৰসংগ ঃ** ১। আয়োগৰ পত্ৰ নং - ৪৩৭/৬/৯৬/পিএলএন-III তাং- ১৭/১/১৯৯৬

২। আয়োগৰ পত্ৰ নং- ৪৩৭/৬/৯৯/পিএলএন-III তাং- ১৫/৭/১৯৯৯

৩। আয়োগৰ পত্ৰ নং- ৪৩৭/৬/৪/২০০৩/পিএলএন-III তাং- ১২/৬/২০০৩

মোক জনাবলৈ কোৱা হৈছে যে মন্ত্ৰীসকলে নিৰ্বাচন হ'বলগীয়া ৰাজ্যসমূহ পৰিদৰ্শন কৰিব পাৰে আৰু নিৰ্বাচনীৰ সৈতে আদৰ্শ আচৰণবিধি অৱগত কৰাব লাগে। আয়োগে এক মুক্ত আৰু সুস্থ নিৰ্বাচনৰ বাবে সময়ে সময়ে মন্ত্ৰীসকলৰ এনেকুৱা ভ্ৰমণত নিৰ্দেশনা জাৰি কৰি আহিছে আৰু নিৰ্দিষ্ট নিৰ্দেশিকা বিহিত কৰিছে যাতে এনেকুৱা প্ৰতিনিধিৰ ভ্ৰমণত নিৰ্বাচনৰ কামত চৰকাৰী সঁজুলি ব্যৱহৃত নহয়। নৰেন্দ্ৰ কুমাৰ গৌৰ আৰু ভাৰতীয় নিৰ্বাচন আয়োগৰ মাজৰ মোকৰ্দমাত ভাৰতীয় উচ্চতম ন্যায়ালয়ে লিখিত আবেদন নং ১৯৯৯ৰ ৩৯৯ (১৬/৮/৯৯)ত উক্ত কথাত সমৰ্থন আগবঢ়াইছে।

২। যদি এজন কেন্দ্ৰীয় মন্ত্ৰীয়ে নিজৰ কাৰ্যালয়ৰপৰা কোনো নিৰ্বাচনী ৰাজ্য / জিলালৈ সম্পূৰ্ণ চৰকাৰী উদ্দেশ্যত ভ্ৰমণ কৰিছে যিয়ে জনস্বাৰ্থ অৱজ্ঞা কৰিব নোৱাৰে, তেতিয়া ইয়াৰ প্ৰভাৱক উল্লেখ কৰি ভাৰত চৰকাৰৰ উক্ত বিভাগ/মন্ত্ৰালয়ৰপৰা মন্ত্ৰীজনে ভ্ৰমণ কৰা ৰাজ্যখনৰ মুখ্য সচিবলৈ এখন চিঠি পঠাব লাগে যাতে তাৰে এটা প্ৰতিলিপি আয়োগলৈ যায়। কেন্দ্ৰীয় মন্ত্ৰীজনে কোনো ধৰণৰ ৰাজনৈতিক কাৰ্যকলাপত অংশগ্ৰহণ নকৰি সম্পূৰ্ণ চৰকাৰী উদ্দেশ্যত ভ্ৰমণ কৰা বুলি সচিবৰপৰা বিবৃত্তি পালে মুখ্য সচিবে কেন্দ্ৰীয় মন্ত্ৰীক চৰকাৰী বাহন আৰু থকাৰ ব্যৱস্থা তথা অন্যান্য সা-সুবিধাৰ যোগান কৰিব পাৰে। এই প্ৰণালীত মুখ্য সচিবে ৰাজ্যখনৰ মুখ্য নিৰ্বাচন বিষয়াক, যাক ৰাজ্যখনৰ নিৰ্বাচনী গতিবিধি, আদৰ্শগত আচৰণবিধি প্ৰয়োগৰ নিৰীক্ষণৰ দায়িত্ব অৰ্পণ কৰা হৈছে, আগতীয়াকৈ সতৰ্কবাণী প্ৰেৰণ কৰিব। আয়োগে মুখ্য নিৰ্বাচনী বিষয়াৰ পৰামৰ্শ অনুসৰি তৈয়াৰীবোৰৰ ওফৰত চকু ৰাখিব। এইটো আশা কৰা হৈছে যে কেন্দ্ৰীয় মন্ত্ৰীসকলে নিজৰ গৃহৰাজ্য, নিৰ্বাচনী ৰাজ্য

আৰু মুখ্যতঃ ঘৰৰপৰা তেওঁলোকে প্ৰতিদ্বন্দ্বিতা কৰিছে সেই অঞ্চললৈ কোনো চৰকাৰী ভ্ৰমণত নাযায়। অৱশ্যে ব্যক্তিগত ভ্ৰমণৰ বাবে তেওঁলোক মুক্ত।

(মন কৰক ইচিআই নিৰ্দেশনা নং- ৪৩৭/৬/৯৯/পিএলএন-III তাং- ১৫/৭/১৯৯৯)

২। আয়োগে লগতে নিৰ্দেশ দিয়ে—

(ক) কোনো ৰাজ্যিক মন্ত্ৰীয়ে নিৰ্বাচন প্ৰক্ৰিয়া শেষ নোহোৱা পৰ্যন্ত কোনো চৰকাৰী ভ্ৰমণৰ সুবিধা ল'ব নোৱাৰিব।

(খ) কোনো মন্ত্ৰীয়ে ঘোষিত হোৱা নিৰ্বাচনী সমষ্টি বা ৰাজ্যৰ কোনো নিৰ্বাচন সংক্ৰান্তীয় বিষয়া পদবী ল'ব নোৱাৰিব। লগতে নিৰ্বাচন প্ৰক্ৰিয়া শেষ নোহোৱা পৰ্যন্ত উপৰোক্ত সমষ্টিৰ যিকোনো স্থান বা কাৰ্যালয় বা অতিথিশালাৰ ভিতৰত বা বাহিৰত কোনো ধৰণৰ দাপ্তৰিক আলোচনা কৰিব নোৱাৰিব।

(গ) নিৰ্দেশাৱলীৰ একমাত্ৰ ব্যতিক্ৰমটো হৈছে— সংশ্লিষ্ট বিভাগৰ দায়িত্বত থকা মন্ত্ৰী বা মুখ্যমন্ত্ৰী সমষ্টিলৈ চৰকাৰী ভ্ৰমণত যাব পাৰে, অথবা নিৰ্বাচন সংক্ৰান্তীয় বিষয়াৰ পদবী গ্ৰহণ কৰিব পাৰিব যদিহে আইন শৃংখলাৰ ব্যৰ্থতা, প্ৰাকৃতিক দুৰ্যোগ অথবা তেনেধৰণৰ জৰুৰীকালীন পৰিস্থিতি উদ্ভৱ হয় য'ত মন্ত্ৰী / মুখ্যমন্ত্ৰীৰ নিচিনা প্ৰভাৰী ব্যক্তিৰ উপস্থিতি প্ৰয়োজনীয় হৈ পৰে।

(মন কৰক ইচিআই নিৰ্দেশনা নং- ৪৩৭/৬/৯৬/পিএলএন-III তাং- ১৭/১/১৯৯৬)

৩। ইয়াতে স্পষ্ট কৰি দিয়া হৈছে যে মন্ত্ৰীসকলে চৰকাৰী বাহন নিজ গৃহৰপৰা মুখ্য কাৰ্যালয়লৈ যাওতে ব্যৱহাৰ কৰিব পাৰিব যদিও কোনো নিৰ্বাচনী কামত ব্যৱহাৰ কৰিব নোৱাৰিব, আনকি যাত্ৰাপথত থকা দলীয় কাৰ্যালয়তো পৰিদৰ্শন কৰিব নোৱাৰিব। ৰাজ্যিক প্ৰশাসনে সুৰক্ষাৰ নিমিত্তে কোনো মন্ত্ৰীক অস্ত্ৰসম্বলিত সুৰক্ষা কৰ্মীৰ যোগান ধৰিলেও মন্ত্ৰীয়ে কোনো ভ্ৰমণৰ সময়ছোৱা বাহনত যিকোনো ৰঙৰ সাংকেতিক লাইট অথবা চাইৰেন ব্যৱহাৰ কৰিব নোৱাৰিব।

(মন কৰক ইচিআই নিৰ্দেশনা নং- ৪৩৭/৬/৯৬/পিএলএন-III তাং- ১৭/১/১৯৯৬)

৪। কোনো সংসদীয় বা বিধান সভাৰ উপ নিৰ্বাচনৰ সময়ত উপৰোক্ত অনুচ্ছেদ ২ (III) উল্লেখিত জৰুৰীকালীন পৰিস্থিতিতকৈ ব্যতিক্ৰম তলত উল্লেখিত সীমাবদ্ধতা মন্ত্ৰীসকলৰ ভ্ৰমণৰ ক্ষেত্ৰত আৰোপ কৰা হৈছে—

(ক) উপ নিৰ্বাচন ঘোষণা হোৱাৰ পিছত কেন্দ্ৰীয় বা ৰাজ্যিক সকলো মন্ত্ৰীয়ে চৰকাৰী ভ্ৰমণ আৰু নিৰ্বাচনী কাম-কাজ কৰিব নোৱাৰিব। চৰকাৰী ভ্ৰমণৰ অন্ত পেলাই তেওঁলোক মুখ্য কাৰ্যালয়লৈ উভতিব লাগিব। উপ নিৰ্বাচন হৈ থকা জিলালৈ

যোৱা সকলো ভ্ৰমণেই সম্পূৰ্ণ ব্যক্তিগত হ'ব আৰু তেনেকুৱা ভ্ৰমণ মুখ্য কাৰ্যালয়ৰপৰা আৰম্ভ হৈ তাৰেই অন্ত পৰিব লাগিব।

(খ) কোনো মন্ত্ৰীয়ে চৰকাৰী দায়িত্বত কোনো জিলালৈ যোৱাৰ পথত যদি উপ নিৰ্বাচন অনুষ্ঠিত হৈ থকা জিলাৰ মাজেৰে যাবলগীয়া হয় তেন্তে তেওঁ উক্ত জিলাত ৰ'ব নোৱাৰিব তথা কোনো ৰাজনৈতিক কৰ্মত যোগদান কৰিব নোৱাৰিব।

(গ) কোনো মন্ত্ৰীয়ে উপ নিৰ্বাচন অনুষ্ঠিত হৈ থকা জিলাৰ কোনো বিষয়াকে যিকোনো জিলাত যিকোনো সভাত অংশগ্ৰহণ কৰিবলৈ নিমন্ত্ৰণ জনাব নোৱাৰিব, আনকি নিৰ্বাচন অনুষ্ঠিত নোহোৱা জিলালৈ নিমন্ত্ৰণ কৰিব নোৱাৰিব।

(ঘ) কোনো বিষয়াই নিৰ্বাচন অনুষ্ঠিত হৈ থকা কোনো এলেকাত ব্যক্তিগত ভ্ৰমণত থকা মন্ত্ৰীক লগ ধৰে তেন্তে তেওঁক অসদাচৰণৰ বাবে দোষাৰোপ কৰা হ'ব। আৰু যদি তেওঁ ৰিপ্ৰেজেনটেচন অৱ পিপল এক্ট, ১৯৫১ৰ শাখা ১২৯(১)ত উল্লেখিত এজন বিষয়া হয় তেন্তে তেওঁক অতিৰিক্তভাৱে দণ্ডনীয় কৰা হ'ব।

(ঙ) ৰাজ্যিক প্ৰশাসনে সুৰক্ষা নিমিত্তে কোনো মন্ত্ৰীক অস্ত্ৰসম্বলিত সুৰক্ষা কৰ্মীৰ যোগান ধৰিলেও উপ নিৰ্বাচন অনুষ্ঠিত হৈ থকা সমষ্টিত ব্যক্তিগত ভ্ৰমণত যাওতে তেওঁ বাহনত কোনো ৰঙৰ সাংকেতিক লাইট অথবা চাইৰেন ব্যৱহাৰ কৰিব নোৱাৰিব।
(মন কৰক ইচিআই নং- ৪৩৭/৬/৪/২০০৩/পিএলএন-III তাং-১২/৬/২০০৩)

৫। আয়োগে লগতে নিৰ্দেশ দিছে যে ৰাজ্যৰ নিৰ্বাচনী গতিবিধি তথা আদেশ আচৰণবিধি নিৰ্দেশনা ৰূপায়ণৰ নিৰীক্ষণৰ দায়িত্বত থকা মুখ্য নিৰ্বাচনী বিষয়াক জিলা নিৰ্বাচনী বিষয়াই কোনো কেন্দ্ৰীয় বা ৰাজ্যিক মন্ত্ৰীৰ উপ-নিৰ্বাচন অনুষ্ঠিত হোৱা এলেকাৰ ভ্ৰমণৰ আগতীয়া খবৰ জনাব লাগিব। তেনেকৈয়ে মুখ্য নিৰ্বাচনী বিষয়াই নিৰ্বাচন আয়োগক বিষয়টো অৱগত কৰাব লাগিব।
(মন কৰক ইচিআই নিৰ্দেশনা নং- ৪৩৭/৬/৪/২০০৩/পিএলএন-III তাং-১২/৬/২০০৩)

৩। এনে নিৰ্দেশনাৱলী উলংঘনকাৰীক মূলভাৱে জগৰীয়া কৰা হ'ব, কেৱল আদৰ্শ আচৰণবিধি উলংঘনৰ বাবেই নহয়, লগতে শান্তিপূৰ্ণ, মুক্ত আৰু নিকা নিৰ্বাচনত বাধা জন্মোৱাৰ দোষতো জগৰীয়া কৰা হ'ব। যাৰ বাবে আয়োগে বিশেষ পৰিস্থিতিত ব্যৱস্থা গ্ৰহণ কৰিব।

# ভাৰত চৰকাৰ
# গৃহ মন্ত্ৰালয়
# কাৰ্যালয় স্মাৰক লিপি

**বিষয় ঃ নিৰ্বাচনী প্ৰচাৰত সংগতি ৰাখি লোকসভাৰ সাধাৰণ নিৰ্বাচনত মন্ত্ৰীৰ ভ্ৰমণ।**

তলত স্বাক্ষৰিত কৰাজনক জনাবলৈ নিৰ্দেশ দিয়া হৈছে যে লোকসভাৰ নিৰ্বাচনৰ কালছোৱাত মন্ত্ৰীসকলৰ নিৰ্বাচনী প্ৰচাৰক বিষয় হিচাপে লৈ সংসদত প্ৰশ্নৰ উত্থাপন হয়। উত্তৰত, সাধাৰণ নীতি এইটো সদায়েই স্পষ্ট কৰি অহা হৈছে যে প্ৰচলিত নিৰ্দেশনা অনুসৰি নিৰ্বাচনী প্ৰচাৰ সংক্ৰান্তীয় ভ্ৰমণবোৰক চৰকাৰী ভ্ৰমণ হিচাপে গণ্য কৰা নহয় আৰু চৰকাৰী কৰ্মচাৰীৰ সেই সেৱা দলীয় নিৰ্বাচনী কাম-কাজৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰি। গৃহ মন্ত্ৰালয়ে মন্ত্ৰীসকলৰ বেচৰকাৰী ভ্ৰমণ উদ্দেশ্যৰ লগতে নিৰ্বাচনী ভ্ৰমণৰ ক্ষেত্ৰত নিৰ্দেশাৱলী সময়ে সময়ে জাৰি কৰি আহিছে। এই নিদেৰ্শাৱলী সংক্ষিপ্ত কৰা হ'ল আৰু এটা প্ৰতিলিপি ১৯৭০ চনৰ ৩১ জুলাই লোকসভাৰ মজিয়াত উপস্থাপন কৰা হ'ল। যিহেতু লোকসভাৰ সাধাৰণ নিৰ্বাচন ১৯৮৯ চনৰ নৱেম্বৰত হ'ব লগা আছিল, গতিকে নিৰ্দেশাৱলী সাংৰাংশৰ এটা প্ৰতিলিপিৰ লগতে সেই প্ৰতিলিপি যাতে মন্ত্ৰীসকললৈও পঠোৱা হয় তাৰেই অনুৰোধ পত্ৰখন গাঁঠি দিয়া হয়।

মন্ত্ৰীসকলৰ বেচৰকাৰী ভ্ৰমণৰ উদ্দেশ্য তথা নিৰ্বাচনী ভ্ৰমণ সংক্ৰান্তীয় নিৰ্দেশাৱলী বিভিন্ন যোগাযোগৰ মাধ্যমত জাৰি কৰা হৈছে আৰু সময়ে সময়ে নতুন ৰূপত জাৰি কৰা হয়।

## সাধাৰণ নিৰ্দেশাৱলী ঃ

(১) পদত্যাগ নকৰা পৰ্যন্ত এজন মন্ত্ৰী গণ মন্ত্ৰালয়ৰ দায়িত্বত থাকে আৰু সেইমতে চৰকাৰী বা বেচৰকাৰী ভ্ৰমণত তেওঁ মন্ত্ৰীত্বৰ দায়িত্ব পালন কৰি যাব লাগে, সেয়ে—

  (ক) তেওঁ সেই ভ্ৰমণত কমসংখ্যক ব্যক্তিগত কৰ্মী লৈ যাব লাগে আৰু তেনে কৰ্মীৰ যাত্ৰা আৰু দৈনিক ভাত্তা নিয়মৰ অধীনত দিয়াব লাগে। আৰু

  (খ) যেতিয়া তেওঁ কোনো এলেকা ভ্ৰমণ কৰে, জিলা বিষয়াই সকলো সা-সুবিধা আৰু সুৰক্ষাৰ ব্যৱস্থা কৰিব লাগিব।

(২) মন্ত্ৰী এজনে চৰকাৰী ভ্ৰমণৰ যাত্ৰা আৰু দৈনিক ভাত্তা দাবী কৰিব পাৰে, যিবোৰ কাৰ্যপ্ৰণালী তেওঁ মুখ্য কাৰ্যালয়ৰপৰা সম্পাদন কৰিব নোৱাৰে। যদিহে কোনো চৰকাৰী ভ্ৰমণৰ লগত দলীয় কৰ্মৰ নিচিনা ব্যক্তিগত স্বাৰ্থ যুক্ত কৰা হয়, তেন্তে তেওঁ নিজেই তাৰ দায়িত্ব ল'ব লাগিব, কাৰণ অতিৰিক্ত যাত্ৰাৰ বাবে কোনো ভ্ৰমণ ভাত্তাৰ যোগান ধৰা নহয়। যদিহে চৰকাৰী ভ্ৰমণত থকা মন্ত্ৰী এজনে এটা দিন নিজৰ ব্যক্তিগত কামত প্ৰয়োগ কৰে তেন্তে

সেই দিনটোৰ দৈনিক ভাত্তা তেওঁক দিয়া নহয়।

**নিৰ্বাচনী ভ্ৰমণ সংক্ৰানীয় বিশেষ নিৰ্দেশাৱলী ঃ**

(৩) কোনো নিৰ্বাচনী সভাত যদি কোনো মন্ত্ৰীয়ে সম্বোধন কৰাৰ আগেয়ে তেওঁ আয়োজকক জনাব লাগে যাতে তেওঁক উক্ত সভাত চৰকাৰী বিষয়া হিচাপে পৰিচয় নকৰায়। নিৰ্বাচনী ভ্ৰমণত চৰকাৰী সভা খুবেই কম অনুষ্ঠিত হয় আৰু সাধাৰণতে জনতাৰ সভাবোৰক নিৰ্বাচনী সভা আখ্যা দিয়া হয়। আৰু সেইবোৰ খৰচ নিজাকৈ বহন কৰিব লাগিব।

(৪) আইন শৃংখলা অতুত ৰখা আৰু মন্ত্ৰীসকলক সাধাৰণ সুৰক্ষা প্ৰদানত সহযোগিতা আগবাঢ়োতেই নিৰ্বাচনী সভাত বিষয়াৰ ভূমিকা সীমাবদ্ধ হ'ব লাগে।

(৫) নিৰ্বাচনী প্ৰচাৰেই যিহেতু ভ্ৰমণৰ মুখ্য উদ্দেশ্য, সেয়ে মন্ত্ৰীসকলক তাৰ বাবে ভ্ৰমণ খৰচ আৰু দৈনিক ভাত্তা প্ৰদান কৰিব নালাগে। এইটো অনুমান কৰা হয় যে ভোটগ্ৰহণলৈ কেইসপ্তাহমান থকা সময়ছোৱাত মন্ত্ৰীসকলৰ ভ্ৰমণবোৰত চৰকাৰী দায়িত্বতকৈ নিৰ্বাচনত বেছি গুৰুত্ব দিয়া হয়।

(৬) মন্ত্ৰীৰ মনোনয়ন পত্ৰ পূৰণ আৰু পৰৱৰ্তী কালত তেওঁৰ সমষ্টিলৈ কৰা ভ্ৰমণবোৰক নিৰ্বাচনী সংক্ৰান্তীয় ভ্ৰমণ হিচাপে গণ্য কৰা উচিত।

(৭) যদি এজন মন্ত্ৰীয়ে নিৰ্বাচন সংক্ৰান্তীয় কামত নিজৰ সমষ্টি নিজা খৰচত ভ্ৰমণ কৰে; আকৌ তাৰপৰা চৰকাৰী দায়িত্বত অন্য স্থানলৈ যাব লগা হয়, তেন্তে তেওঁ ভ্ৰমণ ভাত্তা মুখ্য কাৰ্যালয়ৰপৰা উক্ত স্থান আৰু পুনৰ তাৰপৰা মুখ্য কাৰ্যালয়লৈ নিৰ্ধাৰণ কৰিব পাৰে। যদি জনস্বাৰ্থৰ খাতিৰত তেওঁ নিজা সমষ্টিৰ পৰা মুখ্য কাৰ্যালয়লৈ উভতিব লগা হয়, তেন্তে তেওঁ ওভতনি যাত্ৰাৰ বিমান বা ৰে'ল ভাড়াৰ খৰচ দাবী কৰি পাৰে। কেবিনেট উপ সমিতিৰ সভাৰ সমাগম জনস্বাৰ্থৰে অন্তৰ্গত। মুখ্য কাৰ্যালয়ৰ আন সভাৰ বা সন্মিলন যিমান সম্ভৱ গণ্য কৰা নাযায়।

(৮) যেতিয়া এজন মন্ত্ৰীক ৰাজ্যিক খৰচত এখন ব্যয়বহুল বাহনৰ যোগান ধৰা হয়, গাড়ীখন নিৰ্বাচন সংক্ৰান্তীয় কামত প্ৰয়োগ হ'ব নালাগে। আনকি ৰাজ্যিক খৰচৰ বাহনখনৰ প্ৰতিপালনৰ বাবে এটা ভাত্তাও যদি মন্ত্ৰীজনক দিয়া হয়, তেনেকুৱা বাহন নিৰ্বাচনী স্বাৰ্থত ব্যৱহাৰ হোৱাটো কাম্য নহয়।

# পৰিশিষ্ট - XII

(অধ্যায় - ৯ চৰকাৰী ৱেবচাইট/গৃহ/বিজ্ঞাপনত ফটো/বাৰ্তাৰ উপস্থাপন)

কেবিনেট সচিব, মুখ্য সচিব আৰু মুখ্য নিৰ্বাচন বিষয়া সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত প্ৰদেশৰ মুখ্য নিৰ্বাচন বিষয়ালৈ ইচিআই পত্ৰ নং- ৪৩৭/৬/আইএনএছটি/২০১৪/চিচি এণ্ড বিই, তাং- ২০/৩/২০১৪

**বিষয় ঃ লোকসভা আৰু বিধানসভাৰ সাধাৰণ/উপ নিৰ্বাচনৰ কালছোৱাত চৰকাৰী ৱেবচাইটৰ পৰা ৰাজনীতিবিদ/মন্ত্ৰীৰ সকলো প্ৰসংগ অপনয়ন কৰাৰ ক্ষেত্ৰত নিৰ্দেশাৱলী।**

মোক জনাবলৈ কোৱা হৈছে যে আয়োগে নিজৰ পত্ৰ ৪৩৭/৬/২০০৭ (আইএনএছটি) পিএলএন-III, তাং- ২১/১১/২০০৭)ত লোকসভা আৰু বিধানসভাৰ সাধাৰণ / উপ-নিৰ্বাচনৰ কালছোৱাত চৰকাৰী ৱেবচাইটৰপৰা ৰাজনীতিবিদ / মন্ত্ৰীৰ সকলো প্ৰসংগ অপনয়ন কৰাৰ ক্ষেত্ৰত নিৰ্দেশাৱলী জাৰি কৰিছে।

এইটো লক্ষ্য কৰা হৈছে যে আয়োগৰ পূৰ্বোক্ত নিৰ্দেশাৱলী নিৰ্বাচনৰ কালছোৱাত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহে পালন কৰা নাই।

ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ নিদৰ্শনৰ বাবে আদৰ্শ আচৰণ বিধিৰ VII (IV) নং দফাত স্পষ্টকৈ উল্লেখ আছে যে—

VII শাসকীয় দল ঃ

কেন্দ্ৰীয় বা ৰাজ্যৰ শাসকীয় দলবোৰৰ ক্ষেত্ৰত কোনো আপত্তি গ্ৰহণযোগ্য নহয়, যিহেতু ইয়াক ব্যৱহাৰ কৰা হৈছে নিৰ্বাচনী প্ৰচাৰৰ বাবে আৰু সেয়ে বিশেষকৈ—

(IV) ৰাইজৰ ধনেৰে বাতৰি কাকত আৰু অন্যান্য সংবাদ মাধ্যমত দিয়া বিজ্ঞাপন আৰু ৰাজনৈতিক বাতৰি তথা শাসকীয় দলৰ দলীয় কৃতিত্ববোৰৰ প্ৰচাৰৰ যোগেদি চৰকাৰী গণ মাধ্যমৰ অপপ্ৰয়োগ বিষয়টো সতৰ্কতাৰে পৰিত্যাগ কৰা।

মন্ত্ৰী কাৰ্যালয়ৰ ৱেবচাইট আৰু ৰাজ্য চৰকাৰৰ ৱেবচাইটবোৰত প্ৰদৰ্শন হৈ থকা বিভাগীয় আৰু চৰকাৰী কৃতিত্বৰ লগতে ৰাজনীতিবিদ / মন্ত্ৰীসকলৰ ব্যক্তিগত কৃতিত্ববোৰৰ সম্পৰ্কে উত্থাপিত প্ৰশ্ন আয়োগে বিবেচনা কৰিছে।

আয়োগে সিদ্ধান্ত লৈছে যে লোকসভা / ৰাজ্যিক বিধানসভাৰ নিৰ্বাচনৰ সময়ছোৱাত, আদৰ্শ আচৰণ বিধি বলবৎ থকা সময়ত কেন্দ্ৰীয় / ৰাজ্য চৰকাৰৰ চৰকাৰী ৱেবচাইটৰপৰা মন্ত্ৰী,

ৰাজনীতিবিদ বা ৰাজনৈতিক দলৰ প্ৰসংগ আঁতৰ কৰিব লাগে।

আয়োগৰ উপৰোক্ত নিৰ্দেশাৱলী যথাযথভাৱে ৰূপায়নৰ খাতিৰত যাতে সকলো সংশ্লিষ্টলৈ প্ৰেৰণ কৰা হয়।

# পৰিশিষ্ট - XIII

(অধ্যায় - ১০ বাহনৰ ব্যৱহাৰ / অধিযাচন)

পত্ৰ নং- ৪৬৪/আইএনএছটি/২০১৪/ইপিএছ, তাং- ১০/৪/২০১৪

২.১ **'বাহন'ৰ অৰ্থ**

পৰিবহনৰ স্বাৰ্থত ব্যৱহৃত হোৱা বাহনকেই 'বাহন' শব্দৰে বুজোৱা হয় যদিও ট্ৰাক, লৰী, টেম্পো, কাৰ, অট'ৰিক্সা, ই-ৰিক্সা, বাছ, নাও, হেলিকপ্টাৰ আদিও ইয়াৰ অন্তৰ্ভুক্ত। 'চৰকাৰী বাহন'ৰ ভিতৰত এইসমূহৰ বাহনো অন্তৰ্ভুক্ত হয়— (i) কেন্দ্ৰীয় চৰকাৰ, (ii) ৰাজ্যিক চৰকাৰ / কেন্দ্ৰীয় শাসিত প্ৰদেশ, (iii) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সৰ্বজনীন উদ্যোগ, (iv) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ যুটীয়া খণ্ড, (v) স্থানীয় সংস্থা, (vi) পৌৰ নিগম, (vii) পৌৰ সভা, (viii) বিপনন বোৰ্ড, (ix) সমবায় সমিতি (x) স্বায়ত্ত শাসিত জিলা পৰিষদ বা জনতাৰ পুঁজি সন্নিৱিষ্ট যিকোনো সংস্থাৰ লগতে সুৰক্ষা মন্ত্ৰালয় আৰু গৃহ মন্ত্ৰালয় তথা ৰাজ্য চৰকাৰৰ অধীনষ্ঠ কেন্দ্ৰীয় জনসাধাৰণৰ সংস্থাবোৰ।

## ইচিআই নিৰ্দেশনা ঃ

২.২ ব্যতিক্ৰম সাপেক্ষে ইয়াত কৰা হৈছে যে ইচিআইএ নিৰ্বাচনৰ সূচী ঘোষণা কৰাৰ পৰা নিৰ্বাচনী প্ৰক্ৰিয়া অন্ত হোৱালৈ চৰকাৰী বাহনবোৰ নিৰ্বাচনী প্ৰচাৰ, নিৰ্বাচন সম্পৰ্কীয় ভ্ৰমণ আদিৰ পৰা সম্পূৰ্ণৰূপে বিৰত ৰাখিব লাগিব। যিকোনো ৰাজনৈতিক দল, প্ৰাৰ্থী আৰু নিৰ্বাচনৰ লগত জড়িত যিকোনো ব্যক্তিক চৰকাৰী বাহনৰ ব্যৱহাৰত নিষেধাজ্ঞা জাৰি কৰিব লাগিব (১০ এপ্ৰিল, ২০১৪ত আয়োগৰ আদেশ নং- ৪৬৪/আইএনএছটি/২০১৪/ইপিএছত উল্লেখিত পৰিশিষ্ট Iত উপলব্ধ)
(নিৰ্বাচন সম্পৰ্কীয় চৰকাৰী কামৰ বাবে বিষয়াক এই নিষেধাজ্ঞা ৰেহাই দিয়া হ'ব)।

২.৩ যিকোনো ধৰণৰ চৰকাৰী বাহন নিৰ্বাচন সম্পৰ্কীয় কাম-কাজত প্ৰয়োগ হৈছে নেকি তাৰ চোকা নজৰ ৰাখিব লাগিব জিলা প্ৰশাসনে। যদি কোনো দোষী দৃষ্টিগোচৰ হয়, তেন্তে জিলা ন্যায়াধীশে তাৎক্ষণিকভাৱে ৰিপ্ৰেজেনটেচন অৱ দ্য পিপল এক্ট, ১৯৫১ৰ চেক্সন ১৬০ৰ অধীনত বাহনখন দোষী সাব্যস্ত কৰিব আৰু নিৰ্বাচন প্ৰক্ৰিয়া শেষ নোহোৱা পৰ্যন্ত বাহনখন মুকলি কৰি নিদিব।

## স্পষ্টীকৰণ

২.৪ ইয়াত স্পষ্ট কৰি দিয়া হৈছে যে নিষেধাজ্ঞা ৰাজ্যৰ ভিতৰৰ অথবা বহিঃৰাজ্যৰপৰা অহা

বাহনৰ ক্ষেত্ৰত সমানেই প্ৰযোজ্য হ'ব। মন্ত্ৰালয় / বিভাগ বা ব্যক্তিগত খণ্ড বা যুটীয়া খণ্ড বা স্বায়ত্ত শাসিত পৰিষদ বা মন্ত্ৰালয় / বিভাগৰ বিভাগীয় বিষয়াৰ অধীনত যিকোনো বাহন অপপ্ৰয়োগ হ'লে প্ৰতিখন ৰাজ্য / কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য সচিব / ভাৰত চৰকাৰৰ সচিব ব্যক্তিগতভাৱে জগৰীয়া হ'ব। যি বিষয়াৰ অধীনত এনেকুৱা বাহনৰ প্ৰয়োগ হৈছে তেওঁ নিয়ম উলংঘনৰ বাবে জগৰীয়া হ'ব।

লগতে স্পষ্ট কৰি দিয়া হৈছে যে ভাড়াৰ বিনিময়ত এনেকুৱা বাহন নিৰ্বাচনী প্ৰচাৰ বা ভ্ৰমণত কেন্দ্ৰীয় বা ৰাজ্যিক ৰাজ্য চৰকাৰৰ মন্ত্ৰীয়ে ব্যৱহাৰ কৰিলে সেই বাহন নিষিদ্ধ কৰা হ'ব।

**ব্যতিক্ৰম ঃ**

২.৫ উপৰোক্ত নিষেধাজ্ঞাৰ একমাত্ৰ ব্যতিক্ৰমটো হৈছে সন্ত্ৰাসবাদী আৰু তেনেকুৱা সন্ত্ৰাসৰ কাৰ্যপ্ৰণালীয়ে জীৱন বিপদত পেলাব পৰা প্ৰধানমন্ত্ৰী আৰু অন্য ৰাজনৈতিক ব্যক্তিৰ বাবে উচ্চ পৰ্যায়ৰ সুৰক্ষা ব্যৱস্থাৰ প্ৰয়োজনীয়তা থাকে আৰু এই ব্যৱস্থা গ্ৰহণৰ বিধিবদ্ধ বিধান প্ৰদানৰ দায়িত্বত থাকে সংসদ বা বিধানসভা।

উপৰোক্ত নিষেধাজ্ঞা ভাৰতৰ ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতি, লোকসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ, ৰাজ্যসভাৰ উপ-সভাপতি আৰু এখন ৰাজ্যৰপৰা আন ৰাজ্যলৈ ভ্ৰমণত যোৱা প্ৰতিনিধিৰ বাবে প্ৰযোজ্য নহয়। অৱশ্যে ইয়াতে স্পষ্ট কৰি দিয়া হৈছে যে লোকসভাৰ সাধাৰণ নিৰ্বাচনৰ সময়ত লোকসভাৰ অধ্যক্ষ আৰু সহকাৰী অধ্যক্ষ তথা ৰাজ্যসভাৰ সহকাৰী সভাপতিৰ বাবে উপৰোক্ত নিষেধাজ্ঞা বাহাল থাকিব।

(ক) আয়োগে এই বিষয়টো স্পষ্ট কৰি দিছে যে যদি স্পেচিয়েল প্ৰটেকচন গ্ৰুপ এক্ট ১৯৮৮ অধীনত কৰ্তৃপক্ষই ব্যৱস্থা কৰা সুৰক্ষাৰ ব্যৱস্থাপনাত সন্দেহ থকা কিবা উপাদান মজুত আছে অথবা চৰকাৰৰ বিশেষ আইন / নিৰ্দেশনা কাৰ্যকৰীভাৱে প্ৰকাশিত হৈছে অথবা কোনো নিৰ্দিষ্ট দল বা প্ৰাৰ্থীৰ পৰোক্ষভাৱে প্ৰচাৰৰ বাবে অযথা ব্যয় হৈছে তেন্তে আয়োগে বিষয়টো চৰকাৰৰ দৃষ্টিগোচৰ কৰিব যাতে শীঘ্ৰে কোনো সঠিক সিদ্ধান্ত ল'ব পাৰে।

(খ) এই উদ্দেশ্যে আয়োগে উক্ত ব্যক্তি সহায়াৰ্থে নিয়োজিত সুৰক্ষা ব্যৱস্থা সংক্ৰান্তীয় বাৰ্তা কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ পৰা বিচাৰিব পাৰে। এনেকুৱা বাৰ্তা চৰকাৰে পোনপটীয়াভাৱে সুসজ্জিত ৰূপত আয়োগক জনাব।

(গ) যদি সুৰক্ষা সংস্থাই কোনো ব্যক্তিৰ সুৰক্ষা ব্যৱস্থাপনাত ভ্ৰমণৰ বাবে বুলেটপ্ৰুফ বাহনৰ প্ৰয়োজনীয়তা থাকে, তেন্তে চৰকাৰে তেনেকুৱা এখন বাহনৰ ব্যৱস্থা কৰিব দিব পাৰিব য'ত বাহনৰ ব্যয় ব্যক্তিজনে বহন কৰিব। তেনেকুৱা বুলেটপ্ৰুফ

বাহন সেই ব্যক্তিৰ বাদে আন কোনো ৰাজনৈতিক নেতা / কৰ্মীয়ে ভ্ৰমণত ব্যৱহাৰ কৰিব নোৱাৰিব।

**বাহনৰ কনভয়ৰ সীমাবদ্ধতা**

২.৬ নিৰাপত্তাৰ বাহনক বাদ দি কনভয়ত দহখনতকৈ অধিক বাহন থাকিব পাৰিব। দহখনতকৈ বেছি বাহন থকা সকলো বৃহৎ কনভয়ক বিভক্ত কৰি ১০০ মিটাৰৰ দূৰত্ব নিৰ্ধাৰণ কৰা হ'ব, যদিও তেওঁলোকে কেন্দ্ৰীয় বা ৰাজ্যিক মন্ত্ৰীক সুৰক্ষা দি গৈছে। সুৰক্ষাজনিত কাৰণ সক্ষম কৰ্তৃপক্ষৰদ্বাৰা ইয়াক ন্যস্ত কৰা হৈছে।

নিৰ্বাচন শেষ নোহোৱা পৰ্যন্ত আয়োগৰ বিধি উলংঘা কৰি কোনো বাহন যাতে অধিক গতিৰে বাহনৰ কনভয়ৰ মাজত প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে স্থানীয় প্ৰশাসন সতৰ্ক থাকিব লাগিব।

**মনোয়ন পত্ৰ পূৰণৰ সময়ত বাহনৰ ব্যৱহাৰ**

২.৭ কোনো প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ জমা দিবলৈ আহোঁতে ৰিটাৰ্নিং অফিচাৰ / সহকাৰী ৰিটাৰ্নিং অফিচাৰৰ কাৰ্যালয়ৰ ১০০ মিটাৰ পৰিধিৰ ভিতৰত খুব বেছি তিনিখন বাহনৰ কনভয়হে প্ৰৱেশ কৰাব পাৰিব। এইটোও স্পষ্ট কৰা হৈছে যে এই ১০০ মিটাৰৰ পৰিধি স্পষ্টভাৱে আৰঅ'/ডিইঅ'ই নিৰ্ধাৰণ কৰিব। এইটোও নিৰ্দেশ দিয়া হৈছে যে প্ৰাৰ্থীৰ প্ৰৱেশৰ কাৰণে মাত্ৰ এখন দুৱাৰেই খোৱা থাকিব আৰু আন বিশেষ ব্যক্তিসকলৰ প্ৰৱেশ নিষিদ্ধৰ লগতে বাকী দুৱাৰো বন্ধ থাকিব। প্ৰৱেশদ্বাৰত এটা চিচি টিভি কেমেৰা সংস্থাপন কৰা থাকিব যাতে প্ৰৱেশৰ প্ৰকৃত সময় নিৰূপণ কৰিব পাৰে।

**নিৰ্বাচনী উদ্দেশ্যত ব্যৱহৃত বাহন ঃ**

২.৮ নিৰ্বাচনী সংক্ৰান্তীয় কামত প্ৰাৰ্থীয়ে ব্যৱহাৰ কৰিব পৰা বাহনৰ সংখ্যাৰ কোনো সীমাবদ্ধতা নাই।

২.৯ কিন্তু নিৰ্বাচনী প্ৰচাৰ আৰম্ভ হোৱাৰ আগেয়ে প্ৰাৰ্থীয়ে ব্যৱহাৰ কৰিবলগীয়া বাহনৰ বিৱৰণৰ লগতে যিবোৰ এলেকালৈ প্ৰচাৰৰ কাৰণে ভ্ৰমণ কৰিব তাৰ বিৱৰণ জিলা নিৰ্বাচন বিষয়া বা জিলা নিৰ্বাচন বিষয়াই দায়িত্ব অৰ্পণ কৰা বিষয়াক দিব লাগিব। তেওঁলোকে পৰীক্ষা-নিৰীক্ষাৰ পিচত প্ৰাৰ্থীজনক সেই বাহনৰ ব্যৱহাৰত অনুজ্ঞা পত্ৰ প্ৰদান কৰিব। অনুজ্ঞা পত্ৰৰ প্ৰকৃত অনুলিপি বাহনৰ সমুখত লগোৱা থাকিব লাগিব। লগতে অনুজ্ঞা পত্ৰখনৰ আকাৰ এনেকুৱা হ'ব লাগিব যাতে দূৰৰ পৰাই সহজে চিনিব পৰা যায়। অনুজ্ঞা পত্ৰত বাহনৰ নম্বৰ, পত্ৰখন প্ৰদানৰ তাৰিখ, প্ৰাৰ্থীৰ নাম আৰু প্ৰচাৰত যাবলগীয়া এলেকাৰ নাম উল্লেখ থাকিব লাগিব।

২.১০ অতিৰিক্ত বাহন সংযোজনৰ ক্ষেত্ৰত প্ৰাৰ্থী বা তেওঁৰ প্ৰতিনিধি বিজ্ঞপ্তি দিয়াৰ পিছত

একেধৰণেই অনুজ্ঞাপত্ৰ লাভ কৰিব।

২.১১ প্ৰাৰ্থীৰ পৰা বিতং বিৰৰণ পোৱাৰ পিচত জিলা নিৰ্বাচন বিষয়াই ইয়াক নিৰ্বাচন ব্যয় পৰ্যবেক্ষকলৈ প্ৰেৰণ কৰিব যাতে তেওঁ উক্ত শিতানৰ খৰচ প্ৰাৰ্থীৰ ব্যয়ৰ হিচাপত সঠিকভাৱে যোগ হৈছে নে নাই তাক নিৰীক্ষণ কৰিব পাৰে।

২.১২ যদি কোনো প্ৰাৰ্থীয়ে অনুমতি পোৱা বাহন যদি আন কোনো প্ৰাৰ্থীৰ কাৰণে বা কোনো প্ৰাৰ্থীৰদ্বাৰা ব্যৱহাৰ হৈ থকা বুলি প্ৰমাণিত হয়, তেন্তে সেই অনুজ্ঞাপত্ৰ প্ৰত্যাহাৰ কৰা হ'ব, লগতে সেই বাহনখন জব্দ কৰা হ'ব।

২.১৩ জিলা নিৰ্বাচন বিষয়াৰ পৰা অনুজ্ঞাপত্ৰ লাভ কৰাৰ পিচত যদি প্ৰাৰ্থীয়ে বাহনখন নিৰ্বাচনী প্ৰচাৰত ব্যৱহাৰ কৰিবলৈ অভিপ্ৰায় নেদেখুৱায়, তেন্তে তেওঁ জিলা নিৰ্বাচন বিষয়াক অনুজ্ঞাপত্ৰ ওভতাই ল'বলৈ আবেদন কৰিব পাৰে। যদিহে অনুজ্ঞাপত্ৰ লাভৰ পিচত প্ৰাৰ্থীয়ে জিলা নিৰ্বাচন বিষয়াক অনুজ্ঞাপত্ৰ উঠাই ল'বলৈ আবেদন নকৰে তেন্তে এইটো ধৰি লোৱা হ'ব যে উক্ত বাহনখন নিৰ্বাচনী প্ৰচাৰত ব্যৱহৃত হৈছে আৰু সেইমতে নিৰ্ধাৰণ কৰা দৰমতে সেই বাহন ব্যৱহাৰৰ ব্যয় প্ৰাৰ্থীৰ নিৰ্বাচনী খাতাত জমা হৈ যাব।

২.১৪ যদি কোনো বাহন উপৰোক্ত বিষয়াই প্ৰদান কৰা অনুজ্ঞাপত্ৰ অবিহনে ব্যৱহাৰ হয়, তেন্তে প্ৰাৰ্থী তেনে প্ৰচাৰ অবৈধ গণ্য কৰা হ'ব আৰু ইণ্ডিয়ান পেনেল ক'ডৰ নৰম (এ) অধ্যায়ৰ অধীনত দণ্ডনীয় হ'ব। লগতে বাহনখন প্ৰচাৰ ক্ষেত্ৰৰপৰা আঁতৰাই দিয়া হ'ব।

২.১৫ প্ৰাৰ্থী বা তেওঁলোকৰ নিৰ্বাচন প্ৰতিনিধিয়ে জিলা প্ৰশাসনক যোগান ধৰা তথ্যৰ ভিত্তিত যদি বাহন নিৰ্বাচনী প্ৰচাৰৰ বাবে নিয়োগ কৰা হয়, তেনেকুৱা বাহন প্ৰশাসনে অধিগ্ৰহণ কৰিব নোৱাৰিব।

২.১৬ আৰপি এক্ট ১৯৫১ৰ অধ্যায় ৯৯(১)ৰ ব্যাখ্যা (১)ৰ দফা (ক)ৰ সুবিধা অনুসৰি মুখ্য নিৰ্বাচন বিষয়াই পথ পৰিবহন বিধিৰ অনুমতি নিৰ্বাচনী প্ৰচাৰক প্ৰদান কৰিব। অৱশ্যে গোটেই প্ৰচাৰ প্ৰক্ৰিয়াত একেখন বাহনেই ৰাজ্যখনত ব্যৱহাৰ হৈছে নে এলেকা ভেদে ভিন্ন বাহন ব্যৱহাৰ কৰা হৈছে তাক জনাব লাগিব। অনুজ্ঞা পত্ৰখন মুখ্য প্ৰচাৰকৰ নামত জাৰি কৰা হ'ব যিখন বাহনৰ সমুখভাগত লগোৱা থাকিব লাগিব। চিইঅ' ই প্ৰদান কৰা অনুজ্ঞাপত্ৰৰ ৰঙৰ লগত ডিইঅ'ই প্ৰদান কৰা অনুজ্ঞাপত্ৰৰ ৰঙৰ কোনো মিল থাকিব নোৱাৰিব।

২.১৭ কোনো স্বীকৃত ৰাজনৈতিক দলৰ অনুৰোধ মৰ্মে সেই দলৰ জিলা পৰ্যায়ৰ বিষয়া (মুখ্য প্ৰচাৰকৰ বাহিৰে) বিভিন্ন নিৰ্বাচনী সংক্ৰান্তীয় ভ্ৰমণৰ বাবে এখন বাহনৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰিব পাৰে। অনুজ্ঞাপত্ৰখনত বাহনৰ নম্বৰ, ৰাজনৈতিক নেতাৰ নাম, সময়ৰ সীমাবদ্ধতা উল্লেখ থকাৰ লগতে সহজেই চিনাক্ত কৰিব পৰাকৈ বেলেগ ৰঙৰ হ'ব লাগিব। এখন সত্যায়িত অনুলিপি প্ৰতিলিপি বাহনৰ সন্মুখত লগাব লাগে আৰু আচল অনুলিপিখন

চালকৰ হাতত ৰাখিব লাগে যাতে আৰক্ষীৰ সোধপোছত দেখুৱাব পৰা যায়। ইয়াৰ ব্যয় ৰাজনৈতিক দলটোৰ নামত লিখিত হ'ব, প্ৰাৰ্থীজনৰ নহয়। যদিহে এনেকুৱা বাহন কোনো নিৰ্দিষ্ট প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰত ব্যৱহৃত হয় তেন্তে তাৰ খৰচপাতি প্ৰাৰ্থীৰ নামতহে লিপিবদ্ধ হ'ব।

২.১৮ ৰাজনৈতিক দলৰ কাম-কাজৰ কাৰণে দলৰ কাৰ্যালয়ৰ কৰ্মচাৰীয়ে ৰাজ্যৰ সকলো এলেকাতে ভ্ৰমণ কৰিব পৰাকৈ চিইঅ'ই বাহনৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰিব পাৰে। যিবোৰ ৰাজ্যত ১০০তকৈ অধিক বিধানসভা সমষ্টি আছে তাত চিইঅ'ই খুব বেছিকৈ পাঁচখন বাহনৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰিব পাৰে, আনহাতে বাকীবোৰ ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলত খুব বেছিকৈ তিনিখন বাহনৰ অনুজ্ঞাপত্ৰ ৰাজনৈতিক দলক প্ৰদান কৰিব পাৰে। এই বাহনবোৰৰ লগত জড়িত খৰচপাতি ৰাজনৈতিক দলটোৱে বহন কৰিব, প্ৰাৰ্থীজনে নহয়। যদিহে এনেকুৱা বাহন কোনো নিৰ্দিষ্ট প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰত ব্যৱহৃত হয় তেন্তে তাৰ খৰচো প্ৰাৰ্থীজনেই বহন কৰিব লাগিব।

২.১৯ প্ৰচাৰ সংক্ৰান্তীয় বয়-বস্তু ৰাজ্যৰ বিভিন্ন দলীয় কাৰ্যালয়ত বিতৰণ কৰাৰ বাবে ৰাজনৈতিক দল এটাই মুখ্য নিৰ্বাচন বিষয়াক বাহনৰ অনুজ্ঞাপত্ৰৰ বাবে আবেদন কৰে, তেতিয়া মুখ্য নিৰ্বাচন বিষয়াই তেনেকুৱা স্বীকৃত ৰাজনৈতিক দললৈ (ৰাষ্ট্ৰীয়/আঞ্চলিক) এখন বাহনৰ অনুজ্ঞাপত্ৰৰ ব্যৱস্থা কৰিব দিব পাৰে। অৱশ্যে আবেদনকাৰী ৰাজনৈতিক দলটোৱে জিলাৰ নাম, যাত্ৰা পত্ৰ তথা বাহনখন ব্যৱহাৰ কৰিবলগীয়া তাৰিখ উল্লেখ কৰিব দিব লাগিব। এনেকুৱা অনুজ্ঞাপত্ৰ লাভ কৰা বাহন যাতে নিৰ্বাচনী প্ৰচাৰত ব্যৱহৃত নহয় তাকো নিশ্চিত কৰিব লাগিব। এনে বাহনৰ লগত জড়িত খৰচপাতি ৰাজনৈতিক দলটোৱে বহন কৰিব লাগিব, প্ৰাৰ্থীজনে নহয়।

## স্পষ্টীকৰণ

২.২০ ৰিপ্ৰেজনটেচন অৱ পিপল এক্ট ১৯৫১ৰ ধাৰা ১৬০ৰ মতে ৰিক্সা এখনো বাহন হিচাপে গণ্য কৰা হয় যাক নিৰ্বাচনী প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰিব পাৰি। যদি ইয়াৰ ব্যৱহাৰ কৰা হয় তেন্তে ইয়াৰ খৰচো প্ৰাৰ্থীৰ নিৰ্বাচনী খৰচৰ ভিতৰত অনুৰ্ভুক্ত হ'ব। ইয়াক নিশ্চিত কৰিবলৈ নিৰ্বাচনী প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰিবলগীয়া ৰিক্সাৰ বিৱৰণ দাখিল কৰিব লাগিব। যদি ৰিক্সাখনৰ পৌৰ নিগমৰ নিবন্ধীকৰণ/অনুজ্ঞাপত্ৰ নাই, তেন্তে জিলা নিৰ্বাচন বিষয়াই ৰিক্সা চালকৰ নামত অনুজ্ঞাপত্ৰ প্ৰদান কৰিব পাৰে যিখন চালকজনে নিৰ্বাচনী প্ৰচাৰত ব্যৱহাৰ কৰিব পাৰি। ৰিক্সাবোৰে নিজৰ দৈনন্দিন ব্যৱহাৰিক কামৰপৰা নিজক আঁতৰাই ৰাখিব পাৰে। লগতে নিজে ইচ্ছা কৰিলে চালকে ৰিক্সাখনত দলৰ প্ৰতীক চিহ্ন প্ৰাৰ্থীৰ ফটো আদি লগাব পাৰিব।

২.২১ নিৰ্বাচনৰ সময়ত ৰাজনৈতিক নেতা/সমৰ্থক/প্ৰতিনিধি/প্ৰাৰ্থীয়ে নিজৰ ব্যক্তিগত বাহনবোৰত আপত্তিজনক সঁজুলিৰ সজ্জিত কৰি তাৰ অপব্যৱহাৰেৰে নিৰ্বাচনী এলেকাবোৰত যাতে কোনোধাৰণৰ নেতিবাচক পৰিবেশৰ সৃষ্টি কৰিব নোৱাৰে তাৰ প্ৰতি চোকা দৃষ্টি ৰাখিবলৈ আয়োগে জিলা প্ৰশাসনক নিৰ্দেশ দিছে। এলেকাবোৰত যাতে অবৈধ অস্ত্ৰ-শস্ত্ৰৰে কোনো কুটাঘাতমূলক কাৰ্য সংঘটিত নহয় তাৰ বাবে সতৰ্ক হ'বলৈ কৈছে। যদিহে কোনো দল বা ব্যক্তিগত বাহনত সন্ত্ৰাস সৃষ্টি কৰাৰ মানসেৰে অবৈধ সঁজুলিৰ উপস্থিতি জানিব পাৰে, তেন্তে কৰ্তব্যৰত প্ৰশাসনে তেনে বাহন বাজেয়াপ্ত কৰিব লাগে আৰু তাক নিৰ্বাচন শেষ নোহোৱা পৰ্যন্ত মুকলি কৰি দিব নালাগে। লগতে এনেকুৱা অবৈধ কৰ্মত লিপ্ত থকা বাহনৰ গৰাকী, দখলকাৰী আৰু প্ৰাৰ্থী/ৰাজনৈতিক দলৰ বিৰুদ্ধে আইন অনুসৰি অপৰাধমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(অনুগ্ৰহ কৰি মন কৰক ইচিআইৰ নিৰ্দেশাৱলী পত্ৰ নং- ৪৬৪/আইএনএছটি/২০১৪/ইপিএছ, তাং- ১০/৪/২০১৪-পৰিশিষ্ট I)

২.২২ **ভোট গ্ৰহণৰ দিনা বাহনৰ ব্যৱহাৰ**

ভোটগ্ৰহণৰ দিনা বাহনৰ ব্যৱহাৰ সম্পৰ্কে উল্লেখ আছে আয়োগৰ পত্ৰ নং- ৪৬৪/আইএনএছটি/২০১৪/ইপিএছ, তাং- ১০/৪/২০১৪ (পৰিশিষ্ট I) ৰ অনুচ্ছেদ ২৬ৰপৰা ৩১ৰ ভিতৰত।

ইয়াত উল্লেখ আছে যে প্ৰাৰ্থী বা তেওঁৰ নিৰ্বাচনী প্ৰতিনিধিৰ সন্মতিমৰ্মে ভোটগ্ৰহণৰ দিনা প্ৰাৰ্থী বা তেওঁৰ প্ৰতিনিধি বা অন্য ব্যক্তিয়ে বেআইনীভাৱে বাহন ব্যৱহাৰ কৰিব নোৱাৰে তাৰ প্ৰতি দমনীয়তাৰ ব্যৱস্থা কৰিব লাগে।

উপৰোক্ত সীমাবদ্ধতা দিয়া বাহনবোৰৰ ভিতৰত সকলো যন্ত্ৰচালিত বাহন অনুৰ্ভুক্ত আছে।

২.২৩ **ভিডিঅ' ভান (পৰিশিষ্ট 2ত চাওক)**

ৰাজনৈতিক দল এটাই ৰাজ্যজুৰি প্ৰচাৰৰ নামত ব্যৱহাৰ কৰা ভিডিঅ' ভানৰ অনুজ্ঞাপত্ৰ মুখ্য নিৰ্বাচন বিষয়াই প্ৰদান কৰা আগতে তেওঁ নিশ্চিত হ'ব লাগিব যে এই বাহন মটৰ ভেহিকল এক্টৰ লগত সাদৃশ্য আছে। ৰাজ্য চৰকাৰে এনে বাহন প্ৰদানৰ নীতি-নিৰ্দেশনা সন্মানীয় এলাহাবাদ উচ্চ ন্যায়ালৰ ৰিট পিটিচন নং ৩৬৪৮ (এমবি) (২০০৬) তথা ২৩/৬/২০০৬ আৰু ১৪/২/২০০৭ৰ বিচাৰত উল্লেখ আছে। পিচত ৰাজ্যিক আইন সভা / সংসদীয় আইন সভাই আইন উলংঘাকাৰীৰ বিৰুদ্ধে কিছুমান শাস্তি সংযুক্ত কৰে। জিলা নিৰ্বাচন বিষয়াই নিশ্চিত কৰিছে যে এনে বাহনৰ খৰচপাতি যিবোৰ এলেকা /সমষ্টিত বাহনখনে ভ্ৰমণ কৰে তাৰ প্ৰাৰ্থীসকলৰ নামত সমভাৱেৰে ভাগ কৰি লিপিবদ্ধ হ'ব। লগতে আৰু স্পষ্ট কৰি দিয়া হৈছে যে—

(ক) *নির্বাচনী প্রচাৰৰ বাবে ব্যৱহৃত ভিডিঅ' ভানৰ অনুজ্ঞাপত্র মাত্র মুখ্য নির্বাচন বিষয়াৰ নিচিনা স্তৰৰ ব্যক্তিৰ পৰাহে পাব পৰা যাব। ভিডিঅ' ভানখন যে মটৰ ভেহিকল এক্টৰ লগত সাদৃশ্য থকা বাহন তাৰ মানপত্ৰখন ট্ৰেন্সপ'ৰ্টনডেল অফিচাৰে মুখ্য নির্বাচন বিষয়াক জমা দিব লাগিব।*

(খ) *ভিডিঅ' ভানত প্ৰয়োগ হ'বলগীয়া নির্বাচনী প্রচাৰ সম্পৰ্কীয় সা-সঁজুলিবোৰ আগতীয়াকৈ মিডিয়া চাৰ্টিফিকেচন এণ্ড মনিটৰিং কমিটি (এমচিএমচিএছ)য়ে অনুমোদন কৰিব লাগিব। ভোট বিচৰাৰ স্বাৰ্থত নির্মিত অনুষ্ঠানবোৰ ৰাজনৈতিক দলৰ ভিডিঅ' ভানত প্ৰয়োগ কৰা হ'ব। কোনো বিশেষ প্ৰাৰ্থীৰ কাৰণে ভোট বা সমৰ্থনৰ আহ্বান কৰিব নালাগে। অৱশ্যে কেৱল এজন প্ৰাৰ্থীৰ বাবে যদি ভোট বা সমৰ্থনৰ বাবে প্ৰচাৰ চলোৱা হয় তেন্তে তাৰ খৰচো সেই বিশেষ প্ৰাৰ্থীজনেই বহন কৰিব লাগিব। ব্যয় নিৰীক্ষকসকলে বিষয়টো চোকা দৃষ্টিৰে নিৰীক্ষণ কৰে।*

(গ) *কোনো দল / প্ৰাৰ্থীয়ে মুখ্য নির্বাচন বিষয়াৰ পৰা ভিডিঅ' ভানৰ বাবে অনুজ্ঞাপত্ৰৰ আবেদনৰ আগতে মটৰ ভেহিকল এক্টৰ যোগ্যে কৰ্তৃপক্ষৰ পৰা প্ৰয়োজনীয় অনুমতি / অনাপত্তি পত্ৰ প্ৰাপ্ত কৰি ল'ব লাগিব। পত্ৰখনৰ জৰিয়তে এইটো নিশ্চিত হ'ব যে ভিডিঅ' ভানে সকলো আইন আৰু ন্যায়ালয়ৰ আদেশ মানিছে আৰু ই ব্যৱহাৰৰ বাবে প্ৰস্তুত।*

(ঘ) *যদিও নির্বাচনী প্রচাৰৰ বাবে ভিডিঅ' ভানৰ ব্যৱহাৰৰ কোনো সীমাবদ্ধতা নাই, কিন্তু ইয়াৰ খৰচপাতি নিয়মীয়াকৈ দলৰ নির্বাচনী ব্যয়ৰ হিচাপত অন্তর্ভুক্ত হৈ যাব যিটো নির্বাচনৰ পিছত ইচিআইত দাখিল কৰিব লাগিব। লগতে উপৰোক্ত উপ-অনুচ্ছেদ (খ) উল্লেখ কৰা ধৰণে খৰচপাতি প্ৰাৰ্তীসকলৰ নামৰ বিপৰীতে সমভাৱে লিপিবদ্ধ হ'ব।*

(ঙ) *নির্বাচনী প্রচাৰৰ বাবে ভিডিঅ' ভানখন যি পথেৰে ব্যৱহাৰ কৰা হ'ব তাৰ বিৱৰণ আগতীয়াকৈ স্থানীয় প্ৰশাসন / জিলা নির্বাচন বিষয়াক দিব লাগিব। যদি নিয়ম ভংগ হয়, তেন্তে অনুজ্ঞাপত্ৰ নাকচ কৰা হ'ব চিইঅ'ৰ জাননী দিয়াৰ পিছত।*

# পৰিশিষ্ট - XIV

(অধ্যায় - ১৩ ৰাষ্ট্ৰীয় পতাকা/দলীয় পতাকা/দলীয় বেনাৰ ব্যৱহাৰ)

ভাৰতৰ নিৰ্বাচন আয়োগৰ পত্ৰ নং- ৫০৯/৩৫/২০১৪ আৰচিচি, তাং- ৪/৩/২০১৪ত সকলো স্বীকৃত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ৰাজনৈতিক দলৰ সভাপতি/সাধাৰণ সম্পাদক/অধ্যক্ষক সম্বোধন কৰি আৰু প্ৰতিলিপি সকলো ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচন বিষয়ালৈ প্ৰেৰিত।

**বিষয় ঃ লক্ষ্ণৌ বেঞ্চ- ডব্লিউপিৰ এলাহাবাদ উচ্চ ন্যায়ালয় (পিআইএল- অসামৰিক) (খ) নং ২০১৪ চনৰ ৬০৩-প্ৰতাপ চন্দ্ৰ বনাম সংযুক্ত ভাৰত আৰু অন্যান্য।**

মই ইয়াক ৩০/১/২০১৪ তাৰিখৰ আদেশৰ এটা প্ৰতিলিপিৰ সৈতে আগুৱাই যাবলৈ নিৰ্দেশ দিয়া হৈছে লক্ষ্ণৌ বেঞ্চত মাননীয় এলাহাবাদ উচ্চ ন্যায়ালৰ দ্বাৰা ৰাষ্ট্ৰীয় পতাকা ব্যৱহাৰৰ বিষয়ত। আবেদনত দাবী কৰা সকাহটো এটা নিৰ্দেশনাৰ বাবে আছিল উত্তৰ দাতাসকলক (কেন্দ্ৰীয় চৰকাৰ, উত্তৰ প্ৰদেশ ৰাজ্য চৰকাৰ, নিৰ্বাচন আয়োগ আৰু ৰাজ্যিক নিৰ্বাচন আয়োগ) ৰাজনৈতিক দলৰ সমাবেশত ৰাষ্ট্ৰীয় পতাকাৰ ব্যৱহাৰৰ অনুমতি নিদিব। মাননীয় এলাহাবাদ উচ্চ ন্যায়ালয়ে বিষয়টো নিষ্পত্তি কৰিছিল পৰ্যবেক্ষণ কৰি যে ৰাজনৈতিক দলৰদ্বাৰা ৰাষ্ট্ৰীয় পতাকা সঠিক ব্যৱহাৰৰ কোনো নিষেধাজ্ঞা নাই। দলসমূহৰ সমদলত আৰু নিশ্চিত কৰাটো সংশ্লিষ্ট কৰ্তৃপক্ষৰ সীমাবদ্ধ কৰ্তব্য লগতে পতাকাৰ সংহতি আৰু ব্যৱস্থাবোৰৰ কঠোৰ অনুপালন প্ৰতীক আৰু নাম (অনুচিত ব্যৱহাৰ প্ৰতিৰোধ) আইন, ১৯৫০ আৰু প্ৰতিৰোধ ৰাষ্ট্ৰীয় সন্মান আইন ৪৯৭১ৰ অপমান।

মাননীয় উচ্চ ন্যায়ালয়ৰ উপৰোক্ত আদেশটো উল্লেখ কৰা হ'ব পাৰে আৰু অনা হ'ব পাৰে কোনো উলংঘন নোহোৱাটো নিশ্চিত কৰিবলৈ সকলো স্তৰত দলৰ কৰ্মীৰ জাননী লৈ পতাকা সংহতি আৰু আদেশত উল্লেখ কৰা আইন ব্যৱস্থা।

অনুগ্ৰহ কৰি ৰচিদ স্বীকাৰ কৰক ঃ

কপি

**লিগেলিক্স — এলাহাবাদ উচ্চ ন্যায়ালয়ৰ বিচাৰ তথ্য প্ৰণালী** ***(বিচাৰ/আদেশ পাঠ বিন্যাস)***

এইটো তথ্য/প্ৰসংগৰ বাবে এটা অপ্ৰমাণিত প্ৰতিলিপি। প্ৰমাণিক প্ৰতিলিপিৰ বাবে অনুগ্ৰহ কৰি কেৱল প্ৰমাণিত প্ৰতিলিপি চাব। যিকোনো ভুলৰ ক্ষেত্ৰত, অনুগ্ৰহ কৰি ইয়াক ডেপুটি ৰেজিষ্টাৰৰ (প্ৰতিলিপি কৰা) দৃষ্টিগোচৰ কৰাওক।

এলাহাবাদ উচ্চ ন্যায়ালয়, লক্ষ্ণৌ বেঞ্চ

গোচৰ — এমআইএছচি বেঞ্চ নং ২০১৪ৰ ৬০৩
আবেদনকাৰী — প্ৰতাপ চন্দ্ৰ (পিআইএল)
উত্তৰ দাতা — দৃহ মন্ত্ৰালয় আৰু অন্যান্য সচিবৰ জৰিয়তে সংযুক্ত ভাৰত।
আবেদনকাৰীৰ পৰামৰ্শ — বিজয় কুমাৰ পাণ্ডে
উত্তৰ দাতাৰ পৰামৰ্শ — চিএছচি, এএছজি, অপ্ৰাজিতা বাঞ্চাল, মনীষ মাথুৰ

মাননীয় ইমতিয়াজ মুৰ্তাজা, জে
মাননীয় দেৱেন্দ্ৰ কুমাৰ উপাধ্যায়, জে

আবেদনকাৰী শ্ৰী কে চি কোশিকৰ বাবে শ্ৰী বিজয় কুমাৰ পাণ্ডেৰ কথা উত্তৰ দাতা নং- ১, শ্ৰীমনীষ মাথুৰ বাবে ভাৰতৰ সহকাৰী চলিচিটৰ জেনেৰেল কৌশিক উত্তৰদাতা নং-২ৰ বাবে, উত্তৰদাতা নং-৩ আৰু ৪ৰ বাবে মুখ্য স্থায়ী পৰামৰ্শ লাগিছিল আৰু উত্তৰদাতা নং- ৫ৰ বাবে অপ্ৰাজিতা বাঞ্চাল।

তাৎক্ষণিক ৰাজহুৱা স্বাৰ্থ ৰখাৰ জৰিয়তে, এটা নিৰ্দেশনা বিচৰা হৈছে যে উত্তৰদাতাসকলক কোনো নিৰ্দিষ্ট ৰাজনৈতিক দলৰ ৰেলীত ৰাষ্ট্ৰীয় পতাকা ব্যৱহাৰ কৰিবলৈ অনুমতি নিদিবলৈ।

ৰাষ্ট্ৰীয় পতাকাৰ সঠিক ব্যৱহাৰৰ বাবে, ভাৰতৰ পতাকা কোডৰদ্বাৰা অধিসূচনা জাৰি কৰা হৈছে ভাৰত চৰকাৰৰ দ্বাৰা য'ত কিছুমান ব্যৱস্থা কৰা হৈছে। সেইমতে, উপৰোক্ত কোডৰ অনুচ্ছেদ ২.১ৰমতে ৰাষ্ট্ৰীয় পতাকা প্ৰদৰ্শনত সাধাৰণ ৰাজহুৱা, ব্যক্তিগত সংগঠন, শিক্ষা প্ৰতিষ্ঠান আদিৰ সদস্যৰ কোনো নিষেধাজ্ঞা নাই, প্ৰতীক আৰু নাম (অনুচিত ব্যৱহাৰ প্ৰতিৰোধ) আইন, ১৯৫০ত প্ৰদান কৰা পৰিমাণ আৰু ৰাষ্ট্ৰীয় সন্মানৰ অপমান প্ৰতিৰোধ আইন, ১৯৭১ বা ইয়াৰ বাবে প্ৰণয়ন কৰা যিকোনো আইনে ব্যৱস্থা কৰি দিয়া কিছুমান ব্যতিক্ৰমৰ বাহিৰে।
ফ্লেগ কোডে বিশেষভাৱে বাণিজ্যিক উদ্দেশ্যৰ বাবে ৰাষ্ট্ৰীয় পতাকা ব্যৱহাৰ নিষিদ্ধ কৰে প্ৰতীক আৰু নাম (অনুচিত ব্যৱহাৰ প্ৰতিৰোধ) আইন ১৯৫০ৰ উলংঘনৰ কাৰণে। ই স্পষ্ট কৰিছে যে পতাকাই কোনো ব্যক্তিক সম্ভাষণ জনাব নোৱাৰিব আৰু চৰকাৰী অধিসূচনাৰ অবিহনে ৰাজহুৱা চৌহদত পতাকা অৰ্ধ-নমিত হ'ব নোৱাৰিব। পতাকা কোডত আন কিছুমান নিৰ্দেশনা আছে।

ওপৰত উল্লেখ কৰা পতাকা কোড আৰু অন্যান্য প্ৰণয়ন কঠোৰভাৱে পালনৰ বাবে প্ৰৱৰিত কৰা হৈছিল। আমি এইটোও উল্লেখ কৰিব পাৰোঁ যে প্ৰতীক আৰপ নাম (অনুচিত ব্যৱহাৰ প্ৰতিৰোধ) আইন ১৯৫০এ যিকোনো দণ্ডমূলক পদক্ষেপক আকৰ্ষিত কৰে।

আবেদনকাৰীৰ বাবে যি পৰামৰ্শৰ ওচৰত ৰখা এটা নিৰ্দিষ্ট প্ৰশ্নৰ ওপৰত, এই বিষয়ে ৰাজনৈতিক দলবোৰৰদ্বাৰা ৰাষ্ট্ৰীয় পতাকাৰ সঠিক ব্যৱহাৰৰ বাবে কোনো নিষেধাজ্ঞা আছে নে নাই, তেওঁ আদালতক সন্তুষ্ট কৰিব পৰা নাছিল। অৱশ্যে, তেওঁ কৈছিল যে ৰাষ্ট্ৰীয় পতাকা কেৱল

সঠিক ধৰণে ব্যৱহাৰ কৰাটো নিশ্চিত কৰিবলৈ ৰাজ্যিক কর্তৃপক্ষৰ সীমাবদ্ধ কর্ত্য ভাৰতৰ পতাকা সংহতি আৰু ইয়াৰ অন্তৰ্ভুক্ত ব্যৱস্থা অনুসৰি প্ৰণয়ন কৰা প্ৰতীক আৰু নাম (অনুচিত ব্যৱহাৰ প্ৰতিৰোধ) আইন ১৯৫০ আৰু ৰাষ্ট্ৰীয় সন্মানৰ অপমান প্ৰতিৰোধ আইন, ১৯৭১ৰ অধীনত। এইটো ক'বলৈ অপ্ৰয়োজনীয় যে ৰাষ্ট্ৰীয় পতাকাৰ সৈতে সংলগ্ন সন্মান আৰু সন্মান সংৰক্ষণ কৰিবলৈ, কঠোৰ অনুপালন নিশ্চিত কৰাটো সংশ্লিষ্ট কর্তৃপক্ষৰ সীমাবদ্ধ কর্তব্য আৰু ভাৰতৰ পতাকা সংহতি আৰু আইনৰ ব্যৱস্থা পালন কৰা, যিবোৰ ওপৰত উল্লেখ কৰা হৈছে।

আমি আশা আৰু কামনা কৰোঁ যে ইয়াৰ কঠোৰ পালন সকলোৱে নিশ্চিত কৰিব।

উপৰোক্ত পৰ্যবেক্ষণৰ সৈতে, আবেদনখন অৱশেষত নিষ্পত্তি কৰা হ'ল।

আদেশৰ তাৰিখ ঃ ৩০/১/২০১৪

এমএফএ/-

# পৰিশিষ্ট - XV

(অধ্যায় - ১৪ লাউড স্পিকাৰৰ ব্যৱহাৰ)

সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত প্ৰদেশৰ মুখ্য নিৰ্বাচন বিষয়ালৈ নিৰ্বাচন আয়োগৰ পত্ৰ নং- ৩/৪/২০০০ জেএছ II তাং- ২৬/১২/২০০০

বিষয় ঃ **নিৰ্বাচনী প্ৰচাৰত লাউড স্পিকাৰৰ ব্যৱহাৰ— দৃঢ় নিৰ্দেশাৱলী**

১। সকলো ৰাজনৈতিক দল, প্ৰাৰ্থী আৰু তেওঁলোকৰ কৰ্মকৰ্তা, সমৰ্থক, সহানুভূতি থকাসকলে তেওঁলোকৰ নিৰ্বাচনী প্ৰচাৰত লাউড স্পিকাৰ ব্যৱহাৰ কৰে। এবিোৰ লাউড স্পিকাৰ কেৱল মাত্ৰ বক্তৃতা মঞ্চতেই ব্যৱহাৰ নহয়, সেইবোৰ ট্ৰাক, টেম্পো, কাৰ, টেক্সি, ভান, তিনি চকাযুক্ত স্কুটাৰ, চাইকেল, ৰিক্সা আদি বাহনতো ব্যৱহাৰ কৰা হয়। এই বাহনবোৰ উচ্চস্বৰৰ লাউড স্পিকাৰৰ লগত গাঁও, বস্তি, গলি, কলনী আৰু সকলো এলেকাৰ সকলো ৰাস্তা, উপ-ৰাস্তাত বিচৰণ কৰি থাকে। ইয়াৰ ফলস্বৰূপে যথেষ্ট শব্দ প্ৰদূষণৰ সৃষ্টি হয় আৰু সাধাৰণ জনতাৰ শান্তিত ব্যাঘাত জন্মায়। বিশেষকৈ ছাত্ৰ সমাজ বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। কাৰণ লাউড স্পিকাৰৰ উচ্চ স্বৰ ৰাতিপুৱাৰ পৰা আৰম্ভ হৈ গোটেই দিন বাজি থকাৰ পিছত ৰাতি দেৰিকৈহে ই ক্ষান্ত হয়, যাৰ ফলত ছাত্ৰসকলৰ অধ্যয়নত যথেষ্ট ক্ষতি হয়। বৃদ্ধ ব্যক্তি, চিকিৎসালয় বা অনুষ্ঠান বা ঘৰত থকা অসুস্থ ব্যক্তিও ইয়াৰদ্বাৰা অসুবিধাৰ সন্মুখীন হয়।

২। আয়োগ এইক্ষেত্ৰত সচেতন যে নিৰ্বাচনৰ সময়ছোৱাত লাউড স্পিকাৰ বন্ধ কৰাব নোৱাৰি, যিহেতু নিৰ্বাচনী প্ৰচাৰ আৰু জনসাধাৰণলৈ বাৰ্তা প্ৰেৰণৰ বাবে লাউড স্পিকাৰো এবিধ অন্যতম উপাদান। কিন্তু, একে প্ৰসংগতে সাধাৰণ জনতা, ৰোগী আৰু ছাত্ৰ সমাজক বিৰক্তি দিব পৰা নিৰ্বিচাৰ আৰু অবাধে ব্যৱহৃত লাউড স্পিকাৰ অসময়ত, অপ্ৰয়োজনীয় এলেকাত উচ্চ স্বৰত বজোৱাৰ ক্ষেত্ৰত অনুজ্ঞা প্ৰদান কৰিব নোৱাৰি। কিছুমান যুক্তিপূৰ্ণ সীমাবদ্ধতা প্ৰয়োজনীয়।

৩। সকলো কথা চালিজাৰি চোৱাৰ পিচত আয়োগে সংবিধানৰ ৩২৪নং অনুচ্ছেদৰ সহায় লৈ তথা আগৰ নিৰ্দেশাৱলী আঁতৰ কৰি ভৱিষ্যতৰ নিৰ্বাচনত ব্যৱহাৰ হ'বলগীয়া লাউড স্পিকাৰৰ সীমাবদ্ধতা অনেকুৱাকৈ আৰোপ কৰিছে—

(ক) বাহনত সংযুক্ত কৰা বা জনতাৰ সভাত বক্তৃতা মঞ্চত সংস্থাপন কৰা লাউড স্পিকাৰৰ ব্যৱহাৰ সমগ্ৰ নিৰ্বাচনৰ কালছোৱাত কৰিব পাৰিব, অৰ্থাৎ নিৰ্বাচনৰ

তাৰিখ ঘোষণা হোৱা দিনৰপৰা ফলাফল ওলোৱা দিনলৈ। মাত্র (ক) গ্ৰামাঞ্চলত অৰ্থা পৌৰ নিগম বা পৌৰসভাৰ পৰিসৰৰ বাহিৰত পুৱা ৬ বজাৰপৰা নিশা ১১ বজালৈ আৰু (খ) আন এলেকাত অৰ্থাৎ পৌৰ নিগম বা পৌৰ সভাৰ অন্তৰ্গত অঞ্চলত পুৱা ৬ বজাৰপৰা নিশা ১১ বজালৈ সীমাবদ্ধতা থাকিব। (এই অনুচ্ছেদ আয়োগৰ পত্ৰ নং- ৩/৪/২০০০ জেএছ II তাং- ২৬/১২/২০০০ৰ পৰা প্ৰতিস্থাপিত কৰা হৈছে)

"৩ (ক) জনতাক সম্বোধ কৰা পদ্ধতি বা লাউড স্পিকাৰ বা অন্য শব্দ সৃষ্টিকাৰী উপাদান নিৰ্বাচনী স্বাৰ্থত কোনো বাহন বা জনতাৰ সভাত সংস্থাপিত কৰিলে তাক ৰাতি ১০ বজাৰপৰা পুৱা ৬ বজালৈ ব্যৱহাৰ কৰিব নোৱাৰিব।"

(খ) সাধাৰণ প্ৰচাৰ বা জনতাৰ সভা বা শোভাযাত্ৰাত তথা গতিশীল বাহনত ব্যৱহাৰ কৰা লাউড স্পিকাৰ উপৰোক্ত অনুচ্ছেদ ব্যাখ্যা কৰা সময়সীমাৰ ভিতৰতেই ব্যৱহাৰ কৰিব লাগিব।

(গ) উপৰোক্ত সময়সীমাৰ বাহিৰত ব্যৱহাৰ কৰা সকলো লাউড স্পিকাৰ তাৰ লগত সংযুক্ত সকলো সঁজুলি সৈতে বাজেয়াপ্ত কৰা হ'ব।

(ঘ) সকলো ৰাজনৈতিক দল, প্ৰাৰ্থী আৰু অন্য ব্যক্তিয়ে ট্ৰাক, টেম্পো, কাৰ, টেক্সি, ভান, তিনিচকীয়া স্কুটাৰ, চাইকেল, ৰিক্সা আদি বাহন লাউড স্পিকাৰ সংযুক্ত কৰিব বিচাৰিলে বাহনৰ পঞ্জীয়নভুক্ত চিনাক্তকৰণ নম্বৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ শাখাক আবেদন কৰি জনাব লাগিব। এনেকুৱা পঞ্জীয়নভুক্ত চিনাক্তৰ নম্বৰে বাহনখনৰ অনুজ্ঞাপত্ৰৰ দিশটো নিশ্চিত কৰিব।

(ঙ) উপৰোক্ত অনুজ্ঞাপত্ৰ অবিহনে প্ৰচাৰ চলাই যোৱা বাহনক লাউড স্পিকাৰ তথা তাৰ লগত থকা আন সঁজুলিৰ সৈতে বাজেয়াপ্ত কৰা হ'ব।

(চ) নিৰ্দিষ্ট স্থানত অথবা গতিশীল বাহনত ব্যৱহাৰ কৰা লাউড স্পিকাৰৰ কথা সকলো ৰাজনৈতিক দল, প্ৰাৰ্থী তথা আন ব্যক্তিয়ে জ্ঞাত কৰিব লাগিব—

   (ক) সমষ্টিৰ ৰিটাৰ্নিং অফিচাৰক, আৰু

   (খ) লাউড স্পিকাৰ ব্যৱহাৰ কৰাৰ আগেয়ে লাভ কৰা অনুজ্ঞাপত্ৰৰ সম্পূৰ্ণ বিৱৰণ স্থানীয় আৰক্ষী কৰ্তৃপক্ষক, চলন লাউড স্পিকাৰৰ ক্ষেত্ৰত পঞ্জীয়নভুক্ত চিনাক্তকৰণ নম্বৰ ৰিটাৰ্নিং অফিচাৰ আৰু স্থানীয় আৰক্ষীৰ কৰ্তৃপক্ষৰ সৈতে তেওঁলোকে পঞ্জীয়ন কৰিব লাগিব।

(ছ) লাউড স্পিকাৰৰ ব্যৱহাৰৰ অনুজ্ঞাপত্ৰ মঞ্জুৰ কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ দায়িত্ব আৰু কোনো লাউড স্পিকাৰৰ ব্যৱহাৰৰ ফলত যাতে উপৰোক্ত নিয়ম ভংগ নহয়

তাৰ চোকা দৃষ্টি ৰাখিব লাগিব স্থানীয় আৰক্ষী কৰ্তৃপক্ষই।

৪। যিকোনো ভোটগ্ৰহণ অঞ্চলৰ ভোটগ্ৰহণ সম্পূৰ্ণ হোৱাৰ ৪৮ ঘণ্টাৰ আগৰপৰা যিকোনো বাহনত বা অন্য স্থান যুক্ত থকা লাউড স্পিকাৰ ব্যৱহাৰ কৰাৰ অনুজ্ঞা নাথাকিব। আনকি ভোটগ্ৰহণ সমাপ্ত হোৱাৰপৰা ফলাফল ঘোষণা হোৱালৈকে আইন-শৃংখলা অটুট ৰখাটো প্ৰয়োজনীয় হৈ পৰে। সাধাৰণতে লাউড স্পিকাৰৰ ব্যৱহাৰ একপ্ৰকাৰৰ জনতাক অশান্তি প্ৰদানৰ মাধ্যম হিচাপে গণ্য কৰা হয় আৰু তেনেকুৱা ৰাজনৈতিক বাতাবৰণত ই উত্তেজনা অধিক বঢ়াই তোলে। উপৰোক্ত ৪৮ ঘণ্টীয়া নিষিদ্ধ সময়ৰ পিছত লাউড স্পিকাৰৰ অনুজ্ঞাপত্ৰৰ বাবে আবেদনকাৰীসকলৰ আবেদন আইন শৃংখলা অটুট ৰখাৰ কথাটো বিবেচনা কৰি জিলা প্ৰশাসনে সতৰ্কতাৰে সিদ্ধান্ত ল'ব লাগে।

৫। শব্দ প্ৰদূষণ আৰু জনতাৰ অসুবিধাৰ কথা লক্ষ্য ৰাখি আয়োগে দিয়া উপৰোক্ত নিৰ্দেশাৱলী সকলো ৰাজ্য চৰকাৰ কৰ্তৃপক্ষই কঠোৰভাৱেৰে ৰূপায়ন কৰিব লাগে। যিকোনো নিয়ম উলংঘনৰ দিশটো আয়োগে গভীৰ উদ্বেগেৰে মনোনিৱেশ কৰিব লাগে আৰু অক্ষম বিষয়াৰ বিৰুদ্ধে অনুশাসনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

৬। এই নিৰ্দেশাৱলী এটাকৈ প্ৰতিলিপি সকলো স্বীকৃত ৰাজনৈতিক আৰু আঞ্চলিক দলৰ স্থানীয় গোটলৈ ইংৰাজী / হিন্দী আৰু স্থানীয় চৰকাৰী ভাষাত প্ৰেৰণ কৰিব লাগে, লগতে মনোনয়ন পত্ৰ জমা দিয়াৰ সময়ত স্বীকৃতিৰ অধীনত প্ৰাৰ্থীক দহটাকৈ দিব লাগে।

৭। এই পত্ৰৰ স্বীকৃতি লগে লগেই গ্ৰহণ কৰিব লাগে।

# পৰিশিষ্ট - XVI

অধ্যায় - ১৬ জনসাধাৰণৰ / ব্যক্তিগত সম্পত্তি অবক্ষয়

কেবিনেট সচিব, মুখ্য সচিব আৰু গুজৰাটৰ চিইঅ'লৈ নিৰ্বাচন বিষয়ালৈ নিৰ্বাচন আয়োগৰ পত্ৰ নং- ৪৩৭/৬/১/ ইচিআই/আইএলএচটি/এফইউচিটি/এমচিচি/২০১৭ তাং- ২৫/১০/২০১৭

বিষয় ঃ **গুজৰাট বিধানসভাৰ সাধাৰণ নিৰ্বাচন ঘোষণা হোৱাৰ পিছতে আদৰ্শ আচৰণ বিধিৰ প্ৰৱৰ্তন।**

মোক জনাবলৈ কোৱা হৈছে যে নিৰ্বাচন আয়োগে গুজৰাট বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ সূচী ঘোষণা কৰাৰ পিছতে আদৰ্শ আচৰণ বিধি কাৰ্যকৰী হ'ব লাগে। গুজৰাট বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি প্ৰৱৰ্তন কৰিবলগীয়া উপৰোক্ত বিধিৰ নিদেৰ্শনা তলত উল্লেখ কৰা হ'ল—

১। সম্পত্তি অবক্ষয়— পত্ৰ নং ৪৩৭/৬/আইএনএছটি/২০১৫-চিচিএছ তাং- ২৯/১২/২০১৫, নং- ৪৩৭/৬/আইএনএছটি/২০১২-চিচি এণ্ড বিই তাং- ১৮/১/২০১২ আৰু নং- ৩/৭/২০০৮ জেএছ II তাং- ৭/১০/২০০৮ত উল্লেখিত ইচিআইৰ নিৰ্দেশনামতে সম্পত্তি অৱক্ষয় ৰোধকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা। নিৰ্দেশনাবোৰ সন্মতি জনোৱাটো নিশ্চিত কৰিবলৈ আয়োগে নিৰ্দেশ দিছে আৰু তলত উল্লেখ কৰা নিচিনাকৈ সময় সীমা ধৰি ল'ব লাগে—

(ক) চৰকাৰী সম্পত্তিৰ অবক্ষয়— এইক্ষেত্ৰত চৰকাৰী প্ৰসংগত চৰকাৰী কাৰ্যালয় আৰু কাৰ্যালয়স্থিত প্ৰাঙ্গণ ইয়াৰ অন্তৰ্ভুক্ত হ'ব। নিৰ্বাচন ঘোষণা হোৱাৰ ২৪ ঘণ্টাৰ ভিতৰত চৰকাৰী সম্পত্তিৰ লগত সংযুক্ত থকা হ'ৰ্ডিং, বেনাৰ, পোষ্টাৰ, বেৰত অংকন কৰাবোৰ পৰিষ্কাৰ কৰিব লাগিব।

(খ) জনসাধাৰণৰ সম্পত্তিৰ অবক্ষয় আৰু জনসমাগমস্থলৰ অপপ্ৰয়োগ— জনসমাগমস্থল যেনে ৰে'ল আস্থান, বাছ আস্থান, বিমানকোঠ, ৰে'ল দলং, ৰাস্তা, চৰকাৰী বাছ, টেলিফোন / ইলেট্ৰিক খুঁটা, পৌৰ নিগমৰ ঘৰ আদিত লগাই ৰখা সকলো অননুমোদিত ৰাজনৈতিক বিজ্ঞাপন যেনে ৰেবত অংকন, পোষ্টাৰ, কাগজ, হ'ৰ্ডিং, পতাকা, বেনাৰ আদিবোৰ আয়োগে নিৰ্বাচন ঘোষণা কৰাৰ ৪৮ ঘণ্টাৰ ভিতৰত আঁতৰাব লাগিব।

(গ) ব্যক্তিগত সম্পত্তিৰ অবক্ষয়— ব্যক্তিগত সম্পত্তিত লগাই ৰখা সকলো অননুমোদিত বিজ্ঞাপন আয়োগে নিৰ্বাচন ঘোষণা কৰাৰ ৭২ ঘণ্টাৰ ভিতৰতে আঁতৰাব লাগিব।

২। চৰকাৰী বাহনৰ অপপ্ৰয়োগ — ইচিঅ'ইৰ পত্ৰ নং ৪৬৪ / আইএনএছটি / ২০১৪ / ইপিএছ তাং- ১০/৪/২০১৪ পত্ৰত উল্লেখিত নিৰ্দেশনাত বাকীবোৰৰ লগতে নিৰ্বাচনৰ সময়ছোৱাত (কিছুমান ব্যতিক্ৰমক বাদ দি) প্ৰচাৰ অথবা নিৰ্বাচন সম্পৰ্কীয় কাম-কাজত কোনো ৰাজনৈতিক দল, প্ৰাৰ্থী বা আন ব্যক্তিয়ে ব্যৱহাৰ কৰা চৰকাৰী বাহন নিষিদ্ধ কৰিব লাগে (নিৰ্বাচন সম্পৰ্কীয় চৰকাৰী কামত ব্যৱহৃত বাহনক বাদ দি)। চৰকাৰী বাহনৰ ভিতৰত সন্নিৰিষ্ট হ'ব যিকোনো বাহন যি পৰিবহনৰ কাৰণে যোগ্য তথা ইঞ্জিন চালিত, যেনে ট্ৰাক, ল'ৰী, টেম্পো, জীপ, কাৰ, অট'ৰিক্সা, ই-ৰিক্সা, বাছ যিবোৰ কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ / কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰশাসন, জনসাধাৰণ লগতে কেন্দ্ৰীয় / ৰাজ্য চৰকাৰৰ যুটীয়া খণ্ড, স্থানীয় সংস্থা, পৌৰ নিগম, বিপণন সংস্থা, সমবায় সমিতিৰ অধীনষ্ঠ। নিৰ্বাচন ঘোষণা হোৱাৰ ২৪ ঘণ্টাৰ ভিতৰত চিইঅ' / ডিইঅ'ই ইচিআইৰ নিৰ্দেশনা প্ৰৱৰ্তন কৰাবলৈ পদক্ষেপ ল'ব লাগিব।

৩। চৰকাৰী কোষাগাৰৰ খৰচত বিজ্ঞাপন— পত্ৰ নং- ৪৩৭/৬/১/২০১৪- চিচি এণ্ড বিই তাং- ৫/৩/২০১৪ত আয়োগৰ নিৰ্দেশনাত উল্লেখ আছে যে নিৰ্বাচনৰ সময়ত বাতৰি কাকত আৰু আন সংবাদ মাধ্যম তথা সামাজিক মাধ্যমত ৰাজনৈতিক বাতৰি আৰু প্ৰচাৰৰ বাবে চৰকাৰী কোষাগাৰৰ ধনেৰে দিয়া বিজ্ঞাপনবোৰ প্ৰত্যাহাৰ কৰিব লাগে। চৰকাৰী কোষাগাৰৰ ধনেৰে দিব বিচৰা চৰকাৰী বিজ্ঞাপন বৈদ্যুতিক আৰু ছপা মাধ্যমত প্ৰত্যাহাৰ কৰিব লাগে।

কোনো বিজ্ঞাপন যদি আগতিয়াকৈ বৈদুতিক আৰু ছপা মাদ্যমত সম্প্ৰচাৰ আৰু প্ৰকাশ কৰিবলৈ পঠোৱা হ'ল, তেন্তে এইটো নিশ্চিত কৰিব লাগিব যে নিৰ্বাচন ঘোষণা হোৱাৰ পিচত এইবোৰ যাতে সম্প্ৰচাৰ আৰু প্ৰকাশ নহয়। নিৰ্বাচন ঘোষণা হোৱাৰ পিচতে ছপা / বৈদ্যুতিন মাধ্যমত এনে বিজ্ঞাপন প্ৰকাশ / সম্প্ৰচাৰ কৰাটো বন্ধ কৰিবলৈ চিইঅ' / ডিইঅ'ই অনতিপলমে পদক্ষেপ ল'ব।

৪। চৰকাৰী ৱেবচাইটত ৰাজনৈতিক কাৰ্যনিৰ্বাহকৰ ফটো— পত্ৰ নং ৪৩৭/৬/আইএনএছটি/২০১৪- চিচি এণ্ড বিই তাং- ২০/৩/২০১৪ত ইচিআইৰ নিৰ্দেশাৱলীত আছে যে কেন্দ্ৰীয় / ৰাজ্যিক চৰকাৰৰ ৱেবচাইটত থকা সকলো মন্ত্ৰী, ৰাজনীতিবিদ বা ৰাজনৈতিক দলৰ প্ৰসংগ আঁতৰ কৰিব লাগিব। ৰাজ্য চৰকাৰৰ চৰকাৰী ৱেবচাইটৰপৰা ৰাজনৈতিক কাৰ্যনিৰ্বাহকৰ ফটো আঁতৰত / লুকুৱাই ৰাখিবলৈ চিইঅ'ই তাৎক্ষণিক পদক্ষেপ ল'ব লাগিব।

৫। উন্নয়ন / নিৰ্মাণ সম্পৰ্কীয় কাৰ্যক্ৰম— নিৰ্বাচন ঘোষণাৰ ৭২ ঘণ্টাৰ ভিতৰত চিইঅ'/ডিইঅ'ই এমচিচিৰ নিৰ্দেশনা অৱমাননা কৰিব বিচৰা তলৰ আপত্তিনামাৰ তালিকা

প্ৰস্তুত কৰিব লাগিব—

(ক) ইতিমধ্যে কাম আৰম্ভ হোৱা নিৰ্মাণ কাৰ্যৰ তালিকা।

(খ) কাম আৰম্ভ নোহোৱা নিৰ্মাণ কাৰ্যৰ তালিক।

৬। এমচিচিৰ ব্যয় পৰ্যবেক্ষণ আৰু প্ৰৱৰ্তনৰ কাৰণে কাৰ্যপ্ৰণালী— নিৰ্বাচন ঘোষণাৰ পিচতেই ফ্লাই স্কোৱাড, ভিডিঅ' টীম, নিষিদ্ধ ড্ৰাগৰ তীব্ৰ নিৰীক্ষণ, মাদক দ্ৰব্য / ড্ৰাগৰ অবৈধ সৰবৰাহকাৰীক নিৰীক্ষণৰ কাৰণে আয়কৰ বিভাগৰ ফ্লাইং স্কোৱাড কাৰ্যক্ষম হৈ উঠিব লাগিব।

৭। অভিযোগ পৰ্যবেক্ষণ ব্যৱস্থা— নিৰ্বাচন অনুষ্ঠিত হোৱা ৰাজ্যবোৰত ৱেবচাইট বা গ্ৰাহক সেৱাত অভিযোগ প্ৰতিকাৰ ব্যৱস্থাপনা থাকিব লাগিব। গ্ৰাহক সেৱাৰ টোল ফ্ৰী নম্বৰ হ'ল ১৯৫০। গ্ৰাহক সেৱাৰ টোল ফ্ৰী নম্বৰত বা ৱেবচাইটত ফোনযোগে অভিযোগ দাখিল কৰিব পাৰে। অভিযোগকাৰীক এছএমএছ বা ফোনযোগে ল'ব লগা পদক্ষেপৰ বিষয়ে জ্ঞাত কৰা হ'ব। অভিযোগকাৰীসকলে অভিযোগ বিৰুদ্ধে লোৱা পদক্ষেপৰ বিৱৰণীও চাব পাৰিব। নিৰ্বাচন ঘোষণা হোৱা ২৪ ঘণ্টাৰ ভিতৰতে পদ্ধতিটো কাৰ্যক্ষণ হ'ব লাগে। সকলো অভিযোগৰ বিপৰীতে পদক্ষেপ শীঘ্ৰে আৰু সঠিকভাৱে ৰূপায়ণ হ'ব লাগে। জিলা পৰ্যায় সদা জাগ্ৰত নিয়ন্ত্ৰণ কক্ষ কাৰ্যক্ষণ হ'ব লাগে আৰু উপযুক্ত কৰ্মী ততা আন আন প্ৰয়োজনীয় আহিলা তাত মজুত থাকিব লাগে আৰু তেওঁলোক কামৰ ৰুটীন এনেকৈ ধাৰ্য কৰিব লাগে যে তাত কোনো সন্দেহ বা ফাঁকিৰ অৱকাশ নাথাকে।

৮। আইটি আবেদন— নিৰ্বাচন ঘোষণাৰ লগে লগে চৰকাৰী ৱেবচাইট আৰু সামাজিক মাধ্যমৰ লগতে সকলো আইটি আবেদন কাৰ্যক্ষম হৈ পৰিব।

৯। ভোটাৰ আৰু ৰাজনৈতিক দলৰ সজাগতাৰ তথ্যৰ প্ৰচাৰ— মুখ্য নিৰ্বাচনী কাৰ্যপ্ৰণালীৰ প্ৰচাৰ কৰে চিইঅ'/ডিইঅ'/আৰঅ'ই। ইয়াৰ বাবে সকলো প্ৰয়োজনীয় তথ্য ৰেডিঅ', টিভি, চিনেমাৰ যোগেদি প্ৰচাৰ কৰা হয়। চৰকাৰী চেনেলে ভোটাৰ জ্ঞাতাৰ্থে অনুষ্ঠান সম্প্ৰচাৰ কৰে।

১০। শিক্ষানুষ্ঠান আৰু নাগৰিক সমাজৰ প্ৰত্যক্ষ সহযোগিতা— সাধাৰণ জনতা আৰু আন অংশীদাৰীসকলক নিৰ্বাচন সম্পৰ্কীয় তথ্য বহুলভাৱে প্ৰচাৰ কৰিবলৈ শিক্ষানুষ্ঠান আৰু নাগৰিক সমাজৰপৰা সহযোগিতা আহ্বান কৰিব পাৰি।

১১। গণ মাধ্যম কেন্দ্ৰ— ইভিএম/ভিভিপিএটিৰ নিচিনাকৈ নিৰ্বাচনী পদ্ধতিৰ বিষয়ে ভোটাৰ, ৰাজনৈতিক দল আৰু আন অংশীদাৰীসকলক সজাগতা প্ৰদান কৰিবলৈ গণ মাধ্যম কেন্দ্ৰই প্ৰচেষ্টা চলাব লাগে।

১২। এমচিএমচি/ডিইএমচি— পত্ৰ নং- ৪৯১/এমচিএমচি/২০১৪/যোগাযোগ তাং- ২৪/৩/২০১৪ত ইচিআই নিৰ্দেশাৱলীত উল্লেখ আছে যে সকলো পঞ্জীভুক্ত ৰাজনৈতিক

দলে জিলা আৰু ৰাজ্যিক পৰ্যায়ৰ মিডিয়া চাৰ্টিফিকেচন এণ্ড মনিটৰিং কমিটিক (এমচিএমচি) বৈদ্যুতিক মাধ্যমত ৰাজনৈতিক বিজ্ঞাপনৰ সম্প্ৰচাৰৰ বাবে আগতীয়া অনুমতি প্ৰদানৰ বাবে আবেদন কৰিব পাৰে। উপৰোক্ত নিৰ্দেশনা যাতে সুচাৰুৰূপে ৰূপায়ণ হয় তাক নিশ্চিত কৰিবলৈ আয়োগে পত্ৰত নিৰ্দেশ দিছে।

১৩। নিয়ন্ত্ৰণ কক্ষ— জিলা পৰ্যায়ত সদা জাগ্ৰত নিয়ন্ত্ৰণ যাতে শীঘ্ৰেই কাৰ্যক্ষম হয় আৰু উপযুক্ত কৰ্মীৰ লগতে আন প্ৰয়োজনীয় সা-সৰঞ্জাম মজুত থাকে তাক ডিইঅ'/চিইঅ'ই নিশ্চিত কৰিব লাগে। সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়াত ইচিআইৰ সচিবালয়ত অভিযোগ নিৰীক্ষণ কেন্দ্ৰৰ সৈতে এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰিব লাগে।

## পৰিবেষ্টন - I

সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ কেবিনেট সচিব, মুখ্য সচিব আৰু মুখ্য নিৰ্বাচন বিষয়ালৈ নিৰ্বাচন আয়োগে প্ৰেৰণ কৰা পত্ৰ নং- ৪৩৭/৬/আইএনএছটি/২০১২ - চিচি এণ্ড বিই, তাং- ১৮/১/২০১২

বিষয় ঃ **সংশোধিত নিৰ্দেৰ্শনা—**

মোক জনাবলৈ দিয়া হৈছে যে গোৱা, মণিপুৰ, পঞ্জাব, উত্তৰ প্ৰদেশ আৰু উত্তৰাখণ্ডৰ বিধানসভাৰ নিৰ্বানচৰ পৰিপ্ৰেক্ষিততত আদৰ্শ আচৰণ বিধি ২০১১ চনৰ ২৪ ডিচেম্বৰৰ পৰা বলবৎ হ'ব। পত্ৰ নং- ৩/৭/২০০৪/জেএছ II তাং- ৭/১০/২০১৪ৰ 'ব্যক্তিগত স্থানৰ অৰক্ষয়' শীৰ্ষক অনুচ্ছেদ ৫ত আয়োগে নিৰ্দেৰ্শনাবোৰ পুনৰাবৃত্তি কৰাৰ সিদ্ধান্ত লৈছে তলত দিয়া ধৰণে—

*উপ-অনুচ্ছেদ (ঘ) "স্থানীয় আইন বা ন্যায়ালয়ৰ আদেশৰ অদীনত যিকোনো সীমাবদ্ধতাৰ সাপেক্ষে ৰাজনৈতিক দল, প্ৰাৰ্থী, তেওঁলোকৰ প্ৰতিনিধি, কৰ্মী আৰু সমৰ্থকে নিজৰ সম্পত্তিত বেনাৰ, পতাকা, বাণ্টিং ব্যৱহাৰ কৰিব পাৰে। এনে কাম তেওঁলোকে স্বইচ্ছাৰে কৰিব পাৰে, তাত কোনো দল, সংস্থা বা ব্যক্তিৰ ছাপ নাথাকে। লগতে তেওঁলোকে বেলেগকো অসুবিধা দিব নোৱাৰিব। যদিহে এনে বেনাৰ, পতাকাৰদ্বাৰা কোনো প্ৰাৰ্থীৰ কাৰণে ভোটৰ আবেদন কৰা হয়, তেতিয়া আইপিচিৰ দফা ১৭১ এইচৰ বিধান সংযুক্ত হৈ যাব আৰু তাক মানি চলিব লাগিব। আইপিচিৰ দফা ১৭১ এইচত উল্লেখ কৰামতে যিয়ে প্ৰাৰ্থীৰ সাধাৰণ বাব বিশেষ অনুমতি অবিহনে তেনে প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ বা তেনেকুৰা উদ্দেশ্যত ৰাইজৰ সভা, বিজ্ঞাপন, প্ৰকাশন আদিত খৰচ কৰি যায় তেনে লোকক জৰিমণাৰে দণ্ডিত কৰাৰ লগতে সেই জৰিমণা পাঁচশ টকালৈ যাব পাৰে। যদিহে কোনো ব্যক্তিয়ে দহ টকাতকৈ কম খৰচ কৰে, তেন্তে দহ দিনৰ ভিতৰত প্ৰাৰ্থীজনে লিখিতভাৱে জনাই তাক মোকলাব পাৰিব, অৰ্থাৎ সেই প্ৰাৰ্থীজনৰ সপেক্ষে কৰা হৈছে বুলি গণ্য কৰা হ'ব।*

# পৰিৱেষ্টন - II

ভাৰত চৰকাৰৰ সচিব, এমএইচএ, মুখ্য সচিব আৰু সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চললৈ নিৰ্বাচন আয়োগৰ পত্ৰ - ৩/৭/২০০৮/জেএছ II তাং- ৭/১০/২০০৮

বিষয় ঃ **সম্পত্তি অৰক্ষয় প্ৰতিৰোধ আৰু আন প্ৰচাৰ সম্পৰ্কীয় বিষয়ৰ সংশোধিত নিৰ্দেশনা—**

মোক নিৰ্বাচনী প্ৰচাৰৰ ক্ষেত্ৰত সম্পত্তি অৰক্ষয় প্ৰতিৰোধৰ সংক্ৰান্তত আয়োগৰ পত্ৰ- ৩/৭/২০০৭/জেএছ II তাং- ৭/১০/২০০৭ প্ৰসংগ উল্লেখ কৰিবলৈ কোৰা হৈছে।

২। ইয়াৰ পূৰ্বে আয়োগে সম্পত্তি অৰক্ষয় বিষয়টো কাৰ্যকৰীভাৱে হ'বলৈ ৰাজ্য চৰকাৰক বিশেষ আইন ৰূপায়ন কৰিবলৈ পৰামৰ্শ দিছিল। কিছুমান ৰাজ্যই বিশেষ আইন প্ৰণয়ন কৰিলে আৰু সম্পত্তি অৰক্ষয় বিষয়টো নিয়ন্ত্ৰণ কৰিলে; আকৌ আন ৰাজ্যই বিশেষ আইন নিৰ্দিষ্ট কিছুমান অঞ্চলত যেনে পৌৰ নিগমত বলবৎ কৰিল, আৰু নহ'লে কতোৱেই বলবৎ নকৰিলে। আয়োগৰ ওচৰত প্ৰাপ্ত ৰাজ্যবোৰত বাহাল থকা স্থিতিৰ তথ্য বিবৃতি আকাৰত বিজ্ঞপ্তিৰ লগত গাঁঠি দিয়া হৈছে (পৰিশিষ্ট Iত)। যিহেতু কোনো অভিন্ন আইন দেশখনত বাহাল নাই, তেন্তে কিহৰ প্ৰয়োগে ৰাজ্যবোৰক ভিন্ন কৰিব। এই কথা লক্ষ্য ৰাখি অনাগত ২০০৯ চনৰ লোকসভাৰ সাধাৰণ নিৰ্বাচনত এখ সুচল নিৰ্বাচনী প্ৰচাৰ কৰণীয় হৈ পৰিছে আৰু তৃণমূল পৰ্যায়ৰ দায়িত্বত থকা কৰ্তৃপক্ষসকলৰ বাবে নিকাকৈ বোধগম্য হ'ব লাগে। লগতে বিভিন্ন ৰাজ্য / সমষ্টিৰ নিৰ্বাচনী কাম-কাজৰ নিৰীক্ষণৰ দায়িত্বত থকাসকলৰ বাবেও সম্পত্তি অৰক্ষয়ৰ এক বিস্তৃত নিৰ্দেশিকাৰ প্ৰয়োজন।

৩। সকলো দৃষ্টিভংগী গভীৰভাৱে চালি-জাৰি চোৱাৰ পিচত আয়োগে আগৰ নিৰ্দেশনা পৰিহাৰ কৰিলে। নিৰ্বাচনী সময়ত ৰাজনৈতিক দল, প্ৰাৰ্থী, ব্যক্তি আৰু সংগঠনে পালন কৰিবলগীয়া তলৰ নিৰ্দেশাৱলী পৰিত্যাগ কৰিলে ঃ

**ৰাজহুৱা স্থানৰ অৰক্ষয় ঃ**

৪। (ক) কোনো চৰকাৰী প্ৰাংগণত বেৰৰ লিখনি / প'ষ্টাৰ বা কাগজ লগোৱা / মোহৰা বা ছেদন কৰা / হ'ৰ্ডিং, বেনাৰ, পতাকা আদি লগাবলৈ অনুমতি দিয়া নহ'ব। এইক্ষেত্ৰত চৰকাৰী প্ৰাংগণৰ ভিতৰত পৰিব চৰকাৰী কাৰ্যালয় আৰু কাৰ্যালয়স্থিত চৌহদ।

(খ) মাননি বা আন কাৰণত ৰাজহুৱা স্থানত (চৰকাৰী প্ৰাংগণৰ বাহিৰে) শ্লগান লিখিবলৈ, পোষ্টাৰ, হ'ৰ্ডিং, বেনাৰ, ৰাজনৈতিক বিজ্ঞাপন আদি লগাবলৈ স্থানীয়

আইনে যদি অনুমতি আৰু যোগান ধৰি দিয়ে, তেন্তে ন্যায়ালয়ৰ আদেশ অনুসৰি প্ৰদান কৰা আইনৰ ওপৰত ভিত্তি কৰি কঠোৰভাৱে অনুমতি দিয়া হ'ব। ইয়াত নিশ্চিত হ'ব লাগিব যে এনেকুৱা অঞ্চল কোনো নিৰ্দিষ্ট দল বা প্ৰাৰ্থীৰদ্বাৰা দমনীয় / একচেটীয়া অঞ্চল নহয়। সকলো দল আৰু প্ৰাৰ্থীক সমান সুযোগ এইক্ষেত্ৰত যোগান ধৰিব লাগে।

(গ) যদিহে কোনো ৰাজহুৱা স্থানত বিজ্ঞাপন প্ৰদৰ্শনৰ বাবে বিশেষভাৱে নিৰ্ধাৰিত স্থান থাকে যেনে বিল ব'ৰ্ড, হ'ৰ্ডিং আৰু যদি সেই স্থান কোনোবা বেলেগ ব্যক্তিৰ বাবে কোনো সংস্থাই আগতেই নিৰ্ধাৰণ কৰি থৈছে, তেতিয়া জিলা নিৰ্বাচন বিষয়াই পৌৰসভাৰ কৰ্তৃপক্ষৰ সৈতে নিৰ্বাচনৰ সময়ত নিৰ্বাচন সম্পৰ্কীয় বিজ্ঞাপন প্ৰদৰ্শনৰ ক্ষেত্ৰত যাতে সকলো ৰাজনৈতিক দলেই সমানে সুবিধা পায় তাক নিশ্চিত কৰিব লাগে।

### ৰাজহুৱা স্থানৰ অৱক্ষয় ঃ

৫। (ক) যিবোৰ ৰাজ্যত এই বিষয়ত কোনো স্থানীয় আইন নাই, আৰু য'ত আইন আছে তাত— সীমাবদ্ধতাবোৰ আইনৰ অধীনত থকা তাত দখলকাৰীৰ স্বেচ্ছাকৃত অনুমতি মৰ্মে ব্যক্তিগত চৌহদত অস্থায়ী আৰু সহজেই আঁতৰাব পৰা বিজ্ঞাপনৰ উপাদান যেনে— পতাকা, বেনাৰ আদি লগাব পাৰে। অনুমতিটো স্বেচ্ছাকৃত আৰু তাত যাতে কোনো ছাপ বা ভয়ৰ কাৰণ নাথাকে। তেনেকুৱা বেনাৰ বা পতাকাই বেলেগক যাতে আপদত পেলাব নোৱাৰে। এই স্বেচ্ছাকৃত অনুমতি পত্ৰখনৰ ফটোকপি পতাকা আৰু বেনাৰ লগোৱাৰ তিনিদিনৰ ভিতৰত ৰিটাৰ্নিং অফিচাৰক দাখিল কৰিব লাগে যিটোৰ বিষয়ে তলত উপ-অনুচ্ছেদ (গ)ত দিয়া হৈছে।

(খ) বেৰৰ লিখনি, পোষ্টাৰ লগোৱা আৰু তেনেকুৱা আন স্থায়ী / কম স্থায়ী অৱক্ষয় যিটো সহজেই আঁতৰাব নোৱাৰি— সেইবোৰৰ স্পষ্টকৈ অনুমতি যদি স্থানীয় আইনে নিদিয়ে, তেন্তে সেইবোৰ কাম কোনো পৰিস্থিতিতে কৰিব নোৱাৰিব, আনকি সম্পত্তিৰ মালিকেও সন্মতি জনালেও। যিবোৰ ৰাজ্যত স্থানীয় আইন নাই তাতো সম্পত্তি অৱক্ষয় প্ৰতিৰোধৰ স্বাৰ্থত সেইবোৰ কাম কৰিব নোৱাৰিব।

(গ) যদি স্থানীয় আইনে মালিকৰ অনুমতিৰে ব্যক্তিগত চৌহদত বেৰ লিখা আৰু পোষ্টাৰ লগোৱা কৰা, হ'ৰ্ডিং, বেনাৰ আদি স্তাপন কৰাৰ অনুমতি দিয়ে, প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী বা সংশ্লিষ্ট ৰাজনৈতিক দলসমূহে সম্পত্তিৰ মালিকৰপৰা আগতীয়া লিখিত অনুমতি প্ৰাপ্ত কৰিব আৰু ৰিটাৰ্নিং বিষয়া বা তেওঁৰদ্বাৰা নিৰ্ধাৰিত বিষয়াক তিনি

দিনৰ ভিতৰত ইয়াৰ ফটোকপি দাখিল কৰিব, একেলগতে সংলগ্ন প্ৰফৰ্মা (পৰিশিষ্ট-২ হিচাপে চিহ্নিত)। এনেক্ষেত্ৰত ওপৰৰ উপ-পেৰা (ক)ত উল্লেখ কৰা ক্ষেত্ৰত বিবৃতিটোত স্পষ্টভাৱে উল্লেখ কৰিব লাগে সম্পত্তিৰ মালিকৰ নাম আৰু ঠিকনা যাৰ পৰা এনে অনুমতি লাভ কৰা হৈছে আৰু ইয়াৰ বাবে ব্যয় কৰা বা হোৱাৰ সম্ভাৱনা আছে। এনে লিখা / প্ৰদৰ্শনত সম্প্ৰদায়ৰ মাজত প্ৰদাহজনক বা অস্নেহ সৃষ্টি কৰাৰ সম্ভাৱনা একো অনুমোদিত নহ'ব। প্ৰাৰ্থীৰ নিৰ্দিষ্ট প্ৰচাৰত এই মোডত হোৱা ব্যয় প্ৰাৰ্থীয়ে কৰা নিৰ্বাচনী ব্যয়ত যোগ কৰা হ'ব। কোনো প্ৰাৰ্থীক উল্লেখ নকৰাকৈ দল এটাৰ বাবে একচেটীয়া প্ৰচাৰত হোৱা ব্যয় প্ৰাৰ্থীৰ ব্যয়ত যোগ কৰা নহ'ব। প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীয়ে ৰিটাৰ্নিং বিষয়া, বা কৰ্তৃত্বপ্ৰাপ্ত বিষয়াক প্ৰয়োজনীয় অনুমতিপ্ৰাপ্ত কৰাৰ বাবে তিনি দিনৰ ভিতৰত, ৰিটাৰ্নিং বিষয়া বা নিৰ্বাচন পৰ্যবেক্ষক বা নিৰ্বাচন ৰক্ষণাবেণৰ সৈতে সম্পৰ্কিত যিকোনো বিষয়াৰ দ্বাৰা সহজ পৰীক্ষাৰ বাবে এনে তথ্য গাঁও / স্থান / চহৰ অনুসৰি প্ৰদান কৰিব।

(ঘ) যিকোনো স্থানীয় আইন বা বলবৎ কোনো আদালতৰ আদেশৰ অধীনত যিকোনো নিষেধাজ্ঞা ৰখা হ'ব পাৰে, যদিহে তেওঁলোকে স্বেচ্ছাই আৰু কোনো পক্ষ, সংগঠন বা ব্যক্তিৰ কোনো ছাপ অবিহনে এনে কৰে আৰু লগতে প্ৰদান কৰে যে এইবোৰে আন কাৰো বাবে কোনো ধৰণৰ অসুবিধা নকৰে। যদি বেনাৰ, পতাকা আদিৰ এনে প্ৰদৰ্শনৰ লক্ষ্য হৈছে যিকোনো নিৰ্দিষ্ট প্ৰাৰ্থীৰ বাবে ভোট বিচাৰিব, তেন্তে আইপিচিৰ ধাৰা ১৭১ এইচৰ ব্যৱস্থাবোৰ আকৰ্ষিত হ'ব আৰু অনুসৰণ কৰিব লাগিব। আইপিচিৰ ধাৰা ১৭১ এইচত নিৰ্দাৰণ কৰা হৈছে যে যিকোনো প্ৰাৰ্থীৰ লিখিতভাৱে সাধাৰণ বা বিশেষ কৰ্তৃপক্ষ অবিহনে যিকোনো ৰাজহুৱা সভা অনুষ্ঠিত কৰাৰ বাবে, বা যিকোনো বিজ্ঞাপন, বিজ্ঞপ্তি বা প্ৰকাশনৰ বাবে, বা এনে প্ৰাৰ্থীৰ নিৰ্বাচনৰ প্ৰচাৰ বা ক্ৰয় কৰাৰ উদ্দেশ্যে যিকোনো ধৰণে ব্যয় বহন বা অনুমোদন কৰে, তেওঁক জৰিমণাৰ শাস্তি দিয়া হ'ব যি পাঁচশলৈ বৃদ্ধি হ'ব পাৰে। যদি কোনো ব্যক্তিয়ে কৰ্তৃপক্ষ অবিহনে দহ টকাৰে পৰিমাণ অতিক্ৰম নকৰা এনে কোনো ব্যয় কৰা ব্যক্তিয়ে প্ৰাৰ্থীৰ লিখিতভাৱে অনুমোদন বহন কৰা তাৰিখৰপৰা দহ দিনৰ ভিতৰত প্ৰাপ্ত কৰে, তেন্তে তেওঁক প্ৰাৰ্থীৰ কৰ্তৃত্বৰ সৈতে এনে ব্যয় কৰা বুলি গণ্য কৰা হ'ব।

### হল/প্ৰেক্ষাগৃহ আৰু অন্যান্য ৰাজহুৱা সম্পত্তিৰ বিকাৰ ঃ

৬। চৰকাৰী / স্থানীয় কৰ্তৃপক্ষ / পিএছইউ / সমবায়ৰ মালিকনাধীন / নিয়ন্ত্ৰণ কৰা হ'ল / প্ৰেক্ষাগৃহ / সভাস্থানৰ ক্ষেত্ৰত, যদি তেওঁলোকৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰা আইন / নিৰ্দেশনাবোৰে

ইয়াত ৰাজনৈতিক সভাসমূহ প্রতিফলিত নকৰে, ইয়াত কোনো আপত্তি নাই। এইটো নিশ্চিত কৰা হ'ব যে আৱণ্টনটো সমান আধাৰত কৰা হয় আৰু কোনো ৰাজনৈতিক দহ বা প্রার্থীৰদ্বাৰা কোনো একচেটীয়া নহয়। এনে স্থানত, আইন / নির্দেশনাৰ অধীনত যিকোনো নিষেধাজ্ঞা ৰখা হ'ব পাৰে। এনে বেনাৰ, পতাকা আদি দল / ব্যক্তিৰ দ্বাৰা আঁতৰ কৰা হ'ব যিয়ে সভা শেষ হোৱাৰ লগে লগে চৌহদটো ব্যৱহাৰ কৰিছিল, সভা শেষ হোৱা পিচত যুক্তিসংগত সময়ৰ ভিতৰত যিকোনো ক্ষেত্ৰত। স্থায়ী / অর্ধ-স্থায়ী বিকাৰ যেনে বেৰ লিখা / পোষ্টাৰ লগোৱা আদি এনে চৌহদত অনুমতি দিয়া নহ'ব।

৭। যদি কোনো ৰাজনৈতিক দল / সংগঠন / প্রার্থী / ব্যক্তিয়ে স্থানীয় আইন, যদি থাকে, বা উপৰোক্ত নির্দেশনা উলংঘন কৰি কোনো সম্পত্তিৰ বিভাজক কৰে, ৰিটার্নিং বিষয়া / জিলা নির্বাচন বিষয়াই অপৰাধীক বিভাজক আঁতৰৰ বাবে জাননী জাৰি কৰিব। যদি ৰাজনৈতিক দল / সংগঠন / প্রার্থী / ব্যক্তিয়ে তৎক্ষণাত সঁহাৰি নিদিয়ে, জিলা কর্তৃপক্ষই বিকাৰ আঁতৰ কৰাৰ বাবে ব্যৱস্থা গ্রহণ কৰিব পাৰে, আৰু প্রক্রিয়াটোত হোৱা ব্যয় বিয়োগৰ বাবে দায়বদ্ধ ৰাজনৈতিক দল / সংগঠন / প্রার্থী / ব্যক্তিৰপৰা পুনৰুদ্ধাৰ কৰা হ'ব। তদুপৰি পৰিমাণটো সংশ্লিষ্ট প্রার্থীৰ নির্বাচনী ব্যয়ত যোগ কৰা হ'ব, আৰু প্রাসংগিক আইনৰ বিধানৰ অধীনত অপৰাধীৰ বিৰুদ্ধে গোচৰ চলাবলৈ ব্যৱস্থাও আৰম্ভ কৰিব লাগে (বিয়োগ প্রতিৰোধ সম্পর্কীয় আইনৰ অধীনত, যদি থাকে, বা আনৰ সম্পত্তিৰ ক্ষতি কৰাৰ বাবে সাধাৰণ আইনৰ ব্যৱস্থাৰ অধীনত)।

**বাহনৰ বিকাৰ ঃ**

৮। (ক) ব্যক্তিগত বাহনৰ ক্ষেত্ৰত, মটৰ বাহন আইনৰ ব্যৱস্থা অনুসৰি ইয়াৰ অধীনত নিয়ম আৰু আদালতৰ আদেশ ৰখা হয়, যদি থাকে, পতাকা আৰু ষ্টীকাৰবোৰ বাহনৰ মালিকে নিজৰ স্বীকাৰত ৰাখিব পাৰে, এনেদৰে যাতে তেওঁলোকে আন পথ ব্যৱহাৰকাৰীসকলৰ বাবে কোনো অসুবিধা বা বিভ্রান্তি নকৰে। যদি এনে পতাকা আৰু ষ্টীকাৰ প্রদর্শনৰ লক্ষ্য হৈছে যদি কোনো নির্দিষ্ট প্রার্থীৰ বাবে ভোট বিচাৰিব, তেন্তে আইপিচিৰ ধাৰা ১৭১ এইচৰ ব্যৱস্থাবোৰ আকর্ষিত হ'ব আৰু অনুসৰণ কৰিব লাগিব।

(খ) বাণিজ্যিক বাহনৰ ওপৰত, যিকোনো পতাকা, ষ্টীকাৰ আদি প্রদর্শন কৰাৰ অনুমতি দিয়া নহ'ব, যদিহে এনে বাহনখন জিলা নির্বাচন বিষয়া / ৰিটার্নিং বিষয়াৰপৰা প্রয়োজনীয় অনুমতি লাভ কৰাৰ পিচত নির্বাচনী প্রচাৰৰ বাবে বৈধভাৱে ব্যৱহাৰ কৰা বাহন নহয় আৰু বাহনৰ সন্মুখভাগত আচল অনুজ্ঞাপত্র লগোৱা নহয়।

(গ) ইয়াৰ ওপৰত লাউড স্পিকাৰ লগোৱাৰ ক্ষেত্ৰত মটৰ পৰিবহন আইন / নিয়ম

আৰু আন যিকোনো স্থানীয় আইন / নিয়মৰ ব্যৱস্থাৰ অধীনত হ'ব। সুসজ্জিত কৰা বাহন, ভিডিঅ' ৰথ আদিৰ দৰে বিশেষ অভিযান বাহনৰে মটৰ বাহন আইনৰ অধীনত সক্ষম কৰ্তৃপক্ষৰপৰা প্ৰয়োজনীয় অনুমতি লাভ কৰাৰ পিচতহে ব্যৱহাৰ কৰিব পাৰি।

**অন্যান্য প্ৰচাৰ সম্পৰ্কীয় ব্যৱস্থাবোৰ ঃ**

৯। ব্যয়ৰ বাবে একাউণ্টিঙৰ অধীনত নিম্নলিখিতবোৰ অনুমোদিত হ'ব পাৰে—

(ক) শোভাযাত্ৰা, ৰেলী আদিত স্থানীয় আইন আৰু প্ৰযোজ্য নিষিদ্ধ আদেশৰ লগত মিলাকৈ পতাকা, বেনাৰ, কাটআউট আদি বহন কৰিব পাৰি।

(খ) এনে শোভাযাত্ৰাত, দল / প্ৰাৰ্থীয়ে টুপী, মুখা, স্কাৰ্ফ আদিৰদৰে বিশেষ আনুষংগিক পৰিধান কৰাৰ অনুমতি দিয়া হ'ব পাৰে। অৱশ্যে দল / প্ৰাৰ্থীৰদ্বাৰা শাৰী, চাৰ্ট আদিৰদৰে মুখ্য পোছাক যোগান ধৰাৰ অনুমতি নাই।

(গ) শিক্ষানুষ্ঠানবোৰৰ খেলপথাৰবোৰ (চৰকাৰী সাহায্যপ্ৰাপ্ত, ব্যক্তিগত বা চৰকাৰী) ৰাজনৈতিক প্ৰচাৰ আৰু ৰেলীৰ বাবে ব্যৱহাৰ কৰা নহ'ব।

১০। মুখ্য নিৰ্বাচনী বিষয়াসকলক জিলা নিৰ্বাচন বিষয়া, ৰিটাৰ্নিং বিষয়া আৰু আন সকলো নিৰ্বাচন সম্পৰ্কীয় কৰ্তৃপক্ষ, আৰু ৰাজ্যখনত অৱস্থিত ৰাজ্যিক গোট, আৰু ৰাজ্যত অৱস্থিত সকলো পঞ্জীভুক্ত অস্বীকৃত দল, আৰু লগতে প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীসকল (নিৰ্বাচনৰ সময়ত) তথা আৰু অনুপালনৰ বাবে নিৰ্দেশনা আনিবলৈ অনুৰোধ কৰা হৈছে।

১১। অনুগ্ৰহ কৰি এই পত্ৰৰ ৰচিদ স্বীকাৰ কৰক। মুখ্য নিৰ্বাচনী বিষয়াসকলে অনুগ্ৰহ কৰি নিশ্চিত কৰিব পাৰে যে ওপৰত উল্লেখিত অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

# পৰিশিষ্ট - ১

## সম্পত্তিৰ বিকাৰ - আইন

| ক্র. নং. | ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চলৰ নাম | আইন/নিয়মৰ নাম | প্রযোজ্যতাৰ বিস্তাৰ |
|---|---|---|---|
| ১ | অন্ধ্র প্রদেশ | অন্ধ্র প্রদেশ প্রতিৰোধ খোলা স্থানৰ বিকৃততাৰ আৰু অশ্লীল নিষিদ্ধকৰণ আৰু আপত্তিজনক পোষ্টাৰ আৰু বিজ্ঞাপন আইন, ১৯৯৭ | ই সমগ্ৰ ৰাজ্যলৈ সম্প্রসাৰিত |
| ২ | অৰুণাচল প্রদেশ | অৰুণাচল প্রদেশ সম্পত্তি বিভাজক প্রতিৰোধ আইন ১৯৯৭ | ই সমগ্ৰ ৰাজ্যলৈ সম্প্রসাৰিত |
| ৩ | বিহাৰ | বিহাৰ সম্পত্তি বিভাজক প্রতিৰোধ আইন ১৯৮৫ | ই সমগ্ৰ ৰাজ্যলৈ সম্প্রসাৰিত |
| ৪ | ছত্তীছগড় | কোনো পৃথক আইন নির্ধাৰণ কৰা হোৱা নাই। কিন্তু মধ্য প্রদেশ সম্পত্তি বিৰূপন নিবাৰণ অধিনিয়ম ১৯৯৪ প্রযোজ্য কৰা হৈছে। | ই সমগ্ৰ ৰাজ্যলৈ সম্প্রসাৰিত |
| ৫ | গোৱা | গোৱা সম্পত্তি বিভাজক প্রতিৰোধ আইন ১৯৮৮ৰ আইন, ১৯৯২ আৰু ২০০১ সংশোধিত। | ই সমগ্ৰ ৰাজ্যলৈ সম্প্রসাৰিত |
| ৬ | হাৰিয়ানা | হাৰিয়ানা সম্পত্তি বিভাজক প্রতিৰোধ আইন ১৯৮৯, ১৯৯৬ত আইনৰ সংশোধন | ই সমগ্ৰ ৰাজ্যলৈ সম্প্রসাৰিত |

| ক্র. নং. | ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চলৰ নাম | আইন/নিয়মৰ নাম | প্রযোজ্যতাৰ বিস্তাৰ |
|---|---|---|---|
| ৭ | হিমাচল প্রদেশ | হিমাচল প্রদেশৰ মুকলি স্থানসমূহ (বিকৃত কৰা প্রতিৰোধ) আইন ১৯৮৫ | ই সমগ্র ৰাজ্যলৈ সম্প্রসাৰিত আৰু চিমলা পৌৰ নিগমৰ ভিতৰৰ অঞ্চলসমূহত কার্যকৰী হৈছে। বাকী অঞ্চলসমূহত ৰাজ্য চৰকাৰৰ অধীনত কার্যকৰী হ'ব। |
| ৮ | ঝাৰখণ্ড | পৃথক আইন নাই, কিন্তু বিহাৰ সম্পত্তি বিভাজক প্রতিৰোধ আইন ১৯৮৫ প্রযোজ্য | ই সমগ্র ৰাজ্যলৈ সম্প্রসাৰিত |
| ৯ | জম্মু আৰু কাশ্মীৰ | জম্মু আৰু কাশ্মীৰ সম্পত্তি প্রতিৰোধ আইন ১৯৮১ৰ নং-১৯ | ই সমগ্র ৰাজ্যলৈ সম্প্রসাৰিত |
| ১০ | কর্ণাটক | কর্ণাটকৰ মুকলি স্থান (বিকৃত কৰা প্রতিৰোধ) আইন, ১৯৮১, ১৯৮৩ আইনৰদ্বাৰা সংশোধিত | ই বাংগালোৰ, মশীশূৰ, হাবলি, ধাৰৰাৰ, মাংগালোৰ আৰু বেলাগুনলৈ সম্প্রসাৰিত তথা কর্মাটক পৌৰ নিগম আইন ১৯৭৬ৰ অধীনত নাইবা ৫/৫/১৯৮১ৰ আন যিকোনো আইন। পৌৰসভা, বিশেষ এলেকা, চেনিটাৰি ব'ৰ্ডত, কার্যকৰী হ'ল কর্ণাটক পৌৰ নিগম আইন ১৯৬৪ৰ জৰিয়তে বা আন যিকোনো আইন। আন স্থানীয় অঞ্চলত কার্যকৰী হ'লে ৰাজ্য চৰকাৰে জাননী দিব। |

| ক্র. নং. | ৰাজ্য/কেন্দ্রীয় শাসিত অঞ্চলৰ নাম | আইন/নিয়মৰ নাম | প্ৰযোজ্যতাৰ বিস্তাৰ |
|---|---|---|---|
| ১১ | মধ্যপ্রদেশ | মধ্যপ্রদেশ চামপট্টি বিৰূপণ নিবাৰণ অধিনিয়ম ১৯৯৪ | ই সমগ্ৰ ৰাজ্যলৈ সম্প্ৰসাৰিত |
| ১২ | মহাৰাষ্ট্ৰ | মহাৰাষ্ট্ৰ আইন ১৯৯৫ৰ নং-৮ সম্পত্তি অৱক্ষয় ৰোধ সন্দৰ্ভত | বিশেষ একো উল্লেখ নাই |
| ১৩ | মিজোৰাম | মিজোৰাম সম্পত্তি বিভাজক প্ৰতিৰোধ আইন ১৯৯৫ | ই সমগ্ৰ ৰাজ্যলৈ সম্প্ৰসাৰিত |
| ১৪ | নাগালেণ্ড | নাগালেণ্ড সম্পত্তি বিভাজক প্ৰতিৰোধ আইন ১৯৯৫ | ই অসম জনজাতীয় অঞ্চলসমূহৰ (ট'ৰ প্ৰশাসন সমিতি) নিয়মাৱলী ১৯৫০ৰ অধীনৰ নিৰ্দিষ্ট এলেকাত সম্প্ৰসাৰিত। আন স্থানীয় এলেকালৈ কাৰ্যকৰী হ'লে ৰাজ্য চৰকাৰে জাননী দিব। |
| ১৫ | পাঞ্জাব | পাঞ্জাব সম্পত্তি বিভাজক প্ৰতিৰোধ আইন ১৯৯৫ | ই সমগ্ৰ ৰাজ্যলৈ সম্প্ৰসাৰিত |
| ১৬ | চিকিম | চিকিম সম্পত্তি বিভাজক প্ৰতিৰোধ আইন ১৯৯৫ | ই সমগ্ৰ ৰাজ্যলৈ সম্প্ৰসাৰিত |
| ১৭ | তামিলনাডু | তামিলনাডু মুক্ত স্থান (বিকৃত কৰা প্ৰতিৰোধ) আইন ১৯৫৯; ১৯৯২ চনত সংশোধিত | ই সমগ্ৰ ৰাজ্যলৈ সম্প্ৰসাৰিত |

| ক্র. নং. | ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ নাম | আইন/নিয়মৰ নাম | প্ৰযোজ্যতাৰ বিস্তাৰ |
|---|---|---|---|
| ১৮ | ত্ৰিপুৰা | ত্ৰিপুৰা সম্পত্তি বিভাজক প্ৰতিৰোধ আইন ১৯৭৬ৰ লগতে ত্ৰিপুৰা সংশোধনি (সম্পত্তি অৰক্ষয় ৰোধ) বিধেয়ক ১৯৯৮ সম্প্ৰতি ৰাজ্যখনত বাহাল আছে। | ই ৰাজ্যৰ সকলোলৈ সম্প্ৰসাৰিত আৰু আগৰতলা পৌৰ নিগমৰ সীমালৈ কাৰ্যকৰী হ'ব যিটো ৰাজ্য চৰকাৰে সময়ে সময়ে জাননী দি যাব। |
| ১৯ | উত্তৰাখণ্ড | উত্তৰাখণ্ড সম্পত্তি বিভাজক প্ৰতিৰোধ আইন ১৯৯৫ | ই সমগ্ৰ ৰাজ্যলৈ সম্প্ৰসাৰিত |
| ২০ | আন্দামান আৰু নিকোবৰ | আন্দামান আৰু নিকোবৰ সম্পত্তি বিভাজক প্ৰতিৰোধ আইন ১৯৯৫ | ই কেন্দ্ৰীয় শাসিত প্ৰদেশৰ সকলোলৈ বিস্তৃত |
| ২১ | চণ্ডিগড় (কেন্দ্ৰীয় শাসিত অঞ্চল) | চণ্ডিগড়ত পশ্চিমবংগ সম্পত্তি বিভাজক প্ৰতিৰোধ আইন ১৯৭৬ বলবৎ আছে | ই সমগ্ৰ ৰাজ্যলৈ সম্প্ৰসাৰিত |
| ২২ | দিল্লী | দিল্লীত পশ্চিমবংগ সম্পত্তি বিভাজক প্ৰতিৰোধ আইন ১৯৭৬ বলবৎ আছে | ই সমগ্ৰ ৰাজ্যলৈ সম্প্ৰসাৰিত |
| ২৩ | পণ্ডিচেৰী | পণ্ডিচেৰী মুক্ত স্থান (বিকৃত কৰা প্ৰতিৰোধ) আইন ২০০০ | ই কেন্দ্ৰীয় শাসিত প্ৰদেশৰ সকলোলৈ বিস্তৃত |

সম্পত্তি অৱক্ষয় প্ৰতিৰোধ আইনৰ বাবে কোনো নিৰ্দিষ্ট আইন বলবৎ নোহোৱা ৰাজ্য—

| ক্ৰ. নং. | ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ নাম | |
|---|---|---|
| ১ | অসম | আইন নাই |
| ২ | গুজৰাট | আইন নাই |
| ৩ | কেৰালা | আইন নাই |
| ৪ | মণিপুৰ | আইন নাই |
| ৫ | মেঘালয় | আইন নাই |
| ৬ | উৰিষ্যা | আইন নাই |
| ৭ | ৰাজস্থান | কোনো নিৰ্দিষ্ট আইন নাই, কিন্তু ৰাজস্থান পৌৰ নিগম আইন ১৯৫৯ৰ দফা ১৯৮ত এটা সুবিধা আছে যে মালিক বা দখলদাৰীক নজনোৱাকৈ আৰু পৌৰ নিগমৰ সম্পত্তিৰ ক্ষেত্ৰত অনুমতি নোলোৱাকৈ ব'ৰ্ডত লিখিলে, পোষ্টাৰ লগালে বা প্লেকাৰ্ড, বিল, বিজ্ঞাপন প্ৰদৰ্শন কৰিলে জৰিমণা বিহা হ'ব যিটো ২০ টকালৈ যাব পাৰে। |
| ৮ | উত্তৰ প্ৰদেশ | আইন নাই |
| ৯ | পশ্চিমবংগ | পূৰ্বে পশ্চিমবংগ সম্পত্তি প্ৰতিৰোধ আইন ১৯৭৬ বলবৎ আছিল যিখন এতিয়া বাতিল কৰা হৈছে। |
| ১০ | দাদৰ আৰু নিউ হাভেলি | আইন নাই |
| ১১ | দমন আৰু দিউ | আইন নাই |
| ১২ | লাক্ষাদ্বীপ | আইন নাই |

## পৰিশিষ্ট - 2

বিৱৰণত ...................................................................... সংসদীয় সমষ্টি/বিধানসভাৰ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা শ্ৰী/শ্ৰীমতী/মিচ ......................................................... ............................................ ৰ দ্বাৰা প্ৰদৰ্শন কৰা বেৰ লিখনি/পোষ্টাৰ/হ'ৰ্ডিং/বেনাৰৰ তথ্য দিয়া হৈছে —

গাঁও/চহৰৰ নাম/স্থানীয় ..........................................................................................

| ক্ৰ. নং. | যি ব্যক্তিগত সম্পত্তিত লিখাৰ অনুমতি পোৱা হৈছে তাৰ মালিকৰ নাম আৰু ঠিকনা | বেৰ লিখনি / পোষ্টাৰ বা হ'ৰ্ডিং বা বেনাৰৰ বিৱৰণ (আকাৰ দিব লাগিব) | বেৰ লিখনি / হ'ৰ্ডিং / বেনাৰ / পোষ্টাৰ আদিত হ'ব পৰা ব্যয় |
|---|---|---|---|
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | মুঠ |

# পৰিবেষ্টন - III

নিৰ্বাচন আয়োগৰ পত্ৰ নং - ৪৬৪/আইএনএছটি/২০১৪/ইপিএছ, তাং- ১০/৪/২০১৪ত সকলো ৰাজ্য / কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়াসকলক সম্বোধন কৰা হৈছে।

**বিষয় ঃ লোকসভা সাধাৰণ নিৰ্বাচন, ২০১৪— নিৰ্বাচনৰ সময়ত বাহনৰ ব্যৱহাৰ সম্পৰ্কে একত্ৰিত নিৰ্দেশনা।**

সকলো দল আৰু অন্যান্য প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ বাবে প্ৰতিদ্বন্দ্বিতা সুষম ক্ষেত্ৰত নিশ্চিত কৰাৰ বাবে আৰু লগতে ধনৰ বিতৰণৰ অশুভ প্ৰভাৱ আৰু চৰকাৰী যন্ত্ৰৰ অপব্যৱহাৰ পৰীক্ষা কৰিবলৈ, আয়োগে অতীতত উপৰোক্ত বিষয়টোৰ সন্দৰ্ভত কেইবাখনো নিৰ্দেশনা জাৰি কৰিছে। ৰাজ্যিক বিধানসভা আৰু লোকসভাৰ সকলো সাধাৰণ/উপ নিৰ্বাচন আৰু স্নাতক আৰু শিক্ষকৰপৰা বিধান পৰিষদৰ সকলো দ্বিবাৰ্ষিক/উপ-নিৰ্বাচনৰ সময়ত প্ৰযোজ্য হোৱাকৈ—

**প্ৰযোজ্যতাৰ ম্যাদ ঃ**

২। এই নিৰ্দেশনাবোৰ ঘোষণাৰ তাৰিখৰপৰা কাৰ্যকৰী হ'ব নিৰ্বাচন সম্পূৰ্ণ হোৱালৈকে।

চৰকাৰী বাহনৰ অৰ্থ—

৩। 'চৰকাৰী বাহন' অভিব্যক্তিৰ অৰ্থ হৈছে— যিবোৰ বাহন যান্ত্ৰিক শক্তিৰে বা অন্য উপাদানেৰে চালিত পৰিবহনৰ উদ্দেশ্যে ব্যৱহাৰ কৰিবলৈ সক্ষম, যাৰ ভিতৰত আছে— ট্ৰাক, লৰী, টেম্পো, জীপ, কাৰ, অট'ৰিক্সা, বাছ, ই-ৰিক্সা আদি আৰু যিবোৰ অন্তৰ্ভুক্ত থাকিব (ক) কেন্দ্ৰীয় চৰকাৰত, (খ) ৰাজ্য চৰকাৰ / কেন্দ্ৰীয় প্ৰশাসনত, (গ) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ৰাজহুৱা ক্ষেত্ৰবোৰত, (ঘ) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ যুটীয়া খণ্ডৰ উদ্যোগসমূহত, (ঙ) স্থানীয় সংস্থাত, (চ) পৌৰ নিগমত, (ছ) পৌৰ সভাত, (জ) বিপণন বোৰ্ডত, (ঝ) সমবায় সমিতিত, (ঞ) স্বায়ত্ত শাসিত জিলা কাউন্সিল বা আন যিকোনো ৰাজহুৱা সংস্থাত। লগতে এটা সৰু অংশ প্ৰতিৰক্ষা মন্ত্ৰালয় আৰু কেন্দ্ৰীয় ৰাজহুৱা সংস্থাত অন্তৰ্ভুক্ত হয় গৃহ মন্ত্ৰালয় আৰু ৰাজ্য চৰকাৰৰ অধীনত থকা।

**ইচিআইৰ নিৰ্দেশনা—**

৪। আয়োগে ইয়াত উল্লেখ কৰা ব্যতিক্ৰমৰ অধীনত এইটো নিৰ্দেশ দিয়ে যে নিৰ্বাচনৰ সময়ত প্ৰচাৰ, নিৰ্বাচনী বা নিৰ্বাচন সম্পৰ্কীয় ভ্ৰমণৰ বাবে চৰকাৰী বাহনৰ ব্যৱহাৰৰ ওপৰত মুঠ আৰু সম্পূৰ্ণ নিষেধাজ্ঞা থাকিব। হেলিকপ্টাৰ, বিমান (বিষয়টোৰ ওপৰত আয়োগৰ আদেশৰদ্বাৰা নিয়ন্ত্ৰিত কৰাৰ বাহিৰে), গাড়ী, জীপ, অট'ম'বাইল, নাও, হভাৰক্ৰাফ্‌ট আদিৰ বাহনৰ ব্যৱহাৰৰ ওপৰত সম্পূৰ্ণ নিষেধাজ্ঞা থাকিব (ক) কেন্দ্ৰীয় চৰকাৰ (খ) ৰাজ্য চৰকাৰ/

কেন্দ্ৰীয় প্ৰশাসন (গ) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ক্ষেত্ৰবোৰ (ঘ) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ যুটীয়া খণ্ডৰ উদ্যোগসমূহ, (ঙ) স্থানীয় সংস্থা, (চ) পৌৰ নিগম, (ছ) পৌৰ সভা (জ) বিপণন বোৰ্ড, (ঝ) সমবায় সমিতি (ঞ) স্বায়ত্ত শাসিত জিলা কাউন্সিল। অৱশ্যে, মুঠৰ এটা সৰু অংশ নিৰ্বাচনৰ সৈতে যুক্ত উদ্দেশ্য, যিকোনো ৰাজনৈতিক দল, প্ৰাৰ্থী বা নিৰ্বাচনৰ সৈতে যুক্ত ব্যক্তিৰ কাৰণে প্ৰয়োগ কৰা হয়। (যিকোনো নিৰ্বাচনী কামত কৰ্মৰত বিষয়াৰ বাহিৰে)

৫। আয়োগে আৰু নিৰ্দেশ দিয়ে যে নিৰ্ধাৰিত কোনো কৰ্তৃপক্ষৰ কোনো আনুষ্ঠানিক বাহন, নিৰ্বাচনী কাম-কাজত প্ৰয়োগ হ'ব পাৰি, আছে নে নাই তাক জানিবলৈ তীক্ষ্ণ দৃষ্টি ৰাখিব। যদি এনে হয়, তেন্তে জিলা দণ্ডাধীশে সঠিক প্ৰক্ৰিয়া অনুসৰণ কৰাৰ বাবে দাবী কৰিব। জনপ্ৰতিনিধিত্ব আইন ১৯৫১ৰ ধাৰা ১৬০ৰ অধীনত এনেকুৱা অনুগ্ৰহ কৰা বাহনসমূহ নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱালৈকে মুকলি কৰা নহ'ব।

**স্পষ্টীকৰণ ঃ**

৬। এইটো স্পষ্ট কৰা হৈছে যে বাহনবোৰৰ ওপৰত নিষেধাজ্ঞা ৰাজ্যৰ ভিতৰৰ বা বাহিৰৰপৰা অহা সকলো বাহনৰ ক্ষেত্ৰত সমানে প্ৰযোজ্য হ'ব। নিৰ্বাচন নোহোৱা ৰাজ্যৰ কোনো বাহন নিৰ্বাচন হ'বলগা ৰাজ্যৰ প্ৰচাৰত গোপনে বা মুকলিকৈ ব্যৱহাৰ হ'লে তাকো নিষিদ্ধ কৰা হ'ব। প্ৰতিখন ৰাজ্য / কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য সচিব, ভাৰত চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ সচিব সমানেই জগৰীয়া হ'ব যদিহে মন্ত্ৰালয় / বভাগৰ বা ৰাজহুৱা খণ্ডৰ বা যুটীয়া খণ্ডৰ বা সেই মন্ত্ৰালয় / বিভাগৰ অধীনৰ বিষয়াৰ কোনো বাহনৰ অপপ্ৰয়োগ হয়, যি বিষয়াৰ অধীনত বাহনবোৰ অৰ্পণ কৰা হৈছে তেওঁ সমানেই জগৰীয়া হ'ব।

৭। এইটো স্পষ্ট কৰা হৈছে যে কেন্দ্ৰীয় বা ৰাজ্যিক মন্ত্ৰীকে ধৰি উপৰোক্ত যিকোনো বিষয়াৰ অধীনৰ বাহন, ভাড়া পৰিশোধ কৰা থাকিলেও, কোনো প্ৰচাৰৰ বাবে বা নিৰ্বাচনৰ সৈতে সংযোজিত ভ্ৰমণত ব্যৱহৃত বাহন সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হ'ব।

**ব্যতিক্ৰম ঃ**

৮। নিষেধাজ্ঞাৰপৰা একমাত্ৰ ব্যতিক্ৰম হ'ব প্ৰধানমন্ত্ৰী আৰু অন্যান্য ৰাজনৈতিক ব্যক্তি যিসকল উগ্ৰপন্থী আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপৰপৰা জীৱনৰ প্ৰতি ভাবুকি আহিব পাৰে। তেওঁলোকক উচ্চপৰ্যায়ৰ নিৰাপত্তাৰ প্ৰয়োজন যিসকলৰ নিৰাপত্তা ব্যৱস্থা সংসদ বা ৰাজ্যিক বিধানসভাৰদ্বাৰা পৰিচালিত।

৯। উপৰোক্ত নিষেধাজ্ঞাবোৰ ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব। লোকসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ আৰু ৰাজ্যসভাৰ উপাধ্যক্ষৰ লগতে আন প্ৰতিনিধিৰ এখন ৰাজ্যৰপৰা আন এখন ৰাজ্যলৈ ভ্ৰমণ থাকে। অৱশ্যে এইটো স্পষ্ট কৰি দিয়া হৈছে

যে লোকসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ তথা ৰাজ্যসভাৰ উপাধ্যক্ষৰ ওপৰত উক্ত সীমাবদ্ধতা বাহাল থাকিব লোকসভাৰ সাধাৰণ নিৰ্বাচনৰ কালছোৱাত, বিধানসভাৰ নিৰ্বাচনত নহয়। এইটো পুনৰ স্পষ্ট কৰা হৈছে যে এই ব্যতিক্ৰমটো কেন্দ্ৰীয় মন্ত্ৰালয় বা যিকোনো ৰাজ্য চৰকাৰৰ সন্মানাৰ্থে কৰা হোৱা নাই।

১০। (ক) আয়োগে এইটো স্পষ্ট কৰিব বিচাৰে যে মূল্যায়ন বিশেষ সুৰক্ষা গোট আইন, ১৯৮৮ বা আন কোনো বিশেষ বিধি/নিৰ্দেশনাৰদ্বাৰা ৰূপায়িত নিৰাপত্তা ব্যৱস্থা যদি সন্দেহ কৰাৰ কোনো সুৰুঙা আছে তেন্তে তাত পৰোক্ষভাৱে এটা নিৰ্দিষ্ট দল বা প্ৰাৰ্থীৰ নিৰ্বাচনী স্বাৰ্থৰ প্ৰচাৰ উদ্দেশ্য আছে। আয়োগে বিষয়টো সংশ্লিষ্ট চৰকাৰৰ দৃষ্টিগোচৰ কৰাব তাৎক্ষণিক আৰু উপযুক্ত সংশোধনমূলক পদক্ষেপৰ বাবে।

এই উদ্দেশ্যৰ বাবে, আয়োগে কেন্দ্ৰ বা ৰাজ্য চৰকাৰৰপৰা এনেকুৱা ব্যক্তিৰ নিৰাপত্তা দিশটোৰ মূল্যায়নৰ বিষয়ে যিকোনো তথ্য বিচাৰিব পাৰে। এনেকুৱা সংশ্লিষ্ট চৰকাৰৰদ্বাৰা আয়োগৰ তথ্য প্ৰদান কৰা হ'ব আগলৈ।

**কনভয় বাহনৰ ওপৰত নিষেধাজ্ঞা ঃ**

১১। আয়োগে লগতে নিৰ্দেশ দিছে যে নিৰাপত্তাৰ বাহনবোৰৰ বাদে যিকোনো পৰিস্থিতিতে কনভয়ত দহখনতকৈ অধিক বাহন যাব পাৰিব। কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ মন্ত্ৰী উপস্থিতি থাকিলেও দহখনতকৈ বেছি বাহন সন্নিৱিষ্ট কনভয়ক বিভক্ত কৰা হ'ব। এইসকল ব্যক্তিৰ সুৰক্ষাৰ দিশটোৰ প্ৰতি সন্মান জনায়েই এই পদক্ষেপ লোৱা হৈছে।

১২। যদি কোনো ব্যক্তিয়ে ওপৰৰ নিৰ্ধাৰিত সীমা অতিক্ৰম কৰি বাহনেৰে কনভয়ত প্ৰৱেশ কৰে, কনভয় ইয়াৰ ফলত বিধিগ্ৰস্ত হোৱা সত্ত্বেও নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱালৈকে আয়োগৰ নিৰ্দেশনা অমান্য কৰা এনে বাহন ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়া নহয় আৰু সেইটো নিশ্চিত কৰাটো স্থানীয় প্ৰশাসনৰ দায়িত্ব হ'ব।

**মনোনয়ন দাখিলৰ সময়ত ঃ**

১৩। ৰিটাৰ্নিং বিষয়া / সহকাৰী ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়ৰ ১০০ মিটাৰ পৰিধিৰ ভিতৰত আহিবলৈ অনুমতি দিয়া বাহনবোৰৰ সৰ্বাধিক সংখ্যা হ'ল তিনি।

**নিৰ্বাচনী উদ্দেশ্যৰ বাবে বাহনৰ ব্যৱহাৰ ঃ**

১৪। নিৰ্বাচনী উদ্দেশ্যৰ বাবে এজন প্ৰাৰ্থীয়ে ব্যৱহাৰ কৰিব পৰা বাহনৰ কোনো সীমা নাই।

১৫। কিন্তু প্ৰচাৰ আৰম্ভ হোৱাৰ আগতে, তেওঁ এনে বাহন আৰু প্ৰচাৰৰ উদ্দেশ্য ব্যৱহাৰ কৰা এলেকাৰ বিৱৰণ জিলা নিৰ্বাচন বিষয়া বা এনে আন বিষয়াক প্ৰদান কৰিব লাগিব যিবোৰ এই পক্ষৰ জিলা নিৰ্বাচন বিষয়াৰদ্বাৰা বিশেষভাৱে কৰ্তৃত্ব দিয়া হ'ব পাৰে। যিসকলে প্ৰয়োজনীয় পৰীক্ষাৰ পিচত অনুমতি জাৰি কৰিব। অনুজ্ঞাপত্ৰৰ মূল প্ৰতিলিপি (ফটো

কপি নহয়) বাহনৰ সন্মুখভাগত ভগাই ল'ব লাগিব। উল্লেখ কৰা প্ৰয়োজন নহয় যে অনুমতিটো এনে মাত্ৰাৰ হ'ব লাগে যে ইয়াক দূৰৰপৰা চিনিব পৰা যায়। অনুমতি পত্ৰত বাহনখনৰ সংখ্যা, অনুমতি জাৰি কৰাৰ তাৰিখ, প্ৰাৰ্থীৰ নাম আৰু অঞ্চলটো থাকিব লাগিব (য'ত ইয়াক প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰা হ'ব)

১৬। যিকোনো অতিৰিক্ত বাহনৰ আৰু যিকোনো নিয়োগ প্ৰাৰ্থী বা তেওঁৰ প্ৰতিনিধিৰদ্বাৰা এই প্ৰভাৱৰ জাননী দিয়া আৰু ইয়াৰ বাবে লাভ কৰা অনুমতিৰ পিচতহে হ'ব পাৰে, বাহনবোৰ প্ৰকৃতভাৱে নিয়োগ কৰাৰ আগতে।

১৭। এনে লাভ কৰা বিৱৰণ জিলা নিৰ্বাচন বিষয়াই নিৰ্বাচনী ব্যয় পৰ্যবেক্ষকসকলক জনাব লাগে যাতে তেওঁলোকে পৰীক্ষা কৰিব পাৰে যে এই সন্দৰ্ভত ব্যয় প্ৰাৰ্থীৰ ব্যয় হিচাপত সঠিকভাৱে অন্তৰ্ভুক্ত কৰা হৈছে।

১৮। উপৰোক্ত বিষয়াসকলৰদ্বাৰা যোগ্য অনুমোদন / অনুমতি অবিহনে প্ৰচাৰৰ বাবে ব্যৱহৃত যিকোনো বাহন, প্ৰাৰ্থীৰ বাবে অননুপাতিকভাৱে প্ৰচাৰ বুলি গণ্য কৰা হ'ব আৰু ভাৰতীয় দণ্ডবিধিৰ অধ্যায় IX-Aৰ দণ্ডমূলক ব্যৱস্থা আকৰ্ষণ কৰিব পাৰে আৰু সেয়ে তাৎক্ষণিকভাৱে প্ৰচাৰ অনুশীলনৰ পৰা বাহিৰ হৈ যাব।

১৯। প্ৰাৰ্থী বা তেওঁলোকৰ নিৰ্বাচনী প্ৰতিনিধিসকলে জিলা প্ৰশাসনক দিয়া অৱগত অনুসৰি নিৰ্বাচনী প্ৰচাৰৰ বাবে নিযুক্ত বাহনবোৰ প্ৰশাসনৰদ্বাৰা অনুগ্ৰহ কৰা হ'ব নালাগে।

২০। আৰ পি আইন ১৯৫১ৰ দফা ৭৭(১)ৰ অধীনত দিয়া ব্যাখ্যাৰ ধাৰা (ক) ৰাজনৈতিক দলবোৰৰ নেতাসকলৰ লাভালাভৰ বাবে বাহাল। সমগ্ৰ ৰাজ্যত নিৰ্বাচনী প্ৰচাৰৰ বাবে কোনো নেতাই একেখন বাহন ব্যৱহাৰ কৰিব লাগে নে বিভিন্ন অঞ্চলত এনে দলৰ নেতাসকলে ব্যৱহাৰ কৰিব লাগে, সেইটো গুৰুত্বপূৰ্ণ নিৰ্বাচনী বিষয়াৰদ্বাৰা কেন্দ্ৰীয়ভাৱে পথ পৰিবহন ব্যৱস্থাৰ বাবে অনুমতি জাৰি কৰা হ'ব। সংশ্লিষ্ট তাৰকা প্ৰচাৰকৰ নামৰ বিৰুদ্ধে অনুমতি জাৰি কৰা হ'ব আৰু যিকোনো অঞ্চলত তেওঁৰ দ্বাৰা ব্যৱহাৰ কৰা বাহনখনৰ সন্মুখত বিশিষ্টভাৱে প্ৰদৰ্শন কৰিব লাগিব। চিইঅ'ৰদ্বাৰা জাৰি কৰা অনুমতিবোৰ প্ৰাৰ্থীৰ অন্যান্য প্ৰচাৰ বাহনৰ বাবে ডিইঅ'/আৰঅ'ৰ দ্বাৰা জাৰি কৰিব পৰা অনুমতিৰ পৰা পৃথক ৰঙৰ হ'ব।

২১। এটা স্বীকৃত ৰাজনৈতিক দলৰপৰা অনুৰোধ লাভ কৰাৰ পিচত, ডিইঅ'য়ে নিৰ্বাচনী উদ্দেশ্যৰ বাবে জিলাৰ ভিতৰত একাধিক এচি ভ্ৰমণৰ বাবে এটা স্বীকৃত দলৰ জিলা পৰ্যায়ৰ কাৰ্যবাহীৰ (তাৰকা প্ৰচাৰকৰ বাহিৰে) দ্বাৰা ব্যৱহাৰ কৰিব পৰা এটা বাহনৰ বাবে অনুমতি জাৰি কৰিব। বাহনখনৰ সংখ্যা দেখুৱাই অনুমতি জাৰি কৰিব লাগে। ৰাজনৈতিক নেতাৰ নাম আৰু যি সময়ৰ বাবে জাৰি কৰা হৈছিল আৰু বিভিন্ন ৰঙৰ হ'ব লাগে যাতে ইয়াক সহজে চিনাক্ত

কৰিব পাৰি। এটা প্ৰামাণিক প্ৰতিলিপি গাড়ীৰ সন্মুখভাগত লগোৱা হ'ব আৰু আৰক্ষী বা অন্যান্য কৰ্তৃপক্ষৰদ্বাৰা পৰীক্ষা কৰাৰ বাবে চালকৰ সৈতে মূল কপি ৰাখিব। এইক্ষেত্ৰত ব্যয় ৰাজনৈতিক দলৰ বিৰুদ্ধে ৰুজু কৰা হ'ব, প্ৰাৰ্থীসকলৰ বিৰুদ্ধে নহয়।

২২। চিইঅ'ই কেৱল নিৰ্বাচনী উদ্দেশ্যৰ বাবে স্বীকৃত ৰাজনৈতিক দলৰ বিষয়াসকলৰ ব্যৱহাৰৰ বাবে সমগ্ৰ ৰাজ্যত চলিব পৰা বাহনৰ বাবে অনুমতি জাৰি কৰিব পাৰে। ১০০ তকৈ অধিক বিধানসভা সমষ্টি থকা ৰাজ্যসমূহৰ বাবে চিইঅ'য়ে সৰ্বাধিক পাঁচখন বাহন আৰু বাকী ৰাজ্য / কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে এটি স্বীকৃত ৰাজনৈতিক দললৈ সৰ্বাধিক তিনিখন বাহনৰ বাবে অনুমতি জাৰি কৰিব পাৰে। এই বাহনবোৰৰ ওপৰত ব্যয় ৰাজনৈতিক দলৰ দ্বাৰা কৰা হ'ব, প্ৰাৰ্থীৰ দ্বাৰা নহয়।

২৩। যদি কোনো ৰাজনৈতিক দলে ৰাজ্যৰ বিভিন্ন দলৰ কাৰ্যালয়লৈ প্ৰচাৰ সামগ্ৰী বিতৰণৰ বাবে বাহনৰ অনুমতি প্ৰদান কৰাৰ বাবে মুখ্য নিৰ্বাচনী বিষয়াক অনুৰোধ কৰে, মুখ্য নিৰ্বাচনী বিষয়াই স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দল (ৰাষ্ট্ৰীয়/ৰাজ্য)ৰ বাবে এটা বাহনৰ বাবে অনুমতি প্ৰদান কৰিব পাৰে। অৱশ্যে, সংশ্লিষ্ট ৰাজনৈতিক দল (আবেদনকাৰী) জিলাসমূহৰ নাম, পথ মানচিত্ৰ আৰু ওপৰোক্ত উদ্দেশ্যৰ বাবে বাহনখনৰ প্ৰয়োজন হ'ব সেই তাৰিখ নিৰ্দিষ্ট কৰিব লাগিব। এনে বাহনৰ বাবে চিইঅ'য়ে অনুমতি জাৰি কৰিব পাৰে, কিন্তু নিশ্চিত কৰিব পাৰে যে এনে বাহনবোৰো স্বাভাৱিক পৰীক্ষাৰ সন্মুখীন হ'ব আৰু তেওঁলোকক নিৰ্বাচনী প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰা নহ'ব। এনে বাহনৰ বাবে ব্যয় ৰাজনৈতিক দলৰদ্বাৰা কৰা হ'ব, প্ৰাৰ্থীৰ দ্বাৰা নহয়।

২৪। ভিডিঅ' ভেন আদিৰ ক্ষেত্ৰত এটা ৰাজনৈতিক দলে সমগ্ৰ প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰিবলগীয়া ভেনখনৰ অনুমতি আগতীয়াকৈ মটৰ বাহন আইনৰ অধীনত মুখ্য নিৰ্বাচন বিষয়াৰপৰা নিশ্চিত কৰিব লাগিব। এই প্ৰসংগত মনোযোগ বিচাৰৰ বাবে আমন্ত্ৰণ জনোৱা হয়—
ৰিট আবেদনত এলাহাবাদ উচ্চ ন্যায়ালয়ৰ তাৰিখ ২৩/৬/২০০৬ আৰু ১৪/২/২০০৭ৰ ২০০৬ চনৰ নং- ৩৬৪৮ (এমবি)।

**স্পষ্টীকৰণ ঃ**

২৫। এখন চাইকেল ৰিক্সাও হৈছে জনপ্ৰিতিনিধিত্ব আইন ১৯৫১ৰ ধাৰা ১৬০ত নিৰ্ধাৰিত এখন বাহন, যাক নিৰ্বাচনী প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰা হ'ব পাৰে। যদি ইয়াক ব্যৱহাৰ কৰা হৈছে, তেন্তে এজন প্ৰাৰ্থীয়ে নিৰ্বাচনৰ ব্যয়ৰ বাবে ইয়াৰ ব্যয়ৰ হিচাপে লাগিব। এইটো নিশ্চিত কৰিবলৈ, প্ৰাৰ্থীয়ে তেওঁৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰা এনে ৰিক্সাৰ বিৱৰণ দিব লাগে, আৰু যদি ৰিক্সাৰ চিনাক্তকৰণৰ বাবে কোনো পৌ পঞ্জীয়ন/অনুমতি নাথাকে, ৰিক্সা চালকক ৰিটাৰ্নিং বিষয়াৰদ্বাৰা তেওঁৰ ব্যক্তিগত নামত অনুমতি দিয়া হ'ব পাৰে যিটো ৰিক্সা

চালকে প্ৰচাৰৰ উদ্দেশ্যে সেই ৰিক্সা ব্যৱহাৰ কৰোঁতে তেওঁৰ ব্যক্তিক বহন কৰিব লাগে। অৱশ্যে, যাত্ৰীসকলক লৈ যোৱাৰ স্বাভাৱিক উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰা ৰিক্সাবোৰ ৰেহাই দিয়া হ'ব পাৰে। যদি তেওঁলোকৰ প্ৰাৰ্থীৰ নাম বা দলৰ চিহ্নৰ পোষ্টাৰ প্ৰদৰ্শন কৰি থাকে যিটো তেওঁলোকে স্বইচ্ছাৰে প্ৰদৰ্শন কৰি আছে বুলি বিবেচনা কৰে।

**নিৰ্বাচনৰ দিনত বাহনৰ ব্যৱহাৰ ঃ**

২৬। জনপ্ৰতিনিধিত্ব আইন ১৯৫১ৰ ধাৰা ১২৩(৫)ত প্ৰদান কৰা হৈছে যে ভোটকেন্দ্ৰৰপৰা ভোটাৰসকলক বিনামূলীয়াকৈ প্ৰদান কৰাৰ বাবে প্ৰাৰ্থী বা তেওঁৰ নিৰ্বাচনী প্ৰতিনিধিৰ সন্মতিৰে প্ৰাৰ্থী/তেওঁৰ প্ৰতিনিধিৰদ্বাৰা বা আন যিকোনো ব্যক্তিৰদ্বাৰা বাহন নিয়োগ বা ক্ৰয় বা ব্যৱহাৰ কৰাটো এক 'দুৰ্নীতিপূৰ্ণ অনুশীলন' হ'ব আৰু এইটো ১৩৩ ধাৰাৰ অধীনত শাস্তিযোগ্য নিৰ্বাচনী অপৰাধ, যাৰ পৰিমাণ পাঁচশ টকালৈ বৃদ্ধি হ'ব পাৰে।

২৭। এই অনুশীলনৰ ওপৰত কাৰ্যকৰী নিয়ন্ত্ৰণ ৰখাৰ বাবে, আয়োগে নিম্নলিখিত নিৰ্দেশনাবোৰ জাৰি কৰে ঃ

(ক) জনসাধাৰণৰ গৃহৰ নিৰ্বাচনৰ বাবে, প্ৰতিজন প্ৰতিদ্বন্দ্বিতা প্ৰাৰ্থী, নিৰ্বাচনৰ দিনা ইয়াৰ অধিকাৰ হ'ব—

(১) সমগ্ৰ সমষ্টিটোৰ ক্ষেত্ৰত নিজৰ ব্যৱহাৰৰ বাবে এখন বাহন।

(২) ইয়াৰ লগতে, সংসদীয় সমষ্টিত তেওঁৰ নিজৰ নিৰ্বাচনী প্ৰতিনিধিৰ ব্যৱহাৰৰ বাবে এখন বাহন।

(৩) ইয়াৰ উপৰিও, সংসদীয় সমষ্টিৰ প্ৰতিটো বিধানসভা খণ্ডত তেওঁৰ নিৰ্বাচনী প্ৰতিনিধি বা কৰ্মী বা দলীয় কৰ্মীৰ ব্যৱহাৰৰ বাবে এখন বাহন।

(খ) ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনৰ ক্ষেত্ৰত, ভোটগ্ৰহণৰ দিনা প্ৰতিদ্বন্দ্বিতা কৰা প্ৰতিজন প্ৰাৰ্থীৰ অধিকাৰত আছে—

(১) তেওঁৰ নিজৰ ব্যৱহাৰৰ বাবে এখন বাহন।

(২) তেওঁৰ নিৰ্বাচনী প্ৰতিনিধিৰ ব্যৱহাৰৰ বাবে এখন বাহন।

(৩) ইয়াৰ উপৰিও, তেওঁৰ কৰ্মী বা দলীয়া কৰ্মীসকলৰ ব্যৱহাৰৰ বাবে এখন বাহন।

**স্পষ্টীকৰণ ঃ**

২৮। এইটো স্পষ্ট কৰা হৈছে যে, এতিয়াৰপৰা প্ৰাৰ্থী বা প্ৰতিনিধি বা দলীয়া কৰ্মী বা শ্ৰমিকসকলক টেক্সী, অট'ৰিক্সা, ৰিক্সাৰ নিচিনা চাৰি/তিনি/দুচকীয়া বাহন ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়া হ'ব। ভোট গ্ৰহণৰ দিনা চাৰিচকীয়া বাহনত চালকক ধৰি পাঁচজনতকৈ অধিক ব্যক্তি বহিবলৈ দিয়াৰ অনুমতি দিয়া নহ'ব। এইটো আৰু স্পষ্ট কৰা হৈছে যে, ভোটগ্ৰহণৰ দিনা প্ৰাৰ্থী বা তেওঁৰ নিৰ্বাচনী প্ৰতিনিধিৰ নামত অনুমোদন পোৱা বাহন আন কোনো

ব্যক্তিয়ে ব্যৱহাৰ কৰিব নোৱাৰিব। অৱশ্যে প্ৰাৰ্থী বা তেওঁৰ নিৰ্বাচনী প্ৰতিনিধিজনে নিজৰ বাহনত আন ব্যক্তিক লৈ যাব পাৰিব চালকসহ মুঠ পাঁচজন হোৱালৈকে।

২৯। ওপৰত উল্লেখ কৰা বাহনবোৰৰ অনুজ্ঞাপত্ৰ জিলা দণ্ডাধীশ/ৰিটাৰ্নিং বিষয়াই প্ৰদান কৰে। নিৰ্বাচনৰ দিনা প্ৰাৰ্থীসকলে অনুজ্ঞাপত্ৰ বাহনৰ সন্মুখভাগত লগাই ল'ব লাগিব। মন্ত্ৰী, কৰ্মী, প্ৰতিনিধি তথা প্ৰাৰ্থীয়ে বেলেগ বাহন ব্যৱহাৰ কৰিব নোৱাৰিব।

**বাহনৰ অৰ্থ ঃ**

৩০। উপৰোক্ত প্ৰতিবন্ধকতাবোৰ যন্ত্ৰৰদ্বাৰা বা অন্য উপাদানেৰে চলিত যিকোনো বাহন যেনে টেক্সী, ব্যক্তিগত কাৰ, ট্ৰাক, ট্ৰেক্টৰ, অট'ৰিক্সা, ই-ৰিক্সা, স্কুটাৰ, মিনি বাছৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব। এই প্ৰতিবন্ধকতাবোৰ নিৰ্বাচনী কালছোৱাত আৰম্ভ হৈ ভোটগ্ৰহণ শেষ হোৱাৰ ২৪ ঘণ্টাৰ আগলৈ বাহল থাকিব।

৩১। আৰপি আইন ১৯৫১ আৰু ইণ্ডিয়ান পেনেল কোডৰ নৱম অধ্যায়ৰ অধীনত কোনোৱে উপৰোক্ত নিৰ্দেশনা উলংঘা কৰিলে দণ্ডনীয় হ'ব, লগতে মটৰ বাহন আইনৰ অধীনত দোষী সাব্যস্ত হ'ব। নিয়ম উলংঘা কৰা ব্যৱহৃত সকলো বাহন জব্দ কৰা হ'ব।

**ব্যতিক্ৰম ঃ**

৩২। বোটগ্ৰহণৰ দিনা সকলো যান-বাহন বন্ধ কৰাৰ আয়োগৰ কোনো অভিপ্ৰায় নাই, যাতে জনসাধাৰণ অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। নিৰ্বাচনী সম্পৰ্কীয় কামৰ বাহিৰে বেলেগ কামৰ বাবে ভোটগ্ৰহণৰ দিনা তলত উল্লেখিত বাহনবোৰৰ অনুমোদন দিয়া হ'ব যাৰ কোনো বিকল্প নাই ঃ

(ক) ব্যক্তিগত বাহনবোৰ মালিকে নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰিব পাৰিব, য'ত কোনো নিৰ্বাচন সম্পৰ্কীয় স্বাৰ্থ নাথাকে।

(খ) মালিকসকলে নিজৰ বাবে বা পৰিয়ালৰ সদস্যৰ বাবে ব্যৱহাৰ কৰা ব্যক্তিগত বাহন ভোটগ্ৰহণ কেন্দ্ৰলৈ ভোট দিবলৈ নিব পাৰিব, কিন্তু এটা ভোটকেন্দ্ৰৰ ২০০ মিটাৰ পৰিধিত বেলেগ কাৰণত যাব নোৱাৰিব।

(গ) অত্যাৱশ্যকীয় সেৱা যেনে হস্পিটাল ভেন, এম্বুলেন্স, গাখীৰ গাড়ী, পানী গাড়ী, বিদ্যু জৰুৰীকালীন ভেন, কৰ্তব্যৰত আৰক্ষী, কৰ্তব্যৰত নিৰ্বাচনী বিষয়া আদিৰ বাবে বাহন ব্যৱহাৰ হয়।

(ঘ) নিৰ্দিষ্ট স্থানলৈ যোৱা ৰাজহুৱা পৰিবহন বাহন।

(ঙ) বিমানঘাটি, ৰে'ল ষ্টেচন, আন্তঃৰাজ্যিক বাছ আস্থান, চিকিৎসালয় আদিলৈ যোৱা টেক্সী, তিনিচকীয়া স্কুটাৰ, ৰিক্সা— যাক পৰিহাৰ কৰিব নোৱাৰি।

(চ) বেমাৰী বা শাৰীৰিকভাৱে অক্ষম ব্যক্তিৰ নিজৰ ব্যক্তিগত বাহনৰ ব্যৱহাৰ।

(ছ) নিজৰ কৰ্তব্যস্থলীলৈ যাবলৈ চৰকাৰী বিষয়াই ব্যৱহাৰ কৰা বাহন।

৩৩। নিৰ্বাচনৰ সময়ত বিভিন্ন অসামাজিক কাম-কাজত লিপ্ত হ'ব পৰা প্ৰাৰ্থী/তেওঁ প্ৰতিনিধি আৰু দলীয় নেতা/সমৰ্থকৰ বাহন যাতে নিৰ্বাচনত অশান্তি সৃষ্টি কৰাৰ নিচিনা অবৈধ কামত অপপ্ৰয়োগ নহয়, অবৈধ অস্ত্ৰ আৰু গোলা-বাৰুদ আদি কঢ়িয়াই নি যাতে দুষ্কাৰ্য সংঘটিত নকৰে তাৰ বাবে আয়োগে জিলা প্ৰশাসন চোকা দৃষ্টি ৰাখিবলৈ নিৰ্দেশ দিয়ে। জিলা প্ৰশাসনে প্ৰাৰ্থী আৰু দলীয়া নেতাই ব্যৱহাৰ কৰা বাহনৰ ওপৰত চোকা নজৰ ৰাখিব যাতে কোনো সাম্ভাব্য অপৰাধমূলক কাৰ্যকলাপৰপৰা ৰক্ষা কৰিব পাৰি। যদিহে কোনো দলৰ বা ব্যক্তিগত বাহনৰ ক্ষেত্ৰত এনেকুৱা নিৰ্বাচনত অশান্তি, অসামাজিক কাম-কাজ সংঘটিত কৰিব পৰাৰ তথ্য লাভ কৰে, তেতিয়া স্থানীয় প্ৰশাসনৰ কৰ্তব্য হ'ব যে তেনেকুৱা বাহন জব্দ কৰা আৰু নিৰ্বাচন শেষ নোহোৱা পৰ্যন্ত বাহনখন মুকলি কৰি নিদিয়া। লগতে আইন অনুসৰি বাহনৰ মালিক, দখলকাৰী, প্ৰাৰ্থী/ৰাজনৈতিক দল যিয়ে অনৈতিক কৰ্মত লিপ্ত আছে তেওঁলোকৰ বিৰুদ্ধে উচিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

অনুগ্ৰহ কৰি সকলো সংশ্লিষ্টক অৱগত কৰক আৰু অনুপালন নিশ্চিত কৰক।

# পৰিৱেষ্টন - IV

সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশৰ মুখ্য নিৰ্বাচন বিষয়াক সম্বোধন কৰা নিৰ্বাচন আয়োগৰ পত্ৰ নং- ৪৯১/এমচিএমচি/২০১৪/যোগাযোগ, তাং- ২৪/৩/২০১৪

**বিষয় ঃ বৈদ্যুতিক মাধ্যমত ৰাজনৈতিক প্ৰকৃতিৰ বিজ্ঞাপনৰ প্ৰমাণপত্ৰ।**

মোক জাৰি কৰিবলৈ দিয়া হৈছে যে ১৩/৪/২০০৪ৰ সন্মানীয় উচ্চতম ন্যায়ালয়ৰ আদেশমৰ্মে আয়োগে জাৰি কৰা ১৫/৪/২০০৪ (প্ৰতিলিপি গাঁঠি দিয়া হৈছে)ৰ আয়োগৰ আদেশনামা। সেই আয়োগৰ অনুচ্ছেদ ৫ত নিৰ্দেশ দিয়া হৈছে যে প্ৰতিটো স্বীকৃত ৰাজনৈতিক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক দল আৰু প্ৰতিজন প্ৰাৰ্থীয়ে টেলিভিচন চেনেল/কেবল নেটৱৰ্কত বিজ্ঞাপন দিবলৈ ইচ্ছা কৰিলে তেওঁলোকে বিজ্ঞাপন সম্প্ৰচাৰ কৰিব বিচৰা দিনটোৰ তিনিদিনৰ আগতে নিৰ্বাচন আয়োগ/নিৰ্বাচন আয়োগৰ অধীনস্থ বিষয়াক আবেদন কৰিব লাগিব। আবেদনৰ লগতে প্ৰস্তাৱিত বিজ্ঞাপনৰ দুটা প্ৰতিলিপি বৈদ্যুতিক ৰূপত যথাযথভাৱে প্ৰমাণিত ৰূপত জমা কৰিব লাগিব।

আয়োগে সেইমৰ্মেই মিডিয়া চাৰ্টিফিকেচন এণ্ড মনিটৰিং কমিটি (এমচিএমচি) জিলা আৰু ৰাজ্যিক পৰ্যায়ত নিযুক্তি দিয়ে। আয়োগে দিয়া আদেশ অনুসৰি বৈদ্যুতিক মাধ্যমত (যাৰ ভিতৰত আছে টিভি চেনেল, কেবল নেটৱৰ্ক, ব্যক্তিগত এফএম চেনেলসহ ৰেডিঅ', চিনেমা হ'ল, ৰাজহুৱা স্থানত প্ৰদৰ্শন আৰু ইণ্টাৰনেট) ৰাজনৈতিক বিজ্ঞাপন দিবলৈ বিচৰা ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ৰাজনৈতিক দলবোৰে এই এমচিএমচিৰ সৈতে যোগাযোগ কৰিব লাগে।

এতিয়া, ৰাজনৈতিক দল/প্ৰাৰ্থীসকলক সুবিধা প্ৰদান কৰাৰ উদ্দেশ্যে আয়োগে এই আদেশৰ অনুচ্ছেদ ১০(১) শিথিল কৰিছে, সিদ্ধান্ত লৈছে যে মজুদ থকা প্ৰণালীৰ বাহিৰে ৰাজনৈতিক দল/প্ৰাৰ্থীসকলে বিকল্প প্ৰণালীটোও বিচাৰিব পাৰে, যদি বিচাৰে। তেওঁলোকে প্ৰথমে প্ৰস্তাৱিত প্ৰতিলিপি অনুমোদনৰ কাৰণে দাখিল কৰিব লাগে, কমিটিৰদ্বাৰা এবাৰ পৰীক্ষা/অনুমোদিত হোৱাৰ পিচত দল/প্ৰাৰ্থীয়ে বিজ্ঞাপনৰ চূড়ান্তভাৱে বৈদ্যুতিক ৰূপত চূড়ান্ত অনুমোদনৰ কাৰণে দাখিল কৰিব লাগিব।

(২) এনেক্ষেত্ৰত প্ৰতিটো পৰ্যায়ৰ বাবে সময় সীমা চলিত নিৰ্দেশৰ ভিত্তি ধাৰ্য হ'ব।

(৩) ই জিলা আৰু ৰাজ্যৰ সকলো এমচিএমচি লৈ জাননী আনিব পাৰে।

এমচিএমচিৰ বৰ্দ্ধিত দায়িত্বৰ প্ৰতি লক্ষ্য ৰাখি সমিতিত অতিৰিক্ত কৰ্মচাৰী উপযুক্তভাৱে নিয়োগ কৰা হ'ব পাৰে।

# পৰিশিষ্ট-XVII

## (অধ্যায়-১৮ নিৰ্বাচনী ইস্তাহাৰ)

সকলো স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ৰাজনৈতিক দলৰ সভাপতি/সাধাৰণ সম্পাদক/ অধ্যক্ষলৈ নিৰ্বাচন আয়োগৰ পত্ৰ নং-৪৩৭/৬/মেনফেষ্ট'/২০১৩/তাৰিখ ১৯-০২-২০১৪।

**বিষয় ঃ উচ্চতম ন্যায়ালয়ৰ এছ সুব্ৰমণিয়াম বালাজী বনাম তামিলনাডু চৰকাৰ আৰু অন্যান্য গোচৰ এছ এল পি (চি) নং ২১৪৫৫অৰ ২০০৮ আৰু টিচি নং১১২ অৰ ২০১১ তাৰিখ ৫-৭-২০১৩ৰ ৰায় অনুসৰি নিৰ্বাচনী ইস্তাহাৰৰ বাবে নিয়মাৱলী প্ৰস্তুতি-চূড়ান্ত নিয়মাৱলীৰ প্ৰসংগ।**

মই পত্ৰৰে নিৰ্দেশ দিছো যে ৩১জানুৱাৰী ২০১৪ত ইয়াৰ সৈতে সকলো স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় ৰাজ্যিক ৰাজনৈতিক দলক আদৰ্শ আচৰণ বিধি অনুযায়ী নিৰ্বাচনী ইস্তাহাৰ প্ৰস্তুত কৰা সন্দৰ্ভত নিয়মাৱলীৰ খচৰা প্ৰেৰণ কৰিছো আৰু সকলোকে অনুৰোধ কৰো যে খচৰা নিয়মীৱলী সন্দৰ্ভত তেওঁলোকৰ মন্তব্য ২০১৪ চনৰ ৭ ফেব্ৰুৱাৰীৰ পূৰ্বে দাখিল কৰে। ৰাজনৈতিক দলসমূহৰ পৰা লাভ কৰা পৰামৰ্শ/মন্তব্য গণ্য কৰা হ'ব আৰু ওপৰত উল্লেখ কৰা অনুসৰি এয়া উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ মতে এই আয়োগে আদৰ্শ আঁচনিৰ বিধিৰ অংশ VIII ৰ অধীনত নিৰ্বাচনী ইস্তাহাৰত অন্তৰ্ভুক্ত কৰিছে আৰু এই সন্দৰ্ভত নিয়মাৱলী চূড়ান্ত কৰিব যিয়ে ৰাজনৈতিক দল আৰু প্ৰৰ্থীসকলক পথ প্ৰদৰ্শন কৰিব। এই নিয়মাৱলী হ'ব এতিয়াৰে পৰা আগন্তুক নিৰ্বাচনত প্ৰযোজ্য হ'বলগীয়া আদৰ্শ আচৰণ বিধিৰ এটা অংশ। এই জাননীৰ লগতে আপোনাৰ বাবে নিৰ্বাচনী ইস্তাহাৰ সন্দৰ্ভত **ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ বাবে আদৰ্শ আচৰণ বিধিৰ নিয়মাৱলী অংশ** VIII সহ সম্পূৰ্ণ খচৰাৰ প্ৰতিলিপি গাঁথি দিয়া হৈছে। আপোনাক অনুৰোধ জনোৱা হৈছে যে সংশ্লিষ্ট সকলোকে এই সন্দৰ্ভত তেওঁলোকৰ জ্ঞাতাৰ্থে আৰু মতামতৰ বাবে ইয়াক দৃষ্টিগোচৰ কৰক।

# পৰিশিষ্ট-XVIII

**(অধ্যায়-১৯, আদৰ্শ আচৰণ বিধি আৰু চৰকাৰী বিষয়াসকল)**

সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়ালৈ সম্বোধন কৰি লিখা নিৰ্বাচন আয়োগৰ পত্ৰ সংখ্যা ৪৬৪/আদেশ/২০০৮/ইপিএছ, তাৰিখ, ২৩ ডিচেম্বৰ, ২০০৮।

**বিষয়ঃ-ভাৰতীয় নিৰ্বাচনী আয়োগৰ আদেশৰ দ্বাৰা বদলিকৃত বিষয়াসকলৰ নামৰ প্ৰতি দৃষ্টি ৰখা, যিসকলৰ বিৰুদ্ধে কৰ্তব্যত অৱহেলা কৰা আদিৰ অভিযোগ উত্থাপিত হৈছে।**

প্ৰসংগ ঃ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য নিৰ্বাচনী বিষয়াসকললৈ সম্বোধন কৰা সংখ্যা ৪৩৭/৬/২০০৬-পিএলএন.III তাৰিখ ৬ নভেম্বৰ, ২০০৬ আৰু ইচিআই বাৰ্তা সংখ্যা ১০০/১৯৯৪-পিএলএন.I তাৰিখ ২৮.৩.১৯৯৪

ভাৰতীয় নিৰ্বাচনী আয়োগে ওপৰোক্ত নিৰ্দেশৰ জৰিয়তে আদেশ দিছিল যে সকলো জিলাত প্ৰত্যেকটো নিৰ্বাচনৰ পূৰ্বে এক বিস্তৃত সমীক্ষা কৰা হ'ব, আৰু এনে সকলো বিষয়াক তেওঁৰ গৃহ জিলা বা সেই জিলাৰ বাহিৰত বদলি কৰা উচিত য'ত তেওঁ ৪ বছৰৰ ৩ বছৰৰ কাৰ্যকাল সম্পুৰ্ণ কৰিছে, আৰু আয়োগে আগলৈ নিৰ্দেশ দিছিল যে এনে বিষয়া/কৰ্মচাৰী, যিসকলৰ বিৰুদ্ধে আয়োগে অনুশাসনমুলক ব্যৱস্থাৰ পৰামৰ্শ দিছে, অথবা যিসকলৰ বিৰুদ্ধে নিৰ্বাচন বা নিৰ্বাচনী সম্বন্ধীয় কাৰ্যত গাফিলতি কৰাৰ, অথবা যিসকলক আয়োগৰ আদেশৰ অধীনত স্থানান্তৰিত কৰা হৈছিল, তেওঁলোককো নিৰ্বাচন সম্বন্ধীয় কৰ্তব্যত নিয়োজিত কৰিব নোৱাৰি।

অৱশ্যে, শেহতীয়া নিৰ্বাচনৰ সময়ত এইটো দেখা গৈছে যে আয়োগে ওপৰোক্ত নিৰ্দেশ পালন কৰাৰ বাবে মুখ্য নিৰ্বাচনী বিষয়া আৰু জিলা নিৰ্বাচনী বিষয়া দ্বাৰা কৰা প্ৰয়াসৰ পিছতো, এনে বিষয়াসকলৰ কিছুমান উদাহৰণ আছিল, যি ওপৰোক্ত মানদণ্ডৰ ভিতৰত আছে আৰু বদলি কৰাৰ যোগ্য, আৰু তেওঁলোকে জিলাত এক অনা-নিৰ্বাচন সম্বন্ধীয় কাৰ্যৰ বাবে ৰৈ যোৱাত সফল হৈছিল, আৰু আয়োগক তেওঁলোকৰ বিষয়ে পিছত বিভিন্ন ৰাজনৈতিক দল আৰু জনসাধাৰণৰ দ্বাৰা অভিযোগৰ মাধ্যমেৰে জানিব পৰা গৈছে। এই ঘটনাবোৰ, যদিও কমসংখ্যাৰ আছিল, কিন্তু তৃণমূল পৰ্যায়ত এক ঋণাত্মক সংকেত প্ৰেৰণ কৰে, আৰু ওপৰোক্ত মানদণ্ডত বদলি কৰিবলৈ জবাবদেহী বিষয়াৰ বিষয়ে সঠিক তথ্যৰ অ-ব্যৱস্থাক অনুপালন নকৰা কিছুমান অব্যৱস্থিত ঘটনাৰ কাৰণৰ ৰূপত জনা যায়। ভৱিষ্যতে এনে ঘটনাৰ পুনৰাবৃত্তিৰ সম্ভাৱনাক দূৰ কৰিবলৈ আয়োগে বৰ্তমানৰ নিৰ্দেশনাক আৰু অধিক কাৰ্যকৰী কৰিবলৈ নিম্নলিখিত নিৰ্দেশ জাৰী কৰিছে—

I. ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়াই এনে এক ৰেজিষ্টাৰ তৈয়াৰ কৰিব, য'ত

আইএএছ/আইপিএছ বিষয়া, জিলা নিৰ্বাচনী বিষয়া, ৰিটাৰ্ণিং বিষয়া আৰু ইআৰঅ'ৰ তথ্য অন্তৰ্ভুক্ত থাকিব, যিসকলক নিৰ্বাচন আয়োগৰ আদেশৰ দ্বাৰা বদলি কৰা হৈছে, আৰু যিসকলৰ বিৰুদ্ধে আয়োগে অনুশাসনমুলক ব্যৱস্থাৰ পৰামৰ্শ দিছে, অথবা যাক কোনো নিৰ্বাচন বা নিৰ্বাচন সম্বন্ধীয় কাৰ্যত গাফিলতিৰ বাবে অভিযুক্ত কৰা হৈছে সেইবোৰ সংৰক্ষণ কৰা হ'ব।

II. অনুৰূপ ধৰণে, ডিইঅ' অন্য কনিষ্ঠ বিষয়া আৰু অন্য কৰ্মচাৰীসকলৰ বিষয়ে তথ্যসম্পন্ন এখন ৰেজিষ্টাৰৰ ব্যৱস্থা কৰিব।

III. ভাৰতীয় নিৰ্বাচনী আয়োগৰ নিৰ্বাচনৰ তাৰিখ ঘোষণাৰ ৭ দিনৰ ভিতৰত, সকলো ৰাজ্যৰ চিইঅ', আয়োগত মাণ্ডলিক সচিবক এক অনুপালন পত্ৰ প্ৰেৰণ কৰিব, য'ত এইটো নিশ্চিত কৰিব যে ওপৰোক্ত মানদণ্ডৰ আওঁতাত আহিবলগীয়া সকলো বিষয়াক বদলি কৰা হৈছে। একেদৰে, তেওঁ সকলো ডিইঅ'ৰ পৰাও একে অনুপালন প্ৰমাণ-পত্ৰ প্ৰাপ্ত কৰিব, য'ত এইটো নিশ্চিত থাকিব যে ওপৰোক্ত মানদণ্ডৰ আওতালৈ অহা সকলো বিষয়া/কৰ্মচাৰীক অনা-নিৰ্বাচন সম্বন্ধীয় কাৰ্যৰ বাবে জিলাৰ বাহিৰত বদলি কৰা হৈছে।

IV. '৪ৰ পৰা ৩ বছৰ সম্পূৰ্ণ কৰা' আৰু গৃহজিলা মানদণ্ডৰ আওতাত আহিবলগীয়া বিষয়াৰ বদলি সন্দৰ্ভত ডিইঅ',আৰঅ', ইআৰঅ', এআৰঅ' আৰু এইআৰঅ' তথা অন্য নিৰ্বাচন সম্বন্ধীয় বিষয়াৰ সম্বন্ধে অনুপালন সুনিশ্চিত কৰিব, আৰু ইয়াৰ বাবে নিৰ্ধাৰিত সময় সীমাৰ ভিতৰত আৰু যদি নাই, তেন্তে নিৰ্বাচন ঘোষণা কৰা সন্দৰ্ভত প্ৰেছ নোট জাৰী কৰাৰ ৭ দিনৰ ভিতৰত চিইঅ'লৈ এখন পত্ৰ প্ৰেৰণ কৰিব, যেনেদৰে নিৰ্বাচন আয়োগ বা চিইঅ' দ্বাৰা এই উদ্দেশ্যৰ বাবে নিৰ্ধাৰিত কৰিছে। একেদৰে, নিৰ্বাচনী কাৰ্যৰ লগত জড়িত ডিইঅ', এছএছপি আৰু এছপি আৰু অন্য জ্যেষ্ঠ আৰক্ষী বিষয়াৰে সম্বন্ধীয় তথ্য, চিইঅ' দ্বাৰা প্ৰস্তুত কৰি থোৱা হ'ব, আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা ইয়াৰ অনুপালন নিজৰ স্তৰত সুনিশ্চিত কৰা হ'ব, আৰু এই বিষয়াসকলৰ বদলি সন্দৰ্ভত অনুপালন কৰা হ'ব, তথা নিৰ্বাচন ঘোষণাৰ ৭ দিনৰ ভিতৰত ডিইঅ' আৰু ৰাজ্যৰ চিইঅ' ইয়াৰ অনুপালনৰ এক সংযুক্ত প্ৰতিবেদন সম্বন্ধীয় পত্ৰ মাণ্ডলিক সচিবলৈ প্ৰেৰণ কৰিব।

V. নিৰ্বাচন ঘোষণাৰ ৭ দিনৰ ভিতৰত এই অনুপালন পত্ৰ দাখিলত সহায় কৰিবলৈ, চিইঅ' আৰু ডিইঅ' তথ্য একত্ৰিত কৰিব আৰু ওপৰত উল্লেখ কৰা ধৰণে আগতীয়াকৈ এনে এক ৰেজিষ্টাৰৰ ব্যৱস্থাপনা সুনিশ্চিত কৰিব, যাতে সময় নষ্ট নহয়।

VI. ৰাজ্য চৰকাৰত এনে বহুতো বিভাগ আছে, যিবোৰ বিষয়াসকলৰ বদলি সংক্ৰান্তত জড়িত আৰু সেয়ে আয়োগৰ ওপৰোক্ত নিৰ্দেশাৱলীৰ অনুপালনৰ বাবে জবাবদেহী। নিৰ্বাচনৰ সময়ত বিষয়াৰ বদলিৰ বিষয়ে আয়োগৰ নিৰ্দেশ মুখ্য সচিবলৈ এক প্ৰতিলিপিৰ সৈতে

সংশ্লিষ্ট বিভাগৰ সচিবৰ দৃষ্টিগোচৰ কৰা উচিত। চিইঅ'ৰ দ্বাৰা সচিবক অনুৰোধ কৰিব পাৰে যে তেওঁ এইটো সুনিশ্চিত কৰক যাতে সকলো বিভাগে যথা সময়ত আয়োগৰ নিৰ্দেশাৱলী পালন কৰে।

VII. উপ-নিৰ্বাচন প্ৰসংগত, ওপৰত উল্লেখিত অনুচ্ছেদ (I) ৰ ৰূপত চিহ্নিত শ্ৰেণীৰ অধীনত আহিবলগীয়া বিষয়াসকলক, উপ-নিৰ্বাচনৰ ঘোষণাৰ তিনি দিনৰ ভিতৰত আৰু নিশ্চিতভাৱে মনোনয়ন গ্ৰহণৰ এদিন আগতে বা ইয়াৰ ভিতৰত যিটোৱে প্ৰথমে হয়, জিলাৰ বাহিৰলৈ বদলি কৰা হ'ব।

VIII. ওপৰত উল্লেখিত নিৰ্দেশাৱলী কোনো ত্ৰুটী অবিহনে পালন কৰিব লাগিব।

# পৰিশিষ্ট-XIX

(অধ্যায়-১৯ আদৰ্শ আচৰণ বিধি আৰু চৰকাৰী বিষয়াসকল)

## ঘোষণা পত্ৰ

(মনোনয়ন পত্ৰৰ অন্তিম তাৰিখৰ পিছত ২ দিনৰ ভিতৰত জমা কৰিব লাগিব)

মই, ..........................(নাম)................. বৰ্তমান পদস্থ......................পৰা..........................লৈ(তাৰিখ) বৰ্তমান লোকসভাৰ সাধাৰণ/উপ-নিৰ্বাচন/........................ (বিধানসভা) সন্দৰ্ভত ইয়াৰ দ্বাৰা নিষ্ঠাপূৰ্বক ঘোষণা কৰো যে.............................

ক) মই উপৰোক্ত নিৰ্বাচন/উপ-নিৰ্বাচনত বৰ্তমানৰ ৰাজ্য/জিলাৰ আগশাৰীৰ ৰাজনৈতিক কাৰ্যনিৰ্বাহকৰ ভিতৰত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা কোনো প্ৰাৰ্থীৰেই আত্মীয় নহওঁ।

খ) মোৰ বিৰুদ্ধে কোনো আদালতত কোনো অপৰাধিক গোচৰ লম্বিত নাই।

টোকা ঃ যদি ওপৰৰ (ক) বা (খ)ৰ উত্তৰ ‘হয়’ হয়, তেন্তে পৃথক কাগজত বিস্তাৰিত বিৱৰণ দিয়ক।

তাৰিখ......... নাম

পদবী

তাৰিখ......... নাম

পদবী

টোকা ঃ কোনো বিষয়াৰ দ্বাৰা দিয়া যিকোনো ধৰণৰ ভূৱা ঘোষণাৰ বাবে উপযুক্ত অনুশাসনাত্মক ব্যৱস্থা গ্ৰহণ কৰা হ’ব।

# পৰিশিষ্ট-XX

(অধ্যায়-২১ দ্বিবাৰ্ষিক নিৰ্বাচনৰ সময়ত আদৰ্শ আচৰণ বিধি)

নং৩২২/ইচিআই/আইএনএছটি/এফইউএনচি/বিআইইএন-এলচি/২০১৬ তাৰিখ ঃ ডিচেম্বৰ, ২০১৬

**প্ৰতি,**

মুখ্য নিৰ্বাচনী বিষয়াসকল

১) মহাৰাষ্ট্ৰ, মুম্বাই

২) উত্তৰ প্ৰদেশ, লক্ষ্ণৌ,

৩) বিহাৰ, পাটনা

৪) কৰ্ণাটকা, বাংগালোৰ,

৫) অন্ধ্ৰ প্ৰদেশ, হায়দৰাবাদ

৬) টেলেংগানা, হায়দৰাবাদ

বিষয় ঃ পৰিষদীয় পাৰিষদৰ পৰা বিধান পৰিষদৰ বাবে দ্বিবাৰ্ষিক/উপ-নিৰ্বাচন—'স্নাতক' আৰু 'শিক্ষক' তথা 'স্থানীয় কৰ্তৃপক্ষ'ৰ নিৰ্বাচনী এলেকা—এম চি চি—নিৰ্দেশাৱলী সন্দৰ্ভত।

মহাশয়,

মোক এইটো ক'বলৈ নিৰ্দেশ দিয়া হৈছে যে বিধান পৰিষদৰ নিৰ্বাচনৰ সময়ত অভিজ্ঞতাৰ পৰা বোধগম্য হৈছে যে এইধৰণৰ নিৰ্বাচনত আদৰ্শ আচৰণ বিধিৰ নিৰ্দেশাৱলীৰ প্ৰয়োজনীয়তা সন্দৰ্ভত স্পষ্টতাৰ অভাৱ আছে। আয়োগে বিষয়টোৰ অনুসন্ধানৰ বাবে এটা কৰ্মী দল গঠন কৰিছে। কাৰ্যকৰীসমূহৰ প্ৰতিবেদন আৰু ইয়াৰ সম্পুৰ্ণতাত চিন্তা-চৰ্চা কৰাৰ পিছত, আয়োগে নিৰ্দেশ দিছিল যে সকলো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীৰ বাবে আদৰ্শ আচৰণ বিধিৰ সকলো নিৰ্দেশাৱলী স্নাতক আৰু শিক্ষক আৰু স্থানীয় কৰ্তৃপক্ষৰ নিৰ্বাচনী এলেকাৰ পৰা ৰাজ্য বিধান পৰিষদৰ উপ-নিৰ্বাচনসহ, দ্বিবাৰ্ষিক নিৰ্বাচনত ***আৱশ্যক পৰিবৰ্তনৰ*** সৈতে প্ৰযোজ্য হ'ব। পৰিণামস্বৰূপে, আয়োগ দ্বাৰা আদৰ্শ আচৰণ বিধিৰ নিৰ্দেশনাৱলীৰ স্পষ্টীকৰণত সময়ে সময়ে জাৰি বিভিন্ন নিৰ্দেশ এনে নিৰ্বাচনতো প্ৰযোজ্য হ'ব।

২। মোক আগলৈ এইটো ক'বলৈ নিৰ্দেশ দিয়া হৈছে যে আয়োগৰ নিম্নলিখিত নিৰ্দেশ, যি সময়ে সময়ে জাৰি কৰা হৈছে যাতে সমান স্তৰৰ প্ৰতিস্পৰ্ধাক সুনিশ্চিত কৰিব পৰা যায় আৰু এইটোও সুনিশ্চিত কৰিব পৰা যায় যে শাসনাধিষ্ঠ দল নিৰ্বাচনী লাভালাভৰ বাবে

নিজৰ পদমৰ্যাদাৰ দুৰ্ব্যৱহাৰ নকৰে, স্নাতক আৰু শিক্ষক নিৰ্বাচন এলেকাৰ পৰা ৰাজ্য বিধান পৰিষদৰ লগতে স্থানীয় কৰ্তৃপক্ষৰ নিৰ্বাচনৰ বাবে দ্বিবাৰ্ষিক/উপ-নিৰ্বাচন সম্বন্ধেও এইটো প্ৰযোজ্য হ'ব (নিৰ্বাচন ঘোষণাৰ তাৰিখৰ পৰা নিৰ্বাচন সম্পূৰ্ণ হোৱাৰ তাৰিখলৈ)।

I. মন্ত্ৰী, কেন্দ্ৰীয় বা ৰাজ্য মন্ত্ৰীয়েই হওঁক(মুখ্যমন্ত্ৰীসহ) যিকোনো জিলা (জিলাসমূহ)ত চৰকাৰী যাত্ৰা কৰিব পাৰে, য'ত কোনো পৰিষদীয় নিৰ্বাচনী এলেকাৰ পৰা যিকোনো দ্বিবাৰ্ষিক/উপ-নিৰ্বাচনক নিম্নলিখিত চৰ্তৰ অধীনত ৰখা যাব পাৰে—

   a. তেওঁলোকে এনে কোনো শৈক্ষিক প্ৰতিষ্ঠানৰ উদ্বোধন/আধাৰশিলা স্থাপন নকৰিব যি স্নাতক আৰু শিক্ষকৰ নিৰ্বাচন এলেকাৰ নিৰ্বাচক।

   b. চৰকাৰী ভ্ৰমণক নিৰ্বাচন সম্বন্ধিত কাম/ভ্ৰমণৰ সৈতে সংযুক্ত কৰা নহ'ব।

   c. সেই স্নাতক, শিক্ষক আৰু স্থানীয় কৰ্তৃপক্ষৰ সদস্যসকলক কদাপিও প্ৰভাৱিত কৰিবলৈ নতুন নীতি কাৰ্যক্ৰম/নীতিৰ ঘোষণা নহ'ব, যি সেই নিৰ্বাচনী এলেকাৰ নিৰ্বাচকমণ্ডলী গঠন কৰে, য'ত নিৰ্বাচন অনুষ্ঠিত হ'বলৈ গৈ আছে।

II. নিৰ্বাচন সম্বন্ধীয় কামৰ সৈতে জড়িত জিলা (সমূহ)ৰ যিকোনো পদৰ কোনো বিষয়াক কোনো মন্ত্ৰীৰ দ্বাৰা যিকোনো স্থানত অনুষ্ঠিত সভাত অংশগ্ৰহণৰ বাবে মাতিব নোৱাৰে য'ত দ্বিবাৰ্ষিক/উপ-নিৰ্বাচন অনুষ্ঠিত কৰা হৈ আছে, আনকি অন্য জিলাসমূহতো, য'ত নিৰ্বাচন অনুষ্ঠিত হোৱা নাই। কোনো বিষয়াই যিকোনো নিৰ্বাচনী এলেকাত ব্যক্তিগত ভ্ৰমণৰ সময়ত কোনো মন্ত্ৰীক সাক্ষাৎ কৰে, য'ত নিৰ্বাচন অনুষ্ঠিত কৰা হৈ আছে, সংশ্লিষ্ট সেৱা বিধি নিয়মৰ অন্তৰ্গত অনিয়মত লিপ্ত হোৱাৰ দোষী বুলি বিবেচনা কৰা হ'ব আৰু যদি তেওঁ পাব্লিক আইন, ১৯৫১ৰ ধাৰা ১২৯(১)ত উল্লেখিত কোনো বিষয়া হয় তেন্তে তেওঁক অতিৰিক্তভাৱে সেই ধাৰাৰ বিধিবদ্ধ নিয়মাৱলীৰ উলংঘন কৰাৰ বাবে দোষী বিবেচনা কৰা হ'ব আৰু তাৰ অধীনস্থ প্ৰদত্ত দণ্ডনীয় কাৰ্যব্যৱস্থাৰ প্ৰাপ্য হ'ব।

III. কোনো স্থানীয় কৰ্তৃপক্ষ; যি স্থানীয় কৰ্তৃপক্ষৰ নিৰ্বাচনী এলেকাৰ নিৰ্বাচকমণ্ডলীৰ এটা ভাগহে গঠিত কৰে, তাৰ কোনো এজন সদস্যকো কোনো মন্ত্ৰী দ্বাৰা(মন্ত্ৰীৰ ৰূপত তেওঁৰ ক্ষমতা হিচাপে)কোনো ধৰণৰ সভা/ভিডিঅ' কনফাৰেন্সৰ বাবে মাতিব নোৱাৰিব। আৱশ্যক অনুসৰি স্থানীয় নিকায়সমূহৰ নিয়মীয়া সভাসমূহৰ আয়োজন সংশ্লিষ্ট জিলাৰ জিলা নিৰ্বাচনী বিষয়াৰ আগতীয়া সন্মতিৰেহে কৰিব পাৰিব।

IV. কোনো মন্ত্ৰীৰ দ্বাৰা নিৰ্বাচনী এলেকাত নিজৰ ব্যক্তিগত ভ্ৰমণৰ সময়ত কোনো ৰঙীন লাইট লগোৱা পাইলট বাহন বা কোনো প্ৰকাৰৰ ছাইৰেণযুক্ত বাহনৰ ব্যৱহাৰ নিজৰ উপস্থিতিক বিশিষ্ট বনাবলৈ কৰিব নোৱাৰিব, ৰাজ্য প্ৰশাসনে তেওঁক সুৰক্ষা কৱচ প্ৰদান কৰি ৰখাই হওঁক, য'ত ভ্ৰমণৰ সময়ত তেওঁৰ লগত যাবলৈ সশস্ত্ৰ সুৰক্ষাবলৰ উপস্থিতিৰ আৱশ্যক হয়।

V. কোনো নীতিৰ ঘোষণা বা কাৰ্যক্ৰম যি নিৰ্বাচনকমণ্ডলীক প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰভাৱিত কৰে, তাৰ আৰম্ভ নিৰ্বাচনৰ সমাপ্তিলৈ চৰকাৰী বিভাগত কৰা নহ'ব।

VI. প্ৰয়োজনৰ আধাৰত আৰু ৰাজ্যৰ চিইঅ'/ইচিআই পৰ্যবেক্ষকৰ পৰামৰ্শৰে ডিইঅ'/আৰঅ'ক প্ৰত্যেক তহচিলত একোটা বিশেষ ভিডিঅ' টীম নিয়োজিত কৰা উচিত, যিসকলে ৰাজহুৱা স্থানত ৰাজনৈতিক সভাৰ ভিডিঅ'গ্ৰাফী আৰু মন্ত্ৰী আৰু অন্য ৰাজনৈতিক নেতাৰ যাত্ৰাক ৰেকৰ্ড কৰিব পাৰে। ইচিআই পৰ্যবেক্ষকে একেদিনাই সন্ধ্যা ভিডিঅ' ৰেকৰ্ডিং পৰ্যবেক্ষণ কৰিব, যাতে কোনো ধৰণৰ উলংঘন হ'লে তেওঁ আয়োগক নিৰ্ধাৰিত আৰ্হিত অৱগত কৰিব পাৰে।

VII. স্থানীয় কৰ্তৃপক্ষ নিৰ্বাচনী এলেকাৰ নিৰ্বাচনী বিষয়ত কেন্দ্ৰীয় আৰু ৰাজ্য মন্ত্ৰীসকলৰ 'চৰকাৰী ভ্ৰমণ'ৰ ওপৰত নিষিদ্ধ স্থানীয় কৰ্তৃপক্ষৰ 'কৰ্তৃপক্ষ' যেনে নগৰ নিগমৰ মেয়ৰ, নগৰ পাৰিষদ আৰু জিলা পৰিষদৰ অধ্যক্ষ দ্বাৰা কোনো 'চৰকৰী বাহন'ৰ ব্যৱহাৰৰ ওপৰতো প্ৰযোজ্য হ'ব। তেওঁলোকৰ দ্বাৰা চৰকাৰী বাহনৰ ব্যৱহাৰৰ অনুমতি কেৱল বাসস্থানৰ পৰা কাৰ্যালয় আৰু কাৰ্যালয়ৰ পৰা বাসস্থানলৈ যাতায়াতৰ বাবেহে দিয়া হ'ব।

VIII. নিৰ্বাচনী সভাৰ বাবে ময়দান যেনে ৰাজহুৱা স্থান আৰু নিৰ্বাচন সন্দৰ্ভত উৰাজাহাজৰ বাবে হেলিপেডৰ ব্যৱহাৰৰ ক্ষেত্ৰত শাসনাধিষ্ঠ দলৰ একমাত্ৰ অধিকাৰ নাথাকিব। অন্য দল আৰু প্ৰাৰ্থিত্ব প্ৰত্যাশীসকলেও 'প্ৰথমে আহক প্ৰথমে পাওক' নীতিৰ আধাৰত সেইবোৰৰ ব্যৱহাৰ কৰাৰ অনুমতি পাব।

IX. এমপি/এমএলএ/এমএলচি যোজনাৰ ওপৰত নিৰ্ভৰ কৰি ব্যৱহাৰ কৰিবলগীয়া আইটী মঞ্চৰ কোনো কাম যিবোৰে নিৰ্বাচকমণ্ডলীক প্ৰভাৱিত কৰিব পাৰে তাক অনুমতি দিয়া নহ'ব।

X. নিৰ্বাচন ঘোষণাৰ আৰম্ভ কৰি নিৰ্বাচনৰ সমাপ্তিলৈ, ৰাজ্য বিধান পৰিষদৰ দ্বিবাৰ্ষিক নিৰ্বাচন/উপ-নিৰ্বাচনৰ নিৰ্বাচনী বিষয়া আৰু সহায়কাৰী নিৰ্বাচনী বিষয়াক বদলিৰ ক্ষেত্ৰত পূৰ্ণ প্ৰতিবন্ধকতা থাকিব আৰু এই প্ৰতিবন্ধকতা নিৰ্বাচন সম্পূৰ্ণ হোৱালৈ প্ৰযোজ্য থাকিব। উপৰোক্ত বিষয়াৰ সম্পৰ্কে ঘোষণাৰ তাৰিখৰ পূৰ্বে জাৰি বদলিৰ

আদেশ যাক বলৱৎ কৰা হোৱা নাই, সেয়া আয়োগৰ বিশেষ অনুমতি অবিহনে কাৰ্যকৰী কৰা নহ'ব। তেনে প্ৰকৰণত য'ত কোনো বিষয়াৰ বদলি প্ৰশাসনিক সংকটৰ কাৰণে আৱশ্যক, ৰাজ্য চৰকাৰ আগতীয়া অনুমতিৰ বাবে নিৰ্বাচন আয়োগৰ ওচৰত সম্পূৰ্ণ প্ৰমাণৰ ভিত্তিত যাব পাৰে।

XI. স্বতন্ত্ৰ আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰা আৰু ধনবলৰ প্ৰতিকূল ভূমিকা আৰু বিধান পৰিষদৰ বাবে দ্বিবাৰ্ষিক নিৰ্বাচন/উপ-নিৰ্বাচনৰ সময়ত ক'লা ধনৰ গতিবিধিৰ ওপৰত প্ৰতিবন্ধকতা লগোৱাৰ তদন্তৰ বাবে ষ্টেটিক ছাৰ্ভিলেন্স টীম মোতায়নক বাদ দি তাৰিখ ঃ ২৯.০৫.২০১৫ত জাৰি মানক পৰিচালনা পদ্ধতি (এছঅ'পি) বলৱৎ কৰিব লাগিব।

XII. ৰাজ্য আৰু জিলা মিডিয়া প্ৰমাণীকৰণ আৰু নিৰীক্ষণ কমিটী (এমচিএমচি)ৰ নিযুক্তি যেনে— নিৰ্বাচন ব্যয় নিৰীক্ষণৰ ওপৰত নিৰ্দেশাৱলীৰ সংগ্ৰহ কিতাপত নিৰ্ধাৰিত আছে, দ্বিবাৰ্ষিক নিৰ্বাচন/উপ-নিৰ্বাচনৰ ঘোষণাৰ পিছতেই, নিৰ্বাচন বিজ্ঞাপনৰ পূৰ্ব-প্ৰমাণীকৰণৰ বাবে কৰা হ'ব, যেনে— টিভি চেনেল/কেবল নেটৱৰ্ক, ব্যক্তিগত এফ এম চেনেলসহ ৰেডিঅ', চিনেমা হলসমূহ, ৰাজহুৱা স্থানত অডিঅ'-ভিজুৱেল প্ৰদৰ্শনী, সামাজিক মাধ্যম আৰু অভিযানৰ সময়ত ৰাজনৈতিক নেতাৰ সাধাৰণ আচৰণৰ নিৰীক্ষণৰ ক্ষেত্ৰত দিয়া হয়।

XIII. নিৰ্বাচনী অভিযানত ফোনত ব্যাপক হাৰ এছএমএছ/বাণী বাৰ্তা(ভয়চ মেছেজ)ও নিৰ্বাচনী বিজ্ঞাপনৰ পূৰ্ব-প্ৰমাণীকৰণৰ সীমাৰ ভিতৰত থাকিব, যেনে টিভি চেনেলসমূহ/কেব্‌ল নেটৱৰ্ক, ব্যক্তিগত এফ এম চেনেলসহ ৰেডিঅ', চিনেমা হলসমূহ, ৰাজহুৱা স্থানত অডিঅ'-ভিজুৱেল প্ৰদৰ্শনী, সামাজিক মাধ্যম আৰু অভিযানৰ সময়ত ৰাজনৈতিক নেতাৰ সাধাৰণ আচৰণৰ নিৰীক্ষণৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। বিধিবদ্ধ ব্যৱস্থা ইলেক্ট্ৰনিক মিডিয়াৰ অন্য মাধ্যমতো প্ৰযোজ্য, এনে ব্যাপক মাত্ৰাত এছএমএছ/ভয়চ মেছেজতো প্ৰযোজ্য হ'ব।

XIV. নিৰ্বাচন পৰিচালনা নিয়ম, ১৯৬১ৰ নিয়ম ৬৯ৰ পঠিত পাব্লিক আইন, ১৯৫১ৰ ধাৰা ২৯ৰ অন্তৰ্গত, এমএলএসকলৰ দ্বাৰা ৰাজ্য পৰিষদ আৰু ৰাজ্য বিধান পৰিষদৰ নিৰ্বাচন সন্দৰ্ভত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে ভোটদানৰ এটা স্থান নিৰ্ধাৰিত কৰা হয়। ধাৰা ১৩৫(চি) অনুসৰি, ভোটদান এলেকাত 'ড্ৰাই ডে' ঘোষিত কৰিব লাগে আৰু 'ভোটদান এলেকা'ক পাব্লিক আইন, ১৯৫১ৰ ধাৰা ২৫ত পৰিভাষিত কৰা হৈছে, যি লোকসভা, বিধান সভাৰ নিৰ্বাচনসমূহ আৰু স্নাতক, শিক্ষক আৰু স্থানীয় কৰ্তৃপক্ষৰ নিৰ্বাচনী এলেকাৰ পৰা বিধান পৰিষদৰ নিৰ্বাচনসমূহৰ দৰে

নিৰ্বাচনতো প্ৰযোজ্য।

XV. নিৰ্বাচনী অভিযানৰ অৱধিৰ সময়ত, বাহনৰ দুৰ্ব্যৱহাৰ ৰোধ কৰিবলৈ আৰু বাহনৰ কনভয় নিয়ন্ত্ৰণৰ সৈতে সম্বন্ধিত ব্যৱস্থা; লোকসভা/বিধানসভাৰ নিৰ্বাচনৰ প্ৰকৰণৰ দৰে পৰিষদৰ নিৰ্বাচনতো প্ৰযোজ্য কৰা হ'ব।

XVI. অভিযানৰ সময় সমাপ্ত হোৱাৰ পিছত, অৰ্থাৎ নিৰ্বাচন সমাপ্তিৰ ৪৮ ঘণ্টাৰ আগতে কোনো নিৰ্বাচনী এলেকাত ৰাজনৈতিক নেতাৰ উপস্থিতিৰ ওপৰত প্ৰতিবন্ধকতা লোকসভা/বিধানসভাৰ নিৰ্বাচনৰ ক্ষেত্ৰত পৰিষদৰ নিৰ্বাচনী এলেকাৰ পৰাও পৰিষদৰ নিৰ্বাচনৰ বাবেও প্ৰযোজ্য কৰা হ'ব।

৩. এই সম্বন্ধে সোধা কিছুমান প্ৰশ্ন সন্দৰ্ভত এইটো স্পষ্ট কৰি দিয়া হয় যে—

(a) নিৰ্বাচনৰ অৱধিৰ সময়ত, নিৰ্বাচকক হোটেল/ৰিজ'ৰ্ট আৰু এনে অন্য স্থানত ৰখাই থোৱাৰ প্ৰবৃত্তি নিৰ্বাচকক ঘোচ দিয়াৰ সমান হ'ব। এইটো স্পষ্ট কৰি দিয়া হয় যে এই ধৰণৰ আচৰণক আইপিচিৰ ধাৰা ১৭১বিৰ উলংঘন হোৱাৰ লগতে আদৰ্শ আচৰণ বিধিৰ অনুচ্ছেদ-I সাধাৰণ আচৰণৰ উপ-অনুচ্ছেদ(৪)ৰ উলংঘনৰ ৰূপত বিবেচনা কৰা হ'ব।

(b) বাক্যাংশ জিৰণী গৃহ, ডাক বাংলো বা অন্য চৰকাৰী আৱাস এম চি চিৰ অনুচ্ছেদ (VII-iii) ত সকলো প্ৰতিষ্ঠানৰ অতিথি গৃহও সন্মিলিত আছে যি অনুদান আদিৰ ৰূপত চৰকাৰী সহায়তা লাভ কৰি আছে।

(c) এম চি চিৰ অনুচ্ছেদ (VII-(V) আৰু (VI)) ৰ সন্দৰ্ভত এইটো স্পষ্ট কৰি দিয়া হৈছে যে ই কেৱল স্নাতক /শিক্ষক/ স্থানীয়
কৰ্তৃপক্ষৰ নিৰ্বাচন এলেকাৰ পৰা ৰাজ্য বিধান পৰিষদৰ সেই নিৰ্বাচনী এলেকা সন্দৰ্ভত প্ৰযোজ্য কৰা হ'ব য'ত নিৰ্বাচন হৈ আছে।

অনুগ্ৰহ কৰি ৰাজ্যত স্থিত সকলো পঞ্জীকৃত আৰু মান্যতা প্ৰাপ্ত দলৰ সৈতে সকলো সংশ্লিষ্টক অৱগত কৰক।

অনুগ্ৰহ কৰি অনুপালন সুনিশ্চিত কৰক।

# পৰিশিষ্ট-XXI

(অধ্যায়-২২ বিভিন্ন)

সচিব, ভাৰত চৰকাৰ, প্ৰতিৰক্ষা মন্ত্ৰালয়লৈ ভাৰতীয় নিৰ্বাচন আয়োগৰ পত্ৰ নং ৪৩৭/৬/চিজি/২০১৪/চিচিএণ্ডবিই, তাৰিখ ঃ ডিচেম্বৰ, ২০১৬

**বিষয় ঃ ১. সৈনিকৰ বাবে ৬৪০০ মেট্ৰিক টন খোৰা তেলৰ নিয়মীয়া ক্ৰয় হেতু ৬৫.৭৭ কোটিৰ অনুমতি, যাৰ বাবে নিবিদা ৩১ জানুৱাৰী, ২০১৪ত সম্পন্ন কৰা হৈছিল।**

**২. চলিত বছৰত সৈনিকৰ বাবে ইতিমধ্যে অনুমতিপ্ৰাপ্ত ৰচদ-সামগ্ৰীৰ নিয়মীয়া ক্ৰয় আৰু চিএফএ দ্বাৰা অনুমোদিত আগন্তুক বছৰৰ বাবে নিয়মিত ক্ৰয়ৰ অনুমতি সন্দৰ্ভত।**

উপৰোক্ত বিষয়ৰ ওপৰত মোক আপোনাৰ ডিইঅ'সকলৰ পত্ৰ সংখ্যা ১/এচিডিপি/২০১৩-পিএঅ', ২৬ মাৰ্চ ২০১৪ৰ প্ৰসংগত আৰু এইটো উল্লেখ কৰাৰ নিৰ্দেশ দিয়া হৈছে যে আদৰ্শ আচৰণ বিধি পোনপটীয়াকৈ প্ৰতিৰক্ষা বাহিনীৰ সৈতে সম্বন্ধিত কোনো বিষয়তে প্ৰযোজ্য নহয়, সেয়া প্ৰতিৰক্ষা বাহিনীৰ ভৰ্ত্তি/পদোন্নতি হওঁক বা তেওঁলোকৰ বাবে সকলো সেৱা সম্বন্ধীয় বিষয়, সকলো প্ৰকাৰৰ ৰচদ-পাতিৰ ক্ৰয়, প্ৰতিৰক্ষা বাহিনীৰ সংশ্লিষ্ট নিবিদাসমূহেই হওঁক। পৰিণামস্বৰূপ আয়োগক আদৰ্শ আচৰণ বিধি সম্পৰ্কীয় কোনো প্ৰসংগ প্ৰেৰণ কৰাৰো আৱশ্যকতা নাই।

এই নিৰ্দেশনাবোৰক আয়োগৰ স্থায়ী নিৰ্দেশনাৰ ৰূপত গণ্য কৰা হ'ব আৰু ভৱিষ্যতে এইটো সকলো নিৰ্বাচনৰ বাবে প্ৰযোজ্য হ'ব। ইয়াক ভৱিষ্যতৰ মাৰ্গদৰ্শনৰ বাবে সকলো সংশ্লিষ্টৰ বাবে দৃষ্টিগোচৰ কৰোৱা হ'ব পাৰে।

সেয়েহে, উদ্ধৃত দুটা প্ৰসংগ এই নিৰ্দেশনাৰ আওতালৈ আহে আৰু আপুনি অনুকূল কাৰ্যব্যৱস্থা কৰিব পাৰে।

# সঘনাই সোধা প্ৰশ্নসমূহ

সমূহ

সমূহ

প্ৰশ্ন.১. **আদৰ্শ আচৰণ বিধি কি?**

উত্তৰঃ ৰাজনৈতিক দলসমূহ আৰু প্ৰাৰ্থীসকলৰ মাৰ্গদৰ্শনৰ বাবে আদৰ্শ আচৰণ বিধি, সেইবোৰ মানকৰ এক সমূহ যিবোৰ ৰাজনৈতিক দলসমূহৰ সহমতত প্ৰকাশ কৰা হৈছে, যিসকলে উক্ত বিধিত সন্নিৱিষ্ট সিদ্ধান্তসমূহ পালন কৰিবলৈ সহমত ব্যক্ত কৰিছে আৰু এইটোৱে তেওঁলোকক ইয়াক সন্মান কৰা আৰু ইয়াক আখৰে আখৰে অনুপালন কৰাৰ বাবে বাধ্য কৰে।

প্ৰশ্ন.২. **এই বিষয়ত নিৰ্বাচন আয়োগৰ ভূমিকা কি হ'ব?**

উত্তৰঃ ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ৩২৪ৰ অধীনত নিৰ্বাচন আয়োগ কেন্দ্ৰ আৰু ৰাজ্যত শাসনাধিষ্ঠ দলসহ শাসনত ৰাজনৈতিক দলসমূহৰ দ্বাৰা আৰু নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলৰ দ্বাৰা সংসদ আৰু ৰাজ্য বিধানসভাসমূহৰ বাবে স্বতন্ত্ৰ, নিৰপেক্ষ আৰু শান্তিপুৰ্ণ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ইয়াৰ সাংবিধানিক কৰ্তব্য নিৰ্বাহত ইয়াৰ অনুপালনক সুনিশ্চিত কৰে। এইটোও সুনিশ্চিত কৰে যে নিৰ্বাচনী উদ্দেশ্যৰ বাবে চৰকাৰী শাসনতন্ত্ৰৰ অপব্যৱহাৰ নহওক। ইয়াৰ উপৰি, এইটোও সুনিশ্চিত কৰা হয় যে নিৰ্বাচন অপৰাধ, দুৰ্ভাৱনা আৰু ভ্ৰষ্ট আচৰণ যেনে— চৰিত্ৰ হনন, ভোটাৰক ঘোচ দিয়া আৰু প্ৰলোভিত কৰা ভোটাৰক ভয়-ভীত কৰা আৰু ভাবুকি দিয়া আদি সম্ভাব্য সকলো প্ৰকাৰৰ উপায় ৰোধ কৰিব পৰা যায়। উলংঘনৰ বিষয়ত উচিত পদক্ষেপ গ্ৰহণ কৰা হয়।

প্ৰশ্ন.৩. **কিমান তাৰিখৰ পৰা আদৰ্শ আচৰণ বিধি প্ৰযোজ্য হয় আৰু কিমান তাৰিখলৈ অব্যাহত থাকে?**

উত্তৰঃ নিৰ্বাচন আয়োগ দ্বাৰা নিৰ্বাচনী সূচী ঘোষণাৰ তাৰিখৰ পৰা আদৰ্শ আচৰণ বিধি প্ৰযোজ্য হৈ পৰে আৰু নিৰ্বাচনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱালৈ কাৰ্যৰত থাকে।

প্ৰশ্ন.৪. **সাধাৰণ নিৰ্বাচন আৰু উপ-নিৰ্বাচনৰ সময়ত আচৰণ বিধিৰ প্ৰযোজ্যতা কি?**

উত্তৰঃ a. লোকসভা (হাউচ অৱ পিপুল)ৰ সাধাৰণ নিৰ্বাচনৰ সময়ত আচৰণ বিধি সমগ্ৰ দেশত প্ৰযোজ্য হয়।

b. বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ সময়ত আচৰণ বিধি সমগ্ৰ ৰাজ্যত প্ৰযোজ্য হয়।

c. উপ-নিৰ্বাচনৰ সময়ত, যদি নিৰ্বাচন এলেকাত ৰাজ্যৰ ৰাজধানী/মহানগৰসমূহ/নগৰ নিগম চামিল থাকে, তেন্তে এই আচৰণ বিধি কেৱল সংশ্লিষ্ট নিৰ্বাচনী এলেকাতেই প্ৰযোজ্য হ'ব। অন্য সকলো বিষয়ত এম চি চি উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনী এলেকা সামৰি সমগ্ৰ জিলাত প্ৰযোজ্য কৰা হ'ব।

প্ৰশ্ন.৫. **আদৰ্শ আচৰণ বিধিৰ মুখ্য বিশেষত্বসমূহ কি কি?**

উত্তৰ ঃ আদৰ্শ আচৰণ বিধিৰ মুখ্য বিশেষত্বসমূহ হৈছে—ৰাজনৈতিক দল, নিৰ্বাচনত প্ৰাৰ্থী আৰু শাসনাধিষ্ঠ দল (সমূহ) নিৰ্বাচন প্ৰক্ৰিয়াৰ সময়ত কেনে আচৰণ কৰিব, সেইটো শিকায়, অৰ্থাৎ নিৰ্বাচনৰ সময়ত সভা আৰু সমদলৰ আয়োজন, ভোটদান দিৱসৰ কাৰ্যকলাপসমূহ আৰু শাসনাধিষ্ঠ দলৰ কাম-কাজ আদিত তেওঁলোকৰ সাধাৰণ আচৰণৰ ওপৰত আদৰ্শ আচৰণ বিধি নিৰ্ধাৰণ কৰা হয়।

## চৰকাৰী তন্ত্ৰ সন্দৰ্ভত

প্ৰশ্ন.৬. **কোনো মন্ত্ৰীয়ে নিজৰ চৰকাৰী যাত্ৰাক নিৰ্বাচনী কাৰ্যৰ সৈতে জড়িত কৰিব পাৰে নেকি?**

উত্তৰ ঃ নোৱাৰে।

মন্ত্ৰীয়ে নিজৰ চৰকাৰী যাত্ৰাক নিৰ্বাচনী কামৰ সৈতে জড়িত কৰিব নোৱাৰে আৰু নিৰ্বাচনী কাৰ্যৰ সময়ত চৰকাৰী প্ৰশাসনতন্ত্ৰ বা কৰ্মচাৰীক ব্যৱহাৰ কৰিব নোৱাৰে। অৱশ্যে আয়োগে প্ৰধানমন্ত্ৰীক নিৰ্বাচনী কাৰ্য সম্পৰ্কীয় যাত্ৰাৰ সৈতে চৰকাৰী যাত্ৰাক সংযোজন কৰাত আদৰ্শ আচৰণ বিধিৰ পৰা ৰেহাই দিছে।

প্ৰশ্ন.৭. **নিৰ্বাচনী কাম-কাজৰ বাবে চৰকাৰী পৰিবহণৰ ব্যৱহাৰ কৰিব পৰা যাব নে?**

উত্তৰ ঃ কোনো দল বা প্ৰাৰ্থীৰ হিতত প্ৰোৎসাহন/সহায়তাৰ বাবে চৰকাৰী বিমান, বাহন আদিসহ পৰিবহণৰ ব্যৱহাৰ কৰিব নোৱাৰিব।

প্ৰশ্ন.৮. **চৰকাৰে নিৰ্বাচনী কাম-কাজৰ লগত জড়িত বিষয়াসকলৰ বদলিকৰণ আৰু পোষ্টিং কৰিব পাৰিব নেকি?**

উত্তৰ ঃ নিৰ্বাচনৰ পৰিচালনাত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সম্পৰ্কিত সকলো বিষয়া/বিষয়াসকলৰ বদলিকৰণ আৰু পোষ্টিঙ সম্পূৰ্ণৰূপে নিষিদ্ধ। যদি কোনো বিষয়াৰ বদলিকৰণ বা পোষ্টিং আৱশ্যক বিবেচনা কৰা হয়, তেন্তে আয়োগৰ আগতীয়া অনুমতি লোৱা হ'ব।

প্ৰশ্ন.৯. **আদৰ্শ আচৰণ বিধি প্ৰযোজ্য হোৱাৰ পূৰ্বে যদি নিৰ্বাচনী কাম-কাজৰ লগত জড়িত কোনো বিষয়াক চৰকাৰে বদলি কৰিলে আৰু তেওঁ নতুন স্থানত দায়িত্ব গ্ৰহণ নকৰিলে। এনে বিষয়াই আচৰণ বিধি ঘোষণাৰ পিছত নতুন ঠাইত দায়িত্ব গ্ৰহণ কৰিব পাৰিব নে?**

উত্তৰ ঃ নোৱাৰে।

পূৰ্বৰ যথা স্থিতি বজাই ৰাখিব লাগিব।

প্ৰশ্ন.১০. **কেন্দ্ৰীয় বা ৰাজ্য মন্ত্ৰী নিৰ্বাচনৰ অৱধিৰ সময়ত কোনো চৰকাৰী চৰ্চাৰ বাবে নিৰ্বাচনী এলেকা বা ৰাজ্যৰ কোনো নিৰ্বাচনৰ সৈতে সম্বন্ধিত বিষয়াক তলব কৰিব পাৰিব নে?**

উত্তৰঃ মন্ত্ৰী, সেয়া কেন্দ্ৰীয় বা ৰাজ্যৰেই নহওঁক কিয়, সমষ্টি বা ৰাজ্যৰ কোনো নিৰ্বাচনী বিষয়াক কোনো চৰকাৰী চৰ্চাৰ বাবে ক'তো তলৱ কৰিব নোৱাৰে।

ব্যতিক্ৰম তেতিয়া হ'ব, যেতিয়া কোনো মন্ত্ৰী, সংশ্লিষ্ট বিভাগৰ দায়িত্বশীল অথবা মুখ্যমন্ত্ৰীৰ ৰূপত আইন ব্যৱস্থাৰ ব্যৰ্থতা বা প্ৰাকৃতিক দুৰ্যোগ নাইবা এনে এনে কোনো বিপজ্জনক স্থিতিত কোনো সমষ্টিৰ চৰকাৰী ভ্ৰমণ কৰে, যাৰ বাবে সমীক্ষা/উদ্ধাৰ/সাহায্যৰ বিশেষ প্ৰয়োজন আৰু এনে কোনো প্ৰয়োজনৰ বাবে এনে মন্ত্ৰী/মুখ্যমন্ত্ৰীৰ ব্যক্তিগত উপস্থিতি অনিবাৰ্য হৈ পৰে।

যদি কোনো কেন্দ্ৰীয় মন্ত্ৰী দিল্লীৰ বাহিৰলৈ সম্পূৰ্ণ চৰকাৰী কামত ভ্ৰমণ কৰি আছে, যাক জনহিতাৰ্থে আওকাণ কৰিব নোৱাৰি, তেন্তে তেনে উদ্দেশ্যক প্ৰমাণিত কৰি এখন পত্ৰ সংশ্লিষ্ট বিভাগ/মন্ত্ৰালয়ৰ সচিব দ্বাৰা সেই ৰাজ্যৰ মুখ্য সচিবক প্ৰেৰণ কৰিব, তাৰ এক প্ৰতিলিপি নিৰ্বাচন আয়োগকো দিব লাগিব।

**প্ৰশ্ন.১১. নিৰ্বাচন অনুষ্ঠিত হৈ থকা সমষ্টিত ব্যক্তিগত ভ্ৰমণ কৰি থকা মন্ত্ৰীক কোনো বিষয়াই সাক্ষাৎ কৰিব পাৰিব নে?**

উত্তৰঃ নোৱাৰে।

কোনো চৰকাৰী বিষয়াই সমষ্টিত ব্যক্তিগত ভ্ৰমণ কৰি থকা মন্ত্ৰীক সাক্ষাৎ কৰিলে, সংশ্লিষ্ট সেৱা নিয়মৰ অন্তৰ্গত, অসদাচৰণৰ বাবে দোষী হ'ব আৰু তেওঁ যদি জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ৰ ধাৰা ১২৯(১)ত উল্লেখিত কোনো বিষয়া হয় তেন্তে তেওঁক উক্ত ধাৰাৰ বিধিবদ্ধ নিয়ম উলংঘনৰো অতিৰিক্তভাৱে দোষী বিবেচনা কৰা হ'ব আৰু যাৰ অন্তৰ্গত প্ৰদান কৰা দণ্ডনীয় কাৰ্যব্যৱস্থাৰ বাবেও দায়ী হ'ব।

**প্ৰশ্ন.১২. মন্ত্ৰী নিৰ্বাচনৰ সময়ত চৰকাৰী বাহনৰ ব্যৱহাৰৰ অধিকাৰী নে?**

উত্তৰঃ মন্ত্ৰীয়ে চৰকাৰী বাহনৰ ব্যৱহাৰ নিজৰ চৰকাৰী কামৰ বাবে কেৱল নিজৰ চৰকাৰী আৱাসৰ পৰা নিজৰ কাৰ্যালয়লৈ অহা-যোৱাৰ বাবেহে অধিকাৰী, চৰ্ত হ'ল এই যাত্ৰাৰ সৈতে কোনো নিৰ্বাচনী কাম বা কোনো ৰাজনৈতিক গতিবিধিত জড়িত থাকিব নালাগিব।

**প্ৰশ্ন.১৩. মন্ত্ৰী বা অন্য কোনো ৰাজনৈতিক নেতা ৰঙীন লাইট লগোৱা ছাইৰেনযুক্ত পাইলট বাহনৰ ব্যৱহাৰ কৰিব পাৰে নে?**

উত্তৰঃ মন্ত্ৰী বা অন্য ৰাজনৈতিক নেতাক নিৰ্বাচনৰ সময়ত কোনো ৰঙীন লাইট লগোৱা বাহন বা পাইলট বাহন অথবা কোনো প্ৰকাৰৰ ছাইৰেনযুক্ত বাহন তেওঁৰ ব্যক্তিগত বা চৰকাৰী ভ্ৰমণৰ সময়ত ব্যৱহাৰ কৰাৰ অনুমতি দিয়া নহয় ৰাজ্য প্ৰশাসনে তেওঁক সুৰক্ষা কৱচ প্ৰদান কৰি থ'লেও, য'ত ভ্ৰমণৰ সময়ত তেওঁৰ লগত যাবৰ বাবে সশস্ত্ৰ সুৰক্ষাকৰ্মীৰ উপস্থিতি আৱশ্যক

হয়। এই নিষেধাজ্ঞা চৰকাৰী মালিকীস্বত্বই হওঁক বা ব্যক্তিগতই হওঁক প্ৰযোজ্য।

প্ৰশ্ন.১৪. ধৰি লোৱা হওঁক মন্ত্ৰীক ৰাজ্যৰ দ্বাৰা বাহন প্ৰদান কৰা হৈছে আৰু মন্ত্ৰীক সেই বাহনৰ ৰক্ষণাবেক্ষণৰ বাবে ভাড়া দিয়া হয়। এতিয়া মন্ত্ৰীয়ে ইয়াৰ ব্যৱহাৰ নিৰ্বাচনী উদ্দেশ্যৰ বাবে কৰিব পাৰিব নেকি?

উত্তৰঃ য'ত ৰাজ্যৰ দ্বাৰা বাহন প্ৰদান কৰা হয় বা মন্ত্ৰীক বাহনৰ ৰক্ষণাবেক্ষণৰ বাবে ভাড়া দিয়া হয়, তাত তেওঁ নিৰ্বাচনৰ বাবে এনে বাহনৰ ব্যৱহাৰ কৰিব নোৱাৰে।

প্ৰশ্ন.১৫. ৰাষ্ট্ৰীয় অনুসূচীত জাতি আয়োগ অথব্য অন্য একে ধৰণৰ ৰাষ্ট্ৰীয়/ৰাজ্য আয়োগৰ সদস্যসকলৰ ভ্ৰমণত কোনো প্ৰতিবন্ধকতা আছে নেকি?

উত্তৰঃ এইটো পৰামৰ্শ দিয়া হয় যে এনে আয়োগৰ সদস্যসকলক সকলো চৰকাৰী ভ্ৰমণ যিকোনো ধৰণৰ ভুল বুজাবুজিৰ পৰা বাচিবলৈ নিৰ্বাচনী কাম-কাজ সম্পূৰ্ণ হোৱালৈ বাতিল কৰিব লাগে, যেতিয়ালৈ এনে ভ্ৰমণ কোনো আকস্মিক স্থিতিত অপৰিহাৰ্য নহয়।

প্ৰশ্ন.১৬. মুখ্যমন্ত্ৰী/মন্ত্ৰী/অধ্যক্ষ কোনো ৰাজ্যৰ ৰাজ্য দিৱসৰ সমাৰোহত অংশগ্ৰহণ কৰিব পাৰিব নে নাই?

উত্তৰ ঃ ইয়াত কোনো আপত্তি নাই। কিন্তু চৰ্ত হ'ল যে তেওঁ এই উপলক্ষে কোনো ৰাজনৈতিক ভাষণ নিদিব আৰু সমাৰোহ কেৱল চৰকাৰী বিষয়াসকলৰ দ্বাৰাহে আয়োজিত কৰা হ'ব। মুখ্যমন্ত্ৰী/মন্ত্ৰী/অধ্যক্ষৰ ফটো দেখুওৱা কোনো বিজ্ঞাপন জাৰি কৰিব নোৱাৰিব।

প্ৰশ্ন.১৭. বিশ্ববিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ দীক্ষান্ত সমাৰোহ ৰাজ্যপাল/মুখ্যমন্ত্ৰী/মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিবনে আৰু সম্বোধন কৰিব পাৰিবনে?

উত্তৰঃ ৰাজ্যপালে অংশগ্ৰহণ কৰিব পাৰে আৰু দীক্ষান্ত সমাৰোহক সম্বোধন কৰিব পাৰিব। মুখ্যমন্ত্ৰী বা মন্ত্ৰীসকলে দীক্ষান্ত সমাৰোহত অংশ লোৱা আৰু সম্বোধন কৰাৰ পৰা বিৰত থাকিবলৈ পৰামৰ্শ দিব পাৰে।

প্ৰশ্ন.১৮. ইফতাৰ পাৰ্টী' বা এইধৰণৰ কোনো অন্য পাৰ্টী ৰাজনৈতিক নেতাৰ আৱাসত আয়োজন কৰিব পাৰিব নেকি, যাৰ খৰচ ৰাজ্যৰ কোষাগাৰৰ পৰা বহন কৰা হ'ব।

উত্তৰঃ নোৱাৰে।

অৱশ্যে কোনো ব্যক্তিয়ে নিজৰ ব্যক্তিগত ক্ষমতা আৰু ব্যক্তিগত খৰচত এনে পাৰ্টীৰ আয়োজন কৰাৰ বাবে স্বতন্ত্ৰ।

## কল্যাণমূলক আঁচনিসমূহ, চৰকাৰী কাম-কাজ আদি

**প্ৰশ্ন.১৯. শাসনাধিষ্ঠ দলৰ সম্ভাৱনা বৃদ্ধিৰ লক্ষ্যৰে তেওঁলোকৰ সফলতাসমূহৰ বাবে চৰকাৰী ধন**

**ব্যয়ৰে বিজ্ঞাপন প্ৰকাশ কৰাত কোনো নিষেধাজ্ঞা আছে নেকি?**

**উত্তৰঃ** হয়,

ছপা আৰু বৈদ্যুতিন সংবাদ-মাধ্যমত চৰকাৰী ধন ব্যয় কৰি দলৰ সফলতাসমূহৰ বিষয়ে বিজ্ঞাপন আৰু নিৰ্বাচনৰ সময়সীমাৰ ভিতৰত চৰকাৰী গণ মাধ্যমৰ অপব্যৱহাৰ নিষেধ।

**প্ৰশ্ন.২০. কেন্দ্ৰ/ৰাজ্য চৰকাৰত শাসনাধিষ্ঠ তলৰ সফলতাসমূহক দৰ্শোৱা হ'ৰ্ডিং/বিজ্ঞাপন আদিৰ খৰচ চৰকাৰী ৰাজকোষৰ পৰা অব্যাহত ৰাখিব পাৰি নেকি?**

**উত্তৰ ঃ** নোৱাৰি,

প্ৰদৰ্শিত এনে সকলো হ'ৰ্ডিং, বিজ্ঞাপন আদি সংশ্লিষ্ট বিষয়াৰ দ্বাৰা আঁতৰাই দিয়া হ'ব। ইয়াৰ উপৰি, চৰকাৰী ৰাজকোষৰ ব্যয়ত বাতৰি কাকত আৰু বৈদ্যুতিন মাধ্যমসহ অন্য মিডিয়াত কোনো বিজ্ঞাপন জাৰি কৰা উচিত নহয়।

**প্ৰশ্ন.২১. কোনো মন্ত্ৰী বা কোনো অন্য কৰ্তৃপক্ষই বিবেচনামুলক কোষৰ পৰা অনুদান/পৰিশোধ মঞ্জুৰি দিব পাৰে নেকি?**

**উত্তৰঃ** নোৱাৰে,

মন্ত্ৰীসকলে তথা অন্য কৰ্তৃপক্ষই নিৰ্বাচন ঘোষণাৰ সময়ৰ পৰা নিজৰ বিবেচনামূলক কোষৰ পৰা অনুদান/পৰিশোধ কৰিব নোৱাৰে।

**প্ৰশ্ন.২২. যদি কোনো আঁচনি বা কাৰ্যক্ৰম সন্দৰ্ভত কামৰ আদেশ জাৰি কৰা হয় তেন্তে নিৰ্বাচন কাৰ্যসূচীৰ ঘোষণাৰ পিছত ইয়াক আৰম্ভ কৰিব পাৰিব নেকি?**

**উত্তৰঃ** নিৰ্বাচন ঘোষণাৰ পূৰ্বে যিবোৰ কামৰ বাবে কাৰ্য আদেশ জাৰি কৰা হৈছে আৰু এনে কাম আৰম্ভ হোৱা নাই, তেন্তে সেই কাম আৰম্ভ কৰিব নোৱাৰে। যদি কোনো কাৰ্য বাস্তৱত সেই এলেকাত আৰম্ভ হৈছে তেন্তে সেয়া অব্যাহত ৰাখিব পাৰে।

**প্ৰশ্ন.২৩. কোনো আঁচনিৰ বাবে এমপি/এমএলএ/এমএলচি স্থানীয় এলেকা উন্নয়ণ নিধিৰ অধীনত ধনৰাশি মুকলি কৰিব পাৰি নেকি?**

**উত্তৰঃ** নোৱাৰে,

নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱালৈ, য'ত নিৰ্বাচন প্ৰগতিৰ পথত সেই এলেকাত কোনো ধৰণৰ আঁচনিৰ অধীনত এমপি/এমএলএ/এমএলচি স্থানীয় এলেকা উন্নয়ণ নিধিৰ অধীনত ধনৰাশিৰ নতুনকৈ মুকলি কোনো ক্ষেত্ৰতে কৰিব নোৱাৰে।

**প্ৰশ্ন.২৪. ইন্দিৰা আৱাস যোজনা, সম্পূৰ্ণ গ্ৰামীণ ৰোজগাৰ যোজনা, স্বৰ্ণজয়ন্তী গ্ৰাম স্বৰোজগাৰ যোজনা, নেচনেল ফুড ফৰ ৱৰ্ক প্ৰগ্ৰাম, ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আইনৰ দৰে**

**কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন গ্ৰামীণ বিকাশ কাৰ্যক্ৰম/যোজনাবোৰ আছে। এই আঁচনি/কাৰ্যক্ৰমসমূহৰ ক্ৰিয়ান্বোয়নৰ বাবে কোনো দিশ নিৰ্দেশ আছে নেকি?**

**উত্তৰঃ** হয়

নিম্নলিখিত প্ৰত্যেক আঁচনি/কাৰ্যক্ৰম সন্দৰ্ভত দিশ নিৰ্দেশৰ পালন কৰা হ'ব—

a. ইন্দিৰা আৱাস যোজনা(আইএৱাই)

আইএৱাইৰ অধীনত যিসকল হিতাধিকাৰীক আৱাস যোজনা অনুমোদন কৰা হৈছে আৰু কাম আৰম্ভ কৰিছে, মানদণ্ড অনুসৰি সহায়তা দিয়া হ'ব। নিৰ্বাচন সমাপ্ত হোৱালৈ কোনো নতুন নিৰ্মাণ কৰা নহ'ব বা নতুন হিতাধিকাৰীক অনুদান দিয়া নহ'ব।

b. সম্পূৰ্ণ গ্ৰামীণ ৰোজগাৰ যোজনা (এছজিআৰৱাই)

চলি থকা কামবোৰ অব্যাহত ৰাখিব পাৰি আৰু এনে কামৰ বাবে নিৰ্ধাৰিত নিধি জাৰি ৰখা হ'ব। যিকোনো পঞ্চায়তৰ ক্ষেত্ৰত য'ত চলি থকা সকলো কাম সম্পূৰ্ণ হৈছে আৰু নতুন মজুৰি আধাৰিত ৰোজগাৰ কামৰ আৱশ্যকতা আছে আৰু য'ত গ্ৰামীণ বিকাশ মন্ত্ৰালয়ৰ পৰা পোনপটীয়াকৈ পঞ্চায়তক মুকলি কৰা নিধি উপলব্ধ আছে, জিলা নিৰ্বাচনী বিষয়াৰ আগতীয়া সন্মতিৰে চলিত বৰ্ষৰ বাবে অনুমোদিত বাৰ্ষিক কাৰ্য যোজনাৰে নতুন কাম আৰম্ভ কৰিব পাৰে। অন্য নিধিৰ পৰা কোনো নতুন কাম আৰম্ভ কৰিব নোৱাৰিব।

c. স্বৰ্ণ জয়ন্তী গ্ৰাম ৰোজগাৰ যোজনা (এছজিএছৱাই)

কেৱল সেই সহায়তা সমূহ যিসকলে তেওঁলোকৰ ৰাজসাহায্য/অনুদানৰ অংশ লাভ কৰিছে, শেষ কিস্তি প্ৰদান কৰা হ'ব। নিৰ্বাচন সমাপ্ত হোৱালৈ কোনোধৰণৰ নতুন ব্যক্তিগত হিতাধিকাৰী অথবা এছএইছজিক বিত্তীয় অনুদান দিয়া নহ'ব।

d. ৰাষ্ট্ৰীয় কামৰ বাবে খাদ্য আঁচনি(এনএফডব্লিউপি)

নিৰ্বাচন ঘোষণা নকৰা জিলাসমূহত পুৰণি কাৰ্য অব্যাহত ৰখা আৰু নতুন কামৰ বাবে মঞ্জুৰি দিয়াত কোনো আপত্তি নাই। সেই জিলাসমূহত য'ত নিৰ্বাচন ঘোষণা কৰা হৈছে আৰু নিৰ্বাচনী কাম-কাজ চলি আছে, তাত সেইবোৰ কামহে কৰিব পৰা যাব যিবোৰ পূৰ্বৰে পৰা ভৌতিকভাৱে তৃণমূল স্তৰত আৰম্ভ হৈছে। চৰ্ত হ'ল এটা নিৰ্ধাৰিত সময়ত এইধৰণৰ কামৰ ৰূপায়ণৰ বাবে দিয়া অগ্ৰিম ধন ৪৫দিনৰ কামতকৈ অধিক হ'ব নালাগে।

e. ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত অধিনিয়ম (এনইআৰজিএ)

গ্ৰামীণ বিকাশ মন্ত্ৰালয়ে এনে জিলাৰ সংখ্যাত বৃদ্ধি নকৰিব, য'ত নিৰ্বাচনৰ ঘোষণাৰ পিছত ইয়াক প্ৰযোজ্য কৰা হৈ আছে। নিৰ্বাচন ঘোষণাৰ পাছত কাৰ্যৰ চাহিদা অনুসৰি জবকাৰ্ড

ধাৰকক চলি থকা কামত ৰোজগাৰ প্ৰদান কৰা হ'ব। যদি চলি থকা কামত ৰোজগাৰ দিব পৰা নাযায়, তেন্তে সক্ষম কৰ্তৃপক্ষৰ অনুমোদিত আঁচনিৰ সংগ্ৰহ পৰা নতুন কাম আৰম্ভ কৰিব পৰা যাব আৰু সংশ্লিষ্ট জিলা নিৰ্বাচনী বিষয়া (ডিইঅ')ক এই তথ্য অৱগত কৰোৱা উচিত। সক্ষম কৰ্তৃপক্ষৰ দ্বাৰা কোনো নতুন কাম তেতিয়ালৈ আৰম্ভ কৰিব নোৱাৰিব যেতিয়ালৈ চলি থকা কামৰ ৰোজগাৰ দিব পৰা যায়। যদি প্ৰকল্পৰ কোনো সংগ্ৰহ উপলব্ধ নাথাকে, বা অনুমোদিত সংগ্ৰহত উপলব্ধ সকলো কাম সমাপ্ত হৈ গৈছে তেন্তে সংশ্লিষ্ট সক্ষম কৰ্তৃপক্ষই সংশ্লিষ্ট ডিইঅ'ৰ জৰিয়তে অনুমোদনৰ বাবে আয়োগক প্ৰসংগ প্ৰেৰণ কৰিব। সক্ষম কৰ্তৃপক্ষই ডিইঅ'ক এই সন্দৰ্ভত প্ৰমাণ পত্ৰ তৈয়াৰ কৰিব যে নতুন কাম অনুমোদন কৰা হৈছে কাৰণ চলি থকা কামত জবৰকাৰ্ড ধাৰকক কোনো ৰোজগাৰ দিব পৰা নাযাব।

**প্ৰশ্ন.২৫. কোনো মন্ত্ৰী বা কোনো অন্য বিষয়াই যিকোনো ৰূপত যিকোনো বিত্তীয় অনুদান ঘোষণা কৰিব পাৰে নে বা প্ৰকল্প অথবা যিকোনো প্ৰকাৰৰ যোজনাৰ শিলান্যাস বা প্ৰতিশ্ৰুতি দিব পাৰে নে?**

**উত্তৰ ঃ** নোৱাৰে

মন্ত্ৰী আৰু অন্য বিষয়াই কোনোপধ্যেই কোনো বিত্তীয় অনুদান ঘোষণা নকৰিব বা ইয়াৰ প্ৰতিশ্ৰুতি প্ৰদান নকৰিব; অথবা (অসামৰিক সেৱকক বাদ দি) কোনো প্ৰকাৰৰ প্ৰকল্পৰ অথবা যোজনাৰ আধাৰশিলা স্থাপন কৰিব নোৱাৰিব; অথবা পথ নিৰ্মাণ, পেয়জলৰ সুবিধাৰ ব্যৱস্থা আদি বা চৰকাৰ, জনকল্যাণমুলক আঁচনি আদিত কোনো তদৰ্থ নিযুক্তি দিয়াৰ কোনো প্ৰতিজ্ঞা নকৰিব। এনে বিষয়ত জ্যেষ্ঠ চৰকাৰী বিষয়াই কোনো ৰাজনৈতিক ব্যক্তিক চামিল নকৰাকৈ আধাৰশিলা আদি স্থাপন কৰিব পাৰে।

**প্ৰশ্ন.২৬. কোনো বিশেষ যোজনাৰ বাবে এক বাজেটৰ ব্যৱস্থা কৰা হৈছে বা যোজনাক প্ৰথমেই মঞ্জুৰি দিয়া হৈছে। এনে যোজনাৰ ঘোষণা কৰিব পাৰিব নে বা ইয়াৰ উদ্‌ঘাটন কৰিব পাৰিব নে?**

**উত্তৰ ঃ** নোৱাৰে

এনে যোজনাৰ উদ্‌ঘাটন/ঘোষণা নিৰ্বাচনৰ অৱধিৰ সময়ত নিষিদ্ধ।

**প্ৰশ্ন.২৭. চলি থকা লভ্যাৰ্থী আঁচনি অব্যাহত ৰাখিব পাৰিব নে?**

**উত্তৰ ঃ** আদৰ্শ আচৰণ বিধি প্ৰযোজ্য হোৱাৰ পাছত চৰকাৰী অভিকৰণসমূহৰ দ্বাৰা নিৰ্বাচন আয়োগক সন্দৰ্ভত কৰা অবিহনে নিম্নলিখিত ধৰণৰ বিদ্যমান কাম অব্যাহত ৰাখিব পাৰি—

a. এনে কাৰ্য-পৰিযোজনাসমূহ, যিবোৰ সকলো আৱশ্যকীয় অনুমোদন লৈ বাস্তৱত আৰম্ভ

হৈ গৈছে;

b. এনে লাভাৰ্থী-প্ৰকল্পসমূহ, যি আদৰ্শ আচৰণ বিধি প্ৰযোজ্য হোৱাৰ পূৰ্বে, বিশিষ্ট লাভাৰ্থীৰ নামেৰে চিনাক্ত কৰা হৈছে;

c. এমজিএনৰেগাৰ পঞ্জীকৃত লাভাৰ্থীক বৰ্তমানৰ প্ৰকল্পত চামিল কৰিব পাৰে। এমজিএনৰেগাৰ অধীনত নতুন প্ৰকল্পসমূহ যি অধিনিয়মৰ অধীনত অনিবাৰ্য হ'ব পাৰে, কেৱল তেতিয়াহে আৰম্ভ কৰিব পাৰে যেতিয়া এইবোৰ প্ৰথমৰে পৰা পঞ্জীকৃত লাভাৰ্থীৰ বাবে হয় আৰু প্ৰকল্প পূৰ্বৰে পৰাই অনুমোদিত আৰু মঞ্জুৰি-সূচীবদ্ধ হ'ব, যাৰ বাবে ধনো পূৰ্বৰে পৰাই নিৰ্ধাৰিত কৰা হৈছে।

আদৰ্শ আচৰণ বিধি বলৱৎ হোৱাৰ পূৰ্বে, নিম্নলিখিত সকলো নতুন কাৰ্য (লাভাৰ্থী হওঁক বা কৰ্ম মুখীয়েই হওঁক), নিম্নলিখিত সকলো চৰ্ত পূৰণ কৰে, আয়োগক অৱগত কৰি ৰূপায়ণ কৰা যাব পাৰে-

a. সমগ্ৰ ধনৰাশি আৱণ্টিত হৈ গৈছে

b. প্ৰশাসনিক, কাৰিকৰী আৰু বিত্তীয় অনুমোদন প্ৰাপ্ত কৰা হৈছে

c. নিবিদা আহ্বান কৰা হৈছে, মূল্যাংকন আৰু স্বীকাৰ কৰা হৈছে।

d. যিকোনো নিশ্চিত সময়সীমাৰ ভিতৰত কাম আৰম্ভ কৰা আৰু সমাপ্ত কৰাৰ বাবে সাংবিধানিক দায়িত্ব নিৰ্ধাৰিত হৈ গৈছে আৰু এই কাম সম্পূৰ্ণ কৰাত ব্যৰ্থ হ'লে ঠিকাদাৰৰ ওপৰত জৰিমনা লগোৱাৰ দায়িত্ব আছে; আৰু

e. এইধৰণৰ বিষয়সমূহত উপৰোক্ত চৰ্তসমূহৰ ভিতৰত এটাও পূৰণ নোহোৱাৰ স্থিতিত, আয়োগৰ আগতীয়া অনুমোদন বিচৰা হ'ব আৰু প্ৰাপ্ত কৰা হ'ব।

**প্ৰশ্ন.২৮. সম্পূৰ্ণ হোৱা কামৰ বাবে আদায়ৰ ক্ষেত্ৰত কোনো প্ৰতিবন্ধকতা আছে নেকি ?**

**উত্তৰ ঃ** সংশ্লিষ্ট বিষয়াৰ সম্পূৰ্ণ সন্তুষ্টিৰ চৰ্তত সম্পন্ন হোৱা কামৰ আদায় কৰাত কোনো প্ৰতিবন্ধকা নাথাকিব।

**প্ৰশ্ন.২৯. যেতিয়া কল্যাণকামী উপায়সমূহ ঘোষণা কৰাত নিষেধাজ্ঞা থাকে তেতিয়া চৰকাৰে জৰুৰীকালিন পৰিস্থিতিত বা অপ্ৰত্যাশিত বিপদৰ কেনেদৰে মোকাবিলা কৰিব ?**

**উত্তৰ ঃ** জৰুৰীকালিন পৰিস্থিতি বা অপ্ৰত্যাশিত বিপদৰ মোকাবিলা কৰিবলৈ খৰাং, বান, মহামাৰী, অন্য প্ৰাকৃতিক দুৰ্যোগত ভুক্তভোগী লোকক সাহায্য প্ৰদান কৰা বা বৃদ্ধ আৰু দুৰ্বল শ্ৰেণীৰ বাবে কল্যাণকামী উপায় আদি আয়োগৰ আগতীয়া অনুমোদন পোৱাৰ পিছত চৰকাৰে এনে কৰিব পাৰে আৰু সকলো দেখুওৱা আৰু প্ৰদৰ্শনৰ পৰা আঁতৰত থাকিব লাগে আৰু

এনে কোনো ধাৰণা সৃষ্টি কৰিব নালাগে বা উৎপন্ন কৰাৰ অনুমতি দিয়া নহ'ব যে এইধৰণৰ কল্যাণকামী উপায় বা সাহায্য আৰু পুনৰ্বাসন কাম কোনো পূৰ্বৱৰ্তী উদ্দেশ্যৰ সৈতে পদত অধিষ্ঠিত চৰকাৰৰ দ্বাৰা কৰা হৈ আছে।

**প্ৰশ্ন.৩০. চৰকাৰৰ দ্বাৰা আংশিক বা সম্পূৰ্ণৰূপে বিত্তপোষিত, বিত্তীয় প্ৰতিষ্ঠানে কোনো ব্যক্তি, কোম্পানী, ফাৰ্ম ইত্যাদিৰ বাবে অগ্ৰিম ঋণ বাতিল কৰিব পাৰে নে?**

**উত্তৰঃ** নোৱাৰে।

আংশিকৰূপে বা সম্পূৰ্ণৰূপে চৰকাৰৰ দ্বাৰা বিত্ত পোষিত বিত্তীয় প্ৰতিষ্ঠানে কোনো ব্যক্তি, কোম্পানী বা ফাৰ্ম ইত্যাদিৰ পক্ষত প্ৰদান কৰা অগ্ৰিম ঋণক বাতিল কৰিব নোৱাৰিব। ইয়াৰ উপৰি, এনে প্ৰতিষ্ঠানৰ বিত্তীয় সীমাক ঋণ প্ৰদান কৰা বা বঢ়োৱাৰ সময়ত, লাভাৰ্থীক জধে-মধে ঋণ মঞ্জুৰি দি বঢ়াব নোৱাৰি।

**প্ৰশ্ন.৩১. সুৰাৰ বিপনী, তেন্দু পাত আৰু এনে অন্য বিষয়ৰ সৈতে সম্বন্ধিত নিবিদা, নিলামী আদিৰ ওপৰত কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব পাৰি নেকি?**

**উত্তৰঃ** নোৱাৰে।

এনে বিষয়ৰ প্ৰক্ৰিয়াক সংশ্লিষ্ট এলেকা আৰু চৰকাৰত নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱালৈ স্থগিত ৰখা উচিত। য'ত অনিবাৰ্যভাৱে এনে কৰা আৱশ্যক, তাত সাময়িক ব্যৱস্থা কৰিব পাৰে।

**প্ৰশ্ন.৩২. ৰাজহ সংগ্ৰহৰ সমীক্ষা কৰা আৰু বাৰ্ষিক বাজেটৰ খচৰা তৈয়াৰ আদিৰ বাবে নগৰ নিগম, নগৰ পঞ্চায়ত, নগৰ এলেকা সমিতি আদিৰ বৈঠক আহ্বান কৰিব পাৰি নে?**

**উত্তৰঃ** পাৰি।

চৰ্ত হ'ল যে এইধৰণৰ বৈঠকত কেৱল দৈনন্দিন প্ৰশাসনৰ সৈতে সম্বন্ধিত নিয়মিত প্ৰকৃতিৰ বিষয়সমূহ উত্থাপন কৰিব পাৰিব, কিন্তু ইয়াৰ নীতি আৰু কাৰ্যক্ৰমৰ সৈতে সম্বন্ধিত বিষয়সমূহ উত্থাপন কৰিব নোৱাৰিব।

**প্ৰশ্ন.৩৩. ৰাজনৈতিক নেতাই 'সদ্ভাৱনা দিৱস' সমাৰোহত অংশ ল'ব পাৰিব নেকি, যি সমগ্ৰ দেশত পালন কৰা হয়?**

**উত্তৰঃ** কেন্দ্ৰীয় মন্ত্ৰী/মুখ্যমন্ত্ৰী/ৰাজ্যৰ মন্ত্ৰী আৰু অন্য ৰাজনৈতিক নেতাৰ 'সদ্ভাৱনা দিৱস' উপলক্ষে পালন কৰিবলগীয়া সমাৰোহত এই চৰ্তৰ সৈতে অংশ গ্ৰহণ কৰিব পাৰে যে তেওঁলোকৰ ভাষণৰ বিষয় কেৱল মানুহৰ মাজত সৌহাৰ্দক বৃদ্ধি কৰাতে সীমিত থকা উচিত আৰু কোনো ৰাজনৈতিক ভাষণ নিদিব। কোনো মন্ত্ৰীৰ নামত বাৰ্তা, যদি কোনোবা

আছে, তেন্তে ই কেৱল ৰাষ্ট্ৰীয় ঐক্যৰ বিষয়তে সীমিত থকা উচিত আৰু ইয়াত সংশ্লিষ্ট মন্ত্ৰীৰ কোনো ফটো লগোৱা উচিত নহয়।

**প্ৰশ্ন.৩৪. ছহীদৰ স্মৃতি উদ্‌যাপন কৰিবলৈ ৰাজ্যিক স্তৰত সমাৰোহ আয়োজন কৰিব পাৰি নে যাৰ সভাপতিত্ব মুখ্যমন্ত্ৰী/মন্ত্ৰীয়ে কৰিব পাৰে?**

**উত্তৰঃ** পাৰিব।

চৰ্ত হ'ল মুখ্যমন্ত্ৰী আৰু অন্য মন্ত্ৰীৰ ভাষণ ছহীদৰ স্মৃতি আৰু তেওঁৰ প্ৰশংসা কৰাতে সীমিত থাকিব লাগিব। শাসনাধিষ্ঠ দল অথবা চৰকাৰৰ সফলতাৰ বিষয়ে কোনো ৰাজনৈতিক ভাষণ বা উল্লেখ কৰিব নোৱাৰিব।

**প্ৰশ্ন.৩৫. স্বাধীনতা দিৱস/গণতন্ত্ৰ দিৱস সমাৰোহ সন্দৰ্ভত কবি সন্মিলন, মুশ্বায়ৰা বা অন্য সাংস্কৃতিক সমাৰোহৰ আয়োজন কৰিব পাৰে নে আৰু ৰাজনৈতিক নেতা ইয়াত অংশগ্ৰহণ কৰিব পাৰিব নে?**

**উত্তৰঃ** পাৰিব।

ৰাজ্যত কেন্দ্ৰীয় মন্ত্ৰী/মুখ্যমন্ত্ৰী/মন্ত্ৰী আৰু অন্য ৰাজনৈতিক নেতা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব পাৰে। অৱশ্যে, এইটো সুনিশ্চিত কৰিব লাগিব যে শাসনাধিষ্ঠ দলৰ সফলতাক উজাগৰ কৰিবলগীয়া কোনো ৰাজনৈতিক ভাষণ দিয়া নহয়।

**প্ৰশ্ন.৩৬. চৰকাৰী মালিকানাধীন বাছৰ টিকটৰ পিছফালে চৰকাৰী বিজ্ঞাপন মুদ্ৰিত কৰিব পাৰে নেকি?**

**উত্তৰঃ** নোৱাৰে।

**প্ৰশ্ন.৩৭. ঘেঁহু আৰু অন্য কৃষি সামগ্ৰীৰ ন্যূনতম সমৰ্থন মূল্য নিৰ্ধাৰিত কৰিব পাৰে নে?**

**উত্তৰঃ** নিৰ্বাচন আয়োগক এই সন্দৰ্ভত প্ৰসংগ প্ৰেৰণ কৰিব লাগিব।

**প্ৰশ্ন.৩৮. ৰাজ্য চৰকাৰ নিৰ্বাচন আয়োগৰ পৰা পোনে পোনে কোনো প্ৰস্তাৱ সন্দৰ্ভত স্পষ্টীকৰণ/মঞ্জুৰি/অনুমোদন প্ৰাপ্ত কৰিব পাৰে নে?**

**উত্তৰঃ** নোৱাৰে।

নিৰ্বাচন আয়োগৰ পৰা ৰাজ্য চৰকাৰৰ কোনো প্ৰস্তাৱ স্পষ্টীকৰণ/মঞ্জুৰি/অনুমোদন কেৱল মুখ্য নিৰ্বাচন বিষয়াৰ জৰিয়তে প্ৰাপ্ত কৰা হ'ব, যি এই ক্ষেত্ৰত নিজৰ পৰামৰ্শ দিব পাৰে আৰু নিদিবও পাৰে।

## নিৰ্বাচনী প্ৰচাৰ অভিযান

**প্ৰশ্ন.৩৯. নিৰ্বাচন প্ৰচাৰ কৰাৰ সময়ত ৰাজনৈতিক দল/প্ৰাৰ্থীসকলৰ বাবে মুখ্য দিশ নিৰ্দেশবোৰ**

**কি কি ?**

**উত্তৰঃ** নিৰ্বাচনী প্ৰচাৰৰ সময়ত কোনো দল বা প্ৰাৰ্থী এনে কোনো গতিবিধিত চামিল নহ'ব, যি বৰ্তমান বিতৰ্কক বৃদ্ধি কৰিব পাৰে বা নিজৰ মাজত ঘৃণা সৃষ্টি কৰিব পাৰে, বা বিভিন্ন জাতি আৰু সম্প্ৰদায়ৰ মাজত ধাৰ্মিক বা ভাষাগত সংঘাত সৃষ্টি কৰিব পাৰে। ইয়াৰ উপৰি, যেতিয়া অন্য ৰাজনৈতিক দলৰ সমালোচনা কৰা হয় তেতিয়া তেওঁলোকে তেওঁলোকৰ নীতি আৰু কাৰ্যক্ৰম, পূৰ্বৰ ৰেকৰ্ড আৰু কাৰ্যলৈকে সীমিত থাকিব লাগে। এইটোও আৱশ্যক যে ব্যক্তিগত জীৱনৰ সকলো দিশৰ সমালোচনাৰ পৰা বিৰত থকা উচিত, যিবোৰৰ সম্বন্ধ অন্য দলৰ নেতা বা কৰ্মীৰ ৰাজহুৱা কাৰ্যকলাপৰ সৈতে থাকে। অন্য দল দল বা সেইবোৰৰ কৰ্মীৰ বিষয়ে কোনো এনে সমালোচনা কৰা উচিত নহয়, যি অভিযোগৰ সত্যতা স্থাপিত হোৱা নাই বা বঢ়া-টুটা কৰি কোৱা কথাৰ ওপৰত আধাৰিত।

**প্ৰশ্ন.৪০. নিৰ্বাচনী প্ৰচাৰৰ বাবে ধাৰ্মিক স্থানৰ ব্যৱহাৰ কৰাত কোনো প্ৰতিবন্ধকতা আছে নেকি ?**

**উত্তৰঃ** আছে।

মন্দিৰ, মছজিদ, গীৰ্জাঘৰ, গুৰুদ্বাৰা বা অন্য পূজাৰ স্থানৰ দৰে ধাৰ্মিক স্থানক নিৰ্বাচনী প্ৰচাৰৰ বাবে মঞ্চ হিচাপে ব্যৱহাৰ কৰিব নোৱাৰে। ইয়াৰ উপৰি ভোট লাভৰ বাবে জাতিগত বা সাম্প্ৰদায়িক ভাৱনা সন্দৰ্ভত কেনো আবেদন কৰিব নোৱাৰে।

**প্ৰশ্ন.৪১. কোনো প্ৰাৰ্থীয়ে সমদলৰ সৈতে মনোনয়ন দাখিল কৰিবলৈ ৰিটাৰ্ণিং বিষয়াৰ কাৰ্যালয়লৈ যাব পাৰে নে ?**

**উত্তৰঃ** নোৱাৰে।

ৰিটাৰ্ণিং বিষয়াৰ কাৰ্যালয়ৰ ১০০ মিটাৰ ব্যাসাৰ্ধলৈ বাহনৰ অধিকতম সংখ্যা ৩লৈ সীমিত কৰা হৈছে আৰু ৰিটাৰ্ণিং বিষয়াৰ কাৰ্যালয়ত প্ৰৱেশ কৰাৰ বাবে অনুমতি দিয়া লোকৰ অধিকতম সংখ্যা ৫লৈ সীমিত কৰা হৈছে (প্ৰাৰ্থীসহ)।

**প্ৰশ্ন.৪২. ৰিটাৰ্ণিং বিষয়াৰ দ্বাৰা মনোনয়নৰ পৰীক্ষা কৰাৰ সময়ত কিমানজন লোকক অনুমতি দিয়া হয় ?**

**উত্তৰঃ** প্ৰাৰ্থী, তেওঁৰ নিৰ্বাচনী এজেণ্ট, এগৰাকী প্ৰস্তাৱক আৰু এগৰাকী অন্য ব্যক্তি (যিএগৰাকী অধিবক্তা হ'ব পাৰে)ক প্ৰাৰ্থীৰ দ্বাৰা লিখিত ৰূপত অধিকৃত ব্যক্তিৰ বাহিৰে কোনো অন্য ব্যক্তি, ৰিটাৰ্ণিং বিষয়াৰ দ্বাৰা মনোনয়ন পৰীক্ষাৰ বাবে নিৰ্ধাৰিত সময়ত উপস্থিত থাকিব নোৱাৰে।

(জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ৰ ধাৰা ৩৬(১)চাওক)

**প্ৰশ্ন.৪৩. মন্ত্ৰীসকল/ৰাজনৈতিক নেতা/প্ৰাৰ্থীসকলৰ দ্বাৰা বাহনৰ ব্যৱহাৰ সন্দৰ্ভত কোনো নিৰ্দেশনা আছে নেকি, যিসকলক চৰকাৰীভাৱে সুৰক্ষা কৱচ প্ৰদান কৰা হৈছে?**

**উত্তৰঃ** হয়।

সুৰক্ষা প্ৰদান কৰা ব্যক্তিসকলৰ ক্ষেত্ৰত বিশেষ ব্যক্তি (পিপি)ৰ বাবে ৰাজ্যৰ মালিকানাধীন বুলেটপ্ৰুফ বাহনৰ ব্যৱহাৰ কৰাৰ অনুমতি সেই সকলো বিষয়ত দিয়া হ'ব, য'ত চোৰাংচোৰা বিষয়াসহ সুৰক্ষা এজেন্সি দ্বাৰা এইধৰণৰ ব্যৱহাৰৰ বাবে নিৰ্ধাৰিত কৰা হৈছে। যেতিয়ালৈ বিশেষভাৱে সুৰক্ষা বিষয়াৰ দ্বাৰা এনে নিৰ্ধাৰিত কৰা নহয়, তেতিয়ালৈ ষ্টেপ্ডবায়ৰ নামত কোনো বাহনৰ ব্যৱহাৰৰ অনুমতি দিয়া উচিত নহয়। এনে বুলেটপ্ৰুফ বাহনৰ ব্যৱহাৰৰ ব্যয়, য'ত বুলেট প্ৰুফ বাহনৰ ব্যৱহাৰ নিৰ্দিষ্ট কৰা হৈছে, সেই বিশেষ ব্যক্তি দ্বাৰা বহন কৰা হ'ব। পাইলট, এছকৰ্টসহ কনভয়ৰ সৈতে বাহনৰ সংখ্যা সুৰক্ষা বিষয়াৰ দ্বাৰা নিৰ্ধাৰিত নিৰ্দেশ অনুসৰিহে হ'ব আৰু কোনো পৰিস্থিতিতে তাতকৈ অধিক নহ'ব। এনে সকলো বাহনৰ ব্যৱহাৰৰ ব্যয়, সেয়া চৰকাৰী হওঁক বা ভাড়াত ৰাজ্য চৰকাৰ দ্বাৰা বহন কৰা হ'ব।

প্ৰধানমন্ত্ৰীৰ ওপৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব, যাৰ সুৰক্ষা আৱশ্যকতাক চৰকাৰৰ ব্লু বুকৰ দ্বাৰা নিয়ন্ত্ৰিত কৰা হয়।

**প্ৰশ্ন.৪৪. নিৰ্বাচনী কামৰ উদ্দেশ্যেৰে বাহন চলোৱাৰ বাবে কোনো নিষেধাজ্ঞা আছে নেকি?**

**উত্তৰঃ** নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যেৰে প্ৰাৰ্থী যিকোনো পৰিমাণৰ বাহন (দুচকীয়া বাহনসহ সকলো যান্ত্ৰিক/মটৰৰ দ্বাৰা চালিত বাহন)ৰ ব্যৱহাৰ কৰিব পাৰে, কিন্তু তেওঁলোকে এনে বাহনক চলাবলৈ ৰিটাৰ্ণিং বিষয়াৰ পৰা আগতীয়া অনুমতি ল'ব লাগিব আৰু ৰিটাৰ্ণিং বিষয়া দ্বাৰা জাৰি কৰা পাৰ্মিটৰ মূল কপি (প্ৰতিলিপি নহয়) বাহনৰ উইণ্ডস্ক্ৰীণত গুৰুত্ব সহকাৰে প্ৰদৰ্শিত কৰিব লাগিব। পাৰ্মিটত বাহনৰ সংখ্যা আৰু প্ৰাৰ্থীৰ নাম উল্লেখ কৰিব লাগিব, যাৰ নামত এই পাৰ্মিট জাৰি কৰা হৈছে।

**প্ৰশ্ন.৪৫. এখন বাহন যাৰ বাবে এগৰাকী প্ৰাৰ্থীৰ নামত নিৰ্বাচন প্ৰচাৰৰ বাবে অনুমতি লোৱা হৈছে, কোনো অন্য প্ৰাৰ্থীৰ দ্বাৰা নিৰ্বাচনী প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰিব পাৰিব নে?**

**উত্তৰঃ** নোৱাৰে।

কোনো অন্য প্ৰাৰ্থীৰ দ্বাৰা নিৰ্বাচনী প্ৰচাৰ অভিযানৰ বাবে এইধৰণৰ বাহনৰ ব্যৱহাৰ ভাৰতীয় দণ্ডবিধিৰ ধাৰা ১৭১ এইছৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**প্ৰশ্ন.৪৬. কোনো বাহনৰ ব্যৱহাৰ জিলা নিৰ্বাচনী বিষয়া/ৰিটাৰ্ণিং বিষয়াৰ অনুমতি অবিহনে নিৰ্বাচনী কাম-কাজৰ উদ্দেশে ব্যৱহাৰ কৰিব পৰা যাব নেকি?**

**উত্তৰঃ** নোৱাৰে।

এইধৰণৰ বাহনক প্ৰাৰ্থী দ্বাৰা প্ৰচাৰ কৰাৰ বাবে অ-কৰ্তৃত্বশীল বুলি গণ্য কৰা হ'ব আৰু ভাৰতীয় দণ্ডবিধি আইনৰ অধ্যায়-IX এ অনুসৰি দণ্ডনীয় হ'ব পাৰে আৰু সেয়ে ইয়াত তৎক্ষণাত প্ৰচাৰৰ পৰা আঁতৰত ৰখা হ'ব আৰু আগলৈ প্ৰচাৰৰ বাবে ইয়াৰ ব্যৱহাৰ কৰা নহ'ব।

**প্ৰশ্ন.৪৭. ৰাজনৈতিক অভিযান আৰু ৰেলীৰ বাবে শিক্ষণ প্ৰতিষ্ঠান আৰু সেইবোৰৰ খেলপথাৰ (চৰকাৰী সাহায্যপ্ৰাপ্ত, ব্যক্তিগত বা চৰকাৰী)ৰ ব্যৱহাৰৰ ক্ষেত্ৰত কোনো প্ৰতিবন্ধকতা আছে নেকি?**

**উত্তৰঃ** আয়োগে স্কুল আৰু কলেজৰ খেলপথাৰক (পঞ্জাব আৰু হাৰিয়ানা ৰাজ্য বাদ দি, য'ত পঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ পৰা প্ৰতিবন্ধকতা আছে) ৰাজনৈতিক ব্যৱহাৰৰ বাবে অনুমতি দিয়া আছে, চৰ্তটো হ'ল—

স্কুল আৰু কলেজৰ শৈক্ষিক কাৰ্যসূচী কোনো পৰিস্থিতিতে বাধিত হ'ব নোৱাৰিব। স্কুল/কলেজ ব্যৱস্থাপকে এই উদ্দেশ্যৰ বাবে কোনো আপত্তি নদৰ্শায় আৰু এইধৰণৰ অভিযানৰ বাবে স্কুল/কলেজ ব্যৱস্থাপকৰ সৈতে উপ-মাণ্ডলিক বিষয়াৰ পৰাও আগতীয়া অনুমতি ল'ব পাৰে।

এইধৰণৰ অনুমতি প্ৰথমতে আহক প্ৰথমতে পাওক নীতিৰ আধাৰত দিয়া হয় আৰু কোনো ৰাজনৈতিক দলক সেই খেলপথাৰৰ ব্যৱহাৰত একাধিকাৰ দাবী কৰাৰ অনুমতি দিয়া নহ'ব।

এইধৰণৰ কোনো চৌহদত/খেলপথাৰৰ ব্যৱহাৰক নিষেধাজ্ঞা দিয়াৰ ন্যায়ালয়ৰ কোনো নিৰ্দেশনা নাই।

আয়োগ দ্বাৰা ৰাজনৈতিক বৈঠকৰ বাবে স্কুল/কলেজৰ খেলপথাৰৰ আৱণ্টনত যিকোনো ধৰণৰ উলংঘনক গুৰুত্বসহকাৰে চোৱা হ'ব। এই ক্ষেত্ৰত জবাবদিহি মহকুমাধিপতিয়ে আৰু

ৰাজনৈতিক দল আৰু প্ৰাৰ্থী আৰু প্ৰচাৰক এইটো সুনিশ্চিত কৰাৰ বাবে ধ্যান ৰাখিব লাগিব যে উপৰোক্ত মানদণ্ডৰ উলংঘন নহয়।

যদি এইধৰণৰ খেল পথাৰ/স্থানৰ ব্যৱহাৰ প্ৰচাৰৰ উদ্দেশ্যেৰে কৰা হয়, তেন্তে ইয়াক ক্ষতি অবিহনে বা ক্ষতিৰ বাবে ক্ষতিপূৰণসহ, যদি কিবা আছে, সংশ্লিষ্ট কৰ্তৃপক্ষক উভতাই দিয়া উচিত। ৰাজনৈতিক দল সংশ্লিষ্ট স্কুল/কলেজ কৰ্তৃপক্ষক প্ৰচাৰৰ খেলপথাৰ উভতাই দিয়াৰ সময়ত ইয়াৰ ব্যৱহাৰৰ হেতু এনে কোনো ক্ষতিপূৰণ যদি কিবা আছে তেন্তে আদায় দিয়াৰ বাবে দায়ী হ'ব।

**প্ৰশ্ন.৪৮. অভিযানৰ বাবে ব্যৱহাৰ কৰা বাহনৰ বাহিৰত ফিটিং/সংশোধনীৰ অনুমতি আছে নে?**

**উত্তৰঃ** লাউডস্পীকাৰৰ ফিটিংসহ বাহনৰ বাহ্যিকফালৰ পৰা ৰূপ-পৰিৱৰ্তন মটৰ বাহন অধিনিয়ম/নিয়মৰ ব্যৱস্থা আৰু তাত প্ৰচলিত কোনো অন্য স্থানীয় অধিনিয়ম/নিয়মৰ অধীনত হ'ব। সংশোধন কৰা আৰু বিশেষ অভিযান চলোৱা বাহন, যেনে— ভিডিঅ' ৰথ আদিৰ ব্যৱহাৰ মটৰ বাহন অধিনিয়মৰ অধীনত সক্ষম কৰ্তৃপক্ষৰ পৰা অনুমতি পোৱাৰ পিছতহে কৰা যাব পাৰে।

**প্ৰশ্ন.৪৯. বিশ্ৰাম গৃহ, ডাক বাংলা বা অন্য চৰকাৰী আৱাস নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয়ৰ বাবে ব্যৱহাৰৰ ওপৰত কোনো প্ৰতিবন্ধকতা আছেনে বা নিৰ্বাচনী প্ৰচাৰৰৰ উদ্দেশ্যেৰে কোনো ৰাজহুৱা বৈঠক আয়োজন কৰিব পাৰিনে?**

**উত্তৰঃ** হয়

বিশ্ৰাম গৃহ, ডাক বাংলা বা অন্য চৰকাৰী আৱাস শাসনাধিষ্ঠ দল বা ইয়াৰ প্ৰাৰ্থীসকলৰ দ্বাৰা একাধিকাৰ প্ৰদান কৰা নহ'ব আৰু এনে আৱাস অন্য দল আৰু প্ৰাৰ্থীৰ দ্বাৰা ব্যৱহাৰ কৰাৰ অনুমতি প্ৰদান কৰা হ'ব, কিন্তু কোনো দল বা প্ৰাৰ্থীয়ে ইয়াক প্ৰচাৰ কাৰ্যালয়ৰ বাবে ব্যৱহাৰ কৰাৰ অনুমতি দিয়া নহ'ব।

ইয়াৰ উপৰি, এইটো সুনিশ্চিত কৰা হ'ব যে—

(i) কোনোও চাৰ্কিট হাউচ, ডাক বাংলাৰ ব্যৱহাৰ প্ৰচাৰ কাৰ্যালয় স্থাপন কৰিবলৈ কৰিব নোৱাৰে কাৰণ চাৰ্কিট হাউচ/ডাক বাংলা কেৱল দায়িত্বশীলসকলৰ যাতায়াতৰ সময়ত অস্থায়ী থকাৰ (থকা-খোৱা) বাবেহে,

(ii) আনকি চৰকাৰী মালিকানাধীন অতিথিগৃহ আদিৰ পৰিসৰৰ ভিতৰত ৰাজনৈতিক দলৰ সদস্যসকলৰ দ্বাৰা আকস্মিক বৈঠকৰ অনুমতি নাই আৰু ইয়াৰ যিকোনো উলংঘনক আদৰ্শ আচৰণ বিধিৰ উলংঘন গণ্য কৰা হ'ব,

(iii) কেৱল সেই ব্যক্তিৰ বাহনক, যাক অতিথিগৃহত আৱাস আৱণ্টিত কৰা হৈছে আৰু যি দুটা অন্য বাহনতকৈ অধিক নহয়, যদি সেই ব্যক্তি দ্বাৰা ইয়াৰ ব্যৱহাৰ কৰা হয়, তেন্তে তেওঁক অতিথি গৃহৰ পৰিসৰৰ ভিতৰত অনুমতি দিয়া হ'ব।

(iv) কোনোবা এজন ব্যক্তিক ৪৮ ঘণ্টাৰ অধিক কোঠাত থাকিব নালাগিব, আৰু

(v) কোনো বিশেষ ক্ষেত্ৰত ভোটদানৰ আৰম্ভ হোৱাৰ পূৰ্বে ৪৮ ঘণ্টাৰ পূৰ্বে তথা ভোটদান অথবা পুনৰ ভোটগ্ৰহণ সম্পূৰ্ণ হোৱালৈ এনে আৱণ্টনত স্থগিতাদেশ থাকিব।

**প্ৰশ্ন.৫০. ৰাজনৈতিক দল/প্ৰাৰ্থীৰ দ্বাৰা চৰকাৰী বিমান/হেলিকপ্টাৰ (ৰাজহুৱা খণ্ডৰ উপক্ৰমসহ)**

**প্ৰাপ্ত কৰাৰ বাবে কোনো চৰ্ত আছে নেকি?**

**উত্তৰঃ** হয়

ৰাজনৈতিক দল/প্ৰাৰ্থী অথবা ব্যক্তিগত কোম্পানী আদিক চৰকাৰী বিমান/হেলিকপ্টাৰৰ চাৰ্টাৰৰ অনুমতি দিয়াৰ সময়ত, নিম্নলিখিত চৰ্তসমূহ পালন কৰা উচিত—

(i) এফালে শাসনাধিষ্ঠ দল আৰু অন্য দল আৰু আনফালে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ মাজত কোনো বৈষম্য হোৱা উচিত নহয়।

(ii) ৰাজনৈতিক দল বা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলৰ দ্বাৰা আদায় কৰা হ'ব আৰু সঠিক তথ্য ৰখা হ'ব।

(iii) দৰ আৰু নিয়ম আৰু চৰ্ত সকলোৰে বাবে সমান হোৱা উচিত।

(iv) বাস্তৱিক আৱণ্টন প্ৰথমে আহক প্ৰথমে পাওঁক নীতিৰ আধাৰত কৰা উচিত। ইয়াৰ বাবে আবেদন প্ৰাপ্তিৰ তাৰিখ আৰু সময় কৰ্তৃত্বপ্ৰাপ্ত কৰ্তৃপক্ষৰ দ্বাৰা তলত টুকি ৰখা উচিত।

(v) অসাধাৰণ স্থিতিত যেতিয়া দুটা বা দুটাতকৈ অধিক আবেদকৰ তাৰিখ আৰু সময় সমান হয়, তেন্তে আবণ্টন ড্ৰ' দ্বাৰা নিৰ্ধাৰণ কৰা হ'ব।

(vi) কোনো ব্যক্তি, ফাৰ্ম, দল বা প্ৰাৰ্থীক এবাৰত তিনি দিনতকৈ অধিক সময়লৈ বিমান/হেলিকপ্টাৰ ভাড়াত লোৱাৰ অনুমতি দিয়া নহ'ব।

**প্ৰশ্ন.৫১. সংশ্লিষ্ট দল বা প্ৰাৰ্থীৰ পোষ্টাৰ, প্লেকাৰ্ড, বেনাৰ, পতাকা আদিক কোনো ৰাজহুৱা সম্পত্তিৰ ওপৰত প্ৰদৰ্শিত কৰাত কোনো নিষেধাজ্ঞা আছে নে?**

**উত্তৰঃ** সাৰ্বজনিক সম্পত্তিৰ ওপৰত প্ৰাৰ্থী নিজৰ সংশ্লিষ্ট দলৰ পোষ্টাৰ, প্লেকাৰ্ড, বেনাৰ, পতাকা আদি প্ৰদৰ্শিত কৰিব পাৰে যি স্থানীয় আইনৰ ব্যৱস্থা আৰু তাত প্ৰযোজ্য নিষেধাজ্ঞাত্মক আদেশৰ অধীনত হ'ব পাৰে। বিৱৰণৰ বাবে আয়োগৰ অনুদেশ সংখ্যা ৩/৭/২০০৮/জেএছ-II তাৰিখ ৭.১০.২০০৮ তথা সংখ্যা ৪৩/৬/কেম্পেইন/ইচিআই/আদেশ/আইএনএছটি/এফইউএনচিটি/এমচিচি-২০০১৬ তাৰিখ ০৪.০১.২০১৭. প্ৰসংগ চাব পাৰে।

**প্ৰশ্ন.৫২. যদি স্থানীয় আইন/উপ-নিয়ম, দেৱাল লেখন আৰু পোষ্টাৰ লগোৱা, ব্যক্তিগত চৌহদ/সম্পত্তিত হ'ৰ্ডিং, বেনাৰ আদি লগোৱাৰ অনুমতি দিয়ে, তেন্তে চৌহদ/সম্পত্তিৰ মালিকৰ পৰা আগতীয়া লিখিত অনুমতি প্ৰাপ্ত কৰা আৱশ্যক নে?**

**উত্তৰঃ** হয়।

প্ৰাৰ্থীয়ে সম্পত্তি/চৌহদৰ মালিকৰ পৰা আগতীয়া লিখিত অনুমতি প্ৰাপ্ত কৰাৰ আৱশ্যকতা

হ'ব আৰু এইধৰণৰ অনুমতিৰ প্ৰতিলিপি (সমূহ) ৩ দিনৰ ভিতৰত ৰিটাৰ্ণিং বিষয়া বা তেওঁৰ দ্বাৰা নিৰ্দিষ্ট বিষয়াক জমা দিব লাগিব।

**প্ৰশ্ন.৫৩. সমদলৰ সময়ত বাহনৰ ওপৰত সম্বন্ধিত দল বা প্ৰাৰ্থীৰ পোষ্টাৰ/ প্লেকাৰ্ড/ বেনাৰ/পতাকাক প্ৰদৰ্শিত কৰা লৈ/ যোৱাৰ ওপৰত কোনো নিষেধাজ্ঞা আছেনে?**

**উত্তৰঃ** সমদলৰ সময়ত কোনো বাহনৰ ওপৰত কোনো দল বা প্ৰাৰ্থী দ্বাৰা পতাকা/বেনাৰৰ অধিকতম আনুমানিক সংখ্যা আৰু আকাৰ এইধৰণৰ—

দুচকীয়া বাহন—অধিকতম আকাৰৰ এখন পতাকা ১×১/২ ফুট। কোনো বেনাৰৰ অনুমতি নাই। উপযুক্ত আকাৰৰ এটা বা দুটা ষ্টিকাৰৰ অনুমতি আছে।

তিনিচকীয়া, চাৰিচকীয়া বাহন, ই-ৰিক্সা—কোনো বেনাৰৰ অনুমতি নাই। কেৱল অধিকতম আকাৰৰ এখন পতাকা ৩×৩ ফুট। উপযুক্ত আকাৰৰ এটা বা দুটা ষ্টিকাৰৰ অনুমতি আছে।

যদি কোনো ৰাজনৈতিক দলৰ সৈতে অন্য কোনো দলৰ সৈতে নিৰ্বাচন পূৰ্ব মিত্ৰতা/আসনৰ ভাগ-বটোৱাৰৰ ব্যৱস্থা আছে, তেন্তে প্ৰাৰ্থী/ৰাজনৈতিক দলৰ বাহন এনে দলৰ পৰা প্ৰত্যেকৰ এটা এটা পতাকা প্ৰদৰ্শিত কৰিব পাৰে।

**প্ৰশ্ন.৫৪. নিৰ্বাচন প্ৰচাৰৰ সময়ত পোষ্টাৰ/ বেনাৰৰ বাবে প্লাষ্টিক শ্বিটৰ ব্যৱহাৰৰ ওপৰত কোনো নিষেধাজ্ঞা আছে নে নাই?**

**উত্তৰঃ** পৰিৱেশ সংৰক্ষণৰ হিতত ৰাজনৈতিক দলসমূহ আৰু প্ৰাৰ্থীক পোষ্টাৰ, বেনাৰ আদি তৈয়াৰ কৰাৰ বাবে প্লাষ্টিক/পলিথিনৰ ব্যৱহাৰৰ পৰা বিৰত থকা উচিত।

**প্ৰশ্ন.৫৫. পুস্তিকা, পোষ্টাৰ আদিৰ ছপাৰ ওপৰত কোনো প্ৰতিবন্ধকতা আছে নেকি?**

**উত্তৰঃ** হয়।

প্ৰাৰ্থী কোনো এনে পাম্ফলেট বা পোষ্টাৰৰ মুদ্ৰণ অথবা প্ৰকাশন কৰিব নোৱাৰে অথবা তাৰ মুদ্ৰণ অথবা প্ৰকাশনৰ কাৰণ হ'ব নোৱাৰে, য'ত প্ৰিণ্টাৰ আৰু প্ৰকাশকৰ নাম আৰু ঠিকনা নাথাকে।

(প্ৰসংগক্ৰমে চাওঁক জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ৰ ধাৰা ১২৭এ)

**প্ৰশ্ন.৫৬. নিৰ্বাচনী প্ৰচাৰৰ সময়ত প্ৰাৰ্থীক বিশেষ সহায় সামগ্ৰী যেনে— টুপী, মাস্ক, স্কাৰ্ফ আদি পৰিধান কৰাৰ অনুমতি আছে নে?**

**উত্তৰঃ** হয়।

চৰ্ত হ'ল সেই সংশ্লিষ্ট প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ হিচাপত হ'ব। অৱশ্যে দলযপ্ৰাৰ্থী দ্বাৰা শাৰী, চোলা ইত্যাদিৰ দৰে মুখ্য পৰিধানৰ যোগান আৰু বিতৰণৰ অনুমতি নাই কাৰণ এইটো

ভোটাৰক প্ৰলোভন দিয়াৰ লগত ৰিজাব পাৰি।

**প্ৰশ্ন.৫৭. চিনেমাট'গ্ৰাফ, টেলিভিছন বা এইধৰণৰ অন্য উপকৰণৰ মাধ্যমেৰে জনতাক যিকোনো নিৰ্বাচনী সামগ্ৰীক প্ৰদৰ্শন কৰা নিষেধ নেকি?**

**উত্তৰঃ** হয়।

প্ৰাৰ্থী নিৰ্বাচন সমাপনৰ বাবে নিৰ্ধাৰিত কৰা ঘণ্টাৰ সৈতে সমাপ্ত হোৱাৰ ৪৮ ঘণ্টাৰ অৱধিৰ সময়ত, চিনেমাট'গ্ৰাফী, টেলিভিছন বা অন্য এইধৰণৰ উপকৰণৰ মাধ্যেমেৰে জনসাধাৰণক কোনো নিৰ্বাচনী বিষয় অথবা প্ৰচাৰ প্ৰদৰ্শিত কৰিব নোৱাৰে।

(চাওঁকঃ জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ৰ ধাৰা ১২৬)

**প্ৰশ্ন.৫৮. মুদ্ৰিত "ষ্টেপনী কভাৰ' বা এইধৰণৰ অন্য সামগ্ৰী য'ত দল/প্ৰাৰ্থীৰ প্ৰতীক আছে বা ইয়াৰ চিত্ৰণ অবিহনে ইয়াৰ বিতৰণ উলংঘন বুজায় নেকি?**

**উত্তৰঃ** হয়।

এনে বিষয়ত য'ত এনে সামগ্ৰী বিতৰিত কৰা হৈছে, জিলা প্ৰশাসন দ্বাৰা এলেকাৰ দণ্ডাধীশৰ সন্মুখত আইপিচিৰ ধাৰা ১৭ৰ Bৰ অধীনত উক্ত সামগ্ৰীৰ বিতৰণৰ বিৰুদ্ধে এটা গোচৰ দাখিল কৰিব পাৰি।

**প্ৰশ্ন.৫৯. দল বা প্ৰাৰ্থী দ্বাৰা অস্থায়ী কাৰ্যালয়ৰ স্থাপন আৰু পৰিচালনাৰ বাবে চৰ্ত/নিৰ্দেশনা আছে নেকি?**

**উত্তৰঃ** হয়।

এনে কাৰ্যালয় কোনো অতিক্ৰমণৰ মাধ্যমেৰে ৰাজহুৱা বা ব্যক্তিগত সম্পত্তি/কোনো ধাৰ্মিক স্থানত অথবা এনে ধাৰ্মিক স্থানৰ চৌহদ/কোনো শিক্ষানুষ্ঠান/চিকিৎসালয়ৰ কাষত আৰু কোনো বৰ্তমান ভোটাৰ কেন্দ্ৰৰ ২০০ মিটাৰৰ ভিতৰত খুলিব নোৱাৰে। ইয়াৰ উপৰি, এনে কাৰ্যালয় দলৰ কেৱল এটা পতাকা আৰু বেনাৰ দলৰ চিহ্ন/ফটোৰ সৈতে প্ৰদৰ্শিত কৰিব পাৰে আৰু এনে কাৰ্যালয়ত ব্যৱহাৰ কৰিবলগীয়া বেনাৰৰ আকাৰ ৪ফুট×৮ ফুটৰ অধিক হ'ব নালাগে আৰু এইটো স্থানীয় আইনৰ অধীনত হ'ব, যি যদি কোনো এনে বেনাৰ হ'ৰ্ডিং আদিৰ বাবে নিম্ন আকাৰক নিৰ্দিষ্ট কৰে তেন্তে স্থানীয় আইনৰ দ্বাৰা নিৰ্ধাৰিত নিম্ন আকাৰৰ পালন কৰা হ'ব।

**প্ৰশ্ন.৬০. অভিযানৰ অৱধি সমাপ্তি হোৱাৰ পিছত ৰাজনৈতিক নেতাৰ কোনো নিৰ্বাচনী এলেকাত উপস্থিতিৰ ওপৰত কোনো নিষেধাজ্ঞা আছে নেকি?**

**উত্তৰঃ** হয়।

প্ৰচাৰৰ সময়সীমা (ভোটগ্ৰহণ বন্ধ হোৱাৰ ৪৮ঘণ্টাৰ পৰা আৰম্ভ) বন্ধ হোৱাৰ পিছত, ৰাজনৈতিক নেতা আদি যি নিৰ্বাচনী এলেকাৰ বাহিৰৰ পৰা আহিছে আৰু যি নিৰ্বাচনী এলেকাৰ ভোটাৰ নহয়, তেওঁলোকে নিৰ্বাচনী এলেকাত মজুত থাকিব নালাগে। এনে নেতাক প্ৰচাৰৰ সময়সীমা সমাপ্ত হোৱাৰ লগে লগে নিৰ্বাচনী এলেকা ত্যাগ কৰিব লাগে। এইটো প্ৰাৰ্থী বা তেওঁৰ নিৰ্বাচনী এজেণ্টৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব, তেওঁ নিৰ্বাচনী এলেকাৰ ভোটাৰ নহ'লেও।

**প্ৰশ্ন.৬১. জনসভা আয়োজন কৰা বা সমদল উলিওৱাৰ ওপৰত কোনো নিষেধাজ্ঞা আছে নে?**

**উত্তৰঃ** হয়।

কোনো ৰাজহুৱা বা ব্যক্তিগত স্থানত বৈঠক আয়োজন কৰা আৰু সমদল উলিওৱাৰ বাবে সম্বন্ধিত আৰক্ষী বিষয়াৰ পৰা আগতীয়া লিখিত অনুমতি ল'ব লাগিব।

**প্ৰশ্ন.৬২. আৰক্ষী বিষয়াৰ পৰা অনুমতি লোৱা অবিহনে লাউডস্পীকাৰৰ ব্যৱহাৰ ৰাজহুৱা বৈঠকৰ বাবে সমদলৰ বাবে সাধাৰণ প্ৰচাৰৰ বাবে কৰিব পাৰি নে?**

**উত্তৰঃ** নোৱাৰি।

লাউডস্পীকাৰৰ ব্যৱহাৰ কৰাৰ বাবে সংশ্লিষ্ট আৰক্ষী বিষয়াৰ পৰা আগতীয়া লিখিত অনুমতি লোৱা উচিত।

**প্ৰশ্ন.৬৩. লাউডস্পীকাৰৰ ব্যৱহাৰ কৰাৰ বাবে কোনো সময় সীমা আছে নেকি?**

**উত্তৰঃ** হয়।

নিশা ১০.০০ বজাৰ পৰা পুৱা ৬.০০ৰ মাজত লাউডস্পীকাৰৰ ব্যৱহাৰ কৰিব নোৱাৰে।

**প্ৰশ্ন.৬৪. কোনটো সময়সীমাৰ ভিতৰত জনসভা আৰু সমদল উলিয়াব নোৱাৰি?**

**উত্তৰঃ** ৰাজহুৱা সভা পুৱা ৬.০০ বজাৰ পূৰ্বে আৰু নিশা ১০ বজাৰ পিছত আয়োজন কৰিব নোৱাৰি। ইয়াৰ উপৰি, প্ৰাৰ্থী ভোটাৰ সমাপ্ত হোৱাৰ বাবে নিৰ্ধাৰিত ঘণ্টাৰ সৈতে ৪৮ ঘণ্টাৰ সময়সীমাৰ ভিতৰত ৰাজহুৱা সভাসমূহ আৰু সমদল উলিয়াব নোৱাৰি। ধৰি লওঁক, ভোটাগ্ৰহণৰ দিন ১৫ জুলাই আৰু ভোটগ্ৰহণৰ সময় পুৱা ৮ বজাৰ পৰা সন্ধিয়া ৫.০০ বজালৈ, তেন্তে ৰাজহুৱা সভা আৰু সমদল ১৩ জুলাইৰ সন্ধিয়া ৫.০০ বজাৰ পৰা বন্ধ হৈ যাব।

(চাওঁক জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ৰ ধাৰা ১২৬)

**প্ৰশ্ন.৬৫. ভোটাৰক অনানুষ্ঠানিক পৰিচয় পত্ৰ জাৰি কৰাৰ বাবে ৰাজনৈতিক দল/প্ৰাৰ্থীৰ বাবে**

**কোনো দিশা-নির্দেশনা আছে নে?**

**উত্তৰ ঃ** হয়

বগা কাগজত অনানুষ্ঠানিক পৰিচয় পত্ৰত কেৱল ভোটাৰৰ নাম, ভোটাৰৰ ক্ৰমিক সংখ্যা, ভোটাৰ তালিকাৰ অংশ নম্বৰ, ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা আৰু নাম আৰু ভোটগ্ৰহণৰ তাৰিখ চামিল থাকিব। ইয়াত প্ৰাৰ্থীৰ নাম, তেওঁৰ ফটো আৰু নিৰ্বাচনী চিহ্ন থাকিব নালাগে।

**প্ৰশ্ন.৬৬. কোনো মন্ত্ৰী/এমপি/এমএলএ/এমএলচি বা অন্য ব্যক্তি যি সুৰক্ষা কভাৰত আছে, তেওঁৰ নিযুক্ত নিৰ্বাচনী এজেণ্ট/পুলিং এজেণ্ট/ভোটগণনা এজেণ্টৰ ৰূপত থকাত কোনো প্ৰতিবন্ধকতা আছে নে?**

**উত্তৰ ঃ** হয়

কোনো প্ৰাৰ্থী কোনো মন্ত্ৰী/এমপি/এমএলএ/এমএলচি বা অন্য ব্যক্তি, যি সুৰক্ষা কভাৰৰ অধীনত, নিৰ্বাচনী/ভোট গণনা এজেণ্টৰ ৰূপত নিযুক্ত কৰিব নোৱাৰে, কাৰণ তেওঁৰ ব্যক্তিগত সুৰক্ষাক এইধৰণৰ নিযুক্তিৰ পৰা বিপদ হ'ব আৰু তেওঁৰ সুৰক্ষাকৰ্মীক কোনো পৰিস্থিতিতে ভোটগ্ৰহণ কেন্দ্ৰৰ ১০০ মিটাৰ পৰিধিত ভোটদান কেন্দ্ৰ আৰু ভোটগণনা কেন্দ্ৰৰ চৌহদত আৰু ভোটগণনা কেন্দ্ৰৰ ভিতৰলৈ যোৱাৰ অনুমতি নাই, যাক 'ভোটদান কেন্দ্ৰ চুবুৰীয়া'ৰ ৰূপত বৰ্ণনা কৰা হৈছে। সুৰক্ষা কভাৰ প্ৰাপ্ত এনে কোনো ব্যক্তিক এনে প্ৰাৰ্থীৰ এজেণ্টৰ ৰূপত কাম কৰাৰ বাবে নিজৰ সুৰক্ষা কভাৰ আত্মসমৰ্পণ কৰাৰ অনুমতি দিয়া নহ'ব।

**প্ৰশ্ন.৬৭. আৰ পি অধিনিয়ম, ১৯৫১ৰ ধাৰা ৭৭(১)ৰ অধীনত মুনাফা ল'বলৈ ৰাজনৈতিক দলৰ ষ্টাৰ প্ৰচাৰকসকল(নেতাসকল)ক পাৰ্মিট জাৰি কৰাৰ অধিকাৰ কোনে পাব?**

**উত্তৰ ঃ** যদি পথ পৰিবহণৰ ব্যৱহাৰ ৰাজনৈতিক ষ্টাৰ প্ৰচাৰকসকল (নেতাসকল)ৰ দ্বাৰা কৰিবলগীয়া হয়, তেন্তে এইধৰণৰ পাৰ্মিট মুখ্য নিৰ্বাচন বিষয়াৰ দ্বাৰা কেন্দ্ৰীয়ভাৱে জাৰি কৰা হ'ব। যদি দলে এনে বাহনৰ বাবে পাৰ্মিট জাৰি কৰাৰ বাবে আবেদন কৰে, তেন্তে যি কোনো নেতাৰ দ্বাৰা সমগ্ৰ ৰাজ্যত নিৰ্বাচন প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰিবলগীয়া হয়, তেন্তে মুখ্য নিৰ্বাচন বিষয়া দ্বাৰা এনে বাহনৰ বাবে অনুমতি কেন্দ্ৰীয়ভাৱে জাৰি কৰিব পাৰে, যাক এইধৰণৰ বাহনৰ উইণ্ডস্ক্ৰীণত গুৰুত্ব সহকাৰে প্ৰদৰ্শিত কৰিব লাগে, যাক সংশ্লিষ্ট নেতাৰ দ্বাৰা ব্যৱহাৰ কৰিব লাগিব। যদি বেলেগ বেলেগ এলেকাত এনে দল নেতা দ্বাৰা বিভিন্ন বাহনৰ ব্যৱহাৰ কৰিব লাগে তেন্তে সংশ্লিষ্ট ব্যক্তিৰ নামৰ সপক্ষে পাৰ্মিট জাৰি কৰিব পাৰে, যি এনে দ্বাৰা ব্যৱহাৰ কৰা বাহনৰ উইণ্ডস্ক্ৰীণত গুৰুত্বসহকাৰে প্ৰদৰ্শিত কৰিব।

**প্ৰশ্ন.৬৮. অপিনিয়ন পোল বা এক্সিট পোল যিকোনো সময়ত আয়োজিত, প্ৰকাশিত প্ৰচাৰিত বা**

**প্ৰসাৰিত কৰিব পাৰে নেকি ?**

**উত্তৰঃ** নোৱাৰে।

কোনো প্ৰকাৰেই প্ৰিণ্ট, ইলেক্ট্ৰনিক বা কোনো অন্য মিডিয়া দ্বাৰা কোনো জনমত সমীক্ষা বা এক্সিট পোলৰ পৰিণাম প্ৰকাশিত, প্ৰচাৰিত বা প্ৰসাৰিত কৰা নহ'ব, যিবোৰ নিম্নলিখিত সময়ৰ বাবে মান্য হ'ব ঃ

a. এটা পৰ্যায়ত আয়োজিত নিৰ্বাচনত ভোটদান সমাপ্তিৰ নিৰ্ধাৰিত ঘণ্টাৰ অনুসাৰে সমাপ্ত হোৱা ৪৮ ঘণ্টাৰ অৱধিৰ সময়ত; তথা

b. বহুস্তৰীয় নিৰ্বাচনত, আৰু বিভিন্ন ৰাজ্যত একে লগে নিৰ্বাচনৰ ঘোষণাৰ বিষয়ত, নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটদানৰ বাবে নিৰ্ধাৰিত অৱধিৰ আৰম্ভ হোৱাৰ ৪৮ ঘণ্টা আৰম্ভ হোৱাৰ সময়ত আৰু সকলো ৰাজ্যত সকলো পৰ্যায়ৰ ভোটদান সমাপ্ত হোৱালৈ।

## ভোটদান দিৱস

**প্ৰশ্ন.৬৯. নিৰ্বাচনী বুথ স্থাপন কৰিবলৈ সংশ্লিষ্ট চৰকাৰী বিষয়া বা স্থানীয় বিষয়াৰ লিখিত অনুমতি লোৱাৰ আৱশ্যকতা আছে নে ?**

**উত্তৰঃ** হয়।

এনে বুথ স্থাপন কৰাৰ আগতে সংশ্লিষ্ট চৰকাৰী বিষয়া বা স্থানীয় বিষয়াৰ পৰা লিখিত অনুমতি লোৱা আৱশ্যক। আৰক্ষী/নিৰ্বাচনী বিষয়া দ্বাৰা বিচাৰিলে লিখিত অনুমতি বুথৰ লগত সম্বন্ধিত ব্যক্তিৰ অথবা তাত উপস্থিত কৰ্মচাৰীৰ লগত উপলব্ধ থকা উচিত।

**প্ৰশ্ন.৭০. ভোটদান কেন্দ্ৰত বা তাৰ আশে-পাশে প্ৰচাৰত কোনো প্ৰতিবন্ধকতা আছে নেকি ?**

**উত্তৰঃ** হয়।

ভোটদানৰ দিন ভোটদান কেন্দ্ৰত এশ মিটাৰৰ দূৰত্বৰ ভিতৰত ভোটৰ বাবে প্ৰচাৰ কৰা নিষিদ্ধ।

(চাওঁক ঃ জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ৰ ধাৰা ১৩০)

**প্ৰশ্ন.৭১. ভোটদান কেন্দ্ৰত বা তাৰ আশে-পাশে সশস্ত্ৰ যোৱাত কোনো প্ৰতিবন্ধকতা আছে নেকি ?**

**উত্তৰঃ** হয়।

ভোটদানৰ দিনত কোনো ব্যক্তিয়ে ভোটদান কেন্দ্ৰৰ আশে-পাশে সশস্ত্ৰ অধিনিয়ম ১৯৫৯ত পৰিভাষিত কৰা কোনো ধৰণৰ অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ যোৱাৰ অনুমতি নাই।

(চাওঁক ঃ জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ৰ ধাৰা ১৩৪)

**প্ৰশ্ন.৭২. ভোটদানৰ দিন এগৰাকী প্ৰাৰ্থী কিমান বাহনৰ প্ৰাপ্য ?**

**উত্তৰঃ** (i) লোকসভাৰ নিৰ্বাচনৰ বাবে প্ৰাৰ্থী প্ৰাপ্য হ'ব—

a. সমগ্ৰ নিৰ্বাচনী এলেকাত প্ৰাৰ্থীয়ে নিজৰ ব্যৱহাৰৰ বাবে এখন বাহন। সমগ্ৰ নিৰ্বাচনী এলেকাৰ বাবে প্ৰাৰ্থীৰ নিৰ্বাচনী এজেণ্টৰ ব্যৱহাৰৰ বাবে এখন বাহন।

b. ইয়াৰ অতিৰিক্ত, সংসদীয় নিৰ্বাচনী এলেকাৰ প্ৰত্যেক বিধানসভাৰ খণ্ডত প্ৰাৰ্থীৰ কৰ্মকৰ্তা অথবা দলৰ কৰ্মকৰ্তাৰ ব্যৱহাৰৰ বাবে এখন বাহন।

(ii) ৰাজ্য বিধানসভাৰ নিৰ্বাচনৰ বাবে প্ৰাৰ্থী প্ৰাপ্য হ'বঃ—

a. প্ৰাৰ্থীৰ নিজৰ ব্যৱহাৰৰ বাবে এখন বাহন।

b. প্ৰাৰ্থীৰ নিৰ্বাচনী এজেণ্টৰ ব্যৱহাৰৰ বাবে এখন বাহন।

c. ইয়াৰ অতিৰিক্ত, প্ৰাৰ্থীৰ কৰ্মকৰ্তা অথবা দলৰ কৰ্মকৰ্তাৰ ব্যৱহাৰৰ বাবে এখন বাহন।

**প্ৰশ্ন.৭৩. যদি ভোটদানৰ দিনা প্ৰাৰ্থী নিৰ্বাচনী এলেকাত অনুপস্থিত থাকে, তেন্তে তেওঁৰ নামত আৱণ্টিত বাহন কোনো অন্য ব্যক্তিৰ দ্বাৰা ব্যৱহাৰ কৰোৱাব পাৰি নেকি ?**

**উত্তৰঃ** নোৱাৰি।

প্ৰাৰ্থীৰ ব্যৱহাৰৰ বাবে আৱণ্টিত বাহন কোনো অন্য ব্যক্তি দ্বাৰা ব্যৱহাৰৰ অনুমতি নাই।

**প্ৰশ্ন.৭৪. ভোটদানৰ দিনা যিকোনো প্ৰকাৰৰ আবণ্টিত বাহন ব্যৱহাৰ কৰিব পাৰি নে ?**

**উত্তৰঃ** নোৱাৰে।

প্ৰাৰ্থী বা তেওঁৰ এজেণ্ট বা দলৰ কৰ্মীক কেৱল চাৰি/তিনি/দুই চকীয়া বাহনৰ অৰ্থাৎ বাহন(সকলো প্ৰকাৰৰ), টেক্সী, অট' ৰিক্সা, ৰিক্সা আৰু দুচকীয়া বাহনৰ ব্যৱহাৰ কৰাৰ অনুমতি থাকিব। ভোটদানৰ দিন এই বাহনত চালকসহ পাঁচজনতকৈ অধিক ব্যক্তিক লৈ যোৱাৰ অনুমতি নাই।

**প্ৰশ্ন.৭৫. ৰাজনৈতিক দল/প্ৰাৰ্থী ভোটদান কেন্দ্ৰৰ পৰা ভোটাৰক অনা নিয়াৰ বাবে পৰিবহণৰ ব্যৱস্থা কৰিব পাৰে নে ?**

**উত্তৰ ঃ** নোৱাৰে।

প্ৰত্যক্ষ বা পৰোক্ষভাৱে পৰিবহণৰ বাবে কোনো প্ৰকাৰৰ বাহন দ্বাৰা কোনো ভোটাৰক ভোটদান কেন্দ্ৰলৈ অনা-নিয়াৰ কোনো ব্যৱস্থা কৰাটো এটা অপৰাধ।

(চাওঁক ঃ জনপ্ৰতিনিধিত্ব আইন, ১৯৫১ৰ ধাৰা ১৩৩)

**প্ৰশ্ন.৭৬. ৰাজনৈতিক দল বা কোনো নেতা ভোটদানৰ দিন ভোটদান আৰু ভোটগণনাৰ প্ৰক্ৰিয়াৰ**

**পৰ্যবেক্ষণ আৰু নিৰীক্ষণ কৰাৰ বাবে ব্যক্তিগত ফিক্সড-উইং বিমান আৰু হেলিকপ্টাৰৰ ব্যৱহাৰ কৰিব পাৰে নে?**

**উত্তৰঃ** নোৱাৰে

ৰাজনৈতিক দল বা কোনো নেতা ভোটদানৰ দিন ভোটদান আৰু ভোটগণনাৰ প্ৰক্ৰিয়াৰ পৰ্যবেক্ষণ আৰু নিৰীক্ষণ কৰাৰ বাবে ব্যক্তিগত ফিক্সড-উইং বিমান আৰু হেলিকপ্টাৰৰ ব্যৱহাৰ কৰাৰ অনুমতি নাই।

*******



*‘কোনো ভোটাৰ যাতে বাদ নপৰে’*

**মাৰ্চ, ২০১৯**

**নথি-২১-সংস্কৰণ-১**

## ভাৰতৰ নিৰ্বাচন আয়োগ


**নিৰ্বাচন সদন, অশোক ৰোড, নতুন দিল্লী-১১০০১**

www.eci.gov.in https://www.facebook.com/ECI/
http://www.youtube.com/c/ECIVoterEducation